ITKS 03

ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি

ছয়মহীয়া চার্টিফিকেট পাঠ্যক্রম

সংস্কৃত সাহিত্যৰ বৈজ্ঞানিক ধাৰণা

পদ্মনাথ গোহাঞি বৰুৱা মানবিকী বিদ্যা অধ্যয়ন সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দীপক কুমাৰ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপিকা সুদেষ্ণা ভট্টাচার্য, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষী ঃ ড° ইন্দ্রানী ডেকা, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, পিঙ্কু কলিতা, সহকাৰী অধ্যাপক, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৰিহণা যোগাইছে
১	অধ্যাপক জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
২	ড° দিলীপ শর্মা, প্রাক্তন অধ্যাপক, গণিত বিভাগ, কটন, কলেজ।
৩	ড° ইন্দিৰা শইকীয়া বৰা, সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, প্রাগজ্যোতিষ কলেজ।
৪	ড° ৰুণিমা শর্মা, সহযোগী অধ্যাপিকা, সংস্কৃত বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী।
৫	ড° ৰূপশ্মিতা বুজৰবৰুৱা, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, নলবাৰী মহাবিদ্যালয়, নলবাৰী।
৬-৭	ড° পুষ্পা শইকীয়া, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, নগাঁও মহাবিদ্যালয়, নগাঁও।
৮-১৪	ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি.বৰুৱা মহাবিদ্যালয়, গুৱাহাটী।
৯	ড° তেজসা কলিতা, সহকাৰী অধ্যাপিকা, দর্শন বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।
১০	লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।
১১	ড° ৰশ্মি দেৰী, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী।
১২	ড° মৃদুস্মিতা ভাৰদ্বাজ, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, দৰং মহাবিদ্যালয়।
১৩	ড° ৰশ্মিৰেখা গোস্বামী, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা ঃ ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ১
অধ্যাপিকা মঞ্জুলা দেৰী, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ২
ড° ভাৰতী গোস্বামী, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, বি. বৰুৱা মহাবিদ্যালয়, গুৱাহাটী, অধ্যায় ৩
অধ্যাপিকা মুক্তা বিশ্বাস, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৪
অধ্যাপক জগদীশ শর্মা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৫
ড° উদিতা ভট্টাচার্য, সহকাৰী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৬-৭
অধ্যাপিকা মুক্তা বিশ্বাস, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ৮
ড° ভাস্কৰ ভট্ট, সহকাৰী অধ্যাপক, দর্শন বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, অধ্যায় ৯-১০
ড° ৰঞ্জিতা গোস্বামী, মুৰব্বী অধ্যাপিকা, আর্য্য বিদ্যাপীঠ মহাবিদ্যালয়, অধ্যায় ১১-১২
অধ্যাপিকা মুক্তা বিশ্বাস, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১৩
অধ্যাপিকা মুক্তা বিশ্বাস, প্রাক্তন মুৰব্বী অধ্যাপিকা, সংস্কৃত বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়, অধ্যায় ১৪

গাঁথনিক সম্পাদনা ঃ লীনা ওজাঁ, সহকাৰী অধ্যাপিকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়।

প্রকাশ ঃ জানুৱাৰী, ২০২৬ ISBN: 978-93-7839-020-3

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ এই স্ব-শিক্ষণ সামগ্রী ক্রিয়েটিভ কমন্স এটিবিউচন-নন-কমার্চিয়েল-শ্বেয়াৰএলাইক ৪.০ লাইচেন্স (আন্তঃৰাষ্ট্রীয়) ঃ http//creativecommons.org/licences/by-nc-sa/4.0 ৰ অধীনত উপলব্ধ কৰা হৈছে। http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণীগেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী-৭৮১০২২
Web : www.kkhsou.in

পাঠ্যবিষয়ৰ পৰিচয়

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে আগবঢ়োৱা ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতি চার্টিফিকেট পাঠ্যক্ৰমৰ তৃতীয় পাঠ্যবিষয়ৰ বাবে এই পাঠখিনি প্ৰস্তুত কৰা হৈছে। এই পাঠ্যবিষয়টিত ভাৰতীয় পাৰম্পৰিক জ্ঞান পদ্ধতিৰ বহুতো উল্লেখযোগ্য বিষয় অন্তর্ভুক্ত কৰা হৈছে। পাঠ্যবিষয়টিৰ নাম হ'ল- সংস্কৃত সাহিত্যৰ বৈজ্ঞানিক ধাৰণা। ইয়াত সৰ্বমুঠ চৈধ্যটা (১৪) অধ্যায় আছে । অধ্যায়সমূহ হ'ল —

অধ্যায় ১ঃ ভাৰতীয় সাহিত্যত আয়ুৰ্বেদ
অধ্যায় ২ঃ ভাৰতীয় সাহিত্যত প্ৰাচীন গণিত
অধ্যায় ৩ঃ প্ৰাচীন ভাৰতীয় সাহিত্যত জ্যোতিৰ্বিদ্যা আৰু বাস্তুবিদ্যা
অধ্যায় ৪ঃ প্ৰাচীন ভাৰতীয় সাহিত্যত পৰিৱেশবিদ্যা
অধ্যায় ৫ঃ প্ৰাচীন ভাৰতীয় সাহিত্যত জীৱবিদ্যা
অধ্যায় ৬ঃ প্ৰাচীন ভাৰতীয় সাহিত্যত ৰসায়নবিদ্যা
অধ্যায় ৭ঃ প্ৰাচীন ভাৰতীয় সাহিত্যত পদাৰ্থবিদ্যা
অধ্যায় ৮ঃ ভাৰতীয় দৰ্শন (সাধাৰণ পৰিচয়)
অধ্যায় ৯ঃ আস্তিক দৰ্শন
অধ্যায় ১০ঃ নাস্তিক দৰ্শন
অধ্যায় ১১ঃ শৈৱ ধৰ্ম
অধ্যায় ১২ঃ শক্তিবাদ
অধ্যায় ১৩ঃ বৈষ্ণৱবাদ
অধ্যায় ১৪ঃ যোগ দৰ্শনৰ পৰিচয়

এই খণ্ডটি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাঁওফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰিব। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জানি থোৱা ভাল' বাকচবোৰৰ যোগেদি আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। আকৌ 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্বপৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়বোৰৰ শেষত 'আৰ্হি প্ৰশ্ন' হিচাপে কেইটিমান আৰ্হি প্ৰশ্ন তুলি দিয়া হৈছে। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে 'অধিক জানিবলৈ' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথি স্বৰূপ। আপুনি বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

বিষয় সূচী

পৃষ্ঠা নং

অধ্যায় ১ঃ ভাৰতীয় সাহিত্যত আয়ুর্বেদ ৭-২০

আয়ু তথা আয়ুর্বেদৰ লক্ষণ; আয়ুর্বেদ শব্দটোৰ নির্বচন; বেদৰ উপবেদৰূপে আয়ুর্বেদ; আয়ুর্বেদৰ অৱতৰণ; আয়ুর্বেদৰ অঙ্গ (অষ্টাঙ্গ আয়ুর্বেদ); আয়ুর্বেদৰ প্রয়োজন; আয়ুর্বেদৰ ইতিহাস।

অধ্যায় ২ঃ ভাৰতীয় সাহিত্যত প্রাচীন গণিত ২১-৩৮

গণিতবিদ্যাৰ পৰিচয়; গণিতবিদ্যাৰ উৎস; আর্য্যভট; বৰাহমিহিৰ; ব্রহ্মগুপ্ত; মহাবীৰাচার্য্য; ভাস্কৰাচার্য্য; অন্যান্য গণিতজ্ঞ আৰু টীকাকাৰসকল।

অধ্যায় ৩ঃ প্রাচীন ভাৰতীয় সাহিত্যত জ্যোতির্বিদ্যা আৰু বাস্তুবিদ্যা ৩৯-৪৯

জ্যোতির্বিদ্যাৰ পৰিচয় ঃ জ্যোতির্বিদ্যাশাস্ত্র চর্চ্চাৰ উদ্দেশ্য আৰু ভাগ, জ্যোতির্বিদ্যাশাস্ত্রৰ উৎস, বিভিন্ন জ্যোতির্বিদ্যাশাস্ত্রৰ উল্লেখ; শব্দার্থ তালিকা; বাস্তুশাস্ত্রৰ পৰিচয় ঃ বাস্তুশাস্ত্রৰ উৎস, বিভিন্ন বাস্তুশাস্ত্রৰ উল্লেখ; শব্দার্থ তালিকা।

অধ্যায় ৪ঃ প্রাচীন ভাৰতীয় সাহিত্যত পৰিৱেশবিদ্যা ৫০-৭৬

বৈদিক সাহিত্যত পর্যাবৰণ চেতনা; ৰামায়ণত পর্যাবৰণ চেতনা; মহাভাৰতত পর্যাবৰণ চেতনা; পুৰাণ বাঙ্ময়ত পর্যাবৰণ চেতনা; অর্থশাস্ত্র আৰু স্মৃতি শাস্ত্রসমূহত পর্যাবৰণ চেতনা; সংস্কৃত কাব্যত পর্যাবৰণ চেতনা।

অধ্যায় ৫ঃ প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিদ্যা ৭৭-৮৫

প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ অর্থ; প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ ইতিহাস; প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ ক্রমবিকাশ; প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ প্রয়োগ।

অধ্যায় ৬ঃ প্রাচীন ভাৰতীয় সাহিত্যত ৰসায়নবিদ্যা ৮৬-৯৬

প্রাচীন সাহিত্যত ৰাসায়নিক পদার্থ; প্রাচীন ভাৰতীয় ৰসসিদ্ধ; প্রাচীন কালত ৰসায়নৰ ভিন্ন প্রয়োগ ঃ পানীয়, সুগন্ধি দ্রব্য, প্রসাধন; লৱণ, বস্ত্র আৰু ৰং, কাঁচ, ক্ষাৰক; প্রাচীন ৰসশালা।

অধ্যায় ৭ঃ প্রাচীন ভাৰতীয় সাহিত্যত পদার্থবিদ্যা ৯৭-১০৬

পদার্থ বিজ্ঞানৰ সংজ্ঞা; পদার্থ বিজ্ঞানৰ ভিন্ন স্তৰ; দৈর্ঘ্যৰ একক; কোণ মাপনৰ একক; ভৰ মাপনৰ একক; কাল মাপৰ একক; সৌৰ দিন; উষ্ণতাৰ একক; পদার্থ আৰু শক্তি; বৈশেষিক আৰু পৰমাণুৰ আকাৰ (টিণ্ডেল ক্রিয়া); গতি আৰু গতিসূত্র ধাৰণা; স্থিতিস্থাপকতা সংস্কাৰ; গুৰুত্বাকর্ষণ (মধ্যাকর্ষণ); বিদ্যুৎ।

অধ্যায় ৮ঃ ভাৰতীয় দর্শন (সাধাৰণ পৰিচয়) **১০৭-১১৬**

দর্শন শব্দৰ অর্থ; ভাৰতীয় দর্শনৰ উৎপত্তি আৰু ক্রমবিকাশ; ভাৰতীয় দর্শনৰ শ্রেণীবিভাগ; ভাৰতীয় দর্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ; ভাৰতীয় দার্শনিক সম্প্রদায়সমূহৰ চমু পৰিচয়।

অধ্যায় ৯ঃ আস্তিক দর্শন **১১৭-১২৬**

সাংখ্য দর্শন; যোগ দর্শন; ন্যায় দর্শন; বৈশেষিক দর্শন; মীমাংসা দর্শন; বেদান্ত দর্শন।

অধ্যায় ১০ঃ নাস্তিক দর্শন **১২৭-১৩৫**

চার্বাক দর্শন; জৈন দর্শন; বৌদ্ধ দর্শন।

অধ্যায় ১১ঃ শৈৱ ধর্ম **১৩৬-১৫০**

শৈৱ ধর্ম ঃ শিৱৰ বৈশিষ্ট্য, শিৱ আর্য নে অনার্য; শৈৱ ধর্মৰ উৎপত্তি আৰু বিকাশ; শৈৱ দর্শন ঃ শৈৱ সিদ্ধান্তিকা, পাশুপাত, কালবদন বা কালমুখ, কাপালিক সম্প্রদায়; অসমৰ জনমানসত শিৱৰ প্রভাৱ; অসমত শৈৱধর্ম; অসমত শৈৱ-মঠ-মন্দিৰ; অসমত শৈৱ সাহিত্য।

অধ্যায় ১২ঃ শক্তিবাদ **১৫১-১৫৯**

শক্তিবাদ ঃ শক্তি উপাসনাৰ সম্প্রদায়সমূহ,অসমত শক্তিবাদৰ পৰম্পৰা,শক্তিৰ বিভিন্ন ৰূপৰ উপাসনা, শাক্ত সাহিত্য।

অধ্যায় ১৩ঃ বৈষ্ণৱবাদ **১৬০-১৬৬**

বৈষ্ণৱ শব্দৰ অর্থ তথা বৈষ্ণৱবাদৰ ধাৰণা; বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহ; বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশ; বৈষ্ণৱ দর্শন আৰু ইয়াৰ দার্শনিকসমূহ; বৈষ্ণৱ সাহিত্য; অসমত বৈষ্ণৱবাদ।

অধ্যায় ১৪ঃ যোগ দর্শনৰ পৰিচয় **১৬৭-১৭৫**

যোগ শব্দৰ অর্থ; যোগ দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস ঃ যোগ মনস্তত্ত্ব, যোগৰ অষ্টমার্গ বা অষ্টাঙ্গযোগ, যোগ দর্শনৰ ঈশ্বৰতত্ত্ব।

প্রসংগ পুথি **১৭৬-১৭৮**

অধ্যায় ১ঃ ভাৰতীয় সাহিত্যত আয়ুর্বেদ

অধ্যায় গাঁথনি

১.১ উদ্দেশ্য

১.২ পৰিচয়

১.৩ আয়ু তথা আয়ুর্বেদৰ লক্ষণ

১.৪ আয়ুর্বেদ শব্দটোৰ নির্বচন

১.৫ বেদৰ উপবেদৰূপে আয়ুর্বেদ

১.৬ আয়ুর্বেদৰ অৱতৰণ

১.৭ আয়ুর্বেদৰ অঙ্গ (অষ্টাঙ্গ আয়ুর্বেদ)

১.৮ আয়ুর্বেদৰ প্রয়োজন

১.৯ আয়ুর্বেদৰ ইতিহাস

১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১.১১ অধিক জানিবলৈ

১.১২ অগ্রগতিৰ খতিয়ান

১.১৩ আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আয়ুর্বেদ সম্বন্ধে জ্ঞান লাভ কৰিব
- প্রাচীন ভাৰতত আয়ুর্বেদ পদ্ধতিৰ বিষয়ে জানিব পাৰিব
- আয়ুর্বেদৰ সৃষ্টি সম্পর্কে জ্ঞান লাভ কৰিব
- আয়ুর্বেদৰ বিষয়বস্তুৰ লগত চিনাকী হ'ব পাৰিব
- আয়ুর্বেদৰ ইতিহাসৰ বিষয়ে অৱগত হ'ব পাৰিব।

১.২ পৰিচয়

'আয়ুর্বেদ' অত্যন্ত প্রাচীন শাস্ত্র। প্রাচীন আচার্য্যসকলে আয়ুর্বেদক 'শাশ্বত' বুলি অভিহিত কৰিছে। তেওঁলোকৰ মতে আয়ুর্বেদ অনাদি, স্বভাৱসংসিদ্ধ লক্ষণযুক্ত তথা ভাৱস্বভাৱনিত্য- 'সোহয়মায়ুর্বেদঃ শাশ্বতো নির্দিশ্যতে, অনাদিত্বাৎ, স্বভাৱ-সংসিদ্ধলক্ষণত্বাৎ, ভাৱস্বভাৱনিত্যত্বাৎ' (চৰকসংহিতা, সূত্রস্থান, ৩০)। আয়ু তথা ইয়াৰ বেদ (জ্ঞান) অনাদি হোৱাৰ কাৰণে আয়ুর্বেদো অনাদি, কাৰণ আত্মাৰ সমানেই সৃষ্টিও অনাদি। সৃষ্টিৰ আৰম্ভণিৰ পৰাই জড় আৰু জীৱ অথবা নিৰিন্দ্রিয় আৰু ইন্দ্রিয়— এই দুটা প্রকাৰেই আছে। এই দুয়োটাৰে সম্বন্ধ কাল অথবা সময়ৰ লগত আছে। কিন্তু চেতন পদার্থত যেতিয়ালৈকে চেতনাৰ অনুবন্ধ থাকে, সেই অবধিকে 'আয়ু' বুলি কোৱা হয়। আনহাতে আয়ুসম্বন্ধী প্রত্যেক জ্ঞেয়বিষয়ক জ্ঞান (বেদ)ক 'আয়ুর্বেদ' বুলি কোৱা হৈছে।

মানুহ তথা প্রত্যেক প্রাণীয়েই সৃষ্টিৰ প্রাৰম্ভৰে পৰা নিজৰ হিত তথা অহিত সম্বন্ধে জ্ঞান ৰাখিছে। নিজৰ

আয়ুসৰ বৃদ্ধি তথা হ্রাসৰ কাৰকসমূহৰ জ্ঞানো তেওঁলোকে পাই আহিছে। আনকি উত্তৰোত্তৰ নতুন নতুন উপায়ৰো অবলম্বন তথা অনুসন্ধান কৰি আহিছে। এনেকৈয়ে আয়ু (জীৱন) আৰু বেদ (জ্ঞান) দুয়োটাই সদায়েই একেলগে আছে আৰু থাকিবই। সেয়েহে 'আয়ুর্বেদ' নিত্য, শাশ্বত।

এই অধ্যায়টোত আপুনি আয়ুর্বেদ সম্বন্ধে জানিব পাৰিব। আয়ুর্বেদ কাক বোলে, ইয়াৰ বিষয়বস্তুনো কি, তথা প্রাচীন ভাৰতত আয়ুর্বেদৰ মহত্বৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰিব।

১.৩ আয়ু তথা আয়ুর্বেদৰ লক্ষণ

ভাৰতীয় চিকিৎসা বিজ্ঞাৰ জগতত আয়ুর্বেদ হৈছে প্রাচীন চিকিৎসা ব্যৱস্থা। আয়ুর্বেদ মানে হৈছে আয়ুস অর্থাৎ জীৱনদশাৰ বেদ। 'আয়ুস্' মানে হৈছে আয়ুস্ অর্থাৎ জীৱনচক্র (span of life) তথা 'বেদ' অর্থাৎ জ্ঞান, অনির্বচনীয় জ্ঞান। আয়ুর্বেদ হৈছে জীৱনধাৰণৰ বিজ্ঞান, য'ত ভাল, বেয়া, সুখ, অসুখ আদি বিষয়সমূহ সন্নিৱিষ্ট হৈ আছে। চৰক-সংহিতাত আয়ুর্বেদৰ পৰিভাষা এনেদৰে দিয়া হৈছে— যি শাস্ত্রত হিতকাৰী, অহিতকাৰী, সুখময়, দুঃখময় আয়ু তথা এই চাৰিপ্রকাৰৰ আয়ুৰ বাবে হিতকৰ আৰু অহিতকৰ দ্রব্য, গুণ, কর্ম (পথ্য), আয়ুৰ মান (প্রমাণ আৰু অপ্রমাণ) তথা আয়ুৰ স্বৰূপ (লক্ষণ) বর্ণনা কৰা হৈছে, তাকেই আয়ুর্বেদ শাস্ত্র বুলি কোৱা হয়—

'হিতাহিতং সুখং দুঃখমায়ুস্তস্য হিতাহিতম্।
মানং চ তচ্চ যত্রোক্তমায়ুর্বেদঃ স উচ্যতে।।'

(চৰকসংহিতা, সূত্রস্থান, ১.৪১)

আয়ুৰ লক্ষণ হিচাপে এনেদৰে কোৱা হৈছে যে, শৰীৰ, ইন্দ্রিয়, মন আৰু আত্মাৰ সংযোগকে 'আয়ু' বুলি কোৱা হয়। আনহাতে আয়ুৰ পর্যায়বাচক শব্দ হৈছে— ১। ধাৰি অর্থাৎ শৰীৰক ধাৰণ কৰি থকা, ২। জীৱিত (প্রাণক ধাৰণ কৰা), ৩। নিত্যগ (প্রতিদিনে আয়ুস গৈ থাকে), ৪। অনুবন্ধ (আয়ুৰ সম্বন্ধ পৰ, অপৰ শৰীৰৰ লগত অথবা প্রাণৰ লগত সদায় লাগি থকা)—

'শৰীৰেন্দ্রিয়সত্বাত্মসংযোগো ধাৰি জীৱিতম্।
নিত্যগশ্চানুবন্ধশ্চ পর্য্যায়ৈৰায়ুৰুচ্যতে।।'

(চৰকসংহিতা, সূত্রস্থান, ১.৪২)

যিজন মানুহ শাৰীৰিক, মানসিক ৰোগৰ পৰা আঁতৰত থাকে বিশেষকৈ যৌৱনকালত, তেওঁৰ শৰীৰত বল-বীর্য্য থাকে, তেওঁ যশস্বী, পৰাক্রমী, পুৰুষার্থী হয়, জ্ঞান-বিজ্ঞান সম্পন্ন হয়, যাৰ ইন্দ্রিয়সমূহ নিজৰ নিজৰ বিষয় গ্রহণত পূর্ণ সমর্থ, যিজন সকলো প্রকাৰৰ ধন-সম্পত্তিৰ দ্বাৰা যুক্ত আৰু ইচ্ছানুসৰি প্রত্যেক কার্যই যাৰ সম্পাদন হয়, সেই মানুহজনৰ আয়ুক 'সুখ-আয়ু' বুলি কোৱা হৈছে। ইয়াৰ বিপৰীত আয়ুক 'অসুখ-(দুঃখ) আয়ু' বুলি কোৱা হয়। আনহাতে, যিজন ব্যক্তিয়ে সকলো প্রাণীমাত্রৰেই হিত সাধন কৰে, আনৰ ধনৰ প্রতি লোভ নকৰে, সত্যবাদী, শান্তিপ্রধান, বিচাৰপূর্বক কাম কৰোঁতা, সাৰধানেৰে ধর্ম, অর্থ, কামৰ পালন কর্তা, পূজ্যব্যক্তিৰ প্রতি শ্রদ্ধা ৰখা, জ্ঞান-বিজ্ঞান তথা উপশমশীল, বৃদ্ধজনৰ সেৱক, ক্রোধ-ৰাগ-ঈর্ষা-মদ-অভিমান জন্য গতিক যিজনে উপশম কৰি ধৰি ৰাখিব পাৰে, সদায় দানশীল, জ্ঞান তথা শান্তিত যিজন সদা তৎপৰ, আধ্যাত্মজ্ঞানৰ যিজন জ্ঞাতা তথা অনুষ্ঠান কৰোঁতা, এইলোক আৰু পৰলোকৰ স্মৰণ কৰি যিজনে কার্য সম্পাদন কৰে, এনেকুৰা ব্যক্তিৰ আয়ুক 'হিত-আয়ু' বুলি কোৱা হৈছে। ইয়াৰ বিপৰীতে আয়ুক 'অহিত-আয়ু' বুলি কোৱা হৈছে।

এই চাৰিও প্রকাৰ আয়ুৰ কাৰণে 'হিত' অর্থাৎ আয়ুষ্য (যিয়ে আয়ুস বৃদ্ধি কৰে), 'অহিত' অর্থাৎ অনায়ুষ্য (যিয়ে আয়ুস হ্রাস কৰে)— এই দুটা বিষয়ৰ বর্ণনা আৰু সেই আয়ুৰ মান, যেনে— এই ব্যক্তিজন কিমান দিন জীয়াই থাকিব ইত্যাদি,— এই সকলোবোৰৰ নির্দেশ যিখন শাস্ত্রত থাকে, তাকেই 'আয়ুর্বেদ' বুলি কোৱা হয়।

'আয়ু' মানে হৈছে জীৱিত (তত্র আয়ুর্জীৱিতমুচ্যতে, কাশ্যপ) আৰু 'বেদ' মানে হৈছে জ্ঞান। এই শাস্ত্রক আয়ুর্বেদ বুলি কিয় কোৱা হৈছে? এই প্রশ্নৰ উত্তৰত চৰকে কৈছে যে, যিয়ে আয়ু সম্বন্ধে জ্ঞান দিয়ে, সেয়াই আয়ুর্বেদ (তদায়ুর্বেদয়তীত্যায়ুর্বেদঃ, চৰকসংহিতা, সূত্রস্থান, ৩০/২৩)। এই আয়ুর্বেদে কেনেকৈ আয়ুৰ জ্ঞান দিয়ে, এই প্রসংগত কোৱা হৈছে যে, নিজৰ লক্ষণৰ দ্বাৰা সুখ, অসুখ (দুঃখ), হিত, অহিত, প্রমাণ আৰু অপ্রমাণৰ দ্বাৰা আয়ুৰ উপদেশ দিয়ে। কিয়নো, এই আয়ুর্বেদ শাস্ত্রৰ দ্বাৰাই আয়ুষ্য (আয়ুৰ কাৰণে হিতকাৰী), অনায়ুষ্য (আয়ুৰ কাৰণে হানিকৰ), দ্রব্য, গুণ, কর্মৰ জ্ঞান হয়। সেই কাৰণে ইয়াক আয়ুর্বেদ বুলি কোৱা হৈছে—

'তদায়ুর্বেদয়তীত্যায়ুর্বেদঃ। কথমিতি চেৎ? উচ্যতে-
স্বলক্ষণতঃ সুখাসুখতো হিতাহিততঃ প্রমাণাপ্রমাণতশ্চ।
য়তশ্চায়ুষ্যাণ্যনায়ুষ্যাণি চ দ্রব্যগুণকর্মাণি বেদয়ত্যতো ঽপ্যায়ুর্বেদঃ।।'

(চৰকসংহিতা, সূত্রস্থান, ৩০/২৩)।

১.৪ আয়ুর্বেদ শব্দটোৰ নির্বচন

আয়ুর্বেদ শব্দটোৰ নির্বচন এনেদৰে পোৱা যায়— আয়ুঃ বেদয়তি ইতি আয়ুর্বেদঃ (যি শাস্ত্রই আয়ু অর্থাৎ জীৱ সম্বন্ধে জ্ঞান দিয়ে, য়েই আয়ুর্বেদ)। 'আয়ুষ্যাণি অনায়ুষ্যাণি চ দ্রব্য গুণ কর্মাণি বেদয়তি অতঃ অপি আয়ুর্বেদঃ (যি শাস্ত্রই দীর্ঘ আৰু হ্রস্ব জীৱনৰ বাবে দ্রব্য, গুণ, কর্মৰ জ্ঞান দিয়ে, সেয়াই আয়ুর্বেদ। 'আয়ুর্বেদয়তি বোধয়তীত্যায়ুর্বেদঃ' (যি শাস্ত্রই আয়ুৰ বিষয়ে জ্ঞান দিয়ে আৰু ব্যাখ্যা দিয়ে, সেয়াই আয়ুর্বেদ) (the science that imparts knowledge or explains about ayus is called Ayurveda)।

সুশ্রুতসংহিতাত (সূত্রস্থান, ১/৫১) কোৱা হৈছে যে, যি শাস্ত্রত আয়ুৰ জ্ঞান নিহীত হৈ আছে, তাকেই আয়ুর্বেদ বুলি কোৱা হৈছে। অথবা যি শাস্ত্রৰ জৰিয়তে আয়ু লাভ কৰা হয়, তাকেই আয়ুর্বেদ বুলি সংজ্ঞা দিয়া হৈছে— 'আয়ুৰস্মিন্ বিদ্যতে অনেন বা ঽয়ুর্বিন্দতীত্যায়ুর্বেদ'। আন আন ঠাইত এনেদৰেও পোৱা যায়— 'যি শাস্ত্রই আয়ু সম্বন্ধে জ্ঞান প্রদান কৰে, সেয়াই আয়ুর্বেদ'— 'আয়ুর্বিদ্যতে জ্ঞায়তে ঽনেনেতি আয়ুর্বেদঃ', 'যি শাস্ত্রত আয়ু সম্পর্কে চর্চা কৰা হৈছে, সেয়াই আয়ুর্বেদ— 'আয়ুর্বিদ্যতে বিচার্য্যতে ঽনেন বেত্যায়ুর্বেদঃ।

এনেদৰেও পোৱা যায় যে যি শাস্ত্রত জীৱন ধাৰণৰ বাবে হিত তথা অহিত বিষয়সমূহৰ লগতে ব্যাধিসমূহৰ নিদানৰ কথা পোৱা যায়, সেয়াই আয়ুর্বেদ—

'আয়ুর্হিতাহিতং ব্যাধের্নিদানং শমনং তথা।
বিদ্যতে য়ত্র বিদ্বদ্ভিঃ স আয়ুর্বেদ উচ্যতে।।'

চৰকসংহিতাত আয়ুর্বেদৰ সমার্থক অভিধানবোৰ দিয়া হৈছে। সেইবোৰ শব্দ হৈছে— শাখা বিদ্যা, সূত্র, জ্ঞান, শাস্ত্র, লক্ষণ আৰু তন্ত্র—

'তত্রায়ুর্বেদঃ শাখা বিদ্যা সূত্রং জ্ঞানং শাস্ত্রং লক্ষণং তন্ত্রমিত্যর্থান্তৰম্'।

(চৰকসংহিতা, সূত্রস্থান, ৩০/৩১)

১.৫ বেদৰ উপবেদৰূপে আয়ুর্বেদ

বৈদিক পৰম্পৰা অনুসৰি সৃষ্টিৰ প্রাৰম্ভত ব্রহ্মাৰ মুখৰ পৰা বেদ প্রকট হৈছিল। কালান্তৰত ব্রহ্মাৰ এই দিব্য জ্ঞান ঋষিসকলে লাভ কৰিলে আৰু তেওঁলোকে সেই জ্ঞান মন্ত্রত নিবদ্ধ কৰিলে। বেদৰ প্রত্যেক মন্ত্রৰে দ্রষ্টা কোনো এজন ঋষি। মন্ত্র তিনি প্রকাৰৰ— ঋক্, যজুস্ আৰু সামন্। পদ্যাত্মক মন্ত্রসমূহ ঋক্, গেয়মন্ত্রসমূহ মামন্,

আৰু গদ্যাত্মক মন্ত্রসমূহ যজুম্। ঋক্ মন্ত্রসমূহ ঋগ্বেদত আছে, সামন্ মন্ত্রসমূহ সামবেদত আৰু যজুস্ মন্ত্রসমূহ যজুর্বেদত আছে। অথর্ববেদত তিনিও প্রকাৰৰ মন্ত্রৰেই সমাৱেশ ঘটিছে।

দ্বাপৰ যুগত মহর্ষি বেদব্যাসে সমস্ত বেদ বাঙ্ময়ক সম্পাদন কৰিলে আৰু চাৰিওখন বেদক নিজৰ চাৰিজন মুখ্য শিষ্যক পঢ়ালে। এই শিষ্যসমূহে নিজৰ নিজৰ শৈলীত বেদৰ প্রচাৰ কৰিলে, যাৰ ফলত অনেক শাখাভেদৰ সৃষ্টি হ'ল।

চাৰিখন বেদৰ চাৰিখন উপবেদ আছে। এই চাৰিখন হৈছে— আয়ুর্বেদ, ধনুর্বেদ, গান্ধর্ববেদ তথা অর্থবেদ। শৌনকৰ দ্বাৰা ৰচিত 'চৰণব্যূহ' নামৰ গ্রন্থ অনুসৰি 'আয়ুর্বেদ' ঋগ্বেদৰ উপবেদ, 'ধনুর্বেদ' যজুর্বেদৰ উপবেদ, 'গান্ধর্ববেদ' সামবেদৰ উপবেদ, তথা অর্থবেদ (অর্থশাস্ত্র) অথর্ববেদৰ উপবেদ। কিন্তু চৰক, সুশ্রুত তথা ভাৱ প্রকাশৰ মত অনুসৰি আয়ুর্বেদ অথর্ববেদৰ উপবেদ, কাৰণ অথর্ববেদত আয়ুর্বেদ সম্বন্ধীয় বহুত মন্ত্র আছে। অথর্ববেদত ৰোগৰ চিকিৎসা, ঔষধৰ উপয়োগ, মন্ত্র-চিকিৎসা, সূর্য্যকিৰণ চিকিৎসা আদি বিষয়ক মন্ত্র আছে।

কিন্তু অত্যন্ত পৰিতাপৰ কথা যে এই চাৰিখন উপবেদৰ ভিতৰত কোনো এখন উপবেদৰ মূলৰূপ পোৱা নাযায়। অৱশ্যে এই উপবেদসমূহৰ আধাৰত কেইখনমান আর্ষ গ্রন্থ পোৱা যায়। গান্ধর্ববেদৰ ভিতৰত ভৰত মুনিৰ নাট্যশাস্ত্র আৰু আয়ুর্বেদৰ ওপৰত চৰক, সুশ্রুত তথা বাগ্ভটৰ গ্রন্থ পোৱা যায়। ধনুর্বেদৰ ওপৰত কোনো গ্রন্থই উপলব্ধ নহয়। অর্থবেদ হিচাপে কোনো গ্রন্থ নাপালেও অর্থশাস্ত্র হিচাপে কৌটলীয় অর্থশাস্ত্র পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বেদ শব্দটোৰ অর্থ কি?

.....

.....

প্রশ্ন নং ২ ঃ 'আয়ুর্বেদ' শব্দটোৰ অর্থ কি?

.....

.....

প্রশ্ন নং ৩ ঃ 'আয়ু'ৰ দুটা পর্যায়বাচী শব্দ লিখক।

.....

.....

প্রশ্ন নং ৪ ঃ চাৰি প্রকাৰৰ আয়ু কি কি?

.....

.....

প্রশ্ন নং ৫ ঃ চৰকৰ মতে আয়ুর্বেদ কাৰ উপবেদ?

.....

.....

১.৬ আয়ুর্বেদৰ অৱতৰণ

চৰকসংহিতা তথা সুশ্রুত সংহিতাত আয়ুর্বেদৰ অৱতৰণ অর্থাৎ আয়ুর্বেদৰ আৰম্ভণিৰ বিষয়ে কোৱা হৈছে। চৰকসংহিতা অনুসৰি যিদৰে সম্পূর্ণ আয়ুর্বেদৰ উপদেশ ব্রহ্মই কৰিছল, ঠিক সেই ৰূপত ব্রহ্মাৰ পৰা

সর্বপ্রথমে দক্ষ প্রজাপতিয়ে আয়ুর্বেদ গ্রহণ কৰিছিল। অর্থাৎ সর্বপ্রথম আচার্য্য ব্রহ্মাই সৃষ্টিৰ প্রৱর্তক দক্ষ প্রজাপতিক আয়ুর্বেদৰ উপদেশ দিছিল। যেতিয়া স্বর্গত আধি-ব্যাধিৰ উৎপন্ন হ'বলৈ আৰম্ভ কৰিলে, তেতিয়া দেৱতাসকলৰ চিকিৎসাৰ বাবে স্বর্গৰ বৈদ্য (চিকিৎসক) অশ্বিনীকুমাৰদ্বয়ক আয়ুর্বেদৰ জ্ঞান দক্ষ প্রজাপতিয়ে দিলে। ইয়াৰ পিছত ইয়াৰ উপযোগিতালৈ লক্ষ্য ৰাখি ইন্দ্রই আয়ুর্বেদৰ অধ্যয়ন কৰিলে।

কঠোৰ তপস্যা কৰা ঋষি ভৰদ্বাজে দীর্ঘজীৱনৰ ইচ্ছা কৰি ইন্দ্রৰ ওচৰত জ্ঞান লাভৰ বাবে শৰণাপন্ন হৈছিল।

বৈদিক কালত এটা সময় এনে আহিল যে, যেতিয়া তপস্যা, উপবাস, অধ্যয়ন, ব্রহ্মাচর্য্য আদি পালনেৰে সাত্বিক জীৱন অতিবাহিত কৰা জনৰো ৰোগ হ'ব ধৰিলে। তেতিয়া প্রাণধাৰীসকলৰ ওপৰত দয়াপৰশ হৈ পূণ্য কার্য্য কৰিবলৈ মহর্ষিসকল হিমালয় পর্বতৰ এখন সুন্দৰ ভাগত একত্রিত হ'ল। এই ঋষিসকলৰ নাম চৰকসংহিতাত (সূত্রস্থান, ১/৯-১৪) এনেদৰে পোৱা যায়— অঙ্গিৰা, জমদগ্নি, বসিষ্ঠ, ভৃগু, আত্রেয়, গৌতম, সাংখ্যা, পুলস্ত্য, নাৰদ, অসিত, অগস্ত্য, বামদেৱ, মার্কণ্ডেয়, আশ্বনায়ন, পাৰীক্ষি, ভিক্ষু, ভৰদ্বাজ, কপিঞ্জল, বিশ্বামিত্র, আশ্ববথ্য, ভার্গৱ, চ্যৱন, অভিজিত, গার্গ্য, শাণ্ডিল্য, কৌণ্ডিল্য, বার্ক্ষি, দেৱল, গালৱ, সাংকৃত্য, বৈজবাপি, কুশিক, বাদৰায়ণ, বডিশ, শৰলোমা, কাপ্য, কাত্যায়ন, কাংকায়ন, কৈকশেয়, ধৌয্য, মৰীচি, কাশ্যপ, শর্কৰাক্ষ, হিৰণ্যাক্ষ, লোকাক্ষ, পৈঙ্গি, শৌনক, শাকুনেয়, মৈত্রেয়, মৈমতায়নি, বৈখানস, বালখিল্য আদি।


এই সকলো ঋষিয়ে দিব্য চকুৰ দ্বাৰা গম পালে যে ৰোগ-নিবাৰণৰ উপায় জানিবৰ কাৰণে ইন্দ্রৰ ওচৰলৈ যোৱা উচিত। শেষত সকলোৱে লগ হৈ ঠিক কৰিলে যে মহর্ষি ভৰদ্বাজক ইন্দ্রৰ ওচৰলৈ পঠিওৱা হওঁক। সেই অনুসৰি ঋষি ভৰদ্বাজ ইন্দ্রৰ ওচৰলৈ গ'ল আৰু ইন্দ্রই তেওঁক সংক্ষেপে আয়ুর্বেদৰ সাৰাংশ ক'লে। ইয়াৰ পিছত ইন্দ্রই আয়ুর্বেদৰ তিনিসূত্রৰ উপদেশ প্রদান কৰিলে।


স্বস্থ্য তথা আতুৰ ৰোগীসকলৰ কাৰণে উত্তম পথ দেখুওৱা, হেতু (নিদান), লিংগ (লক্ষণ), ঔষধৰ জ্ঞান শাশ্বত তথা পুণ্য দিব পৰা, এয়াই হৈছে ত্রিসূত্র আয়ুর্বেদ যাক ব্রহ্মাই নিজে জানিছিল—

'হেতুলিঙ্গৌষধজ্ঞানং স্বস্থাতুৰপৰায়ণম্।
ত্রিসূত্রং শাস্বতং পুণ্যং বুবুধে যং পিতামহঃ।।' (চৰকসংহিতা, সূত্রস্থান,, ১/২৪)

স্বস্থ তথা ৰোগী হোৱাৰ কাৰণে কি— এয়াই হৈছে হেতুসূত্র। স্বাস্থ্য তথা ৰোগৰ কি লক্ষণ— এয়াই হৈছে লিঙ্গসূত্র, স্বস্থ হৈ থাকিবলৈ তথা ৰোগ-নিবাৰণৰ উপায় অথবা ঔষধ কি— এয়াই হৈছে ঔষধসূত্র।

জানি থোৱা ভাল





ইয়াৰ পিছত ইন্দ্রৰ পৰা সেই আয়ুর্বেদৰ জ্ঞান, য'ত তিনিটা সূত্র আছে, সম্পূর্ণকৈ ভৰদ্বাজে লাভ কৰিলে। সেই জ্ঞানৰ দ্বাৰা ভৰদ্বাজে দীর্ঘ জীৱন আৰু সুস্বাস্থ্য লাভ কৰিলে আৰু যি জ্ঞান ইন্দ্রৰ পৰা লাভ কৰিছিল, এই সকলোখিনি জ্ঞান ঋষিবিলাকক প্রদান কৰিলে—

'সোহনন্তপাৰং ত্রিস্কন্ধমায়ুর্বেদং মহামতিঃ।
যথাবদচিৰাৎ সর্বং বুবুধে তন্মনা মুনিঃ।।'
তেনায়ুৰমিতং লেভে ভৰদ্বাজঃ সুখান্বিতম্।
ঋষিভ্যোহনধিকং তচ্চ শশংসানবশেষয়ন্।।'

(চৰকসংহিতা, সূত্রস্থান, ১/২৫-২৬)

দীর্ঘ জীৱনৰ ইচ্ছা প্রকাশ কৰা সেই ঋষিসকলে প্রজাহিতকৰ আৰু আয়ুস বৃদ্ধি কৰা বেদ অর্থাৎ আয়ুর্বেদক ভৰদ্বাজৰ পৰা গ্রহণ কৰিলে।

ভৰদ্বাজে তেওঁৰ শিষ্য আত্রেয় পুনর্বসুকো এই আয়ুর্বেদৰ জ্ঞান প্রদান কৰিলে। পিছত ভৰদ্বাজ ঋষিৰ শিষ্য আত্রেয় পুনর্বসুৱে সকলো প্রাণীতেই মিত্রতাসুলভ দৃষ্টিৰাখি তথা সকলো প্রাণীৰ প্রতিয়েই দয়া পৰশ হৈ তেওঁৰ ছয়জন শিষ্যক এই পুণ্যপ্রদ আয়ুর্বেদৰ জ্ঞান দিলে অর্থাৎ অধ্যাপনা কৰিলে। এই ছয়জন শিষ্য হৈছে— অগ্নিবেশ, ভেল, জতূকর্ণ, পৰাশৰ, হাৰীত তথা ক্ষাৰপাণি—

'অথ মৈত্রীপৰঃ পুণ্যমায়ুর্বেদং পুনর্বসুঃ।
শিষ্যেভ্যো দত্তবান্ ষড়্ভ্যঃ সর্বভূতানুকম্পয়া।।
অগ্নিবেশশ্চ ভেলশ্চ জতূকর্ণঃ পৰাশৰঃ।
হাৰীতঃ ক্ষাৰপাণিশ্চ জগৃহুস্তন্মুনের্বচঃ।।'

(চৰকসংহিতা সূত্রস্থান, ১/২৫-২৬)

এই ছয়জন শিষ্যৰ ভিতৰত অগ্নিৱেশ অধিক বুদ্ধিমান আছিল, যিজনে 'অগ্নিৱেশতন্ত্র' নামৰ গ্রন্থখন ৰচনা কৰিছিল। এই গ্রন্থখনক সকলোৱে শ্রেষ্ঠ সংহিতা বুলি সমাদৰ কৰিছিল। তেওঁৰ পিছত ভেল আদি বুদ্ধিমান শিষ্যসকলে নিজৰ নিজৰ নামত সংহিতা ৰচনা কৰিছিল আৰু নিজৰ গুৰুক শুনাইছিল।

অগ্নিৱেশ আদি ঋষিসকলৰ দ্বাৰা আয়ুর্বেদীয় অর্থৰ সূত্রণ অর্থাৎ নিৰন্ধন শুনি ঋষিসসুদায়ে প্রসন্ন হৈ পুণ্য

কর্ম হিচাপে এই তন্ত্রৰ অনুমোদন কৰিলে আৰু ক'লে যে আপোনালোকে বিষয়ৰ বিন্যাস অতি সুচাৰুৰূপে কৰিছে। সকলো ঋষিয়ে প্ৰাণীসকলৰ হিত কামনা কৰা সেই অগ্নিৱেশ প্ৰমুখ ঋষিসকলৰ প্ৰশংসা কৰিলে আৰু সকলোৱে সমস্বৰত এই বুলি ক'লে যে, আপোনালোকে প্ৰাণধাৰণকাৰীসকলৰ বাবে সঁচাকৈয়ে দয়া দেখুৱাইছে।

স্বৰ্গত থকা দেৱতাসকলে দেবর্ষিসকলৰ সৈতে পৰম ঋষিসকলে উচ্চ স্বৰত কোৱা সেই পূণ্যময় শব্দক শুনিলে আৰু শুনি পৰম আনন্দ লাভ কৰিলে। তেওঁলোকৰ আনন্দৰ প্ৰতিনিধি তিনিও লোকতে প্ৰতিধ্বনিত হ'ল। এনেদৰেই অগ্নিৱেশকে আদি কৰি আন ঋষিসকলৰ দ্বাৰা নিৰ্মিত সংহিতাসমূহে পৰম ঋষিসকলৰ দ্বাৰা অনুমোদিত হৈ প্ৰাণীসকলৰ কল্যাণৰ কাৰণে জগততে প্ৰতিষ্ঠা লাভ কৰিলে।

অগ্নিৱেশ সংহিতা গুৰু-শিষ্য সংবাদ ৰূপত আছিল। এই গ্ৰন্থ মূলৰূপত উপলব্ধ নহয়। চৰকৰ সময়ত হয়তো এই গ্ৰন্থখন উপলব্ধ আছিল, সেয়েহে চৰকে দেশ, কাল আৰু পৰিস্থিতি অনুসৰি ইয়াৰ সংস্কাৰ সাধন কৰা কাৰণে এইখনৰ নাম চৰকসংহিতা হৈ পৰিল। পিছত দৃঢ়বলে চৰকসংহিতাৰ প্ৰতি-সংস্কাৰ কৰিলে আৰু সেই গ্ৰন্থ আজিকালি চৰকসংহিতা নামেৰে জনাজাত হ'ল।

১.৭ আয়ুর্বেদৰ অঙ্গ (অষ্টাঙ্গ আয়ুর্বেদ)

সুশ্ৰুত সংহিতাত এনেদৰে কোৱা হৈছে যে, আয়ুর্বেদ হৈছে অথর্ববেদৰ উপাংগ অর্থাৎ উপবেদ। জগত সৃষ্টিৰ পিছতে ব্ৰহ্মাই এক লাখ শ্লোক এহেজাৰ অধ্যায়ত বিভক্ত কৰি এই আয়ুর্বেদ শাস্ত্ৰ ৰচনা কৰিছিল। ইয়াৰ পিছত তেওঁ মানুহৰ স্বল্প জীৱন তথা অল্প মেধ্যশক্তিলৈ লক্ষ্য ৰাখি আয়ুর্বেদক আঠোটা বিভাগত বিভক্ত কৰিছিল। এই আঠটা ভাগক আঠটা অঙ্গ বুলি কোৱা হৈছে। এই অঙ্গকেইটা হৈছে— শল্যম্ (Surgery), শালাক্যম্ (ENT & Eye), কায়চিকিৎসা (Internal Medicine), ভূতবিদ্যা (Psychiatry/Demonic seizures), কৌমাৰভৃত্যম্ (obstetrics, Gynaecology and Paedictrics), অগদতন্ত্রম্ (the science of Toxicology), ৰসায়নতন্ত্রম্ (the science of Rejuvenation) আৰু বাজীকৰণতন্ত্রম্ (the science of Aphrodisiac) —

'ইহ খল্বায়ুর্বেদং নামোপাঙ্গমথর্ববেদস্যানু ২পাদ্যৈৰ প্ৰজাঃ শ্লোকশতসহস্রমধ্যায়সহস্রং চ কৃতবান্ স্বয়ম্ভুঃ। ততো ২ল্পায়ুস্ত্ব মল্পমেধস্তং চালোক্য নৰাণাং ভূয়ো ২ষ্টধা প্ৰণীতবান্। তদ্যথা শল্যং শালাক্যং কায়চিকিৎসা ভূতবিদ্যা কৌমাৰভৃত্যম্ অগদতন্ত্রং ৰসায়নতন্ত্রং বাজীকৰণতন্ত্রমিতি।' (সুশ্ৰুতসংহিতা, সূত্রস্থান, ১/৬-৭)

চৰকসংহিতাত এই নামকেইটা এনেদৰে পোৱা যায়— ১। কায়চিকিৎসা, ২। শালাক্য, ৩। শল্যাপহর্তৃক (শল্যতন্ত্র), ৪। বিষগৰ-বৈৰোধিকপ্ৰশমন (অগদতন্ত্র), ৫। ভূতবিদ্যা, ৬। কৌমাৰভৃত্য, ৭। ৰসায়ন, ৮। বাজীকৰণ (তস্যায়ুর্বেদস্যাঙ্গান্যষ্টৌ, তদ্যথা- কায়চিকিৎসা, শালাক্যং, শল্যাপহর্তৃকং, বিষগৰবৈৰোধিকপ্ৰশমনং, ভূতবিদ্যা, কৌমাৰভৃত্যকং, ৰসায়নং, বাজীকৰণমিতি, চৰকসংহিতা, সূত্রস্থান, ৩০/২৮)

(ক) শল্যম্ (অস্ত্র চিকিৎসা) ঃ বিভিন্ন ধৰণৰ কাঁইট (grass) কাঠ, শিল, ধূলি (dust), ধাতু, লোহা, হাড়, চুলি, নখ আদি শৰীৰত সোমাই গ'লে, তাক যি পদ্ধতিৰে উলিয়াই অনা হয়, তাকেই শল্য বোলে। যন্ত্ৰ, শস্ত্ৰ, জুই আদিৰ আঘাতৰ প্ৰতিকাৰো এই বিভাগৰ অন্তর্গত। (তত্র শল্যং নাম বিবিধতৃণকাষ্ঠ পাষাণ পাংশুলোহ লোষ্টাস্থি বালনখ- পূয়াস্রাবদুষ্টব্রণান্তর্গর্ভশল্যোদ্ধৰণার্থং, যন্ত্রশস্ত্রক্ষাৰাগ্নিপ্রণিধানব্রণবিনিশ্চয়ার্থ চ, সুশ্ৰুত সংহিতা, সূত্রস্থান, ১/৮)।

আনহাতে যিবোৰ পৰিঘটকে মানসিক আৰু শাৰীৰিক কষ্ট দিয়ে, সেইবোৰে শল্য ভিতৰত ধৰা হৈছে— 'মনঃ শৰীৰাবাধকৰাণি শল্যানি। সমস্ত শৰীটোকে কষ্ট দিয়া পৰিঘটককে (factors) শল্যবুলি কোৱা হৈছে, তথা ঔষধৰ যিটো বিভাগ শল্যৰ লগত জড়িত, তাকেই শল্যতন্ত্র বুলি কোৱা হয়— 'সর্বশৰীৰাবাধকৰং

শল্যম্। তদিহোপদিশ্যত ইত্যতঃ শল্যশাস্ত্রম্'।

শল্য দুই প্রকাৰৰ— শাৰীৰিক (ভিতৰুৱা, intrinsic) আৰু আগন্তুক (উপৰুৱা, extraneous)। শাৰীৰিক পৰিঘটকসমূহ হৈছে— দাঁত, নোম, নখ, ধাতুৰ নষ্টতা, খাদ্য ভেজালকৰণ, মল আৰু শাৰীৰিক দোষ। আনহাতে উপৰুৱা পৰিঘটকসমূহ আগৰ বিলাকতকৈ ভিন্ন তথা যিবোৰে শৰীৰত উপৰুৱাকৈ কষ্ট দিয়ে। (তদ্দ্বিবিধং শাৰীৰমাগন্তুকং চ। তত্র শাৰীৰং দন্তবোমনখাদি ধাতৱোৎন্নমলা দোষাশ্চ দুষ্টাঃ। আগন্তুপি শাৰীৰশল্যব্যতিৰেকেণ যাৱন্তো ভাবা দুঃখমুৎপাদয়ন্তি।)

(খ) **শালাক্যম্ (চকু আদিৰ চিকিৎসা)** ঃ ডিঙিৰ (জত্রুকাস্থি) ওপৰৰ অংশ, যেনে— চকু, নাক, কাণ, মুখ আদি শৰীৰৰ অংশৰ চিকিৎসাই হৈছে শালাক্য। 'শালাক্যং নামোর্দ্ধজত্রুগতানাং শ্রৱণনয়নবদনঘ্রাণাদিসংশ্রিতানাং ব্যাধীনামুপশমনার্থম্।' শলাকা (শলা, probe) এডালেই হৈছে এই চিকিৎসাৰ প্রধান আহিলা। সেই কাৰণে এই তন্ত্রটোক শালাক্যতন্ত্রম্ বুলি কোৱা হৈছে (শলাকাপ্রধানমঙ্গং শালাক্যম্)।

(গ) **কায়চিকিৎসা (অন্তৰ্ৱতী চিকিৎসা)** ঃ গোটেই শৰীৰত বিয়পি পৰা অসুখৰ চিকিৎসাই হৈছে কায়চিকিৎসা। জ্বৰ, ৰক্তস্রাৱ (haemorrhagic condition), যক্ষ্মা (consumption), উন্মাদ (madness), অপস্মাৰ (মিৰ্গী, epilepsy), কুষ্ঠ (leprosy), মেহ (মধুমেহ, diabetes), অতিসাৰ (diarrhoea) আদি ৰোগৰ উপশমৰ উপায় ইয়াত বর্ণনা আছে। (কায়চিকিৎসা নাম সর্বাঙ্গসংশ্রিতানাং ব্যাধীনাং জ্বৰৰক্তপিত্তশোষোন্মাদাপস্মাৰকুঠমেহা তিসাৰাদীনামুপপশমনার্থম্।)

ডলহণ নামৰ সমালোচকজনৰ মতে 'কায়' মানে হৈছে অগ্নি, অগ্নিৰ চিকিৎসাই (শাৰীৰিক অগ্নি) হৈছে কায়চিকিৎসা— 'কায়ো ২ত্রাগ্নিৰুচ্যতে, তস্য চিকিৎসা কায়চিকিৎসা'। চক্রপাণি নামৰ আন এজনৰ মতে শৰীৰৰ অন্তৰগ্নিৰ (জঠৰাগ্নি) চিকিৎসাই হৈছে কায়চিকিৎসা— 'কায়স্যান্তৰগ্নেশ্চিকিৎসা কায়চিকিৎসা।' আধুনিক চিকিৎসা ব্যৱস্থাত নিম্নোক্ত বিভাযবিষয়সমূহ এই তন্ত্রটোত অন্তর্ভুক্ত হয়— Cardiology, Endocrinology, Gastroenterology, Neurology, Hematology, Infectious disease, Medical oncology, Nephrology, Pulmonology, Rheumatology, Clinical cardiac electrophysiology, critical care medicine, Nuclear medicine, Immunology etc.

(ঘ) **ভূতবিদ্যা (আত্মা সম্বন্ধীয় বিশ্বাস)** ঃ ভূতবিদ্যা হৈছে এক প্রকাৰৰ মানসিক ৰোগ। দেৱতা, অসুৰ, গন্ধর্ব, যক্ষ, ৰক্ষ (cannibal monster), পিতৃ (unliberated ancestor), পিশাচ (devil spirit), নাগ (creatures from Hedes), গ্রহ (planetary affliction) আদিৰ দ্বাৰা আক্রান্ত মন আৰু উপশমৰ বাবে যজ্ঞ, শান্তিকর্ম, বলিহৰণ আদি ব্যৱস্থা এই ভূতবিদ্যা বিভাগত দিয়া হৈছে। (ভূতবিদ্যা নাম দেবাসুৰ-গন্ধর্বযক্ষৰক্ষঃ পিতৃপিশাচনাগগ্রহাদ্যুপসৃষ্টচেতসাং শান্তিকর্মবলিহৰণাদিগ্রহোপশমনার্থম্। সুশ্রুতসংহিতা, সূত্রস্থান, ১/৮)।

আধুনিক কালৰ চিকিৎসা ব্যৱস্থাত এই বিষয়ত এইবোৰ শব্দ ব্যৱহাৰ কৰা হয়— Sleep paralysis, hypnagogio, schizotypy, delusion, paranoia, hallucination, false awakening etc.

(ঙ) **কৌমাৰভৃত্যম্ (শিশু বিষয়ক চিকিৎসা)** ঃ আয়ুর্বেদৰ যিটো ভাগত শিশুৰ লালন-পালন, শিশুৰ পৰিচর্য্যা কৰা মাতৃ বা ধাত্রীৰ স্বাস্থ্য সম্বন্ধীয় আলোচনা, তথা গাখীৰ ভেজালকৰণৰ পৰা শুদ্ধতা প্রাপ্তি আদি বিষয়সমূহ আলোচনা কৰা হৈছে, সেয়াই হৈছে কৌমাৰভৃত্যম্ (কৌমাৰভৃত্যং নাম কুমাৰভৰণধাত্রীক্ষীৰদোষসংশোধনার্থং দুষ্টস্তন্যগ্রহসমুত্থানাং চ ব্যাধীনামুপশমনার্থম্, সুশ্রুতসংহিতা, সূত্রস্থান, ১/৮)। কৌমাৰভৃত্যক কৌমাৰতন্ত্র, বালতন্ত্র, বালচিকিৎসা আদি নামেৰেও জনা যায়।

শিশুৰ স্বাস্থ্যৰ লগত শিশুটিৰ মাতৃৰ শাৰীৰিক, মানসিক স্বাস্থ্যও জৰিত হৈ থাকে। গতিকে হাৰীত সংহিতাৰ

মতে শিশুৰ স্বাস্থ্য গর্ভাৱস্থা, মাতৃৰ স্বাস্থ্য আদিৰ অধ্যয়ন তথা চিকিৎসাই হৈছে বালচিকিৎসা— 'গর্ভোপক্রমবিজ্ঞানম্ সূতিকোপক্রমং যথা। বালানাং ৰোগশমনং ক্রিয়া বালচিকিৎসিতম্।

আধুনিক চিকিৎসা বিজ্ঞানৰ gynaecology, obstetrics, paediatrics ইত্যাদি বিষয়সমূহ এই তন্ত্রৰ অন্তর্গত।

(চ) **অগদতন্ত্রম্ (সাপ আদি সৰীসৃপৰ দ্বাৰা কৃত বিষ নিবাৰণ) ঃ** আয়ুর্বেদৰ এই বিভাগটোত সাপ, কীট, মকৰা, বিছা, নিগনী আদিৰ দ্বাৰা হোৱা বিষয় তথা উপশমৰ বিষয়ে আলোচনা আছে— 'অগদতন্ত্রং নাম সর্পকীটলূতাবৃশ্চিকমূষকাদিদষ্টবিষব্যঞ্জনার্থং বিবিধবিষয়সংযোগোপশমনার্থং চ'। (সুশ্রুতসংহিতা, সূত্রস্থান, ১/৮)

(ছ) **ৰসায়নতন্ত্রম্ ঃ** আয়ুর্বেদৰ এই বিভাগটোত যৌৱন স্থিৰে ৰখা, আয়ুৰ বৃদ্ধি, মেধা তথা বল বৃদ্ধি, তথা শৰীৰৰ ৰোগ নিবাৰণৰ শক্তিৰ বৃদ্ধি বিষয়ক আলোচনা আছে— 'ৰসায়নতন্ত্রং নাম বয় ঃ স্থাপন-মায়ুর্মেধাবলকৰং ৰোগাপহৰণসমর্থং চ।' সূ. স., সূত্রস্থান, ১/৮)। ৰসায়নে বয়স্থাপনত সহায় কৰে, কাৰণ ই শতবর্ষলৈ আয়ুস কেনেকৈ বৃদ্ধি কৰিব পাৰি, তাৰ নির্দেশ দিয়ে। ডল্হণৰ মতে বয়স্থাপনে বৃদ্ধত্বৰ হ্রাস কৰে তথা যৌৱনকাল বহুসময়লৈ স্থিৰ কৰি ৰাখে— 'বয়ঃ স্থাপনং জৰাপহণ তাৰুণ্যং বহুকালং স্থাপয়তীত্যর্থঃ।

(জ) **বাজীকৰণতন্ত্রম্ ঃ** আয়ুর্বেদৰ এই বিভাগটোত বীর্য্যৰ (semen) বৃদ্ধিৰ বিষয়ে আলোচনা আছে। অল্পবীর্য্য, দুষ্টবীর্য্য, ক্ষীণবীর্য্য তথা বিশুষ্কবীর্য্যৰ বিষয়ে আলোচনা হোৱাৰ লগতে মৈথুন শক্তিৰ বৃদ্ধিৰ উপায় দিয়া হৈছে— 'বাজীকৰণতন্ত্রং নামাল্পদুষ্টক্ষীণ বিশুষ্কৰেতসামাপ্যায়নপ্রসাদোপয়েজননিমিত্তং প্রহর্ষজননার্থং চ)। (অল্পৰেতস = diminutive state of semen), দুষ্টৰেতস = defiled state of semen, ক্ষীণৰেতস = exhaustive state of semen), বিশুষ্কৰেতস = waning state of semen.) ।

এই বিভাগসমূহ দৰাচলতে শয্যাগত ৰোগীৰ ধাৰণাৰে বিভক্ত। এইবোৰৰ উপৰিও আয়ুর্বেদ আৰু কেইটামান বিভাগ আছে, যাক বাদ দি আয়ুর্বেদৰ অধ্যয়ন অসম্পূর্ণ। সেই বিভাগসমূহৰ কেইটামান হৈছে— দ্রব্যগুণবিজ্ঞান (Materia-medica), শৰীৰ (Anatomy and physiology), পঞ্চকর্ম চিকিৎসা (Five elimination therapies), প্রসূতি (Gynecology & obstatrics) আদি।

১.৮ আয়ুর্বেদৰ প্রয়োজন

চৰকসংহিতা মতে আয়ুর্বেদ শাস্ত্রৰ প্রয়োজন হৈছে স্বস্থ পুৰুষৰ স্বাস্থ্যৰ ৰক্ষা কৰা আৰু ৰোগী ব্যক্তিৰ ৰোগ দূৰ কৰা— 'ইহ খল্বায়ুর্বেদ প্রয়োজনং ব্যধ্যুপসৃষ্টানাং ব্যাধিপৰিমাক্ষঃ স্বস্থস্য ৰক্ষণং চ।' (চৰকসংতিা, সূত্রস্থান, ৩০/২৬)। সেই একেটা অর্থই সুশ্রুতসংহিতাতো পোৱা যায়। ইয়াত কোৱা হৈছে যে, আয়ুর্বেদৰ মুখ্য উদ্দেশ্য হৈছে স্বস্থ ব্যক্তিৰ স্বাস্থ্যৰ ৰক্ষা কৰা তথা ৰোগী ব্যক্তিৰ ৰোগ নিবাৰণ কৰা— 'প্রয়োজনং চাস্য স্বস্থস্য স্বাস্থ্যৰক্ষণমাতুৰস্য বিকাৰপ্রশমনং চ' (সুশ্রুত সংহিতা, সূত্রস্থান, ৩/২৬)।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ আয়ুর্বেদৰ উপদেশ প্রথমে কোনে দিছিল?

.....

.....

প্রশ্ন নং ৭ ঃ কোনজনে ঋষিয়ে ইন্দ্রৰ ওচৰলৈ আয়ুর্বেদৰ জ্ঞান ল'বলৈ গৈছিল?

.....

.....

প্রশ্ন নং ৮ ঃ আয়ুর্বেদৰ তিনিটা সূত্র কি কি?

.....

.....

প্রশ্ন নং ৯ ঃ ভৰদ্বাজৰ শিষ্য কোন আছিল?

.....

.....

প্রশ্ন নং ১০ ঃ আয়ুর্বেদৰ অংগ কেইটা?

.....

.....

১.৯ আয়ুর্বেদৰ ইতিহাস

আয়ুর্বেদ হৈছে আয়ুসৰ বিজ্ঞান, যাক নিঃসন্দেহে পৃথিৱীৰ আটাইতকৈ পুৰণি চিকিৎসা পদ্ধতি বুলি কোৱা হয়। বিভিন্ন থলুৱা পদ্ধতিৰ সহায়ত সুশৃংখলভাৱে ৰোগীৰ স্বাস্থ্য নিৰীক্ষণ এই ব্যৱস্থাটোৰ জৰিয়তে কৰা হয়। বেদেই হৈছে ভাৰতৰ পুৰণি লিখিত তথ্য। চাৰিওখন বেদৰ ভিতৰত কেৱল ঋগ্‌বেদ আৰু অথর্ববেদতহে আয়ুর্বেদ সম্বন্ধীয় তথ্য পোৱা যায়। আচলতে আয়ুর্বেদক অথর্ববেদৰ উপবেদ বুলি কোৱা হৈছে। পৰম্পৰাগত তথ্য মতে ব্রহ্মাই এক লাখ শ্লোকৰ দ্বাৰা আয়ুর্বেদ ব্যক্ত কৰিছিল। আয়র্বেদৰ সৃষ্টি কাল সম্বন্ধে যিহেতু কোনো কথাই জনা নাযায়, সেয়েহে আয়ুর্বেদক 'অনাদি' বুলি কোৱা হৈছে।

আয়ুর্বেদৰ ইতিহাস তিনিটা ভাগত ভাগ কৰিব পাৰি— ১) বৈদিক যুগ, ২) মধ্যৱর্তীযুগ, ৩) আধুনিক যুগ।

১) **বৈদিক যুগ ঃ** বেদত সেইসময়ৰ সাংস্কৃতিক, সাহিত্যিক তথা সামাজিক চিত্রন দেখিবলৈ পোৱা যায়। অথর্ববেদত আয়ুর্বেদৰ বিভিন্ন সমল পোৱাৰ লগতে আয়ুর্বেদক 'পঞ্চমবেদ' হিচাপেও আখ্যা দিয়া হৈছে। অথর্ববেদত শৰীৰচিকিৎসা (anatomy), দেহতত্ত্ব (physiological), নিদানশাস্ত্র (pathological) বিষয়ক জ্ঞানৰ লগতে বিভিন্ন ৰোগৰ চিকিৎসা বিষয়ক অনেক তথ্য পোৱা যায়। বেদৰ মতে ভূত, পিশাচ, ৰাক্ষস, জনু, যক্ষ আদি ৰোগৰ কাৰক আৰু এইবোৰৰ পৰাই ৰোগৰ সক্রমণ হয়। 'পাপকর্ম'ক ৰোগৰ এটা মুখ্য কাৰক হিচাপে গণ্য কৰা হৈছে।

ৰোগৰ চিকিৎসা কৰাৰ সময়ত সূর্য্যদেৱতাক স্তুতি কৰা হয় আৰু ইয়াৰ ৰশ্মিসমূহ প্রয়োগ কৰা হয়। 'অভিমন্ত্রজল' (water after treatment with mantras) ৰোগীৰ খোৱা, গাধোৱা, পৰিস্কাৰ কৰা আদি কামত ব্যৱহাৰ কৰা হয়। সূর্য্যৰ ৰশ্মি তথা পানীৰ উপৰিও 'অগ্নি-চিকিৎসা', 'যজ্ঞচিকিৎসা' আদি অতি সমাদৃত আছিল। যজ্ঞ আছিল দৈনন্দিন কর্ম আৰু ৰোগ উপশমৰ বাবে বিশেষ মন্ত্রসমূহ উচ্চাৰণ কৰা হৈছিল। বেদত কমেও ৪০০ বিধ ঔষধ বিষয়ক গছৰ, তৃণৰ বর্ণনা আছে। ইয়াৰে ভিতৰত কিছুমান প্রমুখ গছ হৈছে— অপামার্গ, পলাশ, ইন্দ্রায়ন, গুগুল্লু, অক্ষ, অশ্বস্থ, খদিৰ, কুশ, দূর্বা, বিল্ব, অর্জুন, তাম্র ইত্যাদি। ৰুদ্র, অগ্নি, ইন্দ্র, মৰুত আৰু বৰুণ দেৱতাক দেবতাসকলৰ বৈদ্য হিচাপে স্তুতি কৰা হৈছে। পিছৰ কালত

অশ্বিনীকুমাৰদ্বয়ক দেৱতাসকলৰ চিকিৎসক হিচাপে পোৱা যায়। বেদৰ উল্লেখ অনুসৰি অশ্বিনীকুমাৰদ্বয়ে মহত্ত্বপূর্ণ শল্য চিকিৎসা তথা ভেষজ চিকিৎসা কৰিছিল। তেওঁলোকে কৰা শল্য চিকিৎসাৰ কেইটামান উদাহৰণ হ'ল—

১। দধ্যঞ্চ ঋষিৰ মূৰটো পৰিৱর্তন কৰি ঘোঁৰাৰ মূৰ সংলগ্ন কৰা আৰু পিছত পুৰণি মূৰটোকে ঋষিৰ লগত সংলগ্ন কৰা।

২। দৃষ্টিশক্তি বৃদ্ধিৰ বাবে ঋষি কণ্ব আৰু ঋজেস্বৰ শল্য চিকিৎসা।

৩। যক্ষৰ কটামূৰ পুনঃসংযোগ।

৪। ৰাণী বিশলাৰ আঠুত লোৰ টুকুৰাৰ সংৰোপন।

৫। যুদ্ধত আঘাতপ্রাপ্ত সৈনিকৰ বিশেষ চিকিৎসা।

ইয়াৰ উপৰিও ঔষধৰ দ্বাৰা কৃত কেইটামান চিকিৎসাৰ উদাহৰণ হৈছে—

(ক) নদীৰ পানীৰ পৰা উদ্ধাৰ কৰি চিকিৎসাৰে সুস্থ।

(খ) ঘোষা আৰু সর্বৰ যক্ষ্মাৰোগৰ চিকিৎসা।

(গ) বামদেবৰ মাকৰ বৈসদৃশ প্রসৱৰ সফলতাৰে চিকিৎসা।

(ঘ) বৃদ্ধঋষি চ্যৱনৰ চিকিৎসাৰ দ্বাৰা যৌৱনাৱস্থা প্রাপ্ত।

এইবোৰ উদাহৰণৰ পৰা এইটো জানিব পাৰি যে অংগ সংৰোপণ আৰু ৰোগৰ পৰা সম্পূর্ণ আৰোগ্য বেদৰ কালত আয়ুর্বেদিক বৈদ্যৰ দ্বাৰা সম্পন্ন হৈছিল। পশু চিকিৎসাও সেই সময়ত উদ্ভাৱন হৈছিল।


শৰীৰৰ বিভিন্ন প্রকাৰৰ অংগসমূহৰ নাম অথর্ববেদত পোৱা যায়। ইয়াৰ ভিতৰত কেইটামান হৈছে—

অক্ষি (eye), নাসিকা (nose), কর্ণ (ear), মস্তিষ্ক (brain), জিহ্বা (tongue), গ্রীৱা (neck), অনম্ (shoulder), বাহু (arm), হৃদয় (heart), প্লীহা (splean), আন্ত্রা (inteastine), গুডা (anus), উদৰ (abdomen), নাভি (umblicus), উৰু (thigh), শ্রোণি (pelivis), অস্থি (bone), মজ্জা (marrow), স্রাৱ (discharges), ধমনি (artery), অঙ্গুলি (finger), নখ (nail), লোম (body hair), ত্বচা (skin) ইত্যাদি।

২) **মধ্যৱর্তীযুগ (Medieval period) ঃ** ব্রহ্মসংহিতা, ধন্বন্তৰি সংহিতা আৰু ভাস্কৰ সংহিতাই হৈছে আয়ুর্বেদৰ আটাইতকৈ পুৰণি লৌকিক পুথি। কিন্তু, দুর্ভাগ্যবশতঃ কোনো এখনেই বর্তমান উপলব্ধ নহয়। বর্তমান উপলব্ধ গ্রন্থৰ ওপৰত নির্ভৰ কৰি মধ্যবর্তী যুগক দুটা ভাগত ভাগ কৰা হৈছে— ক) সংহিতা কাল (Classical text period) আৰু খ) সংগ্রহ কাল (Compilatory period)।

(ক) সংহিতা কাল ঃ এই কালত তিনিখন গ্রন্থ উপলব্ধ হৈছে— ১) চৰকসংহিতা, ২) সুশ্রুত সংহিতা, ৩) কাশ্যপ সংহিতা। ইয়াৰ উপৰিও ভেল সংহিতা, হাৰীত সংহিতা পোৱা যায় যদিও এই দুখন সংহিতাৰ মৌলিকতা এতিয়াও সন্দেহজনক। কাশ্যপ সংহিতা অসম্পূর্ণ।

আয়ুর্বেদত দুটা শাখা পোৱা যায়— আত্রেয় শাখা আৰু ধন্বন্তৰি শাখা। আত্রেয় শাখাৰ প্রধান গ্রন্থ হৈছে অগ্নিৱেশ তন্ত্র, যিখনক পিছৰ কালত চৰকসংহিতা হিচাপে সংশোধন কৰা হৈছে এই সংহিতাখনে আভ্যন্তৰিণ ঔষধ (ভেষজ) চিকিৎসাৰ ওপৰত প্রধানভাৱে গুৰুত্ব আৰোপ কৰিছে। এই শাস্ত্র অনুসৰি গুৰু শিষ্য পৰম্পৰা এনেধৰণৰ—



ভৰদ্বাজৰ শিক্ষাখিনিকেই পিছত অগ্নিৱেশে সংগ্রহ কৰি অগ্নিৱেশতন্ত্র ৰচনা কৰে। এই অগ্নিৱেশ তন্ত্রকেই পিছত সংশোধন তথা সম্পাদন কৰি চৰকে ২০০ খ্রীষ্টাব্দত চৰকসংহিতা প্রণয়ন কৰে। খ্রীষ্টপূর্ব ৬০০ চনৰ অগ্নিৱেশ সংহিতাৰ ৰচনা কাল বুলি ধৰা হৈছে।

দ্বিতীয় শাখা ধন্বন্তৰী শাখাৰ প্রধান পুথি হৈছে 'সুশ্রুত সংহিতা'। এই সংহিতাখনে প্রধানত শল্য চিকিৎসাৰ ওপৰত গুৰুত্ব প্রদান কৰিছে। সুশ্রুত বিশ্বৰ শ্রেষ্ঠ তথা প্রথম শল্য চিকিৎসক (surgeon) বুলি কোৱা হয়। ইয়াৰ গুৰু শিষ্য পৰম্পৰা হৈছে— সুশ্রুত — উপন্ধন্ব — পোষ্কলাৱত ইত্যাদি।

(খ) সংগ্রহকাল ঃ লৌকিক কালত আয়ুর্বেদিক ঔষধ ফলমূল আৰু জীৱ-জন্তুৰ পৰা সংগ্রহ কৰা হৈছিল। কিন্তু মধ্যৱর্তী সময়ত 'ৰস-শাস্ত্র' (pharmaceutical chemistry) প্রাৰম্ভ হয়। পাৰা (mercury) তথা অন্যান্য ধাতু আৰু খনিজ বস্তুৰ আয়ুর্বেদ চিকিৎসাৰ ৰসাগাৰত প্রয়োগ আৰম্ভ হয়। নাগার্জুনে 'ৰসশাস্ত্র'ৰ বাট দেখুৱাই নিয়াৰ লগতে তেওঁ পাৰা, আর্চেনিক, মাইকা, চিলভাৰ, লিদ্, জিংক আদি ধাতব পদার্থ প্রয়োগ কৰিবলৈ আৰম্ভ কৰে।

বৌদ্ধ ধর্মৰ প্রসাৰতাৰ পিছত আয়ুর্বেদ বিস্তৃত হ'বলৈ ধৰে আৰু ৰোম, চীন, গ্রীছ আদি দেশলৈ ইয়াৰ প্রভাৱ বিস্তাৰিত হ'বলৈ ধৰে। আয়ুর্বেদ চিকিৎসকসকলক সমাজৰ লাগতিয়াল বিশেষ ব্যক্তি বুলি স্বীকৃতি দিবলৈ আৰম্ভ হ'ল। দ্বিতীয় শতিকাৰ পিছৰ পৰাই ৰসক্রিয়াই গুৰুত্ব লাভ কৰিবলৈ আৰম্ভ কৰে।

চৰক আৰু সুশ্রুতৰ পিছতেই আয়ুর্বেদিক চিকিৎসক হিচাপে সিন্ধ প্রদেশৰ বাগভটে গুৰুত্বপূর্ণ স্থান লাভ কৰিছিল। এওঁ ৭তম শতিকাৰ আছিল। তেওঁৰ দ্বাৰা ৰচিত গ্রন্থখনৰ নাম আছিল 'অষ্টাঙ্গ হৃদয়', যিখন চৰক, সুশ্রুত, ভেল আৰু হাৰীত সংহিতাৰ এটি সাৰাংশ ৰূপ। বাগভটে 'অষ্টাঙ্গ সংগ্রহ' নামেৰে আন এখন গ্রন্থ ৰচনা কৰিছিল, যিখন আছিল ক্ষুদ্র আৰু সাবলীল। ১২শ শতিকাত ৬৯টা অধ্যায় থকা 'মাধৱনিদান' নামৰ এখন গ্রন্থ মাধৱাচার্য্যই ৰচনা কৰিছিল, য'ত ৰোগৰ বিভিন্ন চিকিৎসাৰ কথা উল্লেখ আছে।

খ্রীষ্টাব্দ ১৬ শতিকালৈ আয়ুর্বেদ কেবল ঔষধ প্রস্তুতিকৰণৰ ৰসায়নৰ ওপৰতেই নির্ভৰশীল আছিল। চক্রপাণি, মদনপাল, নৱহৰি পণ্ডিত আৰু বৃন্দই আয়ুর্বেদৰ ওপৰত প্রামান্য গ্রন্থ ৰচনা কৰে। 'মদনপাল নিঘণ্টু' আৰু 'ৰাজ নিঘণ্টু' এই সময়ত লিখা উল্লেখযোগ্য গ্রন্থ। ইয়াৰ পিছৰ আয়ুর্বেদৰ আন এখন উল্লেখযোগ্য গ্রন্থ হৈছে শাৰঙ্গধৰ সংহিতা' এই সময়তে য়ুনানী, ইউৰোপীয় তথা অন্যান্য ব্যৱস্থাসমূহ প্রচলন হ'বলৈ ধৰে। 'শাৰঙ্গধৰ সংহিতা'ৰ পিছত আয়ুর্বেদৰ উল্লেখযোগ্য গ্রন্থখন হৈছে ভৰমিশ্রৰ 'ভাৱ প্রকাশ'।

'ভাৰপ্রকাশ'ৰ পিছত আয়ুর্বেদৰ তেনে প্রগতি দেখিবলৈ পোৱা নাযায়। বহুবাৰ বিদেশীৰ আক্রমণৰ ফলত আয়ুর্বেদৰ সাহিত্যৰ ধ্বংস হ'ল অথবা পুৰি নষ্ট কৰি দিয়া হ'ল। বৃটিছৰ আমোলত পশ্চিমীয়া চিকিৎসা ব্যৱস্থাৰ প্রচলন হ'ব ধৰিলে আৰু আয়ুর্বেদৰ স্থান ই লাভ কৰিলে। পশ্চিমীয়া ব্যৱস্থাৰে চিকিৎসা মহাবিদ্যালয়, চিকিৎসালয় তথা ফার্মাচী আদি স্থাপিত হ'ল। আয়ুর্বেদলৈ অন্ধকাৰ নামি আহিল। তথাপিও ১৯ শতিকাৰ শেষার্দ্ধত আৰু ২০ শতিকাৰ আৰম্ভণিৰ পৰা আয়ুর্বেদে কিছু ঠন ধৰি উঠা দেখিবলৈ পোৱা যায়।

৩) **আধুনিক যুগ** (Modern period) ঃ বিংশ শতিকাৰ আৰম্ভণিৰ পৰা আয়ুর্বেদৰ প্রমূল্য মানুহে পুনৰ ভাবিবলৈ আৰম্ভ কৰে। পশ্চিমীয়া পণ্ডিতসকলে যেতিয়া সংস্কৃতৰ অধ্যয়ন আৰম্ভ কৰিবলৈ ধৰে, তেতিয়া তেওঁলোক ভাৰতীয় চিন্তা, বৈজ্ঞানিক ব্যৱস্থা, নৈতিক শিক্ষাৰ লগত পৰিচিত হ'বলৈ ধৰে। লাহে লাহে তেওঁলোক প্রাচীন ভাৰতীয় চিকিৎসা ব্যৱস্থাৰ লগতো অৱগত হয়। আয়ুর্বেদৰ মহত্ত্ব তেওঁলোকে উপলব্ধি কৰিবলৈ আৰম্ভ কৰে। সেই পণ্ডিতসকলৰ ভিতৰত Maxmiiller, Jean, Filliorat, Sir William John, Weber, Fredrick Schlegal, A A. Macdonel আদি প্রধান। ভাৰতীয়সকলৰ ভিতৰত ড° সর্বেপল্লী ৰাধাকৃষ্ণন উল্লেখযোগ্য। বৃটিছ ভাৰতত (১৮০০-১৯৪৭) আয়ুর্বেদৰ পুনৰুত্থানৰ বাবে ব্যৱস্থা গ্রহণ কৰা হয়।

১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- আয়ুর্বেদ সম্পর্কে সাধাৰণ জ্ঞান লাভ কৰিলে।
- প্রাচীন ভাৰতৰ আয়ুর্বেদ পদ্ধতিৰ বিষয়ে অৱগত হ'ব পাৰিলে।
- আয়ুর্বেদৰ উৎপত্তিৰ বিষয়ে জ্ঞাত হ'ব পাৰিলে।
- অষ্টাঙ্গ আয়ুর্বেদৰ লগত চিনাকী হ'ব পাৰিলে।
- আয়ুর্বেদৰ ইতিহাসৰ লগত সামান্য পৰিচয় হ'ব পাৰিব।

১.১১ অধিক জানিবলৈ

১) Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri, Ethical Publications.

২) Vyas, K.P. Kothari Y. K., (1998), *An Introduction to Ayurveda,* Delhi, Chaukhamba Sanskrit Pratishthan.

৩) Javalgekar (Dr.) Ravi R., (2000), *An Introduction to Ayurveda,* Varanasi Chaukhambha Sanskrit Bhawan.

৪) শাস্ত্রী, (পণ্ডিত) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* ৰাৰানসী, চৌখম্ভা, ভাৰতী অকাডেমী।

৫) বার্ষ্ণেয়, চন্দ্রগুপ্ত, (২০০২), *চৰকসংহিতা,* জয়পুৰ, ৰাজস্থান পত্রিকা প্রকাশন।

৬) Goswami, (D.) Dilip Kumar, *Essentials of Ayurveda,* Jorhat, Eastern Readers Publication.

১.১২ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বেদ শব্দটোৰ অর্থ হৈছে জ্ঞান।

২ নং প্রশ্নৰ উত্তৰ ঃ আয়ু সম্বন্ধী জ্ঞান।

৩ নং প্রশ্নৰ উত্তৰ ঃ ধাৰি, নিত্যগ।

৪ নং প্রশ্নৰ উত্তৰ ঃ সুখ আয়ু, দুঃখ আয়ু, হিত আয়ু, অহিত আয়ু।

৫ নং প্রশ্নৰ উত্তৰ ঃ অথর্ববেদৰ।

৬ নং প্রশ্নৰ উত্তৰ ঃ ব্রহ্মাই।

৭ নং প্রশ্নৰ উত্তৰ ঃ ঋষি ভৰদ্বাজে।

৮ নং প্রশ্নৰ উত্তৰ ঃ হেতুসূত্র, লিঙ্গসূত্র আৰু ঔষধসূত্র।

৯ নং প্রশ্নৰ উত্তৰ ঃ আত্রেয় পুনর্বসু।

১০ নং প্রশ্নৰ উত্তৰ ঃ আঠটা।

? ১.১৩ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ তলৰ প্রশ্নবোৰৰ উত্তৰ লিখক।

(ক) আয়ুর্বেদৰ সংজ্ঞা কি?

(খ) আয়ুর্বেদ কোনখনৰ বেদৰ উপবেদ?

(গ) অগ্নিৱেশ কোন?

(ঘ) আয়ুর্বেদৰ অংগ কেইটা? কি কি?

(ঙ) আয়ুর্বেদৰ কাল কেইটা ভাগত ভগাব পাৰি?

খ) ৰচনাধর্মী প্রশ্ন ঃ

প্রশ্ন ১ ঃ আয়ুর্বেদৰ লক্ষণ তথা সংজ্ঞা সম্বন্ধে এটি টোকা লিখক।

প্রশ্ন ২ ঃ আয়ুর্বেদৰ অৱতৰণ কেনেকৈ হৈছিল? আলোচনা কৰক।

প্রশ্ন ৩ ঃ আয়ুর্বেদৰ অংগসমূহ কি কি? আলোচনা আগবঢ়াওক।

প্রশ্ন ৪ ঃ আয়ুর্বেদৰ ইতিহাসৰ ওপৰত এটি আলোচনা যুগুত কৰক।

প্রশ্ন ৫ ঃ চমুটোকা লিখক ঃ

শল্যম্, কায়চিকিৎসা, কৌমাৰ ভৃত্যম্।

*** ***** ***

অধ্যায় ২ঃ ভাৰতীয় সাহিত্যত প্ৰাচীন গণিত

অধ্যায় গাঁথনি

২.১ উদ্দেশ্য
২.২ পৰিচয়
২.৩ গণিতবিদ্যাৰ পৰিচয়
২.৪ গণিতবিদ্যাৰ উৎস
২.৫ আর্য্যভট
২.৬ বৰাহমিহিৰ
২.৭ ব্রহ্মগুপ্ত
২.৮ মহাবীৰাচার্য্য
২.৯ ভাস্কৰাচার্য্য
২.১০ অন্যান্য গণিতজ্ঞ আৰু টীকাকাৰসকল
২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
২.১২ অধিক জানিবলৈ
২.১৩ অগ্রগতিৰ খতিয়ান
২.১৪ আৰ্হি প্ৰশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্ৰাচীন যুগৰ গণিতৰ আভাস পাব
- আর্য্যভট, বৰাহমিহিৰ, ব্রহ্মগুপ্ত, মহাবীৰাচার্য্য, ভাস্কৰাচার্য্য আদি প্ৰতিভাধৰ গণিতজ্ঞৰ জীৱন আৰু কৃতিৰ বিষয়ে জানিব পাৰিব
- অন্যান্য গণিতজ্ঞ আৰু টীকাকাৰসকলৰ জীৱন আৰু কৃতিৰ বিষয়ে জানিব পাৰিব।

২.২ পৰিচয়

৪০০ খ্ৰিষ্টাব্দৰ পৰা ১২০০ খ্ৰীষ্টাব্দলৈ, এই কালছোৱাক ভাৰতীয় গণিতৰ প্ৰাচীন কাল (Classical period) বুলি কোৱা হয়। গণিতৰ ইতিহাসবেত্তাসকলে এই কালছোৱাক ভাৰতত গণিত চর্চাৰ স্বর্ণযুগ আখ্যা দিছে। এই সময়ছোৱাত ভাৰতভূমিত আৱির্ভাৱ হৈছিল কেবাজনো প্ৰতিভাধৰ গণিতজ্ঞৰ। এওঁলোকৰ কৃতি অকল ভাৰততে সীমাৱদ্ধ নাছিল, বিদেশতো স্বীকৃত হৈছিল। এই অধ্যায়ত আমি সেইসকল কৃতবিদ্য গণিতজ্ঞৰ কেইজমানৰ জীৱন আৰু কৃতিৰ বিষয়ে আলোচনা কৰিম। লগতে আন কেবাজনো গণিতজ্ঞ আৰু টীকাকাৰৰ কৃতিত্বৰ বিষয়ে আলোচনা কৰিম।

২.৩ গণিতবিদ্যাৰ পৰিচয়

জ্যোতিৰ্বিদ্যাৰ পাছত আপুনি এতিয়া গণিতবিদ্যাৰ বিষয়ে জানিব পাৰিব। সংখ্যা বা গণনাৰ দ্বাৰা যি পদ্ধতি প্ৰয়োগ হয় তাকে গণিতবিদ্যা বোলে। ভাৰতীয় গণিতৰ দুটা প্ৰধান শাখা হৈছে— (১) সংখ্যাগণিত (অৰ্থাৎ পাটীগণিত আৰু বীজগণিত), (২) আকৃতি গণিত (অৰ্থাৎ জ্যামিতি)।

'গণিত' শব্দৰ 'গণ' শব্দৰ আন অৰ্থ হ'ল— সমষ্টি। সেইকাৰণে সমষ্টিৰ দ্বাৰা নিৰ্ণয় পদ্ধতিৰ নাম গণিত। প্ৰাচীন ভাৰতত পাটীগণিত আৰু জ্যামিতিৰ বিশেষ উৎকৰ্ষ পৰিলক্ষিত হয়। বৈদিক যাগ-যজ্ঞ অনুষ্ঠিত কৰিবলৈ নানা প্ৰয়োজনত বেদি নিৰ্মাণ কৰিবলৈ লোৱাৰ লগে লগে জ্যামিতিৰ ধাৰণাৰ উদ্ভৱ হয়। অগ্নিৰ তিনিপ্ৰকাৰৰ বেদি দেখা যায়—

১) গাৰ্হপত্যাবেদি— বৃত্তাকাৰ
২) আহ্বনীয়াবেদি— বৰ্গাকাৰ
৩) দক্ষিণাগ্নি— অৰ্ধবৃত্তাকাৰ

ইয়াৰ ফলতেই জ্যামিতি অঙ্কন প্ৰথাৰ প্ৰয়োজন হৈ পৰে। বৰ্তমান সমগ্ৰ বিশ্বত যি পদ্ধতিত লিখা হয়, সেই পদ্ধতিৰ নাম দশমিক স্থানীয় মানপদ্ধতি বা সংক্ষেপে দশমিক পদ্ধতি।

২.৪ গণিতবিদ্যাৰ উৎস

আপুনি গণিতবিদ্যাৰ পৰিচয়ৰ পাছত এতিয়া উৎসৰ বিষয়ে জানিব পাৰিব। আৱহমান কালৰে পৰাই ভাৰতবৰ্ষত গণিত-চৰ্চ্চাৰ নিদৰ্শন দেখিবলৈ পোৱা যায়। গণিত অবিহনে শিক্ষা সম্পূৰ্ণ নহয় বুলি ভবা হৈছিল। ছান্দোগ্যোপনিষদত উল্লেখ আছে যে নাৰদে সনত কুমাৰক সকলো বিদ্যা অধ্যয়ন কৰাৰ লগতে ৰাশি অৰ্থাৎ গণিতবিদ্যা অধ্যয়ন কৰাৰ কথা কৈছিল। ইয়াৰ পৰা এইটোৱেই প্ৰতীয়মান হয় যে অতীতত ভাৰতত গণিতৰ অনুশীলন হৈছিল। অকল অনুশীলন হোৱাই নহয়, গণিতক সকলো শাস্ত্ৰৰ ভিতৰত উচ্চস্থান দিয়া হৈছিল। 'বেদাঙ্গ জ্যোতিষ' গ্ৰন্থত কোৱা হৈছে যে 'ময়ূৰৰ শিখা (পাখি) সন্মুখৰ ফালে থাকে, সৰ্পৰ মণি সন্মুখৰ ফালে থাকে, তেনেদৰে বেদাঙ্গশাস্ত্ৰসমূহৰ শীৰ্ষত গণিতৰ অৱস্থিতি।'

শ্ৰৌতসূত্ৰসমূহত বৈদিক যজ্ঞ পদ্ধতিৰ পৰিচয় পোৱা যায়। ভাৰতবৰ্ষৰ গণিত চৰ্চ্চাক মূলতঃ তিনিটা পৰ্যায়ত ভাগ কৰা হয়। যেনে—

(ক) প্ৰাক্ আৰ্যযুগ
(খ) বৈদিক ও শুল্ব যুগ
(গ) খৃষ্টাব্দোত্তৰ যুগ

বৈদিক সভ্যতা যজ্ঞৰ ভিত্তিতেই সুপ্ৰতিষ্ঠিত। যাগ-যজ্ঞ কৰিবৰ বাবে যজ্ঞবেদি নিৰ্মাণ একান্ত প্ৰয়োজন। যজ্ঞবেদি নিৰ্মাণ আৰু তাৰ তত্ত্ব যি গ্ৰন্থত আলোচনা কৰা হৈছে তাক 'শুল্ব-সূত্ৰ' বুলি কোৱা হয়। এই শুল্বসূত্ৰসমূহত জ্যামিতিৰ বিষয়ে আলোচনা আছে।

শূন্যৰ আৱিস্কাৰ আৰু দশমিক স্থানীয়মান পদ্ধতিৰ সহায়ত সংখ্যা লিখাৰ এই উপায় প্ৰাচীন ভাৰতীয় মনীষীৰ সুবিখ্যাত কীৰ্ত্তি। ফ্ৰান্সৰ গণিতজ্ঞ, দাৰ্শনিক পিয়েৰ ছাইমঁ দ্য লাপ্লাছে (১৭৪৯ খ্ৰীষ্টাব্দ— ১৮২৭ খ্ৰীষ্টাব্দ) এই পদ্ধতিৰ বিষয়ে মন্তব্য কৰি গৈছে— "সকলো সংখ্যাকে দহোটা প্ৰতীকৰ সহায়ত প্ৰকাশ কৰা পদ্ধতি ভাৰতবৰ্ষই দান কৰিছে।"

প্ৰাচীন ভাৰতীয় সাহিত্যৰ বেদ, পুৰাণ, ৰামায়ণত স্থানীয় মান পদ্ধতিত লিখা সংখ্যাৰ ব্যৱহাৰ দেখা যায়।

উদাহৰণস্বৰূপে— 'শুক্লযজুৰ্বেদ'ৰ সপ্তদশ (১৭) অধ্যায়ৰ দ্বিতীয় মন্ত্ৰত এক, দহ, শত, সহস্ৰ, অযুত, নিযুত, প্ৰযুত, অৰ্বুদ, ন্যৰ্বুদ, সমুদ্ৰ, মধ্য, অন্ত্য, পৰাৰ্ধ আদি বৃহৎ সংখ্যাৰ উল্লেখ পোৱা যায়। 'বিষ্ণুপুৰাণ'ত মৈত্ৰেয় আৰু পৰাশৰৰ কথোপকথনৰ পৰা সংখ্যাৰ কথা জানিব পাৰি। তাত পৰাশৰে পৰাৰ্ধৰ বিষয়ে উল্লেখ কৰিছে।

আদিকবি বাল্মীকিৰ 'ৰামায়ণ'তো দশমিক স্থানীয়মান পদ্ধতিৰ প্ৰয়োগ দেখা যায়।

ভাৰতীয় মনীষীয়ে যেতিয়া ডাঙৰ ডাঙৰ সংখ্যাৰ কল্পনা কৰিছিল, সেই সময়ত পৃথিৱীৰ কোনো স্থানত সংখ্যাৰ ধাৰণা নাছিল। নিঃসন্দেহে দশমিক স্থানীয় মান-পদ্ধতি প্ৰাচীন ভাৰতৰ অবিনশ্বৰ কীৰ্তি।

অতীতৰ ভাৰতবৰ্ষত যে উচ্চস্তৰৰ গণিতৰ চৰ্চ্চা হৈছিল, বাক্‌শালীৰ পাণ্ডুলিপিৰ আৱিষ্কাৰ তাৰ উজ্জ্বল চানেকি। এই লিপিত গণিতৰ উচ্চ প্ৰশংসা কৰা হৈছে আৰু কোৱা হৈছে যে সকলো শাস্ত্ৰৰ ভিতৰত গণিতৰ স্থান শীৰ্ষত। গণিতৰ ইতিহাসবেত্তাসকলে খ্ৰীষ্টীয় পঞ্চম শতিকাৰপৰা দ্বাদশ শতিকালৈ এই কালছোৱাক ভাৰতত গণিত-চৰ্চ্চাৰ সোণালী যুগ আখ্যা দিছে। এই সময়ছোৱাত ভাৰতভূমিত আৱিৰ্ভাৰ হৈছিল কেবাজনো প্ৰতিভাধৰ গণিতজ্ঞৰ। এওঁলোকৰ কীৰ্ত্তি কেৱল ভাৰতবৰ্ষতেই সীমাৱদ্ধ নাছিল, বিদেশতো স্বীকৃত হৈছিল। আৰ্যভট্ট, বৰাহমিহিৰ, ব্ৰহ্মগুপ্ত, মহাবীৰাচাৰ্য আৰু ভাস্কৰাচাৰ্য— এই কেইগৰাকী নিষ্ণাত গণিতজ্ঞৰ গাণিতিক প্ৰতিভাই সংস্কৃত সাহিত্যত নিজৰ নাম উজ্জ্বল কৰি ৰাখিছে।

২.৫ আৰ্য্যভট

প্ৰাচীন ভাৰতত গণিত আৰু বিজ্ঞানৰ চিন্তা-চৰ্চাত নৱজাগৰণৰ সূচনা হয় খ্ৰিষ্টিয় পঞ্চম শতিকাত আৰু ইয়াৰ বাটকটীয়া হ'ল আৰ্য্যভট। তেওঁক 'নৱজাগৰণ পুৰুষ' (Renaissance man) আখ্যা দিব পাৰি। তেওঁৰ পূৰ্বসূৰীসকলে গণিত জ্যোতৰ্বিজ্ঞান, জ্যোতিষ, ধৰ্মীয় আচা, বিজ্ঞান আৰু আধ্যাত্মিক জ্ঞান সকলোবোৰ একেলগে লিপিৱদ্ধ কৰিছিল। সেই পৰম্পৰা ভংগ কৰিলে আৰ্য্যভটই। তেওঁ তদানীন্তন গণিত আৰু জ্যোতিৰ্বিজ্ঞানৰ সমস্ত কাম সম্পূৰ্ণৰূপে অধ্যয়ন কৰিলে আৰু নিজস্ব গৱেষণাৰে সেইবোৰৰ মাজৰ খালী ঠাইবোৰ সম্পূৰ্ণ কৰিলে। পূৰ্বসূচীসকলৰ যিবোৰ কাম বিসংগতিপূৰ্ণ, সেইবোৰ নস্যাৎ কৰা সাহসো তেওঁৰ আছিল।

বিংশ শতিকাৰ অন্যতম ক্ষুৰধাৰ গণিতজ্ঞ গড্‌ফ্ৰে হেৰল্ড হার্ডিয়ে মন্তব্য কৰিছিল বোলে গণত হ'ল 'youngman's game'। ইয়াৰ অন্যতম নিৰ্দশন হ'ল আৰ্য্যভট। তেওঁ তেওঁৰ জীৱনৰ কীৰ্তিস্তম্ভ **আৰ্য্যভটীয়** ৰচনা কৰে মাত্ৰ তেইশ বছৰ বয়সত। ইয়াৰ আৰবী অনুবাদো হয়। আৰবী ভাষাত ইয়াক কোৱা হয় **আৰযেহিৰ**।

আৰ্য্যভট আৰু **আৰ্য্যভটীয়ৰ** বিষয়ে অষ্টম অধ্যায়ত বিস্তাৰিতভাৱে আলোচনা কৰা হ'ব।

টোকা ঃ Renaissance : 'চতুৰ্দশৰ পৰা সপ্তদশ শতিকাৰ ভিতৰত ইউৰোপৰ অন্ধযুগৰ পিছত পুনৰ শিল্প, বিজ্ঞান, গণিত আদিৰ চৰ্চা আৰু তেনে উন্নতিৰ কাল' (জ্যোতি দ্বিভাষিক অভিধান)।

Renaissance man : নৱজাগৰণ পুৰুষজন উপৰিউক্ত কালছোৱাৰ ভিতৰত জন্মাৰ প্ৰয়োজন নাই। নৱজাগৰণ পুৰুষ এনে এজন ব্যক্তি যাৰ সকলো বিষয়তে আছে অসামান্য দখল, সূক্ষ্ম উপলব্ধি, সম্যগ্ জ্ঞান,— 'a man with extraordinarily broad and comprehensive knowledge'।

২.৬ বৰাহমিহিৰ

সমৰেন্দ্ৰনাথ সেন (১৯১৮-১৯৯২ খ্ৰিষ্টাব্দ) এজন প্ৰথিতযশা বিজ্ঞানৰ ইতিহাসলেখক। বিজ্ঞান আৰু গণিতৰ ইতিহাস সম্পৰ্কীয় বহু প্ৰবন্ধ আৰু গ্ৰন্থৰ লেখক সেনৰ অন্যতম কীৰ্তি-স্তম্ভ হ'ল বাংলাত লিখা দুটা খণ্ডৰ বিজ্ঞানেৰ ইতিহাস। উক্ত গ্ৰন্থত (দ্বিতীয় খণ্ডত) সেনে বিশাল পাণ্ডিত্যৰ অধিকাৰী, প্ৰাচীন ভাৰতৰ প্ৰধান

জ্যোতির্বিজ্ঞানী (astronomer) আৰু জ্যোতিষী (astrologer) বৰাহমিহিৰক ভাৰতবৰ্ষৰ প্লিনি আখ্যা দিছে। [আমি দুজনা প্লিনিৰ উল্লেখ পাওঁ। বৰজনা প্লিনি (Pliny, The Elder, ২৩ খ্ৰিষ্টাব্দ-৭৯ খ্ৰিষ্টাব্দ) এজন বিদগ্ধ ৰোমান পণ্ডিত। সম্পূৰ্ণ নাম Gaius Plinius Secundus। তেওঁৰ বিশাল Natural History প্ৰাচীন বৈজ্ঞানিক জ্ঞানৰ আকৰ। সৰুজনা প্লিনি (Pliny, The Yonger, ৬১ খ্ৰিষ্টাব্দ— আনুমানিক ১১৩ খ্ৰিষ্টাব্দ) ৰোমান চিনেটৰ আৰু লেখক, বৰজনা প্লিনিৰ ভতিজাক। ৰোমান-জীৱন সম্বন্ধে লিখা চিঠিবোৰৰ বাবে তেওঁ বিখ্যাত। সমৰেন্দ্ৰ নাথ সেনে নিশ্চয় বৰজনা প্লিনিৰ লগত বৰাহমিহিৰৰ তুলনা কৰিছে।]

বৰাহমিহিৰ খ্ৰীষ্টিয় ষষ্ঠ শতিকাৰ লোক। তেওঁৰ জন্ম আনুমানিক ২৭ শক অৰ্থাৎ ৫০৫ খ্ৰীষ্টাব্দত আৰু মৃত্যু ৫০৯ শক অৰ্থাৎ ৫৮৭ খ্ৰীষ্টাব্দত। আমৰাজে সপ্তম শতিকাৰ বিদগ্ধ গণিতজ্ঞ ব্ৰহ্মগুপ্তৰ ব্ৰাহ্মস্ফুটসিদ্ধান্তৰ এটা টীকা লিখে। তাত তেওঁ ৫০৯ শকত বৰাহমিহিৰৰ পৰলোকপ্ৰাপ্তি ঘটা বুলি উল্লেখ কৰিছে — 'নৱাধিকপঞ্চসংখ্যাশকে ৱৰাহমিহিৰাচাৰ্য়ো দিৱং গতঃ।'

বৰাহমিহিৰ আছিল অৱন্তিৰ অধিবাসী। তেওঁৰ পিতৃ আছিল আদিত্যদাস। তেৱোঁ আছিল এজন জ্যোতির্বিদ। বৰাহমিহিৰে পিতৃৰ ওচৰত শিক্ষা গ্ৰহণ কৰিছিল। বৃহৎজাতকৰ ষড়্‌বিংশ অধ্যায়ত কোৱা হৈছে—

আদিত্যদাসতনয়স্তদৱাপ্তবোধঃ
কাপিত্থকে সৱিতৃলব্ধৱৰপ্রসাদঃ।
আৱন্তিকো মুনিমতান্যৱলোক্য সম্যক্
হোৰাং ৱৰাহমিহিৰো ৰুচিৰাং চকাৰ।।

(আদিত্যদাসৰ পুত্ৰ, পিতৃৰপৰা জ্ঞান অৰ্জন কৰা অৱন্তিদেশীয় বৰাহমিহিৰে সূৰ্য্যদেৱতাৰপৰা বৰ ৰূপ প্ৰসাদ লাব কৰি (পূৰ্ৱৱৰ্তী) মুনিসকলৰ মতবোৰৰ লগত পৰিচিত হৈ কাপিত্থকত মনোজ্ঞ জ্যোতির্বিদ্যা বিষয়ক পুথি ৰচনা কৰে।)

উল্লেখ কৰিব পাৰি যে দুই এটা সংস্কৰণত কাপিত্থকৰ ঠাইত কাপিষ্ঠিল বুলি কোৱা হৈছে।

অজয় মিত্ৰ শাস্ত্ৰীয়ে কৈছে যে বৰাহমিহিৰ যে সূৰ্য উপাসক আছিল তাত তিলমাত্ৰও সন্দেহ নাই। সূৰ্য-বন্দনা কৰি তেওঁ বহু শ্লোক লিখিছে। তেওঁলোকৰ পৰিয়ালৰ আৰাধ্যদেৱতা আছিল সূৰ্য। পিতৃৰ নাম আদিত্যদাস। আদিত্যৰ অৰ্থ সূৰ্য্য, মিহিৰৰ অৰ্থ সূৰ্য (মন কৰিবলগীয়া যে ইৰানীয়সকলৰ সূৰ্যদেৱতা হ'ল মিথ্ৰ, Mithra)। বৰাহমিহিৰৰ পুত্ৰ পৃথুয়শসে ষট্‌পঞ্চাশিকা বুলি এখন পুথি লিখে। পুথিখন আৰম্ভ কৰা হৈছে সূৰ্য্য-বন্দনাৰে।

বৰাহমিহিৰে জ্যোতিষশাস্ত্ৰ প্ৰধানকৈ তিনিটা স্কন্দত অৰ্থাৎ ভাগত ভাগ কৰিছে। প্ৰথমটো তন্ত্ৰ বুলি কোৱা হয়। ইয়াত তেওঁ গণিতীয় গণনাৰ জৰিয়তে গ্ৰহৰ গতি সম্পৰ্কে আলোচনা কৰিছে। দ্বিতীয় ভাগটো হোৰা। ইয়াক অঙ্গঁ (সহায়ক) বুলি কোৱা হয়। 'ভাৱ' আৰু অন্যান্য উপায়ৰ দ্বাৰা সিদ্ধান্তত উপনীত হোৱাত ই সহায় কৰে। সেইবাবে ইয়াক অঙ্গৱিনিশ্চয় বুলিও কোৱা হয়। তৃতীয় ভাগটোক ঋষি গৰ্গই শাখা আখ্যা দিছে। ইয়াক বিশেষকৈ সংহিতা বুলি কোৱা হয়। সংহিতা হ'ল 'বৈজ্ঞানিক তত্ত্বৰ সংক্ষিপ্তসাৰ' (Compendium of Scientific Theories)। ঋষি গৰ্গই কৈছে—

'গণিতং জাতকং শাখাং য়ো ৱেত্তি দ্বিজপুঙ্গৱঃ।
ত্রিস্কন্ধজ্ঞো ৱিনির্দিষ্টঃ সংহিতাপাৱগশ্চ সঃ।

বৰাহমিহিৰক ত্রিস্কন্ধজ্ঞ বুলি কোৱা হয়। তন্ত্ৰবিষয়ক তেওঁৰ প্ৰধান কৰ্ম হ'ল পঞ্চসিদ্ধান্তিকা, বৰাহমিহিৰৰ যুগজয়ী কীৰ্তি। ইয়াত ওঠৰটা অধ্যায় আছে। এই গ্ৰন্থত তেওঁ পাঁচখন প্ৰধান জ্যোতিষীয় গ্ৰন্থ পৌলিশ, ৰোমক, বাসিষ্ঠ, সূৰ্য্য আৰু পৈতামহ্ন আলোচনা কৰিছে। বৰাহমিহিৰে মত প্ৰকাশ কৰিছে যে সূৰ্য্য-সিদ্ধান্তই সৰ্বশ্ৰেষ্ঠ আৰু নিৰ্ভুল,

পৈতামহ আৰু বাসিষ্ঠ নিকৃষ্ট। পঞ্চসিদ্ধান্তিকাত দশমিক স্থানীয় মান পদ্ধতিৰ সহায়ত সংখ্যা লিখা হৈছে। শব্দ-সংখ্যাকৰ (word-numerals) ব্যৱহাৰো বৰাহমিহিৰে কৰিছিল। এই পদ্ধতিত বস্তু, প্ৰাণীৰ নাম বা ধাৰণা বিশেষৰূপাৰা অংক (বা সংখ্যা) বুজোৱা হয়। দশমিক স্থানীয় মান পদ্ধতিৰ লগত সংগতি ৰাখি পোনতে এককৰ স্থান, পাছত দহকৰ স্থান, পাছত শতকৰ স্থান, . . . লিখা হয় (অঙ্কানাং ৱামতো গতিঃ)। পঞ্চ-সিদ্ধান্তিকাৰপৰা শব্দ সংখ্যাকৰ কেইটামান উদাহৰণ দিয়া হ'ল—

নৱ - ৱসু - গুণ - ৱস - ৱসঃ	৬৬৩৮৯
শৰ - নৱ - খ - ইন্দ্ৰিয় - অৰ্ণৱ - আশাঃ	১০৪৫০৯৫
মুনি - য়ম - য়ম - দ্বি	২২২৭
শূন্য - দ্বি - পঞ্চ - য়ম	২৫২০
স্বৰ - এক - পক্ষ - অম্বৰ - স্বৰ - ঋতু	৬৭০২১৭
ৱস - ৱিষয় - গুণ - অম্বৰ - ঋতু - য়ম - পক্ষ	২২৬০৩৫৬

নৱ ৯, বসু ৮ (ধৰ, ধ্ৰুৱ, সোম, আপ, অনল, অনিল, প্ৰভাস, প্ৰত্যূষ — এই আঠজন দেৱতাক অষ্টবসু বুলি কয়), গুণত (গুণ তিনিটা, সত্ত্ব, ৰজম্, তমস্), ৱস ৬ (প্ৰধান ৱস ছয়বিধ— জলা, টেঙা, মিঠা, লুনীয়া, তিতা আৰু কেঁহা), শৰ ৫ (কামদেৱৰ পাঁচডাল শৰ আছে, — উন্মাদন, তাপন, শোষণ, সম্মোহন আৰু স্তম্ভন), খ ০, অম্বৰ ০ (খ, অম্বৰ শব্দদ্বয়ৰ অৰ্থ আকাশ, আকাশৰ বাবে ০), ইন্দ্ৰিয় ৫ (নাক, কাণ, জিভা, চকু আৰু ছাল— এয়া পঞ্চেন্দ্ৰিয়), অৰ্ণৱ ৪, আশা অৰ্থাৎ দিশ ১০, মুনি ৭ (মৰীচি, অত্ৰি, অংগিৰা, পুলস্ত, পুলহ, ক্ৰতু, বশিষ্ঠ— এই সাতজন ঋষি), যম ২ (যুগ্মজাত), স্বৰ ৭ (ষড়্জ, ঋষভ, গান্ধাৰ, মধ্যম, পঞ্চম, ধৈৱত, নিষাদ), পক্ষ ২ (পক্ষ দুটা— শুক্ল, কৃষ্ণ), ঋতু ৬, বিষয় ৫ (ৰূপ, ৱস, গন্ধ, স্পৰ্শ, শব্দ এইকেইটা ইন্দ্ৰিয়ানুভূতি, সেয়ে বিষয় ৬) ইত্যাদি।

বৰাহমিহিৰে লিখা আন দুখন কিতাপ হ'ল বৃহৎজাতক, আৰু বৃহৎসংহিতা। বৃহৎজাতকক হো�ৰাশাস্ত্ৰ বুলিও কোৱা হয়। ইয়াত একুৰি ছটা অধ্যায় আছে। বৃহৎসংহিতাত এশ ছয়টা অধ্যায় আছে। এইখন বিশ্বকোষৰ লেখীয়া। ইয়াত সন্নিৱিষ্ট বিষয়সমূহ হ'ল জ্যোতিষ স্থাপত্যবিদ্যা, বাস্তু, চিত্ৰাংকনবিদ্যা, উদ্যান-শস্য বিজ্ঞান, ৰত্নবিজ্ঞান, প্ৰসাধনী ইত্যাদি।

বৰাহমিহিৰে সকলো কথা চুম্বককৈ লিখিছিল। বৃহৎসংহিতাৰ বিখ্যাত টীকাকাৰ দশম শতিকাৰ কাশ্মীৰৰ ভট্টোৎপলে এনেদৰে মন্তব্য কৰিছে— 'বৰাহমিহিৰো..... জ্যোতিশশাস্ত্ৰসংগ্ৰহকৃৎ গণিতস্কন্ধহোৰাস্কন্ধৌ সংক্ষিপ্তৌ কৃত্বা সংহিতাস্কন্ধং সংক্ষিপ্তুং চিকীৰ্ষু...।'

প্ৰখ্যাত পৰ্য্যটক আৰু পণ্ডিত আল-বিৰূণীয়ে (৯৭৩-১০৫০ খ্ৰিষ্টাব্দ) বৃহৎসংহিতা আৰবী ভাষালৈ অনুবাদ কৰে। তেওঁ কৈছে যে বৰাহমিহিৰে পৃথিৱীৰ আকৃতি সঠিকভাৱে জানিছিল। তেওঁৰ সকলোবোৰ সিদ্ধান্ত সত্যৰ ওপৰত প্ৰতিষ্ঠিত— 'Varahamihira has already revealed himself to us as a man who accurately knows the shape of the world . . . . on the whole, his foot stands firmly on the basis of the truth, and he clearly speaks out the truth.'

বৰাহমিহিৰ সম্বন্ধে কিছুমান কাহিনী প্ৰচলিত আছে। কিছুমানৰ কোনো ভিত্তি নাই। তেওঁক বিক্ৰমাদিত্যৰ নৱৰত্নৰ অন্যতম 'ৰত্ন' বুলি কোৱা হয়। বাকীকেইজন ৰত্ন তেওঁৰ সমসাময়িক নহয়, কেইজনমান কেইবা শতিকা আগৰ, কেইজনমান কেইবা শতিকা পাছৰ। [দ্ৰষ্টব্য বৰাহমিহিৰ কৃতা বৃহৎসংহিতা (২০০৭), ৰাষ্ট্ৰীয়সংস্কৃতসংস্থানম্, নৱদেহলী]

২.৭ ব্ৰহ্মগুপ্ত

ব্ৰহ্মগুপ্ত সপ্তম শতিকাৰ এজন ক্ষুৰধাৰ গণিতজ্ঞ। তেওঁৰ জন্ম ৫২০ শক অৰ্থাৎ ৫৯৮ খ্ৰিষ্টাব্দত। অৱশ্যে জন্ম স্থান লৈ মতদ্বৈধ আছে। তেওঁৰ পিতৃৰ নাম জিষ্ণু। চাপ বংশৰ সৰ্বশ্ৰেষ্ঠ ৰজা ব্যাঘ্ৰমুখৰ ৰাজত্বকালত তেওঁৰ প্ৰতিভা বিকশিত হৈছিল।

ব্ৰাহ্মস্ফুটসিদ্ধান্ত ব্ৰহ্মগুপ্তৰ জীৱনৰ কালজয়ী কীৰ্তি। ব্ৰাহ্মস্ফুটসিদ্ধান্তত ব্ৰহ্মগুপ্তই আত্মপৰিচয় এইদৰে দিছে,— চাপ বংশৰ শ্ৰীব্যাঘ্ৰমুখৰ ৰাজত্বকালত শক ৰজা ঢুকোৱাৰ পাঁচশ পঞ্চাশ বছৰ পাছত জিষ্ণুৰ পুতেক ব্ৰহ্মগুপ্তই ত্ৰিশ বছৰ বয়সত গণিতজ্ঞ আৰু জ্যোতিৰ্বিদসকলৰ আনন্দৰ বাবে ব্ৰাহ্মস্ফুটসিদ্ধান্ত ৰচনা কৰে—

শ্ৰীচাপৱংশতিলকে শ্ৰীব্যাঘ্ৰমুখেনৃপে শকনৃপালাৎ
পঞ্চাশৎ সংযুক্তৈৰ্ৱর্ষশতৈঃ পঞ্চভিৰতীতৈঃ
ব্ৰাহ্মস্ফুটসিদ্ধান্তঃ সজ্জনগণিতগোলৱিৎপ্ৰীত্যৈ
ত্ৰিংশদ্বর্ষেণ কৃতো জিষ্ণুসুতব্ৰহ্মগুপ্তেন।

ব্ৰাহ্মস্ফুটসিদ্ধান্ত, ২৪/৭-৯

ব্ৰহ্মগুপ্তৰ আনখন সুবিখ্যাত গ্ৰন্থ হ'ল খণ্ডখাদ্যক। ইয়াৰ ৰচনাকাল ৬৫৫ খ্ৰিষ্টাব্দ।

ব্ৰাহ্মস্ফুটসিদ্ধান্ত ছন্দত লিখা। ইয়াত অধ্যায় আছে একুৰি চাৰিটা আৰু শ্লোকৰ সংখ্যা এহাজাৰ বাইশটা। নৱম শতিকাৰ পৃথূদকস্বামীয়ে (পৃথুস্বামী) ব্ৰহ্মগুপ্তৰ দুয়োখন কিতাপৰ টীকা লিখে। এই টীকাই গ্ৰন্থ দুখন বুজাত সহায় কৰে।

পৃথূদকস্বামীৰ টীকাসম্বলিত খণ্ডখাদ্যকত ব্ৰহ্মগুপ্তৰ আত্মপৰিচয়মূলক শ্লোক নাই। ৰাহমিহিৰৰ বৃহৎসংহিতাৰ টীকাকাৰ কাশ্মীৰৰ দশম শতিকাৰ ভট্টোৎপলে খণ্ড খাদ্য কৰো এটা টীকা লিখে। ভট্টোৎপলৰ সংস্কৰণত আৰু তিনিটা অধ্যায় আছে (নৱম, দশম, একাদশ)। একাদশ অধ্যায়ত একৈশটা স্তৱক আছে। অন্তিম একবিংশতিতম শ্লোকটো হ'ল—

'খণ্ডখাদ্যকমিদং তৃপ্ত্যৰ্থে গ্ৰহগতিক্ষুধার্ত্তানাম্
শিষ্যাণাং হিতার্থে প্ৰোক্তং জিষ্ণুসুতব্ৰহ্মগুপ্তেন।

খণ্ডখাদ্যক, ১১/২১

(যিসকলৰ গ্ৰহ-নক্ষত্ৰৰ গতি সম্বন্ধে জানিবলৈ আগ্ৰহ আছে, সেইসকলৰ বাবে আৰু শিষ্যসকলৰ হিতৰ বাবে জিষ্ণুৰ পুত্ৰ ব্ৰহ্মপুত্ৰই খণ্ডখাদ্যক ৰচনা কৰিছে।)

পাটীগণিত, জ্যামিতি, বীজগণিত, জ্যোতিৰ্বিজ্ঞানত ব্ৰহ্মপুপ্তৰ অৱদান বিস্ময়কৰ। পাটীগণিতক ধূলি-কৰ্ম বুলিও কোৱা হৈছিল। বিভূতিভূষণ দত্ত আৰু অৱধেশনাৰায়ণ সিঙে তেওঁলোকৰ আলোকসন্ধানী History of Hindu Mathematics (1962) গ্ৰন্থত কৈছে যে ফলকত বা মাটিত ধূলি ছটিয়াই সংখ্যাবোৰ লিখা হৈছিল বাবে গাণিতিক গণনা কাৰ্যক কেতিয়াবা **ধূলি-কৰ্ম** বুলি কোৱা হৈছিল। ব্ৰহ্মগুপ্ত ধূলি-কৰ্মত পাৰংগত আছিল। তেওঁ কৈছে যে ব্ৰহ্মগুপ্তৰদ্বাৰা প্ৰৱৰ্তিত ধূলি-কৰ্ম যিজন বিদ্বানে জানে তেওঁ আৰ্য্যভট, বিষ্ণুচন্দ্ৰ আৰু অন্যান্যসকলৰ দ্বাৰা প্ৰৱৰ্তিত গণনা শিকাজনতকৈ বেছি পাৰদৰ্শিতা অৰ্জন কৰে—

'নাৰায়ৰ্ো জ্ঞাতেৰপি তন্ত্ৰেৰার্য়ভটৰিষ্ণুচন্দ্ৰাদ্যৈঃ।
য়ো ব্ৰহ্ম ধূলিকৰ্মবিদাচার্য়ত্বং ভৱতি তস্য।।'

ব্ৰাহ্মস্ফুটসিদ্ধান্ত, ১০/৬২

ব্ৰহ্মগুপ্তই আৰু কৈছে যে মহান গুৰুসকলে অসন্মানজনক হ'ব বুলি ভাবি ধূলি-কৰ্মৰ জ্ঞান প্ৰদান নকৰিছিল।

ইয়াৰ দ্বাৰা তেওঁলোকৰ নাম-যশ ধূলিসাৎ হ'ব বুলি ভাবিছিল—

'গুৱুণা ন ধূলিকর্ম প্রতিকঞ্চুককাৰিণে প্রদাতৱ্যম্।
দত্তংসুকৃৎপ্রণাশং কুৰুতে প্রতিকঞ্চুকং য়স্য।।'

ব্রাহ্মস্ফুটসিদ্ধান্ত, ১০/৬৭

ধূলি-কর্মক আৰবী ভাষাত হিসাব-অল-ঘোবাৰ (hisab-al-ghobar) বুলি কোৱা হৈছিল।

ব্রহ্মগুপ্তই ব্রাহ্মস্ফুটসিদ্ধান্তৰ গণিতাধ্যায়ত কৈছে যে পাটীগণিতত বিশটা 'পৰিকর্ম (প্রক্রিয়া) আৰু আঠটা 'ব্যৱহাৰ' আছে। ব্রহ্মগুপ্তৰ মতে যিজনাই সংকলিতকে আদি কৰি কুৰিটা 'পৰিকর্ম, আৰু ছায়াকে আদি কৰি আঠটা ব্যৱহাৰ পৃথক্ পৃথক্‌কৈ জানে, সেইজনাই গণক (গণিতজ্ঞ)—

'পৰিকর্ম ৱিংশতিং য়ঃ সংকলিতাদ্যাং পৃথক্ বিজানাতি।
অষ্টৌ চ ব্যৱহাৰান্ ছায়ান্তান্ ভৱতি গণকঃ সঃ।।

ব্রাহ্মস্ফুটসিদ্ধান্ত, ১২/১

প্রক্রিয়া অর্থাৎ 'পৰিকর্ম' বিশটা হ'ল— সংকলিত (যোগ), ৱ্যৱকলিত (বিয়োগ), গুণন (পূৰণ), ভাগহৰ (হৰণ), বর্গ, বর্গমূল, ঘন, ঘনমূল, পঞ্চ-জাতি (ভগ্নাংশৰ পাঁচটা প্রামাণিক আকাৰ), ত্রৈৰাশিক, ব্যস্ত-ত্রৈৰাশিক, পঞ্চ-ৰাশিক, সপ্ত-ৰাশিক, নৱ-ৰাশিক, একাদশ-ৰাশিক, ভাণ্ড-প্রতিভাণ্ড (বিনিময় বেহা)। ব্যৱহাৰ আঠটা হ'ল— মিশ্রক (মিশ্রণ), শ্রেঢ়ী (শ্রেণী), ক্ষেত্র (সামতলিক চিত্র), খাত (খনন-কার্য্য), চিতি (ব্যৱসায়ৰ মূলধন/পুঁজি নিয়োজন অংশ), ক্রাকচিক (কৰত), ৰাশি (ঢাপলিকা/ঢিপ), ছায়া (ছাঁ)।

ব্রহ্মগুপ্তই যোগ, বিয়োগ, পূৰণ, হৰণৰ কথা কৈছে। তেওঁ পূৰণ কৰাৰ চাৰিটা উপায়ৰ কথা কৈছে। সেইকেইটা হ'ল— গোমূত্রিকা, খণ্ড, ভেদ, ইষ্ট।

ব্রাহ্মস্ফুটসিদ্দান্তত দশমিক স্থানীয়-মান পদ্ধতিৰ সহায়ত সংখ্যা লিখা হৈছে। ডাঙৰ সংখ্যাৰ বাবে শব্দ-সংখ্যাকৰ (word-numerals) ব্যৱহাৰো ব্রহ্মগুপ্তই কৰিছিল। এই পদ্ধতিত বস্তু, প্রাণীৰ নাম বা ধাৰণা বিশেষৰদ্বাৰা অংক (বা সংখ্যা) বুজোৱা হয়। দশমিক স্থানীয় মান পদ্ধতিৰ লগত সামঞ্জস্য ৰাখি পোনতে এককৰ স্থান, পাছত দহকৰ স্থান, . . . লিখা হয় (অংকানাং ৱামতো গতিঃ)। উদাহৰণস্ৱৰূপে এটা অতি ডাঙৰ সংখ্যা ২২৯৬৮২৮৫২২ বুজাবলৈ ব্রহ্মগুপ্তই দ্বিয়মশৰাষ্টপক্ষৰসূৰমন্‌বদ্বিয়মঃ ব্যৱহাৰ কৰিছে (দ্বিয়ম অর্থাৎ দুটা দুই অর্থাৎ ২২, শৰ ৫, অষ্ট ৮, পক্ষ ২, বসু ৮, ৰস ৬, নৱ ৯, দ্বিযম ২২)। (ব্রাহ্মস্ফুটাসিদ্ধান্ত, ১/১৬)।

কোনো ৰাশিৰ বর্গ উলিয়াবৰ বাবে ব্রহ্মগুপ্তই দুটা নিয়মৰ উল্লেখ কৰিছে। যিটো ৰাশিৰ বর্গ উলিয়াব লাগে সেইটোক দুটা (বা ততোধিক খণ্ড খণ্ড) ৰাশিত ভাগ কৰিব লাগে। প্রথমতে প্রথম ৰাশিটোৰ বর্গ উলিয়াব লাগে। তাৰ পাছত প্রথম ৰাশিৰ দুগুণৰ লগত দ্বিতীয় ৰাশিটো পূৰণ কৰিব লাগে। তাৰ পাছত শেহ ৰাশিটোৰ বর্গ উলিয়াব লাগে। অৱশেষত আটাইকেইটাক যোগ কৰিব লাগে। ইয়াৰ পৰাই আমি $(a+b)^2 = a^2+2ab+b^2$ অভেদটো পাওঁ।

আন এটা নিয়ম হ'ল এনেধৰণৰ। ধৰা যাওঁক x অৰ বর্গ উলিয়াব লাগে। ব্রহ্মগুপ্তৰ মতে $x^2 = (x+a)(x-a) + a^2$

(ইয়াত a সংখ্যাটো আমি ধৰি লৈছোঁ)। উল্লিখিত নিয়ম অনুযায়ী—

$999^2 = (999+1)(999-1) + 1^2$

$= 998001$ ($a = 1$) বুলি ধৰি লোৱা হৈছে।)

এক মাত্রাৰ অনির্ণেয় সমীকৰণ সম্বন্ধে ব্রহ্মগুপ্তই আলোচনা কৰিছিল। এনে সমীকৰণক কুট্টক বোলা হৈছিল। [$\frac{ax+b}{c} = y$ আকৃতিৰ অনির্ণেয় সমীকৰণৰ সমাধানক প্রাচীন ভাৰতীয় গণিতত কুট্টক বোলা হয়। কুট্টক

শব্দৰ অন্যতম আভিধানিক অর্থ পটাগুটি। পটাগুটিত যেনেদৰে ভাঙি-ছিঙি চূর্ণ কৰা হয়, এই পদ্ধতিতো জানিবা ক্ৰমিক বিভাজনৰ জৰিয়তে সংখ্যাবোৰ চুৰ্চুমৈ কৰা হয়।]

দ্বিঘাত সমীকৰণৰ সমাধানো ব্ৰহ্মগুপ্তৰ ৰচনাত পোৱা যায়। দ্বিঘাত সমীকৰণৰ যে দুটা মূল থাকে সেয়া তেওঁ জানিছিল। অনির্ণেয় দ্বিঘাত সমীকৰণ সম্পর্কেও তেওঁ পৰীক্ষা-নিৰীক্ষা চলাইছিল। $Nx^2 + 1 = y^2$ সমীকৰণ সম্বন্ধে তেওঁ আলোচনা কৰিছে। তেওঁৰ পদ্ধতি পাছত ভাস্কৰাচার্য্য, নাৰায়ণ আদি গণিতজ্ঞসকলে অনুসৰণ কৰিছে। সমান্তৰ শ্ৰেণীৰ যোগফল উলিওৱাৰ সূত্ৰও তেওঁ উলিয়াইছিল।

ব্ৰহ্মগুপ্তই বীজগণিতক উচ্চ স্থান দিছিল। তেওঁ কৈছিল,— যেনেদৰে সূৰ্য্যৰ প্ৰখৰতাই তৰাবোৰক গ্ৰাস কৰে, তেনেদৰে জ্ঞানী লোকে সজ্জনৰ সভাত অইনৰ যশস্যা গ্ৰাস কৰিব পাৰে যদিহে তেওঁ বীজগণিতীয় প্ৰশ্ন উত্থাপন কৰে, আৰু বিশেষকৈ যদিহে তেওঁ সেইবোৰ সমাধান কৰে। (As the sun eclipses the stars by its brilliancy, so the man of knowledge will eclipse the fame of others in assemblies of the people if he proposes algebraic problems, and still more if he solves them. F cajori ৰ A History of Mathematics গ্ৰন্থৰ পৰা উদ্ধৃত)। দ্বাদশ শতিকাৰ তীক্ষ্ণধী গণিতজ্ঞ ভাস্কৰাচার্য্যই কৈছে যে বীজগণিতত ব্ৰহ্মগুপ্ত আছিল অসীম বুৎপন্ন। তেওঁ ব্ৰহ্মগুপ্তক 'গণক-চক্ৰ-চূড়ামণি' বুলি অভিহিত কৰিছে।

ত্ৰিভুজৰ কালি উলিওৱাৰ বাবে ব্ৰহ্মগুপ্তই দুটা সূত্ৰৰ উল্লেখ কৰিছে,— এটা স্থূল কালিৰ বাবে আৰু আনটো সূক্ষ্ম কালিৰ বাবে। প্ৰথমটোৰ সহায়ত মোটামুটিকৈ ত্ৰিভুজৰ কালি উলিয়াব পৰা যায়। য'ত সূক্ষ্মভাৱে কালি উলিওৱাৰ প্ৰয়োজন নাই, তাতেহে কেৱল এই সূত্ৰটো প্ৰয়োগ কৰা হয়। স্থূল কালিৰ বাবে সূত্ৰটো হ'ল—

$$\frac{\text{ভূমি}}{২} \times \frac{\text{বাকী দুটা বাহুৰ সমষ্টি}}{২}$$

সূক্ষ্ম কালিৰ বাবে সূত্ৰটো হ'ল—

$$\sqrt{s(s-a)(s-b)(s-c)}$$

য'ত a, b, c হ'ল ত্ৰিভুজটোৰ বাহু, আৰু $s = \frac{a+b+c}{2}$

চতুৰ্ভুজৰ বাহু চাৰিটা a, b, c, d হ'লে স্থূল কালি হ'ল $\frac{a+c}{2} \cdot \frac{b+d}{2}$

চক্ৰীয় চতুৰ্ভুজৰ চাৰিটা বাহু জনা থাকিলে তাৰ কালি উলিওৱাৰ সূত্ৰও ব্ৰহ্মগুপ্তই উল্লেখ কৰিছে।

এটা চক্ৰীয় চতুৰ্ভুজৰ বাহু a, b, c, d আৰু $s = \frac{a+b+c+d}{2}$ হ'লে, চক্ৰীয় চতুৰ্ভুজটোৰ কালি হ'ব—

$$\sqrt{s(s-a)(s-b)(s-c)(s-d)}$$

চক্ৰীয় চতুৰ্ভুজৰ কৰ্ণ দুডাল উলিওৱাৰ সূত্ৰও ব্ৰহ্মগুপ্তই উলিয়াইছে। কৰ্ণ দুডাল x, y হ'লে

$$x = \sqrt{\frac{ad+bc}{ab+cd}(ac+bd)}$$

$$y = \sqrt{\frac{ad+cd}{ad+bc}(ac+bd)}$$

শংকুৰ, পিৰামিডৰ আয়নত উলিওৱাৰ সূত্ৰও ব্ৰহ্মগুপ্তই উত্থাপন কৰিছে। এটা পিৰামিডৰ ছেন্দিতাংশৰ আয়নত উলিওৱাৰ সূত্ৰও তেওঁ উল্লেখ কৰিছে।

জ্যোতিৰ্বিজ্ঞানত ব্ৰহ্মপুত্ৰই বৈপ্লৱিক ৰৱঙণি আগবঢ়ায়। দৰাচলতে ব্ৰাহ্মস্ফুটসিদ্ধান্তত জ্যোতিৰ্বিজ্ঞানৰ বিষয়েহে বেছিকৈ আলোচনা কৰা হৈছে। গ্ৰহৰ গড়গতি আৰু প্ৰকৃত গতি, স্থান-কাল-দূৰত্বসম্পৰ্কীয় সমস্যা, গ্ৰহৰ উদয় আৰু অস্ত্ৰ আদিৰ বিষয়ে এই গ্ৰন্থত তেওঁ আলোচনা কৰিছে। গ্ৰহণ সম্পৰ্কেও তেওঁ আলোচনা কৰিছে। ব্ৰহ্মগুপ্ত অকল তাত্ত্বিকেই নাছিল, যন্ত্ৰৰ সহায়ত (নালিকাদিয়ন্ত্ৰ) প্ৰত্যক্ষ পৰ্য্যবেক্ষণ কৰি তেওঁ গণনা কৰিছিল। খণ্ডখাদ্যকতো তেওঁ প্ৰত্যক্ষ পৰ্য্যবেক্ষণৰ ওপৰত গুৰুত্ব দিছে।

ব্ৰহ্মগুপ্তই কোনো কোনো ক্ষেত্ৰত পূৰ্বসূৰী আৰ্য্যভট, শ্ৰীষেণ, বিষ্ণুচন্দ্ৰ আৰু অন্যান্যসকলৰ কামক সমালোচনা কৰিছে। আৰ্য্যভটক সমালোচনা কৰা বাবে আৰ্য্যভটৰ 'বিশেষ অনুৰক্ত' পৃথূদকস্বামীয়ে ব্ৰহ্মগুপ্তকো সমালোচনা কৰিছে। উত্তৰ কালৰ ভাস্কৰাচাৰ্য্যকে আদি কৰি বহু গণিতজ্ঞৰ কামত ব্ৰহ্মগুপ্তৰ প্ৰভাৱ সুস্পষ্ট।

বিখ্যাত আৰব সম্ৰাট আল-মন-ছুৰৰ নিৰ্দেশত মহম্মদ ইবন ইব্ৰাহিম অল ফজাৰিয়ে ব্ৰাহ্মস্ফুটসিদ্ধান্ত আৰবী ভাষালৈ অনুবাদ কৰে। খণ্ডখাদ্যকো আৰবীলৈ অনূদিত হয়।

জৰ্জ আলফ্ৰেড লিয়ন ছাৰটন (George Alfred leon Sarton, ১৮৮৪-১৯৫৬ খ্ৰিষ্টাব্দ) এ ব্ৰহ্মগুপ্তক সেই সময়ৰ শ্ৰেষ্ঠ বিজ্ঞানী বুলি অভিহিত কৰিছে ('One of the greatest scientists of the race and the greatest of his time')।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আৰ্য্যভটৰ জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোনখন গ্ৰন্থক কোৱা হয়? কিমান বয়সত তেওঁ গ্ৰন্থখন ৰচনা কৰে?

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাহমিহিৰে জ্যোতিষশাস্ত্ৰক প্ৰধানকৈ কিমানটা ভাগত ভাগ কৰিছে? ভাগকেইটা কি কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ ব্ৰহ্মগুপ্তই ব্ৰাহ্মস্ফুটসিদ্ধান্ত কোন শকত ৰচনা কৰে?

.....

.....

২.৮ মহাবীৰাচাৰ্য্য

মহাবীৰাচাৰ্য্য নৱম শতিকাৰ এজন জৈন গণিতজ্ঞ। **গণিত-সাৰ-সংগ্ৰহ** তেওঁৰ অনৱদ্য সৃষ্টি। আনুমানিক ৮৫০ খ্ৰীষ্টাব্দত ই ৰচিত। ৰাষ্ট্ৰকূট বংশৰ ৰজা (বৰ্তমানৰ কৰ্ণাটকৰ অন্তৰ্গত) অমোঘৱৰ্ষ নৃপতুংগৰ ৰাজত্ব কালত তেওঁৰ প্ৰতিভা বিকশিত হৈছিল। **গণিত-সাৰ-সংগ্ৰহ** দক্ষিণ ভাৰতত অতিশয় জনপ্ৰিয় আছিল। পুথিখন সংস্কৃতত ছন্দত লিখা। একাদশ শতিকাতে পুথিখন তেলুগুলৈ অনূদিত হয়। টীকা-টিপ্পনীসহ পুথিখনৰ ইংৰাজী অনুবাদ কৰে এম ৰংগাচাৰ্য্যই। মাদ্ৰাজ চৰকাৰৰ নিৰ্দেশত পুথিখন প্ৰকাশ পায় ১৯১২ চনত। পুথিখনৰ এটা পাণ্ডিত্যপূৰ্ণ পাতনি লিখে নিউইয়ৰ্কৰ কলম্বিয়া বিশ্ববিদ্যালয়ৰ Teachers' college অৰ গণিতৰ প্ৰফেছৰ ডেভিড ই স্মিথে (David Eugene Smith, ১৮৬০-১৯৪৪ খ্ৰীষ্টাব্দ)।

মহাবীৰাচাৰ্য্যই গণিত-সাৰ-সংগ্ৰহত অকল গণিতৰ বিভিন্ন বিষয় (পাটীগণিত, বীজগণিত, জ্যামিতি,

পৰিমিতি ইত্যাদি) সম্বন্ধে আলোচনা কৰিছে, জ্যোতিৰ্বিজ্ঞানৰ বিষয়ে চৰ্চা কৰা নাই। এই ক্ষেত্ৰত তেওঁ ব্যতিক্ৰম। তেওঁৰ পূৰ্বৱৰ্তী গণিতজ্ঞসকলৰ প্ৰত্যেকেই গণিতৰ লগত জ্যোতিৰ্বিজ্ঞানৰ বিষয়ে আলোচনা কৰিছিল। মহাবীৰে অকল মৌলিক গণিতৰ অধ্যয়নতে নিজকে অহোৰাত্ৰ ব্যস্ত ৰাখিছিল এম ৰংগাচাৰ্য্যই আগকথাত লেখিছে যে মহাবীৰাচাৰ্য্যই পূৰ্বমূৰী ব্ৰহ্মগুপ্তৰ ব্ৰাহ্মস্ফুটসিদ্ধান্ত অধ্যয়ন কৰিছিল আৰু সেইখনৰ উন্নতি সাধন কৰিবলৈ চেষ্টা কৰিছিল (.... , in all probability, Mahāvīrācārya was familiar with the work of Brahmagupra and endeavoured to improve upon it to the extent to which the scope of his Gaūita Sara-Sangraha permitted such improvement).

পুথিখনত সৰ্বমুঠ নটা অধ্যায় আছে। জিনেন্দ্ৰ মহাবীৰক প্ৰণাম জনাই পুথিখন আৰম্ভ কৰা হৈছে—

‘অলঙঘ্য ত্ৰিজগৎসাৰং য়স্যানন্তচতুষ্টয়ম্।
নমস্তস্মৈ জিনেন্দ্ৰায় মহাৱীৰায় তায়িনে।। ১
সংখ্যাজ্ঞানপ্ৰদীপেন জৈনেন্দ্ৰণ মহাত্বিষা।
প্ৰকাশিতং জগৎসৰ্ৱং য়েন তং প্ৰণমাম্যহম্।। ২

ইয়াৰ পাছৰ ছয়টা স্তৱকত অমোঘৱৰ্ষ (ৰজা চক্ৰিকাভঞ্জন— অমোঘৱৰ্ষ নৃপতুংগ বুলি প্ৰসিদ্ধ) বন্দনা কৰা হৈছে। তাৰ পাছত গণিতশাস্ত্ৰপ্ৰশংসা—

লৌকিকে ৱৈদিকে ৱাপি তথা সামাৱিকে২পি য়ঃ।
ব্যাপাৱস্তত্ৰ সৰ্ৱত্ৰ সংখ্যানমুপয়ুজ্যতে।। ৯

সৰ্বমুঠ পোন্ধৰটা স্তৱকত গণিতৰ প্ৰশংসা কৰা হৈছে। তাৰ পাছত বিভিন্ন পৰিভাষা দিয়া হৈছে—

ক্ষেত্ৰপৰিভাষা, কল্পৱিভাষা, ধান্যপৰিভাষা, সুৱৰ্ণপৰিভাষা, ৰজতপৰিভাষা, লোহপৰিভাষা, সুৱৰ্ণপৰিভাষা, ৰজতপৰিভাষা, লোহপৰিভাষা। তাৰ পাছত পৰিকৰ্ম অৰ্থাৎ বিভিন্ন প্ৰক্ৰিয়াসমূহ দিয়া হৈছে। তাৰ পাছত শব্দ-সংখ্যাক (word-numerals)ৰ বিষয়ে কোৱা হৈছে।

প্ৰাচীন ভাৰতত বস্তু, প্ৰাণীৰ নাম বা ধাৰণা বিশেষৰ দ্বাৰা অংক (বা সংখ্যা) বুজোৱা হয়। দশমিক স্থানীয় মান পদ্ধতিৰ লগত সংগতি ৰাখি পোনতে এককৰ স্থান, পাছত দহকৰ স্থান, পাছত শতকৰ স্থান, ... লিখা হয় (অঙ্কানাং ৱামতো গতিঃ)। কিছুমান শব্দ অকল জৈনসকলেহে ব্যৱহাৰ কৰিছিল।

গণিত-সাৰ-সংগ্ৰহত এনে শব্দৰ ব্যৱহাৰ দেখা যায়। তিনিৰ বাবে মহাবীৰাচাৰ্যই ৰত্ন শব্দটো ব্যৱহাৰ কৰিছে। জৈনসকলৰ ত্ৰিৰত্ন হ’ল সম্যগ্‌দৰ্শন, সম্যগ্‌জ্ঞান, সম্যক্‌চাৰিত্ৰ। দুইৰ বাবে নয় শব্দটো ব্যৱহাৰ কৰা হৈছে। জৈনসকলৰ বাবে নয় (উপদেশ, নীতি) দুবিধ, দ্ৰব্যাৰ্থিকনয়, পৰ্যায়াৰ্থিকনয়। জৈনসকলৰ মতে আত্মাৰ চাৰিধৱণৰ কায়িক ৰূপ আছে ('souls may have four kinds of embodiment'), — দেৱ, তিৰ্য্যক্, মনুষ্য, নৰক। সেয়ে গতি শব্দই চাৰি বুজায়। জৈনসকলৰ মতে চাৰিটা বস্তুৰ সৈতে সাধাৱণতে মানুহ জড়িত। সেইকেইটা হ’ল ক্ৰোধ, মান, মায়া আৰু লোভ। সেয়ে কষায় শব্দই চাৰি বুজায়। জৈনসকলে চাৰিধৱণৰ বন্ধনৰ ওপৰত বিশ্বাস কৰে। সেয়া হ’ল প্ৰকৃতি, স্থিতি, অনুভাৱ আৰু প্ৰদেশ। সেয়া বন্ধ, শব্দই চাৰি বুজায়। জৈনসকলৰ বাবে কৰণীয় পাঁচটা,— অহিংসা, সুনৃত, অস্তেয়, ব্ৰহ্মচৰ্য্য, অপৰিগ্ৰহ। সেয়ে কৰণীয় শব্দই পাঁচ বুজায়। মহাবীৰে ছয়ৰ বাবে দ্ৰব্য শব্দটো ব্যৱহাৰ কৰিছে। জৈনশাস্ত্ৰ অনুসাৰে মৌলিক বস্তু হ’ল ছয়বিধ— জীৱ, দৰ্ম, অধৰ্ম, পদুল, কাল আৰু আকাশ। জৈনসকলে সাতটা প্ৰধান নীতিত বিশ্বাস কৰে— জীৱ, অজীৱ, আস্ৰৱ, বন্ধ, সংৱৰ, নিৰ্জৰ, মোক্ষ। সেয়ে তত্ত্ব শব্দই সাত বুজায়। সাতৰ বাবে মহাবীৰে ভয়, পন্নগ শব্দ দুটাও ব্যৱহাৰ কৰিছে। জৈনসকলৰ মতে কৰ্ম আঠবিধ— জ্ঞানাৱৰণীয়, দৰ্শনাৱৰণীয়, মোহনীয়, অন্তৰায়, ৱেদনীয়, নামিক, গোত্ৰিক, আয়ষ্ক। সেয়ে কৰ্মন্ শব্দই আঠ বুজায়। মহাবীৰে আঠৰ বাবে কৰ্মন্ ব্যৱহাৰ কৰিছে। পৃথিৱী, অপ, তেজস্, বায়ু, আকাশ, সূৰ্য্য, চন্দ্ৰ, যজমান—

এই আঠটা পদাৰ্থৰ সহায়ত শিৰক তৈয়াৰ কৰা হৈছে। সেয়ে তনু শব্দই আঠ বুজায়। সেয়ে সেইদৰে দূৰিত শব্দই আঠ বুজায়। জৈনসকলে পদাৰ্থৰ নটা শ্ৰেণীবিভাগ কৰিছে। সেয়ে পদাৰ্থ শব্দই ন বুজায়। জৈনসকলৰ চৌব্বিশজন তীৰ্থংকৰ বা জিন (মুনি) আছে। সেয়ে জিন শব্দই চৌব্বিশ বুজায়।

মহাবীৰাচাৰ্য্যই দশমিক স্থানীয় মান পদ্ধতি ব্যৱহাৰ কৰিছে। 'স্থাননামানি'ত তেওঁ একৰপৰা মহাক্ষোভলৈ সংখ্যাবোৰৰ নামকৰণ কৰিছে, প্ৰথম স্থানত এক (একং তু প্ৰথমস্থানম্), দ্বিতীয় স্থানত দশ, তৃতীয় স্থানত শত, চতুৰ্থ স্থানত সহস্ৰ, পঞ্চম স্থান দশসহস্ৰ, ষষ্ঠস্থানত লক্ষ, সপ্তম স্থান দশলক্ষ, অষ্টম স্থান কোটি, নৱম স্থানত দশকোটি, দশম স্থানত শতকোটি, একাদশ স্থানত অৰ্বুদ (অৰ্বুদং ৰুদ্ৰসংস্কক্তম্ - ৰুদ্ৰ শব্দই এঘাৰ বুজায়। শিৱৰ লগত এঘাৰজন উপদেৱতা আছে,— অজৈকপাদ অহিৰ্ব্ৰধ্ন, অপৰাজিত, জয়ন্ত, বহুৰূপ, বিৰূপাক্ষ, ত্ৰ্যম্বক, সৰিত্ৰ, সুৰেশ্বৰ, হৰ, শিৰ।), দ্বাদশ স্থানত ন্যৰ্বুদ, ত্ৰয়োদশ স্থানত খৰ্ব, চতুৰ্দশ স্থানত মহাখৰ্ব, পঞ্চদশ স্থানত পদ্ম, ষোড়শ স্থানত মহাপদ্ম, সপ্তদশ স্থানত ক্ষোণী, অষ্টাদশ স্থানত মহাক্ষোণী, ঊনবিংশতিতম স্থানত শঙ্খ, বিংশতিতম স্থানত মহাশঙ্খ, একবিংশতিতম স্থানত ক্ষিত্য, দ্বাবিংশতিতম স্থানত মহাক্ষিত্য, ত্ৰয়োবিংশতিতম স্থানত ক্ষোভ, মহাক্ষিত্য, ত্ৰয়োবিংশতিতম স্থানত ক্ষোভ, চতুৰ্বিংশিতিতম স্থানত মহাক্ষোভ অৰ্থাৎ এক মহাভোক্ষ =১০^{২৩}।

মহাবীৰাচাৰ্য্যই যোগ, বিয়োগৰ বিষয়ে আলোচনা কৰা নাই। প্ৰত্যুৎপন্ন অৰ্থাৎ পূ�ৰণেৰে আৰম্ভ কৰিছে। তেওঁ কিছুমান আকৰ্ষণীয় পূ�ৰণফল উলিয়াইছে,—

(১) ১৩৯ × ১৩৯ = ১৫১৫১

(২) ২৭৯৯৪৬৮১ × ৪৪১ = ১২৩৪৫৬৫৪৩২১

(৩) ১২৩৪৫৬৭৯ × ৯ = ১১১ ১১১ ১১১

(৪) ৩৩৩৩৩৩৬৬৬৬৬৭ × ৩৩ = ১১০০০০১১০০০০১১

(৫) ১৪২৮৭১৪৩ × ৭ = ১০০০১০০০১

(৬) ১৪২৮৫৭১৪৩ × ৭ = ১০০০০০০০০১

(৭) ১৫২২০৭ × ৭৩ = ১১ ১১১ ১১১

(৮) ১১০১১০১১ × ৯১ = ১০০২০০২০০১

মন কৰিবলগীয়া যে এই পূৰণফল কেইটাৰ প্ৰত্যেকেই একোটা পেলিনড্ৰ'ম (palindrome)। (পেলিনড্ৰ'ম সংখ্যা হ'ব পাৰে, শব্দ হ'ব পাৰে, বাক্য হ'ব পাৰে— আৰম্ভণিৰপৰা পঢ়িলে যিটো হয়, শেষৰ পৰা পঢ়িলেও সেইটোৱেই হয়। যেনে ১৫১৫১, আৰম্ভণিৰ পৰা পঢ়িলে যি, শেষৰ পৰা পঢ়িলেও একেই। তেনেদৰে নয়ন শব্দটো, MADAM শব্দটো)। মহাবীৰাচাৰ্য্যই এই পূৰণফলবোৰক কণ্ঠিকা (হাৰ) আখ্যা দিছিল। তৃতীয় পূৰণফলটোক নৱপালকণ্ঠিকা, চতুৰ্থ পূৰণফলটোক কণ্ঠিকা, পঞ্চম পূৰণফলটোক ৰত্নকণ্ঠিকা, ষষ্ঠ পূৰণফলটোক ৰাজকণ্ঠিকা, সপ্তম পূৰণফলটোক কণ্ঠিকা, অষ্টম পূৰণফলটোক ৰাজকোঁৱৰে পিন্ধিবলগীয়া কণ্ঠিকা (কণ্ঠিকা ৰাজপুত্ৰস্য য়োগ্যা) বুলি অভিহিত কৰিছিল।

মহাবীৰাচাৰ্য্যই পাটীগণিতৰ উপৰিও বীজগণিত, জ্যামিতিৰ বিষয়ে চৰ্চা কৰিছিল। তেওং উত্থাপন কৰা দ্বিঘাত সমীকৰণৰ এটা সমস্যা এনেধৰণৰ—

এজাক সাৰস চৰাইৰ এক-চতুৰ্থাংশ পদুম পুখুৰীত খেলি আছিল। এক-নৱমাংশৰ সৈতে এক-চতুৰ্থাংশ, লগতে মুঠ চৰাইৰ সংখ্যাৰ বৰ্গমূলৰ সাতগুণ পাহাৰৰ পিনে গ'ল। বাকী ছাপন্নটা চৰাই বকুল গছত থাকিল। মুঠ চৰাইৰ সংখ্যা কিমান?

(ধৰা হ'ল মুঠ চৰাইৰ সংখ্যা x

প্ৰশ্নমতে, $x = \frac{x}{4} + \frac{x}{9} + \frac{x}{4} + 7\sqrt{x} + 56$

সমাধান কৰিলে আমি পাম x = 576

গতিকে মুঠ চৰাইৰ সংখ্যা পাঁচশ ছয়সত্তৰ)

এনেধৰণৰ চিত্তাকর্ষক উদাহৰণ আৰু বহুতো আছে।

ভগ্নাংশৰ ক্ষেত্ৰত মহাবীৰাচার্য্যৰ বৰঙণি উল্লেখনীয়। এটা ভগ্নাংশক তেওঁ একক ভগ্নাংশৰ যোগফল হিচাপে প্ৰকাশ কৰাৰ পদ্ধতি উলিয়াইছিল। (যিবিলাক ভগ্নাংশৰ লৰ এক, তেনেবোৰ ভগ্নাংশক একক ভগ্নাংশ বোলে।) তদুপৰি সমান্তৰ শ্ৰেণী, গুণোত্তৰ শ্ৰেণীৰ বিষয়ে বিস্তাৰিত আলোচনা কৰিছিল। গণিত-সাৰ-সংগ্ৰহৰ পৰা এটা উদাহৰণ দিয়া হ'ল।

এজন মানুহে এখন চহৰত দুটা স্বৰ্ণমুদ্ৰা পালে। তেওঁ এখনৰ পাছত আনখন চহৰলৈ গৈছে আৰু প্ৰতিখন চহৰতে আগৰখন চহৰত পোৱা মুদ্ৰাৰ তিনিগুণ পাইছে। অষ্টমখন চহৰত তেওঁ কিমান স্বৰ্ণমুদ্ৰা পালে?

এইটো গুণোত্তৰ শ্ৰেণীৰ অংক। প্ৰথম পদ আৰু সাধাৰণ অনুপাত দিয়া আছে। অষ্টম পদটো নির্ণয় কৰিব লাগে। a = 2, r = 3.

গতিকে, অষ্টম পদ = $2 \times 3^7 = 4374$ অর্থাৎ অষ্টমখন চহৰত তেওঁ চাৰি হাজাৰ তিনিশ চৌসত্তৰটা স্বৰ্ণমুদ্ৰা পালে। বিন্যাস আৰু দল সম্বন্ধেও তেওঁ পুংখানুপুংখৰূপে আলোচনা কৰিছিল।

জ্যামিতি সম্বন্ধেও মহাবীৰাচার্য্যই আলোচনা কৰিছিল। অৱশ্যে পূর্বসূৰীসকলৰ কামেই আলোচনা কৰিছে।

প্ৰাচীন গ্ৰিক জ্যামিতিবিদ্‌সকলে শংকুচ্ছেদ (conic section) ৰ বিষয়ে আলোচনা কৰিছিল। ভাৰতীয় গণিতজ্ঞসকলে সেই বিষয়ে আলোচনা কৰা নাছিল। মহাবীৰে উপবৃত্ত (ellipse)ৰ বিষয়ে আলোচনা কৰিছিল। উপবৃত্তক তেওঁ আয়তবৃত্ত বুলি কৈছে। আয়তবৃত্তৰ পৰিধি আৰু কালি নির্ণয়ৰ সূত্ৰ তেওঁ উলিয়াইছিল। পিছে সেই সূত্ৰ দুটা শুদ্ধ নহয়।

২.৯ ভাস্কৰাচার্য্য

দ্বাদশ শতিকাৰ ভাস্কৰাচার্য্য ভাৰতৰ গণিতৰ ইতিহাসৰ এক উজ্জ্বল ভাস্কৰ। এওঁক দ্বিতীয় ভাস্কৰ বুলিও কোৱা হয়। গণিতৰ কেবাটও শাখাত তেওঁ বৈপ্লৱিক কাম কৰিছে আৰু প্ৰত্যেক ক্ষেত্ৰতেই তেওঁৰ কৃতিত্বৰ স্বাক্ষৰ জিলিকি আছে।

গণিতজ্ঞ কার্ল ৱেৰষ্ট্ৰাছ (Karl Theodor Wilhelun Weierstrass, ১৮-১৫-১৮৯৭ খ্ৰিষ্টাব্দ) এ কৈছে যে যিজন গণিতজ্ঞৰ কবিসুলভ মন নাই, তেওঁ কেতিয়াও পূর্ণ গণিতজ্ঞ হ'ব নোৱাৰে (It is true that a mathematician who is not somewhat of a poet, will never be a perfect mathematician)। ভাস্কৰাচার্য্য আছিল গাণিতিক আৰু কাব্যিক প্ৰতিভাৰ অপূর্ব সংমিশ্ৰণ। তেওঁৰ অংকবোৰৰ ভাষা কবিতাৰ দৰে কোমল, মন-প্ৰাণ হৰি নিয়ে।

দক্ষিণ ভাৰতৰ বিজ্জৰবিৰত (আজিকালিৰ বিজাপুৰত) ভাস্কৰাচার্য্যৰ জন্ম হয় ১১১৪ খ্ৰীষ্টাব্দত। তেওঁৰ পিতৃ আছিল শাণ্ডিল্যগোত্ৰসম্ভূত মহেশ্বৰ। তেওঁ আছিল এজন প্ৰসিদ্ধ পণ্ডিত আৰু জ্যোতির্বিদ। পিতৃৰ ওচৰত তেওঁ প্ৰথমে শিক্ষা লাভ কৰে আৰু পাছত উজ্জয়িনীতো শিক্ষা গ্ৰহণ কৰে।

সিদ্ধান্তশিৰোমণি ভাস্কৰাচার্য্যৰ জীৱনৰ আলোক-স্তম্ভ। ই চাৰিটা খণ্ডত বিভক্ত— লীলাৱতী, বীজগণিত, গোলাধ্যায়, গ্ৰহগণিত। লীলাৱতীত মুখ্যতঃ পাটীগণিতৰ বিষয়ে আলোচনা কৰা হৈছে। ভাস্কৰাচার্য্যৰ মতে গণিত দুই প্ৰকাৰৰ,— ব্যক্ত আৰু অব্যক্ত। পাটীগণিত হ'ল ব্যক্তগণিত, আৰু বীজগণিত হ'ল অব্যক্তগণিত। ব্যক্তগণিতৰ বীজ হ'ল অব্যক্তগণিত।

ভাস্কৰাচার্য্যৰ আন এখন পুথি হ'ল বাসনাভাষ্য। ই সিদ্ধান্তশিৰোমণিৰ ভাষ্যস্বৰূপ। কৰণকুতূহলত গ্ৰহগতি সম্বন্ধীয় কথা সন্নিৱিষ্ট কৰা হৈছে। সর্ৱতোভদ্রযন্ত্র নামে কাল-পৰিমাণ বিষয়ক আন এখন গ্রন্থ তেওঁ ৰচনা কৰে।

ভাস্কৰাচার্য্যই দশমিক স্থানীয় মান পদ্ধতি ব্যৱহাৰ কৰাৰ উপৰিও শব্দ-সংখ্যাক (word-numerals) ৰ ব্যৱহাৰ কৰিছিল। এই পদ্ধতিত বস্তু, প্রাণীৰ নাম বা ধাৰণা বিশেষৰ দ্বাৰা অংক (বা সংখ্যা) বুজোৱা হয়। দশমিক স্থানীয় মান পদ্ধতিৰ লগত সংগতি ৰাখি পোনতে এককৰ স্থান, পাছত দহকৰ স্থান, পাছত শতকৰ স্থান, ... লিখা হয় (অঙ্কানাং ৰামতো গতিঃ)। সিদ্ধান্তশিৰোমণিত ভাস্কৰাচার্য্যই আত্মপৰিচয় এনেদৰে দিছে, 'ৰসগুণপূর্ণমহীসমশকনৃপসময়ে অভৱন্মমোৎপত্তিঃ/ৰসগুণৱর্ষেণ সিদ্ধান্তশিৰোমণি ৰচিতঃ। ৰসগুণপূর্ণমহীৰ অর্থ ১০৩৬ (ৰসৰ বাবে ৬, গুণ (সত্ত্ব, ৰজম্, তমস্)ৰ বাবে ৩, পূর্ণৰ বাবে ০, আৰু মহীৰ বাবে ১)। গতিকে শ্লোকটোৰ অর্থ হ'ল— ১০৩৬ শকাব্দত মোৰ জন্ম আৰু ৩৬ বছৰ বয়সত মই **সিদ্ধান্তশিৰোমণি** ৰচনা কৰোঁ। **লীলাৱতীত** শব্দ সংখ্যাকৰ বহুল প্রয়োগ দৃষ্টিগোচৰ হয়। '৪০ সেৰে ১ মোন হয়' কথাখিনি এনেদৰে কোৱা হৈছে— মণাভিধানং খয়ুগৈশ্চ সেৱৈঃ। খযুগৰ অর্থ ৪০ (খ আকাশ)ৰ বাবে ০, যুগ (কৃত বা সত্য, ত্রেতা, দ্বাপৰ, কলি)ৰ বাবে ৪)। আন এটা উদাহৰণ— ক্ষেত্রস্য য়স্য ৱদনম মদনাৱিতুল্যং ...। মদনাৰি শব্দৰ দ্বাৰা এঘাৰ বুজোৱা হৈছে। কামদেৱতা মদনক 'চিত্তচাঞ্চল্য ঘটনাৰ অপৰাধ'ত দেৱাদিদেৱে ভস্মীভূত কৰিছিল। সেয়ে মদনাৰি শব্দই শিৱক বুজায়। শিৱই এঘাৰ বুজায়। সেয়ে মদনাৰি শব্দয়ো এঘাৰ বুজায়। আন কিছুমান শব্দ হ'ল, ৱেদাগ্নিবাণখাশ্ব (৭০৫৩৪, বেদৰ বাবে ৪, অগ্নিৰ বাবে ৩), খখাভ্রাভ্রৱস (৬০০০০), বাণেযুনখবাণ (৫২০৫৫), কুৰামদশৱেদ (৪১০৩১) ইত্যাদি। অগ্নিয়ে তিনি বুজায়— গাইপত্য, আহৱনীয়, দক্ষিণ। বাণ, শৰ, ইষু আদি শব্দই পাঁচ বুজায়। ৰাম শব্দই তিনি বুজায়— পৰশুৰাম, হলিৰাম, শ্রীৰাম। অভ্র (আকাশ)ৰ বাবে ০, অশ্বৰ বাবে ৭, কুৰ বাবে ১, নখৰ বাবে ২০। সূর্য্যৰ ৰথখন সাতোটা ঘোঁৰাই টানি নিয়ে বুলি কোৱা কয়। সেয়ে ঘোঁৰা বুজোৱা শব্দই সাত বুজায়। কু শব্দৰ অন্যতম অর্থ পৃথিৱী। সেয়ে কু শব্দই এক বুজায়।

আমি জানো যে এটা বৃত্তৰ ব্যাসক π ৰে পূৰণ কৰিলে পৰিধি পোৱা যায়। অপৰিমেয় সংখ্যা π ৰ দুটা মোটামুটি মান হ'ল $\frac{3927}{1250}$, $\frac{22}{7}$। প্রাচীন ভাৰতৰ গণিতজ্ঞসকলৰ এই বিষয়ে ধাৰণা আছিল। ভাস্কৰাচার্য্যই লীলাৱতীত কৈছে যে যেতিয়া কোনো বৃত্তৰ ব্যাসক তিনি হাজাৰ নশ সাতাইশেৰে পূৰণ কৰি বাৰশ পঞ্চাশেৰে হৰণ কৰা হয়, ভাগফল হয় সূক্ষ্ম পৰিধি, (ব্যাসক) বাইশেৰে পূৰণ কৰি সাতেৰে হৰণ কৰিলে স্থূল পৰিধি পোৱা যায়। ইয়াত ৩৯২৭ক ভনন্দাগ্নিৰে বুজোৱা হৈছে। ভ নক্ষত্রবাচক শব্দ। সেয়ে ভই ২৭ বুজায়। তাহানি পাটলিপুত্রত চন্দ্রগুপ্তৰ মন্ত্রী চাণক্যৰ মন্ত্রণাত নজন নন্দ ৰাজকোঁৱৰ নিহত হয়। সেয়ে নন্দশব্দই ন বুজায়। অগ্নিয়ে তিনি বুজায়। সেয়ে ভনন্দাগ্নিৰ অর্থ হ'ল ৩৯২৭। সেইদৰে ১২৫০ক খবাণসূর্য্যৰে বুজোৱা হৈছে (খ = ০, বাণ = ৫, সূর্য্য =১২)। সাতক শৈলৰ দ্বাৰা বুজোৱা হৈছে। পুৰাণত মহেন্দ্র, মলয়, সহ্য, শক্তিমান, ঋক্ষ, বিন্ধ্য, পাৰিপাত্র নামে সাতখন পর্বত আছে। সেয়ে পর্বত, শৈল শব্দই সাত বুজায়।

গণিতত ভাস্কৰাচার্য্যৰ অসাধাৰণ ব্যুৎপত্তি আছিল। ভাৰতীয় গণিতজ্ঞসকলে অনির্ণেয় একঘাত আৰু দ্বিঘাত সমীকৰণ সম্পর্কে বিস্তাৰিতভাৱে আলোচনা কৰিছে। ব্রহ্মগুপ্তই তেওঁৰ **ব্রাহ্মস্ফুটসিদ্ধান্তত** N অক ধনাত্মক অখণ্ড সংখ্যা হিচাপে ধৰি লৈ $Nx^2+1=y^2$ সমীকৰণৰ বিষয়ে আলোচনা কৰিছে। অনির্ণেয় সমীকৰণৰ সমাধানৰ ক্ষেত্রত ভাস্কৰাচার্য্যয়ো কৃতিত্ব দেখুৱাইছিল। তেওঁৰ পদ্ধতিটো চক্রৱাল পদ্ধতি বুলি পৰিচিত। পূর্বসূৰী ব্রহ্মগুপ্ত আৰু শ্রীপতিৰ সমাধান প্রণালী আৰু ভাস্কৰাচার্য্যৰ স্বকীয় বৈশিষ্ট্য— এই তিনিটাৰ সমন্বয়ত এই সমাধান পদ্ধতিৰ উদ্ভৱ। জার্মান গণিতজ্ঞ হাৰমান হেংকেল (Herman Hankel, ১৮৩৯-১৮৭৩ খ্রিষ্টাব্দ)এ এই পদ্ধতি সম্পর্কে কৈছে,— ই প্রশংসাৰ অতীত। নিঃসন্দেহে লাগ্রাঞ্জৰ আগেয়ে সংখ্যা-তত্ত্বত কৰা ই সবাতোকৈ মোহনীয় কাম (It

is beyond all praise, it is certainly the finest thing achieved in the theory of numbers before lagrange)। অনিৰ্ণেয় সমীকৰণৰ সমাধান নিৰ্ণয়ত প্ৰাচীন ভাৰতীয় গণিতজ্ঞসকলে দেখুওৱা পাৱদৰ্শিতাক গণিতৰ ইতিহাসবিদসকলে মুক্তকণ্ঠে প্ৰশংসা কৰিছে।

মহা-কৰ্ষণ-তত্ত্ব ছাৰ আইজাক নিউটন (১৬৪২-১৭২৭ খ্ৰিষ্টাব্দ)ৰ বিশ্ববন্দিত কীৰ্তি। কিন্তু তাৰ কেবাশ বছৰ আগেয়ে ভাস্কৰাচাৰ্য্যয়ো সেই বিষয়ে চিন্তা কৰিছিল বুলি **সিদ্ধান্তশিৰোমণিৰ** পৰা গম পোৱা যায়। গ্ৰহৰ তাৎকালিক গতি (instantaneous motion) নিৰ্ণয়ত ভাস্কৰাচাৰ্য্যই অৱকলন গণিত (differential calculus)ৰ মূল তত্ত্ব প্ৰয়োগ কৰে। সমকোণী ত্ৰিভুজ আৰু সুষম বহুভুজৰ সহায়ত তেওঁ πৰ মান $\frac{3927}{1250}$ আৰু $\frac{754}{240}$ অৰ্থাৎ ৩.১৪১৬৬৬ নিৰ্ণয় কৰে। এই ক্ষেত্ৰত তেওঁ ৩৮৪ টা বাহুৰ এটা সুষম বহুভুজ ব্যৱহাৰ কৰে। এইদৰে অতি সৰু সৰু ভাগত বিভাজন কৰাৰ পদ্ধতি অৱলম্বন কৰি তেওঁ গোলকৰ পৃষ্ঠ কালি আৰু আয়তন নিৰ্ণয় কৰে। তেওঁৰ এই পদ্ধতি অনুকলন গণিত (integral calculus)ৰ লেখীয়া। কলন গণিত (Calculus) আৱিষ্কাৰৰ কৃতিত্ব নিউটন আৰু গট্‌ফ্ৰিড্ উইলহেল্ম লাইবনিৎজ (১৬৪৬-১৭১৬ খ্ৰিষ্টাব্দ)ক দিয়া হয়, কিন্তু কলন গণিত সম্বন্ধে ভাস্কৰৰ ধাৰণ আছিল। ছি এন শ্ৰীনিবাস আয়েংগাৰে গভীৰ আক্ষেপেৰে কৈছে যে অৱকলন গণিত চৰ্চাৰ দুৱাৰ ভাস্কৰে মুকলি কৰিলে যদিও পৰৱৰ্তী কালত ভাৰতবৰ্ষত ইয়াৰ চৰ্চা মুঠেও নহ'ল। ত্ৰিকোণমিতি চৰ্চাতো ভাস্কৰে পাৱদৰ্শিতা দেখুৱাইছিল। জ্যা, কোজ্যা, উৎক্ৰমজ্যাৰ মাজৰ সম্পৰ্কবোৰ প্ৰতিপন্ন কৰিছিল।

ভাস্কৰাচাৰ্য্য আছিল অতি বিনয়ী। তেওঁ তেওঁৰ গ্ৰন্থত যেতিয়াই তেওঁৰ পূৰ্বসূৰীসকলৰ কথা উল্লেখ কৰিছে, তেতিয়াই তেওঁলোকৰ প্ৰশংসাত গদ্‌গদ্ হৈ পৰিছে। তেওঁলোকৰ কাম মুক্ত কণ্ঠে স্বীকাৰ কৰিছে আৰু প্ৰকৃত বিদ্বানৰ দৰে কৃতজ্ঞতা জনাইছে। 'তোমাৰ কীৰ্ত্তিৰ চেয়ে তুমি যে মহৎ' (ৰবীন্দ্ৰনাথ ঠাকুৰ)।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ মহাবীৰাচাৰ্য্যই ৰচনা কৰা সুবিখ্যাত গ্ৰন্থখনৰ নাম কি? পুথিখন কোন ভাষাত ৰচিত? ছন্দত লিখা নে গদ্যত লিখিছিল? কাক প্ৰণাম জনাই পুথিখন আৰম্ভ কৰা হৈছে?

.....

.....

প্ৰশ্ন নং ৫ ঃ মহাবীৰাচাৰ্য্যই তলৰ শব্দবোৰৰ দ্বাৰা কোনবোৰ সংখ্যাক বুজাইছে?
ৰত্ন, নয়, গতি, কষায়, বন্ধ, কৰণীয়, দ্ৰব্য, তত্ত্ব, তনু, জিন।

.....

.....

প্ৰশ্ন নং ৬ ঃ সিদ্ধান্তশিৰোমণি গ্ৰন্থখন কেইটাখণ্ডত বিভক্ত? পাটীগণিত খণ্ডটোৰ নাম কি?

.....

.....

প্ৰশ্ন নং ৭ ঃ সিদ্ধান্তশিৰোমণি গ্ৰন্থত সন্নিৱিষ্ট ভাস্কৰাচাৰ্য্যৰ আত্মপৰিচয়মূলক শ্লোকটো অৰ্থসহ লিখক।

.....

.....

প্ৰশ্ন নং ৮ ঃ তলৰ ক-অংশৰ প্ৰতিটো খ-অংশৰ শুদ্ধ উত্তৰৰ লগত মিলাওক।

ক-অংশ	**খ-অংশ**
(১) বৰাহমিহিল	(অ) আৰ্য্যভটীয়
(২) ব্ৰহ্মগুপ্ত	(আ) গণিত-সাৰ-সংগ্ৰহ
(৩) মহাবীৰাচাৰ্য্য	(ই) বাসনাভাষ্য
(৪) ভাস্কৰাচাৰ্য্য	(ঈ) পঞ্চ-সিদ্ধান্তিকা
	(উ) খণ্ডখাদ্যক

২.১০ অন্যান্য গণিতজ্ঞ আৰু টীকাকাৰসকল

প্ৰাচীন যুগত ভাৰতবৰ্ষত আৰু বহুতো গণিতজ্ঞ আৰু টীকাকাৰৰ আৱিৰ্ভাৰ হৈছিল। তাৰে কেইজনমানৰ চমু পৰিচয় তলত দিয়া হ'ল।

আচাৰ্য্য শ্ৰীধৰ

শ্ৰীধৰাচাৰ্য্যৰ সঠিক জীৱন-কাল জনা নাযায়। গণিতৰ ইতিহাসবিদ্‌সকলে তেওঁক ৭৫০ চনৰ পৰা ৯১০ চনৰ ভিতৰৰ গণিতজ্ঞ বুলি মত প্ৰকাশ কৰিছে। **পাটীগণিতসাৰ** আচাৰ্য্য শ্ৰীধৰৰ ৰচনা। ই তিনিশ শ্লোকৰ সমষ্টি। সেইবাবে ইয়াক **ত্ৰিশতিকা** বুলিও কোৱা হয়। ইয়াত তেওঁ পূৰণ, হৰণ, বৰ্গ, ঘন, বৰ্গমূল, ঘনমূল, ভগ্নাংশ, ত্ৰৈৰাশিক আৰু সামতলিক চিত্ৰৰ কালিৰ বিষয়ে আলোচনা কৰিছে। তেওঁৰ এক উল্লেখযোগ্য কৃতি হ'ল $ax^2+bx = c$, $a \neq 0$ আকাৰৰ দ্বিঘাত সমীকৰণৰ মূল নিৰ্ণয়। আচাৰ্য্য শ্ৰীধৰে কৈছে— অব্যক্তৰ অৰ্থাৎ অজ্ঞাত ৰাশিৰ বৰ্গৰ সহগৰ চাৰিগুণৰ দ্বাৰা দুয়োপক্ষক পূৰণ কৰা উচিত। তাৰ পাছত উভয়পক্ষত অজ্ঞাত ৰাশিৰ সহগৰ বৰ্গ যোগ কৰিব লাগে আৰু পৰৱৰ্তী পৰ্যায়ত দুয়োপক্ষৰ বৰ্গমূল নিৰ্ণয় কৰিব লাগে। এই পদ্ধতিটো এতিয়াও মাধ্যমিক বিদ্যালয়ত শিকোৱা হয়।

নাৰায়ণ পণ্ডিত

নাৰায়ণ দৈৱজ্ঞক নাৰায়ণ পণ্ডিত বুলি কোৱা হয়। এওঁৰ পিতৃৰ নাম নৃসিংহ দৈৱজ্ঞ। নাৰায়ণ পণ্ডিতৰ উল্লেখযোগ্য কৃতি হ'ল **গণিতকৌমুদী** আৰু **বীজগণিতাৱতংস**। প্ৰথমখনত পাটীগণিতৰ বিষয়ে আৰু দ্বিতীয়খনত বীজগণিতৰ বিষয়ে আলোচনা কৰা হৈছে। **গণিতকৌমুদীত** লেখকে কৈছে যে তেওঁ পুথিখন গজনাগৰৱিমিতে শকত অৰ্থাৎ ১২৭৮ শকত অৰ্থাৎ ১৩৫৬ খ্ৰিষ্টাব্দত ৰচনা কৰিছে (গজ = ৮, নাগ = ৭, ৰৱি = ১২)। ইয়াৰ পৰা অনুমান কৰিব পাৰি যে নাৰায়ণ পণ্ডিত খ্ৰিষ্টীয় চতুৰ্দশ শতিকাৰ লোক।

গণিতকৌমুদীত আঠটা মৌলিক প্ৰক্ৰিয়া, শ্ৰেণীসম্বন্ধীয় অংক আৰু ত্ৰিভুজাকৃতিৰ সংখ্যাৰ যোগফলৰ সূত্ৰ উত্থাপন কৰা হৈছে। নাৰায়ণ পণ্ডিতৰ ত্ৰিভুজাকৃতিৰ সংখ্যাৰ যোগফল উলিওৱা পদ্ধতিটোক ৰাৰসংকলিত বুলি কোৱা হয়। তেওঁৰ বীজগণিতৰ কিতাপখনত অন্যান্য বিষয়ৰ উপৰিও অবৰ্গ সংখ্যাৰ বৰ্গমূলৰ আসন্ন মান উলিওৱা পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছে।

জানি থোৱা ভাল

n এটা স্বাভাৱিক সংখ্যা হ'লে $\frac{n(n+1)}{2}$ আকাৰৰ সংখ্যাবোৰক ত্ৰিভুজাকৃতিৰ সংখ্যা (triangular number) বুলি কোৱা হয়। ১, ৩, ৬, ১০, ১৫, ২১, . . . আদি ত্ৰিভুজাকৃতিৰ সংখ্যা।

মাধৱ

মাধৱ কেৰালাৰ এজন বিশ্ৰুত গণিতজ্ঞ। ৰেম্বাৰোহ গ্ৰন্থৰ বাবে তেওঁৰ প্ৰসিদ্ধি। গোলকীয় জ্যোতিৰ্বিজ্ঞান আৰু গণিতত তেওঁ এজন সৰ্বজনস্বীকৃত পণ্ডিত। উত্তৰ কালৰ গণিতবেত্তাসকলে তেওঁক গোলতত্ত্ববিদ্ বুলি অভিহিত কৰিছে,— তচ্চ সংগমগ্ৰামজেন গোলতত্ত্ৱৱিদমাধৱেন প্ৰদৰ্শিতম্ (নীলকণ্ঠৰ আৰ্য্যভটীয়ভাষ্য)। সংগমগ্ৰামত তেওঁৰ জন্ম। মাধৱে ৰেম্বাৰোহত কৈছে যে তেওঁৰ পৰিয়ালৰ উপাধি বকুলৱিহাৰম্।

পণ্ডিতসকলে ৰেম্বাৰোহৰ ৰচনাকাল আনুমানিক ১৪০০ খ্ৰিষ্টাব্দ বুলি থিৰ কৰিছে। মাধৱৰ অন্যতম ছাত্ৰ আছিল পৰমেশ্বৰ। তেওঁ দৃগ্‌গণিত বুলি এখন কিতাপ লিখে। এই কিতাপখন ১৪৩১ খ্ৰিষ্টাব্দত ৰচিত হয়। পণ্ডিতসকলে মত প্ৰকাশ কৰিছে যে যিহেতু মাধৱ, পৰমেশ্বৰৰ গুৰু আছিল, গতিকে নিশ্চয় মাধৱৰ প্ৰতিভা চতুৰ্দশ শতিকাৰ শেহৰ পিনে বিকশিত হৈছিল।

ৰেম্বাৰোহত চন্দৰ সঠিক অৱস্থান নিৰ্ণয়ৰ শুদ্ধ পদ্ধতিৰ বিষয়ে আলোচনা কৰা হৈছে। ত্ৰিকোণমিতি আৰু অসীম শ্ৰেণীৰ বিষয়ে মাধৱে উল্লেখনীয় কাম কৰিছে। পাই (π) ৰ শুদ্ধ মান নিৰ্ণয়ো মাধৱে কৰিছিল। উত্তৰ কালৰ গণিতজ্ঞসকলে মাধৱৰ উপপাদ্যবোৰ ব্যৱহাৰ কৰিছিল।

নাৰায়ণ পণ্ডিত আৰু মাধৱ পু�ৰাতন কালৰ ভিতৰত নকৰে যদিও তেওঁলোকৰ উল্লেখনীয় গাণিতিক অৱদানৰ বাবে থোৱতে কোৱা হ'ল।

পুৰাতনকালৰ ভিতৰৰ আন কেইজনমান গণিতজ্ঞৰ কৃতিৰ বিষয়ে চুম্বককৈ উল্লেখ কৰা হ'ল।

আনুমানিক ৬০০ খ্ৰিষ্টাব্দৰ (প্ৰথম) ভাস্কৰৰ উল্লেখযোগ্য কিতাপকেইখন হ'ল— মহাভাস্কৰীয়, আৰ্য্যভটীয়ভাষ্য, লঘুভাস্কৰীয়। আৰ্য্যভটৰ আৰ্য্যভটীয়ৰ টীকা হ'ল আৰ্য্যভটীয়ভাষ্য।

অষ্টম শতিকাৰ লল্ল আন এজন গণিতজ্ঞ। তেওঁৰ শিষ্যধীবৃদ্ধিদ জ্যোতিৰ্বিজ্ঞান বিষয়ক এহাজাৰ শ্লোকৰ সংগ্ৰহ।

নৱম শতিকাৰ গোৱিন্দস্বামী এজন প্ৰথিতযশা টীকাকাৰ। তেওঁ মহাভাস্কৰীয়ৰ টীকা লিখে। তেওঁৰ আন এখন পুথি হ'ল গোৱিন্দাকৃতি।

নৱম শতিকাৰ স্কন্দসেন আন এজন গণিতজ্ঞ। নৱম শতিকাৰ আন এজন প্ৰসিদ্ধ টীকাকাৰ পৃথূদকস্বামীয়ে ব্ৰহ্মগুপ্তৰ ব্ৰাহ্মস্ফুটসিদ্ধান্তৰ টীকা লিখে। তাত তেওঁ স্কন্দসেনৰ কামৰ কথা উল্লেখ কৰিছে।

খ্ৰীষ্টীয় দশম শতিকাৰ আৰ্য্যভট (দ্বিতীয়) আন এজন প্ৰসিদ্ধ গণিতজ্ঞ। খ্ৰিষ্টীয় একাদশ শতিকাৰ শ্ৰীপতি এজন জৈন জ্যোতিৰ্বিজ্ঞানী তথা গণিতজ্ঞ। তেওঁৰ উল্লেখযোগ্য কৃতি হ'ল গণিততিলক, সিদ্ধান্তশেখৰ আৰু বীজগণিত।

এইদৰে দেখা যায় যে পুৰাতন যুগত ভাৰতবৰ্ষত অনেক কুশ্ৰাগ্ৰ বুদ্ধিৰ গণিতজ্ঞৰ জন্ম হৈছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৯ ঃ শ্ৰীধৰাচাৰ্য্যৰ গণিতবিষয়ক গ্ৰন্থখনৰ নাম কি?

.....

.....

প্ৰশ্ন নং ১০ ঃ প্ৰথম ভাস্কৰৰ গ্ৰন্থ তিনিখনৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ১১ ঃ শ্ৰীপতিৰ গ্ৰন্থ তিনিখনৰ নাম লিখক।

.....

.....

২.১১ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৪০০ খ্ৰিষ্টাব্দৰ পৰা ১২০০ খ্ৰিষ্টাব্দলৈ— এই কালছোৱাক ভাৰতীয় গণিতৰ প্ৰাচীন কাল বুলি কোৱা হয়। গণিতৰ ইতিহাসবেত্তাসকলে এই কালছোৱাক ভাৰতত গণিত চৰ্চাৰ স্বৰ্ণ-যুগ আখ্যা দিছে।
- প্ৰাচীনকালত ভাৰতভূমিত আৰ্ৱিৰ্ভাৱ হৈছিল কেবাজনো প্ৰতিভাধৰ গণিতজ্ঞৰ। এওঁলোকৰ ভিতৰত আৰ্য্যভট, বৰাহমিহিৰ, ব্ৰহ্মগুপ্ত, মহাবীৰাচাৰ্য্য আৰু ভাস্কৰাচাৰ্য্যৰ নাম সৰ্বাগ্ৰে মনলৈ আহে।
- প্ৰাচীনকালৰ কেইজমান তীক্ষ্ণধী গণিতজ্ঞৰ কৃতি অকল ভাৰততে সীমাৱদ্ধ নাছিল, বিদেশতো স্বীকৃত হৈছিল।
- প্ৰাচীনকালৰ আন কেইজমান গণিতজ্ঞ হ'ল শ্ৰীধৰাচাৰ্য্য, (প্ৰথম) ভাস্কৰ, লল্ল, গোৱিন্দস্বামীৰ, পৃথূদকস্বামী, (দ্বিতীয়) আৰ্য্যভট, শ্ৰীপতি।

২.১২ অধিক জানিবলৈ

১) A. K. Bag: *Mathematics in Ancient and Medieval India* (1979), Chaukhambha Orientalia, Varanasi, Delhi.

২) Kim Plofker : *Mathematics in India* (2012), Hindustan Book Agency.

৩) ড° দিলীপ শৰ্মা ঃ *লীলাৱতী* (অনূদিত) ২০০৫), অসম প্ৰকাশন পৰিষদ।

২.১৩ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ আৰ্য্যভটীয়ক আৰ্য্যভটৰ জীৱনৰ কীৰ্তিস্তম্ভ বুলি কোৱা হয়। তেইশ বছৰ বয়সত তেওঁ গ্ৰন্থখন ৰচনা কৰে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ বৰাহমিহিৰে জ্যোতিষশাস্ত্ৰক প্ৰধানকৈ তিনি ভাগত ভাগ কৰিছে। ভাগকেইটা হ'ল— তন্ত্ৰ, হোৰা, শাখা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্মপুত্ৰই ব্ৰাহ্মস্ফুটসিদ্ধান্ত ৫৫০ শকত ৰচনা কৰে।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মহাবীৰাচাৰ্য্যই ৰচনা কৰা সুবিখ্যাত গ্ৰন্থখন হ'ল গণিত-সাৰ-সংগ্ৰহ। গ্ৰন্থত সংস্কৃতত ছন্দত লিখা। জিনেন্দ্ৰ মহাবীৰক প্ৰণাম জনাই পুথিখন আৰম্ভ কৰা হৈছে।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ৰত্ন (৩), নয় (২), গতি (৪), কষায় (৪), বন্ধ (৪), কৰণীয় (৫), দ্ৰব্য (৬), তত্ত্ব (৭), তনু (৮), জিন (২৪)।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ সিদ্ধান্তশিৰোমণি গ্ৰন্থখন চাৰিটা খণ্ডত বিভক্ত। পাটীগণিত খণ্ডটোৰ নাম লীলাৱতী।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ উত্তৰটো অনুচ্ছেদ ৩.৭ ত দিয়া আছে।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ (১) — (ঈ)

(২) — (উ)

(৩) — (আ)

(৪) — (ই)

৯ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীধৰাচাৰ্য্যৰ গণিতবিষয়ক গ্ৰন্থখনৰ নাম পাটীগণিতসাৰ। তিনিশ শ্লোকৰ সমষ্টি বাবে ইয়াক ত্ৰিশতিকা বুলিও কোৱা হয়।

১০ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰথম ভাস্কৰৰ উল্লেখযোগ্য গ্ৰন্থ তিনিখন হ'ল মহাভাস্কৰীয়, আৰ্য্যভটীয়ভাষ্য, লঘুভাস্কৰীয়।

১১ নং প্ৰশ্নৰ উত্তৰ ঃ শ্ৰীপতিৰ গ্ৰন্থ তিনিখন হ'ল গণিততিলক, সিদ্ধান্তশেখৰ আৰু বীজগণিত।

? ২.১৪ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ বৰাহমিহিৰৰ গাণিতিক অৱদানৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন ২ ঃ পঞ্চসিদ্ধান্তিকা গ্ৰন্থখনৰ লেখক কোন? কিতাপখনৰ পৰা শব্দ-সংখ্যাকৰ কেইটামান উদাহৰণ দিয়ক।

প্ৰশ্ন ৩ ঃ ব্ৰাহ্মস্ফুটসিদ্ধান্তত সন্নিৱিষ্ট ব্ৰহ্মগুপ্তৰ আত্মপৰিচয়মূলক শ্লোকটো অৰ্থসহ লিখক।

প্ৰশ্ন ৪ ঃ ব্ৰহ্মগুপ্তৰ গাণিতিক অৱদানৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন ৫ ঃ 'স্থাননামানি'ত মহাবীৰাচাৰ্য্যই একৰপৰা মহক্ষোভলৈ সংখ্যাবোৰ কেনেদৰে ব্যৱহাৰ কৰিছে?

প্ৰশ্ন ৬ ঃ মহাবীৰাচাৰ্য্যই কণ্ঠিকাৱদ্ধাৰা কেনেধৰণৰ পূৰণফলক বুজাইছিল? দুটা উদাহৰণ দিয়ক।

প্ৰশ্ন ৭ ঃ মহাবীৰাচাৰ্য্যৰ গাণিতিক অৱদানৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন ৮ ঃ ভাস্কৰাচাৰ্য্যৰ গাণিতিক অৱদানৰ বিষয়ে এটা টোকা লিখক।

প্ৰশ্ন ৯ ঃ দ্বিঘাত সমীকৰণ সমাধানৰ শ্ৰীধৰাচাৰ্য্যৰ নিয়মটো লিখক।

*** ***** ***

অধ্যায় ৩ঃ প্রাচীন ভাৰতীয় সাহিত্যত জ্যোতির্বিদ্যা আৰু বাস্তুবিদ্যা

অধ্যায় গাঁথনি

৩.১ উদ্দেশ্য

৩.২ পৰিচয়

৩.৩ জ্যোতির্বিদ্যাৰ পৰিচয়

৩.৩.১ জ্যোতির্বিদ্যাশাস্ত্র চর্চ্চাৰ উদ্দেশ্য আৰু ভাগ

৩.৩.২ জ্যোতির্বিদ্যাশাস্ত্রৰ উৎস

৩.৩.৩ বিভিন্ন জ্যোতির্বিদ্যাশাস্ত্রৰ উল্লেখ

৩.৪ শব্দার্থ তালিকা

৩.৫ বাস্তুশাস্ত্রৰ পৰিচয়

৩.৫.১ বাস্তুশাস্ত্রৰ উৎস

৩.৫.২ বিভিন্ন বাস্তুশাস্ত্রৰ উল্লেখ

৩.৬ শব্দার্থ তালিকা

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৩.৮ অধিক জানিবলৈ

৩.৯ অগ্রগতিৰ খাতিয়ান

৩.১০ আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- জ্যোতির্বিদ্যাৰ বিষয়ে পৰিচয় লাভ কৰিব।
- জ্যোতির্বিদ্যা কাক বোলে সেইবিষয়ে জানিব পাৰিব।
- জ্যোতির্বিদ্যাৰ উৎস আৰু ভাগসমূহৰ বিশেষ তথ্য লাভ কৰিব লগতে ইয়াৰ উদ্দেশ্যৰ বিষয়েও জানিব পাৰিব।
- বিভিন্ন জ্যোতির্বিদ্যা শাস্ত্রৰ বিষয়ে জানিব পাৰিব।
- 'বাস্তু' শব্দৰ অর্থ জানিব পাৰিব।
- বাস্তুশাস্ত্র কাক বোলে আৰু ইয়াৰ উৎসৰ বিষয়ে জানিব পাৰিব।
- বাস্তুশাস্ত্রৰ অৱতৰণৰ বিষয়ে জানিব পাৰিব।
- বিভিন্ন বাস্তুশাস্ত্রৰ লগত পৰিচয় হ'ব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি জ্যোতির্বিদ্যা আৰু বাস্তুবিদ্যাৰ বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব। জ্যোতির্বিদ্যা আৰু বাস্তুবিদ্যাৰ বিষয়ে প্রাচীন কালতেই চর্চ্চা হৈছে।

জ্যোতিষাং সূর্যাদিগ্রহণবোধকং শাস্ত্রম্।

অর্থাৎ সূর্যাদি গ্রহ, কাল (সময়) বুজোৱা শাস্ত্রকেই জ্যোতির্বিদ্যা বুলি কোৱা হয়। জ্যোতির্বিদ্যা বা জ্যোতিষ শাস্ত্রত প্রধানতঃ গ্রহ, নক্ষত্র, ধূমকেতু আদি জ্যোতিপদার্থৰ স্বৰূপ, সঞ্চাৰ, পৰিভ্রমণ, কাল, গ্রহণ, স্থিতি প্রভৃতি নভোমণ্ডলৰ বিবিধ বিষয়ত আলোচনা থকা বাবে ইয়াক জ্যোতির্বিদ্যা বুলি কোৱা হয়।

এতিয়া আপুনি জ্যোতির্বিদ্যাৰ পৰিচয়, জ্যোতির্বিদ্যা চর্চাৰ উদ্দেশ্য আৰু ভাগ, জ্যোতির্বিদ্যাৰ উৎস, বিভিন্ন জ্যোতির্বিদ্যাৰ নাম জানিব পাৰিব। বাস্তুশাস্ত্রৰ পৰিচয়, উৎস, বিভিন্ন বাস্তুশাস্ত্রৰ নাম জানিব পাৰিব।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি বাস্তুবিদ্যাৰ বিষয়ে সবিশেষ জ্ঞান লাভ কৰিব পাৰিব। বাস্তুবিদ্যাৰ পৰিচয় বৈদিক কালতেই পোৱা যায়। বাস্তুবিদ্যাক স্থপতিবিদ্যাও বোলা হয়। দেৱতাসকলৰ প্রধান বাস্তুকাৰ বিশ্বকর্মাই অত্যন্ত সুপৰিকল্পিতভাবে গৃহ নির্মাণ, নগৰ, গাঁও আদি নির্মাণৰ নিয়ম আৰু বিধিনিষেধ আদি 'বিশ্বকর্মাবাস্তুশাস্ত্র'ত লিপিবদ্ধ কৰিছে। প্রাচীন ভাৰতীয় মন্দিৰ, চৈত্য প্রভৃতিৰ নির্মাণত স্থাপত্য আৰু ভাস্কর্যশিল্পৰ পৰাকাষ্ঠা পৰিলক্ষিত হয়।

৩.৩ জ্যোতির্বিদ্যাৰ পৰিচয়

প্রাচীন ভাৰতত জ্যোতির্বিদ্যাৰ চর্চ্চা টেলিস্কোপৰ আৱিষ্কাৰৰ আগতেই হৈছিল। বৈদিক-ক্রিয়াকাণ্ডৰ যথাযথ কাল নির্দ্ধাৰণৰ বাবে জ্যোতির্বিদ্যাৰ জ্ঞানৰ আৱশ্যক। ৰাশি, নক্ষত্র, অমাৱস্যা পূর্ণিমা, সংক্রান্তি, সংবৎসৰ প্রভৃতিৰ জ্ঞান নাথাকিলে বৈদিক যজ্ঞানুষ্ঠান কৰা অসম্ভৱ। বৈদিক যজ্ঞানুষ্ঠানৰ লগত জ্যোতির্বিদ্যাৰ (Astronomy) অত্যন্ত ওচৰ সম্বন্ধ। কাৰণ, বৈদিক যাগ-যজ্ঞৰ কাৰণে বিশেষ তিথি, নক্ষত্র, সংক্রান্তি আৰু সংবৎসৰৰ জ্ঞান অপৰিহার্য। উদাহৰণস্বৰূপে 'গবাময়ন' নামৰ যজ্ঞ এবছৰত শেষ হয়। 'অভিপ্লৱষড়হ' আদি যজ্ঞ ৬ দিনত সম্পাদন কৰিব লাগে। সেইকাৰণে, সংবৎসৰ, দিন, মাহ আৰু পক্ষ ইত্যাদিৰ জ্ঞান নাথাকিলে উক্ত যজ্ঞসমূহ কৰা অসম্ভৱ।

তাৰোপৰি, কিছুমান বৈদিক ক্রিয়া ঋতু বিশেষে সম্পাদিত হয়, যেনে তৈত্তিৰীয় ব্রাহ্মণত কোৱা হৈছে— বসন্ত ঋতুত ক্ষত্রিয়ই আৰু শৰৎ কালত বৈশ্যই অগ্নিস্থাপন বা আধান কৰিব লাগে।

৩.৩.১ জ্যোতির্বিদ্যাৰ উদ্দেশ্য আৰু ভাগ

এতিয়া আপুনি জ্যোতির্বিদ্যাৰ চর্চ্চাৰ উদ্দেশ্য আৰু ভাগসমূহৰ বিষয়ে জানিব পাৰিব।

জ্যোতির্বিদ্যাত ভাৰতৰ গৌৰৱময় অৱদান বিশেষভাৱে স্মৰণীয়। জ্যোতির্বিদ্যাৰ ভাগ দুটা—

১) Astronomy — জ্যোতির্বিদ্যা (গণিতজ্যোতিষ)

২) Astrology — ফলিতজ্যোতিষ নামে অভিহিত। জ্যোতির্বিজ্ঞানত 'জ্যোতিষ' শব্দটো ব্যাপক অর্থত ব্যৱহৃত হয়। জ্যোতির্বিদ্যাৰ মূল বিষয় হৈছে— গ্রহ, নক্ষত্র প্রভৃতি জ্যোতিঃ পদার্থ সম্পর্কে তথ্য অনুসন্ধান কৰা। বৈদিক যাগ-যজ্ঞৰ বিবিধ অনুষ্ঠানত গ্রহ-নক্ষত্র আদিৰ অৱস্থান, দিন-ৰাতিৰ বিভাগ, অমাৱস্যা-পূর্ণিমা আদি তিথিৰ পর্যালোচনা প্রভৃতি প্রসঙ্গৰ পৰাই বেদাঙ্গ জ্যোতিষৰ উদ্ভৱ হয়। বেদৰ ছটা ব্যৱহাৰিক অঙ্গৰ অন্যতম হ'ল 'জ্যোতিষ'। 'বেদাঙ্গ-জ্যোতিষ'ত সূর্য-চন্দ্রৰ গতি, উত্তৰায়ণ-দক্ষিণায়নৰ বিভাগ, পূর্ণিমা-অমাৱস্যা নিৰূপণ, ঋতুবিভাগ, মাহ-পক্ষ-দিন-তিথি নির্ণয়, সূর্যগ্রহণ-চন্দ্রগ্রহণৰ নির্ণয় ইত্যাদি তথ্য আলোচিত।

সেইকাৰণে যাগ-যজ্ঞ আৰু বৈদিক বিবিধ অনুষ্ঠানৰ নিয়ম-পদ্ধতি প্রয়োগৰ উদ্দেশ্যে জ্যোতির্বিদ্যা চর্চ্চা কৰা হয়।

৩.৩.২ জ্যোতির্বিদ্যাৰ উৎস

এতিয়া আপুনি জ্যোতির্বিদ্যাৰ উদ্দেশ্য আৰু ভাগসমূহ জনাৰ পাছত জ্যোতির্বিদ্যাৰ উৎস সম্পর্কে জানিব পাৰিব।

বৈদিক যুগত ঋগ্বেদ আৰু যজুর্বেদৰ অন্তর্গত 'বেদাঙ্গজ্যোতিষ' নামৰ গ্ৰন্থখন হৈছে অর্বাচীন সংস্কৰণ। 'আর্থবন জ্যোতিষ' নামেৰে অথর্ববেদৰ পৃথক জ্যোতিষগ্ৰন্থৰ উল্লেখ আছে। উক্ত গ্ৰন্থসমূহৰ পাছত কেবা শতিকা ধৰি কোনো গ্ৰন্থ পোৱা নগ'লেও সেইসময়ৰ আচার্যসকলৰ নাম পোৱা যায়। তেওঁলোক হৈছে নাৰদ, পৰাশৰ, বৃদ্ধ গর্গ, গর্গ, পৌষ্কৰসাদী আদি উল্লেখযোগ্য। পৰৱর্ত্তীকালৰ গ্ৰন্থসমূহত উক্ত আচার্যসকলৰ ৰচনাংশ উদ্ধৃত হৈছে।

৩.৩.৩ বিভিন্ন জ্যোতির্বিদ্যাশাস্ত্ৰৰ উল্লেখ

জ্যোতির্বিদ্যাৰ উৎসৰ বিষয়ে জনাৰ পিছত এতিয়া আপুনি জ্যোতির্বিদ্যা বিষয়ক গ্ৰন্থৰ বিষয়ে জানিব পাৰিব।

বৈদিক যুগৰ পিছত অর্থাৎ পৰৱর্ত্তীকালত গ্ৰহ-নক্ষত্ৰৰ অৱস্থান আৰু প্ৰভাৱ আদিৰ বিচাৰত জ্যোতির্বিদ্যাই যথেষ্ট প্ৰসিদ্ধি অর্জন কৰিছিল। ভাৰতবর্ষৰ প্ৰধান জ্যোতির্বিজ্ঞানী আৰু তেওঁলোকৰ দ্বাৰা ৰচিত জ্যোতির্বিদ্যা বিষয়ক (Astronomy) গ্ৰন্থসমূহ হৈছে—

১) আর্যভট্ট প্রথম (৪৭৬ খ্রীঃ)—	১) আর্যভট্টীয় সিদ্ধান্ত
	২) আর্যাষ্টশতক
	৩) দশগীতিকাসূত্র
২) ৰৰাহমিহিৰ (৫০৫ খ্রীঃ)—	১) পঞ্চসিদ্ধান্তিকা
	২) বৃহৎসংহিতা
৩) ব্রহ্মগুপ্ত (৫৯৮ খ্রীঃ)—	১) ব্রহ্মস্ফুট সিদ্ধান্ত
	২) খণ্ডখাদ্যক
৪) ভাস্কৰ প্রথম (৬০০ খ্রীঃ)—	১) আর্যভট্টীয়
	২) মহাভাস্কৰীয়
	৩) লঘুভাস্কৰীয়
৫) বটেশ্বৰ (৮৮০ খ্রীঃ)—	১) বটেশ্বৰ সিদ্ধান্ত
৬) মঞ্জুল (৯৩২ খ্রীঃ)—	১) লঘুমানসম্
৭) আর্যভট্ট দ্বিতীয় (৯৫০ খ্রীঃ)—	১) মহাসিদ্ধান্ত
৮) ভাস্কৰ দ্বিতীয় (১১১৪ খ্রীঃ)—১)	সিদ্ধান্ত শিৰোমণি
	২) কর্ণকুটুহলম্
৯) পৰমেশ্বৰ (১৪০০ খ্রীঃ)—	১) দিগ্‌গণিতম্
	২) সূর্যসিদ্ধান্ত ৰিৰৰণম্
	৩) ভট্টদীপিকা
১০) নীলকণ্ঠ সোমযাজী (১৪৪৪ খ্রীঃ)—	১) তন্ত্রসংগ্রহ
	২) আর্যভট্টীয় ভাষ্য

উক্ত জ্যোতির্বিদ্যা বিষয়ক গ্ৰন্থসমূহ তথা গ্ৰন্থকাৰৰ বিষয়ে চমু আলোচনা আগবঢ়োৱা হ'ল—

১) **প্রথম আর্যভট্ট ঃ** প্রাচীন ভাৰতীয় জ্যোতির্বিদ্যাৰ (Scientific Astronomy)ৰ প্রকৃত প্রতিষ্ঠাতা প্রথম আর্যভট্ট। আলবেৰুণীৰ বিৰৰণ অনুসাৰে তেওঁ কুসুমপুৰৰ অধিবাসী। জ্যোতির্বিদ সমাজত তেওঁ 'বৃদ্ধ আর্যভট্ট' আৰু 'সর্বসিদ্ধান্তগুৰু' অভিধাৰে পৰিচিত। আর্যভট্ট প্রথমে 'ভূভ্রমণবাদ' অর্থাৎ দিন-ৰাতিৰ আবর্ত্তনৰ কাৰণস্বৰূপে পৃথিৰীৰ আহ্নিক গতিৰ তত্ত্ব প্রতিপাদন কৰে। তেওঁ পাশ্চাত্য জ্যোতির্বিদ কোপাৰনিকাসৰ অনুৰূপ সিদ্ধান্ত প্রতিষ্ঠা কৰি বিশ্ববিখ্যাত হয়। আর্যভট্ট প্রথমৰ নামত তিনিখন গ্রন্থ পোৱা যায়—

১) আর্যভট্টীয় সিদ্ধান্ত

২) আর্যাষ্টশতক (তিনিটা পৰিচ্ছেদত সমাপ্ত)

যেনে— ক) গণিত (Mathematics and Geometry)

খ) কালক্রিয়া (Measurement of time)

গ) গোল (Astronomy)

৩) দশগীতিকাসূত্র

আর্যভট্ট প্রথমে প্রাচীন বেদাঙ্গ জ্যোতিষৰ প্রচলিত পদ্ধতিৰ সংস্কাৰ সাধন কৰে আৰু স্বকীয় বিশুদ্ধ সিদ্ধান্ত প্রতিষ্ঠা কৰে। তেওঁৰেই প্রথমে কলিযুগৰ আৰম্ভকাল নির্ণয় কৰে। জ্যোতির্বিজ্ঞানত আর্যভট্ট প্রথমৰ বিশিষ্ট অৱদানৰ ভিতৰত বিশেষভাৱে উল্লেখযোগ্য— সূর্য আৰু অন্যান্য গ্রহৰ আবর্ত্তন, সিহঁতৰ পৰিবৃত্ত, গ্রহগতিৰ ব্যাখ্যা, ত্রিকোণমিতি, মান, যোগফল, সংখ্যাৰ বর্গ আৰু ঘনসমূহৰ যোগফল নির্ণয় প্রভৃতি। আর্যভট্ট প্রথমে সংস্কৃত বর্ণমালাৰ আখৰবিলাকৰ নির্দ্দিষ্ট মান বিন্যাস কৰি তাৰদ্বাৰা সংখ্যা গণনাৰ এক অভিনৱ পদ্ধতি আৱিষ্কাৰ কৰে আৰু নিজ গ্রন্থত সেয়া প্রয়োগ কৰে। তেওঁৰ গ্রন্থৰ টীকাকাৰসকল হ'ল— লাটদেৱ, ১ম ভাস্কৰ আৰু লল্ল।

২) **বৰাহমিহিৰ ঃ** জ্যোতির্বিদ্যাৰ আন এজন প্রধান আচার্য হৈছে বৰাহমিহিৰ। খ্রীষ্টীয় ষষ্ঠ শতিকাত ৫০৫ খ্রীষ্টাব্দত কাম্পিল্য অর্থাৎ বর্ত্তমানৰ জলন্ধৰ জিলাৰ কাম্পী নামৰ স্থানত তেওঁ জন্মগ্রহণ কৰে। ৰজা বিক্রমাদিত্যৰ ৰাজসভাৰ নৱৰত্নৰ ভিতৰত বৰাহমিহিৰ অন্যতম আছিল। তেওঁৰ ৰচিত 'পঞ্চসিদ্ধান্তিকা'ৰ পৰা আমি প্রাচীনতৰ পাঁচখন সিদ্ধান্তৰ কথা জানিব পাৰো।

১) পৌলিশ সিদ্ধান্ত

২) ৰোমক সিদ্ধান্ত

৩) বশিষ্ঠ সিদ্ধান্ত

৪) পিতামহ সিদ্ধান্ত

৫) সূর্য সিদ্ধান্ত

ইয়াৰোপৰি বৰাহমিহিৰে 'বৃহৎসংহিতা' নামৰ এখন জ্যোতিষ গ্রন্থৰ উপৰিও 'বৃহজ্জাতক', 'লঘুজাতক' নামৰ ফলিত জ্যোতিষ বিষয়ক গ্রন্থ ৰচনা কৰিছে।

পৌলিশ আৰু ৰোমক এই দুয়োখন সিদ্ধান্ত গ্রীক আৰু বেবিলনৰ এক উৎসৰ ওপৰত ভেটি কৰি ৰচিত হৈছে।

'বশিষ্ঠ সিদ্ধান্ত'ত নক্ষত্রৰ অৱস্থান সম্পর্কে আলোচনা আছে। ইয়াৰ শ্লোকসমূহ অনুষ্টুপ ছন্দত ৰচিত।

পিতামহ বা ব্রাহ্মসিদ্ধান্ত ঋষি লগধৰ ৰচিত 'বেদাঙ্গ-জ্যোতিষ' গ্রন্থৰ লগত মিল আছে।

'সূর্যসিদ্ধান্ত' খণ্ডত সূর্য আৰু চন্দ্রৰ আবর্ত্তনৰ কথা আছে। ইয়াত যুগ, বছৰ, মাহ, দিন আদিৰ বিষয়ে কোৱা হৈছে।

'পঞ্চসিদ্ধান্তিকা' গ্রন্থখনিৰ 'সূর্যসিদ্ধান্ত' আটাইতকৈ গুৰুত্বপূর্ণ। মল্লিকার্জুন সূৰিয়ে তেলেগু আৰু

সংস্কৃত ভাষাত ইয়াৰ টীকা ৰচনা কৰে।

৩) **ব্ৰহ্মগুপ্ত ঃ** আৰ্যভট্ট প্ৰথম আৰু বৰাহমিহিৰৰ পাছত প্ৰাচীন ভাৰতত তৃতীয় এজন আগশাৰীৰ জ্যোতিৰ্বিজ্ঞানী হৈছে— ব্ৰহ্মগুপ্ত। বৰ্তমান পাঞ্জাৰৰ মূলতান জিলাৰ অন্তৰ্গত ভিন্দমল নামৰ গাঁৱত ৫৯১ খ্ৰীষ্টাব্দত তেওঁৰ জন্ম হয়। ৬২৮ খ্ৰীষ্টাব্দত মাত্ৰ ২০ বছৰ বয়সতে তেওঁ 'ব্ৰহ্মস্ফুটসিদ্ধান্ত' আৰু 'খণ্ডখাদ্যক' নামেৰে দুখন গ্ৰন্থ ৰচনা কৰে। এই গ্ৰন্থত তেওঁ জ্যোতিৰ্বিজ্ঞানৰ উপৰিও গণিত শাস্ত্ৰৰ অনুশীলন কৰিছে। অমৰৰাজে 'ব্ৰহ্মস্ফুটসিদ্ধান্ত' গ্ৰন্থৰ টীকা ৰচনা কৰে।

৪) **ভাস্কৰ প্ৰথম ঃ** ভাস্কৰ প্ৰথম হৈছে জ্যোতিৰ্বিজ্ঞানী আৰু গণিতজ্ঞ। তেওঁ আৰ্যভট্টৰ পথ প্ৰদৰ্শক। ৬০০ খ্ৰীষ্টাব্দত গুজৰাটৰ বলভীত তেওঁৰ জন্ম হয়। প্ৰথম ভাস্কৰে তিনিখন গ্ৰন্থ ৰচনা কৰে। 'মহাভাস্কৰীয়', 'লঘুভাস্কৰীয়' আৰু 'আৰ্যভট্ট ভাস্কৰীয়'। প্ৰথমখন গ্ৰন্থ আৰ্যভট্টৰ গ্ৰন্থৰ ওপৰত ভিত্তি কৰি ৰচিত হৈছে। ইয়াত আৰ্যভট্টৰ কৰ্মনিবন্ধৰ ওপৰত বিস্তৃত ব্যাখ্যা কৰে। আৰ্যভট্টীয় খনৰ দুটা খণ্ড—

১) দশগীতিকা সূত্ৰ ব্যাখ্যা

২) আৰ্যভট্ট তন্ত্ৰ ভাষ্য

৫) **আৰ্যভট্ট দ্বিতীয় ঃ** আৰ্যভট্ট দ্বিতীয় এজন প্ৰখ্যাত জ্যোতিৰ্বিজ্ঞানী। তেওঁ ৰচনা কৰা গ্ৰন্থখন হৈছে— 'মহাসিদ্ধান্ত'। ইয়াৰ প্ৰথম ১২টা অধ্যায়ত জ্যোতিৰ্বিদ্যা আৰু গণিত বিষয়ক কথাৰ উল্লেখ আছে। ইয়াত গ্ৰহ-নক্ষত্ৰ, চন্দ্ৰ, সূৰ্যৰ কথা বৰ্ণনা কৰা আছে। শেষৰ দুটা অধ্যায়ত জ্যামিতি, ভূগোল আৰু বীজগণিতৰ কথা আছে।

৬) **ভোজ ঃ** ধাৰা ৰাজ্যৰ ৰজা ভোজে 'বিদ্বজ্জনবল্লভ' আৰু 'ৰাজমাৰ্তণ্ড' নামৰ জ্যোতিৰ্বিদ্যা বিষয়ক গ্ৰন্থ ৰচনা কৰে।

৭) **ভাস্কৰ দ্বিতীয় ঃ (১১১৪)**

আৰ্যভট্ট, বৰাহমিহিৰ আৰু ব্ৰহ্মগুপ্তই ইতিমধ্যে চহকী কৰি থোৱা গণিত আৰু জ্যোতিৰ্বিজ্ঞানৰ ভঁড়াল আৰু অধিক চহকী কৰি তুলিলে ভাস্কৰাচাৰ্য দ্বিতীয়ই। ১১১৪ খ্ৰীষ্টাব্দত মহাৰাষ্ট্ৰত তেওঁৰ জন্ম হয়। তেওঁৰ পিতৃৰ নাম আছিল মহেশ্বৰ। তেওঁ শাণ্ডিল্য গোত্ৰীয় আছিল। ১১৫০ খ্ৰীষ্টাব্দত ৩৬ বছৰ বয়সত "সিদ্ধান্তশিৰোমণি" নামৰ গ্ৰন্থ ৰচনা কৰে। গ্ৰন্থখন চাৰিটা খণ্ডত বিভক্ত—

১) লীলাৱতী বা পাটীগণিত

২) বীজগণিত

৩) গ্ৰহগণিত

৪) গোলাধ্যায়

'সিদ্ধান্তশিৰোমণি'ত পূৰ্বৱৰ্তী জ্যোতিৰ্বিদসকলৰ মতৰ সমালোচনা পোৱা যায়। প্ৰাচীন আচাৰ্যসকলৰ মত খণ্ডন কৰি ভাস্কৰাচাৰ্য দ্বিতীয়ই স্ব-মত প্ৰতিষ্ঠা কৰে। তেওঁ জ্যোতিৰ্বিদ আৰু গণিতজ্ঞ হোৱাৰ লগতে এজন সুকবিও। শ্লোকসমূহৰ বৰ্ণনাত অনুপ্ৰাস, যমক আৰু শ্লেষৰ ব্যৱহাৰ কৰিছে। ইয়াৰ পদ্যখণ্ড সৰল আৰু সৰস। গণিত অংশত গণিতৰ বিভিন্ন সূত্ৰৰ ব্যাখ্যা কৰিছে।

'গ্ৰহগণিত' আৰু গোলাধ্যায়' খণ্ডত গ্ৰহ-নক্ষত্ৰৰ বিৱৰণ, আৱৰ্ত্তন আদিৰ বৰ্ণনা কৰিছে।

'লীলাৱতী' ভাস্কৰাচাৰ্যৰ জীয়েকৰ নাম। তেওঁৰ নামত পাটীগণিত ৰচনা কৰিছে। ১৮৮৩ খ্ৰীষ্টাব্দত ভাস্কৰাচাৰ্য দ্বিতীয়ৰ যেতিয়া ৬৯ বছৰ বয়স হৈছিল, তেতিয়া আন এখন জ্যোতিৰ্বিদ্যা বিষয়ক গ্ৰন্থ 'কৰ্ণকুটুহল' ৰচনা কৰে। ইয়াত গ্ৰহসমূহৰ আলোচনা আছে। সিদ্ধান্ত শিৰোমণিৰ তিনিখন প্ৰসিদ্ধ টীকা গ্ৰন্থ ৰচিত হৈছে— বাসনা ভাষ্য, বাসনা বাৰ্ত্তিক আৰু মৰিচিতিকা।

উক্ত গ্ৰন্থকাৰসমূহৰ গ্ৰন্থৰ উপৰিও পৰৱৰ্ত্তী গ্ৰন্থকাৰসকলৰ গ্ৰন্থসমূহ হৈছে—

৮) **লাল বা লল্লাচার্য ঃ** লল্ল বা লাল হৈছে এজন জ্যোতির্বিদ, তেওঁৰ বিখ্যাত গ্ৰন্থখন হৈছে— "শিষ্যধীতন্ত্র" ইয়াৰ দুটা ভাগ আছে। প্ৰথমভাগত নক্ষত্ৰৰ স্থিতি আৰু দ্বিতীয়ভাগত আকাশ মণ্ডলৰ কথা বৰ্ণনা আছে। তেওঁ আৰ্যভটক অনুসৰণ কৰিছিল। তেওঁ ব্ৰহ্মগুপ্তৰ গ্ৰন্থৰ ওপৰত 'খণ্ডখাদ্যক' নামৰ টীকা ৰচনা কৰে। তাৰোপৰি 'জ্যোতিষ ৰত্নাকৰ' নামৰ জ্যোতিষ বিষয়ক গ্ৰন্থ ৰচনা কৰে।

৯) **গোৱিন্দস্বামী ঃ** গোৱিন্দস্বামী এজন জ্যোতির্বিদ। তেওঁ ভাস্কৰ প্ৰথমৰ 'লঘুভাস্কৰীয়'ৰ ওপৰত টীকা ৰচনা কৰিছিল।

জ্যোতির্বিদ্যাৰ আন এটা ভাগ হৈছে— ফলিত জ্যোতিষ।

অতি প্ৰাচীন কালৰে পৰাই ভাৰতবৰ্ষত জ্যোতিষ শাস্ত্ৰৰ চৰ্চ্চা পৰিলক্ষিত হয়। ৰাজতন্ত্ৰত ৰাজন্যবৰ্গ আৰু উচ্চ শ্ৰেণীসমূহৰ মাজৰ প্ৰভাৱশালী ব্যক্তিসকলে জ্যোতিষৰ পৃষ্ঠপোষক আছিল। ফলিতজ্যোতিষৰ প্ৰধান আলোচ্য বিষয় হ'ল— গ্ৰহনক্ষত্ৰাদি জ্যোতিষ্ক পদাৰ্থবিলাকৰ আৱৰ্ত্তন আৰু অৱস্থান ভেদে মানৱজীৱনত তথা পৃথিৱীৰ ওপৰত সিহঁতৰ প্ৰভাৱ অনুসন্ধান আৰু তাৰ উদ্দেশ্যে ফল গণনা। অন্যান্য শাস্ত্ৰৰ নিচিনাকৈ ফলিতজ্যোতিষৰ আচাৰ্যসকলৰ নাম পোৱা যায়। যেনে— বিষ্ণুগুপ্ত, দেৱস্বামী, জীৱশৰ্মা, পৃথু, শক্তিপূৰ্ব, সিদ্ধসেন, যৱনাচাৰ্য প্ৰভৃতি। বেদাঙ্গ-জ্যোতিষৰ সময়ত ফলিত জ্যোতিষৰ পৃথক অস্তিত্ব নাছিল। গণিতজ্যোতিষৰ সৈতে মিলি আছিল। বৰাহমিহিৰৰ গ্ৰন্থতেই ফলিত জ্যোতিষৰ অস্তিত্ব বিশদভাবে লক্ষ্য কৰা যায় আৰু তাৰ কিছুমান দিনৰ পিছতেই ৰাশিভিত্তিক জ্যোতিষ আৰু কোষ্ঠী গণনাৰ পদ্ধতি প্ৰচলিত হয়।

ফলিতজ্যোতিষৰ বহুতো গ্ৰন্থ পোৱা যায়। ইয়াৰ ভিতৰত বৰাহমিহিৰ সৰ্বশ্ৰেষ্ঠ আচাৰ্য। তেওঁৰ ৰচিত পাঁচখন গ্ৰন্থ পোৱা যায়— (১) বৃহৎসংহিতা, (২) বৃহৎবিবাহপটল, (৩) পল্লববিবাহ পটল, (৪) বৃহজ্জাতক, (৫) লঘুজাতক

অন্যান্য গ্ৰন্থসমূহ হৈছে— (৬) যৱনজাতক, (৭) উৎপল পৰিমল, (৮) হোৰাশাস্ত্ৰ, (৯) ভৃগুসংহিতা, (১০) বিদ্যামাধৱীয়, (১১) সূৰ্যসিদ্ধান্ত, (১২) জ্যোতির্বিদ্যাকৰণ। এনেদৰে প্ৰাচীন ভাৰতত জ্যোতির্বিদ্যাৰ ওপৰত ভালেমান গ্ৰন্থ ৰচিত হৈছিল।

জানি থোৱা ভাল

বিজ্ঞানভিত্তিক সাহিত্যৰ ভিতৰত 'জ্যোতির্বিদ্যা' অন্যতম আৰু ভাৰতবৰ্ষৰ গৌৰৱময় অৱদান। বৈদিক কালত জ্যোতির্বিদ্যাৰ চৰ্চ্চা হৈছিল যদিও সেই বিষয়ক কোনো গ্ৰন্থ পোৱা নগৈছিল। আৰ্যভট্ট প্ৰথমেই জ্যোতির্বিদ্যাৰ প্ৰতিষ্ঠাতা। পাশ্চাত্য জ্যোতির্বিদ ক'পাৰনিকাসৰ দৰে তেওঁ সিদ্ধান্ত প্ৰতিষ্ঠা কৰি বিশ্ববিখ্যাত হয়।

ভাস্কৰাচাৰ্য দ্বিতীয় এজন প্ৰসিদ্ধ জ্যোতির্বিজ্ঞানী আৰু গণিতজ্ঞ। আৰ্যভট্ট প্ৰথমে বৰাহমিহিৰ আৰু ব্ৰহ্মগুপ্তই চহকী কৰি থৈ যোৱা জ্যোতির্বিদ্যাক অধিক চহকী কৰি তোলে।

৩.৪ শব্দার্থ তালিকা

১) অভিপ্লৱষড়হ ঃ এবিধ যজ্ঞৰ নাম, ছয় দিনত সম্পন্ন কৰা হয়।

২) গবাময়ন ঃ একপ্ৰকাৰ যজ্ঞ। এই যজ্ঞ এবছৰত শেষ হয়।

৩) বেদাঙ্গ ঃ বেদৰ ছটা অঙ্গ। শিক্ষা, কল্প, ব্যাকৰণ, নিৰুক্ত, ছন্দ, জ্যোতিষ।

৪) বেদাঙ্গজ্যোতিষ ঃ জ্যোতিৰ্বিদ্যা আৰু গণিত বিষয়ক গ্ৰন্থ। ঋষি লগধৰ দ্বাৰা ৰচিত।

৫) লীলাৱতী ঃ ভাস্কৰাচাৰ্যৰ জীয়েকৰ নাম। ই এখনি পাটীগণিত। ভাস্কৰাচাৰ্য দ্বিতীয়ৰ দ্বাৰা ৰচিত।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ঃ জ্যোতিৰ্বিদ্যা কাক বোলে?

.....

প্ৰশ্ন নং ২ঃ আৰ্যভট্ট প্ৰথমে ৰচনা কৰা গ্ৰন্থ এখনৰ নাম লিখক।

.....

প্ৰশ্ন নং ৩ঃ আৰ্যভট্ট দ্বিতীয়ই ৰচনা কৰা গ্ৰন্থখনৰ নাম কি? ইয়াত কেইটা অধ্যায় আছে?

.....

প্ৰশ্ন নং ৪ঃ বৰাহমিহিৰে ৰচনা কৰা গ্ৰন্থ এখনৰ নাম লিখক।

.....

৩.৫ বাস্তুশাস্ত্ৰ/বাস্তুবিদ্যাৰ পৰিচয়

আয়ুৰ্বেদ শাস্ত্ৰৰ পিছত আপুনি এতিয়া বাস্তুশাস্ত্ৰ বা বাস্তুবিদ্যাৰ বিষয়ে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ বিজ্ঞানভিত্তিক সাহিত্যসমূহৰ ভিতৰত বাস্তুবিদ্যা অন্যতম। বাস্তুবিদ্যাক ইংৰাজীত Architecture বুলি জনা যায়। যি শাস্ত্ৰত গৃহ নিৰ্মাণ বিষয়ক বিভিন্ন নিয়মসমূহৰ উল্লেখ থাকে তাকে বাস্তুবিদ্যা বোলে।

প্ৰাচীন আৰু মধ্যযুগত হিন্দু, বৌদ্ধ, জৈন তথা ইচ্লাম ধৰ্মৰ ৰাজন্যবৰ্গৰ বৃত্তিভোগী কলাবিদসকলে স্থাপত্য আৰু ভাস্কৰ্যশিল্পত উৎকৃষ্ট শিল্পকৰ্মৰ ভাণ্ডাৰ গঢ়ি তুলিছিল। শিল্পশাস্ত্ৰৰ প্ৰধান আলোচ্য বিষয়সমূহ হ'ল— চিত্ৰকলা (Painting), মূৰ্ত্তিশিল্প (Iconography), বাস্তুবিদ্যা (Civi Engineering), ভাস্কৰ্য (Sculpture) আৰু স্থাপত্য (Architecture)।

শিল্পশাস্ত্ৰ বা বাস্তুবিদ্যা হৈছে বিভিন্ন প্ৰকাৰৰ গৃহ আদিৰ নিৰ্মাণ পদ্ধতি তথা তেনে গৃহসমূহৰ সুফল-কুফল আদি বিষয়ক আলোচনা কৰা শাস্ত্ৰ। প্ৰাচীনকালৰ পৰা ভাৰতবৰ্ষত বাস্তুবিদ্যাই উৎকৰ্ষ সাধন কৰি আহিছে। বিধিসন্মতভাৱে য'ত গৃহনিৰ্মাণ হয়, তেনে গৃহক— মঙ্গলদায়ক বুলি কোৱা হয়। 'বাস্তু' শব্দৰ অৰ্থ হৈছে 'নিবাস কৰা'। শিৱপুৰাণৰ কাহিনী অনুসাৰে ভগৱান শিৱই অন্ধকাসুৰক বধ কৰোঁতে শিৱৰ কপালৰ ঘাম মাটিত পৰিছিল। তেতিয়া সেই ঘামৰ টোপালৰ পৰা এটা বিৰাটাকৃতিৰ পুৰুষৰ আৱিৰ্ভাৱ হয়। কঠোৰ তপস্যা কৰি তিনিওলোককে গ্ৰাস কৰাৰ বাবে শিৱৰ পৰা বৰ লাভ কৰে। শিৱৰ পৰা বৰ লাভ কৰি সেই বিৰাটাকৃতিৰ পুৰুষে তিনিওলোকক অৱৰুদ্ধ কৰে। তেতিয়া ব্ৰহ্মাই অভিহিত কৰা বাস্তুপুৰুষক ব্ৰহ্মাৰ কথামতে দেৱতাসকলে সেইপুৰুষক তললৈ মূৰ কৰি পৃথিৱীত পেলাই দিওতে দেৱতাসকলে যি যি অঙ্গত ধৰিছিল তাতেই তেওঁলোকে নিবাস কৰিলে। দেৱতাসকলে নিবাস কৰা বাবে 'বাস্তু' অৰ্থাৎ নিবাস নামেৰে প্ৰসিদ্ধ হ'ল। (ভৱনভাস্কৰ- পৃ. ৯/ গীতা প্ৰেছ)

৩.৫.১ বাস্তুশাস্ত্ৰৰ উৎস

আপুনি এতিয়া বাস্তুশাস্ত্ৰৰ উৎস সম্পৰ্কে জানিব পাৰিব। সংস্কৃত সাহিত্যৰ পু�ৰাণসমূহ ভাৰতীয় সাহিত্যশিল্প সংস্কৃতিৰ আকৰ গ্ৰন্থ। ভাৰতীয় বিদ্যাৰ বিবিধ শাখাৰ অনুশীলিত জ্ঞান-বিজ্ঞানৰ অৱদান পুৰাণসমূহতে পোৱা যায়। বাস্তুশাস্ত্ৰৰো প্ৰধান উৎস হ'ল পুৰাণসমূহ। ঋগ্বেদৰ যুগৰ পৰা আৰম্ভ কৰি ব্ৰাহ্মণ, উপনিষদসমূহতো বাস্তুশাস্ত্ৰৰ অধ্যয়নৰ কথা পোৱা যায়। ছান্দোগ্য উপনিষদত কোৱা হৈছে সনৎকুমাৰৰ ওচৰত নাৰদে বিভিন্ন শাস্ত্ৰ অধ্যয়নৰ লগতে বাস্তুশাস্ত্ৰৰো অধ্যয়ন কৰিছিল। বৌদ্ধ আৰু জৈনসকলৰ বাস্তুশাস্ত্ৰৰ উন্নতিত যথেষ্ট অৱদান আছে। দক্ষিণ ভাৰতৰ মন্দিৰ, স্তূপ, বিহাৰ, চৈত্য আদিয়ে প্ৰাচীন ভাৰতৰ বিখ্যাত গৃহনিৰ্মাণ কৰোঁতাসকলৰ বুদ্ধিমত্তা আৰু নৈতিক উৎকৰ্ষ সাধনৰ পৰিচয় দিয়ে।

৩.৫২ বিভিন্ন বাস্তুশাস্ত্ৰৰ উল্লেখ

এতিয়া আপুনি বিভিন্ন বাস্তুশাস্ত্ৰৰ বিষয়ে জানিব পাৰিব—

বাস্তুশাস্ত্ৰৰ প্ৰাচীন আচাৰ্যৰূপে বিষ্ণু, সনৎ কুমাৰ, বিশ্বকৰ্মা, কাশ্যপ, ময় প্ৰভৃতিৰ নাম পোৱা যায়। অনুমান হয় বাস্তুশাস্ত্ৰৰ ওপৰত ৫০ খনতকৈয়ো অধিক গ্ৰন্থ ৰচিত হৈছিল। কিন্তু সকলো গ্ৰন্থ বৰ্তমানে পোৱা নাযায়। যেনে— ৰেখাচিত্ৰ বা অঙ্কণশাস্ত্ৰ বিষয়ক গ্ৰন্থ ৰেখাৰ্ণৱ, বাস্তুহৃদয়, সুখদানন্দবাস্তু, কলাকোষ, শয়ণশাস্ত্ৰ, প্ৰভৃতি গ্ৰন্থৰ নাম পোৱা যায়।

প্ৰধান প্ৰধান ৰচনাসমূহ হ'ল—

১) বাস্তুবিদ্যা
২) মনুষ্যালয়চন্দ্ৰিকা
৩) শ্ৰীজ্ঞানৰত্নকোষ
৪) ময়মতম্ (প্ৰাচীন আচাৰ্য ময়ৰ নামত প্ৰচলিত)
৫) অপৰাজিতা পৃচ্ছা
৬) প্ৰাসাদমঞ্জৰী
৭) বাস্তুমঞ্জৰী (শ্ৰীনাথৰ ৰচিত)
৮) প্ৰাসাদমণ্ডল (মণ্ডন ৰচিত, খ্ৰী. ১৫শ শতিকা)
৯) বাস্তুকৰ্ম বা বাস্তুশাস্ত্ৰ
১০) কাশ্যপসংহিতা (কাশ্যপৰ নামত প্ৰচলিত)
১১) কাশ্যপশিল্পশাস্ত্ৰ (কাশ্যপৰ নামত প্ৰচলিত)
১২) শিল্পৰত্ন (শ্ৰীকুমাৰ ৰচিত)
১৩) নাৰদ শিল্পশাস্ত্ৰ (নাৰদৰ নামত প্ৰচলিত)
১৪) প্ৰতিমালক্ষণ
১৫) দেৱতামূৰ্ত্তিপ্ৰকৰণ
১৬) ৰূপমণ্ডল (মণ্ডল ৰচিত)
১৭) বুদ্ধ প্ৰতিমালক্ষণ (ইয়াৰ টীকা-সম্বুদ্ধ-ভাষিত-প্ৰতিমালক্ষণ বিৱৰণী)
১৮) নগ্নজিৎ-চিত্ৰলক্ষণ (মৎস্যপুৰাণত ইয়াৰ উল্লেখ পোৱা যায়)
১৯) বিষ্ণুধর্মোত্তৰ পুৰাণ (শিল্পকলা বিষয়ক আলোচনা অন্তর্ভুক্ত)

বাস্তুশাস্ত্ৰবিষয়ক আন এখন গ্ৰন্থ হৈছে— ভোজদেৱৰ ৰচিত 'সমৰাঙ্গন সূত্ৰধাৰ'। গ্ৰন্থখনত মুঠ ৩৩টা পৰিচ্ছেদ আছে আৰু দুটা খণ্ডত বিভক্ত। গৃহনিৰ্মাণৰ নিয়মসমূহৰ উপৰিও যন্ত্ৰনিৰ্মাণৰ কৌশল 'যন্ত্ৰবিধান' নামৰ অধ্যায়ত বৰ্ণিত আছে। এই গ্ৰন্থৰ প্ৰধান বিষয়বস্তু হ'ল— নগৰ নিৰ্মাণ, প্ৰাসাদ নিৰ্মাণ আৰু বিভিন্ন ধৰণৰ অট্টালিকা নিৰ্মাণৰ কথা বৰ্ণনা কৰা আছে।

'শিল্পৰত্নম্' মহামহোপাধ্যায় গণপতিশাস্ত্ৰীৰ দ্বাৰা ১৯২২ খ্ৰীষ্টাব্দত ৰচিত হয়। গ্ৰন্থখন দুটা খণ্ডত বিভক্ত। প্ৰথমখণ্ডৰ ৪৬টা অধ্যায়ত স্থাপতি বিদ্যা আৰু দ্বিতীয় খণ্ডৰ ৩৫টা অধ্যায়ত প্ৰতিমা নিৰ্মাণ পদ্ধতিৰ আলোচনা আছে।

'যুক্তিকল্পতৰু'ৰ ৰচক ঈশ্বৰ চন্দ্ৰশাস্ত্ৰী। এই গ্ৰন্থৰ ২৩নং অধ্যায়ত বাস্তুনিৰ্মাণৰ বিষয়সমূহ আলোচিত হৈছে।

ৰৰাহমিহিৰৰ ৰচিত 'বৃহৎসংহিতা' গ্ৰন্থৰ ৫৩নং অধ্যায়ত বাস্তুবিদ্যা আৰু ৫৬নং অধ্যায়ত প্ৰাসাদ লক্ষণ বৰ্ণিত আছে।

'মনুষ্যালয়চন্দ্ৰিকা' গ্ৰন্থখন গণপতি শাস্ত্ৰীৰ দ্বাৰা ১৯১৭ খ্ৰীষ্টাব্দত প্ৰকাশিত। গ্ৰন্থখনৰ সাতটা অধ্যায়ত গৃহনিৰ্মাণৰ পদ্ধতি বৰ্ণিত হৈছে।

৩.৬ শব্দাৰ্থ তালিকা

১) আয়ুৰ্বেদ ঃ বেদসমূহৰ ভিতৰত অন্তিম বেদ

২) ৰসায়ন ঃ ৰোগ নাশ আৰু দীৰ্ঘজীৱী কৰা ঔষধ বিশেষ। (হেমকোষ-পৃ. ৮৫৭)

৩) ব্ৰহ্মসংহিতা ঃ প্ৰজাপতি ব্ৰহ্মাৰ দ্বাৰা ৰচিত।

৪) ব্ৰহ্মবৈৱৰ্ত্তপুৰাণ ঃ অষ্টাদশ পুৰাণৰ অন্তৰ্গত দশম পুৰাণ

৫) অশ্বিনীকুমাৰদ্বয় ঃ স্বৰ্গৰ বৈদ্য, দেৱতাসকলৰ বৈদ্য। ঘোঁৰাৰূপিনী অপ্সৰাৰ পৰা জন্ম দুই যমজ সন্তান।

৬) ঋগ্বেদ ঃ বেদসমূহৰ ভিতৰত প্ৰথম।

৭) ভৈষজবিদ্যা ঃ গছ-গছনিৰ বিবিধ অংশ প্ৰয়োগ কৰি ঔষধ বনোৱা। স্বাদ, গন্ধ, ক্ৰিয়া-বিক্ৰিয়াৰ দ্বাৰা ব্যাধি নিৰাময় আদিৰ বিষয়ে জ্ঞান।

৮) ভাৰদ্বাজ ঃ দ্ৰোণাচাৰ্য, কৌৰৱ আৰু পাণ্ডৱৰ শিক্ষাগুৰু।

৯) আত্ৰেয় ঃ অত্ৰি ঋষিৰ পুত্ৰ।

১০) ব্ৰাহ্মণ ঃ ক্লীৱলিঙ্গ 'ব্ৰহ্মণ্' শব্দৰ অৰ্থ 'মন্ত্ৰ'-বেদমন্ত্ৰ। তাৰে সৈতে সংশ্লিষ্ট যি সেয়ে 'ব্ৰাহ্মণ'। ব্ৰাহ্মণ বেদৰ দ্বিতীয় ভাগ। ব্ৰাহ্মণ সাহিত্যত বেদমন্ত্ৰসমূহৰ ব্যাখ্যা কৰা হৈছে।

১১) উপনিষদ ঃ উপনিষদৰ আন নাম বেদান্ত। ই বেদৰ শেষ অৰ্থাৎ জ্ঞানকাণ্ডৰ অন্তৰ্গত আৰু বেদৰ শেষ লক্ষ্য বা সিদ্ধান্ত ইয়াত গৃহীত। সেইকাৰণে ইয়াৰ আন নাম বেদান্ত।

১২) ছান্দোগ্যোপনিষদ ঃ সামবেদৰ অন্তৰ্গত। ছান্দোগ্যোপনিষদ— ছান্দোগ্যোব্ৰাহ্মণৰ অংশ। ইয়াৰ প্ৰথম অংশত উপাসনাৰ সমগ্ৰ তত্ত্বটো বিশ্লেষণ কৰা হৈছে। ইয়াত ওঙ্কাৰোপাসনা, সামোপাসনা, সূৰ্যোপাসনা আৰু প্ৰাণোপাসনা এই চাৰিবিধ উপাসনাৰ কথা পোৱা হৈছে।

১৩) মৎস্যপুৰাণ ঃ অষ্টাদশ পুৰাণৰ অন্তৰ্গত। মৎস্যপুৰাণ পঞ্চলক্ষণ সমন্বিত এখন প্ৰাচীন পুৰাণ। প্ৰবল পানীত যেতিয়া পৃথিৱী প্লাৱিত হয় বিষ্ণুৱে তেতিয়া মৎস্যৰূপ ধাৰণ কৰি নৌকাৰূঢ়

মনুক উদ্ধাৰ কৰে আৰু হিমালয়ৰ উচ্চশৃঙ্গত নৌকা বন্ধন কৰি তেওঁক প্লাৱনৰ পৰা ৰক্ষা কৰে। এই প্ৰাচীন কাহিনীৰ পৰাই মৎস্যপুৰাণ আৰম্ভ। মনু আৰু মৎস্যৰ কথোপকথনেই এই পুৰাণৰ বিষয়বস্তু। ইতিহাসৰ তথ্যসমূহ এই পুৰাণৰ পৰা যথেষ্ট পোৱা যায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ঃ প্ৰাচীন ভাৰতবৰ্ষত ৰচিত হোৱা কেইখনমান বাস্তুশাস্ত্ৰৰ নাম লিখক।

.....

প্ৰশ্ন নং ৬ঃ 'বাস্তু' শব্দৰ অৰ্থ কি?

.....

প্ৰশ্ন নং ৭ঃ 'সমৰাঙ্গনসূত্ৰধাৰ' গ্ৰন্থখনৰ ৰচয়িতা কোন আৰু ইয়াত কেইটা পৰিচ্ছেদ আছে?

.....

প্ৰশ্ন নং ৮ঃ 'শিল্পৰত্নম্' গ্ৰন্থৰ ৰচক কোন?

.....

প্ৰশ্ন নং ৯ঃ 'যুক্তিকল্পতৰু' গ্ৰন্থত কেইটা অধ্যায় আছে?

.....

জানি থোৱা ভাল

প্ৰাচীন ভাৰতত স্থাপত্যবিদ্যা বা বাস্তুশাস্ত্ৰৰ চৰ্চ্চা হৈছিল। এই শাস্ত্ৰৰ ওপৰত অনেক গ্ৰন্থ ৰচিত হৈছিল। স্থপতিবিদ্যাৰ প্ৰধান উৎস হৈছে পুৰাণসমূহ। অধিকাংশ বাস্তুশাস্ত্ৰ খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পিছত ৰচিত। বাস্তুশাস্ত্ৰসমূহক প্ৰধানভাৱে তিনিভাগত বিভক্ত কৰিব পাৰি— ১) বাস্তুশাস্ত্ৰ, ২) শিল্পশাস্ত্ৰ বা মূৰ্ত্তিগঠন, ৩) চিত্ৰশাস্ত্ৰ।

৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- জ্যোতির্বিদ্যা কাক বোলে জানিব পৰা গ'ল। জ্যোতির্বিদ্যাৰ উৎস, লক্ষণ আৰু বিভিন্ন জ্যোতির্বিদ্যা বিষয়ক গ্ৰন্থৰ বিষয়ে জানিব পাৰিলে।
- সংস্কৃত সাহিত্যত দৃশ্য আৰু শ্ৰব্য কাব্যসমূহৰ উপৰিও বিজ্ঞানভিত্তিক (Scientific Literature) সাহিত্য ৰচিত হৈছিল। জ্যোতির্বিদ্যা আৰু বাস্তুবিদ্যা Scientific Literature বা বিজ্ঞানভিত্তিক সাহিত্যৰ অন্তৰ্গত।
- বাস্তুশাস্ত্ৰৰ প্ৰাচীন আচাৰ্যসকলৰ বিষয়ে জানিব পাৰিলে, 'বাস্তু' শব্দৰ অৰ্থৰ বিষয়ে অৱগত হ'ল।
- বাস্তুশাস্ত্ৰৰ উৎস আৰু বাস্তুশাস্ত্ৰৰ নাম আৰু কেইখনমান বাস্তুশাস্ত্ৰৰ চমু আভাস পোৱা হ'ল।
- বাস্তুশাস্ত্ৰৰ আভাস ব্ৰাহ্মণ, উপনিষদ আৰু পুৰাণসমূহত পোৱা যায়।
- চিত্ৰকলা, মূৰ্ত্তিশিল্প, বাস্তুবিদ্যা, ভাস্কৰ্য আৰু স্থাপত্যবিদ্যা এই সকলোবোৰ বাস্তুশাস্ত্ৰৰ অন্তৰ্গত।

৩.৮ অধিক জানিবলৈ

১) শৰ্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্ৰপ্ৰকাশ।

২) গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।

৩) Krishnamachariar. M. *'History of Classical Sanskrit Literature'*, New Delhi : MLBD.

৪) বন্দোপাধ্যায়, ধীৰেন্দ্ৰনাথ, দ্বিতীয় সংস্কৰণ (২০১৪); *'সংস্কৃত সাহিত্যৰ ইতিহাস'*, পশ্চিমবংগৰাজ্য পুস্তক পৰ্ষৎ ঃ কলকাতা।

৩.৯ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ যি গ্ৰন্থত গ্ৰহ, নক্ষত্ৰ সম্পৰ্কীয় বিভিন্ন তথ্যৰ উল্লেখ থাকে তাকে জ্যোতিৰ্বিদ্যা বোলে।

২নং প্ৰশ্নৰ উত্তৰ ঃ আৰ্যভট্টীয় সিদ্ধান্ত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মহাসিদ্ধান্ত, ১২টা অধ্যায়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ পঞ্চসিদ্ধান্তিকা, ইয়াৰ চাৰিটা খণ্ড আছে।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সমৰাঙ্গনসূত্ৰধাৰ, শিল্পৰত্নম্, যুক্তিকল্পতৰু।

৬নং প্ৰশ্নৰ উত্তৰ ঃ 'বাস্তু' শব্দৰ অৰ্থ 'নিবাস'।

৭নং প্ৰশ্নৰ উত্তৰ ঃ ভোজৰাজ, ৩৩টা পৰিচ্ছেদ আছে।

৮নং প্ৰশ্নৰ উত্তৰ ঃ গণপতি শাস্ত্ৰী।

৯নং প্ৰশ্নৰ উত্তৰ ঃ ২৩টা অধ্যায় আছে।

৩.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন (৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ বিজ্ঞানভিত্তিক সাহিত্য হিচাবে জ্যোতিৰ্বিদ্যাৰ উৎসৰ বিষয়ে লিখক।

খ) চুটি প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ জ্যোতিৰ্বিদ্যা কাক বোলে? জ্যোতিৰ্বিদ্যাৰ উদ্দেশ্য আৰু চৰ্চ্চাৰ বিষয়ে লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০টা শব্দৰ ভিতৰত)

প্ৰশ্ন ১ঃ সংস্কৃত সাহিত্যত ৰচিত হোৱা বাস্তুশাস্ত্ৰসমূহৰ বিষয়ে বহলাই লিখক।

*** ***** ***

অধ্যায় ৪ঃ প্রাচীন ভাৰতীয় সাহিত্যত পৰিৱেশবিদ্যা

অধ্যায় গাঁথনি

৪.১ উদ্দেশ্য
৪.২ পৰিচয়
৪.৩ বৈদিক সাহিত্যত পর্যাবৰণ চেতনা
৪.৪ ৰামায়ণত পর্যাবৰণ চেতনা
৪.৫ মহাভাৰতত পর্যাবৰণ চেতনা
৪.৬ পুৰাণ বাঙ্ময়ত পর্যাবৰণ চেতনা
৪.৭ অর্থশাস্ত্র আৰু স্মৃতি শাস্ত্রসমূহত পর্যাবৰণ চেতনা
৪.৮ সংস্কৃত কাব্যত পর্যাবৰণ চেতনা
৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৪.১০ অধিক জানিবলৈ
৪.১১ অগ্রগতিৰ খতিয়ান
৪.১২ আৰ্হি প্রশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- বৈদিক সাহিত্যত পর্যাবৰণ চেতনাৰ আভাস পাব পাৰিব
- ৰামায়ণত পর্যাবৰণ চেতনাৰ ওপৰত ধাৰণা লাভ কৰিব পাৰিব
- মহাভাৰতত পর্যাবৰণ চেতনাৰ আভাস পাব পাৰিব
- পুৰাণসমূহৰ পর্যাবৰণ সম্বন্ধীয় তথ্য পাব পাৰিব
- অর্থশাস্ত্র তথা স্মৃতি শাস্ত্রসমূহত পর্যাবৰণ সম্বন্ধীয় তথ্য আহৰণ কৰিব পাৰিব
- সংস্কৃত কাব্যত পর্যাবৰণ চেতনাৰ আভাস কিদৰে প্রতিফলিত হৈছে সেই সর্ম্পকে জ্ঞান লাভ কৰিব পাৰিব।

৪.২ পৰিচয়

এই অধ্যায়টোত বৈদিক সাহিত্য ৰাশিত প্রকৃতি তথা প্রকৃতিৰ উপাদানসমূহৰ প্রতি প্রাচীন মনীষীসকলৰ ধাৰণাৰ বিষয়ে জানিব পাৰিব। সমগ্র পৃথিৱীখনৰ স্থাৱৰ জঙ্গমাত্মক সকলো উপাদানৰ প্রতি উদাৰ দৃষ্টিভঙ্গীৰ আভাস পাব পাৰিব। বর্তমান পর্যাবৰণৰ চিন্তা-চর্চাৰ সৈতে সাদৃশ্য থকা অনেক পৰিৱেশ সম্বন্ধীয় তথ্য আদিকাব্য ৰামায়ণত বিচাৰি পাব পাৰিব। ৰামায়ণত বর্ণিত বন উপবন মুনিসকলৰ আশ্রম, নদ-নদী, তথা ঋতুসমূহৰ বর্ণনাত প্রকৃতি আৰু মানুহৰ সর্ম্পক গছ-গছনিৰ প্রতি সমাদৰ উদাৰ মনোভাৱ বুজিব পৰা যাব। তদানীন্তন সমাজখনৰ আচাৰ-ব্যৱহাৰৰ জৰিয়তে কিদৰে প্রকৃতিক উচ্চ স্থান দিয়া হৈছিল জানিব পাৰিব। মহাভাৰতৰ সুবিশাল কথা বস্তুৰ মাজে মাজে প্রকটিত হোৱা প্রকৃতি আৰু মানুহৰ সম্পর্ক গছ-গছনিৰ প্রতি সমাদৰ, উদাৰ মনোভাৱ বুজিব পৰা

যাব। তদানীন্তন সমাজখনৰ আচাৰ ব্যৱহাৰৰ জৰিয়তে কিদৰে প্ৰকৃতিক উচ্চ স্থান দিয়া হৈছিল জানিব পাৰিব। পুৰাণসমূহ বৃক্ষপূজন, বৃক্ষদান, পুখুৰীখনন আদি গুৰুত্ব প্ৰকাশিত হৈছে। কৌটিল্যৰ অৰ্থশাস্ত্ৰদিত গছ-গছনিৰ প্ৰতি সমাদৰ প্ৰকটিত হৈছে। সংস্কৃত কাব্য বিশেষকৈ মহাকবি কালিদাসৰ কাব্যকৃতিসমূহত ফুটি উঠা প্ৰকৃতি চিত্ৰণ অবগত হ'ব। প্ৰকৃতি জগতৰ প্ৰতি থকা পৰম আত্মীয়তাৰ নিদৰ্শন হিচাবে কালিদাসৰ কৃতিসমূহৰ ওপৰত আলোকপাত কৰাৰ সুবিধা লাভ কৰিব পাৰিব।

বৰ্তমান সমগ্ৰ বিশ্বতে পৰিৱেশ সম্বন্ধীয় চিন্তা চৰ্চাই অতি গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰা দেখা যায়। জনসংখ্যা বৃদ্ধি, উদ্যোগীকৰণ, প্ৰাকৃতিক সম্পদসূহৰ অবিবেচক ব্যৱহাৰ, প্ৰদূষণ ইত্যাদিয়ে সমগ্ৰ পৰিৱেশৰ তন্ত্ৰৰ ওপৰত প্ৰত্যক্ষ অথবা পৰোক্ষ প্ৰভাৱ পেলাইছে। যাৰ ফলত গোলকীয় উষ্ণতা বৃদ্ধি, বানপানী, খৰাং, অত্যাধিক বৃষ্টিপাত ভূমিস্খলন আদি নানা ধৰণৰ সমস্যাই দেখা দিছে। জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱৰ ফলশ্ৰুতিত প্ৰাকৃতিক ভাৰসাম্য বিঘ্নিত হৈছে আৰু মানুহৰ দৈনন্দিন জীৱন তথা জনস্বাস্থ্যৰ ওপৰত নেতিবাচক প্ৰভাৱ পৰা দেখা গৈছে। জলবায়ু পৰিৱৰ্তনে সৃষ্টি কৰা ক্ষতিসমূহলৈ লক্ষ্য কৰি ৰাষ্ট্ৰসংঘৰ দৰে অনুষ্ঠানসমূহে এক গোট হৈ জলবায়ু পৰিৱৰ্তনৰ প্ৰধান কাৰক সেউজগৃহ গেছ (Green House Gas) বিশেষকৈ কাৰ্বন-ডাই অক্সাইড নিৰ্গমন হ্ৰাস কৰিবলৈ ব্যৱস্থা হাতত লোৱা দেখা গৈছে।

আধুনিক বিশ্বত পৰিৱেশ সম্বন্ধীয় চিন্তা-চৰ্চাৰ আৰম্ভণি ঘটিছিল ১৯৭০ চনত। ধৰিত্ৰীৰ বুকুত পৰিদৃশ্যমান হোৱা বিসঙ্গতিবোৰৰ সমাধান বিচাৰি বিশ্বাসী সচেতন হৈ উঠিছিল। সেয়ে ১৯৭২ চনৰ জুন মাহৰ (৫-১৬) তাৰিখলৈ ছুইডেনৰ ৰাজধানী ষ্টকহমত ৰাষ্ট্ৰসংঘৰ উদ্যোগত 'কনফাৰেন্স অন হিউমেন এনভাইৰন'মেণ্ট (Conference on Human Environment) অনুষ্ঠিত হৈছিল। এই সম্মিলনতেই পৃথিৱীৰখনৰ পৰিৱেশ জীৱকুলৰ অনুকুলে ৰক্ষা কৰিবলৈ সংকল্প লোৱা হৈছিল আৰু ১৯৭৩ চনৰ পৰা ৰাষ্ট্ৰসংঘই ৫ জুন তাৰিখটো বিশ্ব পৰিৱেশ দিৱস হিচাবে পালিবলৈ সংকল্প লোৱা হৈছিল। ১৯৮৬ চনত Environment Protection Act (পৰিৱেশ সংৰক্ষণ অধিনিয়ম) ঘোষিত হয় আৰু এই প্ৰসঙ্গত এনভাইৰনমেণ্ট (Environment) শব্দটোৰ এটা সংজ্ঞা উপলব্ধ হয় — Environment includes water, air and land and the inter-relationship which exists among and between water, air and land and human beings, other living creatures, plants micro-organism and property.

ইংৰাজী ভাষাৰ 'Environment' শব্দটো ফৰাচী (French) ভাষাৰ Environner শব্দটোৰ পৰা লোৱা হৈছে। যাৰ অৰ্থ হৈছে to encircle or surround অৰ্থাৎ আৱৰি থকা বা চৌপাশ। গতিকে সৰল অৰ্থত আমাৰ চৌপাশে জৈৱ আৰু অজৈৱ যিবোৰ উপাদান আছে, যিবোৰৰ মাজত থকা পাৰস্পৰিক সম্পৰ্কই জীৱক প্ৰভাৱান্বিত কৰে তাকেই পৰিৱেশ বুলি ক'ব পৰা যায়। পৰিৱেশক দুই ধৰণে চাব পৰা যায়---- প্ৰাকৃতিক পৰিৱেশ আৰু মানৱসৃষ্ট পৰিৱেশ। বায়ু, পানী, মাটি, গছ-গছনি, পৰ্বত-পাহাৰ, নদী, নিজৰা, জলাশয়, জীৱ-জন্তু, কীট-পতঙ্গ, চৰাই-চিৰিকতি ইত্যাদি উপাদানসমূহ প্ৰাকৃতিক পৰিৱেশ। আনহাতে ঘৰ-দুৱাৰ, প্ৰযুক্তি বিদ্যা, যাতায়ত, উদ্যোগীকৰণ ইত্যাদি মানৱ সৃষ্টি পৰিৱেশ।

বৰ্তমান সময়ত জনসাধাৰণৰ মাজত পৰিৱেশ সম্বন্ধীয় সচেতনতা জাগ্ৰত কৰিবলৈ বিভিন্ন উপায় হাতত লোৱা হৈছে। ব্ৰাজিলৰ ৰাজধানী ৰি অ'ভা জেনেকিঅ'ত ১৯৯২ চনত অনুষ্ঠিত হোৱা (World submit on Earth) আৰু তাৰ পিছত ২০০২ চনত জোহান্সবাৰ্গত অনুষ্ঠিত হোৱা বহনক্ষম উন্নয়নৰ বিশ্ব সম্মিলনত (Earth conference) ত পৰিৱেশ আৰু পৰিৱেশ প্ৰদূষণৰ বিষয়ে আলোচনা কৰা হয়। এই সকলোবোৰ অনুষ্ঠান তথা আইন প্ৰণয়নৰ উদ্দেশ্য হৈছে পৰিৱেশ সম্বন্ধে জনগণৰ মাজত সচেতনতা জাগৃত কৰা আৰু মানুহ আৰু প্ৰকৃতিৰ

মাজত থকা সৌহাৰ্দ্যপূৰ্ণ সম্বন্ধ অটুট ৰখা। জীৱশ্ৰেষ্ঠ মানুহেই পৃথিৱীখনক ৰক্ষা কৰিব লাগিব। প্ৰাকৃতিক ভাৰসাম্যতা ৰক্ষা কৰি উত্তম পুৰুষৰ বাবে এখন সুন্দৰ বাসোপযোগী ধৰণী আগৰঢ়াই থৈ যাব লাগিব। সেয়ে সমগ্ৰ বিশ্ব প্ৰকৃতিৰ প্ৰতি সহমত্ব ভাৱ জাগৃত কৰিবলৈ প্ৰাচীন ভাৰতীয় ঐতিহ্যৰ বাহক স্বৰূপ সংস্কৃত ভাষাতে সিঁচৰিত হৈ থকা পৰিৱেশ সম্বন্ধীয় সচেতনতাৰ সৈতে সম্পৃক্ত কথাবোৰৰ প্ৰমূল্য অনুধাৱন কৰাটো অতি প্ৰয়োজনীয় হৈ পৰিছে। মন কৰিবলগীয়া কথা এয়ে যে সুদূৰ অতীতত বৰ্তমানৰ দৰে পৰিৱেশৰ ওপৰত চিন্তা চৰ্চা কৰা হোৱা নাছিল যদিও স্বাভাৱিকভাৱে প্ৰকৃতিৰ সৈতে মানুহৰ অবিচ্ছেদ্য সম্বন্ধ আছিল। প্ৰকৃতিৰ নিৰ্মল পৰিৱেশত মানুহৰ স্বাভাৱিক জীৱন যাত্ৰা চলিছিল। প্ৰকৃতিৰ অপৰিসীম দানক মানুহে শ্ৰদ্ধাপূৰ্বক গ্ৰহণ কৰিছিল। সেয়ে বৰ্তমান সময়ত বিশ্বৰ জনগণৰ অন্তৰত প্ৰকৃতিৰ প্ৰতি পুনৰ সহৃদয়তা সৃষ্টি কৰিবলৈ ভাৰতীয় ঐতিহ্যৰ বাহক স্বৰূপ সংস্কৃত সাহিত্যৰ পৰিৱেশ সজাগতাৰ সৈতে সম্পৃক্ত বৰ্ণনাবোৰ দৃষ্টিগোচৰ কৰা অতি প্ৰয়োজন হৈ পৰিছে।

৪.৩ বৈদিক সাহিত্যত পৰ্যাবৰণ চেতনা

ভাৰতীয় সভ্যতা সংস্কৃতিৰ বাহক স্বৰূপ সংস্কৃত সাহিত্যত প্ৰকৃতিক অতি উচ্চ স্থান দিয়া হৈছিল। বিশ্ব প্ৰকৃতিৰ অনিন্দ্য সুন্দৰ দৃশ্যত বিমুগ্ধ হৈ কেতিয়াবা আকৌ প্ৰকৃতিৰ ধুমুহা-গজনি, বিজুলী ইত্যাদি ভয়ংকৰ ৰূপত ভীত হৈ প্ৰাচীন ভাৰতীয় মনীষীসকলে প্ৰকৃতিৰেই বিভিন্ন উপাদানত দেৱত্ব আৰোপ কৰি স্তুতি কৰিছিল। সেয়েহে বৈদিক সাহিত্যত বিশেষকৈ ঋগ্‌বেদত অগ্নি, ইন্দ্ৰ, বায়ু, বৰুণ, সূৰ্য্য, মৰুৎ, ৰুদ্ৰ, সৱিতা, ঊষা, পৃথিৱী, ৰাত্ৰি, সৰস্বতী আদি দেৱ-দেৱীসকলৰ স্তুতিমূলক মন্ত্ৰসমূহ উপলব্ধ হয়, যিবোৰ প্ৰকৃতাৰ্থত বিশ্ব প্ৰকৃতিৰেই একো একোটা উপাদান। নিৰুক্তকাৰ যাস্কই বেদৰ দেৱতা মণ্ডলীক বাসস্থান ভেদে তিনি ভাগত বিভক্ত কৰিছে— ভূলোকৰ দেৱতা, অন্তৰীক্ষৰ দেৱতা আৰু দ্যুলোকৰ দেৱতা। এই বিভাগ অনুসৰি অগ্নি, অপ্, পৃথিৱী আৰু সোম ভূলোকৰ দেৱতা। ইন্দ্ৰ, বায়ু, ৰুদ্ৰ, মৰুৎ, অপাংনপাৎ (বিদ্যুৎ) পৰ্জন্য প্ৰভৃতি অন্তৰীক্ষস্থানীয় দেৱতা আৰু সূৰ্য্য,মিত্ৰ, বৰুণ, দ্যৌ, পূষা, সাৱিতা, অশ্বিনীযুগল, ঊষা, ৰাত্ৰি প্ৰভৃতি দ্যুলোক স্থানীয় দেৱতা। এই তিনি শ্ৰেণীৰ ভিতৰত একো একোজন প্ৰধান আৰু সেই শ্ৰেণীৰ অন্যান্য দেৱতাসকল সেই প্ৰধান দেৱতাৰেই ভিন্ন অভিব্যক্তি। ভূলোকৰ দেৱতাৰ ভিতৰত অগ্নি প্ৰধান, দ্যুলোকত সূৰ্য্য প্ৰধান আৰু অন্তৰীক্ষলোকৰ ভিতৰত হৈছে ইন্দ্ৰ বা বায়ু প্ৰধান দেৱতা। বৰ্তমান পৰ্য্যাবৰণৰ দৃষ্টিৰেও এই উপাদনসমূহৰ প্ৰাধান্যতা অনস্বীকাৰ্য্য। প্ৰকৃতিৰ এই উপাদানসমূহৰ দেৱত্ব আৰোপ কৰি এখন সুন্দৰ সুখময় ধৰণীৰ কথা তেওঁলোকে কল্পনা কৰিছিল। য'ত বতাহ, বৃষ্টি, সূৰ্য্যৰ উত্তাপ ইত্যাদিৰ সুষম সমন্বয় কল্পনা কৰা হৈছিল। আধুনিক পৰ্য্যাবৰণৰ প্ৰেক্ষাপটত এই সচেতনতা অতি গুৰুত্বপূৰ্ণ বুলি কোৱা হয়। প্ৰসঙ্গক্ৰমে উল্লেখ কৰিব পৰা যায় যজুৰ্বেদৰ এফাঁকি মন্ত্ৰত কোৱা হৈছে যে বায়ু আমাৰ বাবে কল্যানময় ৰূপত প্ৰবাহিত হওঁক, সূৰ্য্যই আমাৰ বাবে মঙ্গলময় ৰূপত উত্তাপ দিয়ক আৰু গৰ্জনকাৰী পৰ্জন্যদেৱেও আমাৰ বাবে কল্যাণময় বৃষ্টি প্ৰদান কৰক --

শং নো ৱাত ঃ পৱতাক্ষ শং নস্তপতু সূৰ্য্যঃ।
শং নঃ কণিক্ৰদদ্দেৱ ঃ পৰ্জন্যো অতি বৰ্ষতু।। (যজুৰ্বেদ ৩৬.১০)

ইংৰাজী 'Environment' শব্দই যি অৰ্থসূচায় তেনে অৰ্থ সূচক শব্দ বৈদিক সাহিত্যত উপলব্ধ হয়। অথৰ্ববেদত 'বৃতাবৃতা' (অথৰ্ববেদ ১২.১.৫২), 'অভীবাৰঃ' (অথৰ্ববেদ ১.৩২.৪) 'আবৃত'ঃ (অথৰ্ববেদ ১০.১.৩০) আৰু 'পৰিবৃত'ঃ (অথৰ্ববেদ ১০.৮.৩১) এই শব্দসমূহ পৰ্যাবৰণ শব্দৰ পৰ্যায়বাচক শব্দ বুলি ক'ব পৰা যায়।

পৰ্যাবৰণৰ সৈতে প্ৰত্যক্ষ সম্বন্ধ থকা মাটি পানী আৰু বায়ু এই তিনিওটাৰে অতি গুৰুত্বপূৰ্ণ স্থান দেখা যায় বৈদিক মন্ত্ৰসমূহত। পৃথিৱীখন সমগ্ৰ জীৱ জগত, জড় জগত, তৰু-তৃণ পৰ্বত-পাহাৰ নদ-নদী, নিজৰা, জলাশয়

ইত্যাদি সকলোৰে আশ্রয়স্বৰূপা বুলি বৈদিক মনীষীসকলে অনুভৱ কৰিছিল। পৃথিৱীখনক স্তুতি কৰাৰ উপৰিও আকাশ আৰু পৃথিৱীক একেলগে 'ৰোদসী' 'দ্যাবাপৃথিৱী' বুলি অভিহিত কৰা দেখা যায়। অথর্ববেদৰ 'পৃথিৱী সূক্ত' (অথর্ববেদ, ১২.১) সুপ্রসিদ্ধ সূক্তটিৰ মন্ত্রসমূহত পৃথিৱীক অতি উচ্চ স্থান দিয়া হৈছে। এই সূক্তৰ এফাঁকি মন্ত্রত কোৱা হৈছে যে এই পৃথিৱীত সমুদ্র, নদী আৰু জলৰাশি বিদ্যমান। ইয়াত সকলো প্রাণী বিদ্যমান, সকলোৰে আনন্দৰে বর্তি আছে, সকলোৰে বিচৰণ কৰে, সেয়ে ভূমি সর্বপ্রথম স্থানত প্রতিষ্ঠিত কৰিব লাগে।

য়স্যাং সমুদ্র উত সিন্ধুৰাপো
যস্যামন্নং কৃষ্টয়ঃ সংবভূবুঃ।
য়স্যামিদং জিন্বতি প্রাণদেজৎ
সা নো ভূমি পর্বপেয়ে দধাতু।।
(অথর্ববেদ ১২.৩)

পৃথিৱীসূক্তৰে এটি মন্ত্রত পৃথিৱীখনক মাতৃ আৰু মানুহক পুত্র জ্ঞান কৰা হৈছে -- "মাতা ভূমিঃ পুত্রোহং পৃথিব্যাঃ" (অথর্ববেদ ১২.১২) আধুনিক পৰিৱেশ সুৰক্ষাৰ প্রেক্ষাপটত এই বাক্যশাৰীৰ মহৎ তাৎপর্য্য আছে বুলি সকলোৰে স্বীকাৰ কৰে। কিয়নো পৃথিৱীখনক মাতৃজ্ঞান কৰা জনে অবিবেচক হৈ পৃথিৱীৰ সম্পদসমূহৰ ধ্বংস কার্যত হাত দিব নোৱাৰে। তেনেদৰে ঋগ্বেদৰ এফাঁকি মন্ত্রত দ্যৌ অর্থাৎ আকাশক পিতৃ আৰু পৃথিৱীক মাতৃ আৰু বন্ধু বুলি কোৱা হৈছে (ঋগ্বেদ ১৬৪.৩৩) পৃথিৱীখনক সকলোকে ধাৰণ কাৰিণী 'বিশ্বম্ভৰা' ধন সম্পদৰ ধাৰণ কাৰিণী 'বসুধানী' 'স্বর্ণগর্ভা' তথা সকলোকে সুখদায়িনী "নিবেশেণী" বুলি অভিহিত কৰি স্তুতি কৰা দেখা যায় (অথর্ববেদ ১২১.৬) এই সূক্তত সেইদৰে এটা মন্ত্রত পৃথিৱীখনৰ বুকুত মাটি খন্দাৰ বাবে ক্ষমা প্রার্থনা কৰা হৈছে (অথর্ববেদ ১২.১ ৩৫-২২) এইদৰে দেখা যায় প্রাচীন মনীষীসকলৰ পৃথিৱীখনৰ প্রতি এক উদাৰ আৰু সহমমত্বভাৱৰ সুন্দৰ দৃষ্টিভঙ্গী।

পানীয়েই প্রাণীৰ প্রাণ বুলি প্রাচীন মনীষীসকলে জানিছিল সেয়েহে বেদৰ মন্ত্রসমূহত পানীক যথেষ্ট গুৰুত্ব প্রদান কৰি স্তুতি কৰা হৈছিল। ঋগ্বেদৰ সপ্তম মণ্ডলৰ এটি মন্ত্রত পানীৰ পাঁচ প্রকাৰ ৰূপৰ কথা কোৱা হৈছে -- 'দিব্যা' (যি বৰষুণৰ পানী), 'স্রৱন্তী' (স্বাভাৱিকভাৱে বৈ অহা পানী), 'খনিত্রিমা' (খনন কৰা পানী) 'স্বয়ংজা' (যি স্বয়ংজাত), 'সমুদ্রার্থা' (অর্থাৎ সমুদ্রলৈ যোৱা নদীৰ পানী) --

য়া আপো দিব্যা উত ৱা স্রৱন্তি খনিত্রিমা উত ৱা যাঃ স্বয়ংজাঃ।
সমুদ্রার্থাঃ য়াঃ শুচয়ঃ পাৱকাস্তা আপো দেৱীৰিহ মামৱন্তু।।
(ঋগ্বেদ ৭-৪৯-২)

তেনেদৰে যজুর্বেদৰ এফাঁকি মন্ত্রতো বিভিন্ন ৰূপত থকা জল যেনে- সূর্য্যক কিৰণত থকা জল, স্থিত জল, নিজৰি থকা জল, প্রবাহমান জল, কুঁৱাৰ জল, বৰষুণৰ জল, ধাৰণৰ যোগ্য জল, সমুদ্রৰ জল, বায়ুস্থ অথবা মধ্যস্থ জলৰ উদ্দেশ্যে আহুতি প্রদান কৰা বুলি কোৱা হৈছে (যজুর্বেদ ২২.২৫) অথর্ববেদৰ মন্ত্রসমূহতো পানীৰ ঔষধিগুণৰ কথা স্পষ্টকৈ উল্লেখ কৰা হৈছে। উদাহৰণ স্বৰূপে এফাঁকি মন্ত্রত পানীক 'অমৃত' আৰু 'ভেষজ' বুলি অভিহিত কৰা হৈছে-- 'অপ্সুহন্তৰমৃতপ্সু ভেষজম্" (অথর্ববেদ ১.৪.৪)। ঋগ্বেদতো এফাঁকি মন্ত্রত কোৱা হৈছে পানীত অমৃত আছে, পানীত ঔষধি আছে, হে ঋত্বিকগণ পানীত প্রশংসাত উদ্যমী হোৱা --

অপস্বন্তৰমৃতপ্স ভেষজস্ পামুত প্রশস্তয়ে। দেৱার্ভৱত ৱাজিনঃ ।। (ঋগ্বেদ ১.২৩.১৯) ছান্দোগ) উপনিষদতো পানীৰ গুৰুত্ব তথা প্রশস্তিমূলক বর্ণনা উপলব্ধ হয়। ইয়াত কোৱা হৈছে যে পৃথিৱী, অন্তৰীক্ষ, দ্যুলোক, পর্বত, দেৱতা মনুষ্য, পশু-পক্ষী তৰুতৃণ, কীট-পতঙ্গ ইত্যাদি সকলো পানীৰেই ৰূপ, সেয়ে পানীক উপাসনা কৰিব লাগে। (ছান্দোগ্য উপনিষদ্ ৭.১০.১০)।

বায়ুৰেই জীৱগণক জীয়াই ৰাখে বুলি বৈদিক যুগৰ মনীষীসকলৰ জ্ঞাত আছিল। সেয়ে বায়ুৰ স্তুতিমূলক অনেক বর্ণনা উপলব্ধ হয়। বায়ু সুখময় আৰু ভেষজযুক্ত হোৱাটো কামনা কৰিছিল (ঋগ্‌বেদ ১০.১৮৬.১) বায়ুক পিতৃ, ভ্রাতৃ আৰু সখা হ'বলৈ প্রার্থনা কৰা হৈছিল। 'উত ৰাত পিতাসি ন উত ভ্রাতোত নঃ সখা। (ঋগ্‌বেদ ১০.১৮৬.২) ঋগ্‌বেদত অন্য এফাঁকি মন্ত্রত বায়ুক দেৱতাসকলৰ প্রাণস্বৰূপ, ভূৱনৰ গর্ভস্বৰূপ বুলি কোৱা হৈছে আৰু এই বায়ু ৰূপহীন কিন্তু শ্ৰৱনযোগ্য বুলি কোৱা হৈছে। (ঋগ্‌বেদ ১০. ১৬৮.৪) ঋগ্‌বেদত উপলব্ধ এফাঁকি অতি প্রসিদ্ধ মন্ত্রত বতাহ মধুময় হোৱাৰ বাবে প্রার্থনা কৰা হৈছে, নদীবোৰ মধুময় হৈ পৰক তেনেকৈ বনস্পতিসমূহো মধুময় হোৱাৰ বাবে স্তুতি কৰা হৈছে--

মধু ৰাতা ঋতায়তে মধু ক্ষৰন্তি সিন্ধবঃ।
মাধ্বীর্নঃ সন্তোষধীঃ।।

(ঋগ্‌বেদ ১০.৯০.৬)

বর্তমান পৰিৱেশ সজাগতা সম্বন্ধীয় চিন্তা চর্চাৰ সৈতে অতি প্রাসঙ্গিক হৈ পৰা পৰৱর্তী মন্ত্র দুফাঁকিত প্রার্থনা কৰা হৈছে যে ৰাতি আৰু পুৱাবেলা আমাৰ বাবে মধুময় হওঁক, পৃথিৱীৰ ধূলি বালি মধুময় হওঁক, দ্যৌ (আকাশ) পিতা আমাৰ বাবে মধুময় হওঁক তেনেদৰে পৰৱর্তী মন্ত্রটোত গছ-গছনিবোৰ মধুময় হৈ পৰক, সূর্য্যৰ ৰশ্মি মধুময় হওঁৰ আৰু গাই গৰুৰ দুগ্ধ মধুময় হৈ উঠক ---

মধু নক্তমুতোষসো মধুমৎ পার্থিৱং ৰজঃ।
মধু দ্যৌৰস্তু নঃ পিতা
মধুমান্নো বনস্পতি মধু মাঁ অস্তু সূর্য্যঃ
মাধ্বী গাৱো ভৱন্তু নঃ।।

বর্তমানৰ দৰে প্রদূষিচ বায়ুৰ কথা কল্পনাৰো অগোচৰ আছিল যদিও সুবিমল বায়ু সেৱন কৰাটো সুন্দৰ জীৱনৰ বাবে অপৰিহার্য্য বুলি অনুভৱ কৰিছিল।

বায়ু মণ্ডলৰ ভাৰসাম্য ৰক্ষণত পর্বত, জল, বায়ু, বৃষ্টি আৰু অগ্নিৰ সমন্বয়ৰ বিষয়ে অথর্ববেদত (৩.২১.১০) এফাঁকি মন্ত্র উপলব্ধ হয় --

য়ে পর্বতাঃ সোমপৃষ্ঠা আপ উত্তানশীৱরী।
ৰাতঃ পর্জন্য আদগ্নিস্তে ক্রব্যাদমশীশমন্।।

অথর্ববেদৰ আন এটি মন্ত্রত পর্য্যাবৰণৰ ভাৰসাম্য ৰক্ষা কৰিবলৈ প্রয়োজনীয় উপাদান অগ্নি, সূর্য্য, চন্দ্র, পৃথিৱী, জল, আকোশ, অন্তৰীক্ষ দিশ, ঋতু আদি সকলোকে ৰক্ষক হ'বৰ বাবে প্রার্থনা কৰা হৈছে --

অগ্নিঃ সূর্য্যশ্চন্দ্রমা ভূমিৰাপো দ্যৌৰন্তৰিক্ষং প্রদিশো দিশশ্চ
আর্তৱা ঋতুভিঃ সংবিদানা অনেন মা ত্রিৱৃতা পাৰয়ন্তু।।

(অথর্ববেদ ৫-১৮-২)

অথর্ববেদৰ আন এফাঁকি মন্ত্রত (১৮-১.১৭) জগৎ প্রক্রিয়া বর্তি থাকিবলৈ অত্যন্ত অপৰিহার্য্য উপাদান জল, বায়ু আৰু ঔষধিক 'ছন্দাংসি' শব্দেৰে অভিহিত কৰা দেখা যায়--

ত্রীণি ছন্দাংসি কৱয়ো ৱি য়েতিৰে পুৰুৰূপং দর্শতং বিচক্ষণম্।
আপো ৰাতা ঔষধয়স্তান্যোকস্মিন্ ভূৱণ অর্পিতানি।।

মনকৰিব লগীয়া যে পানীৰ বিশুদ্ধতা সম্পর্কেও সেই সময়ৰ সমাজখন সচেতন আছিল। আৰণ্যকৰ এঠাইত কোৱা হৈছে যে জলত মূত্র বিসর্জন, মলত্যাগ থু পেলোৱা অথবা নির্বস্ত্র হৈ স্নান কৰিব নালাগে -- নাপ্‌সূ মূত্রপুৰীষং কুর্য্যাৎ, ন নিষ্ঠিৱেৎ, ন বা ৱিৱসনঃ স্নায়েৎ (তৈত্তিৰীয় আৰণ্যক ১.২৬.৫-৭, ঐতৰেয় উপনিষদৰ

এঠাইত কোৱা হৈছে যে পৃথিৱী, বায়ু, আকাশ, জল আৰু আগ্নি -- এই পঞ্চ মহাভূতেই সমস্ত স্থাৱৰ জঙ্গমাত্মক বিশ্বক আৱৰি আছে। অণ্ডজ, জৰায়ুজ, স্বেদজ, উদ্ভজ, আশ্ব, গো, মনুষ্য, হাতী পত্রি (আকাশত বিচৰণ কৰা) সকলো পঞ্চ মহাভূতৰ অধীন।

বৈদিক যুগৰে পৰা ভাৰতীয় সংস্কৃতিত বৃক্ষ পূজাই অতি গুৰুত্বপূর্ণ স্থান পাই আহিছে। গছ-গছনিৰ ডাল পাত ফুল আদি পূজা-পাতলত ব্যৱহাৰ কৰা হয়। বহুতো গছত দেৱতাৰ বাসস্থান বা প্রিয় স্থান বুলি শ্রদ্ধা জনোৱা হয়। বৃক্ষ দান, বৃক্ষৰোপণ আদিক অতি পৱিত্র কর্ম বুলি গণ্য কাৰ হয়। বৈদিক সাহিত্যৰ পাছৰ যুগৰ মহাকাব্য পুৰাণদিত বৃক্ষ-পূজন, বৃক্ষৰ মাহাত্ম্য, বৃক্ষদান, বৃক্ষৰোপণ আদিৰ সুবিস্তৃত বর্ণনা উপলদ্ধ হয়। বৃক্ষসমূহৰ ওষধিগুণৰ বিষয়ে বৈদিক সাহিত্যত বহুলভাৱে বর্ণিত হৈছে। বিশেষকৈ অথর্ববেদত বিভিন্ন ৰোগৰ উপশমৰ বাবে বিভিন্ন গছৰ উপকাৰিতাৰ বিষয়ে বর্ণনা উপলব্ধ হয়। যজ্ঞ প্রধান বৈদিক সমাজখনত যজ্ঞত ব্যৱহৃত হোৱা গছৰ ডাল পাত ফুল ইত্যাদিৰ বর্ণনাবোৰ প্রত্যক্ষ অথবা পৰোক্ষভাৱে পর্যাৱৰণ সম্বন্ধীয় সচেতনাৰ উপাদান হোৱাৰ যোগ্য বুলি ক'ব পৰা যায়। পূজা-পাতল যাগ-যজ্ঞ আদিও ব্যৱহৃত বহুতো গছ-গছনিৰ উল্লেখ বৈদিক সাহিত্যত বর্ণিত হোৱা দেখা যায়। এই প্রসঙ্গত ঋগ্‌বেদৰ ওষধি সূক্ত (ঋগ্‌বেদ ১০.৯৭) ৰ কথা বিশেষভাৱে উল্লেখ কৰিব পৰা যায় য'ত ওষধি বৃক্ষসমূহক দেৱতা জ্ঞান কৰি ৰোগ নিৰাময় কৰিবলৈ স্তুতি কৰা হৈছে। এই প্রসঙ্গত অশ্বত্থ বৃক্ষৰ প্রশংসামূলক এফাঁকি মন্ত্র উল্লেখ কৰিব পৰা যায় য'ত কোৱা হৈছে যে অশ্বত্থ বৃক্ষ ঔষধি দেৱতাসকলৰ বাসস্থান --

অশ্বত্থে ৱো নিষদনং পণে ৱোৱসতিষ্কৃতা।
গোভাজ ইৎ কিলাসথ য়ৎ সনৱথ পুৰুষম্।।

(ঋগ্‌বেদ ১০.৯৭-৫)

উল্লেখনীয় যে যজুর্বেদতো উক্ত মন্ত্রসমূহ উপলদ্ধ হয় আৰু ওষধি বৃক্ষসমূহৰ ৰোগ উপশম শক্তিক শ্রদ্ধা জনোৱা হৈছে। এই প্রসঙ্গতে ক'ব পৰা যায় যে বৃক্ষসমূহৰ মাজত থকা বিভিন্ন শ্রেণী যেনে - ফল থকা, ফল নথকা, ফুল থকা বা ফুল নথকা গছসমূহৰ ওষধি গুণক গুৰুত্ব দিয়া হৈছিল --

য়াঃ ফলিনীর্য়া অফলা অপুষ্পা যাশ্চ পুষ্পিণী
বৃহস্পতি প্রসূতাস্তা নো মুঞ্চান্ত্বাংহসঃ।।

(ঋগ্‌বেদ ১০.৯৭.১৫)

ওষধি গছসমূহ প্রয়োজনার্থে ব্যৱহাৰ কৰা হৈছিল যদিও সেইসমূহৰ শিপা খন্দা বাবে ক্ষমা প্রার্থী হৈ খনন কর্তাক বিনষ্ট নকৰিবলৈ প্রার্থনা কৰা দেখা যায় --

মা ৱো ৱিষৎ খনিতা য়স্মৈ চাহং খনামি ৱঃ।
দ্বিপাচ্চতুষ্পাদস্মাকং সর্বমস্ত্বনাতুৰম্।।

অথর্ববেদত বিভিন্নৰোগৰ উপশমৰ বাবে বিভিন্ন ওষধি গছৰ নাম উপলদ্ধ হয়। এই প্রসঙ্গত উদাহৰণ স্বৰূপে অথর্ববেদৰ বনস্পতি সূক্ত (অথর্ব ৪.১২) ৰ কথা উল্লেখ কৰিব পৰা যায়। নামৰ বনস্পতিক ইয়াত ভগা হাড় জোৰা লগাবলৈ, মজ্জাৰ সৈতে মজ্জা মাংসৰ সৈতে মাংস লগ লগাবলৈ স্তুতি কৰা হৈছে। এনে বর্ণনাৰ পৰা সেইবিধ বনস্পতি ঔষধি গুণৰ কথা জানিব পৰা যায়। প্রসঙ্গক্রমে সেই গছসমূহৰ পৱিবর্দ্ধন আৰু সংৰক্ষণ কৰা হৈছিল বুলি বুজিব পৰা যায়। বৈদিক সংস্কৃতিৰ প্রবাহৰ ফলস্বৰূপে বর্তমানেও হিন্দু সমাজত উদুম্বৰ, খদিৰ, বিল্ব, পলাশ, ন্যগ্রোধ (বট) ইত্যাদি গছৰ ধার্মিক ক্রিয়ানুর্জানত বিশেষভাৱে ব্যৱহাৰ হোৱা দেখা যায়। উদাহৰণ স্বৰূপে উদুম্বৰ (ঋগ্‌বেদ ১৯.৩১.১), খদিৰ (অথর্ববেদ ৩.৬.১), বিখ (অথর্ববেদ ২০.১৩৬.১৫), পলাশ (শতপথ ব্রাহ্মণ ১৩.২০.১৩৬.১৫), ন্যগ্রোধ বা বট (ঋগ্‌বেদ ১.২৪.৭), (অথর্ববেদ ৪.৩৭.৪) গছৰ উল্লেখ উপলব্ধ হয়। তেনেদৰে দুধা, তিল, ধান্য, হৱিদ্রা, ইত্যাদি তৃণ তথা শস্য সমূহৰো উল্লেখ তথা প্রমূল্যসমূহ বৈদিক সমাজত

বিদ্যামান আছিল যিবোৰ বর্তমানেও দৈনন্দিন জীৱনত ব্যৱহৃত হৈ আছে। বর্তমান পর্যাবৰণ সম্বন্ধীয় চিন্তাৰ প্রসঙ্গতো এইধৰণৰ বর্ণনাৰ প্রাসঙ্গিকতা আছে কিয়নো যিবোৰ গছ-গছনি জন মানসত শ্রদ্ধেয় হিচাবে স্বীকৃত সেইবোৰৰ ধ্বংস তথা বিলুপ্তি নঘটে। গতিকে স্বাভাৱিকভাৱে সেই গছসমূহৰ সংৰক্ষণ অথবা পৰিপালন পৰম্পৰা ক্রমে বিদ্যমান হৈ আছে আৰু এক প্রাকৃতিক ভাৰসাম্য যুক্ত ধৰণীৰ ধাৰণাতে অৰিহনা যোগাই আহিছে।

বৈদিক সংস্কৃতি যজ্ঞ কেন্দ্রিক আছিল। যজ্ঞকেই শ্রেষ্ঠ কর্ম বুলি কোৱা হৈছিল। যজ্ঞকেই এই বিশ্বৰ নাভি বুলি ঋগ্বেদত কোৱা হৈছিল --

অয়ং যজ্ঞো ভুৱনস্য নাভিঃ (ঋগ্বেদ ১.১৬৪.৩৫) শতপথ ব্রাহ্মণত যজ্ঞকেই শ্রেষ্ঠতম কর্ম বুলি কোৱা হৈছে - যজ্ঞো ৱৈ শ্রেষ্ঠতমং কর্ম (শতপথ ব্রাহ্মণ ১.৭.১.৫) য়জ্ঞৰ দ্বাৰাই সৃষ্টি কর্ম প্রবাহিত হৈ থকা বুলি বিশ্বাস কৰা হৈছিল। যজ্ঞত প্রদত্ত আহুতি দ্রব্য যেনে- ঘি, তিল, তণ্ডুল, দুধা, পুষ্প, সমিধ, আম্র ইত্যাদিৰ পৰা নির্গত ধোৱাই বায়ুমণ্ডল বিশুদ্ধ কৰে বুলি আধুনিক বিজ্ঞানীসকলেও মন্তব্য আগবঢ়াইছে। জীৱন শৈলীৰ মূলতে যজ্ঞ সংস্কৃতি আছিল। সৃষ্টি প্রক্রিয়াৰ সৈতে যজ্ঞানুষ্ঠানৰ অৱদান আছিল বুলি বৈদিক ঋষিসকলে অনুভৱ কৰিছিল। ...সোর্য্য আয়ু, প্রাণ, তথা শৰীৰৰ অঙ্গপ্রত্যঙ্গসমূহৰ শ্রীবৃদ্ধিৰ বাবে যজ্ঞত আহুতি প্রদান কৰিছিল--

আয়ুর্যজ্ঞেন কল্পতাং প্রাণোযজ্ঞেন কল্পতাং
চক্ষুর্য়াজ্ঞেন কল্পতাং শ্রোত্রং যজ্ঞেন কল্পতাম্

(শুক্লযজুর্বেদ ৯.২১)

পৰবর্তীকালত শ্রীমদ্ভগৱদ্গীতাতো যজ্ঞ কর্মৰ উপকাৰৰ সুবিস্তৃত বর্ণনা উপলব্ধ হয়। সমস্ত প্রাণীগণৰ জীৱনধৰাণ তথা বায়ুমণ্ডলৰ মেঘ, বৰষুণ, সকলো যজ্ঞ কর্মৰ সৈতে যুক্ত। এই সন্দর্ভত শ্রীমদ্ভগৱদ্গীতাৰ বাণী উপলব্ধ হয় যে জীৱসমূহ অন্নৰ পৰা সৃষ্টি হয়, মেঘ (বৰষুণ) ৰ পৰা অন্নৰ উৎপত্তি আৰু পর্জ্জন্য যজ্ঞৰ পৰা সৃষ্টি হয় --

অন্নদ্ভৱন্তি ভূতানি পর্জ্জন্যাদন্নসম্ভৱঃ।
যজ্ঞাদ্ভৱতি পর্জ্জন্যো যজ্ঞঃ কর্মসমুদ্ভৱঃ।।

(শ্রীমদ্ভগৱদ্ভৱতা ৩.১৪)

সেইদৰে 'পঞ্চমহাযজ্ঞ'ৰ প্রসঙ্গতো পর্য্যাবৰণ সম্বন্ধীয় চেতনাৰ প্রসঙ্গতো পর্যাবৰণ সম্বন্ধীয় চেতনাৰ প্রসঙ্গ বিচাৰি চাব পৰা যায়। প্রত্যেক গৃহস্থই ব্রহ্মযজ্ঞ, দেৱযজ্ঞ, পিতৃ যজ্ঞ, ভূত যজ্ঞ আৰু নৃযজ্ঞ অনুষ্ঠিত কৰিব লাগে। ভূত যজ্ঞই পশু-পক্ষী আদি প্রাণীসমূহৰ প্রতি অন্নাদি প্রদান কৰা বুজায়। গতিকে স্বাভাৱিক ভাৱেই ইতৰ প্রাণীসমূহৰ প্রতি উদাৰ দৃষ্টিভঙ্গী ধর্মীয় কার্য্যানুষ্ঠানৰ অন্তর্ভূক্ত আছিল।

সমগ্র বৈদিক সাহিত্যতে সূর্য্য, অগ্নি সোম (অর্থাৎ জল)ৰ প্রাধান্য সূচক অনেক বর্ণনা উপলব্ধ হয়। সূর্য্যক স্থাৱৰ জঙ্গমাত্মক জগতৰ আত্মা বুলি জ্ঞান কৰা হৈছিল --

সূর্য্য আত্মা জগতস্তস্থষশ্চ (ঋগ্বেদ ১.১১৫.১)

পর্য্যাবৰণৰ দিশৰ পৰাও এই আটাইকেইবিধৰে বিশেষ গুৰুত্ব অনস্বীকৰণীয়। সূর্য্য অবিহনে জগৎ প্রপঞ্চ অকল্পণীয়। সূর্য্য সৱাতোকৈ শ্রেষ্ঠ প্রাণীগণৰ হিতকাৰক, সর্ব ব্যাপক তথা অদম্য জ্যোতিঃ স্বৰূপ বুলি যজুর্বেদৰ এফাঁকি মন্ত্রত স্তুতি কৰা হৈছে --

বট সূর্য্য শ্রৱসা মহা অসি সত্রা দেৱ মহা অসি।
মহ্না দেৱানামসূর্য্যঃ পুৰোহিতো ৱিভু জ্যোতিৰ দাভ্যাম্।।

(যজুর্বেদ ৩৩.৪০)

বৈদিক ঋষিসকলে যজ্ঞৰ দ্বাৰা আকাশ, বতাহ, পানী, মাটি তথা সমস্ত প্রাণীগণ তথা সমগ্র বিশ্বৰ কল্যাণ

কামনা কৰিছিল। যজুর্বেদৰ এফাঁকি মন্ত্রত কোৱা হৈছে যে পানী আমাৰ সুখৰ কাৰণ, সেই পানী আমাৰ অন্ন আৰু বলৰ বৃদ্ধিকাৰক হওঁক, আমাক মহান ৰমণীয় দৃষ্টি দিয়ক।

আপো হি ময়োভুৱস্তা ন উর্জে দধাতন মহে ৰণায়ে চক্ষসে।।

(যজুর্বেদ ৩৬.১৪)

আন এফাঁকি মন্ত্রত পৃথিৱীখনক সুখ দাত্রী, আশ্রয়দাত্রী তথা বিস্তৃর্ণা হৈ সকলোকে সুখ দিবলৈ প্রার্থনা কৰা হৈছে -

স্যোনা পৃথিৱী নো ভৱানৃক্ষৰা নিৱেশণী।

যচ্ছা নঃ শর্ম সপ্রথাঃ।।

(যজুর্বেদ, ৩৬.১৩)

ঋগ্বেদৰ মৰুৎসূক্ত (ঋগ্বেদ ১.৮৫, ৮৬, ৮৭) পৰিৱেশ সম্বন্ধীয় চেতনাৰ অনুসন্ধানত গুৰুত্বপূর্ণ তথ্যৰ আঁকৰ বুলি ক'ব পৰা যায়। মৰুৎগণৰ দ্বাৰা মেঘবোৰ বৰষুণ দিবলৈ অনুপ্রেৰিত হয় আৰু পৃথিৱীখনক সিক্ত কৰি তোলে। (ঋগ্বেদ ১.৮৫.৫)। তেনেদৰে ঋগ্বেদৰ আপ্রী সূক্ত কেইটাতো সূর্য্য, চন্দ্র, অগ্নি, বায়ু, বনস্পতি আদিক গুৰুত্ব সহকাৰে স্তুতি কৰা হৈছে। বনস্পতিক দেৱতা জ্ঞান কৰি দেৱতাসকলৰ বাবে পাথেয় (অন্ন) সৃজন কৰিবলৈ স্তুতি কৰা হৈছে --

উপত্মন্যা ৱনস্পতে পাথো দেৱেভ্যোঃসৃজ অগ্নির্হব্যানি সিষদৎ।।

বেদৰ মন্ত্রসমূহত ব্যক্তিগত অভীষ্ট প্রাপ্তিৰ বাবে প্রার্থনা কৰা দেখা যায় যদিও সামগ্রিকবাৱে বিশ্বকল্যাণৰ বাবে প্রার্থনাসূচক অনেক বাণী উপলব্ধ হয়। মানুহৰ লগতে গছ-গছনি মাটি-পানী বায়ু, পশু-পক্ষী ইত্যাদিৰো মঙ্গল কামনা কৰা হৈছিল। যজুর্বেদৰ এফাঁকি মন্ত্রত কোৱা হৈছে যে অগ্নি, পানী, ক্ষুদ্র গছ-গছনি, ওষধি নামক গছ মাটি চহাই উৎপাদিত শস্য, মাটি নচহোৱাকৈ উৎপাদিত শস্য, ঘৰচীয়া জীৱ-জন্তু, বনৰীয়া জীৱ-জন্তু, বর্তমান লাভ কৰা ধন, ভৱিষ্যতে লাভ কৰিব লগীয়া ধন, পুত্রাদি ঐশ্বর্য্য সকলোবোৰ যজ্ঞৰ দ্বাৰা সমৃদ্ধ হওঁক --(যজুর্বেদ ১৮.১৪)

সেইদৰে এইখন বেদৰে আন এটি মন্ত্রত এইদৰে আকাশ, বতাহ, পৃথিৱী, বনস্পতি ইত্যাদি সকলোৰে কল্যাণ কামনা কৰা হৈছে—

দ্যৌ শান্তিৰন্তৰিক্ষং শান্তি, পৃথিৱী শান্তিৰাপঃ শান্তিৰোষধয়ঃ শান্তি।

ৱনস্পতয়ঃ শান্তির্ৱিশ্বে দেৱা শান্তির্ব্রহ্ম শান্তিঃ সর্বংশান্তিঃ শান্তিৰেৱ শান্তিঃ সা মে শান্তিৰেধি।।

(যজুর্বেদ ৩৬.১৭)

বর্তমান পৰিৱেশ সজাগতা সম্বন্ধীয় আলোচনা প্রসঙ্গত, তথা ৱহনক্ষম প্রগতিৰ প্রসঙ্গত ভাৰতীয় সংস্কৃতিৰ মহৎ ৱাণীৰ "তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্যস্বিদ্ধনম্" (ঈশোপনিষদ্ ১.১) তাৎপর্য্য উপলব্ধি কৰাৰ বাবে আহ্বান কৰা হয়। উপনিষদৰ এই মহৎ মন্ত্রফাঁকি হ'ল --

ঈশাবাস্যমিদং সর্বং য়ৎকিঞ্চ জগত্যাং জগৎ।

তেন ত্যক্তেন ভুঞ্জীথা মা গৃধঃ কস্যস্বিদ্ধনম্।।

(ঈশোপনিষদ্ ১.১)

ইয়াৰ অর্থ হৈছে সমগ্র বিশ্ব ঈশ্বৰৰ দ্বাৰা আচ্ছাদিত। ত্যাগ কৰি ভোগ কৰা। পৰৰ ধনলৈ লোভ নকৰিবা। বর্তমান বিশ্ববাসীয়ে প্রাকৃতিক সম্পদসমূহ প্রগতিৰ স্বার্থত ভৱিষ্যত প্রজন্মৰ কথা নাভাৰি ধ্বংস কৰিব ধৰিছে। ত্যাগৰ মনোভাৱেৰে, আনৰ মঙ্গলৰ বাবে চিন্তা নকৰি স্বার্থপূৰণ কৰি থাকিলে ভৱিষ্যত প্রজন্মই দুর্য্যোগৰ সন্মুখীন হ'ব লাগিব। তেনেদৰে আনৰ সম্পদলৈ লোভ পৰিহাৰ কৰিলেও প্রকৃতিৰ সম্পদসমূহ সুৰক্ষিত হৈ থাকিব।

এনেধৰণৰ নৈতিক প্ৰমূল্য যুক্ত বাণীসমূহৰ তাৎপর্য্য নৱ প্ৰজন্মৰ মনত উপলব্ধি কৰাব পাৰিলে প্ৰকৃতিৰ লগতে জন জীৱনৰ ভাৰসাম্যতা ৰক্ষা হ'ব।

৪.৪ ৰামায়ণত পর্যাবৰণ চেতনা

সংস্কৃত সাহিত্য তথা ভাৰতীয় সাহিত্যৰ আদিকাব্য ৰূপে সুপ্ৰসিদ্ধ ৰামায়ণ মহাকাব্য প্ৰকৃতি বর্ণানৰ প্ৰসঙ্গত অদ্বিতীয় আৰু অনন্য বুলি ক'ব পৰা যায়। ৰামায়ণৰ প্ৰকৃতি বর্ণনা শৈলী পৰৱর্তীকালৰ কালিদাস, মাধ, ভাৰৱি প্ৰভৃতি মহাকবিসকলৰ আদর্শ হৈ পৰা দেখা যায়। উল্লেখনীয় যে ৰামায়ণত প্ৰতিফলিত প্ৰাকৃতিক বৈভৱ তথা জৈৱ-বৈচিত্ৰ পৰৱর্তীকালৰ প্ৰান্তীয় ভাষাৰ প্ৰসিদ্ধ কবিসকলৰ কাব্যতো দৃষ্টিগোচৰ হয়। সমগ্ৰ ৰামায়ণখনতেই প্ৰকৃতি আৰু মানুহৰ মাজত এক অতি আন্তৰিকতাপূর্ণ সৌহার্দময় সম্বন্ধ দেখা যায়।

ৰামায়ণ সৃষ্টিৰ মূলতে যিটো ঘটনাৰ কথা কোৱা হয় প্ৰকৃতার্থত সেই ঘটনাটোও মহাকবি বাল্মীকিৰ প্ৰকৃতিৰ জীৱকুলৰ প্ৰতি থকা সহমমত্বভাৱৰ নিদর্শন বুলি ক'ব পৰা যায়। তমসা নদীৰ তীৰত আনন্দত মগ্ন হৈ থকা ক্ৰৌঞ্চ পক্ষী হালৰ এটাক নিষ্ঠুৰ ব্যাধে শৰবিদ্ধ কৰাত আনটোৱে কৰুণভাৱে বিনাই থকা দেখি স্নান কৰিবলৈ যোৱা মুনি বাল্মীকিৰ মুখৰ পৰা স্বতঃস্ফূতভাৱে নির্গত হৈছিল—

মা নিষাদ প্ৰতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
য়ৎ ক্ৰৌঞ্চমিথুনাদেকমবধীঃ কামমোহিতম্।।

(ৰামায়ণম্ ১.২.১৫)

হে ব্যাধ তুমি চিৰকাল প্ৰতিষ্ঠা লাভ কৰিব নোৱাৰা যিহেতু তুমি প্ৰণয়ত নিমগ্ন হৈ থকা ক্ৰৌঞ্চ পক্ষীহালৰ এটাক বধ কৰিলা। কৰুণাদ্র হৃদয়ৰ মুনিৰ শোকার্ত বাণী ছন্দৰ নিয়মেৰে বদ্ধ শ্লোক হৈ পৰিছিল। তাৰ পাছতেই ব্রহ্মাৰ অনুপ্ৰেৰণাতে ৰাম কথাক অৱলম্বনত কৰি ৰামায়ণ ৰচনাত প্ৰবৃত্ত হৈছিল মহর্ষি বাল্মীকি। সমগ্ৰ ৰামায়ণখনত পটভূমি হিচাবে বন, অৰণ্য, আশ্রম, নদ-নদী, পর্বত-পাহাৰ, সাগৰ, হ্রদ ইত্যাদি অনেক প্ৰাকৃতিক উপাদান উপলদ্ধ হয়। তেনেদৰে চৰিত্র সমূহতো বান্দৰ, ভালুক নকুল, জটায়ু সম্পাতি প্ৰভৃতি পক্ষী ইত্যাদিৰো ভূমিকা মন কৰিবলগীয়া। ইয়াৰোপৰি বর্ষা, শৰৎ, হেমন্ত প্ৰভৃতি ঋতুৰ বর্ণনাত ভাৰতবর্ষৰ প্ৰকৃতিৰ বৈচিত্রময় চিত্র কাব্যিক ৰূপত উপলব্ধ হয়। ৰাম-লক্ষ্মণ সীতাৰ বনবাসকালত যিবোৰ বন, আশ্রম উপলব্ধ হৈছিল সেই আটাইবোৰৰ পৰা সুন্দৰ প্ৰকৃতিৰ ছৱি এখন অনুধাৱন কৰিব পৰা যায়। উদাহৰণ স্বৰূপে দণ্ডকাৰণ্যৰ বর্ণনা প্ৰসঙ্গত কোৱা হৈছে যে তাত বহুতো সৰোবৰ আছে য'ত প্ৰতস্ফূতিক পদ্মৰাশি, নির্মল জল তথা কাৰণ্ডবাদি জলপক্ষীসমূহ দেখা যায়—

ফুল্লপঙ্কজখণ্ডানি প্ৰসন্নসলিলানি চ।
কাৰণ্ডববিকীর্ণানি তত্কানি সবাংসি চ।।

(ৰামায়ণ ৩.৮.১৪)

দণ্ডকাৰণ্যৰ প্ৰসঙ্গতে আকৌ কোৱা হৈছে - তাত দৃষ্টিনন্দন পর্বত, জুৰি, সুন্দৰ অৰণ্য আছে য'ত ময়ূৰগণ কেকা ৰবতুলি বিচৰণ কৰি থাকে --

দ্রক্ষসে দৃষ্টিৰম্যানি গিৰিপ্রস্রবণানি চ।
ৰমণীয়াণ্যৰনি ময়ূৰাভিৰুতানি চ।

(ৰামায়ণ ৩.৮.১৫)

এইধৰণৰ বর্ণনাৰ পৰা প্ৰকৃতি ৰাজ্যৰ ৰমণীয় পৰিৱেশ এটাৰ ধাৰণা কৰিব পৰা যায়। দণ্ডকাৰণ্যত ৰামক সীতাই সাৱধান বাণী শুনাইছিল য়ে অপৰাধ নকৰাকৈ কোনো প্ৰাণীক হত্যা কৰা জনক বীৰ বুলি ক'ব নোৱাৰি—

'অপৰাধং বিনা হন্তুং লোকো বীৰ ন মংস্যতে' (ৰামায়ণ ৩.৯.২৫) সেয়ে অহিংসাময় ধর্ম পালন কৰিবলৈ অনুৰোধ কৰিছিল। মুনি অগস্ত্যৰ আশ্রমৰ বর্ণনাত তদানীন্তন ভাৰতবর্ষৰ প্রকৃতিৰ গছ-গছনি, জলজ উদ্ভিদ, জলচৰ পক্ষী, ফল-মূল-ফুল ইত্যাদিৰ অতি সুন্দৰ বর্ণনা উপলব্ধ হয়। সেইদৰে পঞ্চবটী বনৰ বর্ণনাও ভাৰতীয় সমাজৰ গ্রাম্য জীৱনৰ চিৰপৰিচিত গছ-গছনি, পুষ্প, গুল্ম লতা আদিৰে সমৃদ্ধ। ঋতুচক্রৰ প্রভাৱত ভাৰতবর্ষৰ প্রকৃতি তথা জন জীৱন কিদৰে প্রভাৱান্বিত হয় তাৰো সুন্দৰ বর্ণনা ৰামায়ণত উপলব্ধ হয়। হেমন্তকালৰ বর্ণনা প্রসঙ্গত কোৱা হৈছে যে হিমৰাশিৰে পৰিব্যাপ্ত বাবে হিমালয়ৰ নাম হিমৱান বুলি কোৱা হয় কিন্তু হেমন্তকালত সূর্য্যৰ দক্ষিণায়নৰ বাবে প্রকৃততেই হিমালয় হিমৱান হৈ পৰিল --

প্রকৃত্যা হিমকোশাঢ্যো দূৰসূর্য্যশ্চ সাম্প্রতম্।
য়থার্থনামা সুব্যক্তং হিমৱান্ হিমৱান্ গিৰিঃ।।

(ৰামায়াণম্ ৩.১৬.৯)

তেনেদৰে হেমন্তকালৰ বর্ণনা ফুটাইতোলা আন এটি শ্লোকত কোৱা হৈছে যে কুঁৱলীয়ে ঢাকি পেলোৱা বাবে দূৰত উদিত হোৱা সূর্য্যটোক চন্দ্রৰ দৰে দেখা গৈছে --

ময়ূখৈৰূপসপদ্ভির্হিমনীহাৰসংবৃতৈঃ।
দূৰমভ্যুদিতঃ সূর্য্যঃ শশাঙ্ক ইৱ লক্ষ্যতে।।

(ৰামায়ণম্ ৩.১৬.১৮)

হেমন্তকালৰ বর্ণনা প্রসঙ্গত আন এটি শ্লোকত কুৱলীয়ে আৱৰি ৰখা প্রকৃতিৰ অতি সুন্দৰ বর্ণনা উপলব্ধ হয়। সেই শ্লোকফাঁকিত বর্ণিত হৈছে এই সময়ত নদীৰ জল ৰাশি কুঁৱলীয়ে ঢাকি ৰাখিছে, সেয়ে নদীত চৰি থকা সাৰস পক্ষীগণৰ উপস্থিতিৰ কথা সিহঁতৰ মাতৰ দ্বাৰা জানিব পৰা গৈছে। তেনেদৰে নদীসমূহো হিমসিক্ত বলুকা ৰাশিৰ দ্বাৰাহে জ্ঞাত হৈছে।

বাষ্পসংছন্নসলিলা ৰুঢবিজ্ঞেযুসাৰসাঃ।
হিমার্দ্রবালুকৈস্তীৰৈঃ সৰিতো ভান্তি সাম্প্রতম্।।

(ৰামায়ণম্ ৩-১৬-২৪)

এনেবোৰ বর্ণনাই প্রাকৃতিকভাৱে সুন্দৰ পৰিৱেশৰ ধাৰণা আনি দিয়ে। প্রকৃতিৰ সুন্দৰ অথবা অসুন্দৰ পৰিৱেশে মানুহৰ অন্তৰত প্রত্যক্ষভাৱে প্রভাৱ পেলায়। ৰামায়ণত বহু প্রসঙ্গত এই কথাৰ প্রভাৱ পৰিলক্ষিত হয়। কিষ্কিন্ধা কাণ্ডৰ প্রথম সর্গত কবিয়ে ৰামৰ মুখেৰে বসন্তকালৰ সুন্দৰ বর্ণনা ব্যক্ত কৰাৰ লগতে সীতাৰ বিৰহত কাতৰ হৈ থকা মনত কিদৰে পীড়াদায়ক প্রতিক্রিয়া আনি দিছে তাৰ বর্ণনা আগবঢ়াইছে। বসন্তকালত কর্ণিকাৰ ফুলৰে গছ ভৰি পৰিছে। উজ্জ্বল কর্ণিকাৰ ফুলেৰে গছজোপাক যেন সোণৰ আলঙ্কাৰৰে পূর্ণ পীতাম্বৰধাৰী ব্যক্তিৰ দৰে লাগিছিল-

সুপুষ্পিতাংস্তু পশ্যৈতান্ কর্ণিকাৰান সমন্ততঃ
হাটকপ্রতিসংছন্নান্ নৰান্ পীতাম্বৰানিব।।

(ৰামায়ণম্ ৪-১-২১)

বসন্তকালত শৰীৰ শীতলকাৰী মলয়া বলিছিল যিয়ে শ্রমজনিত ক্লান্তি আঁতৰ কৰিছিল-

স এৱ সুখসংস্পর্শো ৰাতি চন্দনশীতলঃ।
গন্ধ মভ্যৱহন্ পুণ্যং শ্রমাপনয়নোহনিলঃ।।

(ৰামায়ণম্ ৪-১-১৭)

বসন্তকালৰ সেই সুন্দৰ পৰিৱেশ সীতাৰ বিচ্ছেদত কাতৰ হৈ থকা ৰামৰ শোক আৰু অধিক প্রবল হৈ পৰিছিল-

অয়ং ৱসন্তঃ সৌমিত্রে নানাবিহগনদিতঃ।
সীতয়া বিপ্রহীণস্য শোকসংদীপনো মম।।
(ৰামায়ণম্ ৪-১-১১)

এনেবোৰ বর্ণনাৰ পৰা প্রকৃতিৰ সৈতে মানুহৰ আন্তৰিক সম্বন্ধৰ বিষয়ে বুজিব পৰা যায়। বর্ষা ঋতুৰ বর্ণনা প্রসঙ্গটো প্রকৃতিৰ নৈসর্গিক সৌন্দর্য ফুটি উঠাৰ লগতে বিৰহ কাতৰ ৰামৰ অনুভূতিৰ অতি মর্মস্পর্শী বর্ণনা উপলব্ধ হয়। তেনে এটি শ্লোকত কোৱা হৈছে যে নীলা মেঘৰ আশ্রয়ত উদ্ভাসিত হৈ উঠা বিজুলীক দেখি ৰামৰ মনত ৰাৱণৰ আশ্রয়ত ছট ফটাই থকা সীতা যেন লাগিছি -

নীলামেঘাশ্রিতা বিদ্যুৎ স্ফুলন্তী প্রতিভাতি মে।
স্ফুৰন্তী ৰাৱণস্যাঙ্কে বৈদেহীৱ তপস্বিনী।।
(ৰামায়ণম্ ৪-২৮-১২)

কিষ্কন্ধা কাণ্ডৰে ত্রিংশ সর্গত শৰৎকালৰ মনোৰম বর্ণনা পৰিলক্ষিত হয়। উদাহৰণস্বৰূপে এটি শ্লোক উল্লেখ কৰা হ'ল য'ত ভাৰতবর্ষৰ প্রকৃতিৰ শৰৎকালৰ পৰিৱেশ অনুভূত হয় -

জলং প্রসন্নং কুসুমপ্রহাসং
ক্রৌঞ্চস্বনং শালিবনং বিপক্কম্।
মৃদুশ্চ বায়ুর্বিমলশ্চ চন্দ্রঃ
শংসান্তি ৱর্ষব্যপনীতকালম্।।
(ৰামায়ণম্ ৪-৩০-৫৩)

অর্থাৎ জলৰাশি স্বচ্ছ হৈ উঠিছে, ধানবোৰ পকিছে, মৃদু মৃদু বতাহ বলিছে, চন্দ্র নির্মল হৈ পৰিছে, বর্ষা আঁতৰি গ'ল আৰু ক্রৌঞ্চ পক্ষীৰ নিনাদ শ্রুতিগোচৰ হ'ল তথা ফুলবোৰ শৰতৰ হাঁহিৰ দৰে ফুলি উঠিছে।

এইদৰে ৰামায়ণৰ প্রকৃতি বর্ণনাত এখন সুন্দৰ ধৰাৰ ছৰি মনলৈ আহে। প্রকৃতিৰ সৈতে মানুহৰ আন্তৰিক সম্বন্ধ বিভিন্ন আখ্যান উপাখ্যান অথবা ঘটনাসমূহৰ দ্বাৰা চিত্রিত কৰা হৈছে। প্রসঙ্গক্রমে উল্লেখ কৰিব পৰা যায় যে মতঙ্গ মুনিৰ আশ্রম আৰু সেই আশ্রমৰ বৃক্ষসমূহৰ প্রতিপালনত নিৰতা শবৰী নামৰ তপস্বিনী গৰাকীৰ কথা। প্রকৃতার্থতেই এই আখ্যান গছ-গছনিৰ প্রতি থকা পুত্রবৎ স্নেহৰ সুন্দৰ নিদর্শন। গছ-গছনিৰ অতিশয় আন্তৰিকতাপূর্ণ সম্বন্ধৰ নিদর্শন হিচাবে অৰণ্যকাণ্ডৰ আন এটি ঘটনাৰ কথা ক'ব পৰা যায়। ৰাৱণে সীতাক হৰণ কৰাৰ পিছত শোকত বিহ্বল হৈ পৰা ৰামে বনৰ গছ-গছনি পশু-পক্ষীক যিদৰে প্রশ্ন কৰি সীতাৰ বার্তা সুধিছিল সেই প্রসঙ্গত প্রকৃতিৰ সৈতে থকা মানুহৰ আন্তৰিক সম্বন্ধৰ কথা অৱগত হোৱা যায়। উদাহৰণ স্বৰূপে সামান্য নিদর্শন দাঙি ধৰা হ'ল—

সীতাৰ বিৰহত কাতৰ ৰামে অশোক বৃক্ষক কৈছে যে হে অশোক তুমি শোক দূৰ কৰোতা। শোকত চেতনাহত মোক তুমি প্রিয়াৰ বাতৰি দি তোমাৰ নামৰ সার্থক কৰা --

অশোক শোকাপনুদ শোকোপহতচেতনম্।
ত্বন্নাসানং কুরু ক্ষিপ্রং প্রিয়সংদর্শনেন মাম্।।
(ৰামায়ণম্ ৩-৬-১৭)

প্রাচীন ভাৰতত বিদ্যমান জলসংৰক্ষণ ব্যৱস্থাৰ বিষয়েও ৰামায়ণত বর্ণনা উপলব্ধ হয়। ভৰতৰ অভিষেকৰ আয়োজন প্রসঙ্গত এটি বর্ণনাত কোৱা হৈছে যে নগৰবাসীসকলে বান্ধ দিবলগীয়া ঠাইত বান্ধ দিছিল, য'ত পানী বৈ যোৱাৰ প্রয়োজন তাত বান্ধ কাটি দিছিল। আকৌ সৰু সৰু নলাবোৰ যিবোৰেৰে চাৰিও পিনে পানী বৈ গৈছিল সেইবোৰ বান্ধি জলাশয় নির্মাণ কৰিছিল। এইদৰে বহু জলাশয় নিমার্ণ কৰিছিল, যিবোৰ সাগৰ সদৃশ হৈ পৰিছিল-

ববন্ধুর্বন্ধনীয়াশ্চ ক্ষোদ্যান সংচুক্ষুদুস্তথা।
বিভিদুর্ভেদনীয়াংশ্চ তাংস্তান দেশান্ নৰাস্তদা।।
অচিৰেণ তু কালেন পৰিবাহান্ বহূদকান্।
চক্রুর্বহুবিধাকাৰান্ সাগৰ প্রতিমান্ বহূন।।

(ৰামায়ণম্ ২-৮০-১০-১১)

এইদৰে দেখা যায় সমগ্র ৰামায়ণখনেই মানুহ আৰু প্রকৃতিৰ অপূর্ব সমন্বয়ৰ সৃষ্টি। চৰিত্রসমূহো সেইদৰেই মানুহ, বান্দৰ, চৰাই-চিৰিকতি ইত্যাদি। প্রকৃতিৰ জীৱ-জন্তুসমূহক বাদ দিলে ৰামায়ণৰ কাহিনী অসম্পূর্ণ। ৰামায়ণৰ কাহিনীৰ অগ্রগতিত জটায়ু আৰু সম্প্রতি গৃধৰ ভূমিকাৰ কথা সর্বজন বিদিত। ৰাৱণে সীতাক হৰণ কৰি নিয়া দৃশত সমগ্র প্রকৃতিয়েই প্রতিক্রিয়া প্রকাশ কৰিছিল। কবি বাল্মীকিয়ে প্রকৃতিৰ উপাদানবোৰত চেতনত্ব আৰোপ কৰি এই বর্ণনা আৰু অধিক প্রাণৱন্ত কৰি তুলিছিল, যিবোৰে প্রকৃতিৰ সৈতে মানুহৰ অতি নিকট সম্বন্ধ প্রকটিত কৰে। মুঠতে সমগ্র কাব্যখনত আদিৰ পৰা অন্ত লৈকে প্রায় সকলো ক্ষেত্রতে মানুহ আৰু প্রকৃতিৰ এক সৌহার্দ্রপূর্ণ সম্পর্ক পৰিলক্ষিত হয় যিবোৰ বর্তমান পৰিৱেশ সচেতনতাৰ দৃষ্টিৰেও গুৰুত্বপূর্ণ বুলি ক'ব পৰা যায়।

৪.৫ মহাভাৰতত পর্যাবৰণ চেতনা

সুপ্রসিদ্ধ মহাকাব্য মহাভাৰততো বিভিন্ন প্রসঙ্গত আশ্রম, নদ-নদী, অৰণ্য, সৰোবৰ জলাশয়, পর্বত-পাহাৰ, জীৱ-জন্তু, গছ-গছনি ইত্যাদিৰ বর্ণনা উপলব্ধ হয়। প্রকৃতি জগতৰ সৈতে মানুহৰ আত্মিক সম্পর্কৰ বর্ণনা থকা অনেক আখ্যান-উপখ্যান আদি উপলব্ধ হয়। বিভিন্ন প্রসঙ্গত বৃক্ষ স্তুতি আৰু জলাশয় খনন তথা উদ্যানাদি নির্মাণৰ গুণানুকীর্তন উপলব্ধ হয়। গছ-গছনিৰ প্রতি স্নেহ প্রদর্শন কৰাৰ উপৰিও গছসমূহৰ শ্রেণী বিভাজন তথা গছ ৰোপণ ফলৰ বিষয়ে বর্ণনা উপলব্ধ হয়। মহাভাৰতত বৃক্ষ, গুল্ম, লতা, বল্লী ত্বকসাৰ আৰু তৃণ -- এই ছয় প্রকাৰ বৃক্ষৰ শ্রেণী বিভাজন উপলব্ধ হয় (অনুশাসন পর্ব, দানধর্ম ৫৮-২৩) এই পর্বতে বৃক্ষৰোপণৰ ফল ব্যক্ত কৰা হৈছে যে গছ ৰোপণ কৰা ব্যক্তিগৰাকীয়ে তেওঁৰ পূর্বজ, অনাগত সন্তান তথা পিতৃকুলক উদ্ধাৰ কৰে -

অতীতানাগতে চোভে পিতৃবংশং চ ভাৰত।
তাৰয়েদ্ বৃক্ষৰোপী চ তস্মাদ্ বৃক্ষংশ্চ ৰোপয়েৎ।।

(অনুশাসন দানধর্ম ৫৮-২৬)

আকৌ কৈছে যে বৃক্ষসমূহে ফুলেৰে দেৱতাসকলক, ফলেৰে পিতৃগণক আৰু ছায়াৰে অতিথিগণক পূজা কৰে—

পুষ্পৈঃ সুৰগনান্ বৃক্ষাঃ ফলৈশ্চাপি তথা পিতৄন্
ছায়য়া চাতিথিং তাত পূজয়ন্তি মহীৰুহঃ।।

(অনুশাসনপর্ব দানধর্ম ৫৮-২৮)

গছে ফুল ফলেৰে মনুষ্যক তৃপ্ত কৰে, যি ব্যক্তিয়ে বৃক্ষদান কৰে, বৃক্ষই তেওঁক পুত্রৰ দৰে পৰলোকত ৰক্ষা কৰে --

পুষ্পিতাঃ ফলবন্তশ্চ তর্পয়ন্তীহ মানৱান্।
বৃক্ষদং পুত্রবদ বৃক্ষাস্তাৰয়ন্তি পৰত্র তু।।

(অনুশাসনপর্ব, দানধর্ম ৫৮-৩০)

তেনেদৰে জলাশয় খনন কৰি তাৰ পাৰত গছ ৰুবলৈ পৰামর্শ দিয়া হৈছে। গছবোৰক পুত্রবৎ পৰিপালন

কৰিবলৈ কোৱা হৈছে কিয়নো এই গছসমূহ ধৰ্মৰ দৃষ্টিৰে পুত্ৰ তুল্য --

তস্মাৎ তড়াগে সদ্‌বৃক্ষা ৰোপ্যাঃ শ্রেয়োহর্থিনা সদা।
পুত্রবৎ পৰিপাল্যোশ্চ পুত্রাস্তে ধৰ্মতঃ স্মৃতাঃ।।

(অনশাসনপর্ব, দানধৰ্ম ৫৮-৩১)

বহুৰটোৰ বিভিন্ন সময়ত জলাশয় খননৰ সুফলৰ বিষয়েও সুবিস্তৃত বৰ্ণনা মহাভাৰতত উপলব্ধ হয়। এই প্রসঙ্গত কোৱা হৈছে এটা জলাশয় বা পুখুৰী খন্দালে দেৱতা, মনুষ্য ইতৰ প্রাণীগণ সকলোৰে উপকাৰ হয়। বিভিন্ন ঋতুত জলাশয়ত পানী থাকিলে খনন কৰোতাৰ কি ফল প্রাপ্তি হয় সেই সম্বন্ধে বৰ্ণনা পোৱা যায়। বৰ্ষাকালত জলাশয়ত যদি পানী থাকে তেতিয়াহ'লে খনন কৰোতা গৰাকীয়ে অগ্নিহোত্র যাগৰ ফল লাভ কৰে --

বৰ্ষাকালে তড়াগে তু সলিলংযস্য তিষ্ঠতি।
অগ্নিহোত্রফলং তস্য ফলমাহুৰ্মনীষিণঃ।।

(অনুশাসনপর্ব, দানধৰ্মপর্ব ৫৮-১০)

বৈদিক সাহিত্যত যিদৰে অশ্বত্থ বৃক্ষৰ প্রাধান্যতাৰ বৰ্ণনা উপলব্ধ হয় ঠিক তেনেদৰে মহাভাৰততো অশ্বত্থ বৃক্ষৰ উপকাৰিতাৰ বৰ্ণনা পোৱা যায়। ন্যগ্রোধ, অশ্বত্থ আৰু উদুম্বৰ বৃক্ষ বিষ্ণুৰ আশ্রয়স্থল হিচাবে বৰ্ণিত হৈছে। অশ্বত্থ, গোৰচনা আৰু গাই-গৰুক পূজা কৰিলে দেৱতা, অসুৰ আৰু মনুষ্যৰ সৈতে সমস্ত জগতকে পূজা কৰা হয়। (অনুশাসনপর্ব ১২৬-৫) শ্রীমদ্‌ভগৱদ্গীতা বিভূতি যোগৰ বৰ্ণনাত অশ্বত্থবৃক্ষক শ্রীকৃষ্ণৰ নিবাস বুলি বৰ্ণনা কৰা হৈছে-- "অশ্বত্থঃ সর্ববৃক্ষানাং' (শ্রীমদ্ভগৱদ্গীতা ১০-২৬)। বৰ্তমান আধুনিক বিজ্ঞানী সকলেও অশ্বত্থ বৃক্ষৰ সর্বাধিক অক্সিজেন উৎপত্তিৰ ক্ষমতা, ভূমি সংৰক্ষণ ক্ষমতা তথা বিভিন্ন চৰাই-চিৰিকতি কীটপতঙ্গৰ আশ্রয়দাতা হিচাবে পৰিৱেশ তন্ত্রত প্রভূত অৰিহনাৰ কথা স্বীকাৰ কৰে।

ভৰদ্বাজ আৰু ভৃগু মুনিৰ বার্তালাপত ব্যক্ত হৈছে গছৰো ৰূপ, ৰস, গন্ধ, স্পর্শ আৰু শব্দ-- এই গুণসমূহ অনুভৰ কৰিব পৰা ক্ষমতা আছে। এই ক্ষেত্রত গছৰ দৃষ্টি ক্ষমতাৰ বিষয়ে কোৱা হৈছে-

বল্লী বেষ্টয়তে বৃক্ষং সর্বতশ্চৈৰ গচ্ছতি।
ন হ্যদৃষ্টিশ্চ মার্গোহস্তি তস্মাৎ পশ্যন্তি পাদপাঃ।।

(শান্তিপর্ব,১৮৪-১৩)

তেনেদৰে মহাভাৰতৰ যুগতে গছৰ চৈতন্য শক্তি (জীৱ) থকাৰ বিষয়ে সুন্দৰ মন্তব্য উপলব্ধ হয় --

সুখদুঃখয়োশ্চ গ্রহণাচ্ছিন্নস্য ৰিৰোহণাৎ।
জীৱং পশ্যামি বৃক্ষাণামচৈতন্যং ন ৰিদ্যতে।।

(শান্তিপর্ব ১৮৪-১৭)

অর্থাৎ গছ কাটি দিলে তাৰ পৰা আকৌ নতুনকৈ পোখা মেলে আৰু সুখ দুখ গ্রহণ কৰে। ইয়াৰ পৰা বুজা যায় গছত প্রাণ আছে ই নির্জীৱ নহয়। মানুহ পদুমৰ ঠাৰিৰে পানী শুহি খোৱাৰ দৰে গছবোৰে সিহঁতৰ পাদ অর্থাৎ শিপাৰে বায়ুৰ সহায়ত জল পান কৰে বাবে পাদপ বুলি কোৱা হয় --

বক্তের্ণোৎপলণালেন যথোধ্বং জলমাদদেৎ।
তথা পৱনসংযুক্তঃ পাদৈঃ পিৱতি পাদপঃ।।

(শান্তিপর্ব, ১৮৪-১৬)

মহাভাৰতত বিভিন্ন প্রসঙ্গত বিভিন্ন পশু-পক্ষীৰ বৰ্ণনা আছে। কথা প্রসঙ্গত চৰিত্রসমূহক পশু-পক্ষীৰ লগত তুলনা তথা পশু-পক্ষীৰ আচৰণৰ শিক্ষা গ্রহণ কৰিবলৈ উপদেশ দিয়া হৈছে। উদাহৰণ স্বৰূপে সভাপর্বত

'কপট হাঁহ', ভূলিঙ্গচৰাইৰ সাধু, বনপর্বত 'মণ্ডূক কুঁৱৰীৰ সাধু', বন পর্বত ৰাজহাঁহ আৰু কাউৰীৰ সাধু, শান্তিপর্বত বাঘ আৰু শিয়াল, মৎস্যত্রয় কথা, কপোতলুব্ধক কথা ইত্যাদি। এই সাধুবোৰত জীৱ-জন্তু অথবা পক্ষী আদি একোটা চৰিত্র। এই সমূহৰ স্বভাৱ কার্য্য-কলাপ আদিৰ দ্বাৰা নীতিশিক্ষা দিয়াৰ লগতে পৰোক্ষভাৱে মানৱ সমাজৰ সৈতে নিকট সম্বন্ধ প্রকটিত হৈছে। প্রকৃতি জগতৰ ভাৱসাম্য ৰক্ষাত এই সাধুবোৰৰ ভূমিকা অনস্বীকৰণীয়। উদাহৰণ স্বৰূপে 'কপোতলুব্ধক কথা' সাধুটোত শৰণাগত হোৱা ব্যাধজনৰ ক্ষুধা নিবাৰণ কৰিবলৈ কপৌ চৰাইটোৱে অগ্নিত প্রৱেশ কৰি অতিথি সৎকাৰ কৰা কাহিনীয়ে সকলোৰে অন্তৰ চুই যায়। প্রকৃতিৰ ইতৰ প্রাণীৰ এনে মহৎ আদর্শ বর্ণনাৰ দ্বাৰা স্বাভাৱিকভাৱেই প্রকৃতি প্রীতি জাগৃত হয়।

মহাভাৰতত অনেক তীর্থস্থান তথা পবিত্র নদীসমূহৰ স্তুতি দেখা যায়। মহাভাৰতত জলক পৱিত্র জ্ঞান কৰা হৈছিল আৰু এই জলৰাশি প্রদূষিত নকৰিবলৈ উপদেশ দিয়া হৈছিল। আশ্বমেধিক পর্বৰ এঠাইত কোৱা হৈছে যে পানীৰ বাহিৰত ভৰি হাত ধুব লাগে আৰু জলাশয় প্রদক্ষিণ কৰি জলক প্রণাম কৰিব লাগে --

বগিঃ প্রক্ষাল্য পাদৌ চ দ্বিৰাচম্য প্রযত্নতঃ।
প্রদক্ষিণং সমাবৃত্য নমস্কুর্য্যাৎতু তজ্জলম্।।
(আশ্বমেধিক, বৈষ্ণৱধর্মপর্ব)

মহাভাৰতকাৰে পানীত মল-মূত্র ত্যাগ কৰাটো নিন্দনীয় কর্ম বুলি বর্ণনা কৰিছে। খেতি পথাৰত, গাঁৱৰ সমীপত আৰু পানীত মলমূত্র ত্যাগ কৰিব নালাগে --

নোৎসৃজেৎ পুৰীষং চ ক্ষেত্রে গ্রামস্য চান্তিকে।
উভে মূত্রপুৰীষে তু নাপ্সু কুর্য্যাৎ কদাচন।।
(অনুশাসন, দানধর্ম ১০৪-৫৪)

স্থাৱৰ জঙ্গমাত্মক এই লোকৰ সকলো সূর্য্যৰ প্রভাৱত বিদ্যমান হৈ থাকে বুলি মহাভাৰতত উল্লেখ পোৱা যায় (শান্তিপর্ব, মোক্ষধর্ম পর্ব ৩৬২-২) আকৌ কোৱা হৈছে যে সূর্য্যই বাৰিষা পৃথিৱীত যি পানী বৃষ্টিৰূপে প্রেৰণ কৰে, পুনৰ সেই পানী আঠ মাহত শোষণ কৰি লয়।

মহাভাৰতত যি ধর্মৰ ধাৰণা ব্যাখ্যা কৰা হৈছে সেই ধাৰণাইও বহল অর্থত স্থাৱৰ জঙ্গমাত্মক সকলোৰে কল্যান কামনা কৰি ৰক্ষা কৰা অর্থ সূচাইছে --

ধাৰণাদ্ ধর্মমিত্যাহুধর্মেণ ৱিধৃতাঃ প্রজাঃ।
য় স্যাদ ধাৰণসংযুক্তঃ স ধর্ম ইতি নিশ্চয়।।
(শান্তিপর্ব, ৰাজধর্মানুশাসন,১০৯-১১)

আকৌ কোৱা হৈছে অহিংসাৰ কথা ধর্মৰ দ্বাৰা ব্যক্ত কৰা হয়, যি কর্ম অহিংসাযুক্ত সেয়ে ধর্ম। এইদৰে বহল অর্থত সকলো জীনকে ৰক্ষা কৰাটোকে ধর্ম বুলি ক'ব পৰা যায়। পৰিৱেশ সুৰক্ষা তথা সচেনাৰ ক্ষেত্রত এই ধৰণৰ ধাৰণাৰ তাৎপর্য আছে বুলি ক'ব পৰা যায়। এইদৰে মহাভাৰতত পৰিৱেশ সংৰক্ষণ আৰু সচেতনাৰ ক্ষেত্রত অনেক তথ্য উপলব্ধ হয়।

৪.৬ পুৰাণ বাঙ্ময়ত পর্যাৱৰণ চেতনা

ভাৰতীয় সভ্যতা সংস্কৃতিৰ আঁকৰ হিচাবে পুৰাণসমূহে এক বিশিষ্ট স্থান অধিকাৰ কৰি আহিছে। পুৰাণ বাঙ্ময় বুলিলে এক সুবিশাল সাহিত্য ৰাশিক বুজায়। পুৰাণসমূহতো বিভিন্ন প্রসঙ্গত বন, অৰণ্য, তীর্থস্থান, নদ-নদী, পর্বত-পাহাৰ, সৰোবৰ, আশ্রম, গছ-গছনি, জীৱ-জন্তু ইত্যাদিৰ সুবিস্তৃত বর্ণনা উপলব্ধ হয়। ইয়াৰোপৰি

প্রসঙ্গক্রমে ব্রত-পালন, দান মহিমা ইত্যাদি বর্ণনাতো বিভিন্ন গছ-গছনি ফল-মূল ইত্যাদিৰ ধার্মিক তাৎপর্য্য তথা দান -মহিমা বর্ণিত হৈছে। তদুপৰি দেৱ-দেৱীৰ বর্ণনাসমূহত বিভিন্ন আখ্যান উপাখ্যান আদিত প্রাসঙ্গিক দেৱ-দেৱীৰ প্রিয় গছ, ফল-মূল পত্রাদিৰ বর্ণনা উপলব্ধ হয়। পুৰাণসমূহত বৃক্ষৰোপণ, বৃক্ষপূজা, পুখুৰীখনন আদিক পুণ্যকর্ম বুলি কোৱা হৈছে। প্রকৃতার্থতেই এনেবোৰ বার্তা পৰিৱেশ সচেতনতাৰ নিদর্শন বুলি ক'ব পৰা যায়। উদাহৰণ স্বৰূপে মৎস পুৰাণৰ এফাঁকি শ্লোকৰ কথা ক'ব পৰা যায় য'ত কোৱা হৈছে এটা পুখুৰী দহটা কুঁৱাৰ সমান, দহটা পুখুৰী এটা হ্রদৰ সমান, দহটা হ্রদ এজন পুত্রৰ সমান আৰু দহজন পুত্রৰ সমান হৈছে এজোপা গছ -

দশকূপ সমাৱাপী দশৱাপী সমো হ্রদঃ।
দশহ্রদ সমঃ পুত্রো দশপুত্র সমো দ্রুমঃ।।

(মৎস্যপুৰাণ,১৫৪-৫১২)

অন্যান্য পুৰাণসমূহতো বিভিন্ন প্রসঙ্গত গছ-গছনিৰ ৰোপন কৰা ব্যক্তি গৰাকীয়ে মৃত্যুৰ পাছত নৰকৰ পৰা পৰিত্রাণ লাভ কৰে বুলি বৰাহ পুৰাণত কোৱা হৈছে। এইখন পুৰাণত গছৰ পৰা পঞ্চযজ্ঞ সাধিত হয় বুলি কোৱা হৈছে --

ইন্ধনার্থং যদাণীতমগ্নিহোত্রং তদুচ্যতে ।
ছায়াৱিশ্রামপথিকৈঃ পক্ষিণাংনিলয়েন চ।
পত্রমূলত্বগাদিশ্চ ঔষধার্থন্তু দেহিনাম্
উপকুর্বন্তি বৃক্ষস্য পঞ্চযজ্ঞ স উচ্যতে।।

(বৰাহপুৰাণ,১৭২.৩৮-৩৯)

অর্থাৎ গছৰ পৰা যজ্ঞীয় কাষ্ঠ আহৰণ কৰা হয় সেয়ে গছৰ দ্বাৰা অগ্নিহোত্র সাধিত হয়, গছৰ পৰা ছায়া লাভ কৰে, গছৰ তলত পথিকে বিশ্রাম লয়, গছ হ'ল পশু পক্ষীৰ আশ্রয় স্থান, গছৰ পত্র, ছাল, মূল আদিৰ পৰা প্রাণীগণৰ ঔষধ লাভ হয়, সেয়ে গছ-গছনি পঞ্চযজ্ঞ স্বৰূপ।

আকৌ এইখন পুৰাণতে গছ ৰোপণৰ বাবে জনগণক উৎসাহিত কৰি কোৱা হৈছে যে এগৰাকী সু-পুত্রই যিদৰে অতি যত্ন, অতি কঠোৰ নীতি-নিয়মেৰে নিজ বংশৰ উন্নতি সাধন কৰে ঠিক তেনেদৰে গছ-গছনিবোৰে ফল-মূল-ফুলৰে সুশোভিত হৈ ৰোপণ কর্তাক নৰকৰ পৰা উদ্ধাৰ কৰে--

য়থা সুপুত্রঃ কুলমুদ্ধৰোদ্ধি
য়থাহতিকৃচ্ছ্রান্নিয়মপ্রয়ত্নত্বাৎ
তথাত্র বৃক্ষাঃ ফু ফলপুষ্পভূতাঃ
স্বং স্বামিনং নৰকাদ্ধদ্ধৰন্তি।।

(বৰাহপুৰাণ ১৭২-৩৭)

পুৰাণসমূহত বিভিন্ন প্রসঙ্গত অশ্বত্থ, বট, উদুম্বৰ, বিল্ব, আম্র,আমলকী, তুলসী, কদম্ব, চম্পক, বকুল, অশোক, অর্জুন ইত্যাদি বৃক্ষসমূহৰ বর্ণনা তথা বিভিন্ন দেৱ-দেৱীৰ সৈতে এই বৃক্ষসমূহৰ আত্মিক সম্বন্ধ বর্ণিত হৈছে যিবোৰে প্রত্যক্ষ অথবা পৰোক্ষভাৱে সেই গছসমূহৰ প্রতি সমাদৰ তথা সংৰক্ষণৰ কথা সূচায়। তেনেদৰে বিভিন্ন ব্রত পালনৰ সৈতে বিভিন্ন বৃক্ষৰ সংযোগ মন কৰিবলগীয়া। অগ্নিপুৰাণত কোৱা হৈছে যে জ্যৈষ্ঠমাহৰ পঞ্চদশীত বটমূলত মহাসতী সাৱিত্রীৰ পূজা কৰিব লাগে (অগ্নিপুৰাণ ১৯৪.৫)। স্কন্দপুৰাণত অশ্বত্থবৃক্ষৰ প্রতি সমাদৰ জনাই এক সুবিস্তৃত বর্ণনা আগবঢ়োৱা দেখা যায়। অশ্বত্থ বৃক্ষ দেৱগণৰ আশ্রয়স্থল। অশ্বত্থ বৃক্ষৰ দর্শনত পাপ বিনষ্ট হয়। আনকি বৃক্ষৰ নাম গ্রহণ কৰিলেও সকলো ৰোগ আৰু পাপ বিনাশ হয় --

সর্বাময়হৰং চৈৰ সর্বপাপৌঘহাৰিণম্।

য়ে নৰাঃ কীর্ত্তয়িষ্যন্তি নামপ্যশ্বত্থবৃক্ষজমা।।

(স্কন্দপুৰাণ,৬-২৪৭-২২৯)

অশ্বত্থ বৃক্ষক পূজা কৰিলে দুঃস্বপ্ন, দুঃচিন্তা, পৰাভৱ পাপাদি বিনাশ হয়। অশ্বত্থ বৃক্ষৰোপণ কৰোতা গৰাকীৰ সহস্ৰ পাপ দূৰ হয় --

অশ্বত্থং ৰোপয়েদয়স্তু পৃথিব্যাং প্রযত্নো নৰঃ।

তস্য পাপসহস্রানি বিলয়ং যান্তি তৎক্ষুণাৎ।।

(স্কন্দপুৰাণ ৬-২৪৭-৩৮)

আধুনিক বিজ্ঞানেও অশ্বত্থবৃক্ষৰ সর্বাধিক অক্সিজেন উৎপাদন ক্ষমতাৰ কথা স্বীকাৰ কৰে। পুৰাণকাৰসকলে এই গছৰ উপকাৰিতা অনুভৱ কৰিছিল। সেয়ে দেৱত্ব আৰোপ কৰিছিল। এইখন পুৰাণতে কোৱা হৈছে যে অশ্বত্থ বৃক্ষৰ মূলত বিষ্ণু, স্কন্ধত কেশৱ, শাখাসমূহত নাৰায়ণ, পত্রসমূহত ভগৱান হৰি আৰু ফলসমূহত অচ্যুত বাস কৰি ইয়াৰ সর্বদেৱময়ত্বৰ বিষয়ে সন্দেহ আঁতৰ কৰি থাকে --

মূলে ৰিষ্ণু স্থিতো নিত্যং স্কন্ধে কেশৱ এৱ চ।

নাৰায়ণস্তু শাখাসু পত্রেষু ভগৱান হৰিঃ।

ফলেহচ্যুতো ন সন্দেহঃ সর্বদেৱৈঃ সমন্বিতঃ।।

(স্কন্দপুৰাণ ৬-২৪৭-৪১)

পুৰাণসমূহৰ গৃহনির্মাণ তথা তাৰ লগত ৰোপণ কৰিবলগীয়া গছ-গছনিসমূহৰ উল্লেখ কৰি বিভিন্ন স্থানত সেই গছসমূহৰ শুভাশুভ ফলৰ বর্ণনা দিয়া দেখা যায়। মৎস্য পুৰাণত (অধ্যায় ২৫৫.২০-২১) কোৱা হৈছে যে ভৱনৰ পূব দিশত বট বৃক্ষ থাকিলে সর্বকাম সিদ্ধি হয়। দক্ষিণ দিশত উদুম্বৰ, পশ্চিম দিশত অশ্বত্থ আৰু উত্তৰ দিশত প্লক্ষ বৃক্ষ থাকিলে সেই ভৱনে গৃহস্থক ধন্য কৰে। ইয়াৰ ৰৈপৰীত্য হ'লে বিপৰীত ফল প্রাপ্তি হয়। আনহাতে এই দিশসমূহত কণ্টকী, ক্ষীৰবৃক্ষাদি অশুভসূচক গছ থাকিলেও সেইসমূহ কাটি নেপেলাই তাৰ মাজে মাজে বেলেগ গছ ৰুই দিয়াৰ বাবে পৰামর্শ আগবঢ়াইছে। তেনেদৰে গৃহ প্রাঙ্গনত পুন্নাগ, আশোক, বকুল, শমী ,তিলক, চম্পক, দাড়িম, পিপ্পলী, দ্রাক্ষা, জম্বীৰ, পনস, কেতেকী, সৰোজ, শতপত্র, মল্লিকা, নাৰিকল, কদলী আদি গছ ৰুলে গৃহৰ শ্রীবৃদ্ধি হয় বুলি বর্ণনা কৰা দেখা যায়। এনেবোৰ বর্ণনাৰ পৰা সেই গছসমূহ সমাদৃত হোৱাৰ উপৰিও এটা সুন্দৰ পৰিৱেশ গঢ়াত সহাযক হয়।

সনাতন হিন্দু ধর্মীয় পূজা-অর্চনাত বিভিন্ন দেৱতাৰ উদ্দেশ্যে বিভিন্ন ফুল-ফল, পত্র-মূল আদি অর্পণ কৰা হয়। আনহাতে বেলেগ বেলেগ দেৱতাৰ প্রিয় ফুল ভিন্ন হয়। স্বাভাৱিকভাৱেই সেই বৃক্ষসমূহ জনগণৰ দ্বাৰা সমাদৃত হয়। কালিকাপুৰাণত সেয়েহে পুষ্পৰ মূলত ব্রহ্মা বাস কৰে, পুষ্পৰ মধ্যত কেশৱ, অগ্রভাগত মহাদেৱ বাস কৰে আৰু পাহিসমূহত সকলো দেৱতা বাস কৰে বুলি কোৱা হৈছে--

পুষ্পমূলে ৱসেদ্ ব্রহ্মা পুষ্পমধ্যে তু কেশৱঃ।

পুষ্পাগ্রে তু মহাদেৱঃ সর্বে দেৱাঃ স্থিতা দলে।।

(কালিকাপুৰাণ, ৬৯-১৩৬)

সেয়ে দেৱতাসকলক পুষ্প অর্পণ কৰি পূজা কৰিবলৈ কোৱা হৈছে আৰু পুষ্পৰ নাম মাত্র উচ্চাৰণ কৰিলেও সকলো প্রকাৰ বিভূতি লাভ হয় বুলি কোৱা হৈছে। এনেবোৰ বার্তাৰ পৰা মানুহৰ গছ-বিৰিখৰ প্রতি শ্রদ্ধা-ভক্তি তথা সমাদৰ বৃদ্ধি পায়। এইদৰে ফুল-ফলৰে সমৃদ্ধ এখন সেউজীয়া ধৰণীৰ ধাৰণা পুৰাণসমূহত

উপলব্ধ কৰিব পৰা যায়।

জল বা জলাশয়সমূহৰ উপস্থিতিয়ে পৰিৱেশৰ ভাৰসাম্যতা ৰক্ষাত অতি গুৰুত্বপূর্ণ ভূমিকা আগবঢ়ায়। প্রাচীন ভাৰতীয় সংস্কৃতিত পুখুৰী খনন, কুঁৱা খনন, দেৱমন্দিৰ নির্মাণ, উপবন নির্মাণ আদিক পূর্ত্ত কর্ম বুলি কোৱা হৈছিল। জনগণক এই পুণ্য কর্ম কৰিবলৈ অনুপ্রাণিত কৰা হৈছিল। অগ্নি পুৰাণত মুক্তিপ্রদ এই কর্মসমূহ অনুষ্ঠিত কৰিবলৈ কোৱা হৈছিল—

ৱাপী কুপ তড়াগানি দেৱতায়তানি চ।
অন্নপ্রদানমাৰামাঃ পূর্ত্তং ধর্মঞ্চ মুক্তিদম্।।

(অগ্নপুৰাণ ২০৯-২)

এইদৰে পুৰাণসমূহত বিভিন্ন প্রসংগত পৰিৱেশ সচেতনতাৰ লগত সংগতি থকা অনেক বার্তা উপলব্ধ হয়।

৪.৭ অর্থশাস্ত্র তথা স্মৃতিশাস্ত্রসমূহত পর্যাবৰণ চেতনা

সংস্কৃত সাহিত্য নিধিৰ অন্যতম অংশ কৌটিল্যৰ অর্থশাস্ত্র তথা অন্যান্য স্মৃতিগ্রন্থসমূহতো পৰিৱেশ সচেতনতা সম্বন্ধীয় বহু তথ্য উপলব্ধ হয়। কৌটিলৰ অর্থশাস্ত্রত সীতাধ্যক্ষ (২-২৪-১৭) নামৰ অধ্যায়টোত কৃষি সম্বন্ধীয় সুবিস্তৃত বর্ণনা উপলব্ধ হয়। এই অধ্যায়ত কৃষিৰ বাবে শুল্ব (মাটিৰ তলত থকা পানীৰ জ্ঞান) বৃক্ষায়ুর্বেদ (গছ-গছনিৰ প্রতিপালন বিদ্যা) আদিৰ জ্ঞান আহৰণ কৰি সীতাধ্যক্ষই অর্থাৎ কৃষি অধ্যক্ষই যথা সময়ত শস্যাদিৰ বীজ সংগ্রহ কৰিবলৈ পৰামর্শ দিয়া হৈছে। এই প্রসঙ্গত বৃষ্টিৰ প্রকাৰ আৰু সেই অনুপাতে শস্যৰ বৃদ্ধিৰ লক্ষণ বর্ণিত হৈছে। সেই সময়ৰ ভাৰতবর্ষৰ কৃষি সমৃদ্ধি তথা জলবায়ু সম্বন্ধীয় জ্ঞানৰ সুন্দৰ নিদর্শন ইয়াত উপলব্ধ হয়। এইখন গ্রন্থতে বৃক্ষৰোপণত বিশেষ গুৰুত্ব প্রদান কৰা দেখা যায়। কোনোবাই গছৰ গজালি ডাল-পাত ছিঙিলে বা উঘালি পেলালে যথোপযুক্ত শাস্তি বিহিবৰ বাবে নির্দেশ দিয়া হৈছে -

পুৰোপবনস্পতীনাং পুষ্পফলচ্ছায়াৱতাং প্রৰোহচ্ছেদনে ষট্পণঃ ক্ষুদ্রশাখাচ্ছেদনে দ্বাদশপণঃ, পীনশাখাচ্ছেদনে চতুর্বিংশতিপণঃ, স্কন্ধবধে পূর্বঃ সাহসদণ্ডঃ, সমুচ্ছিত্তৌ মধ্যমঃ। পুষ্পফলচ্ছায়াৱদ্গুল্মলতাস্বধঙ্গণ্ডাঃ পুণ্যস্থানতপোবনশ্মশানদ্রুমেষু চ।। (অর্থশাস্ত্র ৩-১৯-২৮-২৯) অর্থাৎ নগৰৰ উদ্যানৰ ফুল-ফল আৰু ছাঁ দিয়া গছৰ গজালি ছিগিলে ছয় পণ দণ্ড, সৰু ডাল ছিঙিলে বাৰ পণ দণ্ড, ডাঙৰ ডাল কাটিলে চৌবিশ পণ দণ্ড, গা-গছ কাটিলে প্রথম সাহস দণ্ড, উভালি পেলালে মধ্যম সাহস দণ্ড হ'ব। ফুল-ফল আৰু ছায়া দিয়া জোপোহা আৰু লতাৰ ক্ষেত্রত অর্দ্ধ দণ্ড হ'ব। পুণ্যক্ষেত্র, তপোবন আৰু শ্মশানৰ ক্ষেত্রতো অর্দ্ধ দণ্ড হ'ব।

কৌটিল্যৰ অর্থশাস্ত্রত প্রাচীন ভাৰতৰ জলসিঞ্চন তথা জল সংৰক্ষণ ব্যৱস্থাৰ নিদর্শন উপলব্ধ হয়। অর্থশাস্ত্রৰ 'অধ্যক্ষ প্রচাৰ' নামৰ অধ্যায়ত (২..১৯) ৰজাৰ কর্তব্য প্রসঙ্গত জলসিঞ্চন তথা বান্ধ নির্মাণ আৰু উদ্যান আদি নির্মাণ কৰা ব্যক্তিক ৰজাই অনুগ্রহ প্রদর্শন কৰিব লাগে বুলি কোৱা হৈছে—

'সহোদকমাহার্যোদকং বা সেতুং বন্ধয়েৎ। অন্যেষাং বা বধ্নতাং ভূমিমার্গবৃক্ষাপকৰনানুগ্রহং কুর্যাৎ,পুণ্যস্থানাৰামাণাং চ।' (অর্থশাস্ত্র ২-১-২০-২১)

অর্থাৎ প্রাকৃতিক জলস্থানত বা সংগৃহীত জলস্থানত বান্ধ দিব লাগে। নাইবা বান্ধ দিয়া অন্য মানুহক আৰু মন্দিৰ উদ্যান আদিৰ নির্মাণ কৰোতাসকলক ভূমি, পথ, গছ আৰু সা-সজুলিৰে অনুগৃহীত কৰিব লাগে। ইয়াৰোপৰি বিভিন্ন প্রসঙ্গত বনজ সম্পদ, হস্তী বন আদিৰ যথোপযুক্ত সংৰক্ষণৰ ব্যৱস্থাৰ বাবে পৰামর্শ উপলব্ধ হয়। স্মৃতিশাস্ত্রসমূহৰ পৰিসৰ সুবিশাল। সেয়ে বক্তব্য বিষয়ৰ বিস্তৃতি পৰিহাৰ কৰিবলৈ কেৱল মনুস্মৃতিৰ নগণ্য সংখ্যক

তথ্য উপস্থাপন কৰা হ'ব। মনুস্মৃতিৰ প্ৰথম অধ্যায়ত সৃষ্টি প্ৰক্ৰিয়াৰ বৰ্ণনা প্ৰসঙ্গত জৰায়ুতা, অণ্ডজ আৰু স্বেদজ এই তিনি শ্ৰেণীৰ প্ৰাণীসমূহৰ বৰ্ণনা উপলব্ধ হয়। ঠিক তেনেদৰে উদ্ভিজ, ওষধি, বনস্পতি, বৃক্ষ, গুল্ম, লতা, তৃণ, প্ৰতান প্ৰভৃতি গছ-গছনিৰ শ্ৰেণী বিভাজন পোৱা যায়। এই প্ৰসঙ্গতে মনুস্মৃতিকাৰে ব্যক্ত কৰিছে যে অন্তৰত চৈতন্য থকা বাবে ইহঁতে অৰ্থাৎ গছ-গছনিবোৰে সুখ-দুঃখ অনুভৱ কৰিব পাৰে --

'অন্তঃসংজ্ঞা ভৱন্ত্যেতে সুখদুঃখসমন্বিতাঃ'।

(মনুস্মৃতি ১-৪৯)

এইদৰে সুদূৰ অতীততেই প্ৰকৃতিৰ প্ৰতিটো সম্পদৰ প্ৰতি যথোচিত মৰ্যদা প্ৰদান কৰা হৈছিল।

বৃক্ষজগতৰ যি শ্ৰেণী বিভাজন বৰ্ণিত হৈছে সি সম্পূৰ্ণৰূপে বাস্তৱসম্মত বুলি ক'ব পৰা যায়। উদাহৰণস্বৰূপে ফুল নুফুলা গছক বনস্পতি আৰু ফুল লগাৰ পাছত ফল লগা গছক বৃক্ষ বুলি কোৱা হৈছে --

অপুষ্পাঃ ফলবন্তো তে বনস্পতয়ঃ যে স্মৃতাঃ।
পুষ্পিণঃ ফলিনশ্চৈৱ বৃক্ষাস্তুভয়তঃস্মৃতাঃ।।

(মনুস্মৃতি ১-৪৭)

গুচ্ছ, গুল্ম, তৃণ, প্ৰতান (তন্তুযুক্ত লতা) আৰু বল্লী (লতা) - এইবিলাক গুটি আৰু ডালৰ পৰা হয়--

গুচ্ছগুল্মন্তু ৱিৱিধং তথৈৱ তৃণজাতয়ঃ।
বীজকাণ্ডৰুহাণ্যেৱ প্ৰতানা ৱল্ল্যা এৱ চ।।

(মনুস্মৃতি ১-৪৮)

শাস্ত্ৰসমূহে সদায় হিংসাবৰ্জিত সৎ কৰ্ম কৰিবলৈ অনুপ্ৰেৰণা যোগাই আহিছে। প্ৰাণীহিংসা বৰ্জন কৰাই শ্ৰেয় মাৰ্গ বুলি সুস্পষ্টভাৱে কোৱা হৈছে --

য়দ্ধ্যায়তি যৎ কুৰুতে ধৃতিং বধ্নাতি য়ত্ৰ চ।
তদৱাপ্নোত্যয়ত্নেন য়ো হিনস্তি ন কিঞ্চন।।

(মনুস্মৃতি ৫-৪৭)

অৰ্থাৎ যিগৰাকীয়ে কাৰো হিংসা নকৰে, সেইজনে যিহকে ধ্যান কৰে, যি কাৰ্য্যই কৰে আৰু যিহতে মনোনিৱেশ কৰে, সেই সকলোবোৰ তেওঁ অনায়াসে লাভ কৰে। পৰ্য্যাবৰণ চেতনা জাগ্ৰত কৰিবলৈ, প্ৰাকৃতিক সম্পদসমূহ সংৰক্ষিত তথা সদ্ ব্যৱহাৰ কৰিবলৈ এইধৰণৰ নৈতিক প্ৰমূল্যযুক্ত বাণী স্মৃতিশাস্ত্ৰসমূহত সততে পৰিলক্ষিত হয়।

প্ৰাচীন ভাৰতীয় সমাজ তথা সংস্কৃতিত পানীক পৱিত্ৰ জ্ঞান কৰা হৈছিল। পূজা-পাতলাদিত জলক পূজা কৰা হয়। স্নানাদি কাৰ্য্যত কেনেকুৱা জল ব্যৱহাৰ কৰিব লাগে সেই সম্বন্ধে মনুসংহিতাত কোৱা হৈছে --

নদীষু দেৱখাতেষু তড়াগেষু সৱঃসু চ।
স্নানং সমাচৰেন্নিত্যং গৰ্তপ্ৰস্ৱৰনেষু চ।।

(মনুসংহিতা ৪-২০৩)

অৰ্থাৎ (সমুদ্ৰগামী) নদীত, মন্দিৰৰ কাষৰ পুখুৰীত, সৰোবৰত আৰু চাৰি ক্ৰোশ ব্যাপী থকা গাঁতত অথবা নিজৰাৰ পানীত স্নান কৰিব লাগে।

৪.৮ সংস্কৃত কাব্যত পৰ্যাবৰণ চেতনা

সুবিশাল সংস্কৃত কাব্যসমূহত প্ৰায় অধিকাংশতেই প্ৰকৃতি চিত্ৰণৰ অনন্য সুন্দৰ বৰ্ণনা উপলব্ধ হয়। পদ্যাত্মক আৰু গদ্যাত্মক কাব্যৰ সকলো প্ৰকাৰ ৰচনাতেই প্ৰকৃতিৰ নৈসৰ্গিক সৌন্দৰ্য্য, কৰবাত আকৌ ভয়ংকৰ ৰূপৰ বৰ্ণনাও

উপলব্ধ হয়। সংস্কৃত সাহিত্যৰ প্রসিদ্ধ মহাকবি তথা নাট্যকাৰসকলৰ ৰচনাত পটভূমি অথবা চৰিত্রৰ বর্ণনাত প্রকৃতিৰ বিশেষ ভূমিকা দেখা যায়। মহাকাব্যৰ ক্ষেত্রত কালিদাস, ভাৰৱি, ভট্টিমাঘ, শ্রীহর্ষাদি কবিসকলৰ কাব্যসমূহত প্রকৃতিৰ বিবিধ ৰূপৰ বর্ণনা উপলব্ধ হয়। নাট্যকাৰ ভাস, কালিদাস ভৱভূতি আদিৰ ক্ষেত্রতো প্রকৃতিৰ বিবিধ উপাদান চিত্রিত হৈছে। আনহাতে সুবন্ধু, বানভট্ট, দণ্ডী প্রভৃতি গদ্যকাৰসকলৰো ৰচনাৰাজিত প্রকৃতি পটভূমি বা উপাদান ৰূপত অঙ্কিত হৈছে। পর্য্যাবৰণ চেতনাৰ দৃষ্টিৰে চাবলৈ গ'লেও এই বর্ণনাসমূহত অনেক তথ্য উপলব্ধ হয়। সেই বর্ণনাসমূহত নদ-নদী, পর্বত-পাহাৰ, জলাশয়, তৰু-তৃণ, বন্য প্রাণী, চৰাই-চিৰিকতি সমৃদ্ধ এখন সুন্দৰ পৃথিৱীৰ ছবি বিচাৰি পোৱা যায়। প্রকৃতি জগতৰ সৈতে মানুহৰ আত্মিক সম্পর্কৰ অনেক নির্দশন উপলব্ধ হয়। স্থাৱৰ-জলঙ্গমাত্মক সমস্ত জগতকে সহৃদয়তাৰে গ্রহন কৰিবলৈ অনেক সাৰগর্ভ বাণী উপলব্ধ হয়। যিবোৰৰ প্রাসঙ্গিকতা সার্বকালিক বুলি ক'ব পৰা যায়। বর্ণনীয় বিষয় বস্তুৰ বিশালতা আনহাতে নিৰন্ধৰ সীমাবদ্ধতালৈ লক্ষ্য কৰি মহাকবি কালিদাসৰ কাব্যত ফুটি উঠা প্রকৃতি তথা পৰিৱেশ সম্বন্ধীয় তথ্য বিশেষভাৱে দাঙি ধৰিবলৈ যত্ন কৰা হয়। মহাকবি কালিদাসৰ কাব্যত প্রকৃতি এক সজীৱ অভিন্ন সত্ত্বা। প্রকৃতি বিহীন কালিদাসৰ কৃতি নীৰস নিস্পন্দ। কালিদাসৰ প্রকৃতি ক'ৰবাত দায়িত্বশীল পিতৃ, ক'ৰবাত হৃদয়ৰ বার্তাবাহক বিশ্বস্ত দূত, ক'ৰবাত আকৌ সুখ-দুঃখৰ সমভাগী সহোদৰ। কাব্যসমূহৰ বেছিভাগ ক্ষেত্রতে প্রকৃতি অথবা প্রাকৃতিক উপাদানেই পটভূমি ঠিক তেনেদৰে কবিয়ে নায়িক নায়িকাৰ অঙ্গ সৌষ্ঠৱ অথবা মনৰ আবেগ-অনুভূতি চিত্রিত কৰিবলৈও প্রকৃতি দেৱীৰেই আশ্রয় লৈছে। ভাৰতবর্ষৰ প্রকৃতিৰ ভিন্নৰূপ অনুধাৱন কৰিবলৈ কালিদাসৰ কাব্য অধ্যয়ন কৰিলেও সার্থকতা অনুভৱ কৰিব পৰা যায়। কালিদাসৰ খণ্ডকাব্য দ্বয় 'ঋতুসংহাৰম্' আৰু 'মেঘদূতম্' দুয়োখনতেই পর্য্যাবৰণ সম্বন্ধীয় অনেক তথ্য বিচাৰি পাব পৰা যায়। ভাৰতবর্ষৰ ছয় ঋতুক অৱলম্বন কৰি ৰচিত হৈছে 'ঋতুসংহাৰম্'। ঋতুসমূহৰ বর্ণনাত তদানীন্তন কালৰ ভাৰতৰ প্রকৃতিৰ লগতে জন জীৱন তথা ঋতুসমূহৰ পৰিৱর্তনে মানৱ হৃদয়ত কিদৰে প্রভাৱ পেলাই তাৰো বর্ণনা ইয়াত উপলব্ধ হয়। প্রত্যেকটো ঋতুৰ বৈভৱ স্বৰূপ প্রকৃতিৰ গছ-গছনি ফুল-ফল তথা প্রাণীগণক কাব্যিক ৰূপত চিত্রিত কৰা হৈছে। উদাহৰণ স্বৰূপে শৰৎ ঋতুৰ বর্ণনা প্রসঙ্গত প্রথম শ্লোকফাঁকিত শৰতক নব বধূৰ ৰূপত কল্পনা কৰা হৈছে। যিগৰাকীয়ে কাশ কুসুম ৰূপ বস্ত্রপৰিধান কৰিছে বিকশিত পদুম যাৰ মনোহৰ মুখ, আনন্দত মতলীয়া হংসনাদ যাৰ নূপুৰৰ ধ্বনি আৰু পকা শালিধন যাৰ অঙ্গ-লতিকা-

কাশাংশুকা বিকচপদ্মমনোজ্ঞবক্ত্রা সোন্মাদ হংসনূপুৰনাদৰম্যা।
আপক্ক-শালিৰুচিৰা তনুগাত্রয়ষ্টি প্রাপ্তা শৰন্নৱৰধূৰির ৰূপৰম্যা।।

(ঋতুসংহাৰম ৩-১)

এইদৰে শৰতকালৰ প্রকৃতিৰ সম্পদবোৰ কাব্যিক ভাষাত মাথোন এটি শ্লোকতে বুজিব পৰা যায়। কালিদাসৰ আনখন খণ্ডকাব্য 'মেঘদূতম' খনো পর্য্যাবৰণৰ দৃষ্টিৰে অতি গুৰুত্বপূর্ণ বুলি ক'ব পৰা যায়। গ্রন্থখনৰ নামটোৱেও ইয়াৰ অন্তঃনিহিত অর্থ সূচায়। মেঘৰ দৰে নির্জ্জীৱ প্রাকৃতিক উপাদান এটিও কবিৰ কল্পনাত প্রিয়তমৰ বার্তা প্রিয়াৰ ওচৰলৈ লৈ যাব পৰা বিশ্বস্ত দূত হ'ব পাৰে। বাৰিষাৰ আকাশত দেখা পোৱা মেঘখণ্ডই প্রিয়তমা পত্নীৰ পৰা বিচ্ছেদিত বিৰহী যক্ষক মনৰ বতৰা যক্ষপত্নীলৈ লৈ যাওঁতে ৰামগিৰিৰ পৰা হিমালয়ৰ অলকাপুৰীলৈ যি পথৰ বর্ণনা কবিয়ে আগবঢ়াইছে সেই বর্ণনাত বর্ষাকালীন ভাৰতবর্ষৰ গছ-গছনি বন-উপবন, পর্বত-পাহাৰ, নদ-নদী, গাঁও-নগৰ, কৃষিভূমি ইত্যাদিৰ সুন্দৰ চাক্ষুষ বর্ণনা উপলব্ধ হয়। বর্ষা ঋতুত ভাৰতৰ সর্বত্রই কদম্ব পুষ্প বিকশিত হৈ উঠে। বৰষুণ পৰি মাটিত সৰু বৰ বহু গছ গজি উঠে। মাটিত নতুনকৈ ভূমি কন্দলী গজি উঠিছে। তেনেদৰে বৰষুণ পৰি মাটিৰ পৰা সুগন্ধি নির্গত হৈছিল। কবিয়ে মেঘক কৈছিল যে মৃগ, হাতী আৰু ভোমোৰা এইবোৰে মেঘক বাট দেখু�ৱাই দিব --

নীপং দৃষ্ট্বা হৰিৎকপিশং কেসৰৈৰ ৰূঢ়ৈ —
ৰাবির্ভূত-প্রথম-মুকুলাঃ কন্দলীশ্চানুকচ্ছম্।
জগ্ধবাহৰনেৎস্বধিকসুৰভিং গন্ধমাঘ্রায়চোব্যৌ ঃ
সাৰঙ্গাস্তে জললবমুচঃ সুচয়িষ্যন্তি মার্গম্।।

(মেঘদূতম ১-২১)

মেঘৰ গন্তব্য পথত গঙ্গা, যমুনা, সৰস্বতী, চর্মন্বতী গম্ভীৰা, নিবিন্ধা, গন্ধৰতী,ৰেৱা, শিপ্রা, বেত্রৱতী আদি নদীৰ বর্ণনা কৰা হৈছে। তেনেদৰে ৰামগিৰি, বিন্ধ্য, আম্রকূট, দেৱগিৰি, হিমালয়, কৈলাস, ক্রৌঞ্চ আদি পর্বত উল্লেখিত হৈছে। ভাৰতবর্ষৰ বন, উপবন, গ্রাম্যাদিত দৃশ্যমান হোৱা আশোক, আম্র, কদম্ব, জম্বু, সৰল, দেৱদাৰু, কদলী, বংশ, কীচক, তাল, বেতস, ধান্য, প্রভৃতি তৰু তৃণাদিৰ বর্ণনা, কমল, কদম্ব, জপা, কেশৰ, কুৰবক, কেতকী, কুটজ, লোধ্র, মাধৰী, মালতী, শিৰীষ, যুথিকা প্রভৃতি পুষ্পৰাশিৰ বর্ণনা অতি মনোজ্ঞৰূপত উপস্থাপিত হৈছে। প্রসঙ্গক্রমে উল্লেখ কৰিব পৰা যায় যে কবিৰ কল্পনাত জোনাকী পৰুৱাৰ (খদ্যোত) দৰে ক্ষুদ্র জীৱ তেনেদৰে পুঠিমাছৰ (শঙ্কৰ) দৰে ক্ষুদ্র মৎস্যও কাব্যিক ৰূপত অঙ্কিত হৈছে। প্রকৃতিৰ জৈৱ বৈচিত্রৰ সুন্দৰ নিদর্শন দাঙি ধৰে।

মহাকবি কালিদাসৰ 'কুমাৰসম্ভৱম' মহাকাব্যখনত প্রথম সর্গত হিমালয় পর্বতৰ গছ-গছনি, সেই অঞ্চলত বিচৰণ কৰা জীৱ-জন্তু, ইত্যাদিৰ চিত্রপট কর্ণনা উপলব্ধ হয়। হিমালয় পর্বত নানা প্রকাৰ ওষধি গছৰ ভাণ্ডাৰ স্বৰূপ আছিল সেই কথাও অতি সুন্দৰ ৰূপত বর্ণিত হৈছে। নিশাকালত সেই ওষধি গছসমূহ প্রদীপ্ত হৈ উঠা বাবে হিমালয়ৰ গুহাবোৰ উদ্ভাসিত হৈ উঠিছিল। উদাহৰণস্বৰূপে নিম্নোক্ত শ্লোকফাঁকিত কোৱা হৈছে যে এই পর্বতত বিদ্যমান দেৱদাৰু গছত হাতীবোৰে গণ্ডস্থল খজুৱাই দিয়াত দেৱদাৰু গছৰ পৰা নির্গত দুগ্ধৰ দৰে ৰসৰ সুগন্ধিয়ে সেই পর্বতৰ শিখৰ সুৰভিত কৰি তুলিছিল--

কপোলকণ্ডুঃ কৰিভির্বিনেতুং বিঘট্টিতানাং সৰলদ্রুমানাম্।
য়ত্র স্নুতক্ষীৰতয়া প্রসূতঃ সানূনি গন্ধঃ সুৰভীকৰোতি।।

(কুমাৰসম্ভৱম্ ১-৯)

প্রসঙ্গক্রমে এইদৰে ইয়াত হাতী, চমৰী মৃগ, ময়ূৰ তথা বৃক্ষ লতিকা আদিৰ উল্লেখ পোৱা যায়। বৰফাবৃত হিমালয়ৰ সৌন্দর্য্যও বর্ণিত হৈছে। এইদৰে হিমালয়ৰ পৰিস্থিতিতন্ত্র (Himalayan ecology) ৰ আভাস বিচাৰি চাব পৰা যায়।

মহাকবি গৰাকীৰ আনখন মহাকাব্য 'ৰঘুবংশ'তো পর্যাবৰণ সচেতনতাৰ অনেক সুন্দৰ নিদর্শন উপলব্ধ হয়। ৰঘুবংশৰ প্রথম সর্গত ৰজা দিলীপৰ বশিষ্ঠ মুনি আশ্রমলৈ কৰা যাত্রা-পথত অতি সুন্দৰ প্রকৃতিৰ চিত্র উপলব্ধ হয়। শালগছৰ সুগন্ধিৰে সুৰভি, বনৰীয়া ফুলৰ ৰেণু লাগি সুখ-স্পর্শী হৈ পৰা মলয়া বতাহে ৰজা-ৰাণীক যেন সেৱা কৰি গৈছিল। তেওঁলোকৰ ৰথৰ গুৰু গম্ভীৰ শব্দক মেঘগর্জন বুলি ভাবি ময়ূৰ-ময়ূৰী দম্পতীয়ে ওপৰলৈ মূৰ তুলি শ্রুতিমধুৰ কেকাৰৱ তুলিছিল। বশিষ্ঠ মুনিৰ আশ্রমত মানুহ আৰু পশু-পক্ষীৰ মাজত আত্মিক সম্পর্ক দেখা যায়। সন্ধিয়া সময়ত মৃগসমূহ আহি আশ্রমৰ কুটীৰৰ দুৱাৰত নীবাৰ ধানৰ ভাগ বিচাৰি বাধা দিছিল। ঋষি পত্নীসকলৰ সন্তানতুল্য সেই মৃগসমূহৰে সমৃদ্ধ আশ্রমখনত ৰজা-ৰাণী আহি উপস্থিত হৈছিল—

আকীর্ণমৃষিপত্নীনামুটজ- দ্বাৰবোধিভিঃ।
অপত্যৈৰিৱ নীবাৰ ভাগধেয়োচিতৈর্মৃগৈঃ।।

আশ্রমৰ বৃক্ষৰ গুৰিত চাৰিওফালে এক বিশেষ ব্যৱস্থাৰে যাক আলবাল বুলি কোৱা হৈছিল, সেই আলবালত চৰাইসমূহক জলপান কৰিবলৈ জল প্রদান কৰি আশ্রম কন্যাসকল তৎক্ষণাত আঁতৰি গৈছিল। কুটীৰৰ চোতালত ৰ'দত শুকাবলৈ দিয়া নীবাৰ ধানবোৰ থুপ কৰি থোৱা আছিল, হৰিণবোৰে তাৰ ওচৰতে বহি ঘাঁহ পাগুলি আছিল।

এনেবোৰ বৰ্ণনাৰ পৰা মানুহ আৰু বনৰ জীৱ-জন্তুৰ কেনেধৰণৰ আন্তৰিক সহৃদয় সম্বন্ধ থাকিব পাৰে তাকে বুজিব পৰা যায়। দ্বিতীয় সৰ্গত ৰজাৰ ভক্তিৰ পৰীক্ষা ল'বলৈ নন্দিনীয়ে এক মায়া সিংহৰ সৃষ্টি কৰিছিল। সেই সিংহটোৱে কৈছিল যে দেৱী পাৰ্বতীৰ মৰমৰ দেৱদাৰু জোপাৰ ৰখীয়া হিচাবে তেওঁ নিযুক্ত। কিয়নো এদিনাখন এটা বনৰীয়া হাতীয়ে ডিঙি খজুৱাই দেৱদাৰু গছৰ ছাল এৰুৱাই দিয়াত দেৱী পাৰ্বতীয়ে কাৰ্তিকে যুদ্ধত ক্ষত হৈ আহিলে যিমান দুঃখ পাই সেইদিনাখন সিমান দুঃখ পাইছিল। সেয়ে দেৱদাৰু ডালৰ ৰখীয়া হিচাবে এই মায়া সিংহক দায়িত্ব দিয়া হৈছিল। এনেবোৰ বৰ্ণনাই যথাৰ্থতে গছ-গছনিৰ প্ৰতি মানুহৰ অতি সহৃদয় সম্বন্ধৰ কথা সূচায়। ৰঘুবংশৰ ত্ৰয়োদশ সৰ্গত আকাশৰ পৰা দেখা সাগৰখনৰ এক সুন্দৰ দৃশ্য দেখা যায়। সমুদ্ৰৰ উপকণ্ঠৰ গছ-গছনি, সামুদ্ৰিক জীৱ আদিৰো বৰ্ণনা উপলব্ধ হয়।

কালিদাসৰ অন্যতম শ্ৰেষ্ঠ কৃতি 'অভিজ্ঞান শকুন্তলম' নাটকখনত প্ৰকৃতি এক জীৱন্ত চৰিত্ৰ। নায়িকা শকুন্তলা প্ৰকৃতিৰ বুকুত লালিতা কন্যা। শকুন্তলাৰ জন্ম বৃত্তান্তৰ সৈতেও প্ৰকৃতি সম্পৃক্তা। প্ৰকৃতাৰ্থত সমগ্ৰ নাটকখনতেই প্ৰকৃতিৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। সেয়ে পৰ্য্যাবৰণৰ দৃষ্টিৰেও এই নাটকখনত অনেক সমল বিচাৰি চাব পৰা যায়। প্ৰথম অঙ্কত শকুন্তলাৰ মুখৰ পৰা নিৰ্গত মাত্ৰ এষাৰ বাণীয়েই শকুন্তলাৰ গছ-গছনিৰ প্ৰতি থকা অকৃত্ৰিম স্নেহৰ কথা সুস্পষ্ট হয় - "হলা অনসূয়ে, ন কেৱলং তাত নিয়োগ এৱ অস্তি মে সোদৰ স্নেহ অপি এতেষু"-- অৰ্থাৎ হে অনসূয়া, মই পিতৃয়ে নিযুক্ত কৰা বাবেই নহয় ইহঁতৰ প্ৰতি মোৰ সহোদৰ স্নেহ আছে। 'সখীয়েক দুগৰাকীৰ লগত হোৱা বাৰ্তালাপত শকুন্তলাই গছত পানী দিয়া কামটো পিতৃৰ নিৰ্দেশৰ বাবেই নহয় সিহঁতৰ প্ৰতি নিজৰ সহোদৰৰ দৰে স্নেহ আছে বুলি কয়। কালিদাসৰ প্ৰকৃতিৰ প্ৰতি থকা গভীৰ আন্তৰিকতাৰ নিদৰ্শন হিচাবে চতুৰ্থ অঙ্কৰ শকুন্তলাৰ পতিগৃহ যাত্ৰাৰ প্ৰসঙ্গ আনিব পৰা যায়। বিদায় বেলাত বনদেৱতাসকলে শকুন্তলাক আশীবাৰ্দ দিয়াৰ লগতে ক্ষৌমবস্ত্ৰ, লাক্ষাৰস আদি দান কৰিছে। কুলি চৰাইয়ে কৰুণ স্বৰৰে বিদায় সম্ভাষণ জনাইছিল। শকুন্তলাৰ গছ-গছনিৰ সৈতে আন্তৰিক সম্বন্ধৰ কথা অনুভৱ কৰি পিতৃ কণ্বই বনভূমিলৈ আহ্বান কৰিছিল—

পাতুং ন প্ৰথমং ব্যৱস্যতি জলং যুষ্মাস্বপীতেষু য়া
নাদত্তে প্ৰিয়মণ্ডনাপি ভৱতাং স্নেহেন য়া পল্লৱম্।
আদ্যে ৱ কুসুমপ্ৰসূতিসময়ে য়স্যা ভৱত্যুৎসৱঃ
সেয়ং যাতি শকুন্তলা পতিগৃহং সৰ্ৱৈৱনুজ্ঞায়তাম্।।

(অভিজ্ঞান শকুন্তলম্ ৪-৯)

অৰ্থাৎ 'হে তৰুগণ, তোমালোকে পানী নোখোৱাকৈ যি গৰাকীয়ে প্ৰথমতে পানী খাবলৈ ইচ্ছা নকৰে, অলঙ্কাৰ ভাল পালেও যি গৰাকীয়ে তোমালোকৰ প্ৰতি স্নেহ হেতু গছৰ পাত এটিও নিছিঙে, তোমালোকৰ প্ৰথম ফুল ফুলিলে যি গৰাকীয়ে উৎসৱৰ আনন্দ অনুভৱ কৰে, সেই গৰাকী শকুন্তলা পতিগৃহলৈ যাবলৈ ওলাইছে সকলোৱে অনুমতি দিয়া।'

প্ৰকৃতিৰ সৈতে আত্মীয়তা কিমান গভীৰ হ'লে এই ধৰণৰ বাণী অথবা সম্বন্ধ গঢ়ি উঠিব পাৰে সেই কথা এটা উদাহৰণৰ পৰাই বুজিব পৰা যায়। আজন্ম সুপৰিচিত আশ্ৰমখন এৰি যাব সময়ত আশ্ৰমৰ হৰিণসমূহে ঘাঁহ খাবলৈ এৰি দিছিল, ময়ূৰবিলাকে নাচিবলৈ এৰিছিল, আৰু গছবোৰে হালধীয়া পাত পেলাই যেন চকু পানী টুকিছিল-

উদ্গলিত দৰ্ভকৱলা মৃগাঃ পৰিত্যক্তনৰ্তনাময়ূৰাঃ।
অপসৃত পাণ্ডুপত্ৰা মুঞ্চন্ত্যশ্ৰুনীৱ লতাঃ।।

(অভিজ্ঞানশকুন্তলম্ ৪-২২)

এই আটাইবোৰ বৰ্ণনাকে প্ৰকৃতিপ্ৰীতি অথবা পৰিৱেশ সজাগতাৰ নিদৰ্শন হিচাবে উপস্থাপন কৰিব পৰা যায়। প্ৰকৃতিৰ প্ৰতি অন্তৰৰ পৰা সহৃদয়তা অনুভূত হ'লে স্বাভাৱিকভাৱেই নিজৰ নিজৰ স্থানৰ পৰিৱেশ সংৰক্ষিত হয়।

মন কৰিবলগীয়া যে অভিজ্ঞান শকুন্তলম্‌ৰ প্ৰাৰম্ভত যি নান্দী শ্লোক উপস্থাপিত হৈছে তাত অষ্টমূৰ্তি শিৱক স্তুতি কৰা হৈছে। শিৱৰ এই অষ্টমূৰ্তি প্ৰকৃতাৰ্থত প্ৰকৃতিৰ উপাদান সমূহেই। অভিজ্ঞান শকুন্তলম্‌ৰ সুপ্ৰসিদ্ধ নান্দীশ্লোক ফাঁকিত আদ্যা সৃষ্টি জল, অগ্নি, দিন-ৰাতিৰ নিৰ্ণায়ক সূৰ্য্য আৰু চন্দ্ৰ, আকাশ, পৃথিৱী আৰু বায়ু, স্তুতি কৰা হৈছে --

য়া সৃষ্টিঃ স্ৰষ্টুবাদ্য ৱহতি বিধিতং যা হবিৰ্য়া চ হোত্ৰী
য়ে দ্বে কালং ৱিধত্তঃ শ্ৰুতিৱিষয়গুণা যা স্থিতা ৱাণ্য ৱিশ্বম্‌
য়ামাহুঃ সৰ্ৱবীজ প্ৰকৃতিৱিতি যয়া প্ৰাণিনঃ প্ৰাণৱন্তঃ
প্ৰত্যক্ষাভিঃ প্ৰপন্নস্তনুভিৱৱতু ৱস্তাভিৱষ্টাভিৱীশঃ।।

(অভিজ্ঞানশকুন্তলম্‌ ১-১)

শিৱৰ অষ্টমূৰ্তিৰ বিষয়ে বিষ্ণুপু�ৰাণতো (১/৮/৭) উল্লেখ উপলব্ধ হয়—

সূৰ্য্যো জলং মহী ৱহ্নিৰ্ৱায়ুৰাকাশমেৱ চ।
দীক্ষিতো ব্ৰাহ্মণঃ সোম হত্যেতাস্তনৱঃ ক্ৰমাৎ।।

পৰিৱেশ সংৰক্ষণৰ বাবে অপৰিহাৰ্য্য এইসমূহত দেৱত্ব কল্পনাত স্বাভাৱিকভাৱেই শ্ৰদ্ধা ভক্তি সম্পৃক্ত হয়। গতিকে পৰিৱেশৰ প্ৰতি দায়বদ্ধতা বৃদ্ধি হোৱাৰ বাবে এইধৰণৰ বাৰ্তাৰ প্ৰয়োজন আছে। পৰিৱেশীয় নৈতিকতা (Environmental Ethics) সৃষ্টি কৰাৰ ক্ষেত্ৰত এইধৰণৰ চিন্তা-চৰ্চাৰ গুৰুত্ব আছে বুলি ক'ব পৰা যায়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ আধুনিক বিশ্বত পৰিৱেশ সম্বন্ধীয় চিন্তা চৰ্চা প্ৰথম কেতিয়া কৰা হৈছিল?

প্ৰশ্ন নং ২ ঃ 'কন্‌ফাৰেন্স অন হিউমেন এনভাইৰনমেণ্ট' ক'ত আৰু কেতিয়া অনুষ্ঠিত হৈছিল?

প্ৰশ্ন নং ৩ ঃ ইংৰাজী ভাষাৰ 'Environment' শব্দটো কোন ভাষাৰ পৰা লোৱা হৈছিল আৰু শব্দটো কি?

প্ৰশ্ন নং ৪ ঃ ফৰাচী শব্দ 'Environner' ৰ অৰ্থ কি?

প্ৰশ্ন নং ৫ ঃ নিৰুক্তকাৰ যাস্কই দেৱতাসকলক কেইটা ভাগত ভাগ কৰিছিল আৰু কি কি?

প্ৰশ্ন নং ৬ ঃ ভূলোকৰ প্ৰধান দেৱতা কোন?

প্ৰশ্ন নং ৭ ঃ ইংৰাজী 'Environment' শব্দৰ সমাৰ্থক সূচক শব্দ কোনখন বেদতউপলব্ধ হয়?

প্ৰশ্ন নং ৮ ঃ 'মাতা ভূমিং পুত্ৰোং পৃথিৱ্যাঃ'--বাক্যশাৰীৰ উৎস গ্ৰন্থ লিখা।

প্ৰশ্ন নং ৯ ঃ 'ৰোদসী' আৰু 'দ্যাবাপৃথিৱী' শব্দ দুটাই কি সূচাইছে?

প্ৰশ্ন নং ১০ ঃ 'অয়ং য়জ্ঞো ভুৱনস্য নাভি'ঃ-- বাক্যশাৰীৰ উৎস গ্ৰন্থখনৰ নাম লিখা।

প্ৰশ্ন নং ১১ ঃ ক্ৰৌঞ্চপক্ষী যুগলৰ এটাৰ মৃত্যুত শোকাহত বাল্মীকি মুনিৰ মুখ নিঃসৃত শ্লোক ফাঁকি মুখস্থ লিখা।

প্ৰশ্ন নং ১২ ঃ ৰামায়ণৰ কোনটো কাণ্ডত প্ৰাচীন ভাৰতৰ জলসংৰক্ষণ ব্যৱস্থাৰ নিদৰ্শন উপলব্ধ হয়?

প্ৰশ্ন নং ১৩ ঃ মহাভাৰতৰ অনুশাসন পৰ্বত বৰ্ণিত বৃক্ষৰ শ্ৰেণী বিভাজন উল্লেখ কৰা ।

প্ৰশ্ন নং ১৪ ঃ মহাভাৰতত বৃক্ষক পুত্ৰৰ সৈতে তুলনা কৰা এফাঁকি শ্লোক মুখস্থ লিখা।

প্রশ্ন নং ১৫ ঃ মহাভাৰতত গছৰ জীৱ থকা সম্বন্ধে বর্ণনা থকা শ্লোক ফাঁকি মুখস্থ লিখা।

প্রশ্ন নং ১৬ ঃ মহাভাৰতত উপলব্ধ ধর্মৰ সংজ্ঞা উপস্থাপন কৰা।

প্রশ্ন নং ১৭ ঃ খালী ঠাই পূৰণ কৰা

দশকূপ ....., ... সমো হ্রদঃ।

প্রশ্ন নং ১৮ ঃ 'বৃক্ষস্য পঞ্চয়জ্ঞ স উচ্যতে'-- বুলি কোনখন পুৰাণত কোৱা হৈছে?

প্রশ্ন নং ১৯ ঃ মৎসপুৰাণত ভৱনৰ কোন দিশত বটবৃক্ষ প্রশস্ত বুলি কোৱা হৈছে?

প্রশ্ন নং ২০ ঃ কালিকাপুৰাণত বৃক্ষমূলত কোন দেৱতাৰ স্থিতি বুলি কোৱা হৈছে?

প্রশ্ন নং ২১ ঃ অর্থশাস্ত্রৰ ৰচক কোন?

প্রশ্ন নং ২২ ঃ - মেঘদূততে কোনে কালৈ বার্তা প্রেৰণ কৰিছিল?

প্রশ্ন নং ২৩ ঃ মেঘৰ গন্তব্য পথ ক'ৰ পৰা কলৈ আছিল?

প্রশ্ন নং ২৪ ঃ মেঘদূতত উল্লেখিত দুখন পর্বতৰ নাম লিখা।

প্রশ্ন নং ২৫ ঃ মেঘদূত বর্ণিত দুখন নদীৰ নাম লিখা।

প্রশ্ন নং ২৬ ঃ কালিদাসৰ কোনখন কাব্যত হিমালয়ৰ গছ-গছনি-জীৱ-জন্তু আদিৰ বিস্তৃত বর্ণনা উপলব্ধ হয়?

প্রশ্ন নং ২৭ ঃ কালিদাসৰ কোনখন কাব্যত শিৱৰ অষ্টমূর্তিৰ বর্ণনা আছে?

প্রশ্ন নং ২৮ ঃ শিৱৰ অষ্টমূর্তিসমূহ কি কি?

৪.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- আধুনিক বিশ্বত পৰিৱেশ সম্বন্ধীয় চিন্তা চর্চা ১৯৭০ চনত পোন প্রথমবাৰৰ বাবে আগস্থান দিয়া হৈছিল।
- ১৯৭২ চনত চুইডেনৰ ৰাজধানী ষ্টকহম (Stockholm) ত Conference on Human Environment অনুষ্ঠিত হয় (৫ জুনৰ পৰা ১৬ জুনলৈ)
- ১৯৭৩ চনৰ পৰা ৰাষ্টসংঘই ৫ জুন তাৰিখে বিশ্ব পৰিৱেশ দিৱস' উদ্‌যাপন কৰিবলৈ সঙ্কল্প লোৱা হয়।
- বৈদিক দেৱতাসকলৰ অধিকাংশই প্রকৃতিৰ উপাদানৰ আধাৰত কল্পিত হৈছে।
- অথর্ববেদত ইংৰাজী 'Environment' ৰ সমার্থসূচক কেইবাটাও শব্দ উপলব্ধ হয়। পৰিৱেশৰ সামগ্রিক সত্ত্বাৰ ধাৰণা সুস্পষ্ট আছিল।
- পৃথিৱীক মাতৃ জ্ঞান কৰা হৈছিল। ধৰিত্রী আকাশ, জল, বায়ু, সূর্য্য আদিৰ প্রতি সন্মান সূচক অনেক বর্ণনা উপলব্ধ হয় বৈদিক সাহিত্যত।
- বৈদিক সাহিত্যসমূহত বৃক্ষসমূহৰ প্রতি পৰম শ্রদ্ধা প্রকটিত হোৱা দেখা যায়। যাগ-যজ্ঞ পূজা-পাতলত ব্যৱহৃত বৃক্ষসমূহৰ স্তুতিমূলক অনেক মন্ত্র উপলব্ধ হয়। ওষধি গছ সমূহৰ ৰোগ নিৰাময় ক্ষমতাৰ কথা সেই সময়ৰ সমাজখনৰ জ্ঞাত আছিল। অথর্ববেদত এই সম্বন্ধীয় অনেক তথ্য উপলব্ধ হয়। বৈদিক সংস্কৃতি যজ্ঞ কেন্দ্রিক আছিল। যজ্ঞক ভুৱনৰ নাভি বুলি কোৱা হৈছিল ঋগ্‌বেদত। পঞ্চযজ্ঞৰ অনুষ্ঠান প্রাত্যহিক জীৱনৰ অপৰিহার্য্য অঙ্গ আৰু এই প্রসঙ্গতো সর্বভূতৰ মঙ্গলকামনা দ্যোতিত হয়। সমস্ত জগতৰ নিয়ন্তা হিচাবে সূর্য্যক অতি উচ্চ স্থান দিয়া হৈছিল। সমগ্র বৈদিক সাহিত্যতে সামগ্রিকভাৱে বিশ্বৰ কল্যাণৰ প্রার্থনামূলক অনেক মন্ত্র উপলব্ধ হয়।
- ৰামায়ণ সৃষ্টিৰ মূলতে যি ঘটনা উপলব্ধ হয় প্রকৃতার্থত ই পৰিৱেশ সচেতনতাৰেই নিদর্শন। ৰামায়ণৰ

পটভূমি, চৰিত্র অঙ্কণ ইত্যাদি সকলোতে মানুহ আৰু প্রকৃতি জগতৰ অতি নিকট সম্বন্ধৰ অনেক নিদর্শন উপলব্ধ হয়। ৰামায়ণৰ ঋতুবর্ণনাত গছ-গছনি পশু-পক্ষীৰ সমৃদ্ধ সুন্দৰ ধৰণীৰ ছৰি বিচাৰি পোৱা যায়।

- মহাভাৰততো বিভিন্ন প্রসঙ্গত অৰণ্য আশ্রম জীৱ জন্তু চৰাই-চিৰিকতি গছ-গছনি ইত্যাদিৰ অনেক বর্ণনা উপলব্ধ হয়। বৃক্ষক পুত্র তুল্য বুলি ভৱা হৈছিল। বৈদিক সাহিত্যৰ দৰে মহাভাৰততো অশ্বত্থ, বট, বিল্ব, তুলসী আদি বৃক্ষসমূহক উচ্চ স্থান দিয়া হৈছিল। এইধৰণৰ মান্যতা প্রদানে সেই বৃক্ষসমূহৰ প্রতি জনগণৰ আদৰ যত্ন স্বাভাৱিকভাৱেই হৈ যায়। জলৰ পৰিত্রতা ৰক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। মহাভাৰতৰ ধর্মৰ ধাৰণাইও পৰিৱেশ ৰক্ষাৰ বার্তা বহন কৰে।
- পুৰাণ বাঙ্ময়ৰাশিতো ভাৰতীয়ত্বৰ প্রতীক স্বৰূপ বার্তাসমূহৰ প্রতি শ্রদ্ধা প্রদর্শিত হৈছে। এজোপা গছক দহজন পুত্রৰ সমান বুলি মৎস্যপুৰাণত সগৌৰৱে অভিহিত হৈছে। যি সমগ্র বিশ্বৰ পর্য্যাবৰণ সুৰক্ষাৰ বাবে মহামন্ত্রৰ দৰে বুলি ক'ব পৰা যায়। অন্যান্য পুৰাণসমূহতো অশ্বত্থ, বট, বিল্ব, আমলক, ইত্যাদি গছৰ ওপৰত দেৱতাৰ সম্বন্ধ বর্ণিত হৈছে। বৰাহপুৰাণত সুপুত্রই কুলৰক্ষা কৰাৰ দৰে বৃক্ষই ফলফুলৰে গৰাকীক নৰকৰ পৰা উদ্ধাৰ কৰে বুলি উল্লেখ কৰিছে। বৃক্ষৰোপণ, বৃক্ষদান, তড়াগ খনন ইত্যাদিক পৰিত্র কর্ম বুলি কোৱা হৈছে।
- অর্থশাস্ত্রতো বৃক্ষৰোপণ, বৃক্ষ সংৰক্ষণত যথেষ্ট গুৰুত্ব দিয়া হৈছিল। জলাশয় ৰক্ষা কার্যত গুৰুত্ব প্রদান কৰিবলৈ ৰজাক পৰামর্শ দিয়া হৈছিল। মানুসংহিতাতে গছৰ সুখ-দুঃখ অনুভৱ কৰিব পৰা ক্ষমতা থকাৰ বিষয়ে বর্ণনা উপলব্ধ হয়। গছৰ বিভিন্ন শ্রেণী বিভাজনৰ বিজ্ঞানসন্মত বর্ণনা মনুস্মৃতিত উপলব্ধ হয়।
- সমগ্র সংস্কৃত কাব্যসমূহত প্রকৃতি চিত্রণ অন্যতম অঙ্গ হিচাবে দেখা যায়। কাব্যসমূহত পটভূমি, নায়ক-নায়িকাৰ মনৰ অনুভূতি প্রকাশ ইত্যাদিত প্রকৃতিৰেই উপাদান চিত্রিত হয়। মহাকবি কালিদাসৰ কাব্য ৰাশিত প্রকৃতি প্রাণময় চৰিত্র। ব্যক্তিৰূপায়ণ (Personification) কৌশলৰ দ্বাৰা প্রকৃতিক জীৱন্ত কৰি মানবীয় আচৰণ ৰূপায়িত কৰা দেখা যায়। তদানীন্তন ভাৰতবর্ষৰ সমৃদ্ধিশালী প্রাকৃতিক বৈভৱ কালিদাসৰ কাব্যসমূহত ফুটি উঠা দেখা যায়। 'অভিজ্ঞান শকুন্তলম্' নাটকত শকুন্তলাৰ প্রকৃতিৰ প্রতি থকা অকৃত্রিম স্নেহ অতি সুন্দৰ ৰূপত প্রকাশিত হৈছে। ভাৰতৰ ঋতুচক্রই আনি দিয়া প্রাকৃতিক বৈভৱ তথা মানৱ হৃদয়ত সৃষ্টি হোৱা প্রতিক্রিয়াৰ অতি সুন্দৰ নিদর্শন 'ঋতুসংহাৰত' চিত্রিত হৈছে। এইদৰে সংস্কৃত কাব্যসমূহত স্বাভাৱিক ভাৱেই মানুহ আৰু প্রকৃতি জগতৰ মাজত অতি আন্তৰিকতা পূর্ণ সম্বন্ধ বর্ণিত হৈছে যিবোৰে প্রত্যক্ষ অথবা পৰোক্ষভাৱে পৰিৱেশীয় নৈতিকতা (Environmental Ethics) সৃষ্টিতো অৰিহনা যোগাব পাৰে।

৪.১০ অধিক জানিবলৈ

১) শ্রীমদ্বাল্মীকীয় ৰামায়ণ (প্রথম আৰু দ্বিতীয় খণ্ড) গীতা প্রেস গোৰখপুৰ

২) মহাভাৰত (তৃতীয়, পঞ্চম আৰু ষষ্ঠ খণ্ড) গীতা প্রেস, গোৰখপুৰ।

৩) মৎসপুৰাণম্ নৱভাৰত পাবলিশার্স, কলকতা।

৪) বৰাহপুৰাণম্ নৱভাৰত পাবলিশার্স, কলকতা।

৫) কালিকাপুৰাণম্ নৱভাৰত পাবলিশার্স, কলকতা।

৬) শর্মা, ড° থানেশ্বৰ, ঋগ্বেদ, (প্রথম-ষষ্ঠদশ খণ্ড, ৰেখা প্রকাশন, গুৱাহাটী)।

৭) কালে, এম, আৰ ঋতুসংহাৰ, মতিলাল বনাৰসী দাস, দিল্লী।

৮) ত্রিপাঠী, ড° শ্রীকৃষ্ণমণি, ৰঘুবংশম্, চৌখম্বা সুৰভাৰতী প্রকাশন, বাৰাণসী।

৯) শাস্ত্রী, শ্রীবৈদ্যনাথ ঝা, মেঘদূতম্, চৌখম্ব কৃষ্ণদাস অকাদেমি, বাৰাণসী।
১০) কালে, এম আৰ অভিজ্ঞানশকুন্তলম, মতিলাল, বানাৰসী দাস, দিল্লী।
১১) শর্মা ড. থানেশ্বৰ, মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলম এক সমীক্ষা, শান্তিদেৱী প্রকাশ, গুৱাহাটী-২৪।
১২) মালবীয় ড. সুধাকৰ, কুমাৰসম্ভৱম্, চৌখিম্বা কৃষ্ণদাস অকাদমী, বাৰাণসী।
১৩) দেৱশর্মা ৰজনীকান্ত, কৌটিলীয় অর্থশাস্ত্র, অসম প্রকাশন পৰিষদ, গুৱাহাটী -২১।
১৪) শর্মা, শ্রীকিৰণ, মনুসংহিতা, চন্দ্রপ্রকাশ, গুৱাহাটী-১
১৫) বসু, ড. যোগীৰাজ, বেদৰ পৰিচয়, অসম প্রকাশন পৰিষদ, গুৱাহাটী।

৪.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ১৯৭০।

২ নং প্রশ্নৰ উত্তৰ ঃ চুইডেনৰ ৰাজধানী ষ্টকহমত (Stockholm) ১৯৭২ চনত অনুষ্ঠিত হৈছিল।

৩ নং প্রশ্নৰ উত্তৰ ঃ ফৰাচী (French) ভাষাৰ পৰা শব্দটো হৈছে Environner.

৪ নং প্রশ্নৰ উত্তৰ ঃ To encircle or surround অর্থাৎ আৱৰি থকা বা চৌপাশ।

৫ নং প্রশ্নৰ উত্তৰ ঃ যাস্কই দেৱতাসকলক বাসস্থান অনুসৰি তিনিশ্রেণীত ভাগ কৰিছিল- ভূলোকৰ দেৱতা, অন্তৰীক্ষৰ দেৱতা আৰু দ্যুলোকৰ দেৱতা।

৬ নং প্রশ্নৰ উত্তৰ ঃ ভূলোকৰ প্রধান দেৱতা অগ্নি।

৭ নং প্রশ্নৰ উত্তৰ ঃ অথর্ববেদ।

৮ নং প্রশ্নৰ উত্তৰ ঃ অথর্ববেদ (১২.১২)

৯ নং প্রশ্নৰ উত্তৰ ঃ আকাশ আৰু পৃথিৱী

১০ নং প্রশ্নৰ উত্তৰ ঃ ঋগ্বেদ (১.১৬৪.৩৫)

১১ নং প্রশ্নৰ উত্তৰ ঃ মা নিষাদ প্রতিষ্ঠাং ত্বমগমঃ শাশ্বতী সমাঃ।
যৎ ক্রৌঞ্চ মিথুনাদেকমৱধীঃ কামমোহিতম্।।

১২ নং প্রশ্নৰ উত্তৰ ঃ অযোধ্যা কাণ্ড।

১৩ নং প্রশ্নৰ উত্তৰ ঃ বৃক্ষ, গুল্ম, লতা, বল্লী, ত্বকসাৰ আৰু তৃণ -- এই ছয় প্রকাৰ বৃক্ষৰ শ্রেণী বিভাজন উপলব্ধ হয়।

১৪ নং প্রশ্নৰ উত্তৰ ঃ মহাভাৰতৰ অনুশাসন পর্বত পুষ্পিতাঃ (দানধর্ম ৫৮-৩০) বৃক্ষদান কৰোতগৰাকীক বৃক্ষই পুত্রৰ দৰে ৰক্ষা কৰে বুলি কোৱা হৈছে --

পুষ্পিতাঃ ফলৱন্তশ্চ তর্পয়ন্তীহ মান্ৱান্।
বৃক্ষদং পুত্রবদ বৃক্ষস্তাৱয়ন্তি পৰত্র তু।।

১৫ নং প্রশ্নৰ উত্তৰ ঃ মহাভাৰতৰ শান্তিপর্বত (১৮৪-১৭) গছৰ চৈতন্য শক্তি (প্রাণ) থকা বুলি কোৱা হৈছে—

সুখদুঃখয়োশ্চ গ্রহণাচ্ছিন্নস্য ৱিৰোহনাৎ।
জীৱং পশ্যামি বৃক্ষানামচৈতন্যং ন বিদ্যতে।।

১৬ নং প্রশ্নৰ উত্তৰ ঃ ধাৱণাদ্ ধর্মমিত্যাহু ধর্মেন বিধৃতাঃ প্রজাঃ।
য ম্যাদ্ ধাৱণসংযুক্তঃ স ধর্ম ইতি নিশ্চয়।।
(শান্তিপর্ব, ৰাজধর্মানুশাসন ১০৯-১১)

১৭ নং প্ৰশ্নৰ উত্তৰ ঃ দশকূপ সমাৱাপী দশৱাপী সমো হ্ৰদঃ।

১৮ নং প্ৰশ্নৰ উত্তৰ ঃ ৱৰাহপুৰাণ

১৯ নং প্ৰশ্নৰ উত্তৰ ঃ পূৱ দিশত।

২০ নং প্ৰশ্নৰ উত্তৰ ঃ ব্ৰহ্মা।

২১ নং প্ৰশ্নৰ উত্তৰ ঃ কৌটিল্য।

২২ নং প্ৰশ্নৰ উত্তৰ ঃ যক্ষই যক্ষপত্নীলৈ বাৰ্তা প্ৰেৰণ কৰিছিল মেঘৰ দ্বাৰা।

২৩ নং প্ৰশ্নৰ উত্তৰ ঃ ৰামগিৰিৰ পৰা হিমালয়ৰ অলকাপুৰীলৈ।

২৪ নং প্ৰশ্নৰ উত্তৰ ঃ বিন্ধ্য, আম্ৰকূট

২৫ নং প্ৰশ্নৰ উত্তৰ ঃ নিৰ্বিন্ধ্যা, শিপ্ৰা।

২৬ নং প্ৰশ্নৰ উত্তৰ ঃ কুমাৰসম্ভৱম্।

২৭ নং প্ৰশ্নৰ উত্তৰ ঃ 'অভিজ্ঞানমশকুন্তলম'।

২৮ নং প্ৰশ্নৰ উত্তৰ ঃ সূৰ্য্য, জল, পৃথিৱী, অগ্নি, বায়ু, আকাশ, চন্দ্ৰ আৰু যজমান।

? ৪.১২ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ আধুনিক বিশ্বত পৰিৱেশ সম্বন্ধীয় চিন্তা-চৰ্চা পোন প্ৰথমে কেতিয়া আৰম্ভ হৈছিল? এই সম্বন্ধে এটি আলোচনা প্ৰস্তুত কৰা।

প্ৰশ্ন ২ ঃ ইংৰাজী 'Environment' শব্দটোৰ তাৎপৰ্য্য ব্যাখ্যা কৰা।

প্ৰশ্ন ৩ ঃ বৈদিক দেৱতাসকলৰ কল্পনাত পৰিৱেশ সচেতনতা কিদৰে ফুটি উঠিছে আলোচনা কৰা।

প্ৰশ্ন ৪ ঃ কোনখন বেদত ইংৰাজী 'Environment' শব্দটোৰ সমপৰ্য্যায়ৰ শব্দ উপলব্ধ হয়? সেই সম্বন্ধে এটি টোকা প্ৰস্তুত কৰা।

প্ৰশ্ন ৫ ঃ মাতা ভূমিঃ পুত্ৰোহং পৃথিব্যাঃ' - বাক্যশাৰীৰ তাৎপৰ্য ব্যাখ্যা কৰা।

প্ৰশ্ন ৬ ঃ বৈদিক বাঙ্ময় ৰাশিত পানী আৰু বায়ুৰ প্ৰতি প্ৰদৰ্শিত মৰ্য্যদাৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৭ ঃ বৈদিক সাহিত্যত পৰিৱেশ সচেতনতাৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়োৱা।

প্ৰশ্ন ৮ ঃ ৰামায়ণ ৰচনাৰ পটভূমিত ঘটা ঘটনাটোতে কিদৰে পৰিৱেশ সচেতনতা ফুটি উঠিছে আলোচনা কৰা।

প্ৰশ্ন ৯ ঃ ৰামায়ণত প্ৰকৃতিৰ ৰূপ কিদৰে চিত্ৰিত হৈছে আলোচনা কৰা।

প্ৰশ্ন ১০ ঃ ৰামায়ণত জলসংৰক্ষণ ব্যৱস্থা কিদৰে কৰা হৈছিল? আলোচনা আগবঢ়োৱা।

প্ৰশ্ন ১১ ঃ মহাভাৰত গছ-গছনি জলাশয় ইত্যাদিৰ প্ৰতি দেখুওৱা মৰ্যদাৰ ওপৰত বিস্তৃত আলোচনা কৰা।

প্ৰশ্ন ১২ ঃ মহাভাৰতত অশ্বত্থ বৃক্ষৰ প্ৰতি প্ৰদৰ্শিত মৰ্য্যদাৰ দ্বাৰা কিদৰে পৰিৱেশ ৰক্ষা কাৰ্য্য সাধিত হ'ব যুক্তি সহকাৰে আলোচনা আগবঢ়োৱা।

প্ৰশ্ন ১৩ ঃ 'ধাৰণাদ্ ধৰ্মমিত্যাহু'-- বাক্যশাৰীত তাৎপৰ্য্য আলোচনা কৰি মহাভাৰতত ফুটি উঠা পৰিৱেশ সচেতনতা আলোচনা কৰা।

প্ৰশ্ন ১৪ ঃ মহাভাৰতত ফুটি উঠা পৰিৱেশ সচেতনতাৰ ওপৰত বিস্তৃত আলোচনা আগবঢ়োৱা।

প্ৰশ্ন ১৫ ঃ পুৰাণ বাঙ্ময়ত বৃক্ষৰ প্ৰতি প্ৰদৰ্শিত গুৰুত্বৰ বিষয়ে আলোচনা প্ৰস্তুত কৰা।

প্ৰশ্ন ১৬ ঃ 'বৃক্ষস্য পঞ্চয়জ্ঞ স উচ্যতে'-- বাক্যশাৰীৰ তাৎপৰ্য্য আলোচনা কৰা।

প্ৰশ্ন ১৭ ঃ 'অশ্বত্থং ৰোপয়েদয়স্তু পৃথিব্যাং প্ৰয়ত্নো নৰঃ' ---- বাক্যশাৰীৰ তাৎপৰ্য্য আলোচনা কৰা।

প্ৰশ্ন ১৮ ঃ পুৰাণসমূহত পৰিৱেশ সচেতনতাৰ বাবে গুৰুত্বপূৰ্ণ বিষয়বোৰ কিদৰে ফুটি উঠিছে আলোচনা কৰা।

প্ৰশ্ন ১৯ ঃ অৰ্থশাস্ত্ৰত বৃক্ষৰোপণ আৰু বৃক্ষ পৰিপালনৰ বাবে লিপিবদ্ধ পৰামৰ্শসমূহ আলোচনা কৰা।

প্ৰশ্ন ২০ ঃ অৰ্থশাস্ত্ৰত ফুটি উঠা জলসিঞ্চন ব্যৱস্থাৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ২১ ঃ মনুস্মৃতিত বৃক্ষৰ প্ৰতি প্ৰদৰ্শিত গুৰুত্বৰ ওপৰত এটি টোকা আগবঢ়োৱা।

প্ৰশ্ন ২২ ঃ কালিদাসৰ কৃতিসমূহত প্ৰতিফলিত পৰিৱেশ সচেতনতা বিস্তৃতভাৱে আলোচনা কৰা।

প্ৰশ্ন ২৩ ঃ কালিদাসৰ মেঘদূত চিত্ৰিত ভাৰতবৰ্ষৰ প্ৰকৃতিৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ২৪ঃকালিদাসৰ অভিজ্ঞান শকুন্তলম্'ত প্ৰকৃতি আৰু মানুহৰ মাজত থকা আন্তৰিক সম্বন্ধৰ ছবি এখন দাঙি ধৰা।

প্ৰশ্ন ২৫ ঃ অভিজ্ঞান শকুন্তলম নাটকৰ নান্দী শ্লোকটিত কিদৰে পৰিৱেশৰ উপাদান ফুটি উঠিছে আলোচনা কৰা।

প্ৰশ্ন ২৬ ঃ কালিদাসৰ কাব্যৰ অনুধাৱনৰ দ্বাৰা পৰিৱেশীয় নৈতিকতা কিদৰে সমাজত প্ৰচাৰ কৰিব পৰা যায় সেই বিষয়ে আলোচনা কৰা।

*** ***** ***

অধ্যায় ৫ঃ প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিদ্যা

অধ্যায় গাঁথনি

৫.১ উদ্দেশ্য

৫.২ পৰিচয়

৫.৩ প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ অর্থ

৫.৪ প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ ইতিহাস

৫.৫ প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ ক্রমবিকাশ

৫.৬ প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ প্রয়োগ

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৫.৮ অধিক জানিবলৈ

৫.৯ অগ্রগতিৰ খতিয়ান

৫.১০ আৰ্হি প্রশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞান কি সেই বিষয়ে জ্ঞাত হ'ব
- প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ ইতিহাস সম্পর্কে জানিব পাৰিব
- প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞানৰ পৰিসৰ সম্পর্কে ধাৰণা লাভ কৰিব
- প্রাচীন ভাৰতীয় সাহিত্যত জীৱবিজ্ঞান অধ্যয়নৰ প্রয়োজন সম্পর্কে জ্ঞান লাভ কৰিব।

৫.২ পৰিচয়

বৈদিক যুগত মানুহৰ প্রধান জীৱিকা আছিল কৃষি আৰু পশুপালন। কৃষিৰ বাবে যি জ্ঞানৰ প্রয়োজন হয় সেই জ্ঞানেই আছিল উদ্ভিদ বিজ্ঞানৰ ভেঁটি। ঠিক সেইদৰে পশুপালনৰ জ্ঞানেৰে সমৃদ্ধ বৈদিক আর্যসকেলই প্রাণীবিজ্ঞানৰ প্রয়োজনীয়তা অনুভৱ কৰা বুলি ক'ব পৰা যায়।

ধাৰণা কৰা মতে খেতি-বাতি আৰু পশুপালনৰ গ্রাম্য জীৱনৰ ঠিক পূর্বেই মানুহে জীৱ সমূহৰ বিষয়ে চিন্তা-চর্চা, পৰীক্ষণ-নিৰীক্ষণ আৰম্ভ কৰিছিল। জীৱসমূহৰ আকৃতি-প্রকৃতি, স্বভাৱ-চৰিত্র, প্রজনন পদ্ধতি আদিৰ বিষয়ে আৰু গছৰ ফল-মূল, পাত আদিৰ গুণাগুণ আৰু সেইবিলাকৰ আৱাসভূমিৰ বিষয়ে মানুহে যথেষ্ট জ্ঞান আহৰণ কৰিছিল। সেয়াই আছিল জীৱ অধ্যয়নৰ প্রথম পদক্ষেপ। তাৰ পাছত অন্যান্য বিষয়ে, যেনে আকাশৰ জ্যোতিষ্কবোৰৰ সম্পর্কে, পৃথিৱীৰ শিলাস্তৰত থকা বিভিন্ন দ্রব্যৰ বিষয়ে ৰাসায়নিকঅনুসন্ধান ইত্যাদিৰ চর্চা কৰিবলৈ লয়। এইটো নিশ্চিত যে, ভাৰতত প্রাৰম্ভিক বিজ্ঞান চর্চা আৰম্ভ হৈছিল জীৱবিজ্ঞানক লৈ। এনে হোৱাটো নিতান্ত স্বাভাৱিক। কাৰণ, মানুহৰ লগত জীৱ জগতৰ সম্পর্ক বহল আৰু ঘনিষ্ঠ।

যিকোনো ঠাইতে বা যিকোনো সময়তে আমাৰ চৌপাশে থকা বিভিন্ন জীৱ সমূহে আমাৰ দৃষ্টি আকর্ষণ কৰে। আকাশত কীট-পতংগ, পানীত মাছ-কাছ আদি হাজাৰ-বিজাৰ জীৱ সততেই আমাৰ চকুতে পাৰে। কোনো

এক সময়ত পৃথিৱীত কিমান জীৱ আছে তাক নির্ণয় কৰা অসম্ভৱ। মুঠ জীৱৰ সংখ্যা বছৰটোৰ ঋতু, জলবায়ু আৰু পাৰিপার্শ্বিক অৱস্থাৰ ওপৰত বহু পৰিমাণে নির্ভৰ কৰে। মেৰু প্রদেশৰ শীত প্রধান অঞ্চলতকৈ উষ্মমণ্ডলৰ গ্রীষ্মপ্রধান অঞ্চলত জীৱৰ বসতি অধিক। সেইদৰে উচ্চ পর্বত শিখৰতকৈ সমভূমি অঞ্চলত জীৱৰ বসতি অধিক। আকৌ স্থলতকৈ জলত জীৱৰ বসতি অধিক। সমুদ্র পৃষ্ঠৰ ৪ কিঃমিঃ ওপৰলৈ আৰু ৫ কিঃমিঃ তললৈকে যি অঞ্চলত জীৱসমূহে বাস কৰে, তাক জৈৱগোলক বোলে।

এই বিৰাট জীৱজগতৰ বিষয়ে সৰিশেষ জানিবলৈ চেষ্টা কৰাটো কেৱল আমাৰ কৌতুহল আঁতৰাবৰ কাৰণেই নহয়; জীৱজগতৰ বিষয়ে জ্ঞান আমাৰ বিশেষ প্রয়োজনীয়ও। এই জীৱজগতৰ লগত মানৱ সমাজ ওতঃপ্রোতঃভাৱে জড়িত, কাৰণ মানুহো এটি জীৱ। হাবিৰ পশু-পক্ষী, পথাৰৰ ধান-মাহ, পানীৰ মাছ-কাছ, ঘিউ-মাখন আদি দুগ্ধজাত দ্রব্য-এইবিলাকেই মানুহৰ আহাৰ। সেইদৰে জাৰকালি পিন্ধিবলৈ ঊলৰ কাপোৰ বা গৰমকালি পিন্ধিবলৈ পাতল কপাহী বা পাটৰ কাপোৰৰ কাৰণে আমি জীৱৰ ওপৰতেই নির্ভৰ কৰিবলগা হয়। গৰু-ম'হেৰে হালবোৱা, গাড়ী টনা, আদি কাম আজিকালিও আমি কৰিয়েই আছোঁ। আনহাতে খেতি-বাতি, ঘৰ-দুৱাৰ নষ্ট কৰা পোক-পৰুৱাৰ উপদ্রৱত আমি সময়ে সময়ে অতিষ্ঠ হৈ পৰোঁ। আকৌ জীৱই বিস্তাৰ কৰা ৰোগত বছৰে বছৰে অসংখ্য মানুহে মৃত্যুবৰণ কৰিব লগাত পৰে।

মানৱ সমাজৰ লগত জীৱ সমাজৰ এই বিভিন্ন প্রকাৰৰ সম্বন্ধৰ বিষয়ে মন কৰিলেই বুজিব পৰা যায় যে বিভিন্ন প্রকাৰৰ জীৱৰ বিষয়ে পুংখানুপুংখৰূপে জ্ঞান আহৰণ কৰাটো মানৱ জাতিৰ কাৰণে বিশেষ আৱশ্যকীয়।

৫.৩ জীৱবিজ্ঞানৰ অর্থ

ইংৰাজী Biology (বায়'লজি) শব্দটোৰ অসমীয়া ৰূপ হ'ল জীৱবিজ্ঞান। জীৱবিজ্ঞানক 'বায়'লজি' নামেৰে প্রথম নামকৰণ কৰে লেমার্কে। Biology শব্দটো প্রকৃততে গ্রীক শব্দ Bios (অর্থঃ জীৱন) আৰু Logos (অর্থঃ চর্চা)ৰ পৰা উৎপত্তি হৈছে। অর্থাৎ ই জীৱ আৰু জীৱন সম্পর্কে চর্চা কৰি জ্ঞান আহৰণ কৰা বুজায়। জীৱবিজ্ঞানৰ অধ্যয়নৰ সুবিধাৰ বাবে উদ্ভিদবিজ্ঞান (Botany) আৰু প্রাণীবিজ্ঞান (Zoology) এই দুই ভাগত ভাগ কৰা হয়। Botany শব্দটোৰ উৎপত্তি হৈছে গ্রীক শব্দ Botane (অর্থঃ উদ্ভিদ) ৰ পৰা আৰু Zoology শব্দটোৰ উৎপত্তি হৈছে গ্রীক শব্দ Zoo (অর্থঃ প্রাণী)ৰ পৰা। খৃঃপূঃ ৩০০ চনত এৰিষ্টট্‌ল (Aristotle) নামৰ গ্রীক দার্শনিকে পোন প্রথমবাৰৰ বাবে জীৱ-জন্তু আৰু প্রাণীৰ ওপৰত অধ্যয়ন কৰি পোৱা জ্ঞান লিপিবদ্ধ কৰিছিল। সেই বাবে এৰিষ্টট্‌লক জীৱবিজ্ঞানৰ জনক (Father of Biology) আখ্যা দিয়া হৈছিল।

৫.৪ জীৱবিজ্ঞানৰ ইতিহাস

আজিৰ পৰা প্রায় দহ হেজাৰ বছৰ পূর্বে মানুহে খেতি কৰিবলৈ আৰম্ভ কৰিছিল। ইয়াৰ পূর্বৱর্তী প্রায় পাঁচ লাখ বছৰ কাল মানুহে প্রাণীৰ লগত সংঘর্ষ কৰি জীয়াই থাকিব লগীয়া হৈছিল। জীৱন নির্বাহৰ এই সংগ্রামত মানুহে বন আৰু বন্য জন্তু সম্পর্কে অনেক কথাই জানিবলগীয়া হৈছিল। বিশেষকৈ চিকাৰৰ বাবে জীৱ চিনাক্তকৰণ, এই বিলাকৰ পৰা ৰক্ষা পাবলৈ আৰু এনে জীৱসমূহৰ পৰা হ'ব পৰা উপকাৰিতা, অপকাৰিতা আদিৰ বিষয়ে বিভিন্ন জ্ঞান আহৰণ কৰিবলগীয়া হৈছিল। জীৱন ধাৰণৰ বাবে আদিম মানৱে ফল-মূলৰ ওপৰতো বহু পৰিমাণে নির্ভৰ কৰিবলগীয়া হৈছিল। সেয়েহে ফল-মূলৰ গছ-লতিকাৰ বিষয়েও জ্ঞানৰ প্রয়োজন হৈছিল। লাহে-লাহে তেওঁলোকে এইটো বুজি উঠিছিল যে ফলৰ বীজ সমূহ মাটিত পেলোৱাৰ ফলত তাৰ পৰা বীজ অঙ্কুৰিত হৈ উদ্ভিদ আৰু ফলৰ সৃষ্টি হৈছিল। তেনেকৈয়ে তেওঁলোকে চিকাৰৰ অনিশ্চয়তাৰ পৰা হাত সাৰিবলৈ খেতি কৰিবলৈ

আৰম্ভ কৰিছিল। পর্য্যায়ক্রমে তেওঁলোকে স্থায়ী ভাৱে বসবাস কৰিবলৈ আৰম্ভ কৰে আৰু চিকাৰৰ পৰিমান কমাই দি উদ্ভিদৰ ওপৰত নির্ভৰশীল হৈ পৰে। বেমাৰ-আজাৰৰ নিৰাময়ৰ বাবেও যে উদ্ভিদৰ প্রয়োজন আছে সেই কথাও বুজি উঠিছিল। সমান্তৰালকৈ সেই লোকসকলে জীৱ-জন্তু কিছুমান পোহাৰো ব্যৱস্থা কৰিছিল। কিন্তু সেই সময়ত মানুহে আহৰণ কৰা জ্ঞান লিপিবদ্ধ হোৱা নাছিল বা তেনে কৰাৰ ব্যৱস্থাও নাছিল। সেই জ্ঞানসমূহ কেৱল মুখে মুখে প্রচলিত আছিল।

প্রাচীন ভাৰতীয় জীৱবিজ্ঞান বুলি ক'লে বৈদিক যুগত জীৱবিজ্ঞান সম্পর্কে যি চর্চা হৈছিল সেই বিষয়ে ক'ব পাৰি। চতুর্বেদৰ ভিতৰত প্রাচীনতম হৈছে ঋগ্বেদ। ঋগ্বেদত (মন্ত্রসংখ্যা ১.১৬৪,২০; ১,৬৭.৯) বৃক্ষ, ঔষধি আৰু বীৰুধ এই তিনিপ্রকাৰৰ উদ্ভিদৰ কথা উল্লেখ আছে। অথর্ববেদত (মন্ত্র সংখ্যা ৮.৭.১২) এজোপা উদ্ভিদৰ প্রতিটো অংগৰ কথা উল্লেখ আছে। ইয়াৰোপৰি তৈত্তিৰীয় সংহিতা (মন্ত্রসংখ্যা ৭.৩.১৯.১ ; ২০.১) আৰু বাজসনেয়ী সংহিতা (২২.২৮)ত উদ্ভিদৰ প্রতিটো অংগ যেনে মূল, তূল, কাণ্ড, পুষ্প, ফল, স্কন্ধ, শাখা, পর্ণ আদিৰ উল্লেখ আছে।

উত্তৰ বৈদিক যুগৰ বহুতো গ্রন্থত জীৱবিজ্ঞানৰ বিভিন্ন বিষয় আলোচিত। ৰামায়ণত বিভিন্ন প্রকাৰৰ সাপ, চৰাই, মাছ, আদি কৰি প্রায় ১২০ ধৰণৰ জীৱ-জন্তুৰ উল্লেখ আছে। মহাভাৰতত (১.২.৩৯৬; ১২.৩৭.২৩) জীৱসমূহক তিনিটা ভাগত ভাগ কৰিছে — জৰায়ুজ, অণ্ডজ আৰু স্বেদজ। মহাভাৰত (শ্লোক সংখ্যা ১.১.৬৫-৬৬)ত উদ্ভিদ সম্পর্কে বিৱৰণ পোৱা যায়।

খৃঃ পূঃ ১০০ চনত মহর্ষি চৰকে চৰক সংহিতা ৰচনা কৰি তাত মানুহৰ শাৰীৰিক ক্রিয়াৰ পূর্ণ বিৱৰণ দাঙি ধৰে। তেখেতে উদ্ভিদৰ ঔষধি গুণাগুণ সম্পর্কে গৱেষণা কৰি বিভিন্ন ধৰণৰ ঔষধৰ আৱিস্কাৰ কৰিছিল। ইয়াৰ ওপৰত ভিত্তি কৰি আয়ুর্বেদ শাস্ত্র ৰচিত হৈছিল। প্রাচীন জীৱবিজ্ঞানৰ অগ্রগতিৰ ক্ষেত্রত উল্লেখযোগ্য ভূমিকা লৈছিল আয়ুর্বেদ শাস্ত্রই। আয়ুর্বেদৰ আৰম্ভণি ঋগ্বেদতেই হোৱা বুলি ক'ব পাৰি যদিও ইয়াৰ পূর্ণ বিকাশ হৈছিল অথর্ববেদত। আয়ুর্বেদক অষ্টাঙ্গ আয়ুর্বেদ বুলিও কোৱা হয়। আয়ুর্বেদৰ এই আঠটি অঙ্গ হ'ল — কায়চিকিৎসাতন্ত্র, শল্যতন্ত্র, শালাক্যতন্ত্র, ভূতবিদ্যাতন্ত্র, কৌমাৰভৃত্যতন্ত্র, অগদতন্ত্র, ৰসায়নতন্ত্র আৰু বাজীকৰণতন্ত্র। এই আঠটি ভাগত বিভিন্ন ৰোগ আৰু তাৰ প্রতিকাৰ তথা নিৰাময়ৰ বিষয়ে আলোচনা কৰা হয়। ইয়াৰে কায়চিকিৎসাত কাঁহ, জ্বৰ, যক্ষ্মা প্রভৃতি ৰোগৰ প্রশমনৰ উপায় পোৱা যায়। অগ্নিবেশতন্ত্র, ভেল-সংহিতা আদি কায়চিকিৎসা বিষয়ক গ্রন্থ। শল্যতন্ত্রত অস্ত্রৰ প্রয়োগৰ দ্বাৰা ৰোগ নিৰাময়ৰ বিধান দিয়া হৈছে। ঔপধেনবতন্ত্র, বৈতৰণ তন্ত্র আদি গ্রন্থত শল্য-চিকিৎসাৰ বিৱৰণ পোৱা যায়। চকু, কাণ, নাক, জিহ্বা, মুখ আদি মুখমণ্ডলস্থিত সমস্ত উপাঙ্গ বিষয়ক চিকিৎসা পদ্ধতি উপলব্ধ হয় শালাক্যতন্ত্রত। বিদেহতন্ত্র, গালবতন্ত্র আদি গ্রন্থ শালাক্যতন্ত্রৰ ওপৰত ৰচিত। ভূতবিদ্যাত মানসিক ৰোগৰ কাৰণ আৰু নিৰাময়ৰ উপায় পোৱা যায়। চৰক সংহিতা আৰু সুশ্রুত সংহিতাত ভূতবিদ্যাৰ বিষয়ে বর্ণনা উপলবদ্ধ। কৌমাৰভৃত্যতন্ত্র হ'ল শিশুৰোগৰ ওপৰত আধাৰিত। শিশুৰোগ বিষয়ক উল্লেখযোগ্য প্রাচীন গ্রন্থ হ'ল— জীৱকতন্ত্র আৰু বন্ধকতন্ত্র। অগদতন্ত্রত যিকোনো ক্ষতিকাৰক দ্রব্যৰ পৰা শৰীৰক কিদৰে ৰক্ষা কৰিব পাৰি সেই বিষয়ে পোৱা যায়। অগদতন্ত্র বিষয়ক উল্লেখযোগ্য গ্রন্থ হ'ল — কাশ্যপ সংহিতা, লাট্যায়ন সংহিতা আদি। ঔষধ প্রস্তুত তথা তাৰ প্রয়োগ সম্পর্কে আয়ুর্বেদৰ যিটো শাখাত আলোচনা কৰা হয় সেয়াই হ'ল ৰসায়নতন্ত্র। ৰসায়নতন্ত্র বিষয়ক এখন উল্লেখযোগ্য গ্রন্থ হ'ল নাগার্জুনৰ দ্বাৰা ৰচিত আৰোগ্যমঞ্জৰী। বাজীকৰণতন্ত্রত বীর্য বৃদ্ধিৰ উপায় উল্লেখ আছে। কুচুমাৰ তন্ত্র, কৌপালিক তন্ত্র আদি এই বিষয়ক গ্রন্থ। মহর্ষি চৰকে ৰচনা কৰা চৰক সংহিতা ১২০০ শ্লোকত ৰচিত। চৰক সংহিতাত প্রায় দুহেজাৰ বিধ ঔষধৰ কথা উল্লেখ আছে। লগতে ঋতু অনুসৰি ৰোগ সমূহৰ প্রকাৰ আৰু তাৰ প্রতিকাৰৰ বিধানো চৰক সংহিতাত দিয়া হৈছে। শল্যতন্ত্র (Surgery) ৰ অন্যতম পণ্ডিত আছিল মহর্ষি সুশ্রুত। সুশ্রুত সংহিতা ছয়টি ভাগত বিভক্ত। সুশ্রুত সংহিতাত ১১২০ প্রকাৰৰ

ৰোগব্যাধি আৰু সেইবোৰৰ নিৰাময়ৰ বাবে কেইবা বিধো ঔষধি, বৃক্ষ, লতা আৰু গুল্মৰ ব্যৱহাৰৰ কথা উল্লেখ আছে। প্ৰাচীন জীৱ-বিজ্ঞানৰ অগ্ৰগতিত আচার্য সুশ্ৰুতেই ইমানেই গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল যে তেওঁ তেওঁৰ সংহিতাত সাত প্ৰকাৰৰ অস্ত্ৰোপচাৰৰ বৰ্ণনা আগবঢ়াইছে। সেই সমূহ হ'ল — ছেদ্য (excision), লেখ্য (scarificaton), ভেদ্য (punturing), এস্য (exploration), আহার্য (extraction), বশ্ৰয় (evacuation) আৰু সিব্য (suturing)। সুশ্ৰুত সংহিতাত চর্ম প্ৰতিস্থাপন (plastic surgery) ৰ কথাও উল্লেখ আছে। চৰক আৰু সুশ্ৰুতৰ সমসাময়িক আন কিছু লেখত ল'বলগীয়া আয়ুর্বেদ শাস্ত্ৰকাৰ হ'ল — বাগ্‌ভট, মাধৱ, শার্ঙ্গধৰ, ভাবমিশ্ৰ, জীৱক আৰু নাগার্জুন। এখেত সকলৰ প্ৰত্যেকেই আয়ুর্বেদৰ অগ্ৰগতিত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে।

চৰক আৰু সুশ্ৰুতই প্ৰাণীসমূহক তেওঁলোকৰ বাসস্থান আৰু খাদ্যৰ ওপৰত ভিত্তি কৰি কিছুমান ভাগত ভাগ কৰিছিল। মহর্ষি চৰকে প্ৰাণী সমূহক তেওঁলোকৰ বাসস্থান অনুসৰি তলত দিয়া ধৰণে ভাগ কৰিছিল (চৰকসংহিতা, ১. ২৭.৩৫-৫২) — প্ৰসহ, ভূমিশয়, আনূপ, বাৰিশয়, জলচৰ, জাংগল, বিস্ক্ৰিৰ, প্ৰতুড় আদি। ঠিক সেইদৰে সুশ্ৰুতই খাদ্যৰ ওপৰত নির্ভৰ কৰি প্ৰাণীসমূহক প্ৰধানকৈ দুই ভাগত ভাগ কৰিছিল — আনূপ আৰু জাংগল। এনেদৰে মহর্ষি চৰক আৰু সুশ্ৰুতই এই প্ৰাণীসমূহৰ বিষয়ে বিষদ আলোচনা আগবঢ়ায় তেওঁলোকৰ দ্বাৰা প্ৰণীত গ্ৰন্থসমূহত।

প্ৰাচীন ভাৰতত উদ্ভিদবিদ্যাক বৃক্ষায়ুর্বেদ নামেৰে জনা গৈছিল। অগ্নিপুৰাণ আৰু বৃহৎসংহিতাত 'বৃক্ষায়ুর্বেদ' নামৰ প্ৰয়োগ হৈছে। কৌটিল্যৰ অর্থশাস্ত্ৰত এই অর্থত 'গুল্মবৃক্ষায়ুর্বেদ' পদৰ ব্যৱহাৰ হৈছে আৰু ধন্বন্তৰি নিঘন্টুত 'ভেষজবিদ্যা' পদৰ প্ৰয়োগ হোৱা দেখা যায়। এই শাস্ত্ৰ সমূহ অনুসৰি এজন বৃক্ষায়ুর্বেদজ্ঞই (applied botanist) বীজৰোপনৰ বাবে মাটি নির্ধাৰণ তথা মাটি প্ৰস্তুতকৰণ, বীজৰোপণ, শস্যপালন, শস্য সংগ্ৰহ, বীজ অংকুৰণ, বীজৰ বর্ধন, সাৰ প্ৰয়োগ আদিৰ বিষয়ে বিশদভাৱে জ্ঞাত।

আজিৰ পৰা প্ৰায় এহেজাৰ বছৰ পূৰ্বে সুৰপালে ৩২৫ টা শ্লোকত বৃক্ষায়ুর্বেদ নামৰ গ্ৰন্থ ৰচনা কৰিছিল। এই গ্ৰন্থৰ আৰম্ভণিতে ভাৰতীয় পৰম্পৰাত বৃক্ষায়ুর্বেদৰ ভূমিকা সর্ম্পকে ব্যাখ্যা কৰা হৈছে। লতা, বৃক্ষ, গুল্ম আদিৰ বিষয়ে সবিস্তাৰে আলোচনা কৰা হৈছে বৃক্ষায়ুর্বেদ গ্ৰন্থত। বিভিন্ন ধৰণৰ উদ্ভিদৰ হ'ব পৰা চিকিৎসাৰ বিধান পোৱা যায় এই গ্ৰন্থত। তুলসী, বেল, পলাশ, উদুম্বৰ, বট, আম, নিম আদি উদ্ভিদৰ গুণাগুণ লগতে এইসমূহ উদ্ভিদৰ চিকিৎসাৰ বিষয়ে সুৰপালে গ্ৰন্থখনিৰ আৰম্ভণিতে ব্যাখ্যা কৰিছে। ইয়াৰ উপৰিও বৃক্ষায়ুর্বেদ গ্ৰন্থত উলপব্ধ অন্যান্য বিষয় সমূহ হ'ল— বৃক্ষ ৰোপনৰ ফল, কৃষিৰ বাবে ভূমি নিৰ্ণপন, ভূমিৰ গুণাগুণ নিৰ্ণপণ, বীজৰোপনৰ নিয়ম, উদ্ভিদৰ বিভিন্ন ৰোগ আৰু ইয়াৰ কাৰণ সমূহ, বৃক্ষৰোপনৰ বাবে উপযুক্ত পানীযোগান ব্যৱস্থা আদি। বৰাহমিহিৰে তেওঁৰ বৃহৎসংহিতা গ্ৰন্থৰ ৫৫ নং অধ্যায়ত 'বৃক্ষায়ুর্বেদ'ৰ ওপৰত সৰিশেষ আলোচনা আগবঢ়াইছে। এই অধ্যায়ত আলোচিত বিষয় সমূহ যেনে- যোগ্য ভূমিৰ লক্ষণ, বৃক্ষৰোপণৰ কাল নির্দ্ধাৰণ, বৃক্ষৰোপণৰ নিয়ম আৰু প্ৰকাৰ, ফল হানিৰ বাবে চিকিৎসা, গছত কলম দিয়াৰ ব্যৱস্থা গছৰ বিভিন্ন ৰোগ আৰু তাৰ চিকিৎসাৰ বিধান।

প্ৰাণীবিদ্যা বিষয়ক কিছু উল্লেখযোগ্য গ্ৰন্থ হ'ল — পালকাপ্যৰ হস্ত্যায়ুর্বেদ, গণৰ দ্বাৰা ৰচিত অশ্বায়ুর্বেদ, নকুলৰ দ্বাৰা ৰচিত অশ্বচিকিৎসা আৰু অশ্বশাস্ত্ৰ আদি।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ পালকাপ্যই ৰচনা কৰা প্ৰাণীবিদ্যা সম্পৰ্কীয় গ্ৰন্থখনৰ নাম কি?

.....

প্ৰশ্ন নং ২ ঃ ভাৰতবর্ষত জীৱবিজ্ঞানৰ আৰম্ভণি কেতিয়া হোৱা বুলি ক'ব পাৰি?

.....

৫.৫ জীৱবিজ্ঞানৰ ক্রমবিকাশ

বিজ্ঞান বুলিলে আমি বুজোঁ যে, কোনো এটা নির্দিষ্ট বিষয়-বস্তুৰ সকলো দিশৰ পৰা পদ্ধতিমূলক ভাৱে পৰীক্ষা-নিৰীক্ষা কৰি নির্ভুল তথ্য আৰু জ্ঞান আহৰণ কৰা। এনেধৰণৰ চর্চা কৰাৰ প্রয়াস মানুহৰ মনত প্রথমেই জাগি উঠে জীৱ জগতক কেন্দ্র কৰি। সেয়া আছিল মানৱ সভ্যতাৰ প্রথম খোজ, হাবিয়ে-বননিয়ে খাদ্যাহাৰ বিচাৰি ফুৰা অঘৰী জীৱনৰ পৰা কৃষক জীৱনলৈ অহাৰ পথত। সেই অৱস্থাত মানুহে নিশ্চয় বিভিন্ন গছৰ ফলমূল খাবলৈ কেনে, কোন বিলাকৰ পাত খাব পাৰি, কোনবিলাক বিষাক্ত, কোন বিলাকৰ ফল কোন কোন সময়ত লাগে, পকে ইত্যাদি বিষয়ে অনুসন্ধান কৰি ফুৰিছিল। এনেধৰণৰ অনুসন্ধান আছিল নিতান্তই তেওঁলোকৰ জীৱন-যাপনৰ লগত জড়িত। এতেকে তেনে অনুসন্ধানৰ পৰিসৰো আছিল নিতান্তই সীমিত। সেই সামান্য আৰম্ভণিৰ পৰা জীৱবিজ্ঞানৰ পৰিসৰ ক্রমাগত ভাৱে বহল হৈ বর্ত্তমান এনে অৱস্থাত উপনীত হৈছেহি যে সি এতিয়া এক সম্পূর্ণ নতুন ৰূপ দিয়াৰ পথত আগবাঢ়িছে।

জীৱবিজ্ঞানৰ ক্রমবিকাশত ভাৰতবর্ষৰ লগতে অনান্য দেশ কিছুমানৰ অৰিহণাও স্বীকাৰ কৰিব লাগিব। জীৱবিজ্ঞানৰ প্রকৃত অধ্যয়ন আৰম্ভ হৈছিল অনুবীক্ষণ যন্ত্রৰ আৱিস্কাৰৰ পিছৰ পৰা অর্থাৎ সোতৰশ শতিকাৰ শেষ ভাগৰ পৰা। কিন্তু মাত্র তিনিশ বছৰৰ পিছত জীৱবিজ্ঞানে যি অভূতপূর্ব অগ্রগতি লাভ কৰিলে সি বিজ্ঞান জগতত বিৰল। জীৱৰ শৰীৰ সম্পর্কীয় ক্রিয়া, জীৱনৰ বংশগতি, ৰোগৰ লগত বীজাণুৰ সম্পর্ক, জীৱন ক্রিয়া নিয়ন্ত্রণত জৈৱ কণিকাৰ ভূমিকা, জীৱৰ উৎপত্তি, বিকাশ আৰু বিৱর্তন ইত্যাদিৰ সম্পর্কে জীৱ বিজ্ঞানে দিয়া ধাৰণাই মানুহৰ চিন্তাধাৰাৰ আমূল পৰিৱর্তন আনিলে। চিকিৎসা বিজ্ঞান আৰু কৃষি বিজ্ঞানৰ অগ্রগতিৰ মূলতে আছে জীৱ বিজ্ঞানৰ অৱদান। বিংশ শতিকাৰ শেষ ভাগৰ পৰা জীৱবিজ্ঞানে অধিক ক্ষিপ্রতাৰে অগ্রগতি লাভ কৰিছে।

আজিকালি জীৱজগতৰ অধ্যয়ন নানা দৃষ্টিকোণৰ পৰা কৰা হয়। জীৱসমূহৰ বাহ্যিক আৰু আভ্যন্তৰিক গঠন, বৃদ্ধি আৰু বিকাশ, অংগসমূহৰ কার্য-কলাপ, পুষ্টিসাধন, প্রজনন, পাৰিপার্শ্বিক অৱস্থাৰ লগত অভিযোজন, পাৰস্পৰিক সম্বন্ধ, শ্রেণীবিভাগ, বংশবিস্তাৰ, জীৱন-ইতিহাস, ক্রমবিকাশ আৰু জীৱ সমূহৰ বিভিন্ন আচৰণ ইত্যাদি অনুসন্ধান কৰি জীৱ জগতৰ বিষয়ে সম্যক জ্ঞান আহৰণ কৰিব পাৰি। এই জ্ঞান বৈজ্ঞানিক পদ্ধতিৰে উদ্ভিদ আৰু প্রাণীসমূহত প্রয়োগ কৰি উন্নত ধৰণৰ ফল-মূল, শাক-পাচলি আৰু নিৰোগী, স্বাস্থ্যবান প্রাণীৰ উৎপাদন কৰি মানৱ জাতিৰ কল্যাণ সাধন কৰিব পাৰি।

জীৱবিজ্ঞান বর্তমান এনে এক অৱস্থাত উপনীত হৈছে যে ভৱিষ্যত মানৱ জাতিৰ কল্যাণ নির্ভৰ কৰিছে ইয়াৰ জ্ঞানৰ উপযুক্ত ব্যৱহাৰৰ ওপৰত। ইয়াৰ নতুন শাখা কেইটামান যেনে— অণুজীৱবিজ্ঞান (Microbilogy), জিনীয় অভিযন্ত্রন (Genetic Engineering) আদিৰ পৰিসৰ ইমান সুদুৰ প্রসাৰী যে ভৱিষ্যতে সমগ্র মানৱ জাতিকে এই বিলাকে প্রভাৱিত কৰিব।

বর্তমান জীৱবিজ্ঞানৰ অন্তর্গত কিছু অত্যাধুনিক বিজ্ঞান হ'ল— জীৱ কাৰিকৰী বিদ্যা বা বায়'টেকন'লজি (Biotechnology), অনুজীৱবিজ্ঞান বা মলিকিউলাৰ বায়'লজি (Molecular Biology), কলা অভিযন্ত্রন (Tissue Engineering), বায়'মেডিকেল ইঞ্জিনীয়াৰিং (Biomedical Engineering) আদি।

থিওফ্রেটাচ (Theophratus, 370-285 B.C) এ উদ্ভিদ সম্পর্কে চলোৱা গৱেষণাৰ বাবে তেখেতক উদ্ভিদবিদ্যাৰ জনক বুলি কোৱা হয়। তেখেতে লিখা Historia Plantarum নামৰ কিতাপখনক উদ্ভিদবিদ্যাৰ প্রথম কিতাপ বুলি কোৱা হয়।

ভেছালিয়াছ (Vesalius, 1514-1564) এ মানুহৰ শৰীৰৰ গঠন সম্পর্কে গৱেষণা কৰি জীৱবিজ্ঞানত এক অনবদ্য অৱদান আগবঢ়ায়। তেখেতেই পোন প্রথমে মানুহৰ শৰীৰ সম্পর্কে Human Body নামৰ এখন

কিতাপ লিখি উলিয়াইছিল।

উইলিয়াম হার্ভেয়ে (Willium Harvey, 1578-1657) এ মানুহৰ শৰীৰত ৰক্ত সঞ্চালন সম্পর্কে প্রথমে ব্যাখ্যা আগবঢ়াইছিল। তেখেতেই প্রথমে ৰক্ত সঞ্চালনৰ লগত হৃৎপিণ্ড, ধমনী আৰু সিৰাৰ সম্পর্ক নির্দ্ধাৰণ কৰিছিল।

এইসকল বৈজ্ঞানিকৰ বাহিৰেও ভাৰতবর্ষৰ বাহিৰৰ দেশৰ যিসকল বৈজ্ঞানিকে জীৱবিজ্ঞানৰ অগ্রগতিত উল্লেখযোগ্য ভূমিকা আগবঢ়োইছিল তেখেত সকলৰ চমু আভাষ দিয়া হ'ল—

হিপ'ক্রেটচ্ (Hippocrates 460-377 B.C) ক চিকিৎসা শাস্ত্রৰ জনক বোলা হয়। এখেতে কেইবাখনো চিকিৎসা সম্পর্কীয় কিতাপ লিখি গৈছে। এখেতেই প্রথমে চিকিৎসা সম্পর্কীয় আইন প্রণয়ন কৰিছিল। এখেতে প্রচলন কৰা চিকিৎসকৰ শপত আজিও দেশে দেশে প্রচলিত।

ৰবার্ট হুক (Robert Hook, 1635-1703) এ নিজে তৈয়াৰ কৰা অনুবীক্ষণ যন্ত্রৰ সহায়ত কোষ আৱিস্কাৰ কৰে। এই আৱিস্কাৰ ফলত জীৱবিজ্ঞানত নতুন দিশৰ উন্মোচন হয়।

এণ্টনি ভন লিউয়েনহক (Anton Von Leeuwnhoeck, 1632-1723) এ নিজে তৈয়াৰ কৰা এক অনুবীক্ষণ যন্ত্রৰ সহায়ত সর্ব প্রথমে অণুজীৱ আৱিস্কাৰ কৰিছিল। পানীৰ টোপালত প্রথম বেক্টেৰিয়া দেখা পাইছিল। ইয়াৰ পিছত অন্যান্য অণুজীৱ কিছুমানো এখেতে আৱিস্কাৰ কৰিছিল।

কেৰ'লাছ লিনিয়াছ (Carolus Linnaeus 1707-1778) এ উদ্ভিদৰ শ্রেণী বিভাজন সম্পর্কে আধুনিক মতবাদ উপস্থাপন কৰিছিল আৰু উদ্ভিদ আৰু প্রাণীৰ দ্বিপদ নামকৰণৰ পদ্ধতি প্রচলন কৰিছিল।

এডওয়ার্ড জেনাৰ (Edward Jenner, 1749-1823) এ প্রথম বসন্তৰ চিতা আৱিস্কাৰ কৰে।

শ্লেইডেন আৰু শ্বোৱান (Schledien and Schwann, 1810-1882) উভয়ে মিলি 'কোষ তত্ত্ব' আৱিস্কাৰ কৰে। কোষেই যে জীৱদেহ গঠনৰ একক আৰু প্রত্যেক জীৱৰ জীৱন আৰম্ভ হয় এটা মাত্র কোষৰ পৰা এই কথা ঘোষণা কৰে।

লুই পাস্তৰ (Louis Pasteur, 1822-1895) ৰ জীৱ বিজ্ঞানত অৱদান আছিল যুগান্তকাৰী। জীৱৰ পৰা যে জীৱৰ সৃষ্টি হয় তেখেতে প্রমাণ কৰি দেখুৱাইছিল। ইয়াৰ আগতে জীৱৰ স্বতস্ফূর্ত সৃষ্টি সম্পর্কে মানুহৰ ধাৰণা বদ্ধমূল আছিল। জৈৱিক বস্তুৰ পচনৰ মূলতে যে জীৱাণু তাৰ প্রমাণ আৰু এলক'হল আৰু মদ প্রস্তুত কৰণ প্রক্রিয়াত জীৱাণুৰ ভূমিকা সম্পর্কে আৱিষ্কাৰ, জলাতঙ্কৰ ছিটা, এনথ্রাক্স ৰোগৰ প্রতিষেধক আৱিস্কাৰ আদি তেখেতৰ উল্লেখযোগ্য অৱদান।

চার্লচ ডাৰউইন (Charles Darwin, 1809-1882) এ প্রাকৃতিক নির্বাচনৰ যোগেদি জীৱৰ বিৱর্তন আৰু প্রজাতিৰ উৎপত্তি সম্পর্কে 1895 চনত প্রকাশ কৰা মতবাদে পৃথিৱীত এক বিশাল আলোড়নৰ সৃষ্টি কৰিছিল।

গ্রেগৰ জোহান মেণ্ডেল (Gregor Johann Mendal, 1822-1884) ক বংশগতি বিজ্ঞানৰ জনক বোলা হয়। মটৰ মাহৰ ওপৰত চলোৱা কেই লানিমান পৰীক্ষাৰ দ্বাৰা বংশগতি সম্পর্কে গৱেষণাৰ বাট মুকলি কৰি দিছিল।

ৰবার্ট ব্রাউন (Robert Brown) এ ১৮৩১ চনত কোষত কোষকেন্দ্রৰ অৱস্থান আৱিস্কাৰ কৰে।

৫.৬ জীৱবিজ্ঞানৰ প্রয়োগ

বর্তমান সময়ত জীৱবিজ্ঞান মানৱ জাতিৰ কল্যাণৰ বাবে অপৰিহার্য্য হৈ পৰিছে। তলত জীৱবিজ্ঞানৰ

প্ৰয়োগ সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল —

১। **খাদ্য উৎপাদন (Food production) ঃ** উন্নত জাতৰ খাদ্য শস্য আৰু খাদ্য হিচাপে ব্যৱহাৰ কৰা প্ৰাণীৰ উন্নত জাতৰ সৃষ্টি কৰি খাদ্য উৎপাদন বৃদ্ধি কৰাৰ বাবে জীৱবিজ্ঞানীসকলে কৰা চেষ্টাৰ ফলত খাদ্য উৎপাদন বহু পৰিমাণে বৃদ্ধি পাইছে। আজি কালি অনেক ধৰণৰ অধিক উৎপাদনক্ষম গম, ধান, মাকৈ, বিভিন্ন ফলমূল, তৈলবীজ, কুঁহিয়াৰ আদিৰ সঁচ সৃষ্টি কৰা হৈছে। তেনেকৈ বিজ্ঞানসন্মতভাৱে অধিক পৰিমাণে মাছ, হাঁহ-কুকুৰা, কণী, মৌ ইত্যাদি উৎপাদনৰ উপায় উদ্ভাৱন কৰা হৈছে।

২। **বস্ত্ৰ আৰু অন্যান্য ব্যৱহার্য্য বস্তু ঃ** কপাহ, মৰাপাট, বাঁহ, বেত কাঠ আদিক অধিক উন্নত মানৰ কৰাৰ চেষ্টাৰ ফল বহু পৰিমাণে ফলৱতী হৈছে। অধিক উন্নত পদ্ধতিৰে পলু পালন আৰু ৰেচম উৎপাদনৰ প্ৰচেষ্টাৰ ফলত ৰেচম উৎপাদন বৃদ্ধি পাইছে। বিভিন্ন ধৰণৰ ঔষধি গছ চিনাক্ত কৰি সেইবিলাকৰ পৰা অধিক উৎপাদন পাবৰ বাবে জীৱ বিজ্ঞানৰ জ্ঞানৰৰ আৱশ্যক।

৩। **ৰোগ প্ৰতিৰোধ (Disease prevention) ঃ** জীৱবিজ্ঞানীসকলে ৰোগ সৃষ্টিকাৰী জীৱাণু চিনাক্ত কৰিব পাৰিছে আৰু এইবিলাকৰ আক্ৰমণ প্ৰতিহত কৰিবৰ বাবে বিভিন্ন ধৰণৰ 'এণ্টিবায়'টিক' আৱিস্কাৰ কৰিবলৈ সক্ষম হৈছে। বিভিন্ন ধৰণৰ পৰজীৱীৰ জীৱন বৃত্তান্ত অধ্যয়ণ কৰি এইবিলাকৰ পৰা কেনেকৈ ৰক্ষা পাব পাৰি তাৰ তথ্য যুগুতাবলৈ সক্ষম হৈছে। মুঠতে ৰোগ সৃষ্টি কৰিব পৰা সকলো ধৰণৰ জীৱৰ সন্ধান জীৱ বিজ্ঞানীসকলে পাইছে।

৪। **জীৱকাৰিকৰীবিদ্যা (Biotechnology) ঃ** জীৱবিজ্ঞানৰ জ্ঞান কাৰিকৰী ক্ষেত্ৰত প্ৰয়োগ কৰাৰ ফলত নতুন নতুন শিল্প গঢ় লৈ উঠিছে। জীৱাণুৰ সহায়ত এন্টিবায়'টিক আৰু অন্যান্য ঔষধ, বিভিন্ন ধৰণৰ সু�ৰা, পানীয়, প্ৰটিন, এলক'হ'ল, ভিটামিন, হৰ্মন, ষ্টেৰয়েড, জৈৱিক এছিদ ইত্যাদি আজিকালি অতি সহজে আৰু কম খৰচত প্ৰস্তুত কৰিব পৰা যায়। ইয়াৰ উপৰিও কোষ সংবৰ্দ্ধন, বীজ সংৰক্ষণ, জৈৱসাৰ প্ৰস্তুতকৰণৰ বাবেও জীৱকাৰিকৰীবিদ্যাক প্ৰয়োগ কৰা হয়।

৫। **বন আৰু বন্যপ্ৰাণী সংৰক্ষণ (Conservation of forests and wildife) ঃ** মানৰ জাতি জীয়াই থাকিবলৈ হ'লে প্ৰাকৃতিক ভাৰসাম্য বজায় ৰাখিব লাগিব। গছ-গছনি, হাবি-বন আৰু সকলো ধৰণৰ অণুজীৱ আৰু প্ৰাণীক লৈ গঠিত আমাৰ পৰিৱেশ। পৰিৱেশৰ ভাৰসাম্য নষ্ট হ'লে কোনো জীৱ জীয়াই থাকিব নোৱাৰে। আমাৰ প্ৰাকৃতিক সম্পদ সংৰক্ষণৰ বাবে বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ অতি আৱশ্যক। বন আৰু বন্যপ্ৰাণী সংৰক্ষণৰ লগত আমাৰ কৃষি উৎপাদন জড়িত। বন, প্ৰকৃতি আৰু বন্যপ্ৰাণীৰ উপযুক্ত সংৰক্ষণৰ বাবে জীৱবিজ্ঞানৰ যোগেদি পোৱা জ্ঞানৰ আৱশ্যক।

৬। **চিকিৎসা আৰু জনস্বাস্থ্য (Medical treatment and public health) ঃ** চিকিৎসা বিজ্ঞানে লাভ কৰা অভূতপূৰ্ব অগ্ৰগতিৰ ক্ষেত্ৰত জীৱবিজ্ঞানৰ অৱদান লেখত ল'বলগীয়া। জীৱবিজ্ঞানৰ যোগেদি আহৰণ কৰা জ্ঞানৰ ফলতে এতিয়া বিভিন্ন বীজাণু আৰু জীৱৰ দ্বাৰা সৃষ্ট ৰোগৰ বিষয়ে সৱিশেষ জানিব পৰা হৈছে আৰু এইবিলাকৰ দ্বাৰা হ'ব পৰা ৰোগে যাতে মহামাৰীৰ সৃষ্টি কৰিব নোৱাৰে তাৰ উপযুক্ত প্ৰতিকাৰৰ ব্যৱস্থা লোৱাটো সম্ভৱ হৈছে।

৭। **জনসংখ্যা নিয়ন্ত্ৰণ (Population control) ঃ** জনসংখ্যা বৃদ্ধিৰ ফলত ভৱিষ্যতে মানুহৰ বাবে খাদ্য আৰু বাসস্থানৰ নাটনিয়ে দেখা দিব লগতে সকলো প্ৰাকৃতিক সম্পদো প্ৰায় শেষ হৈ যাব। জীৱন-ধাৰণৰ মানদণ্ড কমি যোৱাৰ ফলত অস্বাস্থ্যকৰ পৰিৱেশত মানুহ জীয়াই থাকিব লাগিব। সীমিত সম্পদক লৈ মানুহৰ মাজত সংঘাতৰ সৃষ্টি হ'ব আৰু ক্ৰমে মানুহে মূল্যবোধ, ভালপোৱা, উদাৰতা আদি সকলো ত্যাগ কৰি অন্য এক ৰূপ ল'ব। সেয়েহে এতিয়াৰ পৰাই জনসংখ্যা নিয়ন্ত্ৰণৰ বাবে পৃথিৱীৰ সকলো দেশে চেষ্টা

কৰি আছে। জীৱবিজ্ঞানে এই ক্ষেত্ৰত সফল ভূমিকা লৈছে।

৮। **জিনীয় অভিযন্ত্ৰণ (Genetic Engineering) ঃ** মানুহৰ অনেক ৰোগ বংশগত। জিনীয় অভিযন্ত্ৰণৰ যোগেদি দোষ থকা জিন আঁতৰাই ভাল গুণযুক্ত জিন সংস্থাপন কৰি বংশগত ৰোগ নিৰাময় কৰা সম্ভৱ হয়। ইয়াৰ উপৰি উত্তম গুণ সম্পন্ন নতুন অণুজীৱ, উদ্ভিদ বা প্ৰাণীৰ সৃষ্টি কৰিব পৰা হৈছে জিনীয় অভিযন্ত্ৰণৰ সহায়ত। অৰ্থনৈতিক দিশতো ইয়াৰ গুৰুত্ব অসাধাৰণ।

গতিকে আমি দেখোঁ যে, বৰ্তমানৰ জীৱবিজ্ঞানৰ অগ্ৰগতিৰ ক্ষেত্ৰত প্ৰাচীন জীৱবিজ্ঞানে উল্লেখযোগ্য ভূমিকা লৈছিল। প্ৰাচীন ভাৰতীয় শাস্ত্ৰসমূহৰ জ্ঞান অবিহনে বৰ্তমানৰ জীৱবিজ্ঞানৰ কল্পনাও কৰিব নোৱাৰি। প্ৰাচীন জীৱিবিজ্ঞানৰ জ্ঞানৰ ওপৰত ভিত্তি কৰি অনেক কাৰিকৰী পদ্ধতিৰ সৃষ্টি হৈছে। এই কাৰিকৰী পদ্ধতি প্ৰয়োগ কৰি জীৱসমূহৰ জীৱন আৰু জীৱ-প্ৰক্ৰিয়া কৃত্ৰিম ভাৱে পৰিবৰ্তন কৰিব পৰাটো সম্ভৱপৰ হৈছে। জীৱবিজ্ঞানৰ এনে অগ্ৰগতিয়ে কৃষি, বাণিজ্য, চিকিৎসা আদিত ভালেখিনি অৰিহণা যোগাইছে। একেদৰে পৰিৱেশ বিজ্ঞানৰ মাজেদি জীৱবিজ্ঞানৰ আন এটা শাখাই পৰিৱেশৰ লগত মানৱ জাতিৰ সম্পৰ্কৰ বিষয়ে আমাক অনেক প্ৰয়োজনীয় তথ্যৰ যোগান ধৰিছে।

৫.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতবৰ্ষত জীৱবিজ্ঞানৰ আৰম্ভণি বৈদিক যুগতে হৈছিল।
- জীৱবিজ্ঞান বুলি ক'লে প্ৰধানকৈ উদ্ভিদবিদ্যা আৰু প্ৰাণীবিদ্যাক বুজা যায়।
- জীৱবিজ্ঞানক ইংৰাজীত Biology বোলা হয়।
- প্ৰাচীন ভাৰতত উদ্ভিদবিদ্যাক বৃক্ষায়ুৰ্বেদ নামেৰে জনা গৈছিল।
- এৰিষ্টট্‌লক জীৱবিজ্ঞানৰ জনক বুলি কোৱা হয়।
- ভাৰতবৰ্ষৰ বাহিৰে বিদেশতো জীৱবিজ্ঞান সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ প্ৰণয়ন হৈছে।

৫.৮ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) ভট্টাচাৰ্য ৰঞ্জিত নাথ আৰু ৰাজখোৱা ৰাতুল চন্দ্ৰ (২০১৩); জীৱবিজ্ঞান; গুৱাহাটী অসম বুক ডিপো।
২) দাস কৰুণাকান্ত আৰু চক্ৰৱৰ্ত্তী অনুপ কুমাৰ (২০০৬); প্ৰাথমিক জীৱবিদ্যা; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।
৩) ভৰালী যশোদানন্দ, ভট্টাচাৰ্য্য ৰঞ্জিত নাথ আৰু ৰাজখোৱা ৰাতুল চন্দ্ৰ (২০০৭); জীৱিবজ্ঞান, গুৱাহাটীঃ অসম বুক ডিপো।

ইংৰাজী গ্ৰন্থঃ

1) Banerji Suresh Chandra (1989), A companion to Sanskrit Literature, Delhi, MLBD
2) Ray Priyadaranjan and Sen S.N. (Ed.), The Cultural Heritage of India, Vol. VI, Calcutta, the Ramakrishna Mission Institute of Culture.

৫.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ পালকাপ্যই ৰচনা কৰা প্ৰাণীবিদ্যা বিষয়ক গ্ৰন্থ খনৰ নাম হ'ল হস্ত্যায়ুৰ্বেদ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতবৰ্ষত জীৱবিজ্ঞানৰ আৰম্ভণি বৈদিক যুগতে হোৱা বুলি ক'ব পাৰি।

? ৫.১০ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন

প্ৰশ্ন ১ ঃ চতুৰ্বেদৰ ভিতৰত প্ৰথমখন কি?

প্ৰশ্ন ২ ঃ চৰক সংহিতাৰ ৰচক কোন?

খ) চুটি প্ৰশ্ন (১৫০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ জীৱবিজ্ঞান বুলিলে কি বুজা?

প্ৰশ্ন ২ ঃ জীৱবিজ্ঞানৰ পৰিসৰ সম্পৰ্কে লিখা।

গ) ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ শব্দৰ ভিতৰত)

প্ৰশ্ন ১ ঃ জীৱবিজ্ঞানৰ ক্ৰমবিকাশ সম্পৰ্কে লিখা।

প্ৰশ্ন ২ ঃ জীৱবিজ্ঞানৰ ইতিহাস সম্পৰ্কে লিখা।

*** ***** ***

অধ্যায় ৬ঃ প্রাচীন ভাৰতীয় সাহিত্যত ৰসায়নবিদ্যা

অধ্যায় গাঁথনি

৬.১ উদ্দেশ্য

৬.২ পৰিচয়

৬.৩ প্রাচীন সাহিত্যত ৰাসায়নিক পদার্থ

৬.৪ প্রাচীন ভাৰতীয় ৰসসিদ্ধ

৬.৫ প্রাচীন কালত ৰসায়নৰ ভিন্ন প্রয়োগ

(i) পানীয়

(ii) সুগন্ধি দ্রব্য, প্রসাধন

(iii) লৱণ

(iv) বস্ত্র আৰু ৰং

(v) কাঁচ

(vi) ক্ষাৰক

৬.৬ প্রাচীন ৰসশালা

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

৬.৮ অধিক জানিবলৈ

৬.৯ অগ্রগতিৰ খতিয়ান

৬.১০ আৰ্হি প্রশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- প্রাচীন ভাৰতীয় ৰসায়ন বিজ্ঞানৰ পৰিসীমাৰ বিষয়ে জানিব পাৰিব।
- প্রাচীনকালত ব্যৱহৃত ৰসায়নিক পদার্থৰ বিষয়ে জানিব পাৰিব।
- ৰাসায়নিক বিজ্ঞান অসম্বন্ধীয় প্রাচীন গ্রন্থৰ ৰচক, গ্রন্থৰ নামাৱলী আৰু কালসম্বন্ধে ধাৰণা হ'ব।
- প্রাচীন ৰসশালা আৰু ভিন্ন যন্ত্র-পাতিৰ সম্বন্ধে জ্ঞান হ'ব
- প্রাচীন সময়ত দৈনন্দিন জীৱনত ব্যৱহৃত সামগ্রীৰ লগতে স্বাস্থ্যৰ পৰা উদ্যোগলৈ বিভিন্ন ক্ষেত্রত প্রয়োগ হোনা ৰাসায়নিক দ্রব্যৰ প্রচুৰ ব্যৱহাৰৰ বিষয়ে জানিব পাৰিব।

৬.২ পৰিচয়

ৰসায়ন বিজ্ঞান অনাদিকালৰে পৰা উপযোগী এক ব্যৱহাৰিক কলা। ৰসায়ন বিজ্ঞান মূলতঃ এটা পৰীক্ষামূলক বিজ্ঞান আৰু ই মানৱজাতিক প্রাকৃতিক সম্পদ যেনে — খনিজ পদার্থ, অৰণ্য আদিৰ জৰিয়তে ব্যৱহাৰৰ নিজৰ প্রয়োজনীয় সামগ্রী প্রস্তুত আৰু নিমার্ণ কৰাত সহায় কৰিছে। ৰোগ নিৰাময়ৰ লগতে জীৱ-জন্তু আৰু মানৱ উভয়ৰে স্বাস্থ্যৰ উন্নতি সাধন কৰিবলৈও পৃথিৱীবাসীক ৰসায়ন বিজ্ঞানে সহায় কৰিছে। উদ্যোগ আৰু চিকিৎসা বিজ্ঞান

দুয়োটাৰে পৰাই ৰসায়ন বিজ্ঞানৰ বিকাশ হৈছে। ভাৰতবৰ্ষত ৰসায়ন বিদ্যাৰ চৰ্চা ইতিহাস প্ৰাচীন। ১৮ শতিকাৰ শেষলৈকে ভাৰতবৰ্ষ সমগ্ৰবিশ্বৰ বাবে ঔদ্যোগিক কৰ্মশালাৰূপে পৰিগণিত হৈ আহিছিল। ৰং কৰা, চাবোন নিৰ্মাণ, লেপন, কাঁচ আৰু চীনামাটিৰ সামগ্ৰী নিৰ্মাণ, চিমেণ্ট আৰু ধাতুবিদ্যাকে ধৰি কেইবাটাও ৰাসায়নিক আৰু ঔষধ উদ্যোগৰ ক্ষেত্ৰত আগশাৰীৰ দেশ আছিল ভাৰতবৰ্ষ। গলন, প্ৰলেপন, দগ্ধিকৰণ, বিগলন, স্থিৰিকৰণ, কিণ্বন আদি কেইবাটাও প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতীয়সকল ইউৰোপীয় বিশেষজ্ঞতকৈ বহু আগবাঢ়ি আছিল। বিভিন্ন ধৰণৰ ধাত্বিক লৰণ, যৌগ আৰু মিশ্ৰণ, ঔষধৰ প্ৰস্তুতি, সুগন্ধি সামগ্ৰীৰ লগতে প্ৰসাধন সামগ্ৰী প্ৰস্তুত কৰাত ভাৰতীয়সকল বিশেষজ্ঞ আছিল। বিভিন্ন ধৰণৰ ৰাসায়নিক দ্ৰব্য আৰু ঔষধ নিৰ্মাণ পদ্ধতি ভাৰতৰ পুৰণি ৰসশাস্ত্ৰত উল্লেখ আছে। Alchemy শাস্ত্ৰক সংস্কৃতত 'ৰসবিদ্যা' বুলি জনা যায়। ভিন্ন ৰাসায়নিক পদাৰ্থসমূহৰ পৰীক্ষা-নিৰীক্ষাসমূহ ৰাসায়নিক-পৰীক্ষাগাৰত সম্পন্ন হৈছিল, যাক 'ৰসশালা' বুলি বাগ্‌ভট্ট বিৰচিত ১৩ শতিকাৰ গ্ৰন্থ 'ৰসৰত্নসমুচ্চয়'ত উল্লেখ আছে। বৈদিকযুগত ৰোগনিৰাময় উদ্দেশ্যে ব্যৱহৃত ঔষধত ৰসায়ন বিজ্ঞান বহুল প্ৰয়োগ দেখা যায়। বৈদিক চিকিৎসকসকলৰ বাবে ঔষধৰ উপাদান হিচাপে স্বৰ্ণ, ৰজত, তাম, লোহাৰ জ্ঞান অপৰিহাৰ্য আছিল। বৈদিক সাহিত্যত 'কৃষ্ণায়স্', 'লোহিতায়স্', 'হৰিতায়স' আৰু 'শ্বেতায়স্' হিচাপে ক্ৰমে লোহা, তাম, সোণ আৰু ৰূপক বুজোৱা হয়। এই প্ৰসংগত যৰ্জুবেদ, অথৰ্ববেদ আৰু আয়ুৰ্বেদতো উল্লেখ পোৱা যায়—

"... হিৰণ্যম্ চ মেয়শ্চ মে শ্যামং চ মে

লৌহ চ মে সীসং চ মে ত্ৰপু চ মে যজ্ঞেন কল্পন্তাম্।। (যজু ১৮/১৩)

বৈদিক যুগত পণ্ডিতসকলে বিশেষ ধাতুৰ পৰা নিৰ্মিত গুড়ি (ভষ্ম) তৈয়াৰ কৰাত দক্ষ আছিল। ভষ্ম তৈয়াৰ কৰিবলৈ গৰম ৰঙা ধাতু মাখনৰ গাখীৰ, টেঙা, তিলৰ বীজ নাইবা গোমূত্ৰত শীতল হ'বৰ বাবে স্থাপন কৰিব লাগে। বৈদিক যুগৰ বিজ্ঞান ইমানেই শক্তিশালী আছিল য'ত বৈদিক বিজ্ঞানীসকলে ধাতুৰ গুণগত মান অন্বেষণ কৰিছিল। সোণক জীৱনৰ শক্তি প্ৰদানকাৰী, স্বাস্থ্যৰ সমৰ্থক, বল আৰু শক্তিৰ অতিৰিক্ত পোষক হিচাপে অথৰ্ববেদত উল্লেখ পোৱা যায় —

আয়ুষেত্বা বৰ্চসে ত্বৌজসে চ বলায় চ।

যথা হিৰণ্যতেজসা বিভাসাসি জনাঁ অনু।। (অথৰ্ব- ১৯/২৬/৩)

সোণৰ লগতে ৰূপ সম্বন্ধেও প্ৰাচীন শাস্ত্ৰত উল্লেখ পোৱা যায়। ৰামচন্দ্ৰ গুহৰ 'ৰসেন্দ্ৰচিন্তামনি'ৰ মতে, কুষ্ঠৰোগ, চুলি সৰা, শক্তিহীনতা, বলিৰেখাৰ নিৰ্মূলৰ বাবে ৰূপৰ এক বিশিষ্ট ভূমিকা আছে।

প্ৰাচীনকালত ধাতুবিদ্যা আৰু ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি এলকেমিষ্টসকলে বিভিন্ন পৰীক্ষা-নিৰীক্ষা কৰিছিল। বিভিন্ন উপাদানৰ বিশুদ্ধতা আৰু শোধন প্ৰক্ৰিয়াৰ ওপৰত ইয়াৰ ফলাফল নিৰ্ভৰ কৰিছিল। এনে পৰীক্ষাত ব্যৱহাৰ হোৱা ধাতুসমূহ আছিল সোণ, ৰূপ, তাম, লো, সীহ, দস্তা, টিন আৰু পাৰা। প্ৰাচীন ৰসায়নবিদসকলে এইটোও লক্ষ্য কৰিছিল যে, লোৰ দৰে ভিত্তি ধাতুত সহজেই জাৰণ হয়, আনহাতে, উন্নত ধাতুবোৰৰ নহয়। এলকেমিষ্টসকলৰ মূল্যায়নত ধাতুবোৰৰ আৰ্জনা প্ৰতিৰোধ কৰাৰ ক্ষমতাৰ ওপৰত ভিত্তি কৰি ধাতুবোৰৰ নাম ক্ৰমাগতভাৱে উল্লেখ কৰা হৈছিল।

সুৱৰ্ণং ৰজতং তাম্ৰং তীক্ষ্ণবংগভূজংগমাঃ।

লোহকং ষড়বিধং তচ্চ যথাপূৰ্বং তদক্ষয়ম।। (ৰসাৰ্ণৱঃ ৭/৮৯/৯০)

ধাতুৰ এই ক্ৰম বৰ্তমানৰ বিদ্যুৎ ৰাসায়নিক শৃংখলাৰ সৈতে সাদৃশ্য আছে। সেয়েহে উন্নত ধাতুবোৰ গহনা আৰু মুদ্ৰাৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ কৰা হয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ঃ প্রাচীন কালত ৰাসায়নিক পৰীক্ষা-নিৰীক্ষা কৰা পৰীক্ষাগাৰক কি বুলি জনা গৈছিল?

.....

প্রশ্ন নং ২ঃ ৰসার্ণবৰ কোনটো শ্লোকত প্রাচীন আৰু আধুনিক ৰসায়নত ধাতুৰ ক্ষেত্রত সমানতা দেখা যায়?

.....

৬.৩ প্রাচীন সাহিত্যত ৰাসায়নিক পদার্থ

প্রাচীন শাস্ত্র বেদত সোণ, ৰূপ, তাম, লো, কাঁচ, পাৰাৰ আদি ধাতুৰ নাম উল্লেখ আছে।

চৰকসংহিতাৰ 'শৰীৰস্থান' নামৰ অধ্যায়ত বিভিন্ন পদার্থৰ গুণধর্ম দিয়া হৈছে। চৰকাচার্য আণৰিক সংৰচনা সম্বন্ধে জ্ঞাত আছিল। তেওঁ বিভিন্ন পদার্থৰ ৰং, গন্ধ, স্বাদাদিৰ গুণধর্মৰ পার্থক্যৰ কাৰণ আৰু সিহঁতৰ আভ্যন্তৰীণ সন্তুলনৰ বিষয়ে চৰক সংহিতাত উল্লেখ কৰিছে। চৰক সংহিতাৰ লগতে সুশ্রুতসংহিতাতো ৰাসায়নৰ ভিন্ন অধ্যায় উপলব্ধ।

জানি থোৱা ভাল

'চৰক সংহিতা' চৰকে প্রণয়ণ কৰিছিল। এইগ্রন্থত বিভিন্ন ৰোগ ইয়াৰ কাৰণ চিকিৎসা পদ্ধতিৰ লগতে প্রাচীন ভাৰতৰ ৰসায়নবিদ্যাৰ ওপৰতো আলোচনা কৰা হৈছিল।

পতঞ্জলিৰ লৌহশাস্ত্র শীর্ষক গ্রন্থখন উপলব্ধ নহয় যদিও কিন্তু পিছৰকালৰ ভিন্ন ৰচনাসমূহত ধাত্বিক লৱণ, মিশ্রধাতুৰ গলন আৰু শোধন ধাতুৰ বর্ণন প্রসংগত এই গ্রন্থ সন্দর্ভে উল্লেখ আছে।

ৰৰাহমিহিৰৰ 'বৃহৎসংহিতা'ত বজ্রলেপ আৰু বজ্রসংঘাটৰ বর্ণনা আছে। আমাৰ ৰাষ্ট্রীয় প্রতীক চিহ্ন অশোক স্তম্ভ মূলতঃ যদিও খণ্ডিত বালিৰ শিলৰ (বজ্রসংঘট) স্তম্ভ তথাপিও ইয়াৰ গঠন ধাতুৰ স্তম্ভৰ দৰে। বিহাৰৰ মৌর্যকালত খোদিত গুহাবোৰত এনে লেপন ব্যৱহাৰ কৰা আছিল। যিবোৰৰ নিম্নাংশ কাঁচৰ দৰে দেখিবলৈ।

নাগার্জুন, এজন প্রতিষ্ঠিত 'ৰসসিদ্ধ' অর্থাৎ ৰসায়নবিদ আছিল। তেওঁৰ গ্রন্থ 'ৰসৰত্নাকৰ'ত সোণ, ৰূপ, পাৰা, অভ্র, জিংক, লোহা, তাম আদি ভিন্ন ধাতুৰ ভস্মৰ শোধক বিধিৰ বর্ণনা আছে। তেওঁৰ মতে, পাৰা, সোণ, গন্ধক আদিৰে তৈয়াৰ কৰা ৰসায়ন 'দিব্য-দেহ' প্রদানৰ সক্ষম। ৰসায়ন বিজ্ঞানত শিল্পযন্ত্র, বংশযন্ত্র, অধঃপাতনযন্ত্র, তুলাযন্ত্র আদি দৰৰ নির্মাণৰ বাবে ব্যৱহৃত যন্ত্র।

প্রাচীন ভাৰতত ৰসায়ন শাস্ত্রৰ বিষয়ে নালন্দা, উদন্দপুৰ, বিক্রমশীলা, কাশী আদি বিশ্ববিদ্যালয়ত পাঠদান কৰা হৈছিল। অন্য দেশৰ পৰাও শিক্ষার্থীসকল আহি এই বিশ্ববিদ্যালয়সমূহত অধ্যয়ন কৰিছিল।

কৌটিল্যৰ অর্থশাস্ত্রত খনন, ধাতুৰ কিন্বন, ভিন্ন ৰসায়নিক সমাধানৰ বর্ণনা আছে।

৬.৪ প্রাচীন ভাৰতীয় ৰসসিদ্ধ

প্রাচীন ভাৰতৰ কুশল ৰসায়নবিদসকল 'ৰসসিদ্ধ' নামেৰে খ্যাত আছিল। তলত প্রতিষ্ঠিত ৰসসিদ্ধৰ নাম, গ্রন্থ আৰু কাল উল্লেখ কৰা হৈছে —

গ্ৰন্থৰ নাম	লেখক	কাল
১। ৰসৰত্ন সমুচ্চয়	বাগভট্ট	নৱম শতিকা
২। ৰসৰৰত্নাকৰ	নাগার্জুন	অষ্টম বা নৱম শতিকা
৩। সিদ্ধযোগ	বৃন্দ	দশম শতিকা
৪। ৰসহৃদয়	গোবিন্দ ভাগৱত	একাদশ শতিকা
৫। ৰসার্ণব	গোবিন্দাচার্য	দ্বাদশ শতিকা
৬। ৰসৰত্নাকৰ	নিত্যানন্দ সিদ্ধ	ত্রয়োদশ শতিকা
৭। ৰসসাৰ	গোবিন্দাচার্য	ত্রয়োদশ শতিকা
৮। ৰসেন্দ্র চূড়ামণি	সোমদেৱ	দ্বাদশ বা ত্রয়োদশ
৯। ৰস প্রকাশ সুধাকৰ	যশোধৰা	ত্রয়োদশ শতিকা
১০। ৰসেন্দ্র চিন্তামণি	ৰামচন্দ্র	চতুর্দশ শতিকা
১১। ৰসেন্দ্র সাৰ সংগ্রহ	গোপাল কৃষ্ণ কবিৰাজ	চতুর্দশ শতিকা

৬.৫ প্রাচীনকালত ৰসায়নৰ ভিন্ন প্রয়োগ

বৈদিক ঋষিসকলৰ পাণ্ডিত্যক পানীয় অম্ল সুগন্ধি দ্রব্য, প্রসাধন, লৱণ, বস্ত্র, ৰং, কাঁচ আদি দৈনন্দিন প্রয়োজনীয় বস্তুৰ ব্যৱহাৰে বৈদিক ঋষিসকলৰ ৰসায়ন বিজ্ঞানৰ পাণ্ডিত্যই প্রতিনিধিত্ব কৰে।

পানীয় ঃ ঋগ্‌বেদৰ নৱম মণ্ডলৰ প্রায় ৬১০টা মন্ত্রই কিদৰে ঋষিসকলে কিন্বন প্রক্রিয়াৰে সোমৰস নির্মাণ আৰু ভিন্ন ধর্মীয় অনুষ্ঠানত ইয়াৰ পৰিৱেশন কৰে সেই কথা উল্লেখ কৰিছে। তলত দিয়া ধৰণে —

"স্বাদিষ্টয়া মদীষ্টয়া পবস্ব সোম ধাৰয়া।
ইন্দ্রায় পাতবে সুতঃ ... দশোওৰাণি।
ঋচাংশ্চৈব পাবমামী শতানিষদ্।" (ঋগবেদ, ৯)

চিৰযৌৱন প্রাপ্ত, দীর্ঘজীৱী, অমৰত্ব ইত্যাদি ধাৰণাসমূহ বহু আগৰ পৰাই প্রচলিত। দুষ্প্রাপ্য সোমগছৰ ৰস পান কৰি দেৱতাসকলে অমৰত্ব লাভ কৰাৰ কথা উল্লেখ আছে। শতপথ ব্রাহ্মণত সোমৰস সত্য, শ্রী আৰু জ্যোতিস্বৰূপ বুলি ব্যাখ্যা কৰা হৈছে। ঐতৰেয় ব্রাহ্মণত সোমৰস আৰু সুৰাৰ পার্থক্য, সোমৰসৰ প্রশংসা আৰু সুৰাৰ নিন্দা স্পষ্ট ভাষাৰে বর্ণিত হৈছে। প্রাচীন সময়ত গাখীৰক কিন্বন প্রক্রিয়াৰে দৈ লৈ ৰূপান্তৰিত কৰা বিধি প্রয়োগ আছিল। কৌটিল্যৰ অর্থশাস্ত্রত মাটিৰ দাইল আৰু চাউলৰ মিশ্রিত ক্রীম কিন্বন প্রক্রিয়াৰে তৈয়াৰ কৰা হয় বুলি উল্লেখ পোৱা যায়। চৰক আৰু সুশ্রুত সংহিতাত কিন্বন প্রক্রিয়াত প্রযুক্ত পদার্থৰ ভিত্তিত ৯বিধ ভিন্ন বর্গৰ ৮৪ পেয়সামগ্রীৰ বর্ণন আছে, যিবোৰ ঔষধ ৰূপত ব্যৱহৃত হয়।

সুগন্ধি দ্রব্য ঃ ভাৰতীয় ৰসায়নবিদসকলে প্রসাধন সামগ্রী আৰু সুগন্ধিৰ নির্মাণতো বৈদিককালৰে পৰা ব্যাপক অৰিহণা যোগাইছে। এই প্রসংগত ঋগ্‌বেদৰ শ্রীসুক্তৰ মন্ত্রই এইদৰে কয় —

"গন্ধদ্বাৰাং দুৰাধর্ষাং নিত্যপুষ্টাং কৰীষিণীম্।
ঈশ্বৰীং সর্বভূতানাং তামিহোপহ্বয়োশ্রিয়াম্।।

অর্থাৎ সুগন্ধিৰ সহায়ত মই দেৱী শ্রীলক্ষ্মীৰ আহ্বান কৰিবলৈ দৈনিক অভ্যাস কৰি আছো, যাৰ প্রাপ্তি অত্যন্ত কষ্টকৰ, যি চাৰিওফালৰ সকলো বস্তুৰেই দেৱী ইত্যাদি।

সুগন্ধিত জল, ধূপকাঠি, পাউদাৰ, আতৰ (সুগন্ধি) আদিৰ তৈয়াৰী বিধিসমূহ গংগাধৰৰ গন্ধসাৰ, বৃহসংহিতা,

মানসোল্লাস, গন্ধবাদ, গন্ধযুক্তি আদি বিভিন্ন প্রাচীন গ্রন্থত উল্লেখ আছে। কিছুমান সুগন্ধিত দ্রব্যৰ গন্ধযুক্ত উপাদানসমূহত চিকিৎসামূলক আয়ুর্বেদিক গুণো থাকে। উদাহৰণস্বৰূপে — সুকুমাৰ তেল, মহানাৰায়ণ তেল। গন্ধযুক্ত পদার্থৰ ভিতৰত চন্দন, কেসৰ, গাড়ৰ (এবিধ সুগন্ধিত ঘাঁহ) আদি উল্লেখযোগ্য। ফুল, পাত আৰু ফল আদিৰ সুগন্ধি উৎসৰ ভিত্তিত এইবোৰক ৮ টা বর্গত ভাগ কৰা হৈছে। গংগাধৰে সুগন্ধি পাউদাৰ বা ক্রীম বনোৱাৰ ছয় প্রকাৰৰ বিধিৰ বর্ণনা কৰিছে।

প্রসাধন ঃ ভাৰতবর্ষত প্রাচীনকালৰে পৰাই স্ত্রী-পুৰুষ উভয়ে প্রসাধক দ্রব্যৰ ব্যৱহাৰ কৰিছিল। উদাহৰণস্বৰূপে গৰমৰ দিনত শৰীৰ শীতল কৰি ৰাখিবৰ বাবে চন্দনৰ লেপন শৰীৰত লগোৱা, শিৰত তিলক স্বৰূপ গোৰোচন, ভিন্ন লিপষ্টিক, নেইলপলিচ আৰু মুখমণ্ডলৰ লেপন আৰু চুলি পৰিষ্কাৰ কৰিবৰ বাবে ব্যৱহৃত সীহ, কার্বনেট আদি সুগন্ধিত দ্রব্য ব্যৱহাৰৰ উদাহৰণ পোৱা যায়। আয়ুর্বেদ সম্বন্ধীয় 'বোৱৰ পাণ্ডুলিপি'ত তাম আৰু লৌহ ছালফেটক বিভীতক (সংস্কৃত নাম) নামৰ বনৌষধ আৰু তেলৰ লগত উতলাই চুলি ৰং কৰাৰ বিধি বর্ণিত আছে। জামুৰ গুটিৰ চাবোন আৰু আমশিকিৰা (শিকাকাই)ৰ ৰসেৰে চুলি ধোৱাৰ চর্চা আছে। বিভিন্ন উৎসৰ পৰা প্রাপ্ত প্রাকৃতিক এণ্টিমনি ছালফাইডক অঞ্জন (কাজল) ৰূপেৰে প্রয়োগ কৰাৰ কথা 'ৰসৰত্ন সমুচ্চয়'ত উল্লেখ আছে। তাৰোপৰি ঘি জ্বলাই প্রস্তুত কৰা কাজলৰ লেপনেৰে চকুৰ সৌন্দর্য বৃদ্ধিৰ পৰম্পৰা আছিল।

লৱণ ঃ লৱণানি ষড়ুচ্যন্তে সামুদ্রং সৈন্ধৱং ৱীডম্
সৌৱর্চলং ৰোমকং চ চুলিকা লৱণং তথা (১০/৭১)

বাগভট্ট বিৰচিত ৰসৰত্নসমুচ্চয়ত ছয়প্রকাৰৰ লৱণৰ বিষয়ে উল্লেখ আছে। সমুদ্রী, সৈন্ধব, বীড, সৌবর্চল, ৰোমক আৰু চুলিকা। প্রাচীন সাহিত্যত তিনিবিধ লৱণৰ নির্মাণৰ বিধি উপলব্ধ। এই লৱণ তিনিবিধ হৈছে — মকৰধ্বজ (সিনাবাৰ), সৌৰাষ্ট্রজা (ফিট্‌কৰী), সৌবর্চল (সল্ট পীটৰ)। সিনাবাৰৰ প্রয়োগ ভিন্ন ৰোগৰ আৰোগ্যৰ বাবে আয়ুর্বেদ শাস্ত্রত উল্লেখ আছে। এই মকৰধ্বজ ১৮ শতিকা পর্যন্ত ভাৰতর্যত পূর্ণ ৰূপত ব্যৱহৃত আছিল, এই সন্দর্ভত বিট্রিছ অধিকাৰী Dr. J. Banks য়ে (07.01.1790 ত) Royal Societyৰ অধ্যক্ষক দিয়া এটা ৰির্পোটত উল্লেখ আছে যে, ভাৰতীয়সকলৰ ওচৰত বহুদিনৰে পৰা এটা মাত্র ঊর্ধপাতনত ১০০ পাউণ্ড পর্যন্ত সিনাবাৰ নিমার্ণৰ জ্ঞান আছে। ইউৰোপত তেওঁ বহুবাৰ ইউৰোপীয় প্রচলিত বিধিৰদ্বাৰা সিনাবাৰ প্রস্তুত কৰিছিল, যদিও সফল হোৱা নাছিল। হিন্দু ৰসায়নবিদসকল ফিট্‌কৰী ব্যৱহাৰত অভ্যস্ত আছিল। চকুৰ ঘাঁৰ চিকিৎসাত ইয়াক ৰক্তৰক্ষক হিচাপে ব্যৱহাৰ কৰা হয়। ফিটকৰী বস্ত্র উদ্যোগত ৰং স্থিৰিকৰণৰ বাবে ব্যৱহাৰ কৰা হয়।

সৌৰাষ্ট্রাঅশ্মনি সংভূতা মৃৎস্না সা তুবৰী মতা।
বস্ত্রেষু লিপ্যতে যাসৌ মঞ্জিষ্ঠাৰাগবন্ধিনী। (ৰসৰত্ন সমুচ্চয় ৩/৫৫)

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ঃ কোনজন বিট্রিছ অধিকাৰীয়ে ভাৰতবর্ষত মকৰধ্বজৰ নির্মাণৰ প্রসংগত উচ্চ প্রশংসা কৰিছিল?

.....

বস্ত্র আৰু ৰং ঃ ১৮ শতিকাৰ শেষলৈকে ভাৰতবর্ষ বস্ত্র উদ্যোগৰ ক্ষেত্রত বিশ্বৰ ভিতৰতে অগ্রগণী আছিল। প্রাচীনকালৰে পৰা সুন্দৰ আৰু ভিন্ন ৰঙী কপাহী, ৰেছম, ঊল আদি বস্ত্রশিল্পৰ সামগ্রীয়ে সকলোকে আকর্ষণ কৰিছিল। সিন্ধু উপত্যকাৰ লোকসকল মঞ্জিষ্ঠা (manjista) গছৰ ৰঙা ৰঙৰ সৈতে পৰিচিত আছিল। কাপোৰ আৰু দৈনন্দিন ব্যৱহাৰৰ অন্যান্য সামগ্রী ৰং কৰাৰ বাবে খনিজ আৰু শাক-পাচলি উভয় উৎসৰ পৰা ১০০ বিধতকৈও অধিক ৰং লাভ কৰিছিল। নীলা ৰঙৰ বিভিন্ন ছাঁৰ ৰং কৰিবলৈ ইণ্ডিগ' গছৰ ৰোপণ ১৬ লাখ একৰ

মাটিত কুৰি শতিকাৰ আৰম্ভণিলৈকে ভাৰতত কৰা হৈছিল। কিন্তু ১৮৯৭ চনৰ পৰা জাৰ্মানীয়ে সস্তীয়া ঔদ্যোগিক কেঁচা মালৰদ্বাৰা এই লোভনীয় ৰংটো বাণিজ্যিক দৃষ্টিৰে উৎপাদন কৰিছিল আৰু বিশ্বত একচেটিয়া অধিকাৰ লাভ কৰিলে। যাৰ ফলত ১৯১৪ চনলৈ ইণ্ডিগ' উদ্যোগ বিলুপ্ত হ'ল। শিপা, ডাল, কাঠ, বীজ, গছৰ ছালৰ পৰা কেইবাটাও শাক-পাচলিৰ ৰং আহৰণ কৰা হৈছিল। বিভিন্ন ৰঙৰ ফলৰ গছ, সিনাবাৰ, ৰঙা সীহ, মাটি, খনিজ পদাৰ্থ আদিবোৰ প্ৰাচীন ভাৰতত ব্যাপকভাৱে ব্যৱহৃত কিছুমান অজৈৱিক ৰং কৰা দ্ৰব্য। শিলালেখ আৰু অজন্তাৰ গুহাৰ ভিত্তি (দেৱাল)ৰ চিত্ৰসমূহত এনে ধৰণৰ ৰং কৰা দ্ৰব্যৰ ব্যৱহাৰ হৈছিল। প্ৰাচীন ৰসায়নবিদসকলে তালপত্ৰ আৰু ভূজপত্ৰত লিখিবলৈ চিয়াহীৰ তৈয়াৰ কৰিছিল। শিলিখাও চিয়াহী প্ৰস্তুতৰ অন্য এক উপাদান।

জানি থোৱা ভাল

২৫০০ শ্লোকেৰে ১৮টা অধ্যায়ত বিভক্ত 'ৰসোপনিষদ' ভাৰতীয় ৰসায়ন বিজ্ঞানৰ এখন অন্যতম গুৰুত্বপূৰ্ণ গ্ৰন্থ। খৃঃ দশম-একাদশ শতিকাত এই গ্ৰন্থখন দক্ষিণ ভাৰতত ৰচনা কৰা হৈছিল। গ্ৰন্থখনত মূলতঃ ধাতুৰ পৰিৱৰ্তনৰ ওপৰতেই আলোচনা কৰা হৈছে। এইগ্ৰন্থত উদ্ভিদ, উদ্ভিদৰ বিভিন্ন অংগ, ৰস আৰু গছৰ আঠাৰ ৰাসায়নিক বিক্ৰিয়াৰ কথা আলোচনা কৰা হৈছে।

কাঁচ ঃ কাঁচ এবিধ কঠিন, ৰাসায়নিক ৰূপত নিষ্ক্ৰিয় আৰু সহজতে পৰিষ্কাৰ হোৱা এক পদাৰ্থ, যাৰ আধুনিক জীৱনত ব্যাপক প্ৰচলন দেখা যায়। প্ৰায় তিনি হাজাৰ বৰ্ষৰ পূৰ্বতেই ভাৰতবৰ্ষত কাঁচ নিৰ্মাণ প্ৰক্ৰিয়া আৰু ধাতু লৱণৰদ্বাৰা কাঁচ ৰঙীন বনোৱাৰ বিধিও জ্ঞাত আছিল। প্ৰাচীন ভাৰতত মণি, খাৰু বা গৱেষণাগাৰৰ পাত্ৰ বনোৱাত কাঁচৰ প্ৰয়োগ হৈছিল। উত্তৰ প্ৰদেশৰ কেপিকাত পঞ্চম শতিকাত কাঁচৰ কাৰখানা থকাৰ প্ৰমাণ পোৱা যায়। তাত ১০ কিলোগ্ৰাম ওজনৰ ৪০ছে.মি. × ৪২ছে.মি. × ২৬ছে.মি. আকৃতিৰ ৰঙীণ কাঁচৰ অংশ পোৱা গৈছিল, যাক ক'লক'তাত থকা Central Glass & Ceramic Research Instituteত এই কাঁচৰ অংশৰ পৰীক্ষণৰ পৰা প্ৰমাণিত হৈছে যে, অধিক পৰিমাণৰ এলুমিনিয়ামৰ সৈতে এইটো আছিল ছোডা লাইম কাঁচ। সম্প্ৰতি এলুমিনিয়াম ছিলিকেটৰ এনে পাত্ৰ নিৰ্মাণ কৰি প্ৰত্যক্ষভাৱে পাকঘৰৰ চৌকাত ব্যৱহাৰ কৰা হয়। সুশ্ৰুতে কাঁচ আৰু স্ফটিকৰ পাৰ্থক্য স্পষ্টভাৱে উল্লেখ কৰিছে। মৌৰ্য আৰু কুশান কালৰ হালধীয়া, বগা, সেউজীয়া, ৰঙা, বেঙুনীয়া আদি ভিন্ন ৰঙৰ মণি তক্ষশীলাত পোৱা যায়। পৰীক্ষাৰ পৰা প্ৰমাণিত হৈছে যে, তক্ষশীলাৰ কাঁচত ছোডা লাইম বা ছোডা লাইম সীহ ব্যৱহৃত হৈছিল। আজিকালি উচ্চগুণ যুক্ত স্বচ্ছ কাঁচৰ বস্তু নিৰ্মাণত সীহ কাঁচৰ ব্যৱহাৰ কৰা হয়।



তক্ষশীলাত উপলব্ধ কাঁচৰ ফ্লাক্স

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ঃ ভিন্ন ৰঙৰ উৎস হিচাপে প্ৰাচীন কালত ব্যৱহৃত সামগ্ৰীসমূহৰ নাম লিখা।

.....

প্রশ্ন নং ৫ঃ কোনখন প্রাচীন বিশ্ববিদ্যালয়ত কাঁচৰ ব্যৱহাৰৰ প্রমাণ পোৱা যায়?

.....

ক্ষাৰক (Alkalis) ঃ দাহক ক্ষাৰকে আধুনিক দৈনন্দিন জীৱনত এক গুৰুত্বপূর্ণ ভূমিকা পালন কৰিছে। এই দাহক ক্ষাৰকসমূহ দৈনন্দিন জীৱনৰ বাবে গ্রাহকৰ সামগ্রী নির্মাণ কৰা কাৰখানাসমূহ যেনে — কাগজ, বস্ত্রশিল্প, চাবোন, চার্ফ, প্লাষ্টিক, ঔষধ, ধাতু আৰু বিভিন্ন উদ্যোগসমূহৰ বাবে অত্যন্ত দৰকাৰী। আজি ভাৰতত প্রতিবছৰে বিদ্যুৎ ৰাসায়নিক প্রক্রিয়াৰে সাগৰীয় নিমখৰ পৰা এক মিলিয়ন টনতকৈও অধিক কষ্টিক চোডা প্রস্তুত কৰা হয়। আমাৰ ভাৰতীয় পূর্বপুৰুষসকলেও এই প্রয়োজনীয় পণ্যসামগ্রীবিধ কাঠৰ ছাই, চূণশিল আৰু শামুকৰ খোলাৰ পৰা নির্মাণ কৰিছিল। সুশ্রুত সংহিতাত ক্ষাৰক প্রস্তুতৰ সম্পূর্ণ প্রক্রিয়া উল্লেখ আছে—

"তং চিকীর্ষুঃ শৰদি গিৰিসানুজম্ শুচিৰুপোষ্য প্রশস্ত্যেহনি প্রশস্তদেশজাতম্ অনুপহতং মধ্যমবয়সং মহান্তম্ অসিতমুষ্ককমধিবাস্য অপৰেদ্যুঃ পাতয়িত্বা খণ্ডশঃ প্রলল্ম্য অবপাট্য নির্বাতে দেশে নিচিতিম্ কৃত্বা সুধাশর্কৰাশ্চ প্রক্ষিপ্য তিলনালৈঃ আদীপয়েত। অথ উপশান্তে অগ্নৌ তদ্ভস্ম পৃথগ্ গৃহ্ণীয়াত ভস্মশর্কৰাশ্চ। ততঃ ক্ষাৰদ্রোণম্ উদকদ্রোনৈঃ পৰিস্রাব্য, মহতি কটাহে শনৈঃ দর্ব্যা অবঘট্টয়ন বিপচেত্। তমাদায় মহতি বস্ত্রে পৰিস্রাব্য ইতৰং বিভজ্য পুনঃ অগ্নৌ অধিশ্রয়েত। স যথা নাতিসান্দ্রো নাতিদ্রব্যশ্চ ভবতি মধ্যমঃ। এষ এব অপ্রতীবাপঃ পক্কঃ মৃদুঃ, স এব সপ্রতীবাপঃ পক্কঃ পাক্যঃ তীক্ষ্ণঃ।। (সু. সং. অ. ১/১)

"অৰণ্যৰ কিছুমান পৰিপক্বকৈ গজা গছ কাটি কাটি এইবোৰ প্রচণ্ড বতাহৰ সহায়ত মুক্ত ঠাইত গোটাই শুকাবলৈ দিয়া হয়। স্তূপৰ ওপৰত চূণশিল বা শামুকৰ খোলা ৰাখি তাৰ পিছত শুকান গছৰ ডালবোৰত জুই লগাব লাগে। সকলো কাঠ জ্বলি শেষ হ'লে জুই নির্বাপিত কৰি কাঠৰ ছাঁই আৰু জ্বলাচূণ গোটাই পৃথকে পৃথকে পানীত দ্রৱীভূত কৰা হয়। তাৰ পিছত ছাঁইৰ নিষ্কাষণ চূণৰ পানীৰ সৈতে মিহলাই 'লাই' (Lyc) পোৱা যায়, যিটো বিশুদ্ধিকৰণৰদ্বাৰা পৃথকীকৰণ কৰা হয়। উতলাই দ্রৱটো বিভিন্ন পৰিমাণে ঘণীভূত কৰা হয় আৰু ইয়াৰ পৰা পাতল, মৃদু আৰু কষ্টিক ক্ষাৰক পোৱা যায়।"

ইয়াত জড়িত থকা ৰসায়ন পদ্ধতি অতি সাধাৰণ। কাঠৰ ছাঁইত পটেছিয়াম আৰু ছডিয়াম কার্বনেট (K_2Co_3 & Na_2Co_3) থাকে আৰু চূণশিল আৰু শামুকৰ খোলাত কেলছিয়াম কার্বনেট থাকে ($CaCo_3$)। কেলছিয়াম কার্বনেটক গৰম কৰিলে কেলছিয়াম অক্সাইড (CaO) দ্রুত চূণ আৰু (CO_2) লৈ পৰিণত হয়, যিটো বতাহত মিলি যায়। কেলছিয়াম অক্সাইডে পানীৰ লগত প্রতিক্রিয়া কৰে আৰু কেলছিয়াম হাইড্র'ক্সাইড অর্থাৎ চূণপানী নির্মিত হয়। কেলছিয়াম হাইড্র'ক্সাইডে পটেছিয়াম বা ছডিয়াম কাব'নেটৰ লগত বিক্রিয়া কৰি কেলছিয়াম কার্বনেটৰ সৃষ্টি কৰে, যিটো পৃথকভাৰে নামি আহে। তলত ৰাসায়নিক বিক্রিয়াটো সমীকৰণৰদ্বাৰা উল্লেখ কৰা হ'ল —

(i) $CaCO_3 \rightarrow CaO + CO_2 \uparrow$

(ii) $CaO + H_2O \rightarrow Ca(OH)_2$


(iii) $K_2CO_3 + Ca(OH)_2 \rightarrow 2KOH + CaCo_3 \downarrow$

গৱেষণাৰ পৰা এই কথা স্পষ্ট হয় যে ১৮ শতিকালৈ উৎপাদন আৰু ব্যৱসায়ত ভাৰতবর্ষই স্থানীয় আৰু বিশ্ব বজাৰত অত্যন্ত প্রভাৱ পেলাইছিল। কিন্তু ইউৰোপীয় দেশসমূহে আধুনিক ৰসায়ন আৰু বৈজ্ঞানীক জ্ঞানেৰে পৰিপুষ্ট হৈ সকলো ঠাইৰে বজাৰ দখল কৰিছিল ফলত স্থানীয় দেশীয় বেপাৰ নিম্নগামী হৈছিল। ঔপনিৱেশিক শক্তিয়ে সকলো স্থানীয় শিল্পীক নিমূর্ল কৰিছিল। এইদৰে ভাৰতবর্ষই বহু শতিকা ধৰি সঞ্চিত কৰি ৰখা প্রতিভাক হেৰুৱাবলগীয়া হৈছিল। দেশৰ ভিন্ন স্থানত হোৱা প্রত্নতাত্ত্বিক খননৰ পৰা ভাৰতীয়সকলৰ দক্ষতাৰ প্রমাণ পোৱা গৈছিল। তেওঁলোকে প্রকৃতিৰ পৰা নিষ্কাশন কৰা ধাতুৰে ভিন্ন ঘৰুৱা-সামগ্রী, অস্ত্র-শস্ত্র, মূর্তি আদিৰ নির্মাণ কৰিছিল।

মহেঞ্জোদাৰো আৰু হৰপ্পাৰ খনন কাৰ্যই সিন্ধু সভ্যতাকালীন লোকসকল ৰসায়নৰ বিস্তৃত বৈচিত্ৰ্যৰ ব্যৱহাৰত যে দক্ষ আছিল তেওঁলোকে ব্যৱহাৰ কৰা ভিন্ন সামগ্ৰীসমূহে তাৰেই প্ৰমাণ কৰিছে। যেনে — ইটা, জাৰ, মাটিৰ পাত্ৰ, টেৰাকোটা, অলংকাৰ, ধাতুৰ পাত্ৰ, মোহৰ, চিত্ৰাংকৃত পাত্ৰ, ক্ৰ'ম অক্সাইড যুক্ত মৃৎশিল্প, কাঁচৰ পাত্ৰ আৰু ভিন্ন সামগ্ৰী এই খনন কাৰ্যত উদ্ধাৰ হৈছে। সিন্ধু উপত্যকাৰ মানুহে ঘৰ আৰু অট্টালিকা নিৰ্মাণৰ বাবে চূণ, কেলচিয়াম ছালফেট যুক্ত শিল (gypsum) আৰু বালি আৰু চিমেণ্টেৰে গঠিত মৰ্টৰ ব্যৱহাৰ কৰিছিল। ধাতুৰ কামতো সিন্ধু লোকসকল প্ৰলেপন আৰু জালী প্ৰস্তুত কাৰ্যত কুশল আছিল। তাম আৰু ব্ৰঞ্জ ভিন্ন সঁজুলি, অস্ত্ৰ-শস্ত্ৰ, ঘৰুৱা বাচন-বৰ্তন, মূৰ্তি, খাৰু, আঙুঠি, কাণফুলি, তাবিজ, তাঁৰ আৰু ৰ'ডৰ নিৰ্মাণত ব্যৱহৃত হৈছিল। সোণ আৰু ৰূপৰ গহনা আৰু আলংকাৰিক পাত্ৰ নিৰ্মাণত ব্যৱহৃত হৈছিল। পিছলৈ খননত লোহাৰ সঁজুলিৰ নমুনা উদ্ধাৰ কৰা হৈছিল। সম্প্ৰতি ভাৰতৰ ভিন্ন ঠাইত হোৱা খনন কাৰ্যই বহু আপুৰুগীয়া সম্পদ মাটিৰ তলত থকাৰ সম্ভেদ দিছে।

৬.৫ প্ৰাচীন ৰসশালা

ৰাসায়নিক বিক্ৰিয়া সংঘটিত কৰিবৰ বাবে প্ৰাচীন ভাৰতবৰ্ষত 'ৰসশালা' (Chemical Laboratory) থকাৰ উল্লেখ পোৱা যায়। এই তথ্যসমূহত পৰীক্ষাগাৰৰ দিশসমূহ, পাৰিপাৰ্শ্বিক অৱস্থা আৰু যন্ত্ৰ-পাতিসমূহৰ বিবিধ ব্যৱহাৰৰ কথা উল্লেখ আছে। পৰীক্ষাগাৰৰ গাঁথনিসম্বন্ধে 'ৰসৰত্ন সমুচ্চয়'ত উল্লেখ থকা চিত্ৰ তলত অংকিত কৰা হ'ল —



বাগ্‌ভট্ট বিৰচিত শাস্ত্ৰ 'ৰসৰত্নসমুচ্চয়' অনুসৰি ৰাসায়নিক পৰীক্ষাগাৰ এনে স্থানত প্ৰতিষ্ঠিত হ'ব লাগে, য'ত ঔষধি গছৰ প্ৰচুৰতা, উৎকৃষ্ট জলৰ ব্যৱস্থা থকাৰ লগতে সকলো বিঘিনি আৰু হস্তক্ষেপৰ পৰা মুক্ত এক চিত্ৰময় বাতাবৰণ থাকে। ভৱনটো ওখ সীমাবেৰৰ দ্বাৰা সুৰক্ষিত হ'ব লাগে। পৰীক্ষাগাৰটো বিভিন্ন সা-সঁজুলিৰে অষ্টদিশত সজ্জিত হ'ব লাগে। পাৰা (যাক সংস্কৃত সাহিত্যত 'ৰসভৈৰৱ', 'ৰসেন্দ্ৰ' আদি নামেৰে নামাংকৃত কৰা হৈছে) সহজেই অন্য দ্ৰব্যৰ লগত মিহলি হোৱাৰ ক্ষমতা থকাৰ বাবে এই দ্ৰব্যবিধক মুখ্য হিচাপে পূব দিশত স্থাপন কৰাৰ নিৰ্দেশ আছে। অগ্নিকুণ্ডৰ ব্যৱস্থা দক্ষিণ-পূব দিশত নিৰ্ধাৰিত। শিলৰ সঁজুলি দক্ষিণ দিশত আৰু কটা আৰু টুকুৰা কৰা কাৰ্যত ব্যৱহৃত যন্ত্ৰ-পাতিৰ স্থান দক্ষিণ-পশ্চিম দিশত হ'ব লাগে। পশ্চিম দিশটো ধোৱা আৰু চাফা কৰা কাৰ্যত নিযুক্ত হ'ব লাগে। উত্তৰ-পশ্চিম দিশটো দ্ৰব্য শুকুৱাবলৈ সংৰক্ষিত থাকিব লাগে। ধাতুৰ পৰীক্ষা-নিৰীক্ষা উত্তৰ দিশত সম্পন্ন কৰিব লাগে। পৰীক্ষাগাৰত প্ৰস্তুত হোৱা দ্ৰব্যসমূহৰ সংৰক্ষণ উত্তৰ-পূব দিশত কৰিব লাগে। এটা ৰসশালাত (Laboratory) ৰাসায়নিক পৰীক্ষা-নিৰীক্ষাৰ বাবে প্ৰয়োজনীয় সকলো সামগ্ৰী উপলব্ধ হোৱাটো

শাস্ত্রসম্মত তথ্য। শাস্ত্রত উল্লেখ কৰা গৱেষণাগাৰৰ গাঁথনি হিন্দু দেৱতাৰ স্বস্থান আৰু কার্যাৱলীৰ ওপৰত নির্ভৰশীল। তলৰ টেবুলত অষ্ট দিশৰ লগত দেৱতাৰ কার্যক্ষেত্রৰ উল্লেখ কৰা হৈছে।

দিশ	মুখ্য দেৱতা	দেৱতাৰ কার্যক্ষেত্র	পৰামর্শমূলক কার্য
উত্তৰ	কুৱেৰ	সম্পদ	ছেদন
উত্তৰ-পূব	শিৱ বা ঈশান	গৰাকী	ব্যৱহাৰযোগ্য সামগ্রীৰ সংৰক্ষণ
পূব	ইন্দ্র	মুখ্য দেৱতা	মুখ্য ৰাসায়নিক দ্রব্য সংৰক্ষণ
দক্ষিণ-পূব	অগ্নি	জুই	গৰম কৰা/জ্বলন
দক্ষিণ	যম	মৃত্যু	শিলৰ কাম
দক্ষিণ-পশ্চিম	নিঋত	ধ্বংস	কর্তন
পশ্চিম	বৰুণ	সাগৰ	চাফাই
উত্তৰ-পশ্চিম	বায়ু	বতাহ	শুকোৱা


প্রাচীন শাস্ত্রত ৩২ বিধতকৈও অধিক ৰসায়নিক আৰু ঔষধ সম্বন্ধীয় পৰীক্ষাৰ বাবে ব্যৱহৃত যন্ত্র-পাতিৰ উল্লেখ পোৱা যায়, যিবোৰক 'যন্ত্রানি' বুলি কোৱা হয়। ইয়াত কোষ্ঠীযন্ত্র, তির্যক পাতন যন্ত্র আৰু ঢেঁকীযন্ত্র নামৰ তিনিবিধ যন্ত্রৰ পৰিচয় দিয়া হৈছে —

কোষ্ঠীযন্ত্র ঃ ২৬ কোণ প্রস্থ আৰু এক হস্তৰ দৈর্ঘ্য আৰু উচ্চতা আৰু চাৰিওফালে একেধৰণৰ চুলাক 'কোষ্ঠীযন্ত্রম' বুলি কোৱা হয়। ধাতুৰ অক্সিজেন আৰু খনিজ পদার্থৰ পৰা সত্ব ধাতুৰ পৰিমাণ নিষ্কাষণ কৰিবলৈ ব্যৱহাৰ কৰা হয়।



কোষ্ঠীযন্ত্র

তির্যক পাতন যন্ত্র ঃ এই যন্ত্রবিধ শুদ্ধিকৰণৰ বাবে ব্যৱহৃত। ৰাসায়নিক পদার্থবোৰ হেলনীয়া অৱস্থাত সুমুৱাই দিয়া দীঘল নলী থকা পাত্র এটাত ৰাখি গ্রাহক হিচাপে থোৱা অন্য পাত্রৰ ভিতৰত থোৱা হয়। পাত্রটোৰ মুখ আৰু সংযোগ অংশ কাপোৰ বা মাটিৰে বন্ধ কৰি দিয়া হয়। তাৰপিছত ৰাসায়নিক পদার্থ থকা পাত্রৰ তলত জুই দিয়া হয় আৰু আনটোত ঠাণ্ডা পানী দিয়া হয়।



তির্যক পাতন যন্ত্র

ঢেঁকীযন্ত্র ঃ পাত্রটোৰ ডিঙি অংশৰ তলত এটা ফুটা থাকে য'ত বাঁহৰ নলীৰ ওপৰৰ মুৰটো সোমাই দিয়া হয়, তাৰ তলৰ অংশটো পানীৰে ভৰা আৰু দুটা অর্ধগোলাকাৰ আধাৰে নির্মিত পিতলৰ পাত্র এটাত সংযোগ হৈ থাকে। উপযুক্ত উপাদানৰ সৈতে মিহলি কৰা পাৰাক গ্রাহকটো পর্যাপ্ত পৰিমাণে গৰম নোহোৱালৈকে বিশুদ্ধ কৰা হয়।



ঢেঁকীযন্ত্ৰ

৬.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ঐতিহাসিক দৃষ্টিৰে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ অৱদান অনাদিকালৰে পৰা উচ্চমানৰ পৰিলক্ষিত হয়। কিন্তু ঔপনিৰেশিকতাৰ ফলশ্ৰুতিত প্ৰাচীন চহকী ঐতিহ্যৰ লীন হোৱাৰ বাবে বৰ্তমানৰ প্ৰজন্মক এই বিষয়ে অৱগত কৰাৰ উদ্দেশ্যে বিজ্ঞান আৰু প্ৰযুক্তিৰ ক্ষেত্ৰত প্ৰাচীন ভাৰতৰ উৎকৃষ্ট অনুভৱী জ্ঞানৰ সম্যক জ্ঞানৰ সন্ধান দিবলৈ পুৰণি শাস্ত্ৰসমূহক প্ৰেৰণাৰ স্ত্ৰোত হিচাপে সমাজত প্ৰচাৰ কৰাটো অত্যন্ত আৱশ্যক হৈ পৰিছে। ভাৰতীয় গুৰুসকলেও তেওঁলোকক ছাত্ৰ-ছাত্ৰীসকল জ্ঞানত উত্তম হৈ জ্ঞানৰ প্ৰসাৰ ঘটাবলৈ আহ্বান কৰিছে। প্ৰাচীনকালত অনুষ্ঠিত সম্মিলনৰ দ্বাৰা যিদৰে বৈজ্ঞানিক চিন্তাধাৰাৰ ভেটি গঠন হৈছিল, ঠিক সেইদৰে আজিৰ সময়তো শাস্ত্ৰৰ অধ্যয়ন আৰু চৰ্চাৰ যোগেদি সময়োপযোগী তত্ত্বৰ পৰ্যবেক্ষণ কৰি দেশক বৈজ্ঞানিক দিশত অগ্ৰণী ভূমিকা লোৱাত সহায় আগবঢ়াব পাৰি।

৬.৮ অধিক জানিবলৈ

1) Pride of India, Sanskrit Bharati, New Delhi.
2) Science in Sanskrit Bharati, New Delhi.
3) Cultural Heritage of India VOL. VI, The Ramkrisna Mission, Institute of Culture, Calcutta.

৬.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ ৰসশালা।

২ নং প্ৰশ্নৰ উত্তৰঃ সুৱৰ্ণং ৰজতং তাম্ৰং তীক্ষ্ণবংগভূজংগমাঃ।
লোহকং ষড়বিধং তচ্চ যথাপূৰ্বং তদক্ষয়ম।। (ৰসাৰ্ণৱঃ ৭/৮৯/৯০)

৩ নং প্ৰশ্নৰ উত্তৰঃ Dr. J Banks য়ে।

৪ নং প্ৰশ্নৰ উত্তৰঃ বিভিন্ন ৰঙৰ ফলৰ গছ, সিনাবাৰ, ৰঙা সীহ, মাটি, খনিজ পদাৰ্থ ইত্যাদি।

৫ নং প্ৰশ্নৰ উত্তৰঃ তক্ষশীলা।

৬.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰাচীন কালত দৈনন্দিন ব্যৱহাৰযোগ্য সামগ্ৰীত ৰাসায়নিক পদাৰ্থৰ ব্যৱহাৰৰ বিষয়ে উল্লেখ এটি টোকা প্ৰস্তুত কৰা।

প্ৰশ্ন ২ ঃ প্ৰাচীন শাস্ত্ৰসমূহত উল্লেখ থকা ভিন্ন ৰাসায়নিক পদাৰ্থৰ নাম আৰু ব্যৱহাৰৰ বিষয়ে আলোচনা কৰা।

প্ৰশ্ন ৩ ঃ ৰসসিদ্ধ বুলিলে কি বজা? ভাৰতৰ ৰসসিদ্ধসকলৰ গ্ৰন্থ আৰু সেইবোৰৰ কাল উল্লেখ কৰা।

প্ৰশ্ন ৪ ঃ ৰসশালাৰ সন্দৰ্ভত এটি টোকা লিখা? প্ৰাচীন কালত ৰসশালাত ব্যৱহৃত তিনিটা যন্ত্ৰৰ নাম লিখা।

*** ***** ***

অধ্যায় ৭ঃ প্রাচীন ভাৰতীয় সাহিত্যত পদার্থবিদ্যা

অধ্যায় গাঁথনি

৭.১ উদ্দেশ্য
৭.২ পৰিচয়
৭.৩ পদার্থ বিজ্ঞানৰ সংজ্ঞা
৭.৪ পদার্থ বিজ্ঞানৰ ভিন্ন স্তৰ
৭.৫ দৈর্ঘ্যৰ একক
৭.৬ কোণ মাপনৰ একক
৭.৭ ভৰ মাপনৰ একক
৭.৮ কাল মাপৰ একক
৭.৯ সৌৰ দিন
৭.১০ উষ্ণতাৰ একক
৭.১১ পদার্থ আৰু শক্তি
৭.১২ বৈশেষিক আৰু পৰমাণুৰ আকাৰ (টিণ্ডেল ক্রিয়া)
৭.১৩ গতি আৰু গতিসূত্র ধাৰণা
৭.১৪ স্থিতিস্থাপকতা সংস্কাৰ
৭.১৫ গুৰুত্বাকর্ষণ (মধ্যাকর্ষণ)
৭.১৬ বিদ্যুৎ
৭.১৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৭.১৮ অধিক জানিবলৈ
৭.১৯ অগ্রগতিৰ খতিয়ান
৭.২০ আৰ্হি প্রশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- পদার্থ বিজ্ঞানৰ সংজ্ঞা তথা পদার্থ বিজ্ঞানৰ ভিন্ন স্তৰৰ বিষয়ে জানিব পাৰিব।
- লগতে দৈর্ঘ্যৰ একক, কোণ মাপনৰ একক, ভৰ মাপনৰ একক, কাল মাপৰ একক, সৌৰ দিন, উষ্ণতাৰ একক, পদার্থ আৰু শক্তি আৰু গুৰুত্বাকর্ষণ (মধ্যাকর্ষণ) ইত্যাদিৰ বিষয়ে বিশদভাৱে অৱগত হ'ব পাৰিব।

৭.২ পৰিচয়

বৈদিক সাহিত্য মানৱ-জাতিৰ বাবে আটাইতকৈ পুৰণি পৰিচয়, যিয়ে বিজ্ঞান আৰু সাহিত্যৰ চহকী জ্ঞানেৰে ভাৰতৰ গৌৰৱময় অতীতক বিশ্বৰ ভিতৰতে উচ্চস্থান প্রদান কৰিছিল। প্রাচীন হিন্দুসকলৰ মাজত আধ্যাত্মিকতা আৰু ধর্মৰ লগতে বৈজ্ঞানিক মানসিকতাৰ সঞ্চাৰণ আছিল। ঋষি-মুনিসকলে প্রকৃতি আৰু প্রাকৃতিক

ঘটনাৰ পৰ্যবেক্ষণ কৰি ধ্যানেৰে সমাধিস্থ অৱস্থা লাভ কৰি মনন আৰু চিন্তনৰদ্বাৰা তত্ত্বসমূহৰ জ্ঞান আহৰণ কৰিবলৈ প্ৰয়াস কৰিছিল।

পদাৰ্থবিজ্ঞান হৈছে বিজ্ঞান আৰু প্ৰযুক্তিৰ সকলো শাখাৰ ভেটি, যিয়ে বিজ্ঞান আৰু দৰ্শনক সামৰি লৈছে। পদাৰ্থবিজ্ঞান সম্বন্ধীয় তথ্যসমূহ সংস্কৃতৰ ভিন্ন গ্ৰন্থত সিচঁৰিত হৈ আছে। বেদ-বেদাংগ, পুৰাণ আৰু ষড়দৰ্শনত চেতন আৰু জড় জগতৰ ভিন্ন দিশসমূহৰ ওপৰত আলোকপাত কৰা হৈছে। ষড়-দৰ্শনৰ ভিতৰত গৌতমৰ ন্যায়, কণাদৰ বৈশেষিক, কপিলৰ সাংখ্য, পতঞ্জলিৰ যোগ, জৈমিনীৰ পূৰ্বমীমাংসা আৰু বাদৰায়ণৰ উত্তৰ-মীমাংসা অন্তৰ্ভুক্ত। এই দৰ্শন কেইটাৰ ভিতৰত বৈশেষিক আৰু সাংখ্য দৰ্শনত ভৌতিকজগত সম্বন্ধীয় তথ্য উপলব্ধ। প্ৰাচীন ভাৰতীয় দৰ্শনত জড়, চেতন আৰু সমগ্ৰ জগতৰ জ্ঞানৰ সন্দৰ্ভত গুৰুত্ব দিয়া হৈছে। ঋষিসকলৰ এই চিন্তনসমূহ বিংশ শতাব্দীৰ পদাৰ্থবিজ্ঞানৰ দৃষ্টিভংগীৰে সুন্দৰভাৱে ব্যাখ্যা হ'ব পাৰে।

৭.৩ পদাৰ্থবিজ্ঞানৰ সংজ্ঞা

পদাৰ্থবিজ্ঞান হৈছে বিজ্ঞানৰ শাখা, যিয়ে পৰ্যবেক্ষণ আৰু অভিজ্ঞতাৰদ্বাৰা প্ৰাকৃতিক পৰিঘটনাসমূহৰ আচৰণ আৰু ইয়াৰ ফল নিৰ্ধাৰণ কৰাৰ ক্ষমতাক নিজৰ চৰিত্ৰ হিচাপে পৰিচয় দিয়ে। পদাৰ্থ বিজ্ঞান হৈছে এক পৰিমাণগত বিজ্ঞান। পদাৰ্থবিজ্ঞানৰ দুটা প্ৰধান শাখা আছে ঃ পৰীক্ষামূলক আৰু তাত্ত্বিক। পৰীক্ষামূলক বিজ্ঞান হৈছে পৰ্যবেক্ষণ আৰু পৰীক্ষাৰ বিজ্ঞান, যিয়ে প্ৰাকৃতিক ব্যৱস্থাৰ সঠিক জ্ঞান দিয়ে। তাত্ত্বিক বিজ্ঞান পদাৰ্থ এটাৰ চৰিত্ৰ জানিবলৈ গাণিতিক সূত্ৰসমূহ ব্যৱহাৰ কৰা বিজ্ঞান, যাৰদ্বাৰ নতুনতত্ত্ব উদ্ভাৱন কৰা হয়।

৭.৪ পদাৰ্থবিজ্ঞানৰ ভিন্ন স্তৰ

বিংশ শতিকাত বিশ্বব্ৰহ্মাণ্ডৰ বিষয়ে থকা আমাৰ ধাৰণাৰ উল্লেখযোগ্য পৰিৱৰ্তন ঘটিছিল। এসময়ত নিউটনৰ আৰু চুম্বকীয় বিজ্ঞানৰ পৰিঘটনাসমূহ আৱিষ্কাৰ হোৱাৰ পাছত নিউটনীয় তত্ত্ব সীমিত বুলি প্ৰমাণিত হ'ল। সেই সময়তে 'কোৱাণ্টাম তত্ত্ব' আৰু আইনষ্টাইনৰ 'আপেক্ষিকতাবাদ তত্ত্ব'ৰ বিকাশ ঘটিছিল। কোৱাণ্টাম তত্ত্বই পৰমাণুত থকা ইলেকট্ৰনৰ আচৰণ, ৰাসায়নিক বিক্ৰিয়া আৰু অণুৰ গঠনৰ বিষয়ে ব্যাখ্যা আগবঢ়ায়। কোৱাণ্টাম তত্ত্বই পাৰমাণৱিক জগতখনৰ ওপৰত নতুনকৈ দৃষ্টি নিক্ষেপ কৰে আৰু পদাৰ্থবিজ্ঞানীসকলে নিউক্লিয়াছ আৰু পাৰমাণৱিক কণিকাবোৰৰ গঠনৰ অনুসন্ধান অব্যাহত ৰাখিছিল। জানিব পৰা মতে, এই কণাবোৰক শক্তিৰ দ্বাৰা সৃষ্টি আৰু পৰিৱৰ্তিত কৰিব পৰা যায়। অণু-পৰমাণুৰ চৰিত্ৰ কোৱাণ্টাম তত্ত্ব আৰু আপেক্ষিকতাবাদৰ সংমিশ্ৰণৰ জৰিয়তে বুজিব পাৰি। অণু-পৰমাণুৰ অধ্যয়ন আৰু জ্যোতিপদাৰ্থ বিজ্ঞানক সামৰি লোৱা আধুনিক পদাৰ্থবিজ্ঞান প্ৰাচীন সভ্যতাসমূহৰ বিজ্ঞানৰ সৈতে মিল আছে। কেইজনমান প্ৰভাৱশালী চিন্তাবিদ আৰু বিজ্ঞানী যেনে ঃ Julius Robert, Oppenheimer, Niels Bohr, Werner Heisenberg, Frilijof Capra, Danah Zohar ইত্যাদিয়ে বেদ-উপনিষদৰ মাজত থকা আধুনিক বিজ্ঞানৰ সাদৃশ্যতাক স্বীকাৰ কৰিছে।

আধুনিক বিজ্ঞানৰ গতিধাৰা অষ্টাদশ শতিকাৰ পৰা তৰান্বিত হৈ, বিংশ শতিকাত সঠিক দিশ আৰু আকাৰ লাভ কৰিছে। প্ৰাচীন ভাৰতৰ হিন্দুসকলে প্ৰকৃতিৰ ৰহস্যসমূহক উদ্ভাৱন কৰিবলৈ গৈ সঠিক দিশত পদাৰ্থ বিজ্ঞান ব্যৱহাৰ কৰি আছিল। প্ৰাচীন ভাৰতীয়সকল বলবিজ্ঞান, মহাকৰ্ষণৰ নিয়ম, বৈদ্যুতিক আধান ইত্যাদিৰ বিষয়ে জ্ঞাত আছিল। প্ৰাচীন ভাৰতীয়সকলে সৌৰ বিকিৰণ জোখা স্পেকট্ৰ'মিটাৰৰ দৰে অত্যাধুনিক যন্ত্ৰবো ব্যৱহাৰ জানিছিল আৰু জ্যোতিৰ্পদাৰ্থ বিজ্ঞানত কৰা ধৰণে বৰ্ণালী শ্ৰেণীবিভাজনৰ বাবে প্ৰয়োগ কৰিছিল। বহুতে এই জ্ঞানক ৰহস্যবাদৰ লগত তুলনা কৰিব বিচাৰে যদিও ইয়াক সেইবুলি কোৱাৰ সঠিক নহ'ব। ইমানবোৰ অত্যাধুনিক

সঁজুলি কেৱল সঠিক জ্ঞান আৰু বিজ্ঞান চর্চাৰ দ্বাৰাহে ব্যৱহাৰ অথবা উদ্ভাৱন কৰিব পাৰি। গতিকে নিঃসন্দেহে দেখা যায় যে, তথাকথিত স্বজ্ঞাত জ্ঞান আৰু যুক্তিবাদী জ্ঞানৰ মাজৰ সংযোগী সূতাডাল সভ্যতাৰ উত্থান-পতনৰ সৈতে চিগি গৈছে। এটা সময়ৰ পাছত সেয়ে সকলো সভ্যতাৰ অৱনতিৰ প্ৰৱণতা বৃদ্ধি পায়। নতুন সংস্কৃতি আৰু সভ্যতাৰ বাবে সেয়ে প্ৰাচীন সভ্যতাৰ সঠিক অধ্যয়নৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিব লাগে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতীয় দর্শনৰ কোন দুটা শাখা পদার্থ বিজ্ঞানৰ সৈতে বিশেষভাৱে সম্বন্ধিত।

.....

প্ৰশ্ন নং ২ ঃ পদার্থবিজ্ঞানৰ দুটা প্ৰধান ভাগ কি কি?

.....

পদার্থবিজ্ঞান, পদার্থভিত্তিক অর্থাৎ পদার্থৰ মৌলিক অংশ যেনে— ভৰ, দৈর্ঘ্য, সময় উষ্ণতাদিৰ জোখ মাপ নির্ণয় কৰা পদার্থবিজ্ঞানৰ অবিচ্ছেদ্য অংগ। প্ৰাচীন ভাৰতীয়সকলে বৈজ্ঞানিক পদার্থ বিজ্ঞানৰ এই বিভিন্ন দিশসমূহৰ ওপৰত আলোকপাত আগবঢ়াইছে।

৭.৫ দৈর্ঘ্যৰ একক

'ঋক্‌বেদ'ৰ সময়ৰপৰা 'সূর্যসিদ্ধান্ত'ৰ সময়লৈকে ভৱন নির্মাণ আৰু ধার্মিক বেদী আদিৰ কাৰণে দৈর্ঘ্যৰ পৰিশুদ্ধ মাপ লোৱাটো আনিবার্য আছিল। বৈশেষিক দর্শনত দৈর্ঘ্যৰ সূক্ষ্মতম একক 'পৰমাণু'ৰ পৰিভাষা এইদৰে উল্লেখ আছে —

'জালান্তর্গতে ভানৌ য়ৎ সূক্ষ্ম দৃশ্যতে ৰজঃ তস্যষষ্টিতমোভাগঃ পৰমাণু প্ৰকীর্তিতঃ'

অর্থাৎ কোঠালীৰ ভিতৰলৈ অহা সূর্য্যৰ ৰশ্মিত দেখিবলৈ পোৱা লঘুতম কণাৰ (ৰজঃ) এক ষোল্লতম ভাগক পৰমাণু বুলি কোৱা হয়। দৈর্ঘ্যৰ মাপৰ মাপকসমূহ এই প্ৰকাৰৰ —

৮ পৰমাণু	=	১ ত্ৰসৰেণু
৮ ত্ৰসৰেণু	=	১ ৰেণু
৮ ৰেণু	=	১ বালাগ্ৰ
৮ বালাগ্ৰ	=	১ লিখ্য
৮ লিখ্য	=	১ যুক
৮ যুক	=	১ যৱ
৮ যৱ	=	১ অংগুল = $৮^{৭}$ পৰমাণু
২৪ অংগুল	=	১ হস্ত
৪ হস্ত	=	১ দণ্ড = ৯৬ অংগুল
২০০০ দণ্ড	=	১ ক্ৰুস
৪ ক্ৰুস	=	১ যোজন

৭.৬ কোণ মাপনৰ একক

সূৰ্যসিদ্ধান্ত অনুসৰি — 'বিকলানাং কলাষষ্টয়াঃ তত্ ষষ্টয়া ভাগ উচ্যতে তত্রিংশতাং ভবেদ্রাশিঃ ভগনো দ্বাদশৈৰ তে'

অৰ্থাৎ ৬০ বিকলা = ১ কলা

৬০ কলা = ১ ভগ

৩০ ভগ = ১ ৰাশি

১২ ৰাশি = ১ ভগন (খগোল)

বৰ্তমানৰ ভাষা অনুসৰি 'বিকলা'ক ছেকেণ্ড, 'কলা' ক মিনিট আৰু 'ভগক' ডিগ্ৰী বুলি কোৱা হয়। ইয়াৰ পৰা প্ৰাচীন আৰু নবীন এককসমূহ যে প্ৰায় সমান এইটো কথা স্পষ্ট হয়।

৭.৬ ভৰ মাপনৰ একক

প্ৰাচীন ভাৰতত ভৰমাপৰ মূল একক আছিল ৰতিকা। মনুদ্বাৰা বৰ্ণিত আৰু স্বৰ্ণকাৰসকলৰ দ্বাৰা প্ৰয়োগ কৰা ভৰৰ মাপ তলত দিয়া ধৰণে আছিল —

৫ ৰতিকা = ১ মাশা = ০.৭২৯ গ্ৰাম

১৬ মাশা = ১ তোলা

৪ তোলা = ১ পল

১ পল = ১ তুলা

কৌটিল্যৰ অৰ্থশাস্ত্ৰত (৩০০ খৃঃপূঃ) প্ৰাচীন ভাৰতত ব্যৱহাৰ হোৱা ওজনৰ মানদণ্ডসমূহৰ বিষয়ে বিস্তৃতভাৱে ব্যাখ্যা কৰিছে। এই মানসমূহক কৌটিল্যই তিনিটা ভাগত ভাগ কৰিছিল। (১) তুলা — দহটা ভৰৰ গোট (২) সমবৃত্তা — চাৰিটা ভৰৰ গোট, (৩) পৰিমানি — চাৰিটা ভাৰসাম্যতাৰ গোট।

৭.৮ কাল মাপৰ একক

প্ৰাচীন ভাৰতীয় সাৱন ব্যৱস্থাত সময়ৰ শাখা আৰু উপশাখাসমূহক তলত দিয়া ধৰণে ভাগ কৰা হৈছে।

৬০ বিপল = ১ পল

৬০ পল = ১ ঘড়ী

২.৫ ঘড়ী = ১ থেৰা (১ ঘণ্টা)

২৪ হোৱা = ১ সৌৰদিন

আধুনিক ঘণ্টা বুজোৱা ইংৰাজী 'Hour' এককটো সংস্কৃতৰ 'হোৱা' শব্দৰ পৰা গ্ৰহণ কৰা হৈছে বুলি বহুতে ক'ব বিচাৰে। সূৰ্যসিদ্ধান্তত প্ৰাচীন ভাৰতত ব্যৱহৃত কালবিষয়ক নটা এককৰ ব্যৱহাৰৰ কথা উল্লেখ কৰিছে—

'বাহ্যং দিব্যং তথা পিত্যং প্ৰাজাপত্যং চ গৌৰবম্।

সৌৰঞ্চ সাৱনং চান্দ্ৰং আৰ্ক্ষং মানানি ৱৈ নৱ।। (সু.সি. মানাধ্যায়)

(১) ১ বাহ্য বৰ্ষ = ২০০ কল্প

১ কল্প = ১০০০ মহাযুগ

১ মহাযুগ = (৪৮০০+৩৬০০+২৪০০+১২০০) দিব্যবৰ্ষ

= (সত্যযুগ + ত্ৰেতাযুগ + দ্বাপৰযুগ + কলিযুগ)

= ১২,০০০ দিব্যবৰ্ষ = ৪৩২,০০০ সৌৰবৰ্ষ

(২) ১ দিব্য বৰ্ষ = ৩৬০ সৌৰবৰ্ষ

(৩) ১ পিতৃ দিন = ১ চান্দ্ৰমাস

(৪) ১ প্ৰাজাপত্য (মনন্তৰ) = ৭১ মহাযুগ

(৫) ১ গৌৰৱ = ৬০ সৌৰবৰ্ষ

(৬) ১ সৌৰবৰ্ষ = ৩৬৫$^{১}/_{৪}$ সাবন দিন (৭)

= ৩৬৬$^{১}/_{৪}$ নাক্ষত্ৰ দিন (৯)

(৭) চান্দ্ৰ দিৱস = একেৰাহে দুবাৰকৈ চন্দ্ৰৰ উত্থান

জানি থোৱা ভাল

সূৰ্যসিদ্ধান্ত নামৰ জ্যোতিৰ্বিজ্ঞানৰ গ্ৰন্থখনৰ লেখক আৰ্যভট্ট

প্ৰথম ছটা সময়ৰ এককৰ ব্যৱহাৰ বিশ্বৰ বিৱৰ্তনৰ সময়ৰ পৰা ব্যৱহৃত আছিল, হিন্দু পঞ্জিকাৰ ভিন্ন ভিন্ন উৎসৱ-পাৰ্বনৰ তালিকা ৰূপায়নত চান্দ্ৰমানৰ ব্যৱহাৰ হয়। গ্ৰহৰ গতি বৰ্ণনা কৰিবলৈ সাবনদিন আৰু নক্ষত্ৰদিনৰ ব্যৱহাৰ হয়। বৰ্তমানৰ আধুনিক বিজ্ঞানেও এই দুই এককৰ ওপৰত ভিত্তি কৰি সময়ৰ জোখ নিৰ্ণয় কৰে।

৭.৯ সৌৰ দিন (Solarday)

সূৰ্যৰ চাৰিওফালে পৃথিৱীয়ে এটা পাক সম্পূৰ্ণ কৰিবলৈ প্ৰয়োজনীয় সময়ক সূৰ্য্যৰ ক্ষেত্ৰত এক বছৰ (one solar year) বুলি গণ্য কৰা হয়। দুবাৰ সূৰ্য উদয়ৰ মাজত লগা সময়ক এক সৌৰ দিন বুলি কোৱা হয় (one solar year)।

'ভান মষ্টাক্ষিৱস্বদ্বিত্ৰিদ্বিদ্বয়ষ্ট শৰেন্দবঃ।

ভোদয়াভগনৈঃ স্বৈঃ স্বৈৰুনাঃ স্বস্বাদয়া যুগে।। (সূৰ্যসিদ্ধান্ত-মধ্যমাধিকাৰ)

উল্লেখিত শ্লোকৰ দ্বিতীয় শাৰীত বৰ্ণনা কৰা মতে প্ৰতি সৌৰ বছৰত থকা সৌৰ দিনৰ সংখ্যা নিৰ্ধাৰণ কৰিব পাৰি। যাৰ মতে এক বছৰত মুঠ দিনৰ সংখ্যা ৩৬৫ দিন/ঘাটি/পল।

৭.১০ উষ্ণতাৰ একক

বৈশেষিকদৰ্শনত স্পৰ্শ শব্দটো চেঁচা বা গৰম বুজাবলৈ ব্যৱহাৰ কৰা হয়। পদাৰ্থবিজ্ঞানত স্পৰ্শৰ সমতুল্য শব্দটো হ'ল উষ্ণতা। গৰম জুখিবলৈ প্ৰাচীন ভাৰততে এটা উষ্ণতাৰ মাপন ব্যৱহাৰ কৰা হৈছিল যিটো ঠাণ্ডা হিচাপে পানী বৰফ হোৱা উষ্ণতা আৰু সোণৰ গলনাংক বা মাৰ্কিউৰীৰ উতলাংকৰ ওপৰত নিৰ্ভৰশীল আছিল, যাৰ ফলত উষ্ণতাৰ দুটা এককৰ জন্ম হৈছিল (i) লিংক আৰু (ii) কক্ষ্যা। প্ৰাচীন ভাৰততে উষ্ণতাৰ বাবে দুটা জোখৰ প্ৰচলন আছিল আৰু দুয়োটাৰে নিম্নমানৰ তাপমানৰ কাৰণে পানীৰ হিমাংক প্ৰয়োগ হৈছিল। উচ্চ মানদণ্ডৰ উষ্ণতাৰ বাবে 'কক্ষ্যা প্ৰণালী'ত পাৰাৰ কথনাংক (357^{0}C) তথা 'লিংক প্ৰণালী'ত স্বৰ্ণৰ গলনাংক (1026^{0}C)ৰ প্ৰয়োগ হৈচিল। কক্ষ্যা প্ৰণালীত (বৈদিক সংখ্যাৰ কোডত ক, ক্ষ, য ৰ অৰ্থ ১০১) বিন্দুৰ মানদণ্ডৰ পাৰ্থক্যক (357^{0}C) ১০১ ভাগত বিভক্ত কৰা হয়। সেয়ে, 1কক্ষ্যা = 357/101 = 3.54^{0}C। লিংক প্ৰণালীত বিন্দুৰ মানদণ্ডৰ পাৰ্থক্যক ৫০

ভাগত ভাগ কৰা হয়। অৰ্থাৎ 1 লিংক = 1062/50 = 21.24°C। দুয়োটা এককৰ ইটো-সিটোৰ মাজত সম্বন্ধ হৈছে 1 লিংক = 6 কক্ষ্যা।

জানি থোৱা ভাল

হিমাংক হৈছে সেই উষ্ণতা য'ত জুলীয়া বস্তু গোটা বস্তুলৈ পৰিৱৰ্তন হয় যেতিয়া ঠাণ্ডা হয়।

ওপৰত উল্লেখ হোৱা দৈর্ঘ্য, ভৰ, কাল, উষ্ণতা আদিৰ একক আলোচনাৰ পৰা প্রাচীন ভাৰতীয়সকলৰ বৈজ্ঞানিক ধ্যান-ধাৰণাৰ স্পষ্ট নিদর্শন পোৱা যায়। ভিন্ন দর্শন আৰু অন্য বৈজ্ঞানিক সাহিত্যত পোৱা নীতি-নিয়মসমূহৰ প্রতিষ্ঠা আৰু ব্যৱহাৰত প্রাচীন ঋষিসকল দক্ষ আছিল।

৭.১১ পদাৰ্থ আৰু শক্তি

এতিয়া প্রাচীন ভাৰতীয় বৈজ্ঞানিসকলৰ পদাৰ্থ আৰু শক্তি সম্বন্ধীয় মতসমূহৰ আলোচনা কৰা হ'ব।

বৈশেষিকদর্শনে পাঁচবিধ ভূত (দ্রব্য)ৰ কথা উল্লেখ কৰিছে — পৃথিৱী, অপ্, তেজ, বায়ু আৰু আকাশ। এই পঞ্চভূত এটা আনটোৰ পৰাহে ৰূপান্তৰিত হৈছে। পদাৰ্থবিজ্ঞানৰ ক্ষেত্রত এইবোৰক ক্রমে গোটা, তৰল, শক্তি, গেছ আৰু ৰক্ত (প্লাজমা) বুলি কোৱা হয়। পদাৰ্থবিজ্ঞানৰ মতে, পদাৰ্থ চাৰিটা অৱস্থাত থাকিব পাৰে — প্লাজমা, গেছ, জুলীয়া আৰু গোটা। পদাৰ্থ সম্পূর্ণৰূপে শক্তিলৈ ৰূপান্তৰ হ'ব পাৰে। প্লাজমাৰ পৰা গোটা অৱস্থালৈ পৰিৱৰ্তনৰ চিত্র কাষত দিয়া হৈছে।

প্লাজমা
↓
গেছ
↓
শক্তি
↓
জুলীয়া
↓
গোটা

প্রকৃত প্লাজমা হৈছে পদাৰ্থৰ সম্পূর্ণ আয়নীকৃত অৱস্থা যিটো বিভিন্ন অৱস্থাৰ পৰমাণু গেছলৈ ৰূপান্তৰিত হয় আৰু বিপুল পৰিমাণৰ শক্তি বিকিৰণ কৰে। তাৰপিছত পদাৰ্থৰ উত্তেজিত অৱস্থাটো আণৱিক অৱস্থালৈ গৈ ইয়াৰ সমগ্র তাপৰ পৰিমাণ বিসর্জন দি এটা গেছত পৰিণত হয়, যিটো পৃথিৱীৰ পৰমাণু গোলকৰ গেছৰ দৰেই। পদাৰ্থটো এতিয়া বৈদ্যুতিকভাৱে নিৰপেক্ষ নিখুঁত গেছৰ অৱস্থাত আছে। চাপ আৰু উষ্ণতাৰ তাৰতম্যৰ বাবে পদাৰ্থটোৱে নিজৰ কর্মশক্তি শিথিল কৰে আৰু তৰললৈ ৰূপান্তৰিত হয়। তাৰ পিছত পদাৰ্থটো তুলনামূলকভাৱে নিম্ন উষ্ণতাৰ ফলত কঠিন হৈ পৰে আৰু গতি ৰুদ্ধ হয়।

এই ৰূপান্তৰ বিষয়ে তৈত্তিৰীয় উপনিষদত উল্লেখ আছে 'তস্মাদ্বা এতস্মাদাত্মন আকাশস্সম্ভূতঃ। আকাশাদ্বায়ুঃ। বায়োৰগ্নিঃ। অগ্নেৰাপঃ। অপ্ভ্যঃ পৃথিৱী।' (ব্রহ্মানন্দবল্লী দ্বিতীয় প্রশ্ন প্রথমোনুবাক)

একেদৰে প্রশস্তপাদভাষ্যত পদাৰ্থৰ ৰূপান্তৰৰ বিষয়টো বহলভাৱে উল্লেখ কৰা আছে। দ্রব্য গাঠনিৰ শৃংখলা হ'ল আকাশ, বায়ু, অগ্নি, অপ্ আৰু পৃথিৱী।

বৈশেষিকৰ মতে, পদাৰ্থৰ মৌলিক ধর্ম যেনে — গোন্ধ, ৰঙ আৰু সোৱাদ দ্বিপাৰমাণৱিক অণুলৈ পৰিৱৰ্তন নহয়। যদিহে পৰমাণুলৈ ৰূপান্তৰিত হয়, তেন্তে পৰিৱৰ্তনৰ পাছত ই নতুন চৰিত্র লাভ কৰে আৰু এই প্রক্রিয়া পীলুপাক প্রক্রিয়া বুলি জনা যায়। পীলুপাক প্রক্রিয়াক ডেল্টনৰ তত্ত্বৰ লগত তুলনা কৰিব পাৰি য'ত কোৱা হয় যে, ৰাসায়নিক বিক্রিয়াত পৰমাণুবোৰ সংগঠিত আৰু পৃথক দুয়োটা হ'ব পাৰে।

৭.১২ বৈশেষিক আৰু পৰমাণুৰ আকাৰ (টিণ্ডেল ক্রিয়া)

বৈশেষিকে পৰমাণুৰ আকাৰক বস্তুনিষ্ঠভাৱে ব্যাখ্যা কৰে। এটা পৰমাণুৰ নিজস্ব ধর্ম নাথাকে, ইয়াক আহৰণ কৰাৰ ওপৰত ইয়াৰ ধর্ম নির্ভৰ কৰে। বৈশেষিকৰ মতে, সূর্যৰ ৰশ্মিত দেখা যোৱা কণিকাৰ যোল্লতম

অংশটোৱে হৈছে পৰমাণু। ইয়াক আধুনিক বিজ্ঞানৰ টিণ্ডেলৰ তত্ত্বৰ লগত তুলনা কৰিব পাৰি। যাৰ মতে, পোহৰৰ ৰশ্মিৰ মাজত কিছুমান কণা ওপঙি থাকে।

জানি থোৱা ভাল

টিণ্ডেল ক্ৰিয়া কলয়ডীয় দ্ৰৱণৰ দ্ৰাব্যৰ কণিকাবোৰ অত্যন্ত সৰু আৰু এইবোৰ খালী চকুৰে নেদেখি যদিও ইহঁতে পোহৰৰ ৰশ্মি বিচ্ছুৰিত কৰিব পাৰে। কলয়ডীয় দ্ৰৱণৰ এই ক্ৰিয়াকে টিণ্ডেল ক্ৰিয়া বোলে।

বৈশেষিক দৰ্শনত বৰ্ণিত 'আকাশ' আধুনিক পদাৰ্থবিজ্ঞানৰ শক্তি ক্ষেত্ৰৰ নিকটতম। ই দ্ৰব্যৰ চাৰিওফালে উপস্থিত থকা অদৃশ্য ক্ষেত্ৰ আৰু ইয়াৰ জ্ঞান ইয়াৰ ওচৰে-পাজৰে থকা দ্ৰব্যবিলাকৰ ওপৰত পৰা প্ৰভাৱৰ পৰা জনা যায়।

মুঠতে ক'বলৈ গ'লে বৈশেষিক দৰ্শনৰ মতে, পদাৰ্থৰ এটা অৱস্থা উপযুক্ত পৰিস্থিতিত বিভিন্ন অৱস্থালৈ ৰূপান্তৰিত হ'ব পাৰে আৰু এই ব্যৱস্থা আধুনিক পদাৰ্থবিজ্ঞানৰ লগত সামঞ্জস্যপূৰ্ণ।

৭.১৩ গতি আৰু গতিসূত্ৰ ধাৰণা

বৈশেষিকত কৰ্ম শব্দটোৱে সাধাৰণতে গতিক বুজায়। উৎক্ষেপন, অবক্ষেপন, আকুঞ্চন, প্ৰসাৰণ আৰু গমন এই পঞ্চকৰ্মৰ উল্লেখ দৰ্শনত পোৱা যায়। আচলতে 'কৰ্ম' অৰ্থাৎ গতি বেগ ক্ৰিয়াৰ অধীনত পৰ্যবেক্ষণ হয়। গমনকৰ্মই বস্তুৰ গতিবেগ অৰ্থাৎ ভৌতিক পৰিমাণক বুজায়, যিটো ভৰ আৰু বেগৰ গুণফলৰ দ্বাৰা নিৰ্ধাৰিত হয়। জ্যোতিৰ্বিজ্ঞানৰ প্ৰাচীন গ্ৰন্থসমূহত গতিৰ ভিন্ন প্ৰকাৰ সম্বন্ধে আলোচনা কৰা আছে।

কণাদৰ বৈশেষিকসূত্ৰৰ প্ৰশস্তপাদ ভাষ্য মতে, যান্ত্ৰিক বলক 'বেগসংস্কাৰ' বোলা হয়। বেগসংস্কাৰক নিউটনৰ গতিসূত্ৰৰ লগত তুলনা কৰিব পাৰি।

জানি থোৱা ভাল

উৎক্ষেপন = The force/motion for up ward motion, অবক্ষেপন = The force/motion for downward movement,

আকুঞ্চন = Motion due to release of tensile stress,

প্ৰসাৰণ = Motion due to release of shear stress,

গমণ = General Motion

প্ৰশস্তপাদভাষ্যত ব্যাখ্যা কৰা মতে বেগ নিৰ্ভৰ কৰে বল প্ৰয়োগ কৰাৰ দিশৰ ওপৰত। একেদৰেই নিউটনৰ গতিসূত্ৰত উল্লেখ কৰা হয় যে, বেগ নিৰ্ভৰ কৰে বলৰ নিৰ্দেশৰ ওপৰত। 'প্ৰশস্তপাদভাষ্যত বেগৰ ব্যাখ্যা এইদৰে দিছে — 'বেগো পঞ্চসু দ্ৰব্য নিমিত্ত - বিশেষাপেক্ষাত্ কৰ্মনো জায়তে নিয়তদিক্ ক্ৰিয়াপ্ৰবন্ধহেতুঃ স্পৰ্শৱদ্ দ্ৰব্যসংয়োগ বিশেষবিৰোধী ৰূচিত্ কাৰণগুণপূৰ্ব ক্ৰমেনোৎপদ্যতে।'

ওপৰত বাক্যটোৰ অভিব্যক্তি তিনিটা ধৰণে হয় —

(i) বেগঃ নিমিত্তবিশেষাত্ কৰ্মনো জায়তে (The change of motion is due to impressed force). (Principia)

(ii) বেগঃ নিমিত্তাপেক্ষাত কর্মনো জায়তে নিয়তদিক্‌ক্রিয়াপ্রবন্ধ হেতুঃ (The change of motion is proportional to the motive force impressed and is made in the direction of the right line in which the force in impressed). (Principia)

(iii) বেগঃ নিমিত্তবিশেষাত্ কর্মনো জায়তে (To every action there is always an equal and opposite reaction, or the mutual action of the two bodies upon each other are always equal and directed to country parts). (Principia)

জানি থোৱা ভাল

Principia হৈছে আইজাক নিউটনৰ গ্ৰন্থ। ইয়াৰ সম্পূৰ্ণ নাম Philosophiae naturalis principia Mathematica. Principia গ্ৰন্থখন লেটিন ভাষাত লিখা।

৭.১৪ স্থিতিস্থাপকতা সংস্কাৰ

বৈশেষিকদৰ্শনে স্থিতিস্থাপকৰ বিষয়ে এইদৰে উল্লেখ কৰিছে ন্যায়কন্দলী টীকাত উল্লেখ আছে — 'যে ধনা-নিবিড়া-অবয়ব-সন্নিবেশাঃ তৈর্বিশিষ্টেষু স্পর্শবৎসু দ্রব্যেষু বর্তমানঃ স্থিতিস্থাপকঃ স্বাশ্রয়মন্যথা কৃতমবনামিতং যথাবৎস্থাপয়তি পূর্ববদৃজুঃ কৰোতি।' স্থিতিস্থাপকতা গুণৰ কাৰণেই বস্তুবোৰক দৈর্ঘ্য, আয়তন অথবা আকাৰ সলনি কৰিব বিচাৰিলেও বস্তুটোৱে বাধা প্রদান কৰে। ফলত বস্তুটোৱে নিজৰ মূলৰূপ ঘূৰাই পায়। প্রাচীন ভাৰতীয় বৈজ্ঞানিকসকলে জানিছিল যে, স্থিতিস্থাপক সংস্কাৰৰ বাবেই বস্তু এটা কম্পন হয়। বিশ্বনাথ ন্যায়পঞ্চাননে ৰচনা কৰা ন্যায় দৰ্শনৰ— 'কাৰিকাবলী' গ্ৰন্থত উল্লেখ আছে যে, স্থিতিস্থাপকতাই কঠিন বা অন্য চাৰিটা পদাৰ্থৰ অৱস্থাতো কম্পনৰ উৎপন্ন কৰে —

'স্থিতিস্থাপক সংস্কাৰ ক্ষিতঃ ৰুচ্চিচতুর্ত্বপি।
অতীন্দ্রিয়ো সো বিজ্ঞেয়ঃ ৰুচিত্ স্পন্দেঅপি কাৰণম্।'

জানি থোৱা ভাল

'ন্যায়কন্দলী' 'পদাৰ্থ ধৰ্মসংগ্রহ'ৰ শীৰ্ষক গ্ৰন্থৰ ওপৰত শ্রীধৰে ৰচনা কৰা টীকাগ্রন্থ।

৭.১৫ গুৰুত্বাকর্ষণ (মধ্যাকর্ষণ)

বৈশেষিক দৰ্শনৰ মতে মধ্যাকর্ষণৰ বাবেই গোটা, জুলীয়া সকলো পদাৰ্থৰে পতন হয়। ই অদৃশ্য কিন্তু পতনগতিৰ দ্বাৰা অনুমান কৰিব পাৰি — ' গুৰুত্ব জলভূম্যোঃ পতনকর্মকাৰণম্। অপ্রত্যক্ষং পতনকর্মানুমেয়ং।' মধ্যাকর্ষণৰ বাবেই পতনৰ ক্ষেত্রত ডাঙৰ আৰু সৰু বস্তুৰ আচৰণ একে হয়। ষোড়শ শতিকাৰ শেষলৈকে পশ্চিমীয়া সমাজ এই তথ্যৰ বিষয়ে অজ্ঞাত আছিল কাৰণ এৰিষ্টটলে কৈছিল যে, বস্তু যিমানেই গধুৰ হ'ব সিমানেই বেগেৰে মাটিত পৰিব। এই মতবাদ গেলিলিওৰ সময়লৈকে নির্বিবাদে প্রচলিত আছিল। কিন্তু গেলিলিওয়ে প্রতিষ্ঠা কৰিছিল যে, সকলে বস্তু একে হাৰতে তললৈ সৰি পৰে, যদিহে অত্যন্ত লঘু হোৱাৰ বাবে বায়ুৰ প্রতিৰোধৰ দ্বাৰা বাধাগ্রস্ত নহয়। পতনৰ কাৰণ সম্বন্ধে ভাস্কৰাচার্য্যৰ উক্তিও উল্লেখযোগ্য — 'আকৃষ্টিশক্তিশ্চ মহী তথা যত্ খস্থং গুৰুং স্বাভিমুখং স্বশক্তয়া। আকৃষ্যতে তৎপততীব ভাতি, সমে সমত্বাত্ ৰু পতত্বিয়ং খে' অর্থাৎ আকর্ষণৰ শক্তি থকাৰ

বাবে মহাকাশত অৱস্থিত এটা গধুৰ পদাৰ্থই ইয়াৰ সমানুপাতিকভাৱে গধুৰ পৃথিৱীক আকৰ্ষণ কৰে। এই আকৰ্ষণটো পতন যেন লাগে কিন্তু দুয়োটা (আকৰ্ষণ) সমান। অকল পৃথিৱীৰেই নহয় আন বস্তুৰো আকৰ্ষণৰ গুণ আছে। এই বক্তব্যখিনিয়েই নিউটনৰ মহাকৰ্ষণৰ বিশ্বজনীন সূত্ৰটো পোৱা যায় 'Every particle in the Univers attracts every other particle with a force directly proportional to the product of their masses and inversely proportional to the square to their distance apart.' অৰ্থাৎ বিশ্বব্ৰহ্মাণ্ডৰ প্ৰতিটো বস্তুৱেই আন প্ৰতিটো বস্তুকে আকৰ্ষণ কৰে এই আকৰ্ষণী বল দুটাৰ ভৰৰ গুণফলৰ সমানুপাতিক আৰু বস্তু দুটাৰ মাজৰ দূৰত্বৰ বৰ্গৰ ব্যস্তানুপাতিক।


৭.১৬ বিদ্যুৎ

অগস্ত্যসংহিতা অনুসৰি এটা মাটিৰ পাত্ৰত এখন তামৰ প্লেট ৰাখি তাত কয়লা গুড়ি বা তিতা কাঠৰ গুড়িয়ে ঢাকি দি তাত জিংক পাউদাৰ ছটিয়াই দি পাৰাৰে ঢাকি দিব লাগে। ৰাসায়নিক ক্ৰিয়াৰ ফলত বিজুলী উৎপন্ন হয় আৰু ইয়াৰ বাবে পানী, বিভাজিত হৈ অক্সিজেন আৰু হাইড্ৰ'জেনলৈ পৰিণত হয়। অগস্ত্যসংহিতাৰ শিল্পশাস্ত্ৰসাৰত হাইড্ৰ'জেনযুক্ত উৰণযন্ত্ৰৰ বৰ্ণনা দিয়া আছে। ওপৰত উল্লেখ কৰা প্ৰক্ৰিয়াৰে উৎপন্ন হাইড্ৰ'জেন গেছক (Voltaic cell ৰ পৰা সৃষ্টি হোৱা)

'সংস্থাপ্য মৃন্ময়ে পাত্ৰে তাম্ৰপত্ৰং সুশোভিতম্।
ছাদয়েচ্ছিখিগ্ৰিবেন চার্দ্ৰাভিঃ কাষ্ঠপাংসুভিঃ।।
দস্তালোষ্ঠোনিষ্কতব্যঃ পাৰদাচ্ছাদিতস্ততঃ।
সংয়োগজ্জায়তে তেজো মৈত্ৰাবৰুণসংজ্ঞিতম্।।
অনেন জলভংগোঅস্তি প্ৰাণোদানেষু বায়ুষু।
এবং শতানাং কুম্ভানাং সংযোগং কাৰ্যকৃত স্মৃতঃ।।
বায়ুবন্ধকবস্ত্ৰেণ নিবদ্ধো যানমস্তকে।
উদান্ স্বলঘুত্বে বিভৰ্ত্যাকাশযানকম্।। (অগস্ত্যসংহিতা শিল্পশাস্ত্ৰসাৰ)

মহৰ্ষি ভৰদ্বাজৰ ধ্বান্ত (তম) প্ৰমাপক যন্ত্ৰ (বৰ্ণালীমাপক)

মহৰ্ষি ভৰদ্বাজে ১২টা অধ্যায়ৰ 'অংশৰোধিনী' নামৰ এখন গ্ৰন্থ ৰচনা কৰিছিল, যিখন গ্ৰন্থ বৰোদাৰ অৰিয়েণ্টেল institute৷ পুথিভঁৰালত বোধানন্দৰ ব্যাখ্যাৰে সৈতে সৃষ্ট্যাধিকাৰ (ব্ৰহ্মাণ্ডৰ বিকাশক্ৰম) প্ৰথম অধ্যায়টো পোৱা গৈছিল। এই গ্ৰন্থখনত সৌৰজগতৰ বিগ বেঙৰ পৰা সূৰ্যলৈকে বিশ্বব্ৰহ্মাণ্ডৰ বিৱৰ্তনৰ সবিশেষ বৰ্ণনা উপলব্ধ। এই ব্যাখ্যাৰ প্ৰসংগত ধ্বান্ত প্ৰমাণক যন্ত্ৰৰ বৰ্ণনা পোৱা যায়। যন্ত্ৰটোৰ বৰ্ণনাৰ পৰা অনুমান কৰিব পাৰি যে, তিনিটা আলোকীয় অঞ্চলৰ বৰ্ণালী জুখিবলৈ ব্যৱহাৰ কৰা পাঁচটা যন্ত্ৰৰ ভিতৰত ই সম্ভৱতঃ এটা। ধ্বান্ত প্ৰমাপক যন্ত্ৰ হৈছে বৰ্তমানৰ অত্যাধুনিক আহিলাৰ দৰে; যাক সম্পূৰ্ণ পৰিসৰৰ বিদ্যুৎ চুম্বকীয় বিকিৰণ জুখিবলৈ ব্যৱহাৰ কৰা হৈছিল।



ঋষি ভাৰদ্বাজৰ বৰ্ণক্ৰমমাপী

৭.১৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

ইতিহাসে কয়, আধুনিক বিজ্ঞান অষ্টাদশ শতিকাৰ পৰা আৰম্ভ হৈছিল আৰু বিংশ শতিকাত এক গতি লাভ কৰিছিল। প্ৰাচীন ভাৰতৰ মনীষিসকলে মৌলিক ভৌতিক পৰিমাণ জুখিবলৈ উপযুক্ত একক ব্যৱহাৰ কৰিছিল, যিবোৰৰ সহায়ত প্ৰকৃতিৰ ৰহস্য উন্মোচন কৰিছিল। বলবিজ্ঞান আৰু মহাকৰ্ষণ, বৈদ্যুতিক আধানৰ নিয়ম তেওঁলোকৰ বাবে জ্ঞাত আছিল। স্পেকট্ৰ'মিটাৰৰ দৰে অত্যাধুনিক যন্ত্ৰৰ ব্যৱহাৰ আছিল, যিবোৰৰ সহায়ত তেওঁলোকে সৌৰ বিকিৰণ জুখিছিল আৰু জ্যোতিৰ্পদাৰ্থ বিজ্ঞানত কৰা ধৰণেৰে বৰ্ণালী শ্ৰেণীবিভাজনৰ বাবে প্ৰয়োগ কৰিছিল। কিন্তু সভ্যতাই উন্নতিৰ শিখৰত উপনীত হোৱাৰ পিছত পুনৰ অৱনমিত হোৱাৰ প্ৰৱণতা থাকে। ভিন্ন কাৰণত ভাৰতৰ পূৰ্বৰ জ্ঞান-গৰিমা ব্যৱহাৰিক দিশত নিঃশেষ হোৱাৰ উপক্ৰম হৈছিল। বহুতো গ্ৰন্থ কালৰ গ্ৰাসত লুপ্ত হৈ গ'লেও বহুগ্ৰন্থ আজিও উপলব্ধ হৈ আছে। সেয়ে প্ৰাচীন বৈজ্ঞানিক সাহিত্যসম্ভাৰৰ সঠিক ৰূপত অধ্যয়নৰ জৰিয়তে অগ্ৰগামী সময়ৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব পৰা যাব।

৭.১৮ অধিক জানিবলৈ

1) Pride of India, Sanskrit Bharati, New Delhi.
2) Science in Sanskrit Bharati, New Delhi.
3) Cultural Heritage of India VOL. VI, The Ramkrisna Mission, Institute of Culture, Calcutta.

৭.১৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰঃ বৈশেষিক দৰ্শন আৰু সাংখ্য দৰ্শন।

২ নং প্ৰশ্নৰ উত্তৰঃ পৰীক্ষামূলক আৰু তাত্ত্বিক।

৭.২০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰাচীন সাহিত্যত পদাৰ্থবিজ্ঞানৰ স্বৰূপ আলোচনা কৰা।

প্ৰশ্ন ২ ঃ প্ৰাচীন সময়ত ব্যৱহৃত জোখ-মাপৰ একক সম্বন্ধে আলোচনা কৰা।

প্ৰশ্ন ৩ ঃ গতিসম্বন্ধে প্ৰাচীন শাস্ত্ৰৰ অভিমত যুগুতোৱা।

প্ৰশ্ন ৪ ঃ প্ৰাচীন গ্ৰন্থৰ ভিত্তিত স্থিতিস্থাপক সংস্কাৰ কি আলোচনা কৰা।

প্ৰশ্ন ৫ ঃ উৰণযন্ত্ৰৰ নিৰ্মাণ প্ৰক্ৰিয়া বৰ্ণনা কৰা।

*** ***** ***

অধ্যায় ৮ঃ ভাৰতীয় দৰ্শন (সাধাৰণ পৰিচয়)

অধ্যায় গাঁথনি

৮.১ উদ্দেশ্য
৮.২ পৰিচয়
৮.৩ দৰ্শন শব্দৰ অৰ্থ
৮.৪ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ
৮.৫ ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ
৮.৬ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ
৮.৭ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ চমু পৰিচয়
৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৮.৯ অধিক জানিবলৈ
৮.১০ অগ্ৰগতিৰ খতিয়ান
৮.১১ আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিব
- ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অৱগত হ'ব
- ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিব
- ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে অৱগত হ'ব
- ভাৰতীয় দৰ্শনৰ নটা সম্প্ৰদায়ৰ চমু পৰিচয় লাভ কৰিব।

৮.২ পৰিচয়

আপুনি নিশ্চয় জানে যে ভাৰতীয় দৰ্শন হ'ল সমগ্ৰ ভাৰতবৰ্ষত আৱহমান কালৰে পৰা চলি অহা এক সামগ্ৰিক চিন্তা ধাৰা। ভাৰতীয় দৰ্শন হিন্দু বা জৈন বা বৌদ্ধ আদি কোনো সাম্প্ৰদায়িক দৰ্শন নহয়। আপুনি জানেনেই হৈছে হিন্দু, বৌদ্ধ, জৈন, ইছলাম, খ্ৰীষ্টান আদি সকলো সম্প্ৰদায়ৰে সানমিহলি এটি সনাতন দৰ্শন। এই সনাতন চিন্তাধাৰাই হৈছে ভাৰতীয় দৰ্শনৰ মুখ্য বৈশিষ্ট্য। ভাৰতীয় দৰ্শন মূলতঃ নটা সম্প্ৰদায়ত বিভক্ত হৈছে। ইয়াৰে প্ৰত্যেকটো সম্প্ৰদায়ে সূক্ষ্ম যুক্তি বিচাৰৰ দ্বাৰা নিজা নিজা মত প্ৰতিষ্ঠা কৰি ভাৰতীয় চিন্তাধাৰাৰ ক্ৰমবিবৰ্তনত এক বৃহৎ দাৰ্শনিক ভাৱধাৰাৰ সৃষ্টি কৰিছে, যাৰ মাজত ঐক্যৰ উপস্থিতি আমি অনুভৱ কৰিব পাৰোঁ। এই অনৈক্যৰ মাজৰ ঐক্যক ভাৰতৰ আত্মা বুলি ক'ব পাৰি। দাৰ্শনিক মাধৱাচাৰ্য্যৰ 'সৰ্বদৰ্শন-সংগ্ৰহ'ত ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ আটাইকেইটা ভিন্ন দাৰ্শনিক সম্প্ৰদায়ৰ পাৱস্পৰিক আলোচনাৰ পৰাও বুজিব পাৰি যে 'ভাৰতীয় দৰ্শন এটা সামগ্ৰিক চিন্তাধাৰা'।

এই অধ্যায়ত দৰ্শন শব্দৰ অৰ্থ, ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ ক্ৰমবিকাশ, ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়ৰ নাম, ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্য আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে।

৮.৩ দৰ্শন শব্দৰ অৰ্থ

এতিয়া আপুনি দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিব।দৰ্শন শব্দটো সংস্কৃত 'দৃশ্' ধাতুৰ সৈতে অনট্ বা ল্যুট্ প্ৰত্যয় যোগে নিষ্পন্ন হৈছে। 'দৃশ্' ধাতুৰ অৰ্থ 'দেখা' বা 'প্ৰত্যক্ষ' কৰা। অৰ্থাৎ যথাৰ্থ সত্যক দেখা বা উপলব্ধি কৰা। সত্যক কেৱল জানিলেই নহয়, ব্যৱহাৰিক জীৱনত তাক প্ৰয়োগ কৰাটোও এটা উদ্দেশ্য। মানুহৰ প্ৰকৃতি কি? জীৱনৰ শেষ ক'ত? যিখন পৃথিৱীত মানুহ বাস কৰে সেই পৃথিৱীৰ স্বৰূপ কি? মৃত্যুৰ লগে লগে জীৱনৰ পৰিসমাপ্তি ঘটে নেকি? আমাক কোনে লালন-পালন কৰে? জগতৰ উৎপত্তি কেনেকৈ হ'ল? এনেকুৱা অসংখ্য প্ৰশ্ন তথা সমস্যাৰ লগতে সমাধানৰ বিষয়ে ভাৰতীয় দৰ্শনত আলোচনা কৰা হৈছে। সেয়েহে ভাৰতীয় দৰ্শনক 'সত্যদৰ্শন' বুলিও কোৱা হয়।

ভাৰতীয় দাৰ্শনিকৰ দৃষ্টিভঙ্গীত দৰ্শন আৰু ধৰ্ম একেটা সূত্ৰতে আৱদ্ধ। তেওঁলোকৰ মতে ধৰ্ম কেৱল মাত্ৰ নৈতিক নিয়ম নহয়, সত্যৰ বাস্তৱ অভিজ্ঞতাই হৈছে ধৰ্ম আৰু সত্যৰ তাত্ত্বিক অনুসন্ধানেই হৈছে দৰ্শন। আনহাতে আধ্যাত্মিক সত্যৰ উপলব্ধিকেই দৰ্শন বুলিও কোৱা হয়, কাৰণ আধ্যাত্মিক উপলব্ধিৰ দ্বাৰাহে আত্মজ্ঞানৰ উপলব্ধি হয়। এই আত্মজ্ঞানৰ জৰিয়তে মোক্ষ লাভ কৰিব পাৰি। সেয়েহে ভাৰতীয় দৰ্শনক 'মোক্ষশাস্ত্ৰ' বুলিও কোৱা হয়।

৮.৪ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশ

দৰ্শন শব্দৰ অৰ্থ জনাৰ পিছত আপুনি এতিয়া জানিব যে ভাৰতীয় দাৰ্শনিকসকলৰ দৰ্শন-চিন্তাৰ মূল উৎস হ'ল বেদ। বৈদিক সাহিত্যৰাজি অধ্যাত্ম-চিন্তাৰ লীলাভূমি। এই অধ্যাত্ম চিন্তাধাৰা ব্যাখ্যা কৰিবৰ বাবেই দাৰ্শনিকসকলে দৰ্শন শাস্ত্ৰসমূহ প্ৰণয়ন কৰিছিল। ভাৰতীয় দৰ্শনৰ আদিম গ্ৰন্থ হ'ল উপনিষদসমূহ। অৱশ্যে উপনিষদসমূহ দাৰ্শনিক গ্ৰন্থ হিচাপে প্ৰথম হ'লেও দৰাচলতে দাৰ্শনিক চিন্তাধাৰাই যেতিয়া পূৰ্ণতা আৰু পৰিণতি লাভ কৰে তেতিয়াই সেই চিন্তাধাৰাই গ্ৰন্থৰ আকাৰ ধাৰণ কৰে। ঋগ্বেদৰ পুৰুষসূক্ত, দেৱীসূক্ত, হিৰণ্যগৰ্ভসূক্ত, নাসদীয়সূক্ত আদিত দাৰ্শনিক চিন্তাৰ পৰিচয় পোৱা যায়। ঋগ্বেদৰ সময়ৰ পৰা উপনিষদসমূহ ৰচনা কৰা সময় পৰ্য্যন্ত— এই সুদীৰ্ঘ সময়ছোৱাত ভাৰতীয় মনীষীসকলৰ জিজ্ঞাসু মন দাৰ্শনিক চিন্তা-চৰ্চাত যে উদ্বুদ্ধ হৈ আছিল, তাক সহজেই অনুমান কৰিব পাৰি।

ঋগ্বেদৰ দাৰ্শনিক চিন্তাধাৰাৰ বীজ উপনিষদীয় যুগত অঙ্কুৰিত হৈছিল। বৃহদাৰণ্যক উপনিষদ্, ছান্দোগ্য উপনিষদ্, প্ৰশ্ন উপনিষদ্, কঠ উপনিষদ্ আদিত বৰ্ণিত বিভিন্ন আলোচনা, বিভিন্ন তৰ্ক সভা আদিয়ে এই কথাকে প্ৰমাণ কৰে। সেই সময়ছোৱাত পণ্ডিতসকলৰ মাজত বিভিন্ন বিষয়বস্তুৰ ওপৰত দীৰ্ঘসময় জুৰি আলাপ-আলোচনা হৈছিল। আনহাতে, উপনিষদসমূহত সত্যদ্ৰষ্টা ঋষিমুনিসকলে প্ৰত্যক্ষ কৰা সত্য অথবা পৰমতত্ত্বৰ বিভিন্ন দিশৰ কথাও আছে। তেওঁলোকে অন্তঃপ্ৰজ্ঞাৰ দ্বাৰা সত্যৰ সাক্ষাৎ জ্ঞান লাভ কৰে। বেদ আৰু উপনিষদত থকা তাত্ত্বিক দিশসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন দাৰ্শনিক পণ্ডিতে স্বতন্ত্ৰ যুক্তি তথা ন্যায়ৰ দ্বাৰা নিজা নিজা মতবাদ প্ৰতিষ্ঠা কৰিছে। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক ভাৰতীয় দৰ্শনৰ প্ৰত্যেকটো সম্প্ৰদায়েই বেদ-উপনিষদসমূহৰ লগত জড়িত। এই সম্প্ৰদায়সমূহে বেদ-উপনিষদত থকা পৰম সত্যসমূহৰ ওপৰত ভিত্তি কৰি নিজস্ব যুক্তি-তৰ্কৰ মাধ্যমেৰে নিজা নিজা মতবাদসমূহ প্ৰতিষ্ঠা কৰিবলৈ সমৰ্থ হৈছে। উপনিষদত বৰ্ণিত পৰম সত্যৰ বিভিন্ন দিশসমূহৰ লগত সামঞ্জস্য ৰাখি সামগ্ৰিক সত্য উদ্ঘাটনৰ বাবে ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহে এটি শৃঙ্খলাবদ্ধ বৌদ্ধিক

পৰ্য্যালোচনাৰ মাজেৰে আগবাঢ়িছে। এনেধৰণৰ বৌদ্ধিক পৰ্য্যালোচনাৰ দ্বাৰা জীৱন আৰু জগত সম্পৰ্কে এটা সামগ্ৰিক সত্য উদ্‌ঘাটন কৰি বাস্তৱ জীৱনৰ আধ্যাত্মিক ভেটি সুদৃঢ় কৰাটোৱেই ভাৰতীয় দৰ্শনৰ মুখ্য উদ্দেশ্য। এই সামগ্ৰিক সত্য উদ্‌ঘাটনৰ বাবে ভাৰতীয় দাৰ্শনিকসকলৰ যি নিৰলস প্ৰচেষ্টা, তাৰ অন্তনিৰ্হিত উদ্দেশ্য হ'ল 'মোক্ষ' লাভ। কাৰণ ভাৰতীয় দৰ্শনৰ মুখ্য উদ্দেশ্য হ'ল 'মোক্ষ'। সেয়েহে ভাৰতীয় দৰ্শনক 'মোক্ষশাস্ত্ৰ' বুলিও কোৱা হয় বুলি আমি আগতেই গম পাই আহিছোঁ।

এটা কথা অনস্বীকাৰ্য্য যে ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত প্ৰৱল বিৰোধিতা থকা সত্ত্বেও পাৰস্পৰিক আলোচনা-সমালোচনাৰ মাজেৰেই নিজা নিজা মতবাদ প্ৰতিষ্ঠা কৰিছিল। তেওঁলোকে উপলব্ধি কৰিব পাৰিছিল যে বিপৰীত পক্ষৰ মতবাদ সম্পৰ্কে সম্পূৰ্ণ জ্ঞান নাথাকিলে তাক অস্বীকাৰ বা খণ্ডন কৰাটো অসম্ভৱ। আনৰ মতৰ প্ৰতি শ্ৰদ্ধা আৰু সহনশীলতাৰ মনোভাৱৰ পৰাই ভাৰতীয় দৰ্শনৰ উদাৰ দৃষ্টিভঙ্গীৰ আভাস পোৱা যায়। সত্য অন্বেষণৰ ক্ষেত্ৰত এই পদ্ধতিটো অপৰিহাৰ্য্য। এনেকুৱা পাৰস্পৰিক আলোচনা-সমালোচনাৰ মাজেৰে ভাৰতীয় দৰ্শনৰ ক্ৰমবিকাশৰ প্ৰণালী আগবাঢ়িছিল।

৮.৫ ভাৰতীয় দৰ্শনৰ শ্ৰেণীবিভাগ

আপুনি ইতিমধ্যে জানি আহিছে যে বেদ আৰু উপনিষদসমূহেই হ'ল ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ ভেটি স্বৰূপ। প্ৰত্যক্ষভাৱেই হওক বা পৰোক্ষভাৱেই হওক, ভাৰতীয় দৰ্শনৰ প্ৰত্যেকটো সম্প্ৰদায় বেদ আৰু বৈদিক সাহিত্যৰ অন্তৰ্গত। বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা-নকৰাৰ ওপৰত ভিত্তি কৰি ভাৰতীয় দৰ্শনক প্ৰধানকৈ দুটা শাখাত বিভক্ত কৰা হৈছে— আস্তিক আৰু নাস্তিক। সাধাৰণ অৰ্থত ঈশ্বৰৰ অস্তিত্বত বিশ্বাসীসকলক আস্তিক বোলা হয় আৰু ঈশ্বৰৰ অস্তিত্বত বিশ্বাস নকৰাসকলক নাস্তিক বোলা হয়। কিন্তু দাৰ্শনিক শ্ৰেণীবিভাজনৰ ক্ষেত্ৰত ইয়াৰ অৰ্থ বেলেগ। বেদৰ প্ৰামাণ্যক বিশ্বাস কৰা দৰ্শনৰ শাখাসমূহক আস্তিক দৰ্শন আৰু বেদৰ প্ৰামাণ্যক বিশ্বাস নকৰা দৰ্শনৰ শাখাসমূহক নাস্তিক দৰ্শন বুলি কোৱা হয়।

ভাৰতীয় দৰ্শন ভিন্ ভিন্ মতাদৰ্শত বিশ্বাসী মুলতঃ নটা সম্প্ৰদায়ৰ সমষ্টি। সেই সম্প্ৰদায়কেইটা হৈছে— সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা, বেদান্ত, চাৰ্বাক, বৌদ্ধ আৰু জৈন। ইয়াৰ ভিতৰত প্ৰথম ছটা সম্প্ৰদায় আস্তিক দৰ্শনৰ অন্তৰ্ভুক্ত। এই ছটা দৰ্শনক একেলগে 'ষড়্‌দৰ্শন' বুলি কোৱা হয়। চাৰ্বাক, বৌদ্ধ আৰু জৈন দৰ্শনক নাস্তিক দৰ্শন বুলি কোৱা হয়। মীমাংসা আৰু সাংখ্য দৰ্শনত ঈশ্বৰৰ উল্লেখ নাই যদিও তেওঁলোকে বেদৰ প্ৰামাণ্য স্বীকাৰ কৰা বাবে আস্তিক সম্প্ৰদায়ভুক্ত হৈছে। আনহাতে, জৈনসকলে ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰিলেও বেদৰ প্ৰামাণ্য অস্বীকাৰ কৰা বাবে এই সম্প্ৰদায়ক নাস্তিক বুলি কোৱা হয়।

জানি থোৱা ভাল

বেদৰ প্ৰামাণ্যক অথবা বেদৰ কৰ্তৃত্বক বিশ্বাস কৰা বাবেই ষড়দৰ্শনক আস্তিক নামেৰে জনা যায় যদিও সকলো সম্প্ৰদায়ৰে বিশ্বাসৰ গভীৰতাৰ মাপকাঠী সমান নহয়। মীমাংসা আৰু বেদান্ত দৰ্শনৰ ভেটি হ'ল বেদ। এই দুয়োটা দাৰ্শনিক সম্প্ৰদায়ৰে মূললক্ষ্য হৈছে বেদক বিস্তাৰিতভাৱে ব্যাখ্যা কৰা। দুয়োটা সম্প্ৰদায়ে বেদৰ সকলো কথাকে সত্য বুলি স্বীকাৰ কৰিছে আৰু যুক্তি সহকাৰে বেদৰ তথ্যবোৰ প্ৰকাশ কৰিছে। আনহাতে সাংখ্য, যোগ, ন্যায় আৰু বৈশেষিক দৰ্শন —এই চাৰিটা হৈছে বেদ স্বতন্ত্ৰ দৰ্শন। এই চাৰিটা দাৰ্শনিক সম্প্ৰদায়ৰ প্ৰণেতাসকলে নিজে কিছুমান সূত্ৰ বা তথ্য প্ৰণয়ন কৰি সেইবোৰক বৈদিক তথ্যৰ জৰিয়তে যুক্তি সহকাৰে ব্যাখ্যা কৰিছে।

নাস্তিক দাৰ্শনিক সম্প্ৰদায়সমূহৰ ভিতৰত চাৰ্বাক আৰু বৌদ্ধ দৰ্শনে বেদৰ তীব্ৰ বিৰোধিতা কৰিছে. গতিকে এই দুটা সম্প্ৰদায়ক চৰমপন্থী নাস্তিক সম্প্ৰদায় বুলি কোৱা হয়। জৈন দৰ্শন হৈছে নৰমপন্থী নাস্তিক দাৰ্শনিক সম্প্ৰদায়। এই সম্প্ৰদায়ে ইমান তীব্ৰভাৱে বেদৰ তথ্যসমূহৰ বিৰোধিতা কৰা নাই। বেদৰ প্ৰামাণ্যক অস্বীকাৰ কৰিলেও এই দৰ্শনে এক অতীন্দ্ৰিয় পুৰুষৰ অস্তিত্বক স্বীকাৰ কৰিছে।

৮.৬ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ

এতিয়া আপুনি ভাৰতীয় দৰ্শনৰ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিব। ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ নিজা নিজা দাৰ্শনিক শিক্ষা আছে। যদিও ভাৰতীয় দৰ্শনৰ বিভিন্ন সম্প্ৰদায়সমূহৰ মাজত মতৰ পাৰ্থক্য দেখা যায়, তথাপি আমি এটা কথাত একমত হ'ব লাগিব যে প্ৰতিটো সম্প্ৰদায় আৱহমান কালৰে পৰা চলি অহা ভাৰতীয় সভ্যতা আৰু সংস্কৃতিৰে পৰিপুষ্ট। একে কৃষ্টি-সংস্কৃতি, সভ্যতা, নীতি-নৈতিকতাৰ মাধ্যমত বিকশিত হোৱা ভাৰতীয় দাৰ্শনিক শাখাসমূহৰ মাজত কিছুমান সাধাৰণ বৈশিষ্ট্য লক্ষ্য কৰা যায়, যিবোৰ বৈশিষ্ট্যই ভাৰতীয় দৰ্শনক পৃথিৱীৰ অন্যান্য দাৰ্শনিক সম্প্ৰদায়সমূহৰ ওচৰত এক সুকীয়া আসন প্ৰদান কৰিছে। অৱশ্যে ভাৰতীয় দৰ্শনৰ এই মৌলিকতা চাৰ্বাক দৰ্শনত প্ৰতিফলিত হোৱা নাই। চাৰ্বাক দৰ্শন অন্যান্য দাৰ্শনিক সম্প্ৰদায়ৰ পৰা ব্যতিক্ৰম। এই দৰ্শনে তথাকথিত ভাৰতীয় চিন্তাধাৰাৰ বিপৰীতে গৈ নিজস্ব মত দাঙি ধৰিছে। চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় অন্যান্য দাৰ্শনিক সম্প্ৰদায়সমূহৰ সাধাৰণ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

ক) **ব্যৱহাৰিক দৃষ্টিভঙ্গী ঃ** ভাৰতীয় দৰ্শনে তাত্ত্বিক আৰু ব্যৱহাৰিক উভয় দিশৰ প্ৰতি সমানে গুৰুত্ব আৰোপ কৰা দেখা যায়। কেৱল মাত্ৰ সত্যৰ অনুসন্ধান কৰাই নহয়, সত্যক প্ৰতিষ্ঠা কৰাটোও ভাৰতীয় দৰ্শনৰ এক মহান উদ্দেশ্য। কেৱল পুথিগত জ্ঞান আহৰণৰ ওপৰত ভাৰতীয় দৰ্শনে গুৰুত্ব আৰোপ কৰা নাই। দাৰ্শনিক জ্ঞানৰ আলোকেৰে কিদৰে জীৱনৰ অন্ধকাৰসমূহ দূৰ কৰিব পৰা যায় তাৰ ওপৰতহে ভাৰতীয় দৰ্শনে গুৰুত্ব আৰোপ কৰিছে। ভাৰতীয় দাৰ্শনিকসকলৰ মতে বাস্তৱ জীৱনটো নিয়ন্ত্ৰিত কৰি জীৱনটো সঠিক দিশত আগবঢ়াই নিবলৈ সত্য জ্ঞানৰ প্ৰয়োজন হয়। সত্যজ্ঞান অথবা তত্ত্বজ্ঞানৰ আলোকত জীৱনক কল্যাণময় আৰু সুন্দৰময় কৰাই হৈছে ভাৰতীয় দৰ্শনৰ উদ্দেশ্য।

খ) **আধ্যাত্মিক অশান্তিবোধ ঃ** ভাৰতীয় দৰ্শনে জীৱন আৰু জগত দুখময় আৰু অপূৰ্ণ বুলি ভাবে। গতিকে বাহ্যিক দৃষ্টিত ভাৰতীয় দৰ্শনক নৈৰাশ্যবাদী দৰ্শন যেন লাগে। দৰাচলতে ভাৰতীয় দৰ্শনে জীৱনটো দুখময় বুলি কোৱাৰ অৰ্থ হ'ল— 'জীৱনটো অসাৰ বা অবাস্তৱ নহয়। ই আধ্যাত্মিক দৃষ্টিতহে অসাৰ, জাগতিক দৃষ্টিত অসাৰ নহয়।' ভাৰতীয় দাৰ্শনিকসকল জীৱনৰ দুখ-জ্বালা-যন্ত্ৰনাৰ প্ৰতি উদাসীন হৈ থাকিব পৰা নাছিল। দুখ নিবৃত্তিৰ পথৰ অনুসন্ধান কৰাৰ ফলতে ভাৰতত দৰ্শন চৰ্চা আৰম্ভ হৈছিল। মানুহৰ দুখ-কষ্ট, জ্বালা-যন্ত্ৰনাই ভাৰতীয় ঋষি-মুনিসকলৰ হৃদয় ব্যথিত কৰি তুলিছিল। এই দুখ-কষ্টৰ অৱসান বিচাৰি তেওঁলোক দাৰ্শনিক আলোচনাত মিলিত হৈছিল। সকলোবোৰ দাৰ্শনিক সম্প্ৰদায়েই এই বিষয়ত এক মত যে মানৱ জীৱন দুখেৰে ভৰা আৰু এই দুখ উপশমৰ পথ নিৰ্দেশনাই হৈছে ভাৰতীয় দাৰ্শনিকৰ মূল লক্ষ্য। বৌদ্ধ দৰ্শনৰ মূল কথাই হৈছে— 'সৰ্বং দুঃখম্'। ভাৰতীয় দাৰ্শনিকসকলে উপলব্ধি কৰিব পাৰিছিল যে দুখ নিবৃত্তিৰ জৰিয়তে জীৱনক সুখৰ আলোকেৰে আলোকিত কৰি তুলিব পাৰি।

গ) **নৈতিক নিয়মত বিশ্বাস ঃ** জড়বাদী চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় সকলোবোৰ দাৰ্শনিক সম্প্ৰদায়েই এক সনাতন নৈতিক নিয়মৰ অস্তিত্বক বিশ্বাস কৰে। সমগ্ৰ বিশ্ব জগত এক নৈতিক নিয়মৰ দ্বাৰা পৰিচালিত। সমগ্ৰ বিশ্ব জগতৰ উৎপত্তি, গতি, স্থিতি, বিনাশৰ অন্তৰালত এক অপৰিৱৰ্তনীয় নৈতিক শক্তি নিহিত হৈ

আছে। এই নৈতিক নিয়মক ঋগ্‌বেদত ঋত বুলি কোৱা হৈছে। এই ঋতেই প্ৰাকৃতিক আৰু নৈতিক এই দুয়ো জগতৰ নিয়ন্ত্ৰণকৰ্তা। এই নৈতিক নিয়মক বেলেগ বেলেগ দৰ্শনত বেলেগ বেলেগ নামেৰে নামকৰণ কৰা হৈছে। যেনে— মীমাংসা দৰ্শনত 'অপূৰ্ব', ন্যায়-বৈশেষিক দৰ্শনত 'অদৃষ্ট' আদি। দৰাচলতে সকলো দাৰ্শনিক শাখাৰে স্পষ্ট মত যে জগতখন এক সনাতন নৈতিক নিয়মৰ অধীন।

ঘ) **আত্মাৰ অস্তিত্বত বিশ্বাস ঃ** চাৰ্বাক আৰু বৌদ্ধ দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ আটাইবোৰ সম্প্ৰদায়ে এটা পৰম নিত্য শুদ্ধ সত্তাৰ অস্তিত্ব স্বীকাৰ কৰে, সেইটোৱেই হৈছে আত্মা বা পুৰুষ। আত্মা বা পুৰুষেই একমাত্ৰ সত্য। ইয়াৰ বাহিৰে জগতখনত একোৱেই নিত্য নহয়।

ঙ) **কৰ্মবাদ আৰু জন্মান্তৰত বিশ্বাস ঃ** ভাৰতীয় দৰ্শনে কৰ্মবাদ আৰু জন্মান্তৰবাদত বিশ্বাস কৰে। কৰ্মবাদৰ সাৰমৰ্ম হ'ল— ব্যক্তিৰ জীৱনৰ সুখ দুখ ব্যক্তিৰেই কৃত কৰ্মৰ ফল। এগৰাকী ব্যক্তিৰ বৰ্তমান জীৱনৰ সুখ-দুখ অতীত জীৱনৰ কৰ্মফল। আনহাতে বৰ্তমান জীৱনৰ কৰ্মৰাজিয়ে ভৱিষ্যত জীৱনৰ গতি নিৰ্ধাৰণ কৰে। ভাৰতীয় দাৰ্শনিকসকলৰ মতে ব্যক্তিসকলৰ মাজত দেখিবলৈ পোৱা বৈষম্যতাৰ মূল কাৰণ হৈছে কৰ্মনীতি। কৰ্মবাদ অনুসৰি কৰ্মফলৰ আশা পৰিত্যাগ কৰি নিষ্কাম কৰ্মৰ জৰিয়তে ব্যক্তিয়ে তেওঁৰ অদৃষ্টক জয় কৰিব পাৰে। জন্মান্তৰবাদৰ অৰ্থ হৈছে মানুহে নিজ কৰ্মৰ ফল ভোগ কৰিবৰ বাবে বাৰে বাৰে জগতত জন্ম লাভ কৰা। দৰাচলতে অজ্ঞানতাৰ বশৱৰ্তী হৈ মানুহে কামনা বাসনাত লিপ্ত হৈ পৰে আৰু মায়াভৰা সংসাৰৰ ক্ষণস্থায়ী সুখ-সম্ভোগৰ পিছত ঢাপলি মেলে আৰু বন্ধনত আৱদ্ধ হয়। তত্ত্বজ্ঞান লাভ কৰিলেহে ব্যক্তিৰ জ্ঞানচক্ষু মুকলি হয়। তত্ত্বজ্ঞানৰ দ্বাৰা অবিদ্যাৰ বিনাশ হয়, কৰ্ম বন্ধন নাইকিয়া হয়। কৰ্মৰ বন্ধন নাইকীয়া হ'লে ব্যক্তিয়ে মুক্তি লাভ কৰে।

চ) **সত্যৰ নিৰন্তৰ ধ্যান ঃ** ভাৰতীয় দৰ্শনৰ মতে কোনো এটা বিষয়বস্তুৰ সত্য বা জ্ঞান লাভ কৰি সেই অনুসৰি কৰ্ম কৰিলেহে সম্যক্ জ্ঞান লাভ কৰিব পাৰি। কিন্তু নৈতিক শুচিতা বা আত্মসংযম আৰু ধ্যান নহ'লে সম্যক্ জ্ঞান লাভ কৰিব নোৱাৰি। আত্মসংযম আৰু ধ্যানে বিষয়ৰ প্ৰতি থকা মানুহৰ আসক্তি দূৰ কৰি সম্যক্ জ্ঞান লাভ কৰাত সহায় কৰে। সম্যক্ জ্ঞানৰ জৰিয়তে অজ্ঞানতাৰ বিনাশ হয় আৰু ব্যক্তিয়ে মোক্ষ বা মুক্তি লাভ কৰিবলৈ সক্ষম হয়।

ছ) **মোক্ষ জীৱনৰ পৰম পুৰুষাৰ্থ ঃ** চাৰ্বাক দৰ্শনৰ বাহিৰে ভাৰতীয় দৰ্শনৰ সকলো সম্প্ৰদায়ে মোক্ষক জীৱনৰ পৰম পুৰুষাৰ্থ বুলি স্বীকাৰ কৰিছে। অৱশ্যে মোক্ষৰ স্বৰূপ সম্পৰ্কে ভাৰতীয় দাৰ্শনিকসকল একমত নহয়। মানৱ জীৱন দুখেৰে পৰিপূৰ্ণ। দুখৰ অৱসান ঘটাই মোক্ষ লাভ কৰাটোৱেই আত্যন্তিক দুখ মুক্তি। অনেকে আকৌ মুক্তিক এক আনন্দময় অৱস্থা বুলি বৰ্ণনা কৰিছে। মোক্ষ লাভ কৰাৰ উপায় আৰু মোক্ষৰ নামকৰণ যদিওবা বেলেগ বেলেগ দাৰ্শনিক সম্প্ৰদায়ে ভিন্ ভিন্ ভাৱে দাঙি ধৰিছে তথাপি ই যে এক দুখবিহীন অৱস্থা সেই বিষয়ে সকলো দাৰ্শনিক শাখা একমত।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ দৰ্শন শব্দটো সংস্কৃত কি ধাতুৰ পৰা উৎপত্তি হৈছে?

.....

.....

প্ৰশ্ন ২ ঃ ঋগ্‌বেদৰ কোনবোৰ সূক্তত দাৰ্শনিক চিন্তাধাৰাৰ পৰিচয় পোৱা যায়?

.....

প্ৰশ্ন ৩ ঃষড়্‌দৰ্শন বুলিলে কি বুজায় লিখক।

.....

.....

প্ৰশ্ন ৪ ঃআস্তিক আৰু নাস্তিক শব্দৰ অৰ্থ লিখক।

.....

.....

৮.৭ ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়সমূহৰ চমু পৰিচয়

এতিয়া আপুনি ভাৰতীয় দৰ্শনৰ সম্প্ৰদায়সমূহৰ বিষয়ে জানিব পাৰিব। প্ৰথমে **আস্তিক দৰ্শন**ৰ বিষয়ে জানিব।

ক) **সাংখ্য দৰ্শন ঃ** ভাৰতীয় দাৰ্শনিক সম্প্ৰদায়ৰ ভিতৰত সাংখ্য দৰ্শনৰ নাম প্ৰাচীন গ্ৰন্থৰাজিত বেছিকৈ উপলব্ধ। উপনিষদ, মহাভাৰত, মনুসংহিতা, চৰকসংহিতা, গীতা, ব্ৰহ্মসূত্ৰ আদি গ্ৰন্থত সাংখ্য মতৰ বিষয়ে পোৱা যায়। শ্বেতাশ্বতৰ উপনিষদত পোৱা যায় যে, সাংখ্যদৰ্শনৰ প্ৰণেতা কপিল। সাংখ্যদৰ্শনৰ বহুকেইখন মৌলিক গ্ৰন্থ কালৰ বুকুত বিলীন হৈছে। 'সংখ্যা' শব্দটোৰ পৰা 'সাংখ্য' নামৰ উৎপত্তি হৈছে বুলি পণ্ডিতসকলে ঠাৱৰ কৰিছে। মূল তত্ত্বৰ সংখ্যা নিৰূপণ কৰি তাৰ তাত্ত্বিক উপলব্ধিৰ দ্বাৰা মোক্ষ লাভ কৰাটোৱেই হৈছে সাংখ্য দৰ্শনৰ মূল উদ্দেশ্য। সাংখ্য দৰ্শনত ২৫টি তত্ত্বৰ কথা উল্লেখ আছে। এই দৰ্শনৰ মতে জগত সৃষ্টিৰ মূল হ'ল পুৰুষ আৰু প্ৰকৃতি। পুৰুষেই আত্মা। প্ৰকৃতি তিনিটা গুণৰ (সত্ত্বঃ, ৰজ ঃ আৰু তমঃ) সমষ্টি। তিনিটা গুণৰ হ্ৰাস-বৃদ্ধি হ'লেই প্ৰকৃতিৰ মাজত আলোড়নৰ সৃষ্টি হয় আৰু তাৰ ফলত জগত সৃষ্টি হয়। সাংখ্য দৰ্শনৰ এটি উল্লেখযোগ্য মতবাদ হ'ল— কাৰ্য্যকাৰণবাদ। অৰ্থাৎ প্ৰতিটো কাৰ্য্যই উৎপত্তিৰ আগতে অব্যক্ত অৱস্থাত কাৰণত নিহিত হৈ থাকে। যি কোনো কাৰ্য্যকাৰণৰ পৰা অভিন্ন। গতিকে ত্ৰিগুণাত্মিকা প্ৰকৃতিৰ পৰা যি সৃষ্টি হয়, সেই সকলোবোৰ ত্ৰিগুণযুক্ত।

খ) **যোগদৰ্শন ঃ** 'যোগ' শব্দৰ অৰ্থ 'চিত্তবৃত্তিৰ নিৰোধ'। বুদ্ধি, অহঙ্কাৰ আৰু মনক একেলগে চিত্ত বুলি কোৱা হয়। চিত্তৰ পৰিৱৰ্তনকে 'বৃত্তি' বোলে। চিত্তৰ বৃত্তিয়েই হৈছে বিষয়ৰ জ্ঞান। চিত্তৰ বৃত্তিৰ নিৰোধৰ ফলত অবিদ্যা বা অজ্ঞানতা দূৰ হয়, ফলত পুৰুষে প্ৰকৃতিৰ পৰা নিজৰ পাৰ্থক্য উপলব্ধি কৰিব পাৰে। এই পাৰ্থক্য জ্ঞানেই হৈছে মোক্ষ। যোগদৰ্শনত অষ্টাঙ্গযোগৰ কথা আছে। অষ্টাঙ্গযোগেই চিত্তবৃত্তিনিৰোধৰ কাৰণ। যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি হ'ল অষ্টাঙ্গযোগ।

সাংখ্য আৰু যোগদৰ্শন সমানতান্ত্ৰিক দৰ্শন। কিন্তু যোগদৰ্শন হ'ল ঈশ্বৰবাদী দৰ্শন, আনহাতে সাংখ্যদৰ্শন নিৰীশ্বৰবাদী। সেয়ে সাংখ্যক নিৰীশ্বৰ সাংখ্য আৰু যোগক সেশ্বৰ সাংখ্য বুলি কোৱা হয়।

গ) **ন্যায়দৰ্শন ঃ** ন্যায় দৰ্শনৰ প্ৰণেতা মহৰ্ষি গৌতম। ন্যায়দৰ্শনে **ষোল্লটা পদাৰ্থ** স্বীকাৰ কৰে। এই পৃথিৱীত যিমানবোৰ বস্তু আছে, সেই সকলোবোৰ এই ষোল্লটা পদাৰ্থৰ অন্তৰ্গত। এই পদাৰ্থসমূহৰ যথাৰ্থ জ্ঞান লাভ কৰিলেই মোক্ষ লাভ হয়। 'যুক্তি-তৰ্কৰ দ্বাৰা মীমাংসাত উপনীত হ'ব পাৰি'— এই কথা ন্যায়শাস্ত্ৰত আলোচনা কৰা আছে। নব্য-নৈয়ায়িকসকলে জগতৰ স্ৰষ্টা হিচাপে ঈশ্বৰক বিশ্বাস কৰে। সাংখ্য দৰ্শনে স্বীকাৰ কৰা কাৰ্য্যকাৰণ তত্ত্বটো ন্যায়দৰ্শনে অলপ পৰিৱৰ্তিত ৰূপত বিশ্বাস কৰে। ন্যায়দৰ্শনৰ মতে কাৰ্য্যকাৰণ তত্ত্বটো কেৱল বস্তুৰ

> *ষোল্লটা পদাৰ্থ* হ'ল— প্ৰমাণ, প্ৰমেয়, সংশয়, প্ৰয়োজন, দৃষ্টান্ত, সিদ্ধান্ত, অৱয়ব, তৰ্ক, নিৰ্ণয়, বাদ, জল্প, বিতণ্ডা, হেত্বাভাস, ছল, জাতি আৰু নিগ্ৰহ স্থান।

ক্ষেত্ৰতেই নহয়, ই সমগ্ৰ বিশ্ব প্ৰকৃতি আনকি আমাৰ দৈনন্দিন জীৱনক জুৰি আছে। 'যেনে কৰ্ম তেনে ফল'— কাৰ্য্যকাৰণৰ এই নৈতিক নিয়মটো এটা অলংঘনীয় জাগতিক নিয়ম, যাক ঋত বুলি কোৱা হয়। সঞ্চিত কৰ্মফলকে অদৃষ্ট বোলা হয়। জীৱই নিজৰ অদৃষ্ট পৰিচালনা কৰিব নোৱাৰে। সৰ্বজ্ঞ, সৰ্বশক্তিমান ঈশ্বৰে অদৃষ্ট অনুসৰি জীৱৰ ফলভোগৰ ব্যৱস্থা কৰে।

ঘ) **বৈশেষিক দৰ্শন ঃ** মহৰ্ষি কণাদ বৈশেষিক দৰ্শনৰ প্ৰৱৰ্তক। জীৱৰ স্বৰূপ কি? জীৱ আৰু ঈশ্বৰৰ সম্পৰ্ক কেনেকুৱা? জগতৰ উৎপত্তি কেনেদৰে হ'ল? এনেধৰণৰ কঠিন প্ৰশ্নৰ বিচাৰ এই দৰ্শনত পোৱা যায়। বৈশেষিক দৰ্শনে **সাতবিধ পদাৰ্থ** স্বীকাৰ কৰে। এইবোৰৰ ভিতৰত 'বিশেষ' নামৰ পদাৰ্থবিধ উল্লেখযোগ্য। 'বিশেষ'ৰ পৰাই এই দৰ্শনৰ নাম বৈশেষিক দৰ্শন হৈছে। অস্তিত্বশীল সকলো জ্ঞেয় বস্তুৱেই পদাৰ্থ। বৈশেষিক দৰ্শনৰ পদাৰ্থ তত্ত্বৰ বিশ্লেষণৰ লগত আধুনিক বিজ্ঞানৰ পদাৰ্থৰ ব্যাখ্যাৰ সাদৃশ্য দেখা যায়। এই দৰ্শনৰ মতে জাগতিক সকলো বস্তু কিছুমান ক্ষুদ্ৰ অৱয়ৱৰ দ্বাৰা গঠিত। এই অৱয়বসমূহৰ ক্ষুদ্ৰতম অৱয়ৱ হ'ল পৰমাণু। এই পৰমাণুক আৰু ভাগ কৰিব নোৱাৰি, কাৰণ এই পৰমাণুসমূহ একো একোটি 'বিশেষ' অৰ্থাৎ প্ৰত্যেক পৰমাণুৰ মাজতে একো একোটি ধৰ্ম বা বৈশিষ্ট্য আছে। ক্ষিতি, অপ্, তেজ, মৰুৎ— এই চাৰি প্ৰকাৰৰ পৰমাণুপুঞ্জৰ পৰা সৃষ্টি হৈছে চৰাচৰ সমস্ত জগত। কিন্তু জগত সৃষ্টিৰ বাবেও প্ৰয়োজন হয় 'বিশেষ' নামৰ পদাৰ্থৰ প্ৰভাৱ। কিন্তু এটা কথা অনস্বীকাৰ্য্য যে বৈশেষিকসকলে যদিও পৰমাণুতত্ত্বৰ দ্বাৰা জগত আৰু সৃষ্টিৰ ব্যাখ্যা কৰিছে, ই ভাৰতীয় দৰ্শনৰ আধ্যাত্মিকতাৰ সীমা পাৰ হৈ যোৱা নাই। তেওঁলোকৰ মতে পৰমাণুবোৰ এক প্ৰকাৰ আধ্যাত্মিক সত্তা, এইবোৰ বস্তুবাদ নহয়। আত্মা, মন, ইন্দ্ৰিয় আদি পৰমাণুৰে তৈয়াৰী শৰীৰৰ মাজত থাকিয়েই নিজা নিজা কৰ্মফল ভোগ কৰি ক্ৰমে ই আধ্যাত্মিক বিকাশৰ পথত অগ্ৰসৰ হয়।

> ℹ *সাতবিধ পদাৰ্থহ'ল* — দ্ৰব্য, গুণ, কৰ্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ।

ঙ) **মীমাংসা দৰ্শন ঃ** বেদৰ কৰ্মকাণ্ডভাগেই হ'ল মীমাংসা দৰ্শনৰ ভিত্তি। 'মীমাংসা' শব্দৰ অৰ্থ বিচাৰ। ইয়াৰ মুখ্য উদ্দেশ্য হৈছে ধৰ্মৰ অৰ্থ ব্যাখ্যা কৰা। বেদৰ কৰ্মকাণ্ডত যিবোৰ কৰ্মৰ বিধান দিয়া আছে, সেই বিষয়সমূহৰ সমালোচনাত্মক বিশ্লেষণ কৰি বিধানসমূহৰ যথাৰ্থতা প্ৰতিপন্ন কৰাই এই দৰ্শনৰ উদ্দেশ্য। বেদৰ পূৰ্বভাগ অৰ্থাৎ কৰ্মকাণ্ডৰ বিষয়ে আলোচনা কৰা বাবে এই দৰ্শনক 'পূৰ্ব-মীমাংসা' বুলিও অভিহিত কৰা হয়। মীমাংসা দৰ্শনে সকলো দেৱ-দেৱীৰ অস্তিত্ব স্বীকাৰ কৰিছে যদিও তেওঁলোকে মত পোষণ কৰে যে জীৱ-জগত সৃষ্টিৰ বাবে কোনো অসীম অনন্ত বোধশক্তিসম্পন্ন ঈশ্বৰৰ প্ৰয়োজন নাই। কৰ্মৰ অন্তৰ্নিহিত শক্তি অদৃষ্টই জগত আৰু জীৱক পৰিচালনা কৰি আহিছে। বেদোক্ত বিধান অনুসৰি কৰ্মই একমাত্ৰ ধৰ্ম। এই বিধানসমূহ যথাযথভাৱে পালন কৰিলে ধৰ্ম লাভ হয় আৰু সেই ধৰ্মৰ দ্বাৰাই পাৰমাৰ্থিক উদ্দেশ্যত উপনীত হ'ব পাৰি। গতিকে একে আষাৰতে ক'ব পাৰি মীমাংসা-দৰ্শন ঈশ্বৰবিহীন নৈতিক বাস্তৱবাদ।

চ) **বেদান্ত দৰ্শন ঃ** বেদান্ত দৰ্শনে বেদৰ জ্ঞান-কাণ্ডৰ ওপৰত গুৰুত্ব দি তাক বিশ্লেষণ কৰি তাৰ যথাৰ্থতা প্ৰমাণ কৰিছে। উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ হ'ল বেদান্ত দৰ্শনৰ মূলগ্ৰন্থ। 'বেদান্ত' মানে হ'ল বেদৰ অন্ত ভাগ অৰ্থাৎ উপনিষদ। উপনিষদৰ সাৰভাগ সংগ্ৰহ কৰি বাদৰায়ণে 'ব্ৰহ্মসূত্ৰ' ৰচনা কৰে। ব্ৰহ্মসূত্ৰৰ মূল প্ৰতিপাদ্য বিষয় হ'ল 'ব্ৰহ্ম'। ব্ৰহ্ম নিৰ্গুণ, নিৰাকাৰ, অনাদি অনন্ত। ব্ৰহ্ম আৰু জগত যথাক্ৰমে কাৰণ আৰু কাৰ্য্য হিচাপে অভিন্ন। 'ব্ৰহ্মসূত্ৰ'ৰ ওপৰত পৰৱৰ্তী পৰ্য্যায়ত বহুতো ভাষ্য ৰচনা হয়। ব্ৰহ্ম আৰু জগতৰ স্বৰূপ সম্বন্ধে তেওঁলোকে নিজা নিজা যুক্তি আগবঢ়োৱাৰ ফলত বেদান্ত দৰ্শনৰ পাঁচটা সম্প্ৰদায়ৰ সৃষ্টি হয়। সেইকেইটা হ'ল— শঙ্কৰাচাৰ্য্যৰ অদ্বৈতবাদ, ৰামানুজাচাৰ্য্যৰ বিশিষ্টাদ্বৈতবাদ, মধ্বাচাৰ্য্যৰ দ্বৈতবাদ, নিম্বাৰ্কাচাৰ্য্যৰ দ্বৈতাদ্বৈতবাদ আৰু বল্লভাচাৰ্য্যৰ শুদ্ধাদ্বৈতবাদ। ব্ৰহ্মৰ সৈতে জীৱ আৰু জগতৰ সম্বন্ধ

নিৰূপণ তথা পৰমার্থৰ লক্ষণক লৈ আচলতে তেওঁলোকৰ মাজত মতানৈক্য হয়। শঙ্কৰাচার্য্যৰ মতে জীৱ আৰু ব্রহ্ম একে, জগতখন ব্রহ্মৰেই অৱভাস। ৰামানুজৰ মতে ব্রহ্ম বিশিষ্ট অর্থাৎ ভিন্নতাৰ মাজত এটা আংগিক ঐক্য আছে। জীৱ আৰু জগত ঈশ্বৰৰ পৰিণাম। মধ্বৰ মতে জীৱ আৰু ব্রহ্ম দুটা বেলেগ বস্তু। সিহঁতৰ স্বতন্ত্র যথার্থ অস্তিত্ব আছে। নিম্বার্কৰ মতে জীৱ আৰু ব্রহ্মৰ স্বতন্ত্র অস্তিত্ব আছে যদিও জীৱ ব্রহ্মৰ ওপৰত নির্ভৰশীল। ব্রহ্ম তাদাত্মিকতা আৰু ভিন্নতাৰ সমষ্টি। বল্লভৰ মতে ব্রহ্ম অদ্বিতীয়। ব্রহ্মই স্বইচ্ছাই নিজ শক্তি মায়াৰ দ্বাৰা নিজকে জগত ৰূপে প্রকাশ কৰিছে। জগতখন অযথার্থ নহয়। ব্রহ্ম আৰু জগত উভয়েই শুদ্ধ আৰু অভিন্ন।

নাস্তিক দর্শন ঃ

ক) **চার্বাক দর্শন ঃ** চার্বাক দর্শন জড়বাদী দর্শন। কিছুমান দার্শনিকৰ মতে বৃহস্পতি হ'ল চার্বাক দর্শনৰ প্রতিষ্ঠাতা। আন কিছুমানৰ মতে চার্বাকসকলৰ জীৱনাদর্শ অথবা তেওঁলোকৰ কথাবোৰ শ্রুতিমধুৰ (চাৰু + বাক্ = চার্বাক) হোৱা বাবে এই মতৰ নাম চার্বাক দর্শন। চার্বাকৰ মতে বেদ অপৌৰুষেয় নহয়, ইয়াৰ কোনো সত্যতা নাই। ঈশ্বৰ, আত্মা, পৰলোক, কর্মফল, মুক্তি আদিৰ ধাৰণাবোৰ অসত্য। ক্ষিতি, অপ্, তেজ আৰু মৰুৎ এই চাৰি তত্ত্বৰ দ্বাৰা জাগতিক বস্তুবোৰ সৃষ্টি হৈছে। পৃথিৱীত পাপ-পুণ্য আদিৰ কোনো প্রকৃত স্থিতি নাই। দৈহিক সুখহে মানৱ জীৱনৰ একমাত্র কাম্য বস্তু।

চার্বাক দর্শনৰ মতে প্রত্যক্ষই একমাত্র প্রমাণ। অন্যান্য দর্শনে স্বীকাৰ কৰা অনুমান, উপমান, শব্দ আদি প্রমাণে কোনো জ্ঞান প্রদান কৰিব নোৱাৰে।

খ) **বৌদ্ধ দর্শন ঃ** গৌতম বুদ্ধ হ'ল বৌদ্ধ দর্শনৰ প্রৱর্তক। তিনিখন পিটকত এই দর্শনৰ সাৰমর্ম পোৱা যায়— বিনয় পিটক, সুত্ত পিটক আৰু অভিধর্ম পিটক। বুদ্ধদেৱৰ দর্শনৰ মূল কথা হ'ল— সংসাৰত সকলো ক্ষণস্থায়ী। মানুহে নিজৰ কর্মৰ ফলত মুক্তি লাভ কৰিব পাৰে। বুদ্ধদেৱৰ মহা পৰিনির্বাণৰ পিছত শিষ্যসকলৰ মাজত দার্শনিক প্রশ্ন কিছুমান লৈ মতভেদ সৃষ্টি হোৱাৰ ফলত বৌদ্ধ ধর্ম দুভাগত ভাগ হয়— মহাযান আৰু হীনযান।

বুদ্ধদেৱে বাস্তৱ জীৱনৰ ওপৰত বেছি গুৰুত্ব আৰোপ কৰিছিল। জীৱন মানেই দুখভোগ, এই দুখৰ কাৰণ আছে, এই দুখ নিৰোধ কৰিব পাৰি আৰু দুখ নিৰোধ কৰাৰ উপায় আছে— এই চাৰিটা সত্যই হ'ল বুদ্ধদেৱৰ নৈতিক শিক্ষাৰ মুখ্য বিষয়। এই চাৰিটাক 'চাৰিটা আর্য্য-সত্য' বুলি জনা যায়। এই চাৰিটা আর্য্য-সত্যৰ মাজতে নিহিত হৈ আছে— বৌদ্ধ দার্শনিক সম্প্রদায়ৰ মূল কথা। বুদ্ধৰ পৰৱর্তী শিষ্যসকলে তেওঁৰ নৈতিক শিক্ষাৰ পৰাই চাৰিটা ভিন্ন সম্প্রদায়ৰ সৃষ্টি কৰে— (১) মাধ্যমিক বা শূন্যবাদ, (২) যোগাচাৰ বা বিজ্ঞানবাদ, (৩) সৌত্রান্তিক আৰু (৪) বৈভাষিক। আত্যন্তিক দুখ নিবৃত্তিৰ বাবে বুদ্ধদেৱে অষ্টাঙ্গিক মার্গৰ কথা উল্লেখ কৰিছে— সম্যক্ দৃষ্টি, সম্যক্ সঙ্কল্প, সম্যক্ বাক্, সম্যক্ কর্মান্ত, সম্যক্ আজীৱ, সম্যক্ ব্যায়াম, সম্যক্ স্মৃতি আৰু সম্যক্ সমাধি।

গ) **জৈন দর্শন ঃ** জৈন দর্শনৰ প্রৱর্তক হিচাপে কোনো বিশেষ ব্যক্তিৰ নাম পোৱা নাযায়। জনবিশ্বাস মতে চৌবিশজন **তীর্থঙ্কৰৰ** যোগেদি অনাদি কালৰে পৰা জৈন মতবাদ প্রচলিত হৈ আহিছে। ইয়াৰে প্রথমগৰাকীৰ নাম ঋষভ আৰু একেবাৰে শেষৰ গৰাকীৰ নাম মহাবীৰ। 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা আহিছে। 'জিন' শব্দৰ অর্থ জয় কৰা।

> ***তীর্থঙ্কৰ ঃ*** জীৱ বা মুক্ত আত্মাবোৰক তীর্থঙ্কৰ বোলা হয়।

জৈন দর্শনে ঈশ্বৰৰ অস্তিত্ব আৰু বেদৰ প্রামাণ্য অস্বীকাৰ কৰিছে, কিন্তু আত্মাৰ অস্তিত্ব স্বীকাৰ কৰিছে। তেওঁলোক বাস্তৱবাদী আৰু বহুসত্তাবাদী। অহিংসা আৰু সত্যই এই দর্শনত অধিক গুৰুত্ব লাভ

কৰিছে। কালক্ৰমত জৈন ধৰ্মৰ অনুগামীসকল দিগম্বৰ আৰু শ্বেতাম্বৰ নামে দুটা সম্প্ৰদায়ত বিভক্ত হয়।

জৈন দৰ্শনৰ মতে দ্ৰব্য দুই প্ৰকাৰৰ—অস্তিকায় আৰু অনস্তিকায়। অনস্তিকায় দ্ৰব্য এটা— কাল। অস্তিকায় দ্ৰব্য দুই প্ৰকাৰৰ— জীৱ আৰু অজীৱ। জীৱ তিনি প্ৰকাৰৰ— নিত্যসিদ্ধ, বদ্ধ আৰু মুক্ত। অজীৱ চাৰিপ্ৰকাৰৰ— ধৰ্ম, অধৰ্ম, আকাশ আৰু পুদ্‌গল। জৈন দৰ্শনে শৰীৰ আৰু মনৰ সংযমৰ বাবে তিনিটা পথ দিছে যাক 'ত্ৰিৰত্ন' বোলা হয়। সেয়া হ'ল— সম্যক দৰ্শন, সম্যক্ জ্ঞান আৰু সম্যক্ চাৰিত্ৰ। সম্যক্ চৰিত্ৰ গঠনৰ বাবে পঞ্চ মহাব্ৰতৰ উল্লেখ কৰিছে— অহিংসা, সত্য, অস্তেয়ম্, ব্ৰহ্মচৰ্য্য আৰু অপৰিগ্ৰহ। জৈন দৰ্শনৰ মতে জ্ঞান দুই প্ৰকাৰৰ— পৰোক্ষ আৰু অপৰোক্ষ। প্ৰমাণ তিনি প্ৰকাৰৰ— প্ৰত্যক্ষ, অনুমান আৰু শব্দ।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ সাংখ্য দৰ্শনৰ উল্লেখ থকা দুখন প্ৰাচীন গ্ৰন্থৰ নাম লিখক।

.....

প্ৰশ্ন ৬ ঃ'যোগ' শব্দৰ অৰ্থ লিখক।

.....

প্ৰশ্ন ৭ ঃ'সাংখ্যদৰ্শন নিৰীশ্বৰবাদী দৰ্শন' —'সঁচা' নে 'মিছা' লিখক।

.....

প্ৰশ্ন ৮ ঃ'বিশেষ' নামৰ পদাৰ্থটো কোনটো দাৰ্শনিক সম্প্ৰদায়ে স্বীকাৰ কৰে?

.....

প্ৰশ্ন ৯ ঃবেদান্ত দৰ্শনৰ মূল গ্ৰন্থকেইখনৰ নাম লিখক।

.....

প্ৰশ্ন ১০ ঃ 'জৈন' শব্দটো কি শব্দৰ পৰা উৎপত্তি হৈছে?

.....

৮.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- দৰ্শন শব্দৰ অৰ্থ জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে অৱগত হ'লোঁ।
- ভাৰতীয় দৰ্শনৰ সাধাৰণ শ্ৰেণীবিভাগ সম্পৰ্কে জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ বিষয়ে জানিব পাৰিলোঁ।
- ভাৰতীয় দৰ্শনৰ আস্তিক আৰু নাস্তিক দুয়োটা সম্প্ৰদায়ৰে সকলো শাখাৰ চমু পৰিচয় জানিব পাৰিলোঁ।

৮.৯ অধিক জানিবলৈ

অসমীয়া গ্ৰন্থ ঃ

১) দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দৰ্শন পৰিচয়;* বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দৰ্শনত এভুমুকি;* গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।

বাংলা গ্ৰন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচার্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।

ইংৰাজী গ্ৰন্থ ঃ

1) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.
2) Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.

৮.১০ অগ্ৰগতিৰ খতিয়ান

১নং প্ৰশ্নৰ উত্তৰ ঃ √ দৃশ্ ধাতুৰ পৰা দৰ্শন শব্দৰ উৎপত্তি হৈছে।

২নং প্ৰশ্নৰ উত্তৰ ঃ পুৰুষ সূক্ত, দেৱী সূক্ত, হিৰণ্যগৰ্ভ সূক্ত, নাসদীয় সূক্ত আদিত।

৩নং প্ৰশ্নৰ উত্তৰ ঃ সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত— এই ছটা আস্তিক দৰ্শনক ষড়্দৰ্শন বুলি কোৱা হয়।

৪নং প্ৰশ্নৰ উত্তৰ ঃ বেদৰ প্ৰামাণ্যক স্বীকাৰ কৰা দাৰ্শনিক সম্প্ৰদায়ক অস্তিক আৰু বেদৰ প্ৰামাণ্যক স্বীকাৰ নকৰা সম্প্ৰদায়সমূহ হ'ল নাস্তিক।

৫নং প্ৰশ্নৰ উত্তৰ ঃ শ্বেতাশ্বতৰ উপনিষদ, চৰকসংহিতা আদি।

৬নং প্ৰশ্নৰ উত্তৰ ঃ 'যোগ' শব্দৰ অর্থ হ'ল— 'চিত্ত বৃত্তিৰ নিৰোধ।'

৭নং প্ৰশ্নৰ উত্তৰ ঃ সঁচা।

৮নং প্ৰশ্নৰ উত্তৰ ঃ বৈশেষিক দৰ্শনে।

৯নং প্ৰশ্নৰ উত্তৰ ঃ উপনিষদ, গীতা আৰু ব্ৰহ্মসূত্ৰ।

১০নং প্ৰশ্নৰ উত্তৰ ঃ 'জৈন' শব্দটো 'জিন' শব্দৰ পৰা উৎপতি হৈছে।

৮.১১ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ 'দৰ্শন' শব্দটোৰ অর্থ লিখক।

প্ৰশ্ন ২ ঃ 'ষড়্দৰ্শন' মানে কি লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সাংখ্য দৰ্শনৰ চমু পৰিচয় লিখক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ ভাৰতীয় দৰ্শনৰ উৎপত্তি আৰু ক্ৰমবিকাশৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতীয় দৰ্শনৰ সাধাৰণ বৈশিষ্ট্যসমূহ বহলাই লিখক।

*** ***** ***

অধ্যায় ৯ঃ আস্তিক দর্শন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ সাংখ্য দর্শন
৯.৪ যোগ দর্শন
৯.৫ ন্যায় দর্শন
৯.৬ বৈশেষিক দর্শন
৯.৭ মীমাংসা দর্শন
৯.৮ বেদান্ত দর্শন
৯.৯ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
৯.১০ অধিক জানিবলৈ
৯.১১ অগ্রগতিৰ খতিয়ান
৯.১২ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় দর্শনৰ শাখাসমূহক বুজিবলৈ সক্ষম হ'ব,
- ভাৰতীয় দর্শনত আস্তিক আৰু নাস্তিক শব্দৰ অর্থ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব,
- ভাৰতীয় দর্শনৰ আস্তিক আৰু নাস্তিকৰ মাজত পার্থক্য নির্ণয় কৰিবলৈ সক্ষম হ'ব,
- ভাৰতীয় দর্শনৰ বিভিন্ন প্ৰকাৰ সম্প্ৰদায়সমূহৰ দার্শনিক ধাৰণাসমূহ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব।

৯.২ পৰিচয়

ভাৰতত 'ফিল'চফি' শব্দটোক 'দর্শন' বুলি কোৱা হয়। 'দর্শন' শব্দটো সংস্কৃত 'দৃশ' ধাতুৰ পৰা আহিছে, যাৰ অর্থ 'চোৱা' বা 'দেখা'। দর্শন হৈছে সত্তা বা সত্যৰ এক সামগ্ৰিক প্ৰত্যক্ষ বা উপলব্ধি। 'দর্শন' শব্দটো ইয়াত তত্তদর্শন, জগত আৰু জীৱনৰ স্বৰূপ উপলব্ধি ৰূপে গ্ৰহণ কৰা হৈছে। ই হৈছে সমগ্ৰ সত্তাৰ স্বৰূপৰ এক অর্ন্তদৃষ্টি। ভাৰতীয় দর্শনৰ মতামত, উৎস, পদ্ধতি আৰু অভিগমনৰ বিভিন্নতা আছে। ইয়াৰ বিভিন্ন শাখা বা সম্প্ৰদায়সমূহক সিহঁতৰ সাধাৰণ বৈশিষ্ট্যসমূহৰ ওপৰত ভিত্তি কৰি বিভিন্ন শ্ৰেণী বা সম্প্ৰদায়ত বিভক্ত কৰিব পৰা যায়। ইহঁতৰ সকলোৰে কেতবোৰ ব্যৱহাৰিক প্ৰয়োজনীয়তা আছে। আমি কিদৰে এটা অর্থপূর্ণ জীৱন যাপন কৰিব পাৰো? আমি চেষ্টা কৰিবলগীয়া জীৱনৰ লক্ষ্য কি? এই ব্যৱহাৰিক প্ৰয়োজনীয়তাৰ বাহিৰেও তেওঁলোকৰ আনৰ মতামতক স্বীকাৰ কৰাৰ দ্বাৰা দার্শনিক ভাৱৰ সাধাৰণ পদ্ধতিও আছে। কিন্তু সম্প্ৰদায়সমূহত বিভিন্নতা বেদৰ ওপৰত থকা তেওঁলোকৰ থিতাপি আৰু ভাৱ-ভঙ্গীৰ ওপৰতে প্ৰকাশ হয়। জ্ঞানৰ এক উপায় হিচাপে বেদৰ প্ৰামাণ্যতাৰ ওপৰত ভাৰতীয় দার্শনিক সম্প্ৰদায় সমূহে থিতাপি লোৱাটো হৈছে ইয়াৰ সাধাৰণ বৈশিষ্ট্য। কোনো শাখা বা সম্প্ৰদায়ে

সেই বিষয়টো এৰাই চলিব নোৱাৰে। এই সম্প্রদায়সমূহৰ কিছুমানে বেদক জ্ঞানৰ বৈধ উপায় হিচাপে গ্রহণ কৰে আৰু আনহাতে কোনো কোনোৱে গ্রহণ কৰা নাই।

ভাৰতীয় দর্শনত বেদে (veda) এক অতি গুৰুত্বপূর্ণ স্থান দখল কৰি আছে। বেদসমূহক মানুহে সহজে লাভ কৰিব পৰা আটাইতকৈ পুৰণি আক্ষৰিক লিখিত বৃত্তান্ত হিচাপে বিশ্বাস কৰা হয়। ভাৰতীয় দর্শনৰ উৎপত্তিক এই বেদসমূহত সহজে সন্ধান কৰিব পৰা যায়। বেদ চাৰিখন। সেয়া হৈছে: ঋক্‌বেদ, যজুৰবেদ, সামবেদ আৰু অথর্ববেদ। প্রত্যেক বেদ চাৰিটা অংগৰে গঠিত। মন্ত্র, ব্রাহ্মণ, আৰণ্যক আৰু উপনিষদ। উপনিষত দার্শনিক চিন্তাসমূহৰ আলোচনা বা উল্লেখ পোৱা যায় (আৰণ্যকে ধর্মীয় ৰীতি-নীতিৰ পৰা দার্শনিক চিন্তালৈ এক পৰিবর্তনক প্রতিনিধিত্ব কৰে)। সদর্থকভাৱেই হওঁক নাইবা নঞার্থকভাবেই হওঁক ভাৰতীয় দর্শন বেদৰ দ্বাৰা বাৰুকৈয়ে প্রভাৱান্বিত। বেদৰ সন্দর্ভত তিনিটা স্পষ্ট স্থিতি আছে, যাক ভাৰতীয় দর্শনৰ অন্তর্গত প্রত্যেকটো সম্প্রদায়ে গ্রহণ কৰিব লগীয়া হয়। সেয়া হ'ল-

১। বেদ হৈছে জ্ঞানৰ বৈধ উপায় আৰু দার্শনিক ৰীতি নীতিসমূহ এই বেদৰ পৰাই নি:সৃত হয়।

২। বেদ জ্ঞানৰ বৈধ উপায়, কিন্তু দার্শনিক ৰীতি নীতিসমূহক অন্যান্য উৎসৰ পৰাও নি:সৃত কৰিব পৰা যায়।

৩। বেদ জ্ঞানৰ বৈধ উপায় নহয়, আৰু দার্শনিক জ্ঞান ইয়াৰ পৰা কেতিয়াও নি:সৃত কৰিব পৰা নাযায়।

ইয়াৰ ভিতৰত সেইসকলক, যিসকলে প্রথম দুটা স্থিতি অৱলম্বন কৰে, তেওঁলোকক 'আস্তিক' আৰু আনহাতে যিসকলে তৃতীয়টো স্থিতি অৱলম্বন কৰে, তেওঁলোকক 'নাস্তিক' বোলা হয়। সংস্কৃত শব্দ 'আস্তিক' আহিছে 'অস্তি' ক্রিয়াপদৰ পৰা, যাৰ অর্থ 'আছে' বা 'অস্তিত্বশীল'। অর্থাৎ, ইয়াৰ দ্বাৰা সেইসকলক বুজায়, যিসকলে বেদৰ অস্তিত্ব স্বীকাৰ কৰে। আন এক পৰিপ্রেক্ষিতত, 'আস্তিক' শব্দৰ অর্থ ঈশ্বৰ বিশ্বাসী, অর্থাৎ যিসকলে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস কৰে। ভাৰতীয় দর্শনত 'আস্তিক' মানে এক শাখা বা সম্প্রদায়, যিয়ে বেদৰ কৃত্বর্ত্ব বিশ্বাস কৰে।

আস্তিক সম্প্রদায়সমূহ হৈছে ভাৰতীয় দর্শনৰ সেইবোৰ দার্শনিক সম্প্রদায়, যিয়ে বেদৰ কর্ত্তৃত্বক স্বীকাৰ কৰিছে। অর্থাৎ, আস্তিক সম্প্রদায়সমূহে বেদক অভ্রান্ত আৰু স্বতঃ সিদ্ধ আৰু একমাত্র প্রমান্য গ্রন্থ হিচাপে মানি লয়। আস্তিক সম্প্রদায়ৰ ভিতৰত ভাৰতীয় দর্শনৰ ছয়টা সম্প্রদায় আছে। যেনেঃ সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত। এই ছয়টা দার্শনিক সম্প্রদায়ক ভাৰতীয় দর্শনত ষড়দর্শন নামেৰে জনা যায়।

আকৌ, আস্তিক সম্প্রদায়ত দুই প্রকাৰৰ দার্শনিক সম্প্রদায় থকা দেখা যায়-

(i) কিছুমান সম্প্রদায় আছে, যিবোৰ প্রত্যক্ষ ভাৱে বেদনির্ভৰ। যেনেঃ মীমাংসা, আৰু বেদান্ত। এই দুটা সম্প্রদায়ৰ ভিতৰত প্রথমটোৱে বেদৰ ধর্মীয় ৰীতি নীতিৰ ওপৰত গুৰুত্ব প্রদান কৰিছে আৰু হয়টোৱে জ্ঞানৰ দিশটোৰ ওপৰত জোৰ দিছে।

(ii) আকৌ, কিছুমান সম্প্রদায় আছে, যি প্রত্যক্ষ ভাৱে বেদনির্ভৰ নহয়। তেওঁলোকৰ নিজস্ব দার্শনিক ভিত্তি আছে। সেইয়া হৈছে সাংখ্য, যোগ , ন্যায় আৰু বৈশেষিক।

এই ছয় আস্তিক নাইবা বৈদিক সম্প্রদায়ৰ ভিতৰত সাংখ্য আৰু মীমাংসা ঈশ্বৰ অবিশ্বাসী আৰু আনহাতে, ন্যায়, বৈশেষিক, যোগ আৰু বেদান্ত ঈশ্বৰ বিশ্বাসী সম্প্রদায়। সাংখ্য দর্শনে পুৰুষ আৰু প্রকৃতিৰ দ্বৈতবাদক পোষণ কৰে। মীমাংসাই ব্যক্তিগত আত্মা বা সত্তাৰ আৰু আত্মা অস্তিত্বশীল বাস্তৱ জগতৰ সত্যতাক স্বীকাৰ কৰে। যিহেতু সাংখ্য আৰু মীমাংসা ঈশ্বৰ অবিশ্বাসী, সেইবাবে, তেওঁলোকে জগতৰ সৃষ্টিকর্ত্তা হিচাপে ঈশ্বৰৰ ধাৰণাক নুই কৰিছে। এতিয়া আমি বিভিন্ন আস্তিক সম্প্রদায়সমূহৰ দার্শনিক ধাৰণা সমূহক চমুকৈ আলোচনা কৰোঁহক।

৯.৩ সাংখ্য দর্শন

সাংখ্য দর্শন ভাৰতীয় দর্শনৰ আটাইতকৈ পুৰণি সম্প্রদায়সমূহৰ এটা। মহর্ষি কপিলৰ দ্বাৰা ৰচিত 'সাংখ্যপ্রৱচণ সূত্র' ই হৈ এই দর্শনৰ মূল গ্রন্থ। কিন্তু এই গ্রন্থখন কালৰ সোঁতত হেৰায় যায় আৰু ইয়াক পাছত ঈশ্বৰকৃষ্ণই 'সাংখ্যকাৰিকা' নামৰ আন এক গ্রন্থ লিখি উলিয়ায়, যাক সাংখ্য দর্শনৰ প্রকৃত গ্রন্থ হিচাপে বিবেচনা কৰা হয়। সাখ্যা দর্শনে দুটা পৰম সত্য বা সত্ত্বাৰ তাত্ত্বিক দ্বৈততাক পোষণ কৰে। সেয়া হৈছে প্রকৃতি অর্থাৎ দ্রব্য আৰু পুৰুষ অর্থাৎ আত্মা। ইয়াৰ অস্তিত্বৰ পৰিপ্রেক্ষিতত এই দুই পৰম সত্ত্বা এটাৰ পৰা আনটো স্ততন্ত্র। 'সাংখ্য' শব্দটো 'সংখ্যা' শব্দৰ পৰা আহিছে, যাৰ অর্থ হৈছে 'সংখ্যা' (number) কাৰণ এই দর্শনে জ্ঞানৰ মূল বিষয়বোৰ গণনা কৰি সত্তাক জনাৰ প্রয়াস কৰে। এই দর্শন পঁচিছটা (২৫) বর্গ বা শ্রেণীৰ সৈতে জড়িত। কিন্তু ভাগৱত গীতাই এই শব্দটোক সম্যক জ্ঞান (Right knowledge) ৰ অর্থত ব্যৱহাৰ কৰিছে। সাংখ্য দর্শনো সম্যক জ্ঞানৰ দর্শন হৈছে প্রকৃতিৰ পৰা পুৰুষৰ বিচ্ছেদৰ জ্ঞান। সাংখ্য দর্শন তত্ত্বমূলক দর্শন, সাংখ্য আৰু যোগ দর্শন মিত্র দার্শনিক সম্প্রদায়। যোগ দর্শনে আমাক সাংখ্যদর্শনৰ তত্ত্বমূলক জ্ঞান বা শিক্ষণৰ অভ্যাস বা ব্যৱহাৰৰ বিষয়ে কয়। সাংখ্য দর্শনৰ মতে প্রকৃতিয়েই হৈছে জগতৰ চৰম বস্তুগত কাৰণ। প্রকৃত সকলো বস্তুৰে আদি কাৰণ আৰু সেইকাৰণেই প্রকৃতিৰ কোনো কাৰণ নাই। ই নিত্য, অসীম, অব্যক্ত, অচেতন আৰু একা সদা সক্রিয়া অসীম শক্তি। ই নিজৰ মাজৰ পৰাই বিকশিত হয় আৰু বিশ্ব-ব্রহ্মাণ্ডৰ বিনাশৰ কালছোৱাত পুনৰ বিলীন হৈ যায়। প্রকৃতি হৈছে সাম্যাৱস্থাত থকা তিনিটা গুণ (সত্ত্ব, ৰজ আৰু তম) ৰ এক সমাহাৰ। প্রকৃতিৰ গুণসমূহ লক্ষণ (qualities) নহয়; ই হৈছে উপাদান। গতিকে সত্ত্ব, ৰজ আৰু তম হ'ল চৰম দ্রব্য বা প্রকৃতিৰ উপাদান।

পুৰুষ বা আত্মা হৈছে বিষয় আৰু জ্ঞাতা। ই দেহ, ইন্দ্রিয়, মন আৰু বুদ্ধিৰ পৰা পৃথক। আত্মা জগতৰ যাৱতীয় বস্তুৰ অন্তর্গত নহয়। আত্মা, মস্তিষ্ক, স্নায়ু-মণ্ডল বা চৈতন্যপ্রৱাহ নহয়। প্রকৃতিৰ দৰে পুৰুষো শাশ্বত। ই শুদ্ধ, মুক্ত, বুদ্ধ আৰু শুদ্ধ চৈতন্য স্বৰূপ আৰু সর্বব্যাপী। পুৰুষ প্রকৃতিৰ দৰে সদাজাগ্রত নহয়, ই এক সুপ্ত সাক্ষী। ইয়ে হৈছে চৰম জ্ঞাতা বা কর্ত্তা আৰু সকলো জ্ঞানৰ মূল ভেঁটি। পৰিবর্ত্তন, ক্রিয়া, সুখ-দুখ ইত্যাদি সকলো মন, দেহ আৰু বুদ্ধিৰ পৰা উৎপাদিত। অজ্ঞানতাবশত: আমি আত্মাক বুদ্ধি, মন, ইন্দ্রিয় বা দেহৰ লগত একে বুলি ভুল কৰো। সাংখ্যই আত্মাৰ বহুত্বক স্বীকাৰ কৰে। এই মতটোক সাংখ্যদর্শনত ব হুপুৰুষবাদ ৰূপে জনা যায়।

সাংখ্য দর্শন নিৰীশ্বৰবাদী দর্শন। ই বিশ্ব ব্রহ্মাণ্ডৰ স্রষ্টা হিচাপে ঈশ্বৰৰ অস্তিত্বক বিশ্বাস নকৰে। সাংখ্য দর্শনৰ মতে, প্রকৃতিৰ মাত্র ক্রমবিকাশ ঘটে। এই ক্রমবিকাশ সম্ভৱ হৈ উঠে তেতিয়া, যেতিয়া প্রকৃতি পুৰুষৰ সান্নিধ্যলৈ আহে এই ক্রমবিকাশ উদ্দেশ্যধর্মী।

সাংখ্যদর্শনে কার্য্য-কাৰণৰ এক মতবাদ হিচাপে সৎকার্য্যবাদক পোষকতা কৰে। সৎকার্য্যবাদ মতবাদ অনুসৰি কার্য্যটো ইয়াৰ বস্তুগত কাৰণৰ মাজত পূর্বৰে পৰাই অস্তিত্বশীল হৈ থাকে। সাংখ্য দর্শনে বিশ্বাস কৰে যে প্রকৃতি হৈছে এই বিশ্বৰ বস্তুগত মূল কাৰণ আৰু সকলো বস্তুগত কার্য্য হৈছে প্রকৃতিৰেই পৰিণাম বা ফল। সেই কাৰণে, সাংখ্যৰ সৎকার্য্যবাদ মতবাদটোক প্রকৃতি পৰিণামবাদ ৰূপেও জনা যায়।

সাংখ্যই বৈধ জ্ঞান (প্রমাণ)ৰ তিনিটা উপায় স্বীকাৰ কৰে। সেয়া হ'ল, প্রত্যক্ষ (Perception), অনুমান (Inference) আৰু শব্দ বা আপ্তবাক্য (Testimony)

ভাৰতীয় দর্শনৰ অন্যান্য দার্শনিক সম্প্রদায়সমূহৰ লেখিয়াকৈ সাংখ্য দর্শনৰো মূল লক্ষ্য মানুহৰ জীৱনৰ সর্বোত্তম লক্ষ্য মুক্তি বা মোক্ষ লাভ। সাংখ্যৰ মতে জগতখন তিনি প্রকাৰৰ দুখেৰে পৰিপূর্ণ হৈ থাকে- আধ্যাত্মিক (শাৰীৰিক মানসিক কাৰণৰ পৰা পোৱা দুখ), আধিভৌতিক (প্রাকৃতিক কাৰণ যেনেঃ মানুহ, জীৱ-জন্তু, চৰাই পোক পতঙ্গ ইত্যাদিৰ পৰা হোৱা দুখ) আৰু আধিদৈৱিক (ভূত, প্রেত, দৈত্য আদিৰ দৰে আলৌকিক সত্তাৰ পৰা

হোৱা দুখ)। পুৰুষ আৰু প্ৰকৃতিৰ মাজৰ অজ্ঞানতা বা অ-সূক্ষ্মদৃষ্টিয়েই হৈছে বন্ধন আৰু দুখৰ কাৰণ। মোক্ষ বা মুক্তিৰ অৰ্থ হৈছে সকলো দুখৰ পৰা সম্পূৰ্ণ নিৰোধ আৰু ইয়াক লাভ কৰিব পৰা যায় পুৰুষ আৰু প্ৰকৃতি, আত্মা আৰু অ-আত্মাৰ মাজৰ প্ৰভেদ জ্ঞানৰ দ্বাৰা।

৯.৪ যোগ দর্শন

ঋষি পতঞ্জলি হৈছে যোগ দর্শনৰ পৰম্পৰাগত প্ৰতিষ্ঠাতা। 'যোগ- শব্দৰ অৰ্থ হৈছে ঐক্য বা সংযোগ, অৰ্থাৎ বিশ্বজনীন আত্মাৰ সৈতে ব্যক্তিগত আত্মাৰ একতা বা সংযোগ। যোগ দর্শনৰ সাংখ্য দর্শনৰ লগত যথেষ্ট মিল আছে। সাংখ্য মতবাদক এই দর্শনে ব্যৱহাৰিক জীৱনত প্ৰয়োগ কৰিছে। অৰ্থাৎ, সাংখ্য দর্শনৰ তত্বমূলক আদর্শসমূহৰ অনুধাৱনৰ বাবে যোগ দর্শন হৈছে এক ব্যৱহাৰিক মার্গ বা উপায়। যোগদর্শনে সাংখ্য দর্শনৰ জ্ঞানবিজ্ঞান আৰু পৰাবিদ্যাক গ্ৰহণ কৰিছে। যোগদর্শনে সাংখ্যদর্শনৰ দ্বাৰা স্বীকৃত বৈধ জ্ঞানৰ তিনিটা উপায় যেনেঃ প্ৰত্যক্ষ, অনুমান আৰু শব্দৰ লগতে পঁছিশটা তত্ত্বমূলক নীতিকো মানি লয়।

পৰম্পৰাগত যোগদর্শন নিৰীশ্বৰবাদী। কিন্তু যোগ দর্শনে আন আত্মাৰ পৰা পৃথক সর্বোচ্চ আত্মা হিচাপে ঈশ্বৰক বিশ্বাস কৰে। সেইকাৰণে, ইয়াক স্ব-ঈশ্বৰ সাংখ্য বোলা হয় আৰু আনহাতে, সাংখ্যদর্শনক নিৰীশ্বৰ সাংখ্য বোলা হয়।

যোগদর্শনৰ সংজ্ঞা চিত্তৰ পৰিবর্ত্তনৰ নিবৃত্তি হিচাপে নিৰূপন কৰা হয়। চিত্তৰ অৰ্থ হৈছে সাংখ্যৰ তিনি আভ্যন্তৰীণ অংগ- বুদ্ধি (Buddhi) অহংকাৰ (ahankara) আৰু মন (manas)। চিত্ত হৈছে প্ৰকৃতি প্ৰথম উৎপাদন য'ত সত্তই ৰজ আৰু তম গুণক দমন কৰি ৰাখে। চিত্ত মুখ্যতঃ অচেতন। কিন্তু আত্মা বা পুৰুষৰ সান্নিধ্যত থকাৰ হেতু চিত্তৰ প্ৰকাশ শক্তিৰে আত্মাৰ চৈতন্য প্ৰতিফলন কৰি দৃশ্যতঃ চেতন আৰু বুদ্ধিসম্পন্ন ৰূপে দেখা দিয়ে। চিত্ত অন্তৰেন্দ্ৰিয় মনৰ পৰা পৃথক। কিন্তু চিত্তই যেতিয়া মনৰ মাধ্যমেৰে এটা বস্তুৰ লগত সংযুক্ত হয়, তেতিয়া ই সেই বস্তুটোৰ আকাৰ লয়। এই 'আকাৰ' (form) ক কোৱা হয় 'বৃত্তি' (Vritti) নাইবা বিকাৰ। পুৰুষ বা আত্মা শুদ্ধ, চৈতন্য আৰু প্ৰকৃতিৰ সীমাবদ্ধতাৰ পৰা ই মুক্ত। আত্মাৰ কোনো বিকাৰ বা পৰিবর্তন নঘটে। তথাপি চিত্তৰ পৰিবর্তনশীল প্ৰক্ৰিয়া আৰু অৱস্থাসমূহত প্ৰতিফলিত হোৱাৰ কাৰণে মনত হয় যে চিত্ত বা মনৰ পৰিবর্তনবোৰ যেন আত্মাৰে ই হৈছে। সেইকাৰণে চিত্ত হৈছে আত্মাৰ প্ৰকাশৰ বাবে স্বাভাৱিক বস্তুবিষয়ক মাধ্যম।

যোগদর্শনৰ মতে চিত্তৰ পৰিবর্তন পাঁচ প্ৰকাৰৰ প্ৰমান বা যথার্থ জ্ঞান (true cognition); বিপর্য্যয় বা ভ্ৰান্ত জ্ঞান (False cognition) ; বিকল্প বা কেৱল মৌখিক জ্ঞান (verbal cognition); নিদ্ৰা(sleep) আৰু স্মৃতি (Memory)। যোগৰ অৰ্থ হৈছে চিত্তৰ পৰিবর্ত্তনৰ সম্পূৰ্ণ নিৰোধ (চিত্ত- বৃত্তি-নিৰোধ)

চিত্তৰ পৰিবর্তনৰ সৈতে নিজকে একে বুলি ভ ৰাটোৰেই হৈছে আত্মাৰ বন্ধনৰ কাৰণ আৰু সেইকাৰণে মোক্ষ বা মুক্তিৰ অৰ্থ পুৰুষ আৰু প্ৰকৃতিৰ মাজৰ প্ৰভেদৰ জ্ঞানৰ জৰিয়তে এই ভ্ৰান্ত চিনাক্তকৰণৰ অন্ত আৰু ইয়াক লাভ কৰিব পৰা যায় চিত্তৰ পৰিবর্তনৰ সম্পূৰ্ণ নিৰোধৰ দ্বাৰা। ইয়েই হৈছে যোগৰ মূল লক্ষ্য বা উদ্দেশ্য।

যোগ দর্শনত পাঁচপ্ৰকাৰৰ ক্লেশ বা যাতনাৰ উল্লেখ আছে। যেনেঃ অবিদ্যা বা ভ্ৰান্তজ্ঞান, অস্মিতা, ৰাগ, দ্বেষ আৰু অভিনিবেশ, যি হৈছে সকলো জীৱৰ মৃত্যুৰ প্ৰবৃত্ত্যাত্মক আৰু স্বাভাৱিক শংকা। এই ক্লেশ বা যাতনাৰ পৰা হাত সাৰিবলৈ চিত্তক দমন কৰিবই লাগিব। চিত্ত বা মনৰ মোহ মুক্তি আৰু শুদ্ধিৰ কাৰণে যোগদর্শনে অষ্টমার্গ বা আঠোটি অনুশাসন অভ্যাস কৰিবলৈ পৰামর্শ দিছে। সেয়া হ'ল- য়ম (Restraint), নিয়ম (Culture), আসন (Posture), প্ৰাণায়ম (Breath Contral), প্ৰত্যাহাৰ (Withdrawal of the senses) ধাৰণা (Attention, ধ্যান(Meditation) আৰু সমাধি (Concentration) । যোগ অভ্যাসৰ চৰম স্তৰেই সমাধি। এই স্তৰত মনটো

ধ্যানৰ বিষয়ত বিলীন হোৱাৰ ফলত ব্যক্তিগত মনটো হেৰাই যায়। জীৱনৰ নিজা অস্তিত্ব সম্পর্কে জ্ঞান নাথাকে। এই যোগাংগ সমূহ চিত্ত বা মনৰ পৰিবর্তনৰ সম্পূর্ণ নিৰোধ কৰিবলৈ কেতবোৰ উপায়, যি হৈছে যোগ দর্শনৰ মূখ্য লক্ষ্য।

৯.৫ ন্যায় দর্শন

ন্যায়দর্শনৰ প্রতিষ্ঠাপক মহর্ষি গৌতম, যাক অক্ষপাদ বুলিও জনা যায়। এই দর্শন তর্কীয় ভিত্তিৰ ওপৰত প্রতিষ্ঠিত এক বস্তুবাদী বা বাস্তৱবাদী (realistic) দর্শন। ভাৰতীয় দর্শনৰ অন্তর্গত এই দার্শনিক সম্প্রদায় মূল গ্রন্থ ন্যায়সূত্র। বৈশেষিক দর্শনৰ লগত ইয়াৰ সামঞ্জস্য আছে, যাক সমান তন্ত্র বা সমান্তৰাল দর্শন বুলি কোৱা হয়। ন্যায়ই তর্কবিজ্ঞান আৰু জ্ঞান বিজ্ঞানৰ বিকাশ ঘটাইছে, আনহাতে, বৈশেষিক দর্শনে পৰাবিদ্যা আৰু তত্ত্ব বিদ্যাৰ বিকাশ ঘটাইছে।

ন্যায় দর্শনত জ্ঞানক ধাৰণা বা বোধ হিচাপে সংজ্ঞা দিয়া হয়। ন্যায়ৰ মতে, জ্ঞানে বিষয় আৰু বস্তু উভয়কে প্রকাশ কৰে, যি এটাৰ পৰা আনটো পৃথক। সেই কাৰণে, ন্যায়ক এক বাস্তৱবাদী দার্শনিক সম্প্রদায় বোলা হয়। যথার্থ জ্ঞানক ন্যায় দর্শনত 'প্রমা' বোলা হয় আৰু ইয়াক এটা বস্তুৰ সম্যক ধাৰণা (যথার্থানুভৱ) হিচাপে সংজ্ঞা দিয়া হৈছে। ই সঙ্গঁতিবাদ মতবাদ (পৰার্থপ্রামান্য)ক সমর্থন কৰিছে। যিহেতু যথার্থ জ্ঞান 'প্রমা' বোলা হয়, সেয়ে, যথার্থ জ্ঞান লাভৰ উপায়ক 'প্রমাণ' বোলা হয়। যেনেঃ প্রত্যক্ষ, অনুমান, উপমান আৰু শব্দ বা আপ্তবাক্য।

নৈয়ায়িকসকলৰ মতে বিষয়ৰ লগত ইন্দ্রিয়ৰ সংযোগৰ ফলত যি যথার্থ আৰু অনিবার্য্য জ্ঞানৰ উৎপত্তি হয়, সিয়েই প্রত্যক্ষ (Perception)। গৌতমৰ মতে, প্রত্যক্ষৰ দুটা স্তৰ আছে; যেনেঃ নির্বিকল্পক (in-determinate) আৰু সবিকল্পক (determinate) প্রত্যক্ষ দুই প্রকাৰৰ- সাধাৰণ বা লৌকিক আৰু অসাধাৰণ বা অলৌকিক। বিষয়ৰ লগত ইন্দ্রিয়ৰ লৌকিক সন্নিকর্ষৰ ফলত উৎপত্তি হোৱা জ্ঞানক লৌকিক প্রত্যক্ষ বোলা হয়। আনহাতে, যেতিয়া বাহ্যিক বিষয়ৰ লগত ইন্দ্রিয় অলৌকিক সন্নিকর্ষ ঘটে তাক কোৱা হয় অলৌকিকক প্রত্যক্ষ। অলৌকিক প্রত্যক্ষত, লৌকিক প্রত্যক্ষৰ দৰে তেনে কোনো সাক্ষাৎ সম্বন্ধ নাথাকে। লৌকিক প্রত্যক্ষ আকৌ দুইপ্রকাৰৰ- বাহ্য আৰু মানস বা অন্তৰ। অলৌকিক প্রত্যক্ষ তিনি প্রকাৰৰ- সামান্যলক্ষণ প্রত্যক্ষ, জ্ঞানলক্ষণ প্রত্যক্ষ আৰু যোজও প্রত্যক্ষ।

ন্যায় দর্শনত অনুমানৰ সংজ্ঞা এনেধৰণেৰে দিয়া হৈছে— অনুমান হৈছে একপ্রকাৰৰ জ্ঞান, যিয়ে আন জ্ঞানৰ সম্ভেদ দিয়ে। অর্থাৎ, বিষয় বা বস্তুৰ প্রত্যক্ষ জ্ঞানৰ ওপৰত ভিত্তি কৰি অপ্রত্যক্ষিত বিষয়ৰ জ্ঞান লাভ কৰা প্রক্রিয়াই হৈছে অনুমান। প্রত্যেক অনুমানতে তিনিটা পদ থাকে- সাধ্যপদ, পক্ষপদ আৰু হেতুপদ। ন্যায় অনুমানত এইকেইটা পদক ক্রমে major term, minor term আৰু middle term, ৰূপে জনা যায়। অনুমান ৰ মূল ভিত্তি হৈছে সাধ্যপদ (major term) আৰু হেতুপদ (middle term)ৰ মাজৰ অনিবার্য্য সম্পর্ক। এই অনিবার্য্য সম্পর্কক ব্যাপ্তি (Vyapti) বোলা হয়। নৈয়ায়িকসকলে তিনি প্রকাৰৰ অনুমানৰ কথা উল্লেখ কৰিছে। উদ্দেশ্য অনুযায়ী অনুমানক দুটা শ্রেণীত বিভক্ত কৰিছে- যেনেঃ (১) স্বার্থানুমান আৰু (২) পৰার্থণুমান।

কাৰণতা অনুযায়ী অনুমান তিনি প্রকাৰৰ-

(ক) পূর্ববৎ অনুমান

(খ) শেষবৎ অনুমান আৰু

(গ) সামান্যতো দৃষ্টানুমান

আকৌ, হেতুপদ আৰু সাধ্যপদৰ মাজত ব্যাপ্তি সম্বন্ধ প্রতিষ্ঠা কৰাৰ বিভিন্ন পদ্ধতিৰ ভিত্তিত অনুমানক

তিনিটা ভাগত বিভক্ত কৰিছে-

(ক) কেৱললান্বয়ী অনুমান

(খ) কেৱল ব্যতিৰেকী অনুমান আৰু

(গ) অন্বয় ব্যতিৰেকী অনুমান

৯.৬ বৈশেষিক দর্শন

'বৈশেষিক সূত্র'ৰ ৰচক মহান ঋষি কনাদ্ নাইবা উলুক্য হৈছে বৈশেষিক দর্শনৰ প্রতিষ্ঠাতা। এই দর্শন ন্যায়দর্শনৰ লগত সম্পর্কযুক্ত। প্রশস্তপাদৰ 'পদার্থধর্মস্বগ্রহ হৈছে বৈশেষিক সূত্রৰ ওপৰত এক ভাষ্য। 'বৈশেষিক' শব্দটো 'বিশেষ' শব্দৰ পৰা আহিছে, যাৰ অর্থ 'বিশেষকৈ' নাইবা 'প্রভেদ'। বৈশেষিকই ইন্দ্রিয়জ বস্তু আৰু ব্যক্তিগত আত্মাৰ বহুত্ব আৰু পার্থক্যৰ ওপৰত অধিক জোৰ দিছে। সেইকাৰমে, বৈশেষিক দর্শনে বহুত্ববাদী বাস্তৱবাদক সমর্থন কৰিছে।

ন্যায় আৰু বৈশেষিক দুয়ো মিলিত দার্শনিক সম্প্রদায়। কিন্তু, ন্যায়ৰ দৰে বৈশেষিক দর্শনে চাৰি প্রকাৰৰ যথার্থ জ্ঞানৰ উপায়ক স্বীকাৰ কৰা নাই। বৈশেষিকসকলে কেৱল দুটা প্রমানকহে স্বীকাৰ কৰিছে। যেনেঃ প্রত্যক্ষ আৰু অনুমান, আৰু শব্দ বা আপ্তবাক্য আৰু উপমানক প্রত্যক্ষ আৰু অনুমানলৈ ৰূপান্তৰ কৰিছে।

বৈশেষিক দর্শনৰ প্রধান কাম পদার্থৰ সৈতে সম্পর্ক ৰখা। 'পদার্থ' (Category) হৈছে জ্ঞানৰ বস্তু, যি পদৰ দ্বাৰা প্রকাশিত হয়। বৈশেষিকসকলে মূলত ছয়টা পদার্থক বিশ্বাস কৰিছিল আৰু সাত নম্বৰ পদার্থ, অর্থাৎ 'অভাৱ' ক পিছত ইয়াৰ লগত যুক্ত কৰিছিল। সাতটা পদার্থ হৈছে দ্রব্য (Substance), গুণ (Quality), কর্ম (Action), সামান্য (Generality), বিশেষ (Particularity), সমবায় (inherence) আৰু অভাৱ (non - being)। সমগ্র বৈশেষিক দর্শন এই পদার্থসমূহৰ সবিস্তাৰ আলোচনাৰ ওপৰতেই কেন্দ্রিভূত হৈছে।

ন্যায়ৰ দৰে বৈশেষিক দর্শনেও অসৎকার্য্যবাদক সমর্থন কৰিছে, যাৰ অর্থ কার্য্য সৃষ্টিৰ পূর্বে ই তাৰ নির্দ্দিষ্ট কাৰণত নিহিত হৈ নাথাকে। কার্য্য হৈছে এক নতুন আৰম্ভনী।

বৈশেষিক দর্শনৰ মতে, বিশ্বব্রহ্মাণ্ডৰ সকলো সংযোজিত বস্তু গঠিত হয় ক্ষিতি বা পৃথিৱী (earth), অপ বা জল (water), তেজ (light) আৰু বায়ু (air) ৰ অনুৰ দ্বাৰা। সেয়ে বৈশেষিকসকলৰ সৃষ্টি সম্বন্ধীয় মতবাদক পৰমানুবাদ, (atomism) বুলি কোৱা হয়।

৯.৭ মীমাংসা দর্শন

জৈমিনী নাইবা যামিনী হৈছে ভাৰতীয় দর্শনৰ অন্তর্গত মীমাংসা দর্শনৰ প্রতিষ্ঠাতা আৰু তেওঁৰ 'মীমাংসা সূত্র' হৈছে এই দর্শনৰ মূল গ্রন্থ। 'মীমাংসা' শব্দৰ আক্ষৰিক অর্থ "অনুচিন্তন আৰু বিচাৰমূলক পৰীক্ষণেৰে কোনো সমস্যাৰ সমাধান।" মীমাংসা আৰু বেদান্ত দর্শন মিলিত সম্প্রদায়। এই দুয়ো দর্শন বেদৰ ওপৰত প্রতিষ্ঠিত। মীমাংসা দর্শন বেদৰ আদি খণ্ডৰ লগত জড়িত; অর্থাৎ, মন্ত্র আৰু ব্রাহ্মণ, যাক কোৱা হয় কর্মকাণ্ড। সেয়ে মীমাংসা দর্শনক পূর্ব-মীমাংসা আৰু কর্মমীমাংসা নামেৰেও জনা যায়। আনহাতে, বেদান্ত দর্শন বেদৰ অন্তিমখণ্ডৰ সৈতে জড়িত, অর্থাৎ ঔপনিষদ সমূহৰ সৈতে, যাক জ্ঞানকাণজ বোলা হয় আৰু সেইকাৰণে, বেদান্তক কোৱা হয় উত্তৰ-মীমাংসা। মীমাংসা ধর্মৰ লগত আৰু বেদান্ত ব্রহ্মৰ লগত জড়িত আৰু সেই মীমাংসাক ধর্ম-সীমাংসা আৰু বেদান্তক ব্রহ্মমীমাংসা বুলিও কোৱা হয়। মীমাংসা দর্শন মুখ্যত বেদৰ ধর্মীয় ৰীতি-নীতি আৰু বেদৰ ব্যাখ্যাৰ নিয়মাৱলীৰ বিষয়ে বৈদিক আজ্ঞা নাইবা আদেশৰ লগত জড়িত।

প্রভাকৰ আৰু কুমাৰীল ভট্টৰ দ্বাৰা প্রতিষ্ঠিত মীমাংসা দর্শনৰ দুটা প্রধান সম্প্রদায়, আছে। তেওঁলোক দুয়ো জৈমিনীৰ মীমাংসাসূত্রৰ প্রধান ভাষ্যকাৰ।

প্রভাকৰৰ মতে, যথার্থ জ্ঞান হৈছে অনুভূতি। কুমাৰীল ভট্টই যথার্থ জ্ঞানৰ সংজ্ঞা এটা বস্তুৰ বেধ হিচাপে দেখুওৱাইছে, যি দোষৰ পৰা মুক্ত কাৰণৰ দ্বাৰা উৎপাদিত হয় আৰু যি আন জ্ঞানৰ দ্বাৰা বাধাপ্রাপ্ত নহয়। মীমাংসা দর্শনে স্বতঃ প্রামাণ্যবাদ মতবাদ (self-evidence theory) ক সমর্থন কৰিছে, যাৰ অর্থ সকলো জ্ঞান স্বতঃ সিদ্ধ ভাৱে বৈধ। ই আন জ্ঞানৰ দ্বাৰা প্রমাণিত নহয়। সেইকাৰণে, ইয়াক ন্যায় দর্শনৰ দ্বাৰা সমর্থিত পৰত প্রামাণ্যবাদৰ দ্বাৰা বিৰোধিতা কৰা হৈছে। প্রভাকৰ আৰু কুমাৰীল, দুয়োজনৰ বাবে, জ্ঞান নিজে এক প্রমাণ নাইবা জ্ঞানৰ উপায়. জৈমিনীৰ বাবে, তিনি প্রকাৰৰ প্রমাণ আছে প্রত্যক্ষ, অনুমান আৰু শব্দ বা আপ্তবাক্য। কিন্তু প্রভাকৰে পাঁচ প্রকাৰৰ প্রমাণক মানি লৈছে। সেয়া হ'ল প্রত্যক্ষ (perception), অনুমান (inference), শব্দ বা আপ্তবাক্য (testimony), উপমান (comparision) আৰু অর্থাপত্তি (postulation)। কুমাৰিল ভট্টই আন এটা প্রমাণকো স্বীকাৰ কৰিছে। সেয়া হৈছে অনুপলব্ধি (non-perception)।

মীমাংসা দর্শন বহুত্ববাদী বাস্তৱবাদ (Pluralistic Realism)। ই বাহ্যিক জগতৰ সত্যতা, ব্যক্তিগত আত্মা বা মনৰ বহুত্ব, আৰু অগনণ পৰমাণুক বিশ্বাস কৰে। (কিন্তু কুমাৰিলই কয় যে সকলো মীমাংসকেই পৰমাণুক বিশ্বাস নকৰে।) মীমাংসা দর্শনে কর্মবাদ আৰু স্বর্গ-নৰকক বিশ্বাস কৰে। ই বহুতো দেব-দেৱীকো বিশ্বাস কৰে, যিসকলক বলি-বিধানৰ জৰিয়তে পূজা-পাতল কৰা হয়। কিন্তু এই দর্শনে এই জগতৰ সৃষ্টি কর্ত্তা, ৰক্ষাকর্ত্তা আৰু সংহাৰকর্ত্তা ৰূপে এজন ঈশ্বৰৰ বিশ্বাসক নুই কৰিছে। জগতখন যেনে, সদায় তেনেই থাকে। জগতক সৃষ্টি কৰাও হোৱা নাই, ধ্বংসও কৰিব নোৱাৰি। কর্মবাদ এক স্বশাসিত প্রাকৃতিক নিয়ম, যিয়ে জগতখনক শাসন কৰে। সেয়ে, মীমাংসাই নিৰীশ্বৱাদক সমর্থন কৰে। মীমাংসকসকলৰ মতে, বেদ হৈছে শাশ্বত আৰু অসান্ত। কিন্তু ঈশ্বৰ বেদৰ কর্ত্তা নহয়। বেদসমূহ স্বয়ং অস্তিত্বশীল।

৯.৮ বেদান্ত দর্শন

বাদৰায়নৰ 'ব্রহ্মসূত্র' হৈছে বেদান্ত দর্শনৰ মূলগ্রন্থ, যিয়ে ঔপনিষদিক বাণীসমূহক শ্রেণীবদ্ধ কৰে। 'বেদান্ত' শব্দৰ অর্থ হৈছে 'বেদৰ অন্ত'। উপনিষদসমূহ বেদৰ অন্ত। সেই কাৰণে বেদান্ত দর্শন উপনিষদসমূহৰ পৰাই উদ্ভৱ হৈছে। যিহেতু বেদান্ত দর্শন বেদৰ শেষখণ্ডৰ অর্থাৎ, জ্ঞানকাণ্ডৰ সৈতে, সম্পর্কযুক্ত, সেয়ে ইয়াক উত্তৰমীমাংসা নাইবা জ্ঞানসীমাংসা বুলিও কোৱা হয়। উপনিষদসমূহ বেদৰ সমাপ্তিৰ অংশ হোৱাৰোপৰি, বেদৰ সাৰমর্মত্ত। উপনিষদ, ব্রহ্মসূত্র আৰু গীতাক প্রস্থানত্রয় (Prasthanatraya) বোলা হয় আৰু এই তিনি হৈছে বেদান্ত দর্শনৰ মৌলিক কর্ম।

যদিও বাদ্ৰায়ণৰ 'ব্রহ্মসূত্র' বেদান্ত দর্শনৰ মূল গ্রন্থ, তথাপি পিছত বহুতো লেখকে সূত্রসমূহৰ ওপৰত টীকা ব্যাখ্যা কৰিছে। সেই টীকাকাৰসকলৰ মাজত শংকৰাচার্য্য আৰু ৰামানুজ অতি গুৰুত্বপূর্ণ।

শংকৰৰ বেদান্ত দর্শনক অদ্বৈত বেদান্ত দর্শন বোলা হয়। তেওঁৰ মতে আত্মা হ'ল "নির্বিশেষ চিৎ মাত্রম"- দেহ আৰু মন ধ্বংস হ'লেও আত্মা অবিকৃত হৈয়ে থাকে। প্রকৃত সত্বা বা অস্তিত্বা আৰু চৈতন্য একেলগে অৱস্থান কৰে। আত্মা আনন্দ স্বৰূপ। শংকৰাচার্য্যৰ মতে আত্ম সত্য, সর্বব্যাপী, স্বয়ংসিদ্ধ, নির্বিশেষ, ভেদৰহিত, অসীম আৰু নিজ মহিমাত প্রতিষ্ঠিত। তেওঁৰ মতে ব্রহ্ম আৰু আত্মা অভিন্ন। ব্রহ্মক সচ্চিদানন্দ বুলি কোৱা হয়। সৎ, চিৎ আৰু আনন্দ ব্রহ্মৰ স্বৰূপ। জগতখন অৱাস্তৱ। ই কেৱল এক অৱভাসহে আৰু এই অৱভাস হৈছে মায়াৰ সৃষ্টি। যদিও আত্মা আৰু ব্রহ্ম একে, তথাপি অজ্ঞনতাবশত ব্যক্তি আত্মাই নিজকে ব্রহ্মৰ পৰা পৃথক জ্ঞান কৰে আৰু

ব্রহ্মক জগত ৰূপে ভ্রান্ত ধাৰণা গঠন কৰে। যেতিয়া ব্যক্তিগত আত্মা আৰু ব্রহ্মৰ অভিন্ন ঐক্য সন্দর্ভত সম্যক জ্ঞানৰ উদয় হয়, লগে লগে অবিদ্যা নাশ হয় আৰু সেয়াই হৈছে মোক্ষ বা মুক্তি।

ৰামানুজৰ বেদান্তক বিশিষ্টা দ্বৈতবাদ নামেৰে জনা যায়। ৰামানুজৰ মতেও ব্রহ্মই একমাত্র সত্য, অদ্বিতীয় আৰু ভেদৰহিত, কিন্তু ইয়াৰ অন্তর্ভুত পার্থক্য আছে। ব্রহ্মৰ দুটা আভ্যন্তৰীণ অংশ আছে চিৎ আৰু অচিৎ। ব্যক্তিগত আত্মা (জীৱ) চিৎৰ পৰা বিকশিত হয় আৰু জগতৰ বিকাশ হয় অচিৎৰ পৰা। ৰামানুজে তিনিটা বস্তু স্বীকাৰ কৰে, যি চৰম আৰু বাস্তৱ (তত্ত্ব-ত্রয়। সেয়া হৈছে ঈশ্বৰ, আত্মা আৰু দ্রব্য। যদিও এই তিনিওটা সমানে সত্য বা বাস্তৱ কিন্তু তথাপিও শেষৰ দুটা ঈশ্বৰৰ ওপৰত নির্ভৰ শীল। ৰামানুজৰ বাবে ব্রহ্ম একজৈৱিক একতা, এক পৰিচিতি, যি ভিন্নতাৰ গুণেৰে পূর্ণ। সেই বাবে, তেওঁৰ মতবাদক বিশিষ্টদ্বৈতবাদ (monism) বোলা হয়। তেওঁৰ মতে, ঈশ্বৰ গুণবিহীন নহয়, দ্রব্য আৰু আত্মা তেওঁৰ গুণ। ঈশ্বৰ জগতৰ উপাদান কাৰণ আৰু নিমিত্ত কাৰণ উভয়েই। তেওঁ সকলো ভাল গুণ যেনেঃ অস্তিত্ব, জ্ঞান আৰু পৰম সুখ; সত্য, শ্রেয়, আৰু সুন্দৰ; প্রেম আৰু শক্তি আদিৰে সমৃদ্ধ। জীৱৰ বন্ধনৰ কাৰণ অবিদ্যা আৰু কর্ম। মোক্ষ লাভ কৰিবলৈ জীৱই তেওঁলোকৰ কর্মৰ দ্বাৰা সৃষ্ট প্রতিবন্ধকসমূহ নাইকীয়া কৰিব লাগিব। কর্ম জ্ঞান আৰু ভক্তি বা উপাসনাৰ মাধ্যমেৰে মোক্ষ লাভ কৰিব পৰা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সংস্কৃত কোনটো শব্দৰ পৰা 'দর্শন' শব্দৰ উৎপত্তি হৈছে।

.....

প্রশ্ন নং ২ ঃ ভাৰতীয় দর্শনৰ আস্তিক সম্প্রদায়সমূহ কি কি?

.....

প্রশ্ন নং ৩ ঃ সাংখ্য দর্শনৰ মতে দুটা চৰম সত্তা কি কি?

.....

প্রশ্ন নং ৪ ঃ ভাৰতীয় দর্শনৰ কোনটো সম্প্রদায়ক 'শেষবৰ সাংখ্য' বোলা হয়?

.....

প্রশ্ন নং ৫ ঃ ভাৰতীয় দর্শনৰ ন্যায় শাখাৰ প্রৱর্তক কোন?

.....

৯.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতীয় দর্শনক দুটা বহল শ্রেণীত বিভক্ত কৰা হৈছে- আস্তিক আৰু নাস্তিক।
- সংস্কৃত 'আস্তিক' শব্দটো মূল ধাতু 'অস্তি'ৰ পৰা নিঃসৃত হৈছে। ইয়াৰ- অর্থ 'আছে' বা 'অস্তিত্বশীল'। অর্থাৎ, যাৰ অস্তিত্ব আছে। নাস্তিক (ন + আস্তিক) শব্দটো 'অস্তিক'ৰ নঞার্থক।
- ভাৰতীয় দর্শনত আস্তিক মানে সেইবোৰ দার্শনিক সম্প্রদায়, যিবোৰে বেদৰ অস্তিত্ব স্বীকাৰ কৰে আৰু আনহাতে, সেইবোৰ সম্প্রদায় নাস্তিক, যিয়ে বেদৰ অস্তিত্ব বিশ্বাস নকৰে।
- ভাৰতীয় দর্শনত ৬ টা আস্তিক সম্প্রদায় আছে- সাংখ্য, যোগ, ন্যায়, বৈশেষিক, মীমাংসা আৰু বেদান্ত। আৰু নাস্তিক সম্প্রদায় আছে ৩ টা চার্বাক, বৌদ্ধ আৰু জৈন।
- যোগ দর্শন হৈছে সাংখ্য দর্শনৰ আদর্শ বোৰৰ অনুধাৱণৰ বাবে ব্যৱহাৰিক মার্গ যোগ দর্শনৰ মূল লক্ষ্য চিত্ত বৃত্তি নিৰোধ নাইবা চিত্ত বা মনৰ পৰিবর্তনৰ নিৰোধ।

- সাংখ্য দর্শনে পুৰুষ আৰু প্ৰকৃতিৰ তাত্ত্বিক দ্বৈতবাদ বিশ্বাস কৰে। এই দর্শনৰ মতে, প্ৰকৃতি (বিশ্ব)ৰ ক্ৰমবিকাশ ঘটে। এই ক্ৰমবিকাশ সম্ভৱ হয়, যেতিয়া প্ৰকৃতি পুৰুষৰ সান্নিধ্যলৈ আহে। এই ক্ৰমবিকাশ উদ্দেশ্যমুলক।
- ন্যায় দর্শন বৈশেষিক দর্শনৰ সৈতে প্ৰায় একে, যাক সমানতন্ত্ৰ বা সদৃশ দর্শন বোলা হয়। ন্যায় দর্শনে তর্ক বিজ্ঞান আৰু জ্ঞান বিজ্ঞানৰ বিকাশ ঘটাইছে আৰু আনহাতে বৈশেষিকই পৰাবিজ্ঞান আৰু তত্ব বিজ্ঞানৰ বিকাশ ঘটইছে।
- বৈশেষিক দর্শনে সাতবিধ পদার্থক বিশ্বাস কৰে। সেইকেইটা হৈছে - দ্ৰব্য, গুণ, কর্ম, সামান্য, বিশেষ, সমবায় আৰু অভাৱ। সমগ্ৰ বৈশেষিক দর্শন এই পদার্থসমূহ আলোচনাতেই কেন্দ্ৰীভুত হৈ আছে।
- মীমাংসা দর্শন মুলতঃ বেদৰ ধর্মীয় ৰীতি-নীতি আৰু ইয়াৰ ব্যাখ্যাৰ নিয়মাৱলীৰ বিষয়ে বৈদিক আজ্ঞা নাইবা আদেশৰ সৈতে জড়িত। কুমাৰিল ভট্ট আৰু প্ৰভাকৰৰ দ্বাৰা প্ৰতিষ্ঠিত মীমাংসা দর্শনৰ প্ৰধানকৈ দুটা শাখা আছে। তেওঁলোক জৈমিনীৰ 'মীমাংসা সূত্ৰ'ৰ প্ৰধান ভাষ্যকাৰ।
- যদিও বাদ্ৰায়ণৰ 'ব্ৰহ্মসূত্ৰ' বেদান্ত দর্শনৰ মূল গ্ৰন্থ, তথাপি পিচলৈ বহুতো লেখকে সূত্ৰসমূহৰ ওপৰত টীকা ব্যাখ্যা কৰিছে। সেই টীকাৰসকলৰ মাজত লেখত লবলগীয়া হ'ল শঙ্কৰাচার্য্য আৰু ৰামানুজ।
- চার্বাক দর্শনক ভাৰতীয় বস্তুবাদ হিচাপেও জনা যায়, কিয়নো এই দর্শনৰ মতে, দ্ৰব্যই এই জগতৰ একমাত্ৰ সত্তা বা সত্য। মন আৰু বিবেক এই দ্ৰব্যৰ পৰাই উৎপত্তি হৈছে। দ্ৰব্য চাৰি প্ৰকাৰৰ- ক্ষিতি, অপ, তেজ আৰু বায়ু।
- জৈনসকলে চব্বিশজন তীর্থংকৰক বিশ্বাস কৰে। ইয়াৰ ভিতৰত প্ৰথমজন হৈছে ঋষভদেৱ আৰু শেষৰজন তীর্থংকৰ মহাবীৰ।
- বুদ্ধই মানুহক দুখ, দুখৰ কাৰণ, দুখ-নিবৃত্তি আৰু দুখ নিবৃত্তিৰ উপায় আদি গুৰুত্বপূর্ণ প্ৰশ্নবোৰৰ ওপৰত আলোকিত কৰিবলৈ প্ৰয়াস কৰিছিল। বুদ্ধই দিয়া এই প্ৰশ্নবোৰৰ উত্তৰসমূহকে বৌদ্ধ দর্শনত 'চাৰি আর্য্যসত্য' ৰূপে জনা যায়।

৯.১০ অধিক জানিবলৈ

১) Sharma, C.D. (2003), A Critical Survey of Indian Philosophy, Motilal Banarasidass Publishers Pvt. Ltd., Delhi.

২) Chatterjee, S. & Dutta, D.M. (1984), An Introduction to Indian Philosophy, Calcutta University Press, Kolkata.

৩) Sinha, P.T. (1992), The Philosophical Tradition of India, Motilal Banarasidass Publishers. Pvt. Ltd. Delhi.

৪) Sinha. J.N. (1998), Outlines of Indian Philosophy, New Central Book Agency (D) Ltd., Kolkata.

৫) Radhakrishnan, S. (1993), Indian Philosophy, Vol. I & II, Oxford University Press. New Delhi.

৬) Hiriyanna, M. (2005), Qutlines of Indian Philosophy. Motilal Banarasidass Publishers. Pvt. Ltd. Delhi.

৯.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ 'দর্শন' শব্দটো সংস্কৃত 'দৃশ' ধাতুৰ পৰা আহিছে।

২ নং প্রশ্নৰ উত্তৰ ঃ সাংখ্য, যোগ, ন্যায় বৈশিষক, মীমাংসা আৰু বেদান্ত।

৩ নং প্রশ্নৰ উত্তৰ ঃ পুৰুষ আৰু প্রকৃতি।

৪ নং প্রশ্নৰ উত্তৰ ঃ যোগ দর্শন।

৫ নং প্রশ্নৰ উত্তৰ ঃ মহর্ষি গৌতম।

৯.১২ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ 'দর্শন' বুলিলে কি বুজে?

প্রশ্ন ২ ঃ ভাৰতীয় দর্শনত কেইটা আস্তিক সম্প্রদায় আছে?

প্রশ্ন ৩ ঃ ভাৰতীয় দর্শনৰ সাংখ্য দর্শনৰ মতে জগতৰ চৰম বস্তুগত কাৰণ কি?

প্রশ্ন ৪ ঃ যোগ দর্শনত কিমান যোগাংগ আছে।

প্রশ্ন ৫ ঃ ঋষি গৌতমৰ মতে প্রত্যক্ষৰ কেইটা স্তৰ আছে?

প্রশ্ন ৬ ঃ জৈমিনীৰ মীমাংসা-সূত্রৰ যি কোনো দুজন ভাষ্যকাৰৰ নাম লিখক?

প্রশ্ন ৭ ঃ 'প্রস্থানত্রয়' কি?

*** ***** ***

অধ্যায় ১০ঃ নাস্তিক দর্শন

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য
১০.২ পৰিচয়
১০.৩ চার্বাক দর্শন
১০.৪ জৈন দর্শন
১০.৫ বৌদ্ধ দর্শন
১০.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
১০.৭ অধিক জানিবলৈ
১০.৮ অগ্রগতিৰ খতিয়ান
১০.৯ আৰ্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতীয় দর্শনৰ নাস্তিক সম্প্রদায়ৰ বিষয়ে জানিব পাৰিব।
- চার্বাক, বৌদ্ধ আৰু জৈন দর্শনৰ মূল দার্শনিক মতবাদসমূহ সুশৃংখলভাৱে বুজিব পাৰিব।
- বৌদ্ধ তথা জৈন দর্শনৰ বিভিন্ন দার্শনিক শাখাৰ বিষয়েও জ্ঞাত হ'ব।

১০.২ পৰিচয়

ভাৰতত 'ফিল'চফি' শব্দটোক 'দর্শন' বুলি কোৱা হয়। দর্শন শব্দটো সংস্কৃত 'দৃশ্' ধাতুৰ সৈতে অনট্ বা ল্যুট্ প্রত্যয় যোগে নিষ্পন্ন হৈছে। 'দৃশ্' ধাতুৰ অর্থ 'দেখা' বা 'প্রত্যক্ষ' কৰা। অর্থাৎ যথার্থ সত্যক দেখা বা উপলব্ধি কৰা। সত্যক কেৱল জানিলেই নহয়, ব্যৱহাৰিক জীৱনত তাক প্রয়োগ কৰাটোও এটা উদ্দেশ্য। মানুহৰ প্রকৃতি কি? জীৱনৰ শেষ ক'ত? যিখন পৃথিৱীত মানুহ বাস কৰে সেই পৃথিৱীৰ স্বৰূপ কি? মৃত্যুৰ লগে লগে জীৱনৰ পৰিসমাপ্তি ঘটে নেকি? আমাক কোনে লালন-পালন কৰে? জগতৰ উৎপত্তি কেনেকৈ হ'ল? এনেকুৱা অসংখ্য প্রশ্ন তথা সমস্যাৰ লগতে সমাধানৰ বিষয়ে ভাৰতীয় দর্শনত আলোচনা কৰা হৈছে। সেয়েহে ভাৰতীয় দর্শনক 'সত্যদর্শন' বুলিও কোৱা হয়।

ভাৰতীয় দার্শনিকৰ দৃষ্টিভঙ্গীত দর্শন আৰু ধর্ম একেটা সূত্রতে আৱদ্ধ। তেওঁলোকৰ মতে ধর্ম কেৱল মাত্র নৈতিক নিয়ম নহয়, সত্যৰ বাস্তৱ অভিজ্ঞতাই হৈছে ধর্ম আৰু সত্যৰ তাত্ত্বিক অনুসন্ধানেই হৈছে দর্শন। আনহাতে আধ্যাত্মিক সত্যৰ উপলব্ধিকেই দর্শন বুলিও কোৱা হয়, কাৰণ আধ্যাত্মিক উপলব্ধিৰ দ্বাৰাহে আত্মজ্ঞানৰ উপলব্ধি হয়। এই আত্মজ্ঞানৰ জৰিয়তে মোক্ষ লাভ কৰিব পাৰি। সেয়েহে ভাৰতীয় দর্শনক 'মোক্ষশাস্ত্র' বুলিও কোৱা হয়।

বেদৰ প্রামাণ্য স্বীকাৰ কৰা-নকৰাৰ ওপৰত ভিত্তি কৰি ভাৰতীয় দর্শনক প্রধানকৈ দুটা শাখাত বিভক্ত কৰা হৈছে- আস্তিক আৰু নাস্তিক। ভাৰতীয় দর্শনৰ অন্তর্গত যিসকল দার্শনিক সম্প্রদায়ে বেদ অভ্রান্ত আৰু একমাত্র প্রামাণ্য গ্রন্থ হিচাপে গ্রহণ নকৰে, তাক নাস্তিকদর্শন বোলা হয়। চার্বাক, জৈন আৰু বৌদ্ধ এই তিনিওটা ভাৰতীয়

দর্শনৰ নাস্তিক দার্শনিক সম্প্রদায়। এতিয়া এই সম্প্রদায়কেইটাৰ দার্শনিক ধাৰণাসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰোঁহক।

১০.৩ চার্বাক দর্শন

চার্বাক দর্শন হৈছে ভাৰতীয় দর্শনৰ নাস্তিক বা অবৈদিক দার্শনিক সম্প্রদায় সমূহৰ মাজৰ এক দার্শনিক সম্প্রদায়। এই দর্শনৰ প্রতিষ্ঠাতাৰ সন্দর্ভত বিভিন্ন মতামত থকা দেখা যায়। কোনো কোনোৱে কয় যে এসময়ত 'চার্বাক' নামৰ এজন, ঋষি আছিল আৰু তেওঁৰ নামানুসাৰেই এই দর্শনৰ নাম চার্বাক দর্শন হৈছে। আন কিছুমানৰ মতে, বাচস্পতি, যি ঈশ্বৰৰ গুৰু, তেঁৱেই এই দর্শন প্রৱর্তন কৰিছে। চার্বাকদর্শনক লোকায়ত দর্শন বুলিও কোৱা হয়, যাৰ অর্থ সাধাৰণ লোকৰ মতামত, কাৰণ এই দর্শন সর্ব-সাধাৰণ লোকৰ মাজত সর্বপ্রিয় আছিল। চার্বাকসকলৰ দার্শনিক মতবাদ 'লোক' অর্থাৎ সাধাৰণ মানুহৰ 'আয়ত' অর্থাৎ বোধগম্য বুলি এই দর্শনক লোকায়ত দর্শন নামেৰেও অভিহিত কৰা হয়।

চার্বাকসকলৰ মতে প্রত্যক্ষই একমাত্র প্রমাণ অর্থাৎ যথার্থ জ্ঞানার্জনৰ একমাত্র উপায়। ইন্দ্রিয়াদিৰ দ্বাৰা পোনপটীয়া ভাবে যি জ্ঞান লাভ কৰা যায়, তাকে প্রত্যক্ষ জ্ঞান বোলে। তেওঁলোকৰ মতে প্রত্যক্ষত পোৱা জগতখনে একমাত্র সত্য। যিবোৰ বস্তুক প্রত্যক্ষ পাব পাৰি, সিয়েই কেবল সত্য। যি বোৰ বস্তুক ইন্দ্রিয়াদিৰ দ্বাৰা পাব নোৱাৰি, সেই অসত্য বা অবাস্তব। চার্বাকসকলে অনুমান আৰু শব্দ বা আপ্তবাক্যক যথার্থ জ্ঞান অর্জনৰ উপায় হিচাপে প্রত্যাখান কৰিছে, কিয়নো অনুমান আৰু শব্দই আমাক নিশ্চিত জ্ঞান দিব নোৱাৰে।

চার্বাক সম্প্রদায়ৰ মতে দ্রব্যই হৈছে একমাত্র সত্তা বা সত্য আৰু মনও বিবেক দ্রব্যৰে উৎপত্তি। দ্রব্য চাৰিপ্রকাৰৰ ক্ষিতি (earth), অপ্ (water), তেজ (fire) আৰু বায়ু (air)। তেওঁলোকৰ মতে এই জড় জগত এই চাৰিবিধ দ্রব্যৰ দ্বাৰা গঠিত। চার্বাকসকলে 'ব্যোম' বা আকাশ (ether)ৰ অস্তিত্ব অস্বীকাৰ কৰিছে। কিয়নো ইয়াক ইন্দ্রিয়ৰ মাধ্যমেৰে সাক্ষাৎভাৱে পাব নোৱাৰো বা প্রত্যক্ষ লব্ধ নহয়। যাকে, প্রত্যক্ষ কৰিব নোৱাৰি, যি সত্য নহয়। সেই কাৰণে, চার্বাকসকলৰ বাবে, ঈশ্বৰ, আত্মা, পৰমাত্মা, পূর্বজন্ম, পৰজন্ম আদিৰো অস্তিত্ব নাই। এই পার্থিব জীৱনেই একমাত্র জীৱন। স্বর্গ আৰু নৰকৰ ধাৰণাও সত্য নহয়, কাৰণ ইয়াক প্রত্যক্ষ কৰিব নোৱাৰি। সেইকাৰণেই, চার্বাক দর্শনক ভাৰতীয় বস্তুবাদ বা বাস্তৱবাদ (Indian materialism) আখ্যা দিয়া হয়।

চার্বাকসকল সুখবাদী (hedonist)। 'hedone' শব্দৰ অর্থ সুখ (pleasure)। তেওঁলোকক সুখবাদী এইবাবেই কোৱা হয় যে, তেওঁলোকৰ মতে মানুহৰ জীৱনৰ চৰম লক্ষ্য সুখ লাভ। তেওঁলোকৰ বাবে দুখক যিমানখিনি সম্ভৱ আঁতৰাই অধিক পৰিমানৰ সুখ লাভ কৰাই মানুহৰ জীৱনৰ উদ্দেশ্য হোৱাটো উচিত। তেওঁলোকৰ নৈতিক আদর্শ হৈছে 'খোৱা-পিয়া আৰু স্ফুর্টি কৰা (eat- drink and be merry)। কিয়নো এই জীৱনেই শেষ জীৱন, ইয়াৰ পিছত আৰু কোনো পৰজন্ম নাথাকে।

১০.৪ জৈন দর্শন

'জৈন' শব্দটো আহিছে 'জিন' শব্দৰ পৰা, যাৰ অর্থ 'বিজেতা'; অর্থাৎ, যিজনে সকলোধৰণৰ আৱেগ (ৰাগ-দ্বেষ), আকাংক্ষাক জয় কৰি মুক্তি লাভ কৰে। জৈনসকলে মুঠ চব্বিশজন তীর্থংকৰ নাইবা এই বিশ্বাসৰ প্রৱর্ত্তকক বিশ্বাস কৰিছিল জৈন মতবাদ এই চব্বিশজন তীর্থংকৰৰ উপদেশাৱলীৰ ওপৰতে ভিত্তি কৰি গঢ়ি উঠিছে। এই তীর্থংকৰসকলৰ প্রথমজন আছিল ঋষভ দেৱ আৰু শেষৰজন আছিল মহাবীৰ।

জৈনসকলে ঈশ্বৰক বিশ্বাস নকৰে, কিন্তু মুক্ত আত্মা বা তীর্থংকৰসকলক সন্মান কৰে, যিসকলে তেওঁলোকৰ

নিজা প্রচেষ্টাত সকলো আবেগ, অনুভূতি, আকাংক্ষাক জয় কৰি মোক্ষ লাভ কৰে।

জৈন দর্শনত জ্ঞানক পৰোক্ষ আৰু অপৰোক্ষ -এই দুভাগত ভাগ কৰিছে। কোনো কর্মৰ দ্বাৰা বাধা নোপোৱাকৈ আত্মাই যেতিয়া বস্তুৰ সত্তাক ইন্দ্রিয়াদিৰ সহায় নোলোৱাকৈ জানিব পাৰে, তাকেই প্রকৃততে অপৰোক্ষ জ্ঞান বোলে। মানসিক ভাৱ-অনুভূতি আদি সম্পর্কে লাভ কৰা জ্ঞানসমূহ অপৰোক্ষ জ্ঞান। জৈনসকলে অপৰোক্ষ জ্ঞান তিনি ভাগত ভাগ কৰিছে; যেনে- অবধি জ্ঞান, মনঃ পর্যায় জ্ঞান আৰু কেৱল জ্ঞান। যেতিয়া জীৱই আংশিকভাৱে কর্মক নিধন কৰিব পাৰে তেতিয়া তেওঁ বস্তু সম্পর্কে এটা অস্পষ্ট সাক্ষাৎ জ্ঞান লাভ কৰিব পাৰে। এনেকুৱা জ্ঞান যিহেতু সীমিত, গতিকে ইয়াক অৱধি (সীমিত) জ্ঞান বোলে।

যেতিয়া জীৱই হিংসা, ঈর্ষা আদি ত্যাগ কৰিব পাৰে, তেতিয়া আনৰ মনৰ অতীত আৰু বর্তমান আদিক জানিব পাৰে। এনেকুৱা জ্ঞানক মনঃ পর্যায় জ্ঞান বোলে।

যেতিয়া জীৱৰ সকলো প্রকাৰৰ কর্ম ক্ষয় হৈ ইন্দ্রিয়াদি তথা মন আয়ত্ত হয় তেতিয়া সকলো জৈৱিক ৰিপুসমূহ, সাংসাৰিক কামনা-বাসনা, লোভ-মোহাদি নাইকীয়া হয়। মানুহে তেতিয়া চৈতন্যময় শুদ্ধ অবস্থা এটা লাভ কৰে। এই অৱস্থাত জীব মুক্ত, অসীম হয় আৰু ভূত-ভবিষ্যৎ, বর্তমান সকলোৰে সাক্ষাৎ জ্ঞান লাভ কৰিব পাৰে। এই অৱস্থাকে কৈৱল্য বোলে। এই অৱস্থাত লাভ কৰা জ্ঞানকে কেবল জ্ঞান বোলে।

ইন্দ্রিয়ৰ মাধ্যমেৰে জীৱই যি জ্ঞান লাভ কৰে তাক পৰোক্ষ জ্ঞান বোলে। এই জ্ঞান দুবিধ- মতি আৰু শ্রুত। ইন্দ্রিয় আৰু মনৰ মাধ্যমত মতি জ্ঞান লাভ হয়; যেনে- স্মৃতি, অনুমান আদি। প্রামাণ্য জ্ঞানক শ্রুত বোলে। বেদ, শ্রুতি আদি গ্রন্থ বা কোনো বিশ্বাসযোগ্য ব্যক্তিৰ উক্তি, বাণী আদিৰ পৰা যি জ্ঞান লাভ হয় তাকে শ্রুত বোলে।

মতিজ্ঞানৰ কেইবাটাও স্তৰ আছে- অবগ্রহ, ঈহা, অবায় আৰু ধাৰণা। প্রথমতে জীৱই ইন্দ্রিয়ৰ মাধ্যমেৰে এক নির্দিষ্ট সংবেদন পায়। কিন্তু সংবেদন কিহৰ সেই বিষয়ে নাজানে। এই প্রাথমিক অনুভূতিৰ চেতনাক অবগ্রহ বোলে। ইয়াৰ পিছৰ স্তৰত সেই অনুভূতিৰ সম্পর্কে জানিবলৈ প্রশ্ন জাগে। মনৰ এই অৱস্থাটোকে ঈহা বোলে। ইয়াৰ পিছৰ স্তৰত অনুভূতি সম্পর্কে এটা সিদ্ধান্ত হয়। এই স্থিৰ সিদ্ধান্তটোক অবায় বোলে। সর্বশেষত সিদ্ধান্তটোক জ্ঞান ৰূপে মনত সঞ্চিত কৰা হয়, ইয়াকে ধাৰণা বোলে।

এইখিনিতে উল্লেখ কৰা ভাল হ'ব যে জৈন দর্শনে বেদৰ প্রামাণ্য স্বীকাৰ কৰা নাই। আনহাতে জ্ঞানৰ ব্যৱহাৰিক প্রয়োজনীয়তাৰ বাবে প্রমাণৰ তিনিটা মূল উপাদানকে গ্রহণ কৰিছে, যেনে- প্রত্যক্ষ, অনুমান আৰু শব্দ বা সাক্ষ্য। প্রত্যক্ষ জ্ঞান হ'ল স্পষ্ট জ্ঞান। অন্য জ্ঞানৰ সহায় নোলোৱাকৈ যেতিয়া কোনো বস্তুৰ সবিশেষ জ্ঞান পোৱা যায় তেতিয়া সেই জ্ঞানেই স্পষ্ট জ্ঞান। এই দর্শনে নির্বিকল্প প্রত্যক্ষৰ অস্তিত্ব আৰু যথার্থতা স্বীকাৰ নকৰে। এই জ্ঞান স্পষ্ট নহয়।

জৈনসকলে দুবিধ অনুমানৰ কথা কয়- স্বার্থানুমান আৰু পৰার্থানুমান। স্বার্থানুমানত অনুমান কৰোতাজনে প্রথমতে হেতু আৰু ব্যাপ্তিক জানি লৈ সিদ্ধান্তলৈ গতি কৰে। পৰার্থানুমানত কিছুমান অৱয়বৰ আলম লৈহে সিদ্ধান্তলৈ যাব লগা হয়। এই অৱয়ব দুটাৰ পৰা দহোটা পর্য্যন্ত হ'ব পাৰে।

শব্দজ্ঞান আপ্তবচনৰ পৰা হোৱা জ্ঞান। যি সত্য কথা কয়, যি কামনা-বাসনা, লোভ-মোহ অতিক্রম কৰিব পাৰে তেঁৱেই আপ্ত। জৈনসকলে শব্দজ্ঞানক দুই ভাগত ভাগ কৰিছে- লৌকিক আৰু লোকোত্তৰ। সাধাৰণ বিশ্বাসযোগ্য ব্যক্তিৰ বচন হ'ল লৌকিক আৰু তীর্থঙ্কৰৰ কথা হ'ল লোকোত্তৰ।

জৈনদর্শনৰ মতে, প্রত্যেক বস্তুৰে অসংখ্য গুণ আছে আৰু আমি অর্থাৎ সর্বসাধাৰণ মানুহে সেইবোৰ গুণৰ কেৱল কিছুমান গুণহে জানিব পাৰে। কেৱল সর্বজ্ঞসকলেহে সকলো গুণৰে সৈতে এটা বস্তুৰ অপৰোক্ষ জ্ঞান পাব পাৰে কেৱল জ্ঞানৰ জৰিয়তে। মানুহৰ জ্ঞান আপেক্ষিক আৰু সীমিত আৰু সেয়ে আমাৰ সকলো

অৱধাৰণা আপেক্ষিক আৰু সীমিত আৰু সেয়ে আমাৰ সকলো অৱধাৰণা 'স্যাদ' নাইবা 'হ'ব পাৰে' বুলি গণ্য কৰিব লাগে। জৈনসকলৰ জ্ঞানবিজ্ঞান সম্পৰ্কীয় আৰু তৰ্কবিজ্ঞান সম্পৰ্কীয় মতামতক স্যাদ্‌বাদ (Syadvada) বোলা হয়।

জৈন দৰ্শনৰ স্যাদ্‌বাদ মতবাদটো অতি বৈশিষ্টপূৰ্ণ মতবাদ। স্যাদ্‌বাদ শব্দটোৰ অৰ্থ 'সম্ভৱত' বা 'একপক্ষে' অৰ্থাৎ হ'বও পাৰে নহ'বও পাৰে। তেওঁলোকৰ মতে বস্তুময় জগতখনৰ যথাৰ্থতা সম্পৰ্কে কোনো প্ৰকাৰৰ নিৰপেক্ষ বচন বা পৰামৰ্শ প্ৰকাশ কৰিব নোৱাৰি। বস্তু অনন্ত গুণসম্পন্ন। গতিকে বস্তুৰ অনন্ত গুণসমূহ প্ৰত্যক্ষ কৰি সাধাৰণ মানুহে কোনো নিৰপেক্ষ পৰামৰ্শ দিব নোৱাৰে। একমাত্ৰ কেৱল জ্ঞানী এজনেহে সম্য দৃষ্টিৰ দ্বাৰা বস্তুৰ এনে বিচিত্ৰ সত্তা প্ৰত্যক্ষ কৰিব পাৰে। জৈন দৰ্শনৰ মতে বস্তুৰ সত্তা বহুমুখী। গতিকে স্থান-কাল আৰু ব্যক্তিবিশেষে নিজা নিজা দৃষ্টিভঙ্গীৰে সত্যৰ এটা আংশিক জ্ঞানহে লাভ কৰিব পাৰে। এনে আংশিক জ্ঞানক জৈনসকলে 'নয়' বুলি উল্লেখ কৰিছে। সাধাৰণতে বস্তু এটা যি দৃষ্টিকোণৰ পৰা লক্ষ্য কৰা হয়, তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই সেই সিদ্ধান্ত কৰা হয়। এনে আপেক্ষিক আৰু সীমিত পৰামৰ্শক নিৰপেক্ষ বুলি প্ৰকাশ কৰাৰ ফলত সত্য সম্পৰ্কে নানাজনৰ নানামতৰ সৃষ্টি হয়, ফলত অনেকান্তবাদৰ উৎপত্তি। সেইবাবেই, পৰামৰ্শটো আপেক্ষিক অৰ্থত 'এক প্ৰকাৰে' বুলি প্ৰকাশ কৰিলে বিষয়বস্তু সম্পৰ্কে যুক্তিসংগত মত দিয়া বুলি ক'ব পাৰি।

জৈন দৰ্শনৰ স্যাদ্‌বাদৰ ভিত্তি হৈছে সত্তাৰ অনিৰ্বচনীয় ৰূপ। জৈন দৰ্শনৰ মতে কোনোটোৱেই সত্য নহয়, উভয়েই আপেক্ষিক সত্যহে। গতিকে কোনো নিৰপেক্ষ পৰামৰ্শৰ দ্বাৰা অনিৰ্বচনীয় সত্তাৰ যথাৰ্থতা প্ৰকাশ কৰিব নোৱাৰি।

স্যাদ্‌বাদে জৈন দৰ্শনত গুৰুত্বপূৰ্ণ স্থান অধিকাৰ কৰি আছে। এই স্যাদ্বাদৰ অন্তৰালত থকা নীতিয়ে তেওঁলোকক যুক্তিবাদী কৰি তুলিছে। জৈন দৰ্শনে অন্যান্য দাৰ্শনিক সম্প্ৰদায়ৰ মতবোৰ অস্বীকাৰ নকৰি সেইবোৰ আংশিক সত্য হিচাপে গ্ৰহণ কৰিছে আৰু নিজা মতসমূহকো চূড়ান্ত সত্য বুলি দাবী নকৰি সেইবোৰ পৰিশোধন কৰাৰ পথ মুকলি ৰাখিছে।

জৈনসকলে দৰ্শাত্মক একান্তবাদৰ পৰা মুক্ত থাকি তেওঁলোকৰ তৰ্কবিজ্ঞান তথা ভাৰতীয় দৰ্শনৰ তৰ্কবিজ্ঞানৰ ভেটি সুদৃঢ় কৰিব পাৰিছে তেওঁলোকৰ আপেক্ষিক পৰামৰ্শবাদৰ জৰিয়তে। অৰ্থাৎ জৈনসকল অনেকান্তবাদী। প্ৰতিটো বস্তুৱেই অনেকান্ত, একান্ত নহয়।

জৈনসকলে জগতৰ সত্যতাক বিশ্বাস কৰে আৰু পোষণ কৰে যে জগতখন দুই ধৰণৰ সত্তাৰে গঠিত। যেনেঃ জীৱ আৰু অজীৱ। জীৱৰ জীৱন আৰু চৈতন্য আছে। আনহাতে, অজীৱৰ জীৱন ও চৈতন্যৰহিত। জগতত বহুতো জীৱ আছে আৰু ইয়াক মুক্ত (Liberate) আৰু বদ্ধ (in bondage) - এই দুই শ্ৰেণীত ভাগ কৰা হৈছে। যিবোৰ জীৱই কৰ্মক জয় কৰে আৰু সৰ্বজ্ঞ হয় সেইবোৰক মুক্ত জীৱ বোলে। বদ্ধ জীৱ দুই প্ৰকাৰৰ- ত্ৰস আৰু স্থাৱৰ। গতিশীল জীৱবোৰেই হ'ল ত্ৰস। চেতনাৰ স্তৰ অনুসৰি ত্ৰসৰ দুটাৰ পৰা পাঁচোটালৈকে জ্ঞানেন্দ্ৰিয় থাকিব পাৰে। গতিহীন জীৱই হৈছে স্থাৱৰ জীৱ। ই বাস কৰে মাটি, পানী, জুই, বতাহ আৰু উদ্ভিদ শ্ৰেণীৰ মাজত। ইহঁতৰ মাত্ৰ স্পৰ্শচেতনা থাকে।

আনহাতে, অজীৱক পাঁচ ভাগত বিভক্ত কৰা হৈছে। যেনে ঃ পুদ্‌গল (matter) কাল (time), আকাশ (space), ধৰ্ম (motion) আৰু অধৰ্ম (rest)।

ক) পুদ্‌গল ঃ অজীৱ দ্ৰব্য হৈছে পুদ্‌গল, আকাশ, কাল, ধৰ্ম আৰু অধৰ্ম। জৈন দৰ্শনত পদাৰ্থক পুদ্‌গল বোলে। বিভিন্ন অংশ একগোট হৈ পদাৰ্থই দেহ সৃষ্টি কৰে, আকৌ অংশবোৰ বিচ্ছিন্ন হৈ দেহৰ বিনাশ ঘটায়। পদাৰ্থৰ মৌলিক উপাদানবোৰ হৈছে অণু। জৈন দৰ্শনৰ মতে মন, বাক্য, উশাহ-নিশাহ আদিও পদাৰ্থ বা অণুৰ দ্বাৰা গঠিত।

পদার্থৰ চাৰিটা গুণ আছে- স্পর্শ, গন্ধ, স্বাদ আৰু বর্ণ। শব্দক পদার্থৰ গুণ বুলি নধৰে। জৈনসকলৰ মতে শব্দ ঘটনাৰ পৰিৱেশত উদ্ভৱ হোৱা পদার্থৰ এটা গুণ। দৰাচলতে অণুৰ মাজতো এই গুণবোৰ আছে। অণুবোৰৰ মাজত গুণগত পার্থক্য নাই, কিন্তু গুণ চাৰিটা যুক্ত হৈ পৰাৰ পাছত সিহঁতৰ পার্থক্যই দেখা দিয়ে। পদার্থই অতি সূক্ষ্ম ৰূপত কর্ম পদার্থৰ উৎপত্তি কৰে। যিটো আত্মাৰ সৈতে জড়িত হয় তাক সংসাৰত আবদ্ধ কৰে।

খ) আকাশ ঃ পদার্থ বা দেহে যাৰ মাজত বিস্তৃতি লাভ কৰে, তাকেই আকাশ বা স্থান বোলা হয়। জীৱ, পুদ্‌গল, ধর্ম, অধর্ম সকলো অস্তিকায় দ্রব্যই আকাশৰ মাজত বিস্তৃত হয়। দৰাচলতে আকাশ এটা অস্তিত্বশীল অজীৱ দ্রব্য। যদিও ইয়াক প্রত্যক্ষ কৰিব নোৱাৰি, অনুমানৰ দ্বাৰা ইয়াৰ অস্তিত্বক জানিব পাৰি। পদার্থৰ গতি, ওজন আদিৰ বিষয়ে আকাশৰ পৰাই জানিব পাৰি। জৈনসকলৰ মতে দুই প্রকাৰৰ আকাশ আছে- লোকাকাশ আৰু আলোকাকাশ। জাগতিক দ্রব্যৰে পৰিপূর্ণ আকাশক লোকাকাশ বোলে। আনহাতে, যাৰ মাজত কোনো এটা বিস্তৃতি ঘটা নাই তাকে আলোকাকাশ বোলে।

গ) কাল বা সময় ঃ কালৰ বিস্তৃতি নাই, ই একক আৰু অবিভাজ্য। ই বিভিন্ন স্থানত একেই থাকে। ই অসীম আৰু অপ্রত্যক্ষ। ইয়াক পৰোক্ষভাবে ইয়াৰ লক্ষণসমূহৰ পৰা জানিব পাৰি। ধাৰাবাহিকতা, পৰিৱর্তন, ক্রিয়া আৰু গতি, পৰত্ব, অপৰত্ব আদি কালৰ লক্ষণ। জাগতিক সকলো বস্তুৰ মাজত পৰিলক্ষিত গুণসমূহ কালেই সম্ভৱ কৰি তোলে। জৈনসকলে কালক দুটা ভাগত ভাগ কৰিছে- পাৰমার্থিক আৰু ব্যৱহাৰিক। পাৰমার্থিক কালৰ ধাৰাবাহিকতা আছে। ব্যৱহাৰিক কাল হৈছে কিছুমান মুহূর্তৰ সমষ্টি। ব্যৱহাৰিক কাল ঘণ্টা, মিনিট, ছেকেণ্ড, দিন, মাহ হিচাপে ব্যৱহাৰ কৰা হয়। ইয়াৰ বাবেই সকলো পৰিবর্তন সম্ভৱ হয়।

ঘ) ধর্ম আৰু অধর্ম ঃ ধর্ম আৰু অধর্মই জাগতিক সকলোবোৰ বস্তুৰ স্থিতি আৰু গতিক সম্ভৱ কৰি তোলে। ধর্ম নামৰ দ্রব্যটোৱে বস্তুক গতিশীল হ'বৰ বাবে সহায় কৰে। আনহাতে, অধর্ম দ্রব্যই গতিশীল দ্রব্যক স্থিৰ কৰি তুলিব পাবে। অর্থাৎ ধর্ম হ'ল গতিশীলতাৰ লক্ষণ আৰু অধর্ম হৈছে স্থিৰভাৰ লক্ষণ। ইহঁত দুটাৰ অস্তিত্ব অনুমানৰ দ্বাৰা পৰোক্ষভাবে জানিব পাৰি। ইহঁত নিজে নিষ্ক্রিয় আৰু আকাৰহীন।

চার্বাকৰ বাহিৰে ভাৰতীয় দর্শনৰ আন সকলোবোৰ দার্শনিক সম্প্রদায়ৰ দৰে জৈন দর্শনেও মোক্ষ বা মুক্তিক জীৱনৰ সর্বোচ্চ আদর্শ ৰূপে গ্রহণ কৰিছে। জৈনৰ মতে, আত্মাৰ বন্ধন হয় শৰীৰ নাইবা দ্রব্যৰ লগত হোৱা ইয়াৰ সংযোগৰ পৰা। অবিদ্যাৰ হেতু আত্মা দ্রব্যৰ সৈতে সংযোজিত হৈ পৰে আৰু এনেদৰেই পার্থিৱ দুখ-কষ্ট ভোগ কৰে। অৱশ্যে, সম্যক জ্ঞানৰ দ্বাৰা এই অবিদ্যা দূৰ কৰিব পৰা যায়। সেইবাবে, সম্যক জ্ঞানেই হৈছে মোক্ষৰ কাৰণ। এই সম্যক জ্ঞানৰ উদয় হয় তীর্থংকৰসকলৰ শিক্ষনৰ ওপৰত থকা বিশ্বাসৰ দ্বাৰা। সেয়েহে, সম্যক দর্শন, সম্যক জ্ঞান আৰু সম্যক চৰিত্রয়ে একেলগে মোক্ষৰ পথ নির্মাণ কৰে। এই কেইটা হৈছে জৈন দর্শনৰ 'তিনি ৰত্ন' (Triratna)।

১০.৫ বৌদ্ধ দর্শন

বৌদ্ধ দর্শন হৈছে ভাৰতীয় দর্শনৰ নাস্তিক সম্প্রদায়সমূহৰ ভিতৰৰ এটা। গৌতম বুদ্ধ এই দর্শনৰ প্রতিষ্ঠাতা। তিনিখন পিটকত এই দর্শনৰ সাৰমর্ম পোৱা যায়- বিনয় পিটক, সুত্ত পিটক আৰু অভিধর্ম পিটক। বুদ্ধদেৱৰ দর্শনৰ মূল কথা হ'ল- সংসাৰত সকলো ক্ষণস্থায়ী। মানুহে নিজৰ কর্মৰ ফলত মুক্তি লাভকৰিব পাৰে। বুদ্ধদেৱৰ মহা পৰিনির্বাণৰ পিছত শিষ্যসকলৰ মাজত দার্শনিক প্রশ্ন কিছুমান লৈ মতভেদ সৃষ্টি হোৱাৰ ফলত বৌদ্ধ ধর্ম দুভাগত ভাগ হয়- মহাযান আৰু হীনযান। বুদ্ধ প্রকৃতার্থত আছিল এজন নৈতিক গুৰু আৰু সংস্কাৰক। ৰোগ ব্যাধি, বার্ধক্য আৰু মৃত্যুৰ দৃশ্যত পোৱা দুখেৰে গৌতম বুদ্ধ বা সিদ্ধার্থ ভাঙি পৰিছিল। তেওঁ দুখ-যন্ত্রনাৰ পৰা উপশমৰ উপায়

বিচাৰি জগতক পৰিত্যাগ কৰিছিল। এনেদৰেই বহুবছৰ ধ্যানৰ ফলত তেওঁ ইয়াৰ কাৰণ আৱিষ্কাৰ কৰিছিল আৰু লগতে ইয়াৰ পৰা পৰিত্রাণৰ উপায়ো বিচাৰি পাইছিল। এনেদৰেই তেওঁ এদিন জ্ঞানৰ পোহৰেৰে উদ্ভাসিত হৈ উঠিছিল আৰু বুদ্ধ নামেৰে জ্ঞাত হৈ পৰিছিল। বুদ্ধৰ বাণী বা শিক্ষাসমূহ প্রয়োগবাদী আছিল। তেওঁ তাত্রিক ধাৰণাবোৰৰ আলোচনাৰ ওপৰত অকনো গুৰুত্ব দিয়া নাছিল, কিয়নো সেইবোৰৰ কোনো ব্যৱহাৰিক প্রয়োজনীয়তা নাথাকে। ইয়াৰ পৰিবর্ত্তে, বুদ্ধই মানুহক দুখ, দুখৰ কাৰণ, ইয়াৰ নিৰোধ আৰু নিৰোধৰ উপায় ইত্যাদি গুৰুত্বপূর্ণ প্রশ্নৰ ওপৰতহে জ্ঞানোদীপ্ত কৰিবলৈ প্রয়াস কৰিছিল। বুদ্ধদেৱে আগবঢ়োৱা এই প্রশ্নসমূহৰ যি উত্তৰ, সেইবোৰক বৌদ্ধদর্শনৰ চাৰি আর্য্য সত্য (চত্বাৰি আর্য্যসত্যানি) ৰূপে জনা যায়। সেয়া হৈছে- (১) দুখ আছে (There is suffering) (২) দুখৰ কাৰণ আছে (There is a cause of suffering) (৩) দুখৰ নিবৃত্তি আছে (There is a cessation of suffering) (৪) দুখ নিবৃত্তিৰ পথ আছে (There is a way to cessation of sufferings)

১ ম আর্য্যসত্য হৈছে যে জীৱনত দুখ আৰু অর্থাৎ মানুহ সমগ্র জীবন আৰু জগত দুখেৰে ভৰপুৰ। জন্ম দুখপূর্ণ, ব্যাধি দুখপূর্ণ, বার্ধক্য দুখপূর্ণ, মৃত্যু দুখপূর্ণ। তদুপৰি, প্রিয়জনৰ বিচ্ছেদত দুখ, অপ্রিয়জনৰ সংযোগত দুখ, আকাংক্ষাত দুখ, হতাশাত দুখ, উৎকণ্ঠাত দুখ সমগ্র জগত এনেবোৰ দুখৰ এক বিৰাট অগ্নিকুণ্ড। কোনো মানুহ এই দুখৰ পৰা পলাব নোৱাৰে।

২য় আর্য্যসত্যটো কার্য্যকাৰণ সম্বন্ধৰ লগত জড়িত। প্রত্যেক ঘটনাৰে একোটা নিদৃষ্টকাৰণ থাকে। এই জগতৰ সকলো বস্তু বা ঘটনা চর্তসাপেক্ষ, আপেক্ষিক আৰু সীমাবদ্ধ, বিনা কাৰণত জগতত কোনো ঘটনাই সংঘটিত নহয়। দুখ যিহেতু এক জাগতিক ঘটনা। গতিকে দুখৰো কাৰণ আছে। জীৱনৰ দুখ-যন্ত্রণাৰ উৎপত্তিক বুদ্ধদেবে তেওঁৰ 'প্রতীত্য সমুৎপাদবাদ' (Dependent Origination) মতবাদেৰে ব্যাখ্যা কৰিছে। এই মতবাদৰ অর্থ এয়ে যে কোনো ঘটনা চর্তবিহীন নহয়।। অর্থাৎ জগতৰ প্রত্যেক ঘটনা একোটা নিদৃষ্ট কাৰণৰ ওপৰত নির্ভৰশীল, আকস্মিকভাবে একোৱেই নঘটে। বুদ্ধৰ মতে দুখৰ এক কাৰণতাৰ শিকলি আছে আৰু ই বাৰটা অংশবিশিষ্ট। সেয়ে ইয়াক বৌদ্ধদর্শনত দাদ্বশ-নিদান নাইবা ভৰচক্র বোলা হয়। এই আঠোটা অংগ হৈছে ক্রমে- ১। জৰা-মৰণাদি (Old age and death) ২। জাতি বা জন্ম (Birth) ৩। ভব (will to be born) ৪। উপাদান (mental dinging to the object) ৫। তৃষ্ণা (desire for objects) ৬। বেদনা (sense-experience) ৭। স্পর্শ (Sense object contact) ৮। ষড়ায়ন (the six sense orgens) ৯। নাম-ৰূপ (mind-body) ১০। বিজ্ঞান (Consciousness) ১১। সংস্কাৰ (impressious of past experience) আৰু ১২। অবিদ্যা (ignonance)। বুদ্ধদেৱৰ মতে অবিদ্যা-ই হৈছে দুখৰ মূল কাৰণ।

বুদ্ধৰ ৩য় আর্য্যসত্যটো হৈছে দুখৰ নিবৃত্তি আছে। যদি অবিদ্যাক নাইকীয়া কৰিব পৰা যায়, তেন্তে দুখৰো সমাপ্তি হ'ব। গতিকে, দুখৰ যে কেৱল কাৰণ আছে, তেনে নহয়; সেই দুখৰ নিবৃত্তিও আছে। দুখৰ নিবৃত্তিয়ে, মোক্ষৰ পিনে আগুৱাই নিয়ে, যাক বৌদ্ধদর্শনত কোৱা হয় নির্বাণ।

বুদ্ধদেৱৰ মতে ৪র্থ আর্য্যসত্যটো হৈছে দুখ নিবৃত্তিৰ পথ আছে, যাৰ অনুসৰণৰ দ্বাৰা দুখ যন্ত্রণা নাইকীয়া কৰিব পাৰি আৰু ফলস্বৰূপে নির্বান লাভ কৰিব পৰা যায়। এই মার্গ আঠোতা অঙ্গৰে গঠিত। সেয়ে ইয়াক অষ্টাংগিক মার্গ (eight-fold path) বোলা হয়। সেয়া হৈছে সম্যক দৃষ্টি (Right vision); সম্যক সংকল্প (Right resolve); সম্যকবাক্ (Right speech); সম্যক কর্মান্ত (Right conduct); সম্যক অজীৱ (Right livelyhood) সম্যক ব্যায়াম (Right effort); সম্যক স্মৃতি (Right-mindfulness) আৰু সম্যক সমাধি (Right concentration)। এই কেইটা মার্গ অনুসৰণৰ দ্বাৰা এজন লোকে নির্বাণ লাভ কৰিব পাৰে, যি মানুহৰ জীৱনৰ সর্বোচ্চ লক্ষ্য।

কিন্তু পিছলৈ বুদ্ধৰ অনুসৰণকাৰীসকলে এই দর্শনৰ দার্শনিক মতবাদসমূহৰ প্রসাৰ আৰু সম্প্রসাৰণ ঘটায়,

যাৰ ফলত বৌদ্ধদর্শনৰ চাৰিটা সম্প্রদায়ৰ সৃষ্টি হয়। যেনে ঃ মাধ্যমিক নাইবা শূন্যবাদ, যোগচাৰ নাইবা বিজ্ঞানবাদ, সৌত্রান্তিক আৰু বৈভাষিক সম্প্রদায়।

ক) মাধ্যমিক দর্শন বা শূন্যবাদ ঃ এই দার্শনিক মতবাদৰ প্রতিষ্ঠাপক হ'ল নাগার্জুন।প্রায় ২য় খ্রীষ্টাব্দত দাক্ষিণাত্যত তেওঁ জন্মগ্রহণ কৰে। নাগার্জুনৰ 'মাধ্যমিক কাৰিকা' নামৰ গ্রন্থখনত এই দার্শনিক সম্প্রদায়ৰ বিষয়ে সবিশেষ পোৱা যায়।মাধ্যমিক সম্প্রদায়ৰ মতে জগতত সত্তা বুলি একোৱেই নাই, বহির্জগত বা অন্তর্জগত সকলো শূন্য। তেওঁলোকৰ মতে জ্ঞাতা, জ্ঞেয় আৰু জ্ঞান এই তিনিটা পৰস্পৰ সম্পর্কীয়। এই তিনিটাৰ মাজত এটাও যদি মিছা হয়, তেন্তে অন্য কেইটাও মিছা হ'ব। যেনে- ৰছী এডালক সাপ হিচাপে দেখাটো মিছা, গতিকে জ্ঞান আৰু জ্ঞাতাও মিছা।

মাধ্যমিকসকলৰ মতে শূন্য মানে বস্তুৰ অস্তিত্বহীনতা নহয়। বস্তুৰ যথার্থ প্রকৃতি যে অবর্ণনীয় তাকেহে বুজাইছে। আনহাতে 'মাধ্যমিক' এই শব্দটোৰ তাৎপর্য্যও ইয়াতেই অন্তর্নিহিত হৈ আছে। অর্থাৎ বস্তুৰ যেনেদৰে শাশ্বত সত্তা নাই, তেনেদৰে ই সম্পূর্ণ অস্তিত্বহীনো নহয়। দুয়োটাৰে মাজৰ যি অৱস্থা, সিয়েই জগত আৰু শূন্য হ'ল এই মাজৰ অৱস্থা।

খ) যোগাচাৰ দর্শন বা বিজ্ঞানবাদ ঃ এই দর্শনৰ মতে বিজ্ঞান বা চৈতন্যই হৈছে একমাত্র সৎ, বাকী জাগতিক সকলো বস্তুবেই মিছা। তেওঁলোকে বিজ্ঞান বা চৈতন্যৰূপী মনৰ অস্তিত্ব স্বীকাৰ কৰে। সেয়েহে তেওঁলোকৰ মতবাদক বিজ্ঞানবাদ বুলি কোৱা হয়। আকৌ যোগ আৰু সদাচাৰৰ মাধ্যমেৰে চৈতন্যৰূপী মনৰ আভ্যন্তৰীণ সত্তা উপলব্ধি কৰি নির্বাণ লাভ কৰিব পাৰি কাৰণে এই মতবাদক যোগাচাৰবাদো বোলা হয়।

যোগাচাৰ দর্শনৰ কেইগৰাকীমান উল্লেখযোগ্য দার্শনিক হ'ল- অসঙ্গ, বসুবন্ধু, দিঙনাগ আদি। 'লঙ্কাৱতাৰ সূত্র' আৰু 'শান্তৰক্ষিতৰ 'তত্ত্বসংগ্রহ' এই দর্শনৰ দুখন উল্লেখযোগ্য পুথি।

যোগাচাৰবাদীসকলে স্বীকাৰ কৰা বিজ্ঞান বা চৈতন্যৰ তিনিটা স্তৰ আছে-আলয় বিজ্ঞান, মনোবিজ্ঞান আৰু প্রবৃত্তি বিজ্ঞান বা বিষয় বিজ্ঞান। আলয়বিজ্ঞানত বস্তু বা বাসনা সম্ভাবনা ৰূপে বিৰাজমান। মনোবিজ্ঞানত বুদ্ধিয়ে সেইবোৰক বাস্তৱ আকাৰ দান কৰে। প্রবৃত্তি বিজ্ঞানত ইন্দ্রিয়ই সেই বিষয়বিলাক লাভ কৰে। আলয় বিজ্ঞান সকলো বাসনাৰ বীজাৱস্থাৰ আশ্রয় স্বৰূপ। বাসনাৰ কৱলত বিজ্ঞান বিক্ষুব্ধ হয় আৰু জীৱৰ বন্ধন হয়। বাসনা নিৰোধেই নির্বাণ লাভৰ উপায়।

গ) সৌত্রান্তিক দর্শন বা বাহ্যানুমেয়বাদ ঃ এই দার্শনিক সম্প্রদায়ৰ প্রতিষ্ঠাতা হ'ল তক্ষশীলাৰ কুমাৰলতা। বসুবন্ধুৱে ৰচনা কৰা 'অভিধর্মকোষ' এই দর্শনৰ এখন উল্লেখযোগ্য গ্রন্থ। বাহ্যবস্তুৰ জ্ঞান অনুমানৰ দ্বাৰা পৰোক্ষভাৱে হয় কাৰণে সৌত্রান্তিকসকলক বাহ্যানুমেয়বাদ (Representationism) বোলা হয়। আনহাতে, 'সুত্তপিটক 'খনক প্রামাণ্য হিচাপে গ্রহণ কৰা বাবে তেওঁলোকক সৌত্রান্তিক বুলিও কোৱা হয়। সৌত্রান্তিকসকলে মন আৰু জড়বস্তু দুয়োৰে সুকীয়া অস্তিত্ব স্বীকাৰ কৰে বাবে তেওঁলোকক সর্বাস্তিবাদী বোলা হয়। তেওঁলোকৰ মতে বস্তুক আমি পোনপটীয়াকৈ প্রত্যক্ষ কৰিব নোৱাৰো। অনুমানৰ দ্বাৰাহে পৰোক্ষভাবে বর্হিজগতখন আমি প্রত্যক্ষ কৰো। বস্তুৱে আমাৰ মনত যি চেতনা বা ধাৰণাৰ সৃষ্টি কৰে, আমি সেইবোৰকহে সাক্ষাৎভাৱে প্রত্যক্ষ কৰিব পাৰো। আচলতে এই ধাৰণাবোৰ বস্তুৰ অনুলিপি। এইবোৰৰ সাহায্যত অনুমানৰ ওপৰত ভিত্তি কৰি তাৰ কাৰণ বা উৎস অর্থাৎ বস্তুৰ অস্তিত্ব জানিব পাৰো। মনত যেতিয়া কোনো ধাৰণাৰ সৃষ্টি হয় আৰু আমি যেতিয়া ইয়াৰ স্রষ্টা নহয়, গতিকে ইয়াৰ অন্য এটি কাৰণ নিশ্চয় থাকিব লাগিব। সেই কাৰণটোৱেই হৈছে ধাৰণাৰ সৈতে সম্বন্ধ থকা বস্তু। আমি এই প্রক্রিয়াৰ সহায়েৰে অর্থাৎ অনুমানৰ সহায়ত বস্তু তথা বহির্জগতৰ জ্ঞান লাভ কৰোঁ।

ঘ) বৈভাষিক দর্শন বা বাহ্য প্রত্যক্ষবাদ ঃ 'অভিধর্ম মহাবিভাষ' গ্রন্থখনক এই দর্শনে প্রামাণ্য হিচাপে গ্রহণ কৰা বাবে এই দার্শনিক সম্প্রদায়ক বৈভাষিক দর্শন বুলি কোৱা হয়। আনহাতে, বাহ্যবস্তুৰ জ্ঞান প্রত্যক্ষৰ দ্বাৰা

জানিব পাৰি বুলি এই দর্শনে স্বীকাৰ কৰে বাবে এই দর্শনক বাহ্যপ্রত্যক্ষবাদ বোলে। বৈভাষিক দর্শন সর্বাস্তিবাদী। এই দর্শনৰ মতে বাহ্যবস্তুক সাক্ষাৎভাৱে প্রত্যক্ষ কৰিব পাৰি। তেওঁলোকৰ মতে যিটো বস্তুক আগতে প্রত্যক্ষ কৰা নাযায় তাক অনুমানো কৰিব নোৱাৰি। উদাহৰণস্বৰূপে ধোঁৱা দেখি জুইৰ অস্তিত্ব অনুমান কৰিব পৰাৰ একমাত্র কাৰণ হ'ল অতীতত ধোঁৱা আৰু জুইৰ একেলগে সাক্ষাৎ জ্ঞান লাভ কৰা। পূর্বতে যিজনে জুই দেখাই নাই তেওঁ ধোঁৱা দেখি জুইৰ অস্তিত্ব অনুমান কৰিব নোৱাৰে। গতিকে বস্তুক প্রত্যক্ষভাৱে আগতে নাজানিলে ইয়াৰ অনুমান সম্ভৱ নহয়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ নাস্তিক দর্শন বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ২ ঃ চার্বাক দর্শনত জ্ঞানৰ একমাত্র প্রমাণ কি?

.....

প্রশ্ন নং ৩ ঃ জৈন দর্শনৰ ত্রিৰত্ন বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ৪ ঃ বৌদ্ধ দর্শনৰ চাৰিটা আর্যসত্য উল্লেখ কৰা।

.....

প্রশ্ন নং ৫ ঃ বৌদ্ধ দর্শনৰ দার্শনিক সম্প্রদায়সমূহ কি কি?

.....

১০.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চার্বাক দর্শনে প্রত্যক্ষক একমাত্র প্রমাণ হিচাপে গ্রহণ কৰিছে।
- জৈন দর্শনে ত্রিৰত্নৰ অর্থাৎ সম্যক জ্ঞান, সম্যক দর্শন আৰু সম্যক চৰিত্রৰ মাধ্যমেৰে মোক্ষ লাভক জীৱনৰ চৰম লক্ষ্য হিচাপে নির্ধাৰণ কৰিছে।
- বৌদ্ধ দর্শনে চাৰিটা আর্যসত্য আৰু অষ্টাঙ্গিক মার্গৰ দ্বাৰা দুখ নিবৃত্তিৰ যুক্তি সংগত পথ নির্দেশ কৰিছে।

১০.৭ অধিক জানিবলৈ

১) দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়;* বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

২) পূজাৰী, ড° বন্দনা (২০১৫); *ভাৰতীয় দর্শনত এভুমুকি;* গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোর্ছ।

৩) Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.

৪) Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD. .

১০.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰঃ বেদৰ প্রামাণ্যতা অস্বীকাৰ কৰা দার্শনিক মতবাদসমূহক নাস্তিক দর্শন বোলা হয়।

২ নং প্রশ্নৰ উত্তৰঃ প্রত্যক্ষ।

৩ নং প্রশ্নৰ উত্তৰঃ সম্যক জ্ঞান,সম্যক দর্শন আৰু সম্যক চৰিত্র।

৪ নং প্রশ্নৰ উত্তৰঃ (ক) দুখ আছে, (খ) দুখৰ কাৰণ আছে, (গ) দুখৰ নিবৃত্তি আছে আৰু (ঘ) দুখ নিবৃত্তিৰ পথ আছে।

৫ নং প্রশ্নৰ উত্তৰঃ মাধ্যমিক নাইবা শূন্যবাদ, যোগাচাৰ বা বিজ্ঞানবাদ, সৌতান্ত্রিক বা বৈভাষিক ।

? ১০.৯ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ চার্বাক দর্শনক লোকায়ত দর্শন বুলি কিয় কোৱা হয়?

প্রশ্ন ২ ঃ জৈন দর্শনৰ জ্ঞানতত্ত্বৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰক।

প্রশ্ন ৩ ঃ বৌদ্ধ দর্শনৰ চাৰিটা আর্যসত্য আৰু অষ্টাঙ্গিক মার্গ দার্শনিক দৃষ্টিকোণৰ পৰা ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১১ঃ শৈৱ ধর্ম

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ শৈৱ ধর্ম

১১.৩.১ শিৱৰ বৈশিষ্ট্য

১১.৩.২ শিৱ আর্য নে অনার্য

১১.৪ শৈৱ ধর্মৰ উৎপত্তি আৰু বিকাশ

১১.৫ শৈৱ দর্শন

১১.৫.১ শৈৱ সিদ্ধান্তিকা

১১.৫.২ পাশুপাত

১১.৫.৩ কালবদন বা কালমুখ

১১.৫.৪ কাপালিক সম্প্রদায়

১১.৬ অসমৰ জনমানসত শিৱৰ প্রভাৱ

১১.৭ অসমত শৈৱধর্ম

১১.৮ অসমত শৈৱ-মঠ-মন্দিৰ

১১.৯ অসমত শৈৱ সাহিত্য

১১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.১১ অধিক জানিবলৈ

১১.১২ অগ্রগতিৰ খতিয়ান

১১.১৩ আৰ্হি প্রশ্ন

১১.১ উদ্দেশ্য

ভাৰতৰ ধর্মীয় ধাৰাত শিৱৰ উপাসনাই এক গুৰুত্বপূর্ণ দিশত আলোকপাত কৰিছে। এই আলোচনাৰ জৰিয়তে,

- শৈৱধর্মৰ স্বৰূপ, শিৱৰ বৈশিষ্ট্য, ৰূপভেদ সম্পর্কে জানিব পাৰিব
- শিৱ আর্য নে অনার্য সেই বিষয়েও জানিবলৈ সক্ষম হ'ব
- শৈৱ ধর্মৰ উৎপত্তি আৰু বিকাশ সম্পর্কে জানিব পাৰিব।

১১.২ পৰিচয়

কৌতুহ'লে জন্ম দিয়ে ধাৰণাৰ। ধাৰণাই বিশ্বাস জন্মায় আৰু বিশ্বাসৰ সৃষ্টি হৈছে আচাৰ, ৰীতি-নীতি। আচাৰ, ৰীতি-নীতিৰ ক্রম-বিৱর্তনৰ ফলত গঢ় লৈ উঠে সংস্কৃতি। মানস আৰু মননৰ ক্রম-বিকাশৰ স্তৰত জীৱনৰ প্রয়োজনত ধর্মৰ ধাৰণা, কল্পনা, লৌকিক, অলৌকিক আদি বিভিন্ন কাহিনী গঢ় লৈ উঠে। মানুহৰ প্রব্রজনৰ ফলস্বৰূপে বিভিন্ন সংস্কৃতিৰ মিলন হয়। আকৌ বৈদিক ৰুদ্র তথা বিভিন্ন ধাৰণাৰে অহা শৈৱ প্রৱাহে ভাৰতত উদ্ভাসিত হৈ

উঠিল। এই অধ্যাটিৰ জৰিয়তে শৈৱধর্মৰ মূল উপাস্য দেৱতা শৈৱ ধর্ম শিৱৰ বৈশিষ্ট্য, শিৱৰ ৰূপভেদ, শিৱ আর্য নে অনার্য, শৈৱ ধর্মৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে জানিব পাৰি। তাৰ পিছত বেদ, উপনিষদ, পুৰাণত শিৱৰ স্থান, অসমত শৈৱ ধর্ম, অসমৰ জনমানসত শিৱৰ প্রভাৱ, শৈৱ মঠ-মন্দিৰ, শৈৱ সাহিত্য আৰু শিৱ-শক্তিৰ, সম্পর্কৰ সৈতেও পৰিচিত হ'ব পাৰিব।

১১.৩ শৈৱ ধর্ম

সনাতন ধর্মৰ দেশ ভাৰতবর্ষ। এফালে এক ঈশ্বৰবাদ আৰু আনফালে বহুতো দেৱ-দেৱীৰ পূজা, অর্চনাৰে বহুধা সংস্কৃতিৰে সংস্কাৰযুক্ত ভাৰতীয় হিন্দু জনগণ। দেৱ-দেৱীৰ পূজা-অর্চনাৰ প্রকৃত লক্ষ্য আৰু উদ্দেশ্য হ'ল একো একোটা ধর্মীয় আদর্শ আৰু সংস্কৃতিৰ প্রতি আনুগত্য প্রকাশ আৰু শ্রদ্ধা প্রদর্শন কৰা। জ্ঞান দান কৰি জ্ঞানৰ আলোকেৰে আলোকিত কৰিব পৰা ঐশ্বৰিক শক্তিৰ বাবেই বর্তি আছে দেৱ-দেৱীৰ অস্তিত্ব। এই দেৱ-দেৱীয়ে কালক্রমত ধর্মৰ জৰিয়তে সমাজ সংস্কৃতিৰ অংগ হৈ পৰিল। জগতৰ সকলো ঘটনা-পৰিঘটনাৰ মূল দেৱ-দেৱী আৰু তাৰ পৰাই লোক বিশ্বাস, মানৱ মনত ধর্মীয় পৰম্পৰা, আধ্যাত্মিক চিন্তা-ভাৱনাৰ সৃষ্টি হৈছে। সৃষ্টিৰ সময়ত প্রকৃতিদেৱীক উপাসনা কৰা মানৱ জাতিৰ কালক্রমত উপাস্য দেৱতা পৃথক পৃথক হোৱা হেতুকে শৈৱ, গাণপত্য, বৈষ্ণৱ সৌৰ, শাক্ত আদি বিভিন্ন সম্পদায়ৰ উদ্ভৱ হৈছিল। শিৱৰ উপাসকসকলক শৈৱ বুলি কোৱা হয়।

প্রাক্ ঐতিহাসিক কালৰ পৰাই গা কৰি উঠা হিন্দু ধর্মীয় পৰম্পৰাসমূহৰ ভিতৰত এক উল্লেখযোগ্য পৰম্পৰা হ'ল শৈৱধর্ম। শিৱ হ'ল সৃষ্টি, স্থিতি আৰু লয়ৰ গৰাকী। শিৱ হ'ল এক অদ্বৈত পৰব্রহ্ম। সকলোৰে মূল (source of all) শিৱ অচিন্ত্য, অব্যক্ত, অনন্তৰূপ, আদি মধ্যান্তহীন সচ্চিদানন্দময়। সত্য, সুন্দৰ, শান্ত ভগৱান শিৱ বিশ্ব জগতৰ কাৰণ বুলি শ্রীমদ্ভাগৱতত উল্লেখ আছে -

অহং ব্রহ্ম চশর্বশ্চ জগতঃ কাৰণং পৰম্।
নিত্যোব্যাপী শিৱঃ শুদ্ধো নাৰায়ণঃ নিৰঞ্জন।
একোহমেকনিভাগেন সত্রকো বিশ্বকাৰণম্।।

(ভাগৱত ৪র্থ স্কন্ধ)

শৈৱধর্মৰ মূল উৎস হৈছে আগম বা বেদ আৰু পুৰাণ। আগম হৈছে শৈৱধর্মৰ ওপৰত আটাইতকৈ কর্তৃত্বশীল গ্রন্থ।

জানি থোৱা ভাল

সংস্কৃত শিৱঃ শব্দৰ আক্ষৰিক অর্থ হ'ল শুভ বা 'মংগল'। শিৱ মংগলময়। শিৱেই 'প্রণয়', অর্থাৎ 'প্রণৱেই পৰমাত্মা শিৱৰ বাচক। "প্রণৱো বাচকস্তস্য শিৱস্য পৰমাত্মাঃ।" শিৱক বুজোৱা শিৱ ৰুদ্রাদিৰ ভিতৰত 'প্রণৱে'ই সর্বশ্রেষ্ঠ। শিৱক হৰ, শম্ভু, শঙ্কৰ, পশুপতি, মহাদেৱ, ত্রিনয়ন, অর্ধচন্দ্র, নীলকণ্ঠ, পঞ্চানন, বৃষধ্বজ, ধূর্জাটি, গঙ্গাধৰ আদি নামেৰেও জনা যায়।

১১.৩.১ শিৱৰ বৈশিষ্ট্য

১) শিৱৰ এটা গুৰুত্বপূর্ণ বৈশিষ্ট্য হৈছে তৃতীয় নয়ন, যি নয়নৰ দ্বাৰা কামদেৱক পুৰি ভস্ম কৰিছিল।

২) শিৱৰ মূৰত অর্ধচন্দ্র বিৰাজ কৰে বাবে শিৱৰ আন এটা নাম চন্দ্রচেখৰ। ৰুদ্র-শিৱৰ ৰূপ বিৱর্তনৰ পৰাই অর্ধচন্দ্র শিৱৰ বৈশিষ্ট্য হৈছে। বেদ আৰু পৰৱর্তী সময়ৰ সাহিত্যত সোম আৰু ৰুদ্র একীভূত হোৱাৰ বাবে হয়তো শিৱৰ এই বৈশিষ্ট্যৰ উদ্ভৱ হৈছিল।

৩) শিৱৰ আন এটা বৈশিষ্ট্য হৈছে শ্মশানবাসী বা বিভূতিভূষণ।

৪) সমুদ্রমন্থন কালত ওলোৱা হলাহল বিষ পাণ কৰি শিৱই নীলকণ্ঠ নাম পাইছিল।

৫) গংগা নদীৰ উৎস শিৱৰ জঁটাৰ পৰা বাবে শিৱ গংগাধৰ।

৬) শিৱ ডম্বধৰ। শিৱৰ হাতত ডম্বৰু নামৰ বাদ্যযন্ত্র বিৰাজমান। নটৰাজ নামে পৰিচিত শিৱৰ নৃত্যৰত মূৰ্তিৰ এটা বিশেষ দিশ হ'ল ডম্বৰু।

৭) শিৱৰ বাহন হ'ল বৃষভ বা ষাঁড় গৰু।

৮) নটৰাজ দক্ষিণমূৰ্তি, মৃত্যুঞ্জয়, অর্ধনাৰীশ্বৰ, ত্রিপুৰান্তক অষ্টমূৰ্তি, শিৱলিংগ আদি শিৱৰ ৰূপভেদ।

১১.৩.২ শিৱ আৰ্য নে অনাৰ্য

ঋগ্বেদীয় ৰুদ্র হ'ল উগ্ৰৰুপ আৰু শিৱ হ'ল শান্তৰূপ। উগ্র আৰু শান্ত দুয়োটাই ৰূপ, গুণ আৰু ক্রিয়াৰ সমাৱেশৰ বাবে শিৱক অনাৰ্য দেৱতা বুলি কোনো কোনো পণ্ডিতে ক'ব খোজে। তেওঁলোকৰ মতে শিৱ হ'ল পর্বতবাসী, ত্রিশূলধাৰী, সর্পমালা বিভূষিত, প্রায় উলঙ্গ, ব্রাঘ্রচর্মধাৰী, ভাংধতুৰা সেৱনকাৰী, ভস্মধাৰী ভূতপ্রেতৰ সংগী। অধ্যাপক হুইটনিয়েও মত প্রকাশ কৰে যে "Sirea may be a local from of knedra arisen under the influence of peculiar climatic relations in the districts from which be made his way into Hindus than proper." এনেকুৱা দৃষ্টিভংগীৰ পৰা শিৱ অনার্যৰ দেৱতা। আনহাতে শিৱ অনার্যৰ দেৱতা হোৱাহেঁতেন আর্যৰ বেদ, পুৰাণ আদি শাস্ত্রত শিৱৰ স্থান নাথাকিলহেঁতেন। গতিকে বেদ, পুৰাণ আদিত শিৱৰ উল্লেখ থকাৰ ফালৰ পৰা ক'ব পাৰি যে আন আন দেৱ-দেৱীৰ নিচিনাকৈ শিৱ আর্য হিন্দুসকলৰ উপাসনীয় পৰম আৰাধ্য দেৱতা। কালক্রমত ধ্বংসৰ প্রতীক আর্য দেৱত্য ৰুদ্র আৰু সৃষ্টিৰ প্রতীক, সত্য, সুন্দৰৰ প্রতিভূ শিৱ পৃথক পৃথক বৈশিষ্ট্যৰ গৰাকী হ'লেও উভয়ে একাকাৰ হ'ল। ফলস্বৰূপে আর্য-অনার্য সংস্কৃতিক মিলনেৰে ৰুদ্র আৰু শিৱ এক হৈ পৰিল।

যি কি নহওক, আর্যৰেই হওক বা অনার্যৰেই হওক প্রাচীনকালৰ পৰাই যে শিৱৰ উপসনা চলি আহিছে এই ক্ষেত্রত কোনো সন্দেহ নাই।

১১.৪ শৈৱধর্মৰ উৎপত্তি আৰু বিকাশ

অলৌকিক দৈৱ শক্তিক সকলো মানৱে বিশ্বাস কৰে। এই শক্তিয়ে হয়তো মানুহৰ জীৱন ধাৰণৰ পদ্ধতিত এক সুশৃংখলতা আনি দিছে। কিন্তু অলৌকিক দৈৱক উপাসনা কৰাৰ পৰম্পৰা ক'ত, কেতিয়া, কেনেদৰে আৰম্ভ হৈছিল সেই কথাৰ কোনো প্রমাণ পোৱা নাযায়। কিন্তু মহেঞ্জোদাৰো আৰু হৰপ্পাৰ খনন কার্যত আৱিস্কৃত দেৱী মূর্তি, ভগ্নশিলাখণ্ডাদিৰো আৰু হৰপ্পাৰ খনন কার্যৰ আগতেই মানুহে শিৱক আৰাধনা কৰি এক প্রকাৰ ধর্মীয় জীৱন অতিবাহিত কৰিছিল। উন্নত বৈয়য়িক বাতাবৰণৰ মাজত অধিবাসীসকলে ধর্মাচৰণৰ ক্ষেত্রত আন আন কিছুমান প্রতীকৰ আশ্রয় ল'লেও সেইবোৰৰ ভিতৰত শিৱলিংগকে প্রধান বুলি ক'ব পৰা যায়।

শৈৱধর্মৰ বর্তমানৰ মর্যাদা ঋগ্বেদীয় ৰুদ্র দেৱতাই প্রদান কৰিছে। কাৰণ ঋগ্বেদৰ ৰুদ্র দেৱতাৰ পৰাই শিৱৰ বিকাশ হৈছে। প্রাচীনতম গ্রন্থ ঋগ্বেদত বহুত দেৱতাৰ উল্লেখ তথা স্তুতি-গান থাকিলেও নির্দিষ্ট দেৱতাৰূপে শিৱৰ উল্লেখ পোৱা নাযায়। ৰুদ্রৰ বিশেষণ বা নাম হিচাপে শিৱ শব্দৰ উল্লেখ আছে বাজসেনয়ী সংহিতাত "ত্বং শিৱ নামাসি।"(৩.৬৩) ঋগ্বেদত ৰুদ্র দেৱতাৰ মংগল, ৰক্ষা আৰু ধ্বংসাত্মক ক্ষমতাৰ অধিকাৰী হিচাপে বর্ণনা কৰিছে। ঋগ্বেদীয় ৰুদ্রই শিৱকে সূচায়।

ঋগ্বেদৰ পিছৰ গ্ৰন্থবোৰত ৰুদ্ৰ নামটোৰ প্ৰসাৰ ঘটাত প্ৰথমে যজুৰ্বেদত শিৱ শংকৰ নামৰ উল্লেখ পোৱা যায় "নমঃ শিৱাম চ নমঃ শংকৰায় চ"। শুক্ল যজুৰ্বেদৰ বাজসনেয়ী সংহিতাত উল্লিখিত ত্ৰ্যম্বক আৰু শিৱ দুটা ৰুদ্ৰ শিৱৰ অতি গুৰুত্বপূৰ্ণ উপনাম। ঋগ্বেদতো ত্ৰ্যম্বক শব্দটো ৰুদ্ৰৰ উপনাম হিচাপে উল্লেখ আছিল "ত্ৰ্যম্বকং যজামহে সুগন্ধিং পুষ্টিবৰ্দ্ধনম্" (ঋগ্বেদ,১.১২)।

বাজসেনয়ী সংহিতাত ৰুদ্ৰক 'কৃত্তিবাস' বুলিও কোৱা হৈছে। বাজসেনয়ী সংহিতাৰ আৰু শুক্লযজুৰ্বেদৰ তৈত্তৰীয় সংহিতাৰ 'শতৰুদ্ৰিয়' নামে খ্যাত (ষোল্ল) অধ্যায়ত ৰুদ্ৰক এশ নামেৰে প্ৰশংসা কৰা হৈছে। যজুৰ্বেদত শিৱ জগতপতি হিচাপে বন্দিত হৈছে। লগতে শিৱক কৃষি, পশু, অৰণ্য আৰু পৰ্বতৰ সৈতে জড়িত কৰা হৈছে। এইবেদতে ৰুদ্ৰ আৰু শিৱ অভিন্ন বুলি ঘোষণা কৰা হৈছে। অথৰ্ববেদত ৰুদ্ৰৰ উল্লেখ বহুতো মন্ত্ৰত পোৱা যায়। অথৰ্ববেদত ৰুদ্ৰক মহাদেৱ আৰু ঈশান বুলি কোৱা হৈছে। এইবেদত বহুতো দেৱতা ৰুদ্ৰৰ লগত একীভূত হৈছে।

ব্ৰাহ্মণ সাহিত্যতো ৰুদ্ৰৰূপত শিৱৰ আৰাধনা অব্যাহত আছিল। ব্ৰাহ্মণ গ্ৰন্থত দেৱতাসকলৰ ক্ৰোধৰ পৰাই ৰুদ্ৰৰ উৎপত্তি হৈছে বুলি উল্লেখ আছে। শতপথ ব্ৰাহ্মণৰ মতে আঠটা বসু, এঘাৰটা ৰুদ্ৰ, আকাশ-পৃথিৱীকে ধৰি বাৰজন আদিত্য তেত্ৰিশ দেৱতাত অন্তভূৰ্ক্ত হৈছিল। এই গ্ৰন্থত অগ্নিক ৰুদ্ৰৰ সম বুলি কৈছে। তৈত্তিৰীয় ব্ৰাহ্মণত শিৱক পশুপতি, সাংখ্যায়ণ, কৌশিতকী আৰু আন আন ব্ৰাহ্মণত শিৱৰ বৰ্ণনা দিবলৈ শিৱ, ৰুদ্ৰ-শিৱ, মহাদেৱ, মহেশ্বৰ আৰু ঈশান শব্দ ব্যৱহৃত হৈছে। তৈত্তিৰীয় আৰণ্যকত ৰুদ্ৰক সৰ্বভূতান্তৰাত্মা বুলি কোৱা হৈছে।

ঋগ্বেদোল্লিখিত ৰুদ্ৰদেৱ ক্ৰমগতিত আহি আহি উপনিষদৰ যুগত অধিক মাহাত্ম্যপূৰ্ণ আৰু ঐশীশক্তিসম্পন্ন হোৱা দেখা যায়। নিৰাকাৰ, নিৰ্বিকাৰ পৰমতত্ত্বক ধ্যান-মননৰ যোগেদি উপলব্ধি কৰাৰ প্ৰচেষ্টা এই যুগৰ বিশেষত্ব আছিল। ইয়াৰ মাজতে বিভিন্ন ঐশীশক্তিত শক্তিমন্ত ৰুদ্ৰদেৱতা বিশ্বাসৰ সৈতে ধৰ্মৰাজ্যত সগুণ-ঈশ্বৰ- বিশ্বাসজনিত সম্প্ৰদায়ৰ সূত্ৰপাত হৈছে। শ্বেতাশ্বতৰ উপনিষদ মতে, ৰুদ্ৰ একমাত্ৰ শ্ৰেষ্ঠতম দেৱতা। ৰুদ্ৰ বিশ্বজগতৰ উপাদান আৰু নৈমিত্তিক কাৰণ (material and efficient carese)। এইখন উপনিষ্দমতে, ৰুদ্ৰ-শিৱ সংযুক্তভাৱে আৰু অভিন্ন পৰিচয়ৰ দ্বাৰা একেগৰাকী দেৱতাকে বুজোৱা হৈছে আৰু তেওঁকে পৰমব্ৰহ্মৰ লগত জড়িত কৰা হৈছে। শ্বেতাশ্বতৰ উপনিষদত এনেদৰে কৈছে -

"একোহি ৰুদ্ৰো ন দ্বিতীয়ায় তস্থু -
র্য ইমান্ লোকানীশত ঈশনীতিঃ।
প্ৰত্যঙ্জনাস্তিষ্ঠাতি সং চুকোপান্তকালে
সংসৃত্য বিশ্বা ভূৱনানি গোপ্তা।। শ্বেত (৩/২)

যো দেৱানাং প্ৰভৱশ্চোদ্ভৱশ্চ
বিশ্বাধিকো ৰুদ্ৰ মহৰ্ষিঃ।
হিৰণ্যগৰ্ভ জননায়ামাস পূৰ্ব
স নো বুদ্ধ্যা শুভয়া সংযুনক্ত।। শ্বেত (৩/৪)

যা তে ৰুদ্ৰ শিৱা তনূ-
ৱঘোৱা পাপকাশিনীম্।
তয়া নস্তনুৱা শংতময়া
গিৰিশন্তাভিচাকশীহি।। শ্বেত (৩/৫)

য একোহৱৰ্ণো বহুধা শতিযোগা
দুৰ্গাননেকোন্ নিহিতাৰ্থো দধাতি।
ৱিচৈতি চান্তে বিশ্বমাদৌ স দেৱঃ

স ন্যে বুদ্ধ্যা শুভয়া সংযুক্ত।। শ্বেত (৪/১)

মায়াং তু প্রকৃতিং বিদ্যান্মায়িং তু মহেশ্বৱম্।

অস্যাৱয়ৱভূতৈস্ত ব্যাপ্তং সর্বমিদং জগৎ।। শ্বেত (৪/১০)

ন সংদৃশে তিষ্ঠিতি ৱপমস্য

ন চক্ষুষা পশ্যতি কশ্চনৈনম্।

হৃদা হৃদিস্থং মনসা য এন-

মেৱং বিদুৱমৃতাস্তে ভবন্তি।। (শ্বেত ৪/২০)

একো দেৱঃ সর্বভূতেষু গূঢ়ঃ

সর্বব্যাপূ সর্বভূতান্তৱাত্মা।

কর্মাধ্যক্ষঃ সর্বভূতাধিবাসঃ

সাক্ষী চেতা কেৱলো নির্গুণশ্চ।। (শ্বত,৬/১১) আকৌ আন এখন উপনিষদত একমাত্র শান্তিদাতা শিৱকে ধ্যান কৰিবলৈ উপদেশ দিছে "শিৱ একো কৈৱল্যোপনিষদ মতেও শিৱ পৱম ব্রহ্মৱ লগত অভিন্ন ধ্যেয়ঃ শিৱংকৱঃ সর্বমনাৎ পৰিত্যজ্য।" আৰু জগতৰ মূল কাৱণ। ঋগ্বেদীয় ৰুদ্র ক্রমগতিত আহি পৱমপুৰুষ শিৱৰ লগত এক হোৱা কথাৰ স্পষ্ট প্রমান শিৱপুৰাণত পোৱা যায়। জলাদিৰ সংসর্গত জ্যোর্তিময় পদার্থৰ কোনো পার্থক্য নথকাৰ দৰে ৰুদ্র আৰু শিৱৰ মাজতো ভেদ নাই। ইয়াৰ উপৰিও প্রশ্নষ ছান্দোগ্য, মৈত্রায়ণী, জৈমিনীয় উপনিষদৰ লগতে আন আন উপনিষদত শিৱ আৰু শিৱৰ আন আন ৰূপৰ বর্ণনা আছে।

ৰামায়ণ আৰু মহাভাৱতত মহাকাব্য দুখনে শিৱ পূজাৰ পৰিসৰৰ ওপৰত অমূল্য পোহৰ বিলাইছে। ৰামায়ণ মহাভাৱতত শিৱক জনপ্রিয় দেৱতা হিচাপে অংকিত কৰিছে। মহাদেৱ, ত্রিনেত্র, শম্ভূ, ত্র্যম্বক, পশুপতি, শংকৰ, ভূতনাথ আদি শিৱৰ বিভিন্ন নাম ৰামায়ণত পোৱা যায়।

মহাভাৱতত শিৱৰ কাহিনী বিস্তৃতভাৱে আলোচিত হৈছে। আদিম শৈৱ তপস্বীৰ নাম মহাভাৱতত পোৱা যায়। মহাকাব্যখনৰ বৃদ্ধিৰ লগে লগে শিৱ পূজাৰ গুৰুত্ব আৰু জনপ্রিয়তা বিয়পি পৰিছিল। মহাভাৱতৰ মূল কাহিনীৰ বিকাশ সাধনৰ ক্ষেত্রতো স্থানবিশেষে শিৱৰ অলৌকিক শক্তি-মাহাত্ম্যৰ কথা বর্ণিত হৈছে। অর্জুনে হিমালয় পর্বতত কঠোৰ তপস্যা কৰি মহাদেৱক সন্তুষ্ট কৰি পাশুপাত অস্ত্র পাবলৈ সক্ষম হৈছিল। আকৌ মহাভাৱতৰ অনুশাসন পর্বত শ্রীকৃষ্ণই উপমন্যুৰ কথা মতে মহাদেৱক আৰাধনা কৰাৰ কথা পোৱা যায়।

পুৰাণ শাস্ত্রত শিৱৰ মহিমা সর্বাধিক প্রসাৰিত হৈছে। কিছুমান পুৰাণে শিৱক সকলো ঐশ্বৰিক গুণ-মহাত্ম্যসম্পন্ন পৱম-তত্ত্বৰূপে প্রতিষ্ঠা কৰি নির্দিষ্ট ধর্মীয় মতৱাদৰ মূল তত্ত্বৰূপে দেখুৱাইছে। তমোগুণ প্রধান পুৰাণবোৰৰ অধিদেৱতা হ'ল শিৱ। কূর্মপুৰাণমতে শিৱই বীজ। লিংগপুৰাণত ব্রহ্মা, বিষ্ণু আৰু শিৱ-তিনি দেৱতাৰ শক্তি একত্র হৈছে। বৈষ্ণৱ পুৰাণত শিৱক সর্বশক্তি-মন্ত-পৱতমতত্ত্বৰূপেও বর্ণিত হৈছে। শিৱপুৰাণ হৈছে শৈৱধর্মৰ আটাইতকৈ কৃর্ত্তৃত্বশীল গ্রন্থ। শিৱপুৰাণৰ কলাসংহিতাত শিবাদ্বৈত বা একক শৈৱবাদৰ বর্ণনা আছে।

শিৱ পুৰাণত উল্লেখ আছে যে সৃষ্টি-স্থিতি-সংহাৰ কর্তা শিৱৰ অংগৰ পৰা আৰু এজন দেৱতাৰ পৰা উদ্ভৱ হয়। তেওঁৰ অংশৰ পৰা উদ্ভৱ হোৱা কাৱণে সেই দেৱতাৰ সামর্থ কোনোগুণে কম নহয়। সেই ৰুদ্র আৰু শিৱ একেই, ৰুদ্র আৰু শিৱৰ মাজতো ভেদ নাই।

সদংশাং তস্য সামর্থ্যমুনং নৈৱ ভৱিষ্যতি।

যোনয়ং সোহহংন ভেদোহস্তি পূজাবিধিবিধানতঃ।।

যথা চ জ্যোতিষঃ সঙ্গজ্জলাদেঃ স্পর্শতা ন ৱৈ।

তথা সমাগুণস্যাপি সংযোগাদ্বন্ধনং ন হি।।

শিৱৰূপং মমৈতচ্চ ৰুদ্রোহপি- শিৱৱৎ সদা।
ন তত্র পৰভেদো বৈ কর্ত্তবাশ্চ মহামুনে।।
বস্তুতো হ্যেকদা ভিন্নং ৰূপং মে ত্রিজগত্যুত।
সুৱর্ণস্য মথৈকস্য বস্তুত্বং নৈৱ গচ্ছতি।।
অলংকাৰে কৃতে, দেৱ নাম ভেদো ন বস্তুতঃ।
কাৰণস্যৈৱ কার্য্যে চ নিদানঞ্চ নিদর্শনম্।।
যথৈকস্যা মুদো ভেদো নাগ্নি পাত্রে ন বস্তুতঃ।
যথৈকস্য সমুদ্রস্য বিকাৰো নৈৱ বস্তুতঃ।।
ৱেং জ্ঞাত্বা ভৱদ্ভ্যাঞ্চ ন দৃশ্যং ভেদকাৰণম্।
বস্তুতঃ সর্বদৃশ্যঞ্চ শিৱৰূপং মতং মম।। ইত্যাদি

(শিৱপুৱণ,১/৪/৪২-৫০)

শৈৱধর্মৰ মূল কেন্দ্রত উপাস্য পৰমতত্ত্বৰূপে শিৱ কিছুকাল আগৰে পৰা প্রতিষ্ঠিত হৈ থাকিলেও পুৰাণসমূহে প্রকৃতার্থত শৈৱ ধর্ম বলৱৎ কৰি তুলিছে। প্রখ্যাত ব্যাকৰণ অষ্টাধ্যায়ীতো ৰুদ্রৰ প্রসংগ পোৱা যায়। ইয়াত ৰুদ্রক মৃড়, ভৱ নামেৰে উল্লেখ আছে। পতঞ্জলিৰ মহাভাষ্য শিৱ আৰু শিৱৰ ভক্তসকলক শিৱভাগৱত বুলি কোৱা হয়। কৌটিল্যৰ অর্থশাস্ত্রতো শিৱৰ নাম পোৱা যায়।

ঐতিহাসিক কালত বিভিন্ন সাহিত্য আৰু প্রত্নতাত্বিক সমলসমূহে শিৱপূজাৰ জনপ্রিয়তাৰ সাক্ষ্য বহন কৰিছে। কুশানবংশীয় ৰজাসকলৰ একাংশ শিৱভক্ত আছিল। তেওঁলোকে খৃষ্টীয় শতিকাৰ আৰম্ভণিতে প্রস্তুত কৰা মুদ্রাৰ এফালত আছিল ত্রিশূলধাৰী শিৱৰ মূর্তি আৰু খোদিত কৰা হৈছিল বলধ গৰুৰ ছবি। গুপ্তবংশীয় সম্রাট দ্বিতীয় চন্দ্রগুপ্ত (বিক্রমাদিত্য) খোদিত কৰা মথুৰা স্তম্ভৰ লিপিয়ে আপেক্ষিকভাৱে পৰৱর্তিকালত শৈৱ সাধনাৰ জাগ্রত পৰম্পৰাৰ প্রমাণ দিয়ে।

আকৌ বহুতো কবিৰ ৰচনাত উল্লিখিত শিৱপ্রশস্তি বা শিৱ স্তুতিয়েও প্রাচীন ভাৰতত শিৱোপাসনাৰ ব্যাপকতাৰ পৰিচয় দিয়ে। মহাকবি কালিদাসে 'অভিজ্ঞান শকুন্তলম্' নাটকৰ নান্দী শ্লোকত ক্ষিতি, পানী, অগ্নি, বায়ু, আকাশ, যজমান, সোম আৰু সূর্য ভেদে অষ্টমূর্তি যুক্ত চিৰমংগলস্বৰূ শিৱই সকলোকে ৰক্ষা কৰিবলৈ স্তুতি কৰিছে। 'বিক্রমোর্বশীয়ম্', 'মালবিকাগ্নিমিত্রম্' নাটকত মর্ত্যব্যাপি বিৰাজমান চিৎস্বৰূপ শিৱৰ ওচৰত সকলোৰে মংগল কামনা কৰিছে। 'ৰঘুবংশম্' মহাকাব্যত 'পার্বতী -পৰমেশ্বৰক স্তুতি কৰা কথাইও শৈবোপাসনাৰ বিকাশৰ কথা সূচায়। পুনৰ শূদ্রকে 'মৃচ্ছকটিকম্' নাটকত শিৱ আৰু নীলকণ্ঠ, বাণভট্টই 'হর্ষচৰিতত' শম্ভুক প্রার্থনা কৰা, ৰাজশেখৰে 'কর্পূৰ মঞ্জৰী' নাটকত হৰ-পার্বতীৰ মিলনৰ আশা কৰিছে। এনেদৰে কবি, নাট্যকাৰসকলে শিৱ বা শিৱ-পার্বতীৰ যুগ্মৰূপত প্রণাম জনাই প্রশস্তিকীর্ত্তন কৰি শিৱ ভক্তিৰ পৰিচয় দিছে।

দক্ষিণ ভাৰতত, ভাৰতৰ একেবাৰে উত্তৰাংশ কাশ্মীৰত তথা ভাৰতৰ উত্তৰ-পূর্বাঞ্চলীয় ৰাজ্যতো (কামৰূপত) অতি প্রাচীন কালৰে পৰা ধর্মীয় মার্গৰ মূল-তত্ত্বৰূপে-শিৱৰ উপাসনা চলি আহিছে। আনকি ভাৰতৰ বাহিৰতো ইন্দোচাইনা, ব্রহ্মদেশ আদি দেশতো প্রাচীন কালৰে পৰা শিৱৰ উপসনা প্রচলিত হৈছিল বুলিও প্রমাণ পোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ শৈৱধর্মৰ মূল উপাস্য দেৱতা কোন?

.....

প্রশ্ন নং ৩ ঃ শৈৱধর্মৰ মূল উৎস গ্রন্থ কি কি?

.....

প্রশ্ন নং ৭ ঃ শিৱৰ ৰূপ ভেদসমূহ কি কি?

.....

প্রশ্ন নং ৮ ঃ শুক্লযজুর্বেদৰ তৈত্তিৰীয় সংহিতাৰ কোনটো অধ্যায়ত ৰুদ্রক এশটা নামেৰে প্রশংসা কৰা হৈছে?

.....

প্রশ্ন নং ১০ ঃ কোনখন কাব্যক আদিকাব্য বুলি কোৱা হয়?

.....

১১.৫ শৈৱ দর্শন

মানৱ জীৱন আৰু সমাজ এখন সুশৃংখলিত কৰি সকলো ফালৰ পৰা মংগলময় পথেৰে আগবঢ়াই লৈ যায় ধর্মই। শৈৱোপাসনা প্রধান আৰু বিশেষভাৱে দুটা ধাৰাৰ মাজেদি বিকাশ লাভ কৰিছে। সেই দুটা ধাৰা হ'ল— ১) কাশ্মিৰী অদ্বৈতবাদ আৰু ২) বীৰ শৈৱবাদ বা লিংগায়ত। কাশ্মিৰী শৈৱবাদৰ উল্লেখযোগ্য প্রথম প্রবক্তা বসুগুপ্ত। পৰৱর্তীকালত শৈৱদর্শন প্রতিষ্ঠা কৰা বসুগুপ্তৰ অনুগামীসকল হ'ল— সোমানন্দ, উৎপল, অভিনৱ গুপ্ত আদি। দার্শনিক শংকৰাচার্যৰ অদ্বৈতবাদৰ লগত কাশ্মিৰী অদ্বৈতবাদৰ সামঞ্জস্য পৰিলক্ষিত হয়। এই মতবাদমতে সমগ্র বিশ্বব্রহ্মাণ্ডই ব্রহ্ম, তাত বাহিৰে আৰু একো নাই। মায়াজনিত- অজ্ঞানতাৰ কাৰণেই জীৱই বহুধা জগতৰ ৰূপ দেখে। মায়া আঁতৰি জীৱই ব্রহ্মৰ স্বৰূপ দর্শন কৰে।

বীৰ শৈৱবাদ খৃষ্টীয় দ্বাদশ-শতিকাত দাক্ষিণাত্যৰ কর্ণাটক ৰাজ্যত উদ্ভৱ হৈছিল। ঢোল ৰাজবংশৰ সিংহাসন অন্যায়ভাৱে দখল কৰা বসৱ নামৰ এজন ব্রাহ্মণ মন্ত্রী আছিল এই মতবাদৰ উদ্ভাৱক। এই মতবাদৰ অনুগামীসকলে লিংগত শিৱক পূজা কৰে। বীৰ শৈৱ ধাৰাই মায়াবাদ বিশ্বাস নকৰে। এক বিশেষ শক্তিৰ পৰাই বিশেষধৰণে ঈশ্বৰে জগত সৃষ্টি কৰে।

এই দুই শাখাৰ ভিতৰত কাশ্মিৰী শাখাৰ সাহিত্য নৱম শতিকাত পোৱা গৈছিল বাবে কাশ্মিৰী শাখা সুপ্রাচীন শাখা বুলি গণ্য কৰা হয়। পুৰাণত ধর্মৰ লগত সম্পর্কিত বহুতো মতবাদ পোৱা যায়, যিবোৰ একো একোটা দার্শনিক মতবাদ। সেইবোৰ হৈছে - সিদ্ধান্তমার্গীয়, পাশুপাত, মহাব্রতা ধাৰা আৰু কাপালিক।

বামনপুৰাণত মতেও শৈৱ ধাৰাৰ ভাগ চাৰিটা - ১) শৈৱ সিদ্ধান্তিকা ২) পাশুপাত ৩) কালবদন বা কালমুখ আৰু ৪) কাপালিকা। আনহাতে, যমুনাচার্যৰ আগম প্রামাণ্যৰ মতেও শৈৱধাৰাৰ ভাগ ৪টা—১) কাপালিকা ২) কালামুখ ৩) পাশুপাত আৰু ৪) শৈৱ। শৈৱ, পাশুপাত, কাৰুণিকা সিদ্ধান্ত আৰু কাপালিক ভেদে শৈৱধাৰাৰ চাৰিটা বাচস্পতি মিশ্রও স্বীকাৰ কৰিছে। ৰামানুজৰ শ্রীভাষ্যমতে পশুপতিমত অবৈদিক। প্রচলিত মতবিৰোধী এই মার্গৰ লোকসকল কাপাল, কালমুখ, পশুপাত আৰু শৈৱভেদে চাৰিটা ভাগত বিভক্ত। আকৌ সুপ্রভেদাগমে শৈৱ, পাশুপাত, সৌম আৰু লাকুল ভেদে চাৰিটা ভাগ কৰিছে। লকুলীশ ধাৰা পাশুপাত ধাৰাৰে পৰা ফাটি অহা অংশ বুলি সাধাৰণতে ধৰা হয়। কিছুমান পুৰাণৰ মতানুসৰি লাকুলীশ শিৱৰ আঠাইশতম্ তথা শেষ অৱতাৰ। লিংগয়ত আৰু বীৰ শৈৱ ইয়াৰে পৰা সৃষ্টি হোৱা শাখা।

লকুলীশৰ মত অনুসৰণকাৰীসকলে হাতত দণ্ড, কমণ্ডলুলৈ, বহল কাপোৰেৰে অংগ আৱৰি ৰাখি, মূৱত জটা ৰাখি, গাত ভস্ম সানি উপবীত ধাৰণ কৰে।

দার্শনিক সিদ্ধান্তৰ ফালৰ পৰা শৈৱতত্ত্ব সিদ্ধান্ত সম্প্রদায় আৰু প্রত্যভিজ্ঞা সম্প্রাদায়ভেদে দুটা ভাগত বিভক্ত।

কাশ্মিৰী অদ্বৈতবাদ আৰু শংকৰাচার্যৰ অদ্বৈতবাদৰ দার্শনিক ধাৰাটো পতি, পাশ আৰু পশু অর্থাৎ শিৱ, শক্তি আৰু অনু-তিনি তত্ত্বৰ লগত সম্বন্ধযুক্ত। অজ্ঞানতাত আচ্ছন্ন হৈ থকা মনুস্যৰ সত্যক কৰি ৰখা মায়া হ'ল পার্শ আৰু যাৰ জৰিয়তে মনুষ্যই মায়ামুক্ত হৈ সত্যক উপলব্ধি কৰে, সেই শিৱই পতি। আন আন শৈৱবাদো এই ত্রিতত্ত্বৰ লগত জড়িত।

১১.৫.১ শৈৱ সিদ্ধান্তিকা

দক্ষিণ ভাৰতত যি বিশেষধৰণৰ শৈৱ সিদ্ধান্ত গঢ়ি উঠিছিল সেই মতবাদ শৈৱ সিদ্ধান্ত নামে পৰিছিল। শিৱজ্ঞান বোধম শৈৱ সিদ্ধান্ত সম্প্রদায়ৰ মৌলিক গ্রন্থ। 'শিৱ প্রকাশন' আৰু 'শিৱজ্ঞান সিদ্ধি' এই সম্প্রদায়ৰ দুখন উল্লেখযোগ্য গ্রন্থ।

শৈৱসিদ্ধান্তবাদীসকলে তেওঁলোকৰ তত্ত্বত বেদান্ত আৰু ন্যায়-বৈশেষিক দর্শনৰ তত্ত্বৰ সমাহাৰ কৰিছিল যদিও তেওঁলোকে শৈৱধর্মৰ মূল উপাদান সাংখ্যক পৰিত্যাগ কৰা নাছিল। তেওঁলোকৰ মতে, পতি (ঈশ্বৰ), পশু (জীৱ) আৰু পাশ (সংসাৰ বন্ধন) - এই তিনিটাই প্রধান তত্ত্ব। যি শিৱই জগতৰ সৃষ্টি, স্থিতি আৰু সংহাৰ কৰি থাকে সেই শিৱই সকলো ৰূপান্তৰ উৎস। চৰম ভক্তিবাদী শৈৱ সিদ্ধান্তবাদীসকলৰ মতে, শিৱত্ব উপলব্ধিয়েই হৈছে মুক্তি বা মোক্ষ।

১১.৫.২ পাশুপাত

শৈৱ দর্শনৰ এটা সম্প্রদায় হ'ল পাশুপাত। এই পাশুপাত মতবাদৰ উল্লেখ প্রথমতে শিৱ শ্রীকণ্ঠ বা মহাভাৰত পোৱা যায়। শিৱ শ্রীকণ্ঠৰ শিষ্য আছিল লকুলীশ। শিৱৰ আঠাইশ অৱতাৰৰ লকুলীশ এই পাশুপাত শাখা প্রতিষ্ঠা কৰাৰ কথা পণ্ডিত আৱ. জি. ভাণ্ডাৰকাৰে উল্লেখ কৰিছে। কিছুমানৰ গুৰু-শিষ্যৰ যুটীয়া প্রচেষ্টাৰ পাশুপাত শাখা প্রতিষ্ঠা হয়। যিসকল সন্ন্যাসীয়ে নগ্নৰূপত, হাতযোৰ কৰি "ওঁম নমঃ শিৱায়" উচ্চাৰণ কৰে, গাত ভষ্ম সানি পঞ্চ অগ্নিৰ সাধনা কৰে, ডম্বৰুৰ শব্দত নৃত্য কৰি গীত গায় তেওঁলোককে পাশুপাত বুলি কোৱা হয়। কূর্ম পু�ৰাণ, ৰামায়ণ, মহাভাৰতত এই ধাৰাৰ বর্ণনা পোৱা যায়। মাধবাচার্যৰ 'সর্বদর্শন সংগ্রহ' গ্রন্থতো পাশুপাত ধাৰাৰ দর্শন সন্নিবিষ্ট হৈছে। কাম, ক্রোধষ লোভ আদিৰ পাশৰ বন্ধনৰ পৰা মুক্ত হৈ ওঙ্কাৰ মন্ত্রৰ জপ আৰু যোগ ধ্যানৰ দ্বাৰা মুক্তি লাভৰ লক্ষ্যই হ'ল পাশুপাত ধাৰাৰ দর্শন।

১১.৫.৩ কালবদন বা কালমুখ

কালবদন বা কালমুখ সম্প্রদায়ৰ উল্লেখ ৰামণ পুৰাণত পোৱা যায়। এই সম্প্রদায়ৰ লোকসকলে কপালত দীঘলীয়া ক'লা ফোঁট ধাৰণ কৰিছিল আৰু হাতত ৰুদ্রাক্ষৰ মালা পিন্ধিছিল।

১১.৫.৪ কাপালিক সম্প্রদায়

পুৰাণ আৰু মহাকাব্যবোৰত উল্লেখিত শৈৱধাৰাৰ সম্প্রদায়বোৰৰ ভিতৰত এটি অন্যতম সম্প্রদায়বোৰৰ ভিতৰত এটি অন্যতম সম্প্রদায় হ'ল কাপালিক। কাপালিন ৰূপত শিৱক উপাসনা কৰা লোকসকলকে কাপালিক

বুলি কোৱা হয়। কাপালিক মানে হ'ল কপাল অর্থাৎ নৱমুণ্ডৱ খোলা। কাপালিক সন্ন্যাসীবোৰে নিজ ধর্ম বুজাবলৈ হাতত এটি নৱমুণ্ডৱ খোলা লৈ ফুৰে।

জানি থোৱা ভাল

কাশ্মিৰী শৈৱধাৰাৰ দুটা লক্ষণীয় বিশেষত্ব হ'ল স্পন্দ আৰু প্রত্যভিজ্ঞা। পৰমতত্ত্ব শিৱ জীৱ আৰু জগতৰূপে প্রকাশিত হয়। শিৱৰ এইধৰণৰ প্রকাশমান যি অৱস্থা বা ৰূপান্তৰ হোৱা স্বভাৱ, সিয়েই স্পন্দ। শিৱ পৰমাত্মা। শিৱৰ লগত জীৱাত্মাৰ সম্বন্ধজনিত উপলব্ধিৰ বিচাৰ ধাৰা হ'ল প্রত্যভিজ্ঞা।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১৬ ঃ শৈৱ সিদ্ধান্তিকা সম্প্রদায়ৰ দুখন উল্লেখযোগ্য গ্রন্থৰ নাম লিখক।

.....

.....

১১.৬ অসমৰ জনমানসত শিৱৰ প্রভাৱ

প্রাগ্‌জ্যোতিষ বা কামৰূপ তথা বর্তমানৰ অসমত বাস কৰা সকলো জনগোষ্ঠীৰ মাজত প্রচলিত শিৱ পূজাৰ পৰম্পৰাত বড়োসকলে "বাথৌ শিৱাই", চীয়া-বৰাহীসকলে "বুঢ়া-বুঢ়ী", দেউৰী-চুতীয়াসকলে "নিবা-গিবাচি", ৰাভাসকলে "পাঙাৰজা", ৰাংখলসকলে "বলিৰজা", আদি শিৱৰ বিভিন্ন ৰূপত পূজা কৰে। কোচবংশীয় ৰজা তথা তেওঁলোকৰ বংধৰসকলে শিৱৰ প্রতি শ্রদ্ধা ভক্তি তথা পূজা-উপাসনা কৰাৰ লগতে তেওঁলোকে শিৱৰ বংশধৰ বুলি গৌৰৱ কৰে। আহোমসকলৰো শিৱ ভক্তি প্রগাঢ়। আহোম বংশীয় ৰজাসকলৰো শিৱ-ভক্তিৰ নিদর্শন মঠ-মন্দিৰবোৰে অসমত আজিও শিৱ মাহাত্ম্য জাগ্রত কৰি ৰাখিছে। নাথ-যোগীসকলৰ শৈৱধর্মৰ পৰম্পৰা স্মৰণীয়। মুঠতে সকলো জনগোষ্ঠীৰলোকে শিৱৰ উপাসনা কৰে। ড০ নির্মলপ্রভা বৰলৈয়ে তেখেতৰ 'শিৱ' নামৰ গ্রন্থত উল্লেখ কৰিছে যে জনগোষ্ঠীসকলৰ পূজা-উপাসনাত শিৱদেৱতাক বুজোৱা নাম আৰু পূজা-অর্চনা কৰাৰ আনুষ্ঠানিক আড়ম্বৰ আৰু পদ্ধতি পৃথক পৃথক। লৌকিক আৰু শাস্ত্রীয় দৃষ্টিকোণৰ পৰা অতি সহজতে সন্তুষ্ট হোৱা, কৃপালু, আশুতোষ শিৱৰ প্রতি আদৰ আৰু শ্রদ্ধা প্রচাৰিত হৈ আছে। সেয়ে শিৱ সর্বজনমান্য।

লোকজীৱনত শিৱৰ প্রভাৱ বহুত বেছি। শিৱৰ আকৃতিগত আৰু প্রকৃতিগত লক্ষণ, বিশেষত্ববোৰ আৰু শিৱ-পার্বতীৰ যুগ্ম জীৱনৰ পৰিস্থিতিয়ে নানা প্রকাৰে অসমৰ জনজীৱনৰ ওপৰত প্রভাৱ পেলাই আহিছে। নাৰী পুৰুষ নির্বিশেষে অতি দীন-দৰিদ্রক বুজাবৰ বাবে " ভাং ভাজিবৰ খোলা নাই", অভাৱ-অনাটনেৰে পৰিপূর্ণ গার্হস্থ জীৱনক বুজোৱাৰ কাৰণে - "মাহদেৱৰ সংসাৰ", অতি নিকৃষ্ট বস্তু কিছুমান সুমাই থোৱা মোনা এখনক "মহাদেৱৰ জুলি", সুখী দাম্পত্য জীৱনক "হৰ-পার্বতীৰ বসতি" আদি বিভিন্ন খণ্ডবাক্যৰ প্রয়োগে প্রমাণ কৰে যে জনমানসত বিশেষ কোনোবা দেৱতাৰ ভিতৰত শিৱই প্রথম দেৱতা। বেলগছৰ গুৰিত পানী দিয়া, ত্রিশূল দান কৰা, শিৱৰ প্রিয় ফুল অপৰাজিতা আৰু ধতুৰা ফুল মানুহে নিষ্ঠা আৰু পৰিত্রভাৱত সংৰক্ষণ কৰাৰ পৰাও জনমানসত শিৱৰ প্রভাৱকে বুজায়।

১১.৭ অসমত শৈৱধর্ম

অতি প্রাচীনকালৰ পৰাই শৈৱধর্মই অসমত এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। তান্ত্রিকতাৰ পটভূমিত অসমত গঢ় লৈ উঠা শৈৱতত্ব তথা শক্তিতত্বৰ সমন্বয় সাধন হৈছে। প্রকৃততে শক্তি আৰু শিৱ অভেদ।

অসমত প্রাপ্ত তাম্রশাসন, শিলালিপি আৰু আন আন দান পত্র, সাহিত্যিক, ঐতিহাসিক আৰু ধর্মীয় গ্রন্থৰ লগতে আন আন বিবিধ ৰচনা আৰু মুখপৰম্পৰাই ৰাজ্যখনত প্রচলিত শৈৱোপাসনাৰ সাক্ষ্য বহন কৰিছে। ইয়াৰ উপৰিও শিৱ সাধনাৰ উৎসৰূপে অসমত উদ্ধাৰ হোৱা শিৱমূর্তিৰ কথাও উল্লেখ কৰিব পাৰি। গতিকে দেখা যায় যে শিৱৰ স্থান আৰু প্রতিষ্ঠা সম্বন্ধীয় উৎসবোৰৰ কিছুমান ঐতিহাসিক ৰচনা আধাৰিত, কিছুমান শাসনাৱলী আধাৰিত আৰু কিছুমান খোদিত মূর্তি আধাৰিত।

ধর্মগ্রন্থই কামৰূপ-ৰাজ্যত শিৱোপাসানাৰ আভাসৰ প্রাচীনতম সময় সূচিত কৰে। সেই গ্রন্থসমূহৰ ভিতৰত প্রথমতে কালিকাপুৰাণত নাম উল্লেখ কৰিব লাগিব। কিয়নো খ্রীষ্টীয় একাদশ শতিকাত কামৰূপতে এই পুৰাণ ৰচিত বুলি স্থিৰ কৰিছে। কালিকাপুৰাণৰ বর্ণনামতে বিষ্ণুৱে যেতিয়া নৰকক প্রাগ্‌জ্যোতিষপুৰত ৰজা পাতিবলৈ আনিছিল তাৰ আগৰ পৰাই কামৰূপ শিৱই স্বৰাজ্য হিচাপে ৰাখি আছিল। এই প্রসঙ্গত কালিকাপুৰাণত কৈছে - "স চ দেশঃ স্বৰাজ্যার্থে পূর্ব গুপ্তশ্চ শম্ভুনা।" যিহেতুকে খৃঃ পূঃ ৫৮০০ আৰু ২০০০ৰ ভিতৰত নৰকৰ ৰাজত্বকাল বুলি সর্বসম্মত সিদ্ধান্ত আৰু তাৰ আগৰ পৰাই শিৱই গোপনে কামৰূপ ৰক্ষা কৰি আছিল, গতিকে নৰকৰ সময়ত মা কামাখ্যাৰ প্রাধান্য থকা কামৰূপত শিৱৰ উপাসনা মা কামাখ্যাতকৈ আগতে হোৱা বুলি ক'ব পাৰি।

কালিকাপুৰাণত উল্লেখ আছে যে বিষ্ণুৱে নৰকক নীলাচল পর্বতত কামাখ্যাত বাহিৰে আন আন দেৱতাক পূজা কৰিবলৈ বাধা দিছিল। আকৌ নৰক শাক্ত উপাসক হোৱা বাবে মুকলিভাৱে কোনোৱে আন দেৱতাক পূজা কৰিব নোৱাৰিছিল যদিও সেই সময়ত গোপনভাৱে শিৱৰ উপাসনা হৈছিল (অন্তর্গুপ্তঃ স মে পুৰে)। সেই কালত সন্ধাচলত বশিষ্ঠ মুনিয়ে গোপনে শিৱকেই আৰাধনা কৰিছিল। বশিষ্ঠ মুনিয়ে বেতাল ভৈৰৱক শিৱোপাসনা কৰাৰ মন্ত দিছিল।

নৰকৰসময়ত শোনিতপুৰৰ ৰজা বাণ একান্ত শিৱভক্ত আৰু কন্যা ঊষা যে দেৱী পূজাৰ উপাসক আছিল সেই কথা তেজপূৰ নগৰত আৱস্থিত জাগ্রত মহাভৈৰৱ আৰু ভৈৰবী শিৱ আৰু শক্তি মন্দিৰেই প্রমাণ কৰে।

শিলালিপি আৰু তাম্রলিপিসমূহেও অসমত শৈৱোপাসনাৰ সাক্ষ্য দিয়ে। বনমালাৰ তাম্রশাসনত উল্লেখ আছে যে প্রাগ্‌জ্যোতিষৰ সিংহাসনত আৰোহন কৰি ভগদত্তই ৰাজ্য প্রসাৰণৰ উদ্দেশ্য মহাদেৱৰ তপস্যাৰ দ্বাৰা সন্তুষ্ট কৰিছিল। আকৌ, বর্মন বংশৰ ৰাজত্বকালত শৈৱ ধর্ম সবল হৈ উঠা কথাটো সেইসময়ৰ ৰজাসকলে খোদিত কৰা তাম্রশাসনসমূহে প্রমাণ কৰে। চতুর্থ শতিকাৰ পৰা দ্বাদশ শতিকাৰ ভিতৰত পুষ্যবর্মা, শালস্তম্ভ আৰু ব্রহ্মপাল বংশৰ হিন্দুৰজাসকলৰ মাজত শৈৱধর্মৰ প্রাধান্যতাৰ কথা সেইসময়ত উপলব্ধ তাম্রশাসনবোৰে প্রমাণ কৰে। ভাস্কৰ বর্মাৰ নিধানপুৰ তাম্রশাসন আৰম্ভ হৈছে শিৱৰ প্রতি প্রণাম নিৱেদন আৰু শিৱ প্রশস্তি কীর্তনেৰে

ওঁম্ প্রণম্য দেৱং শশিশেখৰং প্রিয়ম্
পিনাকিনং ভস্মকণৈর্বিভূষিতম্।
তোপীশ্বৰ কৃত পৰিকৰমীক্ষণজিত কামৰূমবিমুক্তম্।
পৰমেশ্বৰস্য ৰূপং নিজভূতি ভূষিতংজয়তি।

(ভাস্কৰ বর্মাৰ তাম্রশাসন)

ভাস্কৰ বর্মাই শৈশৱৰ পৰাই শিৱৰ বাহিৰে আন দেৱতাৰ পূজা নকৰিবলৈ প্রতিজ্ঞাবদ্ধ। ভাস্কৰ বর্মাৰ মতে শিৱ হ'ল পিনাক-পণি, চন্দ্রলেখা, কিৰীটিৰে শোভিত, ভস্মৰঞ্জিত আৰু সৌন্দর্যত কামদেৱতকৈও শ্রেষ্ঠ।

অসমস্থ শিৱ লিঙ্গসমূহো শৈৱ প�ৰম্পৰাৰ উৎকৃষ্ট নিদর্শন। শাক্তধর্মীয় যোগিনীতন্ত্ৰৰ আৰম্ভণিতে 'নমো মহাভৈৰবায়' বুলি শিৱক স্তুতি কৰা হৈছে। এই গ্ৰন্থখনত শিৱৰ অষ্টোত্তৰ শত স্থানৰ উল্লেখ আছে - "অষ্টোত্তৰশতস্থানং ময়া তে পৰিকীর্তিম্।"

অসমৰ শৈৱধর্মৰ আভাস দাঙি ধৰিছে চর্যাপদ আৰু পৰৱর্তীকালৰ প্রাক্-বৈষ্ণৱ যুগৰ সাহিত্যসমূহে। কবিৰত্ন সৰস্বতীৰ 'দ্রোণপর্ণ'ত 'বৰ দেন্ত সদাশিৱ, সূর্য্যখড়ি দৈৱযজ্ঞৰ ঐতিহাসিক তথ্যসম্বলিত কাব্যিক গ্ৰন্থ 'দৰং ৰাজ বংশাৱলী'ত

'প্রথম নিশাত দেখা দিলা সদাশিৱ।

বোলে আপোনাৰ নীতি এৰিলিহি কিয়।।" আদি উক্তিয়েই প্রমাণ।

অসমত প্রাপ্ত শিৱৰ অবয়ৱ প্রকাশক ভাস্কর্য বা প্রস্তৰ মূর্তিবোৰে শিৱোপাসনাৰ পৰম্পৰাৰ পৰিচয় দাঙি ধৰাত বিশেষভাৱে সহায় কৰিছে। বিভিন্ন নামৰ শিৱ মূর্তি বা শিৱ লিংগবোৰৰ পূজা উপাসনাৰ উদ্দেশ্য প্রাচীনকালৰে পৰা অসমৰ বিভিন্ন স্থানত শিৱ মন্দিৰ বা দেৱালয় স্থাপন হৈছিল। সপ্তম শতিকামানত তেজপুৰৰ দ-পর্বতীয়া গাঁৱত স্থাপিত শিৱ-মন্দিৰটো হ'ল অন্যতম প্রধান আৰু প্রাচীন কৃতি। আকৌ নেঘেৰিটিঙৰ শিৱ মন্দিৰ, হাৰুপেশ্বৰৰ হাটকশূলী শিৱ মন্দিৰ, বৰপেটাৰ তুৰি অঞ্চলৰ পৰিহৱেশ্বৰ দেৱালয়, হাজোৰ কেদাৰ মন্দিৰ, বেলশৰৰ বিল্বেশ্বৰ, বাইহাটাৰ মদন-কামদেৱ, কামৰূপৰ কামাখ্যা, উমানন্দ, বশিষ্ট্যাশ্রম, বাণেশ্বৰ দেৱালয়, শুক্রেশ্বৰ দেৱালয় আদিয়ে আসমত শৈৱোপাসনাৰ ঐতিহ্য বহন কৰিছে। দেৱগাওঁ নেঘেৰিটিঙৰ শিৱ-মন্দিৰ, বৰপেটা জিলাৰ অন্তর্গত ডুবিৰ পৰিহৱেশ্বৰ দেৱালয় আদিত দেৱদাসী নৃত্যৰ প্রচলন ব্যৱস্থা উল্লেখনীয়।

শৈৱ পৰম্পৰাৰ সাক্ষ্য বহন কৰা আন এক আধাৰ হ'ল চৰিত পুথিসমূহ। ভূষণ দ্বিজ আৰু ৰামচৰণ ঠাকুৰ বিৰচিত চৰিত পুথিৰ লগত কথা-গুৰু-চৰিত আদিত উল্লেখ আছে যে সদাশিৱৰ বৰ অনুসৰিয়েই শংকৰদেৱৰ জন্ম হৈছিল। শংকৰদেৱৰ পিতৃ কুসুম্পৰ ভূঞাই নিঃসন্তান হোৱা হেতুকে সন্তান লাভৰ আশাৰে তন্ত্র-মন্ত্র সমর্থিত বহুতো কর্ম কৰিলেও শেষত শিৱৰ পূজা উপাসনা কৰি শিৱৰ অনুগ্রহত পুত্র সন্তান লাভ কৰিছিল। শিৱোপাসনাৰ ফলতে মাধৱদেৱে বৈমাত্রেয় ভ্রাতৃক লাভ কৰিবলৈ সক্ষম হৈছিল।

মহাপুৰুষ শংকৰদেৱৰ সময়তো শৈৱ ধর্মীয় পৰম্পৰাই অসমৰ সমাজ জীৱনত এক বিশিষ্ট স্থান অধিকাৰ কৰিছিল। শংকৰদেৱৰ পিতৃ কুসুম্বৰ ভূঞাই শিৱলিংগক পূজা কৰাৰ ফলতহে পুত্র লাভ কৰিছিল। সেয়েহে কুসুম্বৰ ভূঞাই পুত্রজনৰ নাম শংকৰ ৰখা বুলি চৰিতপুথিত উল্লেখ আছে।

সাম্প্রতিক বিশ্বায়ণৰ যুগত সমগ্র পৃথিৱীয়ে জড়বাদত বিশ্বাস কৰে আৰু প্রায়ভাগ লোকে সকলো কথাই বৈজ্ঞানিক দিশৰ পৰা চাবলৈ চেষ্টা কৰে যদিও এই যুগতো ধর্মীয় পৰম্পৰাৰ বিলোপ হোৱা নাই। বৰঞ্চ বর্তমানক পূজা-পার্বন ধর্মীয়ানুষ্ঠান উদ্‌যাপন পদ্ধতিৰ পৰিৱর্তন ক্রমশঃ আগুৱাই গৈ আছে। শিৱোপাসনা বা শিৱ মন্দিৰ বা শিৱৰ থানৰ সংখ্যা প্রাচীনকালৰ তুলনাত বর্তমান বহু বেছি হোৱা পৰিলক্ষিত হৈছে। অসমৰ প্রায় সকলো গাওঁ নগৰৰ চুকে কোণে প্রকাণ্ড গছৰ তলত শিৱৰ থান গঢ় লৈ উঠা দেখা গৈছে। এই মন্দিৰবোৰত বা শিৱথানত শিৱৰাত্রি বহলভিত্তিত উদ্‌যাপন কৰা হয়। এই সাক্ষ্যবোৰে প্রমাণ দাঙি ধৰে যে অতীজৰ পৰা বর্তমানলৈকে অসমত শিৱ পূজাৰ এক ধাৰাবাহিক বুৰঞ্জী পোৱা যায়।

জানি থোৱা ভাল

- প্রাচীন অসমত বহুতো ৰজাই দেৱদাসী উচর্গা কৰাৰ লগতে মাটি, ধন, সোণ আদি শিৱমন্দিৰলৈ দান কৰিছিল।

- শিৱ মন্দিৰবোৰলৈ উচৰ্গা কৰা সুন্দৰ ভংগিমাৰে দেৱদাসীসকলে দেৱদাসী নৃত্য পৰিৱেশন কৰি শিৱক সন্তুষ্ট কৰিবলৈ যত্ন কৰে।
- নটৰাজ শিৱক নৃত্য গীতৰ গুৰু হিচাপে আখৰা দিয়া হয়।
- সেয়ে আজিও নাটক আৰম্ভ হোৱাৰ আগতে নটৰাজক আৰাধনা কৰা হয়।

১১.৮ অসমত শৈৱ-মঠ-মন্দিৰ

উপাসনাৰ স্থান বা কেন্দ্রবোৰ শৈৱপীঠ বা শিৱৰ স্থান হিচাপে উত্তৰ পূৰ্বাঞ্চলৰ অন্তর্গত অসমক জনা যায়। অতীতকালৰ পৰাই বিভিন্ন শৈৱ-মঠ-মন্দিৰৰ বাবে অসম প্রসিদ্ধ। বর্তনান সময়ত অসমৰ গাঁৱে-ভূঞে বিভিন্ন নামেৰে শৈৱোপাসনাৰ গঢ় লৈ উঠা স্থানসমূহৰ সংখ্যা নিৰূপন কৰাটো কঠিন। ভাস্কৰবর্মাৰ ৰাজত্বকালত কামৰূপলৈ অহা চীনা পৰিব্রাজক হিউৱেন-চাঙে কামৰূপত কেইবাশও হিন্দুৰ দেৱ-মন্দিৰ থকাৰ কথা উল্লেখ কৰি মন্তব্য কৰিছে যে এই মন্দিৰসমূহ ভিতৰত শিৱ মন্দিৰৰ সংখ্যা সর্বাধিক।

অসমৰ বিভিন্ন স্থানত লাভ কৰা বহুতো শিৱ মন্দিৰৰ ধ্বংসাৱশেষ সপ্তমৰ পৰা এয়োদশ শতিকা বুলি পণ্ডিতসকলে অনুমান কৰে। তেজপুৰৰ দ-পর্বতীয়াত গুপ্তযুগৰ শেষৰফালৰ স্থাপত্যৰ লগত মিল থকা এক শিৱ মন্দিৰৰ ধ্বংসাৱশেষ উপলব্ধ হৈছে। তেনেদৰে গোলাঘাট, দেৰগাঁৱৰ, নেঘেৰীটিঙৰ শিৱ-মন্দিৰো প্রাক্ আহোমযুগৰ।

মূলতঃ শক্তি-উপাসনাৰ কেন্দ্রস্থল কামাখ্যা ধামত শিৱক উপাসনাৰ কেবাখনো স্থান আছে। তাৰ ভিতৰত কামেশ্বৰ, সিদ্ধেশ্বৰ, তৎপুৰুষ, অঘোৰ, কৌটিলিংগ আদি উল্লেখযোগ্য।

কামৰূপস্থিত উমানন্দ,ধাৰেশ্বৰ, বশিষ্ঠাশ্রম, বাণেশ্বৰ, শুক্রেশ্বৰ, ৰুদ্রেশ্বৰ, মণিকর্ণেশ্বৰ, কেদাৰ মন্দিৰ, ভৃঙ্গেঁশ্বৰ, পিঙ্গঁলেশ্বৰ, গোপেশ্বৰ, লঙ্কেশ্বৰ, সোনেশ্বৰ বাৰোৱাৰী শিৱ মন্দিৰ আদি মন্দিৰত সদায় শিৱৰ পূজা-অর্চনা চলি আহিছে।

নলবাৰীৰ বিল্বেশ্বৰ, জয়পাল, বৰপেটাৰ 'তুমি পৰিহৰেশ্বৰ দেৱালয়', জালিখাটাৰ 'শ্রী শ্রী শিৱথান, বক্সা জিলাৰ' সন্যাসী শিৱ মন্দিৰ, শালবাৰীৰ 'গড় আলি শিৱমন্দিৰ, গোৱালপাৰাত থকা শ্রী সূর্য পাহাৰৰ শম্ভেশ্বৰ মাটিয়াৰ কাষত থকা নন্দেশ্বৰ পাহাৰৰ ওপৰত থকা নন্দেশ্বৰ দেৱালয়, শোণিতপুৰৰ নাগশংকৰ, কেতেকেশ্বৰ, মহাভৈৰৱ ভোলানাথ, বিশ্বনাথঘাট, হলেশ্বৰ শিঙৰিৰ গুপ্তেশ্বেৰ, জামুগুৰিৰ নন্দিকেশ্বৰ, বৰদৌল, বাণেশ্বৰ, যোগেশ্বৰ, শুক্লেশ্বৰ, নগাঁৱৰ শ্মাশানঘাট, শিৱদৌল, নুমলীগড় শিৱদৌল, শিৱসাগৰৰ শিৱদৌল বংগনাথ, যোৰহাটৰ হাতীগড় গাঁও শ্রী শিৱ দেৱালয়, লক্ষীমপুৰৰ ফুলবাৰী শিৱথান, ধেমাজিৰ মাজখোৱা শিৱদৌল আদি উল্লেখযোগ্য শৈৱ মঠ-মন্দিৰ।

জানি থোৱা ভাল

- বাণ ৰজাই তেজপুৰৰ মহাভৈৰৱ মন্দিৰত শিৱৰ উপাসনা কৰিছিল বুলি জনশ্রুতি আছে।
- তেজপুৰৰ শিঙৰিত থকা গুপ্তেশ্বৰ মন্দিৰৰ বিষয়ে এটা জনশ্রুতি আছে। তেজপুৰৰ পৰা পশ্চিমফালে প্রায় ৫০ কিঃ মিঃ আঁতৰত ব্রহ্মপুত্রৰ পাৰত থকা শিঙৰি পাহাৰত এই মন্দিৰ অৱস্থিত। কথিত আছে যে, এই পাহাৰতে প্রাচীনকালত ঋষ্যশৃঙ্গ মুনিয়ে তপস্যা কৰিছিল আৰু তেওঁৰ আশ্রমো আছিল ইয়াতেই। ইয়াত থকা মন্দিৰৰ নাম গুপ্তেশ্বৰ বা গোলেশ্বৰ। জনশ্রুতি মতে ইয়াত ঈশ্বৰ (শিৱ) হৈ আছিল। সেয়েহে, মন্দিৰৰ আন নাম গুপ্তেশ্বৰ। জনশ্রুত্যানুসৰি দ্বাপৰ যুগত শোণিতপুৰৰ নৃপতি ৰূপে কাশী তীর্থস্থানলৈ

গৈ পূজা-অর্চনা কৰাত অসুবিধা হোৱা বাবে বিশ্বনাথত দ্বিতীয় কাশীধাম পাতিবলৈ স্থিৰ কৰে আৰু ভাৰতৰ বিভিন্ন স্থানৰ পৰা তেওঁ এক কৌটি শিৱ লিংগ আনি সেই স্থানত প্রতিষ্ঠা কৰে। এই ক্ষেত্রত দেৱগণ অসন্তুষ্ট হৈ সেই এক কৌটি শিৱ লিংগৰ এটা লিংগ আনি শিঙৰিত লুকুৱাই থয়। শিৱক এনেদৰে গুপ্ত কৰি ৰখা বাবে এই মন্দিৰৰ নাম গুপ্তেশ্বৰ হয়। এই মন্দিৰ অতি প্রাচীন। কোনে, কেতিয়া প্রতিষ্ঠা কৰিছিল তাৰ নির্দিষ্ট সময় জনা নাযায়।

১১.৯ অসমত শৈৱ সাহিত্য

অসম ৰাজ্য শৈৱ-সাধনাৰ কেন্দ্রস্থল বহুত বেছি হ'লেও কিন্তু শাক্ত সাহিত্যৰ সংখ্যা নিচেই কম। অৱশ্যে শৈৱ সাহিত্য সৃষ্টিৰ আশানুৰূপ নোহোৱাৰ কিছুমান কাৰণো আছে। যেনে- সাধনৰ গুহ্যতা, প্রচাৰধর্মি বৈষ্ণৱ-আন্দোলন, মনসা-সাহিত্য আৰু বৈষ্ণৱ সাহিত্যৰ মাজত শিৱ-মাহাত্ম্যৰ বিকাশ, ৰজাঘৰীয়া পৃষ্ঠপোষকতাৰ অভাৱ আদি।

যিবোৰ সাহিত্যত শিৱৰ স্বৰূপ কর্মৰাজি আৰাধনা আৰু উপাসনাৰ কথা বর্ণনা কৰা আছে সেইবোৰ সাহিত্যকে শৈৱ-সাহিত্য বুলি কোৱা হয়। পৌৰাণিক বা শাস্ত্রীয় আৰু লৌকিক ভেদে দুই প্রকাৰৰ সাহিত্যত শিৱৰ স্বৰূপ অংকিত হৈছে। পৌৰাণিক বা শাস্ত্রীয় সাহিত্য হ'ল লিখিত সাহিত্য আৰু লৌকিক সাহিত্য হ'ল লোকসাহিত্য বা মৌখিক সাহিত্য। কিন্তু, কেতিয়াবা মৌখিক সাহিত্যৰ মাজতো শিৱৰ পৌৰাণিক 'ঈশ্বৰস্বৰূপে ভুমুকি মৰা দেখা যায়। গতিকে মৌখিক আৰু পৌৰাণিক বা লিখিত সাহিত্য দুয়োটা পৰস্পৰাতে শিৱৰ উপস্থিতি আছে।

অসমীয়া মৌখিক সাহিত্যত বা লোকসাহিত্যৰ মাজত শিৱৰ বিবাহোদ্যোগী, গৃহ, কৃষক, কামাসক্ত আদি ৰূপহে প্রধান আৰু উল্লেখযোগ্য। লোকসমাজৰ ৰুচি-অভিৰুচি অনুসৰি ৰূপ সলাই আত্মপ্রকাশ কৰিছে। লোকগীতত শিৱক, ভিক্ষাৰী, বুঢ়া দৰা, কৃষক, ভাঙুৰা, জটীয়া গোঁসাই আদি ৰূপেৰে কল্পনা কৰি আয়তীসকলে গীত পৰিৱেশন কৰে। বিবাহৰ প্রসংগত আয়তীয়ে গায়—

"ক'ৰ পৰা আহিলা জটীয়া ভাঙুৰা সৰপে বন্ধোৱা হিয়া। তোমাৰ ৰূপ দেখি মেনকাই কান্দিছে নেদুপার্ৱতীক বিয়া।"

আকৌ

"অ, মোৰ জটীয়া, অ'মোৰ জটীয়া।

ঘৰবাৰী এৰি থাকে শ্মশানে পৰিয়া।।"

বুনো গীত, সুকনান্নী ওজাপালি, টোকাৰি গীত, সদাশিৱৰ নাম, গোপন বিহাৰৰ লগত জড়িত 'চিয়াগীত' বৈৰাগী গীত, পাতিৰাভাসকলৰ মাজত প্রচলিত 'তুকুৰীয়া গীত, পাতিৰাভাসকলৰ মাজত প্রচলিত 'তুকুৰীয়া গীত', সোণোৱাল কছাৰীৰ 'হাইদাংগীত'ৰ সৈতে 'বুঢ়াগোসাঁই গীত', পদ্মপুৰাণৰ গীত, মনসা পূজাৰ গীত আদিত শিৱৰ নানা লোকৰূপৰ লগত শাস্ত্রীয় বা পৌৰাণিক ৰূপটো সংযোজিত হৈছে।

বিবাহৰ গীত, দিহা নামত, সাধুকথাত, প্রবাদ-প্রবচন, সাঁথৰ, ফকৰা-যোজনা আদি সকলোতে শিৱ প্রসংগ বিৰাজমান হৈ আছে। মন্ত্রাদি সাহিত্যতো নীলকণ্ঠ মহাদেৱ, শিৱ-ৰুদ্রৰ অখণ্ড পয়োভৰ। আনকি দৰা-কইনাক আশীর্বাদ দিওঁতে 'হৰগৌৰীৰ বসতি হওঁক' বুলি আশীর্বাদ দিয়ে। লোকগীতত শিৱৰ দৰিদ্রতাৰ কথা সুন্দৰভাৱে প্রকাশ পাইছে -

"লাজ নাই ভাঙাৰা তোৰ মুখত পকা দাঁৰি।

ঘৰত খাবৰ ভাত নাই তোৰ দুই তিনি নাৰী।। ইত্যাদি

আকৌ, "বোলে গণেশৰ আই মনে তোমাৰ পত্তা নাই
সদায় ফুৰা ভাং টানি টানি।
গৃহে চাউল মুঠি নাই কান্দে কার্তিক গণপতি
সদায় খোৱা ভিক্ষা মাগি আনি।।
তুমি জগতৰ মূল আছে মাথোন ত্রিশূল
সদায় লোৱা কান্ধে ভিক্ষাৰ বুলি।
শুনি নৰ-নাৰী হাসে শুনি প্রাণ নসহে
ভঙুৱা-ভিখাৰী আহিল বুলি।।" ইত্যাদি

(নির্মলপ্রভা বৰদলৈৰ "শিৱ"ৰ পৰা উদ্ধৃত)

গতিকে দেখা যায় যে মৌখিক সাহিত্যত শিৱই এক বিশেষ স্থান অধিকাৰ কৰি আছে। মৌখিক সাহিত্যৰ দৰে লিখিত বা শাস্ত্রীয় সাহিত্যতো শিৱৰ প্রভূত্ব অপৰীসীম। ঋগ্বেদৰ পৰা আৰম্ভ কৰি বর্তমানলৈকে ৰচিত প্রায়বোৰ সাহিত্যতে কিবা প্রকাৰে হ'লেও শিৱৰ নাম জড়িত হৈ আছে। চর্যাপদ, প্রাক্ বৈষ্ণৱ যুগৰ কবি হেমসৰস্বতী, কবিৰত্ন সৰস্বতী, হৰিণৰ বিপ্ল, মাধন কন্দলীৰ কাব্যৰ কোনো কোনো অংশত বা বাচন ভংগীয়ে শিৱৰ মাহাত্ম্য প্রকাশ কৰে। মাধৱ কন্দলীয়ে মূল ৰামায়ণত নথকা শৈৱ ধর্মীয় কিছুমান উপমা সংযোজন কৰিছে।

উদাহৰণ স্বৰূপে-

"পাইলেক ভাগৰ বোকণ্ডা কাষৰ
সৰে পৰি ৰৈলা খসি।
মুখে শিৱ শিৱ সুমৰন্তে আতি
পলাইলা যত তাপসী।।"

(পদঃ৩৪৫)

একেদৰে প্রাক্ শংকৰী কবি হেম সৰস্বতীৰ "হৰ-গৌৰী সম্বাদ', কবিৰত্ন সৰস্বতীৰ 'জয়দ্রথ বর্ধ আদিও শৈৱ ধর্মৰ প্রভাৱ স্পষ্ট।

মনকৰী, দুর্গাৱৰী আৰু সুকনান্নী - এই তিনিখন মনস্যা কাব্যৰ ভিতৰত মনকাৰী আৰু সুকনান্নীয়ে বিশেষভাৱে শিৱৰ লৌকিক স্বৰূপ ফুটাই তুলিছে।

মনকৰী কাব্যৰ তিনিওটা খণ্ডতে শিৱৰ শক্তি আৰু কর্মৰ গুৰুত্ব লক্ষণীয়।

বৃহৎ কলেবৰ বিশিষ্ট 'সুকনানী' নামৰ কাব্যখন শাক্ত সাহিত্য হ'লেও কাব্যখনৰ অন্তর্গত বহু ঘটনাৰ মাজত শিৱৰ শক্তি প্রকাশক কার্য সংযোজিত হৈছে। চান্দ সদাগৰ পৰম শিৱভক্তা একান্ত ভক্ত চান্দ সদাগৰক শিৱই ৰক্ষা কৰি নিজৰ মহিমা প্রকট কৰি তোলা এই কাব্যখনত দেখা যায়।

১১.১০ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- শৈৱদর্শনৰ বিভাজন, বৈশিষ্ট্য আৰু দার্শনিক তত্ত্বৰ জ্ঞান পালে।
- অসমস্থ শৈৱ-মনিন্দৰৰ বিষয়ে জানিব পাৰিলে।
- শৈৱ-সাহিত্যৰ কথাও জানিব পাৰিলে।
- শিৱ-শক্তি তথা হৰি-হৰৰ অভেদত্ত্বৰ জ্ঞানো লাভ কৰিলে।

১১.১১ অধিক জানিবলৈ

১) নেওগ, মহেশ্বৰ (১৯৯১); *পবিত্ৰ অসম*; গুৱাহাটী লয়ার্ছ বুক ষ্টল।

২) ভট্টাচার্য, হিতেন্দ্র নাথ আৰু ভটাচার্য, সুৰেশ চন্দ্র, সম্পাদিত (২০০৯); *অসমৰ প্রাচীন দ'ল-দেৱালয়;* গুৱাহাটী ঃ সদৌ অসম দেৱালয় সংঘ শ্রীশ্রী জনার্দন দেৱালয়, শুক্রেশ্বৰ।

১১.১২ অগ্রগতিৰ খতিয়ান

২ নং প্রশ্নৰ উত্তৰঃ শিৱ।

৩ নং প্রশ্নৰ উত্তৰঃ আগম বা বেদ আৰু পুৰাণ।

৭ নং প্রশ্নৰ উত্তৰঃ পর্বতবাসী, ত্রিশূলধাৰী, সর্পমালা বিভূষিত, প্রায় উলঙ্গ, ব্রাঘ্রচর্মধাৰী, ভাংধতুৰা সেৱনকাৰী, ভস্মধাৰী ভূতপ্রেতৰ সংগী।

৮ নং প্রশ্নৰ উত্তৰঃ শতৰুদ্রিয় নামৰ অধ্যায়ত।

১০ নং প্রশ্নৰ উত্তৰঃ ৰামায়ণ।

১৬ নং প্রশ্নৰ উত্তৰঃ (১) শিৱ প্রকাশন আৰু (২) শিৱজ্ঞান সিদ্ধি।

১১.১৩ আৰ্হি প্রশ্ন

প্রশ্ন ১ ঃ শৈৱধর্মৰ বিষয়ে কি জানে লিখক?

প্রশ্ন ২ ঃ শিৱৰ নামৰ তাৎপর্য সম্পর্কে এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ৩ ঃ শিৱ আর্য নে অনার্য দেৱতা - বহলাই আলোচনা কৰক।

প্রশ্ন ৪ ঃ বৈদিক কোন দেৱতাৰ সৈতে শিৱ অভিন্ন?

প্রশ্ন ৫ ঃ ব্রাহ্মণ সাহিত্যানুসৰি শিৱৰ বিকাশ সম্পর্কে চমুটোকা প্রস্তুত কৰক।

প্রশ্ন ৬ ঃ মহাকাব্য দুখনত বর্ণিত শৈবোপাসনা পৰম্পৰাৰ এটি চমু আভাস দাঙি ধৰক।

প্রশ্ন ৭ ঃ পুৰাণৰ আধাৰত শৈৱধর্মৰ উৎপত্তি আৰু বিকাশ সম্পর্কে বহলাই আলোচনা কৰক।

প্রশ্ন ৮ ঃ কালিদাসৰ ৰচনাত শৈৱধর্ম বিকাশৰ ওপৰত আলোকপাত কৰক।

প্রশ্ন ৯ ঃ শৈৱধর্মৰ উৎপত্তি তথা বিকাশৰ এটি টোকা প্রস্তুত কৰক।

প্রশ্ন ১০ ঃ চমুটোকা লিখক ঃ

শৈৱ সিদ্ধান্তিকা, পাশুপাত সম্প্রদায়

প্রশ্ন ১১ ঃ অসমৰ জনমানসত শিৱৰ প্রভাৱ কেনেদৰে প্রতিফলিত হৈছে বহলাই আলোচনা কৰক।

*** ***** ***

অধ্যায় ১২ঃ শক্তিবাদ

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য

১২.২ পৰিচয়

১২.৩ শক্তিবাদ

১২.৩.১ শক্তি উপাসনাৰ সম্প্রদায়সমূহ

১২.৩.২ অসমত শক্তিবাদৰ পৰম্পৰা

১২.৩.৩ শক্তিৰ বিভিন্ন ৰূপৰ উপাসনা

১২.৩.৪ শাক্ত সাহিত্য

১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১২.৫ অধিক জানিবলৈ

১২.৬ আৰ্হি প্ৰশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- শক্তিবাদ সম্পৰ্কে অৱগত হ'ব পাৰিব
- শক্তি-উপাসনাৰ সম্প্রদায়সমূহৰ আভাস পাব
- অসমত শক্তিৰ বিভিন্ন ৰূপৰ উপাসনাৰ বিষয়ে অৱগত হ'ব পাৰিব
- শক্তি সাহিত্যৰ বিষয়ে জানিব পাৰিব।

১২.২ পৰিচয়

বৈদিক কালৰ পৰাই শক্তিক বিভিন্ন ৰূপত উপাসনা কৰি অহা হৈছে। শক্তি অদৃশ্য কিন্তু সর্বব্যাপী। অতীজৰ পৰাই কামৰূপ প্রদেশ শক্তিসাধনাৰ কাৰণে আৰু তন্ত্র-মন্ত্র সাধনাৰ বাবে সুপ্রসিদ্ধ। এই অধ্যায়টিত শক্তিবাদ আৰু শক্তি উপাসনাৰ সম্প্রদায়ৰ বিষয়ে আলোচনা আগবঢ়োৱা হৈছে। অধ্যায়টিৰ জৰিয়তে অসমত শক্তিৰ বিভিন্ন ৰূপৰ উপাসনাৰ বিষয়ে আভাস লাভ কৰিব। শক্তি মাহাত্ম্যৰ লগত জড়িত বিভিন্ন বিষয় সম্পৰ্কে তথ্য আগবঢ়োৱা গ্রন্থৰাজিৰ উল্লেখ এই অধ্যায়টিত আগবঢ়োৱা হৈছে।

১২.৩ শক্তিবাদ

সামর্থ্যবাচক শক্ ধাতুৰ লগত ক্তিন্ প্রত্যয় যোগ হৈ 'শক্তি' শব্দ নিষ্পন্ন হয়। বৈদিক কালৰ পৰাই শক্তিক দেৱীৰূপত উপাসনা কৰি অহা হৈছে। শক্তি অদৃশ্য কিন্তু সর্বব্যাপী। জগতৰ প্রত্যেকৰেই ভিতৰত শক্তি নিহিত থাকে আৰু কর্মৰ জৰিয়তে তাৰ বিকাশ সাধন হয়। দৈৱিক শক্তিসমূহ সৃষ্টিতত্ত্বৰ লগত সংপৃক্ত আৰু এই সৃষ্টিতত্ত্বৰ মূলেই হৈছে দেৱী। শক্তিৰ মাহাত্ম্য সম্পৰ্কত অথর্ববেদত সকলো দেবতাৰ দ্বাৰা প্রশ্ন সোধা হৈছে যে, কোন এই

মহাদেৱী? দেৱীয়ে কৈছে- মই ব্রহ্মস্বৰূপিণী, মোৰ পৰাই প্রকৃতি পুৰুষাত্মক জগতৰ সৃষ্টি হৈছে, ময়েই শূন্য-অশূন্য, আনন্দ-নিৰানন্দ, বিজ্ঞান-অবিজ্ঞান, ব্রহ্ম-অব্রহ্ম, পঞ্চভূত-অপঞ্চভূত, সমগ্র জগৎ, বেদ-অবেদ, বিদ্যা-অবিদ্যা, অজ-অনজ, অধ-ঊর্ধ-তির্যক। ভাৰতৰ প্রায়বোৰ সম্প্রদায়তেই দেৱীৰূপী শক্তিৰ সাধনা কৰা হয়। বেদত শক্তিৰূপে বর্ণিত দেৱীসকল হ'ল- ঊষা, আদিতি, পৃথিৱী, বাক্, ৰাত্রি, বৰুণানী, ৰুদ্রাণী, পৃশ্নি, ইন্দ্রানী ইত্যাদি। ঋকগ্বেদৰ দেৱীসুক্তত দেৱীশক্তিৰ মাহাত্ম্য বর্ণনা কৰি পৰমব্রহ্মক দেৱী বুলিয়েই আখ্যা দিয়া হৈছে। দেৱীসুক্তত উল্লেখ থকা অনুসৰি দেৱীয়েই এই বিশ্ব-ব্রহ্মাণ্ডৰ শাসিকা, ধন-সম্পত্তিৰ অধিষ্ঠাত্রী, ধনপ্রদান কৰোতা, সকলো দেৱতাৰ পূজ্য, এই দেৱীয়েই বিভিন্ন ৰূপত, বিভিন্ন অৱতাৰত আৰু বিভিন্ন অভিব্যক্তিৰত শৰীৰত আত্মা হিচাপে বিৰাজিত্ত হৈ থাকে-

অহং ৰাষ্ট্রী সংগমনী বসূনাং চিকিতুষী প্রথমা যজ্ঞিয়ানাম্।
তাং মা দেবা ব্যদধুঃ পুৰুত্রা ভুৰিস্থাত্রাং ভূর্যা বেশয়ন্তীম্।।

(ঋগ্বেদ, ১০/১২৫/৩)

শাক্তদর্শন অথবা শাক্ত-উপাসনাৰ মূল সূত্রই হৈছে- অথাতঃ শক্তিজিজ্ঞাসা। শক্তিবাদৰ ধাৰণাৰ সুদৃঢ় ভেটি স্থাপনৰ ক্ষেত্রত সমল জগোৱা গ্রন্থসমূহ হ'ল - ত্রিপুৰোপনিষদ্, সৰস্বতীৰহস্যোপনিষদ্, সৌভাগ্যভাস্কৰ, সীতোপনিষদ্, কালিকাপুৰাণ, দেৱীভাগ্যভাস্কৰ, সীতোপনিষদ্, কালিকাপুৰাণ, দেৱীভাগৱতপুৰাণ, ললিতাসহস্ত্রনাম, সপ্তশতী, শংকৰাচার্যৰ সৌন্দর্যলহৰী, অগস্ত্যৰ শক্তিমহিম্নস্তোত্র, ক্ষেমৰাজৰ শক্তিসূত্র ইত্যাদি।

তন্ত্রবাদৰ মতে শক্তি দহপ্রকাৰৰ। তন্ত্রই এই শক্তিক দহটা ৰূপত উপাসনা কৰে। তাকে 'দশমহাবিদ্যা' বোলা হয়। শক্তিৰূপা দেৱী হ'ল- কালী, তাৰা, ষোড়শী, ভুবনেশ্বৰী, ভৈৰবী, ছিন্নমস্তা, ধুমাবতী, মাতংগী, কমলা, বগলামুখী আদি। শক্তিৰ দুইধৰণৰ বিধিৰে কৰিব পৰা যায়। একপ্রকাৰৰ বিধি হ'ল- পূজা অর্চনাৰ জৰিয়তে আৰু আন প্রকাৰৰ বিধি হ'ল ভাবপ্রাধান্যৰ জৰিয়তে।

১২.৩.১ শক্তি উপাসনাৰ সম্প্রদায়

শক্তিৰ উপাসনা মুখ্যতঃ ছৌষষ্ঠিখন তন্ত্রত নিহিত পদ্ধতিৰে কৰা হয়। যিবোৰ পদ্ধতি বেদৰ বহির্ভূত। ইয়াক কৌলমার্গ বুলি কোৱা হয়। তাৰোপৰি শক্তিৰ উপাসনা শুভাগমপঞ্চকত বিহিত পদ্ধতিৰেও কৰিব পাৰি। শুভাগমপঞ্চক হ'ল পাঁচখন সংহিতা যিকেইখন বশিষ্ঠ, সনক, শুক, সনন্দন আৰু সন্যসুমাৰৰ দ্বাৰা ৰচিত। ইয়াক সময়মার্গ বুলি কোৱা হয়। সময়মার্গত উল্লেখিত পদ্ধতি বৈদিক অনুশাসন, বৈদিক শিক্ষা আৰু বৈদিক আচাৰৰ ওপৰত আধাৰিত। এনেধৰণে শক্তি উপাসনাৰ দুটা ধৰণ বা দুটা সম্প্রদায় পোৱা যায়- কৌলমার্গ আৰু সময়মার্গ।

কুলৰ অর্থ হ'ল কুণ্ডলিনী তথা অকুল মানে হ'ল শিৱ। কুণ্ডলিনী আৰু শিৱৰ সামঞ্জস্য কৰোৱাজনক কৌল বোলা হয়। কৌলমার্গত সাধকে উপাস্যদেৱীক পঞ্চমকাৰ অর্থাৎ মদিৰা, মাংস, মধু, মৎস্য আৰু মৈথুন অর্পণ কৰে আৰু তাৰ পাছত সেইসমূহ নিজে প্রসাদৰূপত গ্রহণ কৰে। ইয়াক পঞ্চমকাৰোপাসনা বুলি কোৱা হয়। কৌমার্গৰ অন্তর্গত দুটা শাখা হ'ল- পূর্বকৌল আৰু উত্তৰকৌল। অভিনবগুপ্ত আৰু গৌড়ীয় শাক্তসকল কৌলাচাৰৰ অনুকর্তা আছিল।

সময়মার্গত অন্তর্যোগ অর্থাৎ হৃদয়স্থ উপাসনাৰ প্রাধান্য থাকে। এই মার্গত সাধকে সহস্রদল কমলত ধ্যান নিবদ্ধ কৰি শক্তিৰ সাধনা কৰে। দক্ষিণ ভাৰতত সময়ামার্গৰ যথেষ্ট প্রচলন দেখা যায়। শংকৰাচার্য তথা তেওঁৰ অনুকর্তাসকল সময়মার্গৰ অনুকৰণ কৰিছিল।

১২.৩.২ অসমত শক্তিবাদৰ পৰম্পৰা

অতীতৰ পৰাই কামৰূপ শক্তিসাধনাৰ কাৰণে বিখ্যাত আছিল। শক্তিপীঠ কামাখ্যা মন্দিৰক আশ্রয় কৰি কামৰূপ প্রদেশ তন্ত্র-মন্ত্র আৰু ইন্দ্রজাল বিদ্যাৰ বাবে হৈ পৰিছিল সুপ্রসিদ্ধ। কামৰূপ শক্তি সাধনাৰ কেন্দ্রস্থান বুলি যোগিনীতন্ত্রত উল্লেখ কৰা হৈছে—

"কামৰূপং দেৱী ক্ষেত্রং কুত্রাপি তৎ সমং ন চ।
অন্যত্র বিৰলা দেৱী কামৰূপে গৃহে গৃহে।।"

(যোগিনীতন্ত্র ২/৬/১৫২)

কালিকাপুৰাণতো কামৰূপভূমিক শক্তিসাধনা আৰু তাত সিদ্ধিলাভৰ উপযুক্ত স্থান হিচাপে উল্লেখ কৰা হৈছে—

"দেৱীক্ষেত্রং কামৰূপং বিদ্যতেহন্যন্ন তৎসমম্।
অন্যত্র বিৰলা দেৱী কামৰূপে গৃগে গৃগে।।"

(কালিকাপুৰাণ ৫৮/৪১)

কালিকা পুৰাণত কামৰূপক শক্তিসাধনাৰ জেষ্ঠ আৰু পবিত্র সাধনপীঠ হিচাপে আখ্যা দিয়া হৈছে। কালিকাপুৰাণত উল্লেখ থকা অনুসৰি কামৰূপ গুহ্যতকৈও অধিক গুহ্য তথা পৰমশ্রেষ্ঠ মহাপীঠ। এই কামৰূপপীঠেই হৰ-গৌৰীৰ নিবাসস্থল -

কামৰূপং মহাপীঠং গুহ্যদ্‌গুহ্যতমং পৰম্।
সহা সন্নিহিতস্তত্র পার্বত্যা সহ শংকৰঃ।।

(কালিকাপুৰাণ ৫১/৭৩)

শাক্তি সাধনাৰ মহাপীঠ হিচাপে কামৰূপক কুব্জিকা তন্ত্রত সাধকৰ 'সর্বকামফলপ্রদ' মহাপীঠ বুলি আখ্যা প্রদান কৰিছে। বিশেষকৈ কলিযুগত কামৰূপ সাধনাপীঠত সাধকে শীঘ্রে ফল লাভ কৰিব বুলি উল্লেখ কৰিছে—

কামৰূপং মহাপীঠং সর্বকামফলপ্রদম্।
কলৌ শীঘ্রফলেৎ দেৱী কামৰূপে জপঃ স্মৃতঃ।।

(কুব্জিকাতন্ত্র, পটল ১)

দেৱী ভাগৱততো কামাখ্যা দেৱীৰ মন্দিৰ স্থিত কামৰূপক সর্বশ্রেষ্ঠ সাধনপীঠ হিচাপে স্বীকৃতি দিয়া হৈছে—

তত্রত্যা পৃথিৱী সর্বা দেৱীৰূপা স্মৃতা বুধৈঃ।
নাতঃ পৰতৰং স্থানং কামাখ্যাযোনিমন্তলাত্।।

(দেৱীভাগৱত, ৭/৩৮/১৮)

প্রাগ্‌জ্যোতিষৰ ৰজা নৰকেই শক্তিৰ প্রথম সেৱক আৰু এই প্রদেশত শাক্ত-সম্প্রদায়ৰ প্রৱর্ত্তক আছিল বুলি পুৰাণগ্রন্থসমূহে প্রমাণ দিয়ে। বিষ্ণুয়ে নৰকক প্রাগ্‌জ্যোতিষপুৰৰ সিংহাসনত অধিস্থিত কৰি বিশাল কামৰূপ প্রদেশ শাসন কৰিবলৈ আদেশ দিছিল। বিষ্ণুৰে পুত্র নৰকক কামৰূপৰ নীলাচল পর্বতত বাস কৰিবলৈ লগতে কামাখ্যাৰ বাদে আন দেৱতাক পূজা নকৰিবলৈ কৈছিল।

স্বপর্বতে কামৰূপে চিৰাং ত্বং ত্তিষ্ঠ পুত্রক।
মহাদেৱীং মহামায়াং জগন্মাতৰমম্বিকাম্।।
কামাখ্যাং ত্বাং বিনা পুত্র নান্যদেবং যজিষ্যসি।।

(কালিকাপুৰাণ, ৩/১৪৮/১৪৯)

তদুপৰি বিষ্ণুৰে এয়াও অনুকিয়াই দিছিল, সেই কথাৰ ব্যত্তিক্রম হ'লে নৰকৰ প্রাণনাশ হ'ব, গতিকে কামাখ্যা দেৱীৰ সাধনা নৰকে সযত্নে পালন কৰিবই লাগিব—

এনেদৰে কামাখ্যা দেৱীৰ পূজা অর্চনাৰ বাবে নৰকে বিষ্ণুৰ পৰা আদেশ লাভ কৰিছিল। 'হৰগৌৰী-সংবাদ'ত উল্লেখ পোৱা অনুসৰি নৰকৰ পুত্র ভগদত্তৰ মন্ত্রীয়ে ভগদত্তৰ আদেশ অনুসৰি এক হাজাৰ ৰূপ চণ্ডীপাঠ কৰাইছিল।

খৃষ্টীয় নৱম শতিকাৰ প্রালম্ভ- বংশোদ্ভৱ ৰজা বনমালবর্মণৰ তাম্রশাসনত উল্লেখ থকা 'কামেশ্বৰ -মহাগৌৰীৰ পৰা বুজিব পাৰি যে, বনমালবর্মণৰ পূর্ব বংশৰ অথবা তেওঁৰ বংশৰ ৰজাসকল কামেশ্বৰ আৰু মহাগৌৰীৰ উপাসক আছিল। শিৱ-পার্বতীৰ এই যুগল মূর্ত্তিৰ উপাসনা প্রধানভাৱে শৈৱ যদিও, শক্তিক বাদ দি নহয়। আনুমানিক সপ্তম অথবা অষ্টম শতিকাত খোদিত দুর্গামূর্ত্তিৰ লগতে নৱমৰ পৰা বাৰশ শতিকাৰ ভিতৰত খোদিত কিছুমান দেৱী মূর্ত্তিয়ে শালস্তম্ভ আৰু প্রালম্ভবংশৰ ৰাজত্বকালছোৱাত কামৰূপত শক্তিসাধনাৰ বিষয়ে প্রমাণ দিয়ে। প্রালম্ভবংশৰ পাছত পালবংশীয় ৰজাসকলে কামৰূপত ৰাজত্ব কৰে। পালবংশীয় ৰজা ইন্দ্রপালৰ (১০৩০ খৃঃ-১০৫৫ খৃঃ) ফলিত কামেশ্বৰ মহাগৌৰীক উপাসনা কৰাৰ বর্ণনা পোৱা যায়।

শক্তিসাধনাৰ জ্ঞাতা তথা কামৰূপৰ ভৌগোলিক জ্ঞানসম্পন্ন কোনো বিদ্বানে একাদশ শতিকাৰ কোনো সময়ত কামৰূপত কালিকাপুৰাণ ৰচনা কৰিছিল। এই পুৰাণত আদ্যা শক্তিৰ বিভিন্ন ৰূপৰ বিস্তৃত বর্ণনা, সেইসমূহৰ পূজা-অর্চনাৰ পদ্ধতি, শক্তিসাধনাৰ বিভিন্ন ব্যৱস্থা, সাধকৰ বিহিত কর্ম, শক্তিসাধন সম্পর্কীয় বিষয়মূহ বর্ণিত হৈ আছে। ইয়াৰ দ্বাৰা অনুমান কৰিব পৰা যায় যে, কালিকাপুৰাণ ৰচনাৰ সময়ত তথা ৰচনাৰ পূর্বৰ পৰাই অসমত শক্তিবাদৰ ধাৰণা বহুলভাৱে প্রচলিত আছিল। হয়তো পালবংশৰ কোনো কোনো ৰজা শক্তিবাদৰ প্রতি অধিক আকর্ষিত আছিল আৰু তেওঁলোকৰ ৰাজত্বকালতেই অসমত শক্তিবাদৰ ঢৌ প্রবল হৈ পৰে। কনকলাল বৰুৱাই এই সম্পর্কে এনেদৰে মতপোষণ কৰিছে- The kamarupa kings prabably after Brahmapala adopted Tantrikism as their tenet and as a rusult of this royal patrange kamakhya soon became a renowned centre of Tantries sacrifices, mysticism sorcery.

কালিকাপুৰাণত শক্তিপূজাৰ বিস্তৃত আৰু সুশৃংখলিত বিধি প্রদান কৰা হৈছে। পুৰাণোক্ত এই বিধিৰ জৰিয়তেই অনুমান কৰিব পৰা যায় যে, অসমত কালিকাপুৰাণ ৰচনা হোৱাৰ সময়ৰ পৰা অথবা তাৰ কিছুকাল আগৰ পৰাই শক্তিৰ সাধনা কৰা হৈছিল। অর্থাৎ খৃষ্টীয় একাদশ শতিকা বা তাৰ আগৰে পৰা শক্তিবাদে অসমৰ ধর্ম-ৰাজ্যত প্রাধান্য লাভ কৰিছে।

ত্রয়োদশ শতিকাৰ প্রায় মাজভাগত কামৰূপত বাৰভূঞা নামৰ এক শ্রেণীৰ শক্তিশালী ফৈদে ৰাজত্ব কৰিছিল। ভূঞাসকলৰ বাৰজন পুত্র আছিল শান্তনুৰ আৰু বাৰজন আছিল সমন্তৰ পুত্র। সমন্তৰ বাৰজন পুত্রই ভূঞা পোৱালি নামে জনাজাত হৈ ব্রহ্মপুত্রৰ দক্ষিণফালে শাসন কৰিছিল। তেওঁলোক শাক্ত আছিল। ভূঞাসকলৰ সমসাময়িক চুতীয়া জাতিৰ মানুহবিলাকো আছিল ঘোৰ শাক্ত। তেওঁলোকে কেঁচাইখাঁতীৰ ৰূপত কালী দেৱীক পূজা অর্চনা কৰিছিল। পৰৱর্তী সময়ত এই কেঁচাইখাঁতী তাম্রেশ্বৰী নামেৰে জনাজাত হৈছিল।

কছাৰী বংশৰ ৰজা ভীমবলে (১৬১১-১৬৪৯ খৃঃ) আহোম ৰজাৰ বিৰুদ্ধে যুদ্ধ কৰাৰ আগে আগে দেৱীক বলি দি পূজা আগবঢ়োৱাৰ বর্ণনা পোৱা যায়। কছাৰীবিলাকে কেঁচাইখাঁতী গোঁসানীক বলি বিধান দি সেৱা কৰাৰ প্রমাণ কছাৰী বুৰঞ্জীত পোৱা যায়।

১৬১১ খৃষ্টাব্দৰ পৰা ১৬৪৯ খৃষ্টাব্দলৈ আহোম ৰজা প্রতাপসিংহ ৰাজপাটত উঠে। এওঁৰ দিনতে অসমত মৃন্ময় দুর্গামূর্তিত দুর্গাপূজাৰ প্রচলন হয় আৰু মূর্তিপূজাই ব্যাপকতা লাভ কৰিবলৈ আৰম্ভ কৰে। প্রতাপসিংহৰ পৰা ৰুদ্রসিংহলৈ (ৰাজত্বকাল ১৬৯৬-১৭১৪) সকলোবোৰ আহোম ৰজা হিন্দু প্রবৃত্তিসম্পন্ন আছিল। আহোম ৰজা

গদাধৰ সিংহ (১৬৮১-১৬৯৬) শাক্তধর্মৰ পৃষ্ঠপোষক আছিল। গুৱাহাটীৰ উমানন্দ মন্দিৰ নির্মাণ তথা ব্রাহ্মণ আৰু আন দেৱালয়ৰ প্রতি ভূমিদান কার্যত গদাধৰ সিংহই প্রেৰণা যোগাইছিল। ৰজা ৰুদ্রসিংহও (১৬৯৬-১৭১৪ খৃঃ) শাক্তধর্মৰ অনুৰাগী আছিল। তেওঁ নিজৰ পুত্রসকলক শাক্তধর্মত শৰণ দিয়াইছিল। বুৰঞ্জীত উল্লেখ পোৱা অনুসৰি মৃত্যুৰ ঠিক আগছোৱাত ৰুদ্রসিংহই নীলাচল পাহাৰলৈ গৈ কামাখ্যা দেৱীৰ পূজা অর্চনা কৰে। ৰুদ্রসিংহৰ পুত্র শিৱসিংহই (১৭১৪-১৭৪৪ খৃঃ) আনুষ্ঠানিক শৰণ পদ্ধতিৰ যোগেদি শাক্তধর্ম গ্রহণ কৰিছিল। সেই সময়ৰ বিখ্যাত শাক্ত গুৰু কৃষ্ণৰাম ভট্টাচার্য্যক ৰজা শিৱসিংহই ৰাজগুৰুৰ সন্মান প্রদান কৰাৰ লগতে কামাখ্যা মন্দিৰৰ পৰিচালনাৰ দায়িত্ব প্রদান কৰিছিল। শিৱসিংহই শাক্তধর্ম প্রচাৰ আৰু প্রসাৰৰ উদ্দেশ্যে ব্রাহ্মনক ভূমিদান, দেৱমন্দিৰ নির্মাণ আৰু সেইবোৰৰ সংৰক্ষণৰ ব্যৱস্থা কৰিছিল। শিৱসিংহই পণ্ডিতৰ দ্বাৰা শাক্ত-সাহিত্য ৰচনা কৰোৱাৰ লগতে নিজেও শাক্ত পদ ৰচনা কৰিছিল বুলি জনা যায়। শিৱসিংহৰ ৰাজত্বকালতেই শাক্তধর্মৰ প্রাদূর্ভাৱ উচ্চতম শিখৰত আছিল।

আহোম ৰজা ৰাজেশ্বৰ সিংহ (১৭৫১-১৭৬৯) আৰু লক্ষ্মীসিংহও (১৭৬৯-১৭৮০) শাক্তধর্মৰ অনুৰাগী আছিল। পৰৱর্তী আহোম ৰজা কমলেশ্বৰ সিংহই (১৭৯৫-১৮১০) ছত্রাকাৰ দেৱালয় আৰু কামাখ্যাত এটা তাম্র মন্দিৰ নির্মাণ কৰোৱাৰ উল্লেখ বুৰঞ্জীত পোৱা যায়।

খৃষ্টীয় ষোড়শ শতিকাৰ পৰা কামৰূপত ৰাজত্ব কৰা কোঁচৰজাসকল শাক্তধর্মৰ পৃষ্ঠপোষক আছিল। প্রথম কোঁচ ৰজা বিশ্বসিংহ দুর্গাৰ উপাসক আছিল। বিশ্বসিংহৰ পুত্র নৰনাৰায়ণ (১৫৪০-১৫৮৬) শাক্তধর্মৰ এজন গভীৰ উপাসক আছিল। গৌড়ীয় সেনাপতি স্বধর্মত্যাগী কালাপাহাৰে কামাখ্যা মন্দিৰ ধ্বংস কৰি যোৱাৰ পাছত নৰনাৰায়ণে এই মন্দিৰ পুনর্নির্মাণ কৰায়। কামাখ্যা মন্দিৰৰ প্রতিষ্ঠাৰ উৎসৱত বীৰ চিলাৰাইৰ সৈতে মহাৰাজ নৰনাৰায়ণ উপস্থিত থকা বুলি জনা যায়। খৃষ্টীয় ওঠৰশ শতিকাৰ প্রথমছোৱাত আহোম ৰাজ্যত শক্তিসাধনা শক্তিশালী হৈ উঠাৰ লগতে বিশ্বসিংহ আৰু নৰনাৰায়ণৰ ৰাজত্বকালত কোঁচ ৰাজ্যতো শাক্তধর্ম জনপ্রিয় হৈ পৰিছিল। কিন্তু পৰৱর্তীকালত বিভিন্নধৰণৰ কাৰণত কামৰূপত জনপ্রিয় হৈ পৰা এই শক্তিধর্ম সর্বসাধাৰণ ৰাইজৰ ধর্মৰূপে পৰিগণিত নহ'ল। বর্তমান সময়ত অসমত শক্তিক দুর্গা, মনসা, শীতলা, জগদ্ধাত্রী, কালিকা, কাত্যায়ণী, অন্নপূর্ণা, সৰস্বতী, বাসন্তী আদি বিভিন্ন ৰূপত উপাসনা কৰা হয়।

১২.৩.৩ শক্তিৰ বিভিন্ন ৰূপৰ উপাসনা

অতীজৰে পৰা অসমত বিভিন্ন দেৱীৰ স্বৰূপৰ উপাসনাৰ জৰিয়তে শক্তিৰ সাধনা হৈ আহিছে। মাতৃ শক্তিৰ উপলব্ধিয়েই হৈছে শক্তিবাদৰ মূল ধাৰণা।

কামাখ্যা দেৱী হৈছে শক্তিৰ অন্যতম স্বৰূপ। কালী, তাৰা, ষোড়শী, ভুৱনেশ্বৰী, ভৈৰৱী, ছিন্নমস্তা, ধূমাৱতী, বগলা, মাতঙ্গী আৰু কমলা—এই দশ-মহাবিদ্যা পূজা কামাখ্যা মন্দিৰত হয়। দেৱী কামাখ্যাৰ বাহিৰেও অসমত শক্তিৰ আন আন ৰূপৰ উপাসনা প্রাচীনকালৰ পৰাই চলি আহিছে। সেইসমূহৰ ভিতৰত কিছুমান প্রসিদ্ধ ৰূপ হ'ল- দুর্গা, উগ্রতাৰা, কামেশ্বৰী, অন্নপূর্ণা, দীর্ঘেশ্বৰী, বাঘ্রেশ্বৰী, দক্ষিণা কালী, ভদ্রকালী, তাৰা, চণ্ডী, জগদ্ধাত্রী, মনসা, শীতলা।

সকলো দেৱতাৰেই তেজ একত্রিক হৈ শক্তিৰ দশভুজা দুর্গা ৰূপৰ জন্ম হৈছে। মার্কণ্ডেয় পুৰাণত উল্লেখ থকা অনুসৰি দুর্গাদেৱীৰ পৰাই ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰৰ উদ্ভৱ হৈছে। কালিকাপুৰাণ অনুসৰি দেৱী দুর্গা দশভুজা, ত্রিনয়নী, সিংহবাসিনী, মহিষাসুৰমর্দিনী ইত্যাদি। দুর্গাৰ দুটা অভিব্যক্তি হ'ল- ভদ্রকালী আৰু উগ্রচণ্ডা। শক্তিৰ অন্য এক ৰূপ হ'ল উগ্রতাৰা। উগ্রভয়ৰ পৰা ভক্তক তাৰণ কৰে কাৰণে এই দেৱীৰ নাম উগ্রতাৰা। দেৱী কামাখ্যা আৰু মহামায়াৰ দুটি স্বৰূপ ক্রমে ত্রিপুৰা আৰু কামেশ্বৰী নামৰ দেৱীৰো পূজা অর্চনা অসমত চলিছিল বুলি জনা যায়।

অন্নপূর্ণা, জয়ন্তী, দীপ্তেশ্বৰী, ব্যাঘ্রেশ্বৰী, দীর্ঘেশ্বৰী, ভৈৰৱী-দক্ষিণাকালী তাৰা, চণ্ডী আৰু জগদ্ধাত্রী- এই দেৱীবোৰৰ পূজা উপাসনা পুৰণিকালৰ পৰা আজিলৈকে অসমত চলি আহিছে। দীপ্তেশ্বৰী, ব্রাঘ্রেশ্বৰী, দীর্ঘেশ্বৰী, ভৈৰৱী, মঙ্গলচণ্ডী আদি শক্তিৰ বিভিন্ন ৰূপৰ পূজা বর্তমানেও অসমৰ বিভিন্ন স্থানত স্থাপিত দেৱালয়বোৰত হৈ আহিছে। অসমৰ নানা অঞ্চলত স্থাপিত হোৱা কালী মন্দিৰবোৰে কালীৰ উপাসনাৰ প্রচুৰতাক সূচায়। দুর্গা পূজাৰ সমান্তৰালভাৱে সেইকেইদিনত চন্তীপূজাৰ উপাসনাও অসমত কৰা হয়। সর্প আৰু মাৰিমৰকৰ দেৱী মনসাৰ পূজা অসমত শাস্ত্রীয়বিধিৰে সম্পাদন কৰা হয়। বসন্তৰোগৰ পৰা ৰক্ষা পাবলৈ অতীজৰে পৰা অসমত মানুহে শীতলা দেৱীৰ পূজা কৰি আহিছে। ধন-ঐশ্বর্যৰ অধিষ্ঠাত্রী দেৱী লক্ষ্মী আৰু বিদ্যাৰ অধিষ্ঠাত্রী দেৱী সৰস্বতীৰ পূজাও অসমত বহুলভাৱে কৰা হয়।

কালিকাপুৰাণ, মার্কন্তেয়পুৰাণ, দেৱীপুৰাণ আদি শাক্তগ্রন্থসমূহত শক্তিৰ মাহাত্ম্য আৰু ৰূপৰ বর্ণনা বিস্তৃতভাৱে পোৱা যায়। দুর্গা, কালী, কালিকা, চণ্ডী আদি শক্তিৰ ৰূপ মাতৃৰূপৰ আভিধেয়। মহালক্ষ্মী, মহাসৰস্বতী আৰু মহাকালী- এই তিনিটা মহাকালীৰ বিভাৱ যিবোৰ ক্রমে সত্ব, ৰজঃ আৰু তমোগুণৰ পৰা প্রকাশিত।

১২.৩.৪ শাক্ত সাহিত্য

শক্তি মাহাত্ম্যৰ লগত জড়িত বিভিন্ন বিষয় যেনে শক্তি সাধন, শক্তি পূজা আৰু সিদ্ধিলাভৰ বিভিন্ন পদ্ধতি আদি সন্নিবিষ্ট গ্রন্থৰাজি অসমত প্রণয়ন হৈছে। এই গ্রন্থৰাজিৰ প্রায়ভাগেই সংস্কৃত ভাষাত ৰচিত পুৰাণ আৰু তন্ত্র শ্রেণীৰ গ্রন্থ। সংস্কৃত ভাষাত ৰচিত কিছু সংখ্যক শাক্ত গ্রন্থৰ বিষয়ে তলত উল্লেখ কৰা হ'ল-

সমগ্র শাক্ত সাহিত্যৰ ভিতৰতেই অন্যতম কালিকাপুৰাণ আনুমানিক খৃষ্টীয় একাদশ শতিকাত কামৰূপতেই প্রণয়ন হৈছিল। নব্বৈটা অধ্যায়যুক্ত কালিকাপুৰাণৰ প্রায়বোৰতেই দেৱী মাহাত্ম্যৰ বর্ণনা কৰা হৈছে। শক্তিৰ বিভিন্ন ৰূপ, সেইবোৰৰ পূজা অর্চনাৰ বিধি, সুন্দৰভাৱে কালিকাপুৰাণত উল্লেখ কৰা হৈছে, পুৰণি কামৰূপৰ ভৌগোলিক অৱস্থিতি, দেৱালয়-তীর্থস্থান আদিৰ বিৱৰণো কালিকাপুৰাণত পোৱা যায়। ব্রহ্মপুত্রৰ উৎপত্তি, দেৱী কামাখ্যা আৰু দিক্কৰবাহিনীৰ বিৱৰণ, বশিষ্ঠ আশ্রমৰ বর্ণনা আদিও এই পুৰাণত বর্ণিত হৈ আছে।

যোগিনী-তন্ত্র তন্ত্রসাহিত্যৰ এখন অন্যতম গ্রন্থ। আনুমানিক খৃষ্ট্রীয় চৈধ্যশ শতিকাত কামৰূপত এই তন্ত্রখনৰ ৰচনা হৈছিল। যোগিনী-তন্ত্র অসমৰ ধর্মীয় আৰু সাংস্কৃতিক ইতিহাসৰ অন্যতম শ্রেষ্ঠ গ্রন্থ। জগতৰ সৃষ্টি, ধ্বংস আৰু পুনৰসৃষ্টি, চতুৰাশ্রমৰ ধর্ম, শক্তিৰ উপাসনা আদি যোগিনীতন্ত্রত বর্ণিত হৈ আছে। যোগিনীতন্ত্র দুটা ভাগত বিভক্ত-পূর্ব্বখণ্ড আৰু উত্তৰখণ্ড। কামৰূপৰ নানা স্থান আৰু পীঠৰ বর্ণনা, ধর্মগ্রন্থ ৰচনাৰ পদ্ধতি, দেৱীৰ পূজা সম্পর্কীয় বিশেষ কথা, পূজা পদ্ধতি, নদীৰ বিৱৰণ আদি যোগিনী তন্ত্রত পোৱা যায়।

কামাখ্যা তন্ত্র কামৰূপত ৰচিত এখন উল্লেখযোগ্য শাক্ত-শাস্ত্র। কামাখ্যা দেৱীৰ শক্তি মাহাত্ম্য, তেওঁৰ পূজাবিধি আৰু সেই পূজাৰ ফললাভ আদি তন্ত্রখনৰ প্রধান বিষয়বস্তু। এই তন্ত্রখন নটা অধ্যায়ত বিভক্ত যিবোৰক পটল বুলি কোৱা হয়।

গুৱাহাটীৰ 'বুৰঞ্জী আৰু পুৰাতত্ব-বিভাগ'ৰ কার্যালয়ত সংৰক্ষিত হৈ থকা 'হৰ-গৌৰী সংবাদ' তন্ত্রপর্যায়ৰ এখনি গ্রন্থ। এই গ্রন্থখনি তেইছটা পটলত বিভক্ত। অনুমান কৰা হয় যে, ঊনৈছশ শতিকাত কমলেশ্বৰ সিংহৰ ৰাজত্বৰ শেষকালছোৱাত এই গ্রন্থখনি ৰচিত হৈছিল। অসমীয়া কবি হেমসৰস্বতীয়ে অসমীয়া পদত লিখা এখন 'হৰ-গৌৰী সংবাদ'ও আছে। ধর্মীয় আৰু ঐতিহাসিক দৃষ্টিৰ ফালৰ পৰা 'হৰ-গৌৰী সংবাদ'ৰ বিশেষ গুৰুত্ব আছে।

সংস্কৃত ভাষাত ৰচিত আন এখন অন্যতম গ্রন্থ হ'ল শক্তি সংগম তন্ত্র। শাক্তধর্ম সম্পর্কীয় বিভিন্ন বিষয়ৰ লগতে কামৰূপৰ বর্ণনাও এই গ্রন্থত বর্ণিত হৈ আছে। দেবেন্দ্রাশ্রম সন্ন্যাসী নামৰ ৰচক এজনৰ দ্বাৰা ৰচিত পুৰশ্চৰণ

চন্দ্রিকা এখন উল্লেখযোগ্য শাক্ত গ্রন্থ। এই গ্রন্থখন আনুমানিক পোন্ধৰশ শতিকাত ৰচিত হোৱা বুলি ধাৰণা কৰিব পাৰি।

মহাৰাজ নৰনাৰায়ণৰ অন্যতম সভাপণ্ডিত পীতাম্বৰ সিদ্ধান্তবাগীশে প্রণয়ন কৰা পঞ্চ-মন্ত্র-দীক্ষা- কৌমুদী আৰু গূঢ়র্থ-প্রকাশিকা বা গূঢ়ার্থ-দীপিকা শাক্তধর্মৰ মূল্যাবান গ্রন্থ। পঞ্চ-মন্ত্র-দীক্ষা কৌমুদী গ্রন্থখনত দীক্ষাৰ বিভিন্ন বিষয় আলোচনা কৰাৰ লগতে গূঢ়ার্থ-দীপিকাত শক্তিসাধন সম্পর্কীয় বিষয় বর্ণিত হৈ আছে।

সপ্তশতী-চণ্ডীৰ ওপৰত গদাধৰ তর্কালংকাৰৰ দ্বাৰা ৰচিত এটি টীকা পোৱা যায়। ৰচকে মনসা দেৱীৰ তেওঁৰ ইষ্ট দেৱী বুলি উল্লেখ কৰিছে।

অসমীয়া ভাষাত ৰচিত শাক্ত সাহিত্যখিনিক আলোচনাৰ সুবিধার্থে চাৰিটা ভাগত ভগাব পাৰি- মৌখিক সাহিত্য, মনসা সাহিত্য, অনুবাদ আৰু ভাৱানুবাদ আৰু বৈষ্ণৱ সাহিত্যত শাক্ত-উপাদান।

মৌখিক সাহিত্যৰ ভিতৰত আইনাম, অপেচৰা নাম, লখিমী-সবাহ গীত, দেৱী আইৰ গীত শাক্তধর্মৰ অন্তর্গত। আইনামত অম্বিকা, চণ্ডিকা, ভবানী, কালিকা আদি শক্তিৰ ৰূপবোৰৰ আৰাধনা কৰা হয়। অপেচৰা গীত আই নামৰ নিচিনা শক্তিমাহাত্ম্যসূচক গীত। জনমানসত দেৱী অপ্সৰা ভক্তবৎসলা, কাতৰ প্রার্থনা কৰিলে ভক্তক ক্ষমা কৰে বুলি বিশ্বাস অপৰিসীম। শক্তিৰ গৰাকী দেৱী অপ্সৰাক স্তুতিগীত, উপচাৰেৰে পূজা অর্চনা কৰা হয়।

মৌখিক সাহিত্য ঃ অসমত প্রচলিত লখিমী সবাহৰ গীত আৰু দেৱী আইৰ গীত দুই শ্রেণীৰ শাক্তধর্মীয় গীত। লখিমী সবাহৰ গীতৰ জৰিয়তে দেৱী লখিমীৰ স্তুতি বন্দনা কৰা হয় তথা দেৱী আইৰ গীতৰ জৰিয়তে দেৱী পার্বতীৰ স্তুতি বন্দনা কৰা হয়। লখিমী সবাহৰ গীত বিশেষকৈ তিনিটা দিনত গোৱা হয়- লক্ষ্মী পূর্ণিমাৰ ৰাতি, ধান কটা আৰম্ভ কৰাৰ দিনাখন আৰু ধান কটা শেষকৰাৰ দিনাখন। ঠিক তেনেদৰে দেৱী আইৰ গীত গোৱা হয় ষষ্ঠ্যাদি কল্পাৰম্ভ শাৰদীয় দুর্গা পূজাৰ প্রথম দিনৰ অর্থাৎ ষষ্ঠী তিথিৰ সন্ধ্যাসময়ত আৰু দশমী তিথিৰ সন্ধ্যাসময়ত।

মনসা সাহিত্য ঃ মনকৰী, দুর্গাবৰী আৰু সুকনানী— এই তিনিখন কাব্যক একেলগে মনসাকাব্য বুলি কোৱা হয়। এই তিনিখন কাব্য ক্রমে মনকৰ, দুর্গাবৰ আৰু নাৰায়ণ দেৱ নামৰ তিনিজন কবিয়ে ৰচনা কৰিছে। মনকৰী কাব্যখন তিনিটাখণ্ডত ৰচিত- সৃষ্টি খণ্ড, হৰ-গৌৰা বিবাহ খণ্ড আৰু পদ্মা-জন্ম-খণ্ড। প্রথম খণ্ডও উল্লেখ থকা অনুসৰি শিৱই পৰম পুৰুষ আৰু সৃষ্টি তত্ত্ব তান্ত্রিক বজ্রথান আৰু শৈৱনাথ সম্প্রদায়ৰ ধর্মমতৰ একত্র সংমিশ্রণত উদ্ভৱ হৈছে। দ্বিতীয় খণ্ডত হৰ-গৌৰীৰ বিবাহৰ বিভিন্ন বর্ণনা, শিৱৰ দ্বাৰা দুর্গাৰ অনুসন্ধান, শিৱ দুর্গাৰ মিলন, ইত্যাদি বর্ণিত হৈ আছে। তৃতীয়খণ্ডত হৰৰ পুষ্পবন যাত্রা, পদ্মাৰ জন্ম কথা আদিৰ বর্ণনা আছে।

দুর্গাবৰী কাব্যৰ অন্তর্ভুক্ত বিষয়বস্তুসমূহ হ'ল- বেউলা আৰু লখিন্দাৰৰ আখ্যান, চম্পক নগৰৰ বর্ণনা, সোনেকাৰ পুত্রকামনা, গঙ্গদেৱীৰ সোনেকাৰ বৰ প্রদান, সোনেকাৰ ছয়পুত্র লাভ, সোনেকাৰ দ্বাৰা মনসা পূজা, ইত্যাদি। দুর্গাবৰৰ আন এখন কাব্য হ'ল গীতি-ৰামায়ণ। দুর্গাবৰৰ আন এখন কাব্য হ'ল গীতি-ৰামায়ণ। দুর্গাবৰে তেওঁৰ দুয়োখন কাব্যই ওজাপালিৰ কলা কৌশলৰ জৰিয়তে পৰিৱেশন কৰিছিল। দুর্গাবৰৰ মনসা কাব্যখন চাৰিটা ৰাগত ৰচিত- ৰামগিৰি, ভাটিয়ালি, সুহাই আৰু পটমঞ্জৰী।

সুকৰি নাৰায়ণ দেৱৰ দ্বাৰা বিৰচিত হৈছে সুকনানীকাব্য। এই কাব্যখন দুটা ভাগত বিভক্ত পুৰাণ আৰু ভাইঠেলি। সুকনানীকাব্যত বর্ণিত কেইটামান ঘটনা হ'ল - নেতা আৰু পদ্মৱতীৰ জন্ম, পদ্মাৱতীৰ বিবাহ, ছয়পুত্রৰ জন্ম, হাছান- হুছানৰ লগত মনসাৰ সংঘর্ষ, সোনেকাৰ মনসা পূজা, বেউলা-লখিন্দাৰৰ জন্ম, সোনেকাৰ মনসা পূজা, বেউলা-লখিন্দাৰৰ জন্ম, বেউলাৰ লগত লখিন্দাৰৰ বিবাহৰ যো-জা, বিবাহৰ পিছদিনা বিধবা হ'ব বুলি বেউলাৰ প্রতি মনসাৰ অভিশাপ, দংশনত লখিন্দাৰৰ মৃত্যু, নেতাৰ সঙ্গ লাভ, আদিকে ধৰি শেষত মনসাৰ প্রতি চান্দৰ পুষ্পদান ইত্যাদি। সুকনানী কাব্যত পুৰাণৰ লক্ষণসমূহ যেনে— সৃষ্টিতত্ত্বৰ বর্ণনা, ঋষি-দেৱতাৰ জন্মকথা,

উপকাহিনীৰ সংযোগ, বিষয়বস্তুৰ উপস্থাপন ৰীতি আদিবোৰে সুন্দৰভাৱে প্ৰকাশ পাইছে, যিসমূহে এই কাব্যখনক পু�ৰাণলেখীয়া কৰাত সহায় কৰিছে।

অনুবাদ আৰু ভাৱানুবাদ ঃ

পীতাম্বৰ দ্বিজৰ শ্ৰী শ্ৰীচণ্ডীৰ অনুবাদ গ্ৰন্থ শাক্ত সাহিত্যৰ অন্যতম গ্ৰন্থ। পীতাম্বৰে প্ৰায় ১৫৪০ খৃঃ ৰ পৰা ১৫৭১ খৃঃৰ ভিতৰত চিলাৰাইৰ অনুৰোধ মৰ্মে চণ্ডীৰ অনুবাদ কৰিছিল। শ্ৰী শ্ৰী চণ্ডীৰ অসমীয়া পদকৰোতা জ্ঞান এজন কবি হ'ল শিৱনাথ দ্বিজ। ১৬৬৭ শকত শিৱনাথ দ্বিজে শ্ৰী শ্ৰী চণ্ডীৰ পদ ৰচনা কৰে। অনুবাদ কাব্যখনত মধু-কৈটভ বধ, মহিষাসুৰবধ, শুম্ভ-নিশুম্ভবধ আদি বিস্তৃতৰূপত বৰ্ণিত হৈ আছে। বিখ্যাত শংকৰাচাৰ্যৰ প্ৰসিদ্ধ স্তোত্ৰপুথি 'সৌন্দৰ্য লহৰী'ৰ অসমীয়া অনুবাদ কৰিছে অনন্ত-আচাৰ্যই। অসমীয়াত অনুবাদিত পুথিখনৰ নাম হৈছে আনন্দ লহৰী। দেৱী মাহাত্ম্য আৰু ৰংপুৰ নগৰৰ সুন্দৰ বৰ্ণনাযুক্ত এই গ্ৰন্থখনত ৪১ টা শ্লোক আছে। দ্বিজ ৰঙ্গনাথ চক্ৰৱৰ্তী এজন প্ৰসিদ্ধ শাক্তকৰি আছিল। তেওঁ মাৰ্কণ্ডেয়-চণ্ডীৰ অসমীয়া অনুবাদ কৰে, য'ত দেৱীৰ জন্ম, বিভিন্ন দেৱতাৰ দ্বাৰা দেৱীৰ প্ৰতি অস্ত্ৰদান, মহিষাসুৰ আৰু আন অসুৰৰ লগত দেৱীৰ যুদ্ধ আদি ঘটনা সুন্দভাৱে বৰ্ণিত হৈছে। শাক্ত কৰি ৰামচন্দ্ৰ ৰৰপাত্ৰই যোগিনীতন্ত্ৰৰ অসমীয়া অনুবাদ কৰে। আনুমানিক সোতৰশ শতিকাত ৰামচন্দ্ৰ ৰৰপাত্ৰই যোগিনীতন্ত্ৰৰ পদ ৰচনা কৰে।

বৈষ্ণৱ সাহিত্যত শাক্ত-উপাদান ঃ

বৈষ্ণৱ সাহিত্যত বিষ্ণুভক্তিৰ প্ৰাধান্য বিৰাজ কৰে যদিও, কোনো কোনো অংশত শাক্ত-উপাদনৰ অৱস্থিতি নুই কৰিব নোৱাৰি। শ্ৰেষ্ঠতম বৈষ্ণৱ গ্ৰন্থ ভাগৱতত শক্তিৰ মাহাত্ম্য বৰ্ণনা কৰি উল্লেখ কৰিছে যে, যশোদাৰ গৰ্ভত জন্মা যোগমায়া জগতত দুৰ্গা, ভদ্ৰকালী, বৈষ্ণৱী, কুমুদা, চণ্ডিকা, নাৰায়ণী, শাৰদা নামেৰে জনাজাত হ'ব। অনাদি-পাতন' শংকৰদেৱৰ দাৰ্শনিক তত্ত্ববিষয়ত এখন গ্ৰন্থ। ভাগৱতপুৰাণ আৰু বামন পুৰাণৰ ওপৰত আধাৰ কৰি এই গ্ৰন্থ প্ৰণয়ন কৰা হৈছে। শাক্ত-দৰ্শনৰ শক্তিবাদ আৰু সাংখ্যদৰ্শনৰ প্ৰকৃতিবাদৰ সংমিশ্ৰণত এই জগতৰ সৃষ্টি হোৱা বুলি সৃষ্টিতত্ত্বত বৰ্ণনা কৰা হৈছে। শাক্তসাহিত্যৰ অন্তৰ্গত এখন জনপ্ৰিয় পুথি হ'ল লক্ষ্মী চৰিত বৰ্তমান সময়লৈ দুখন পোৱা গৈছে। এখন কৰি ৰামস্বতী আৰু আনখন জগন্নাথ দ্বিতো ৰচনা কৰা। কৰি ৰামসৰস্বতীৰ বিৰচিত। ভীম-চৰিত শাক্ত সাহিত্যৰ অন্তৰ্গত এখন সৰু কাব্য। কাব্যখনত ৰচকে শিৱ, পৰ্বতী আৰু ভীমক ক্ৰমে দৰিদ্ৰ গৃহস্থ গৃহিনী আৰু ভৃত্যৰূপত অংকন কৰিছে। এই কাব্য অসমীয়া সাহিত্যৰ এখন অনুপম মৌলিক কাব্য।

১২.৪ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- জগতৰ প্ৰত্যেকৰেই ভিতৰত শক্তি নিহিত থাকে আৰু কৰ্মৰ জৰিয়তে তাৰ বিকাশ সাধন হয়।
- দৈৱিক শক্তিসমূহ সৃষ্টিতত্ত্বৰ লগত সংপৃক্ত আৰু এই সৃষ্টিতত্ত্বৰ মূলেই হৈছে দেৱী।
- তন্ত্ৰবাদৰ মতে শক্তি দহপ্ৰকাৰৰ। তন্ত্ৰই এই শক্তিক দহটা ৰূপত উপাসনা কৰে। তাকে 'দশমহাবিদ্যা' বোলা হয়।
- শক্তি উপাসনাৰ মূলতঃ দুটাধৰণ বা সম্প্ৰদায় পোৱা যায়- কৌলমাৰ্গ আৰু সময়মাৰ্গ।
- কালিকাপুৰাণ, যোগিনীতন্ত্ৰ আদি গ্ৰন্থত কামৰূপক শক্তিসাধনাৰ শ্ৰেষ্ঠ আৰু পবিত্ৰ সাধনপীঠ হিচাপে আখ্যা দিয়া হৈছে।
- দেৱী কামাখ্যাৰ বাহিৰেও অসমত শক্তিৰ আন আন ৰূপৰ উপাসনা প্ৰাচীনকালৰ পৰাই চলি আহিছে। বৰ্তমানসময়ত অসমত শক্তিক দুৰ্গা, মনসা, শীতলা, জগদ্ধাত্ৰী,

কালিকা, কাত্যায়ণী, অন্নপূর্ণা, সৰস্বতী, বাসন্তী আদি বিভিন্ন ৰূপত উপাসনা কৰা হয়।

- শক্তি মাহাত্ম্যৰ লগত জড়িত বিভিন্ন বিষয় যেনে শক্তিসাধন, শক্তিপূজা আৰু সিদ্ধিলাভৰ বিভিন্ন পদ্ধতি আদি সন্নিবিষ্ট গ্ৰন্থৰাজি অসমত প্ৰণয়ন হৈছে।
- অসমত ৰচিত শাক্তসাহিত্যসমূহ সংস্কৃত আৰু অসমীয়া ভাষাত প্ৰণীত হোৱা। অসমীয়া ভাষাত ৰচিত শাক্তসাহিত্যখিনিক আলোচনাৰ সুবিধাৰ্থে চাৰিটা ভাগত ভগাব পাৰি- মৌখিক সাহিত্য, মনসা সাহিত্য, অনুবাদ আৰু ভাবানুবাদ আৰু বৈষ্ণৱ সাহিত্যত শাক্ত উপাদান।

১২.৫ অধিক জানিবলৈ

১) শৰ্মা দলৈ, হৰিনাথ, অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য, ব্ৰহ্মপুত্ৰ অফচেট, গুৱাহাটী ১৯৯৮।

২) দ্বিবেদী শ্যামাকান্ত, শ্ৰীবিদ্যা-সাধনা, চৌখম্বা সুৰভাৰতী প্ৰকাশন, বাৰাণসী ২০০৫।

১২.৬ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ শক্তিবাদ সম্বন্ধে এটি আলোচনা আগবঢ়াওক।

প্ৰশ্ন ২ ঃ শক্তি উপাসনাৰ বিভিন্ন সম্প্ৰদায়সমূহৰ বিষয়ে এটি পৰ্যালোচনা আগবঢ়াওক।

প্ৰশ্ন ৩ ঃ আহোম যুগত শক্তি সাধনাৰ অৱস্থিতি সম্পৰ্কে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ অসমত ৰচিত শাক্ত সম্পৰ্কীয় সংস্কৃত গ্ৰন্থৰাজিৰ এটি টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ৫ ঃ অসমীয়া ভাষাত ৰচিত শাক্ত সাহিত্যৰ বিষয়ে এটি প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৬ ঃ টোকা লিখক— কালিকাপুৰাণ, যোগিনীতন্ত্ৰ, মনসা সাহিত্য।

*** ***** ***

অধ্যায় ১৩ঃ বৈষ্ণৱবাদ

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ বৈষ্ণৱ শব্দৰ অর্থ তথা বৈষ্ণৱবাদৰ ধাৰণা
১৩.৪ বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহ
১৩.৫ বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশ
১৩.৬ বৈষ্ণৱ দৰ্শন আৰু ইয়াৰ দাৰ্শনিকসমূহ
১৩.৭ বৈষ্ণৱ সাহিত্য
১৩.৮ অসমত বৈষ্ণৱবাদ
১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.১০ অধিক জানিবলৈ
১৩.১১ অগ্রগতিৰ খতিয়ান
১৩.১২ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- বৈষ্ণৱ শব্দৰ অর্থ জানিব পাৰিব
- বৈষ্ণৱবাদ সম্পর্কে এটি সামগ্রিক ধাৰণা লাভ কৰিব
- বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে অৱগত হ'ব
- বৈষ্ণৱ দৰ্শনৰ মূলকথা আৰু বৈষ্ণৱ দাৰ্শনিকসমূহৰ বিষয়ে জানিব পাৰিব
- বৈষ্ণৱ সাহিত্যৰ বিষয়ে অৱগত হ'ব
- অসমৰ বৈষ্ণৱবাদৰ বিষয়ে জানিব পাৰিব।

১৩.২ পৰিচয়

বৈষ্ণৱবাদ মূলত ভাৰতত প্ৰচলিত এটি উল্লেখযোগ্য ধর্মীয় বিচাৰধাৰা। বৈষ্ণৱ সম্প্রদায় বুলি ক'লে ভাৰতৰ এটা বিখ্যাত ধর্মীয় সম্প্রদায়ক বুজা যায়, যাৰ আন্তঃগাঁথনি দার্শনিক চিন্তাধাৰাৰ ওপৰত প্রতিষ্ঠিত। বৈষ্ণৱবাদত বিষ্ণুৱেই হ'ল প্রধান উপাস্য দেৱতা বা পৰম ঈশ্বৰ। ভাৰতৰ সভ্যতা-সংস্কৃতি বা ধর্মীয় পৰম্পৰাত বিষ্ণু হ'ল ত্রিদেৱৰ এজন মুখ্য দেৱতা। ত্রিদেৱ বুলি ক'লে ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰক বুজা যায়। এওঁলোকৰ ভিতৰত বিষ্ণুক জগতৰ পালন কর্তা হিচাপে স্বীকৃতি দিয়া হৈছে। বৈষ্ণৱবাদে ভাৰতীয় জনগণৰ মাজত এক সুকীয়া স্থান অধিকাৰ কৰি আহিছে আৰু সেয়েহে ইয়াৰ অনুগামী তথা অনুৰাগীৰ সংখ্যা লেখত ল'বলগীয়া। বিষ্ণুৰ স্তুতি যদিও বৈদিক কালৰে পৰা হৈ আহিছে কিন্তু বেদৰ পৃষ্ঠাত বিষ্ণুক পৰমেশ্বৰ ৰূপে বর্ণনা কৰা দেখা নাযায়। বৈষ্ণৱ সম্প্রদায়ক এটি উৎকৃষ্ট ধর্মীয় পন্থা হিচাপে প্রতিষ্ঠিত কৰাত ভক্তি আন্দোলনৰ অৰিহণা অতুলনীয়। বৈষ্ণৱবাদে কেৱল

ভাৰতকে নহয় বিদেশকো প্ৰভাৱান্বিত কৰি আহিছে। অসমতো শ্ৰীমন্ত শংকৰদেৱৰ দ্বাৰা প্ৰচাৰিত নৱ-ৱৈষ্ণৱ ধৰ্মই জাগৰণৰ সৃষ্টি কৰিছিল যাৰ প্ৰভাৱ এতিয়াও বিদ্যমান। এই অধ্যায় অধ্যয়ন কৰিলে ধৰ্মীয় তথা দাৰ্শনিক সম্প্ৰদায় হিচাপে বৈষ্ণৱবাদৰ বিচাৰধাৰা আদিৰ বিষয়ে এটা আভাস পোৱা যাব।

১৩.৩ বৈষ্ণৱ শব্দৰ অৰ্থ তথা বৈষ্ণৱবাদৰ ধাৰণা

যি বিষ্ণুক উপাসনা কৰে তেঁৱেই বৈষ্ণৱ। বৈষ্ণৱবাদ অনুসৰি বিষ্ণুৱেই পৰম ব্ৰহ্মন যি ৰাম, কৃষ্ণ আদিকে ধৰি দশ অৱতাৰৰ জৰিয়তে আত্মপ্ৰকাশ কৰছে। বিষ্ণুক ঋকগ্বেদত বাৰজন আদিত্যৰ ভিতৰত এজন বুলি কোৱা হৈছে। গতিকে তেওঁক সূৰ্যৰে এটি ৰূপ বুলি জনা যায়। যাস্কৰ মতে বিষ্ণু শব্দটো বিষ্ ধাতুৰ পৰা উৎপত্তি হৈছে। বিষ্ণু শব্দৰ মূল অৰ্থ হ'ল যি সৰ্বত্ৰ পৰিব্যাপ্ত। বেদ, উপনিষদ, শ্ৰীমদ্ ভগবদগীতা, বিষ্ণুপুৰাণ, ভাগৱত পুৰাণকে আদি কৰি সাত্বিক পুৰাণসমূহৰ তাত্ত্বিক ব্যাখ্যাসমূহক বৈষ্ণৱবাদত অনুসৰণ তথা পালন কৰা দেখা যায়। বৈষ্ণৱবাদ ভক্তিমাৰ্গৰ এটি পন্থা। ইয়াৰ মতে ঈশ্বৰক কেৱল ভক্তিৰ জৰিয়তেহে লাভ কৰিব পাৰি। বৈষ্ণৱবাদ অনুসৰি মোক্ষ লাভৰ একমাত্ৰ উৎকৃষ্ট পন্থাই হ'ল ভক্তি। য'তেই ভক্তি তাতেই মুক্তি। সেয়েহে বৈষ্ণৱবাদৰ প্ৰসাৰণৰ মূলাধাৰ হৈছে ভক্তি আন্দোলন। বৈষ্ণৱবাদত পৰম ভক্তিৰে আৰু সম্পূৰ্ণ নিৰহংকাৰ চিত্তৰে বিষ্ণুৰ চৰণকমলত নিজকে লীন কৰি দিয়াৰ দীক্ষা দিয়া হয়। বৈষ্ণৱসকলে কপালত চন্দনৰে V আকৃতিৰ এটি তিলক লয় যাৰ অৰ্থ হ'ল আত্মসমৰ্পণ। ভাৰতৰ দ্বাৰকা, কাশী, মথুৰা, পুৰী, আযোধ্যা, বৃন্দাবন আদি ঠাইসমূহক মুখ্যত ঃ বৈষ্ণৱ তীৰ্থস্থান হিচাপে গণ্য কৰা হয়।

১৩.৪ বিষ্ণুৰ বিভিন্ন অৱতাৰসমূহ

পৰম্পৰাগত ধৰ্মীয় বিশ্বাস অনুসৰি ধৰ্ম ৰক্ষাৰ্থে বিষ্ণুৱে বিভিন্ন সময়ত বিভিন্ন অৱতাৰ ধাৰণ কৰে। বিষ্ণুৰ পাঁচটা ৰূপ হ'ল - পৰা, ব্যুহ, বিভৱ, অন্তৰ্যামী আৰু অৰ্চা। তেওঁৰ ছয়টা গুণ হ'ল - জ্ঞান, ঈশ্বৰত্ব, প্ৰভাৱশালিত্ব, বৈভৱ, শক্তি আৰু পৌৰষত্ব। বাসুদেৱ, সংকৰ্ষণ, প্ৰদুম্ন্য আৰু অনিৰুদ্ধ হ'ল বিষ্ণুৰ চাৰিটা ব্যুহ। এইটো বিশ্বাস কৰা হয় যে বাসুদেৱৰ পৰা সংকৰ্ষণ, সংকৰ্ষণৰ পৰা প্ৰদুম্ন্য আৰু প্ৰদুম্ন্যৰ পৰা অনিৰুদ্ধৰ উৎপত্তি হৈছে। বিষ্ণুৰ আন এটা উপাধি নাৰায়ণ। প্ৰায় খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত নাৰায়ণ-বিষ্ণু আৰু বাসুদেৱ-কৃষ্ণৰ সৈদ্ধান্তিকভাৱে একত্বৰ সিদ্ধি সম্পূৰ্ণ হয় আৰু ইয়াৰ লগে লগে বৈষ্ণৱ সম্প্ৰদায়ৰ উত্থান ঘটে। অৱতাৰৰ ধাৰণাটো ভগবদ্গীতাৰ পৰা আৰম্ভ হৈছে আৰু ভাগৱতপুৰাণৰ সৃষ্টিৰ ঠিক আগে এই ধাৰণা সম্পূৰ্ণৰূপে প্ৰতিষ্ঠিত হয়। বিষ্ণুৰ দহটা অৱতাৰ হ'ল - মৎস্য, কুৰ্ম, নৰসিংহ, বামন, পৰশুৰাম, কৃষ্ণ, বৰাহ, শ্ৰীৰাম, বুদ্ধ, কল্কি। বিষ্ণুৱে জগতক জলপ্ৰলয়ৰ পৰা বচাবলৈ মৎস্য বৰাহ আৰু কুৰ্মৰ অৱতাৰ লৈছিল। অসুৰৰ পৰা ৰক্ষা কৰিবলৈ তেওঁ নৰসিংহ আৰু বামনৰ ৰূপ ধাৰণ কৰিছিল। ক্ষত্ৰিয়ক সমূলাংশে ধংস কৰি ব্ৰাহ্মণৰ প্ৰাধান্য স্থাপন কৰিবলৈ তেওঁ পৰশুৰামৰ অৱতাৰ লৈছিল। ৰাম আৰু কৃষ্ণৰ অৱতাৰ দহোটা অৱতাৰৰ ভিতৰত সৰ্বাধিক জনপ্ৰিয় আৰু উপাসিত। বুদ্ধ অৱতাৰৰ বিষয়ে বহু জনমত শুনা যায়। তথাপি ন্যায় আৰু শান্তি প্ৰতিষ্ঠা আৰু ধৰ্মৰ স্থাপনাৰ বাবেই বিষ্ণুৱে এই অৱতাৰ ধাৰণ কৰিছিল বুলি মত পোষণ কৰা হয়। কল্কিৰ অৱতাৰ এতিয়াও হোৱা নাই বুলি কোৱা যায়।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ ত্রিদেৱ বুলিলে কাক বুজা যায়?

.....

প্রশ্ন নং ২ ঃ বৈষ্ণৱ বুলিলে কি বুজা যায়?

.....

প্রশ্ন নং ৩ ঃ বিষ্ণু শব্দৰ মূল অর্থ কি?

.....

প্রশ্ন নং ৪ ঃ বিষ্ণুৰ পাঁচটা ৰূপ কি কি?

.....

প্রশ্ন নং ৫ ঃ ভাৰতৰ তিনিখন মুখ্য বৈষ্ণৱ তীর্থস্থানৰ নাম লিখক।

.....

১৩.৫ বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশ

যদিও বৈষ্ণৱবাদৰ উৎপত্তি সম্পর্কে বহুতে বহু মত আগবঢ়ায় তথাপি বেদেই ইয়াৰ উৎপত্তিৰ মূল উৎস বুলি পণ্ডিতসকলে স্বীকাৰ কৰে। ঋগ্বেদৰ কিছু কিছু অংশত যদিও বিষ্ণুক মহান দেৱ হিচাপে বর্ণনা কৰা হৈছে তথাপি তেওঁক সর্বোত্তম দেৱতা হিচাপে স্বীকৃতি দিয়া হোৱা নাই। ঋগ্বেদত (১.১৫৫.৬) বিষ্ণুক সূর্যৰ প্রকাশিত এক ৰূপ বুলিহে কোৱা হৈছে। তেওঁক শিপিবিষ্ট বুলি ইয়াত উল্লেখ কৰা হৈছে আৰু কোৱা হৈছে যে বিষ্ণুৰ মহানতা অভাৱনীয়, আশ্চর্যকৰ (৭.৯৯.১, ১০০.৫-৬)। শতপথ ব্রাহ্মণৰ এক উপাখ্যান মতে বিষ্ণুৰ শিৰটোৱেই সূর্যৰ (আদিত্যৰ) ৰূপ লৈছে (১৪.১.১)। ঋগ্বেদৰ বিভিন্নপাঠত (১.২২.১৮, ১.২২.২০, ১.১৫৪.৫, ১.১৫৫.৫, ১.১৫৬.৩, ৮.২৯.৭) আদিত বিষ্ণুৰ বিভিন্ন বর্ণনা পোৱা যায়। বিষ্ণুৰ পৰমপদৰ বর্ণনা ঋগ্বেদ (১.১৫৪.৫-৬) তথা যাস্কৰ নিৰুক্তটো (১২.১৯) উপলব্ধ। তৈত্তিৰীয় সংহিতা আৰু শতপথ ব্রাহ্মণত (১.৯.৩.৯) বিষ্ণুৰ তিনি পাদৰ প্রসংগৰ উল্লেখ আছে। বিষ্ণুৰ বিভিন্ন উপাখ্যান শতপথ ব্রাহ্মণ (১৪.১.১) তৈত্তিৰীয় আৰণ্যক (৬.১), পঞ্চবিংশ ব্রাহ্মণ (৭.৫.৬) আদিত পোৱা যায়। শতপথ ব্রাহ্মণত বিষ্ণুকেই যজ্ঞ বুলি অভিহিত কৰা হৈছে (১.৯.৩.৯)। পৰৱর্তী সাহিত্যটো বিষ্ণুক যজ্ঞৰ লগত জড়িত বুলি কোৱা হৈছে আৰু তেওঁৰ বাবে যজ্ঞসম্বন্ধী বিভিন্ন নাম ব্যৱহাৰ কৰা হৈছে যেনে - যজ্ঞ, যজ্ঞাৱয়ৱ, যজ্ঞেশ্বৰ, যজ্ঞপুৰুষ ইত্যাদি। পৰৱর্তী বৈদিক সাহিত্যত বিষ্ণুৰ স্থানৰ উন্নীতকৰণ হোৱা দেখা যায় কিয়নো ঐতৰেয় ব্রাহ্মণত (১.১) বিষ্ণুক 'পৰম' শব্দৰে সম্বোধিত কৰা হৈছে। মৈত্রী উপনিষদত (৬.১৩) ভগবত বিষ্ণুৰ আৰু কঠ উপনিষদত (৩.৯) বিষ্ণুৰ পৰম পদৰ কথা উল্লেখ আছে। পৰৱর্তীকালত মহাভাৰত আৰু ৰামায়ণ আদি মহাকাব্যৰ পৃষ্ঠাতো বিষ্ণুৰ বর্ণনা তথা প্রশস্তি পোৱা যায়। মূলতঃ মহাভাৰত আৰু ৰামায়ণে বিষ্ণুৰ দুই অৱতাৰ ক্রমান্বয়ে শ্রীকৃষ্ণ আৰু ৰামক প্রতিনিধিত্ব কৰে। মহাভাৰতৰ খিলৰূপে জনাজাত হৰিবংশ হ'ল বাসুদেৱ- কৃষ্ণৰ আখ্যানৰ ৰহঘৰা। পতঞ্জলিৰ মহাভাষ্যতো বাসুদেৱ- বিষ্ণুৰ বিভিন্ন সমল পোৱা যায়। যদিও মহাভাষ্য এখন ব্যাকৰণশাস্ত্র তথাপি ব্যাকৰণৰ বিভিন্ন উদাহৰণ দাঙি ধৰোতে পতঞ্জলিয়ে বৈষ্ণৱ প্রসংগ উত্থাপন কৰিছে। ভৰতৰ নাট্যশাস্ত্রতো (৩.৭) বিষ্ণু -উপাসনাৰ প্রসংগ আছে। আনহাতে হালৰ গাথাসপ্তশতীৰো বহু শ্লোকত বিষ্ণুৰ প্রাধান্যতা, তেওঁৰ অৱতাৰ আদিৰ বর্ণনা পোৱা যায়। সাত্বিক পুৰাণসমূহ কেৱল বিষ্ণুস্তুতি তথা বিষ্ণু-চর্চাৰেই সমৃদ্ধ।

পৰৱর্তী পর্যায়ত গুপ্তযুগ আৰু তাৰ পিছৰ শতিকাবোৰত বৈষ্ণৱ সম্প্রদায়ৰ এটি উল্লেখযোগ্য শাখা

পাঞ্চৰাত্ৰৰ বহু সাহিত্যৰ সৃষ্টি হৈছিল। উত্তৰ দিশত গুপ্তবংশ আৰু দক্ষিণ দিশত চালুক্য বংশই বিশেষকৈ বৈষ্ণৱবাদৰ প্ৰসাৰ তথা প্ৰচাৰত বিশেষ অৱিহণা যোগাইছিল। তেওঁলোকৰ নেতৃত্বত নিৰ্মিত বহু মঠ-মন্দিৰে বিষ্ণু ভক্তিৰ মহিমা প্ৰচাৰ কৰাত বিশেষ ভূমিকা পালন কৰিছিল। উত্তৰ মৌৰ্য তথা গুপ্ত যুগৰ কবি আৰু নাট্যকাৰ যেনে - ভাস, কালিদাস, বিশাখদত্ত আদিৰ লিখনিত বৈষ্ণৱবাদৰ বিভিন্ন প্ৰসংগ উল্লেখ কৰা দেখা যায়। বিভিন্ন ধৰ্মীয় গুৰু যেনে আলৱাৰ, শ্ৰীচৈতন্য মহাপ্ৰভু আদিৰ প্ৰচেষ্টাত লাহে লাহে বৈষ্ণৱবাদে বিকাশ আৰু বিশেষ স্বীকৃতি লাভ কৰে। এই ধৰ্মীয় গুৰুসকলে ভক্তিকাব্যৰ জৰিয়তে বিষ্ণুৰ গুণ-গৰিমা সাধাৰণলোকৰ মাজত প্ৰচাৰ কৰিছিল। ক্ৰমান্বয়ে এই সম্প্ৰদায়ে কেৱল ভাৰততে নহয় কম্বোদিয়া, জাপান আদিতো প্ৰসাৰতা আৰু লোকপ্ৰিয়তা অৰ্জন কৰিলে।

বৈষ্ণৱবাদৰ পিছলৈ বিভিন্ন উপখণ্ডৰ সৃষ্টি হ'ল। তাৰ ভিতৰত প্ৰমুখ দুটা সম্প্ৰদায় হ'ল গৌড়ীয় বৈষ্ণৱবাদ আৰু শ্ৰী বৈষ্ণৱবাদ। গৌড়ীয় বৈষ্ণৱবাদ শ্ৰী চৈতন্য মহাপ্ৰভূৰ ব্যাখ্যা তথা শিক্ষাৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ ব্যাখ্যা শ্ৰীচৈতন্য মহাপ্ৰভূৰ ব্যাখ্যা তথা শিক্ষাৰ ওপৰত প্ৰতিষ্ঠিত। তেওঁৰ ব্যাখ্যা মূলত ঃ ভাগৱতপুৰাণ আৰু গীতাৰ ওপৰত আধাৰিত। তেওঁ ISCON নামৰ ধৰ্মীয় সংগঠনটিৰ প্ৰতিষ্ঠাতা যি ভক্তিপ্ৰেমৰ উপস্থাপন আৰু পালনৰ জৰিয়তে বিষ্ণুৰ চৰণকমলত লীন হ'বলৈ উপদেশ দিয়ে। শ্ৰীবৈষ্ণৱবাদে বিষ্ণুক আৰু তেওঁৰ পত্নী লক্ষ্মীক (শ্ৰী) মূলত ঃ উপাসনা কৰে। ধৰ্মীয় বিধি পালন আৰু মন্দিৰ দৰ্শনৰ ওপৰত এই শাখাই গুৰুত্ব আৰোপ কৰে। বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশ সম্পৰ্কে আন বহু মত প্ৰচলিত হৈ আছে। দক্ষিণ ভাৰতীয় বৈষ্ণৱবাদৰ মতে কৃষ্ণ ধৰ্মীয় পন্থাৰ আৰম্ভণি মাদুৰাইত যাদৱৰ সৈতে হৈছিল। যাদৱসকল তেওঁলোকৰ মতে বৃষ্ণিসকলৰ বংশধৰ। দক্ষিণ ভাৰতত প্ৰচলিত আন এটি মতবাদৰ মতে বিষ্ণুসম্প্ৰদায়ৰ আৰম্ভণি মুলাই নামৰ ঠাইৰ পৰা হৈছিল। বৈষ্ণৱবাদক ভাগৱত বুলিও জনা যায় যাৰ অৰ্থ হ'ল ভগৱতৰ পন্থা বা ধৰ্মীয় সম্প্ৰাদায়। ভাগৱত, গীতা, পুৰাণ আৰু মহাভাৰতৰ নাৰায়ণীয় নামৰ অংশটি এই বিশ্বাসৰ মূলাধাৰ।

১৩.৬ বৈষ্ণৱ দৰ্শন আৰু ইয়াৰ দাৰ্শনিকসমূহ

ভক্তি আন্দোলনৰ প্ৰভাৱত সংবৰ্দ্ধিত হোৱা বৈষ্ণৱবাদৰ ভাৰতৰ ধৰ্মীয় বিচাৰধাৰাত গুৰুত্ব অপৰিসীম। বৈষ্ণৱবাদৰ মূল তত্ব বা দৰ্শন ভক্তিবাদৰ ওপৰত প্ৰতিষ্ঠিত। ইয়াৰ মতে ভক্তিমাৰ্গেৰে সকলোৱে পৰমানন্দ বা মোক্ষ লাভ কৰিব পাৰে। বৈষ্ণৱবাদৰ বিভিন্ন দাৰ্শনিকসমূহৰ মাজত ৰামানুজ প্ৰধান। তেওঁৰ দৰ্শনক শ্ৰীবৈষ্ণৱবাদ বা বিশিষ্টাদ্বৈতবাদ বুলি কোৱা হয়। নিম্বাৰ্ক, মধ্ব আদি বৈষ্ণৱবাদৰ উল্লেখযোগ্য দাৰ্শনিক। যদিও ৰামানুজ, নিম্বাৰ্ক বা মধ্ব আদি দাৰ্শনিকসকল বেদান্তদৰ্শনৰ মুখ্য প্ৰবক্তা কিন্তু তেওঁলোক প্ৰকৃত বৈষ্ণৱবাদী যাৰ তাত্বিক ব্যাখ্যাত বৈষ্ণৱ দৰ্শন প্ৰতিফলিত হয়। ৰামানুজ ঘাইকৈ আলৱাৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈছিল। তেওঁৰ অনুগামী আছিল কুৰেশ যি বিষ্ণু স্তুতিমূলক পাঁচটা সূক্ত লিখিছিল। পৰাশৰ ভট্ট ৰামানুজৰ আন এক অনুগামী। খ্ৰীষ্ট্ৰীয় এঘাৰ - বাৰ শতিকাৰ নাৰায়ণ মুণি, বৰদাচাৰ্য, আত্ৰেয় ৰামানুজ, সুদৰ্শন ভট্টাকৰ আদিও উল্লেখযোগ্য বৈষ্ণৱবাদী দাৰ্শনিক। খ্ৰীষ্ট্ৰীয় চৈধ্য শতিকাৰ বেদান্তদেশিক উত্তৰ ভাৰতীয় বৈষ্ণৱবাদ আৰু পিল্লাই লোকাচাৰ্য দক্ষিণ ভাৰতীয় বৈষ্ণৱবাদৰ মূল প্ৰবক্তা।

ৰামানুজৰ বিশিষ্টাদ্বৈতবাদ বা শ্ৰীবৈষ্ণৱবাদৰ মতে মূল সত্বা তিনিটা - চিত্, অচিত্ আৰু ঈশ্বৰ। চিত্ আৰু অচিত্ ঈশ্বৰৰে অংশ। পৰমানন্দ প্ৰাপ্তিৰ বাবে ভক্তিৰ একান্ত প্ৰয়োজন বুলি তেওঁ মত পোষণ কৰে। তেওঁৰ মতে প্ৰত্যেক জীৱই ঈশ্বৰ অংশ আৰু ঈশ্বৰৰ কৃপাতহে মোক্ষ প্ৰাপ্তি সম্ভৱ। ঈশ্বৰৰ চৰণকমলত জীৱৰ সম্পূৰ্ণ আত্মসমৰ্পণে মুক্তিৰ পথ প্ৰশস্ত কৰে। তেওঁৰ মতে জীৱ ঈশ্বৰৰ অংশ হৈও ঈশ্বৰৰ সমান হ'ব নোৱাৰে। মধ্বৰ দৰ্শন দ্বৈতবাদ নামেৰে খ্যাত। তেওঁৰ মতে ঈশ্বৰ, চিত্ আৰু অচিত্ শাশ্বতভাৱে পৃথক। মধ্বৰ মতেও কেৱল ঈশ্বৰৰ কৃপাতহে

মোক্ষ প্ৰাপ্তি সম্ভৱ কিন্তু তেওঁ কৈছে যে মোক্ষই জীৱক ঈশ্বৱত বিলীন হোৱা নুবুজায়, কিন্তু ঈশ্বৱৰ কায পোৱাহে বুজায়। মধ্বৱ পূৰ্বসুৰী নিম্বাৰ্ক কৃষ্ণৱ একান্ত ভক্ত আছিল। তেওঁ কৃষ্ণকে পৱমব্ৰহ্মৰ ৰূপত উপস্থাপন কৰিছে। তেওঁৰ মতে চিত্ আৰু অচিত্ শাশ্বত, ব্ৰহ্ম নিয়ন্তা, আতমন ভোক্তা আৰু অচিতভোগ্য। নিম্বাৰ্কই কৈছে যে কৰ্ম, জ্ঞান, উপাসনা, প্ৰপত্তি আৰু গুৰূপসত্তিৰ জৰিয়তে মোক্ষ লাভ কৰিব পাৰি। তেওঁৰ মতে ঈশ্বৱপ্ৰেমেই হ'ল মুক্তিৰ একান্ত মাৰ্গ। তেওঁৰ সুবোধিনী আৰু সিদ্ধান্তৱহস্য নামৰ ধৰ্মীয়গ্ৰন্থ দুখন বৈষ্ণৱবাদত বিখ্যাত। বল্লভ আন এজন বৈষ্ণৱ দাৰ্শনিক যি বেদান্তদৰ্শনৰ শুদ্ধাদ্বৈত সম্প্ৰদায়ৰ প্ৰবৰ্তক। তেওঁৰ মতে পৱম ব্ৰহ্ম মানে অন্তৰ্যামী অক্ষৱব্ৰহ্ম। সেই পৱমব্ৰহ্ম জীৱৰ মাজত অন্তৰ্যামীৰূপে বাস কৰে। তেওঁৰ মতে ভক্তিমাৰ্গহে কৰ্ম তথা জ্ঞান মাৰ্গতকৈ উৎকৃষ্ট। বল্লভৰ মতে ঈশ্বৱৰ সৈতে আত্মা আৰু জগতৰ সম্পৰ্ক অচিন্ত্য ভেদাভেদৰূপী। শ্ৰীচৈতন্যৰ অনুগামী তথা শিষ্যৰূপী ছয় গোস্বামীয়ে (ৰূপ, সনাতন, ৰঘুনাথ দাস, ৰঘুনাথ ভট্ট, গোপাল ভট্ট আৰু জীৱ গোস্বামী) তেওঁলোকে লিখনিৰ জৰিয়তে ভক্তিবাদৰ প্ৰচাৰ কৰিছিল।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ কোন গ্ৰন্থত বিষ্ণুক যজ্ঞ বুলি অভিহিত কৰা হৈছে?

.....

প্ৰশ্ন নং ২ ঃ ৰামানুজৰ দৰ্শনৰ নাম কি?

.....

১৩.৭ বৈষ্ণৱ সাহিত্য

পোন প্ৰথমে বেদতেই বৈষ্ণৱ সাহিত্যই পোখা মেলিছিল বুলি ক'ব পাৰি। বেদ, পু�ৰাণ, উপনিষদ আদিৰ পৰাই বৈষ্ণৱবাদী চিন্তাধাৰাই গতি লাভ কৰিলে। আগতেই উল্লেখ কৰা হৈছে যে মহাভাৰত আৰু ৰামায়ণ বৈষ্ণৱ উপাখ্যানৰ বৰ্ণনাৰ ক্ষেত্ৰত অতুলনীয়। মহাভাৰতত বৈষ্ণৱবাদৰ প্ৰভাৱ আৰু ইয়াৰ বুৰঞ্জীৰ বিষয়ে যথেষ্ট সমল পোৱা যায়। ভীষ্মপৰ্বত গীতা আৰু শান্তিপৰ্বৰ নাৰায়ণীয় অংশ ভাগৱত সম্প্ৰদায়ৰ বাবে অতি মূল্যবান। তদুপৰি অনুশাসন পৰ্ব আৰু হৰিবংশ এই ক্ষেত্ৰত লেখত ল'বলগীয়া। ভাগৱত, বিষ্ণু, গৰুড়, মৎস, কুৰ্ম আৰু বায়ুপু�ৰাণ বৈষ্ণব বাদী গাথাৰে পৰিপূৰ্ণ। বিষ্ণুধৰ্ম, বিষ্ণুধৰ্মোত্তৰ, নৃসিংহ, ক্ৰিয়াযোগসাৰ আদি কিছু উল্লেখযোগ্য বৈষ্ণৱ উপপু�ৰাণ। উত্তৰাধ্যয়ন সূত্ৰ, অন্তকৃদ্দশাক আদি কিছু বৃষ্ণিৰ আখ্যান সম্বলিত জৈন গ্ৰন্থ। অৰ্থাৎ জৈন সাহিত্যতো বিষ্ণুৰ মহানতাৰ প্ৰভাৱ দেখিবলৈ পোৱা যায়। সেইদৰে বৌদ্ধ সাহিত্যতো বিষ্ণুৰ বৰ্ণনা বিৰাজমান। বহু পণ্ডিতৰ মতে যিহেতু বুদ্ধ বিষ্ণুৰেই এক অৱতাৰ গতিকে বৌদ্ধ সাহিত্যত তেওঁৰ বিষয়ে বৰ্ণনা কৰা দেখা যায়। অৱদানশতক, মিলিন্দপঞহা আদি বৌদ্ধ গ্ৰন্থৰ নাম এইক্ষেত্ৰত ল'ব পাৰি য'ত বৈষ্ণৱ দেৱতাৰ বৰ্ণনা কৰা হৈছে। তাৰোপৰি পতঞ্জলিৰ মহাভাষ্য, বিষ্ণুস্মৃতি, বৈখানস স্মাৰ্তসূত্ৰ আদিতো বৈষ্ণৱ ৰীতিৰ আলোচনা পোৱা যায়। অব্যক্তোপৰিষদ বা অব্যক্তনৃসিংহোপনিষদ, গৰুড় উপনিষদ কৃষ্ণ উপনিষদ, গোপালোত্তৰ তাপনি উপনিষদ, নাৰায়পোপনিষদ, বাসুদেৱ উপনিষদ, ৰামৱহস্য উপনিষদ আদি কিছু বৈষ্ণৱ উপনিষদ য'ত বিষ্ণুৰ মহিমাৰ বৰ্ণনা কৰা হৈছে। জয়দেৱৰ গীতগোবিন্দ, অনিৰুদ্ধ ভট্টৰ ভাগৱতত্বমঞ্জৰী আৰু হলায়ুধ ভট্টৰ বৈষ্ণৱ-সৰ্বস্ব প্ৰমুখ বৈষ্ণৱ সাহিত্য। এওঁলোক চৈতন্যৰ পূৰ্বসূৰী। মুৰাৰীগুপ্ত, কৃষ্ণদাস কবিৰাজ, পৱমানন্দসেন আদি কিছু বৈষ্ণৱ সাহিত্যিক চৈতন্যৰ উত্তৰসূৰী যিসকলে গুৰুভক্তিৰ চিনস্বৰূপে কেইখনমান গুৰুৰ জীৱনৰ ওপৰত গ্ৰন্থ লিখিছিল যেনে ঃ কড়চা, চৈতন্য চৰিতামৃত, চৈতন্যচন্দ্ৰোদয় আদি। বৈষ্ণৱ সাহিত্যৰ ভঁৰালটো এনে বহুত গ্ৰন্থই টনকিয়াল কৰি ৰাখিছে।

১৩.৮ অসমত বৈষ্ণৱবাদ

অসমত প্রচলিত বৈষ্ণৱবাদ হ'ল নৱবৈষ্ণৱবাদ। মধ্যযুগীয় অসমত শংকৰদেৱৰ প্রচেষ্টাত এক নৱজাগৰণৰ সৃষ্টি হৈছিল। এই নৱজাগৰণ আছিল ধর্মীয় পৰিধিত। শংকৰদেৱৰ চেষ্টাত ভক্তি আন্দোলনে এটি নতুন ধর্মীয় বিচাৰ ধাৰাৰ ঢল অসমলৈ বোৱাই আনিছিল আৰু সেই ঢল আছিল বৈষ্ণৱবাদৰ। শংকৰদেৱ আৰু তেওঁৰ শিষ্যসকলৰ যত্নত অসমত নৱবৈষ্ণৱবাদৰ ধর্মীয় চর্চা, আনুষ্ঠানিকতা আৰম্ভ হৈছিল। শংকৰদেৱ, ঘাইকৈ ভাগৱতপুৰাণ আৰু গীতাৰ দ্বাৰা অনুপ্রাণিত হৈছিল। বহুতে তেওঁৰ দর্শনত ৰামানুজৰ প্রভাৱ দেখিবলৈ পোৱা যায় বুলি মত পোষণ কৰে আৰু আন বহুতে শ্রীচৈতন্যৰ। শংকৰদেৱৰ ব্যাখ্যাত বেদান্তদর্শনৰ প্রভাৱ দেখিবলৈ পোৱা যায়। তেওঁৰ মতে ব্রহ্মন (পৰমসত্তা) এক আৰু অদ্বিতীয় আৰু তেওঁৰ গুণসমূহ তেওঁৰ সমানেই সত্য। শংকৰদেৱে কৈছে যে কেৱল মাত্র ভক্তিৰ জৰিয়তেহে ঈশ্বৰক অনুভৱ কৰিব পাৰি বা লাভ কৰিব পাৰি। তেওঁ মত দিছে যে ঈশ্বৰে সময়ে সময়ে বিভিন্ন অৱতাৰ ধাৰণ কৰে। শংকৰদেৱে ভক্তিবাদৰ ওপৰত সংস্কৃতত ভক্তিৰত্নাকৰ নামেৰে এখন গ্রন্থ লিখিছিল। তাৰোপৰি ভক্তি প্রদীপ, কীর্তন, গুণমালা আদি ব্রজাৱলী ভাষাত শংকৰদেৱৰ দ্বাৰা ৰচিত আন কিছু উল্লেখযোগ্য গ্রন্থ। অংকীয়া ভাওনা, ৰৰগীত আদিৰ দ্বাৰাও বৈষ্ণৱবাদ সাধাৰণ জনগণৰ মাজত সম্প্রসাৰ কৰিবলৈ চেষ্টা কৰিছিল এইজনা মহাপুৰুষে। মাধৱদেৱকে আদি কৰি আন বহু বৈষ্ণৱ পণ্ডিতে তেওঁলোকৰ লিখনি তথা ধর্মাচৰণৰ দ্বাৰা শংকৰদেৱৰ পিছৰ পর্যায়ত অসমত বৈষ্ণৱবাদ জনপ্রিয় কৰি তুলিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিছিল। মাধৱদেৱৰ নামঘোষা এই ক্ষেত্রত উল্লেখযোগ্য বৈষ্ণৱগ্রন্থ।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৮ ঃ তিনিখন বৈষ্ণৱ উপপুৰাণৰ নাম লিখক।

.....

প্রশ্ন নং ৯ ঃ চৈতন্যৰ পূর্বসূৰী দুজন বৈষ্ণৱ পণ্ডিতৰ নাম লিখক।

.....

প্রশ্ন নং ১০ ঃ শংকৰদেৱে সংস্কৃতত লিখা গ্রন্থখনৰ নাম কি?

.....

১৩.৯ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

এই অধ্যায়টোত আমি নিম্নলিখিত বিষয়সমূহ আলোচনা কৰিলো ঃ

- বৈষ্ণৱবাদৰ এটি স্পষ্ট ধাৰণা লাভ কৰিলোঁ।
- বিষ্ণু শব্দৰ অর্থ আৰু তেওঁৰ বিভিন্ন অৱতাৰসমূহৰ বিষয়ে জানিব পাৰিলোঁ।
- বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশৰ বিষয়ে অৱগত হ'লোঁ।
- বৈষ্ণৱদর্শন আৰু ইয়াৰ দার্শনিকসমূহৰ বিষয়ে জানিব পাৰিলোঁ।
- বৈষ্ণৱ সাহিত্যৰ বিষয়ে অৱগত হ'লোঁ।
- অসমত প্রচলিত বৈষ্ণৱবাদৰ সামগ্রিক আভাস পালোঁ।

১৩.১০ অধিক জানিবলৈ

১) Radhakrishnan, S. (1930) : Indian Philosophy, Vo.1.2 (end edn.), New Delhi, Oxford University Press.
২) Narang, Sudesh. (1984) : The Vaisnava Philosophy, Delhi, Nag Publishers.
৩) Jaiswal, Suvira. (1967) : The Origin and Development of Vaisnavisam, Delhi, Munshiram Maroharlal Oriental Publishers and Booksellers.
৪) Chatterji, Suniti Kumar (editor). (2005) : The Cultural Heritage of India, Vol. V, Calcutta, The Ramkrishna Mission Institute of Culture.
৫) Bhattacharyya, Heritage (edition). (2005) : The Cultural Heritage of India. Vol. IV, Calcutta, The Ramkrishna Mission Institute of Culture.

১৩.১১ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ত্রিদেৱ বুলিলে ব্রহ্মা, বিষ্ণু আৰু মহেশ্বৰক বুজা যায়।
২ নং প্রশ্নৰ উত্তৰ ঃ যি বিষ্ণুক উপাসনা কৰে তেঁৱেই বৈষ্ণৱ।
৩ নং প্রশ্নৰ উত্তৰ ঃ বিষ্ণু শব্দৰ মূল অর্থ হ'ল যি সর্বত্র পৰিব্যাপ্ত।
৪ নং প্রশ্নৰ উত্তৰ ঃ বিষ্ণুৰ পাঁচটা ৰূপ হ'ল পৰা, ব্যুহ, বিভৱ, অর্ন্তযামী, আৰু অর্চা।
৫ নং প্রশ্নৰ উত্তৰ ঃ ভাৱতৰ তিনিখন মুখ্য বৈষ্ণৱ তীর্থস্থান হ'ল মথুৰা, পুৰী, অযোধ্যা।
৬ নং প্রশ্নৰ উত্তৰ ঃ শতপথ ব্রাহ্মণত বিষ্ণুক যজ্ঞ বুলি অভিহিত কৰা হৈছে।
৭ নং প্রশ্নৰ উত্তৰ ঃ ৰামানুজৰ দর্শনৰ নাম বিশিষ্টাদ্বৈতবাদ।
৮ নং প্রশ্নৰ উত্তৰ ঃ তিনিখন বৈষ্ণৱ উপপুৰাণৰ নাম হ'ল - বিষ্ণুধর্ম, বিষ্ণুধর্মোত্তৰ আৰু নৃসিংহ পুৰাণ।
৯ নং প্রশ্নৰ উত্তৰ ঃ অনিৰুদ্ধ ভট্ট আৰু হলায়ুধ ভট্ট হ'ল চৈতন্যৰ পূর্বসুৰী দুজন বৈষ্ণৱ পণ্ডিত।
১০ নং প্রশ্নৰ উত্তৰ ঃ শংকৰদেৱে সংস্কৃতত লিখা গ্রন্থখন হ'ল ভক্তিৰত্নাকৰ।

১৩.১২ আৰ্হি প্রশ্ন

ক) চুটিপ্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ১৫০ শব্দৰে দিয়া)
প্রশ্ন ১ ঃ বিষ্ণুৰ অৱতাৰসমূহ চমুকৈ বর্ণনা কৰক।
প্রশ্ন ২ ঃ বৈষ্ণৱ সাহিত্যৰ বিষয়ে এটি চমুটোকা প্রস্তুত কৰক।
প্রশ্ন ৩ ঃ অসমৰ নৱবৈষ্ণৱবাদৰ বিষয়ে চমুকৈ বর্ণনা কৰক।
খ) ৰচনাধর্মী প্রশ্ন ঃ (প্রতিটো প্রশ্নৰ উত্তৰ প্রায় ৩০০-৫০০ শব্দৰে দিয়া)
প্রশ্ন ১ ঃ বৈষ্ণৱবাদৰ উৎপত্তি আৰু বিকাশ সম্পর্কে আলোচনা কৰক।
প্রশ্ন ২ ঃ বৈষ্ণৱবাদৰ ওপৰত এটি সামগ্রিক টোকা যুগুত কৰক।
প্রশ্ন ৩ ঃ বৈষ্ণৱবাদৰ দর্শন আৰু দার্শনিকসমূহৰ বিষয়ে আলোচনা কৰক।

*** ***** ***

অধ্যায় ১৪ঃ যোগ দর্শনৰ পৰিচয়

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ যোগ শব্দৰ অর্থ
১৪.৪ যোগ দর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস
১৪.৪.১ যোগ মনস্তত্ত্ব
১৪.৪.২ যোগৰ অষ্টমার্গ বা অষ্টাঙ্গযোগ
১৪.৪.৩ যোগ দর্শনৰ ঈশ্বৰতত্ত্ব
১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৬ অধিক জানিবলৈ
১৪.৭ অগ্রগতিৰ খতিয়ান
১৪.৮ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- যোগ শব্দৰ অর্থ জানিব পাৰিব
- যোগমনস্তত্ত্বৰ দুটা মূল বিষয়বস্তু চিত্তবৃত্তি আৰু চিত্তভূমিৰ বিষয়ে জানিব পাৰিব
- তত্ত্বজ্ঞান লাভৰ ক্ষেত্ৰত অষ্টাঙ্গযোগৰ ভূমিকা সম্পর্কে জানিব পাৰিব
- যোগ দর্শনত ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে জ্ঞান লাভ কৰিব
- যোগদর্শনৰ বিভিন্ন গ্ৰন্থ তথা গ্ৰন্থকাৰৰ নাম জানিব পাৰিব।

১৪.২ পৰিচয়

আপুনি জানি থোৱা উচিত যে যোগ দর্শনৰ প্ৰৱর্তক মহর্ষি পতঞ্জলি। পণ্ডিত ৰাধাকৃষ্ণণৰ মতে পতঞ্জলিৰ আৰির্ভাৱকাল ৩য় শতিকাৰ ওচৰা-ওচৰি। যোগ আৰু সাংখ্যদর্শনক সমানতান্ত্রিক দর্শন বুলিও কোৱা হয়। কাৰণ যোগ দর্শন আৰু সাংখ্যদর্শনৰ জ্ঞানতত্ত্ব, সৃষ্টিতত্ত্ব মূলত একেই। অৱশ্যে সৃষ্টি সম্পর্কে সাংখ্যই উল্লেখ কৰা পুৰুষ আৰু প্ৰকৃতিকে ধৰি মুঠ পঁচিশটা তত্ত্ব গ্ৰহণ কৰাৰ উপৰিও যোগদর্শনে ঈশ্বৰ বা পৰম পুৰুষৰ অস্তিত্ব স্বীকাৰ কৰিছে। সেয়েহে যোগদর্শনক 'সেশ্বৰ সাংখ্য' অথবা 'ঈশ্বৰবাদী সাংখ্য' বুলি কোৱা হয়।

চিত্ত বিশ্লেষণ কৰি তাৰ বৃত্তি বা বিকাৰসমূহ ৰোধ কৰাৰ ওপৰত যোগদর্শনে সর্বাধিক গুৰুত্ব আৰোপ কৰিছে। শুদ্ধ বিচাৰ আৰু নৈতিক আচাৰাদি অনুশীলনৰ দ্বাৰা মানসিক বিকাৰসমূহক নিবৃত্ত কৰিব পাৰি। এই নৈতিক আচাৰ বা যৌগিক প্ৰণালীৰ বিশদ আলোচনাই হ'ল যোগদর্শন।

যোগদর্শন অতি প্ৰাচীন দর্শন। শ্বেতাশ্বতৰ উপনিষদ আৰু কঠ উপনিষদৰ সময়তো যোগ সাধনা হৈছিল বুলি উল্লেখ পোৱা যায়। স্মৃতিশাস্ত্ৰ, পুৰাণ আদিতো ইয়াৰ উল্লেখ পোৱা যায়। যোগদর্শনে উল্লেখ কৰা প্ৰণালীসমূহ

ভাৰতৰ প্ৰায়বোৰ দাৰ্শনিকেই গ্ৰহণ কৰা যায়। যোগ দৰ্শনৰ আচাৰসমূহক জীৱনৰ সকলো কৃতকাৰ্য্যতা আৰু সুখ-সম্পদৰ বাবে উৎকৃষ্ট পন্থা বুলি ক'ব পাৰি।

এই অধ্যায়ত যোগদৰ্শননো কি, যোগদৰ্শনৰ স্বৰূপ, চিত্তবৃত্তি, চিত্তভূমি, যোগৰ অষ্টাংগিক মাৰ্গ আদিৰ কিছু আভাস আপোনাৰ উদ্দেশ্যে দাঙি ধৰা হৈছে। যোগদৰ্শনত ঈশ্বৰৰ স্থান সম্পৰ্কে ইয়াত আলোচনা কৰা হৈছে।

১৪.৩ যোগ শব্দৰ অর্থ

'যোগ' শব্দটোৰ বিভিন্ন অর্থ পোৱা যায়। 'যোগ' শব্দটো 'যুজ্' ধাতুৰ পৰা আহিছে। 'যুজ্' ধাতুৰ অর্থ সংযোগ কৰা। গতিকে এই অর্থৰ পৰা যোগৰ অর্থ এনে ধৰণৰ— আত্মা আৰু পৰমাত্মাৰ সংযোগ, চিত্তৰ একাগ্ৰতা বিধান কৰা, চিত্তবৃত্তি নিৰোধ কৰা। পতঞ্জলিৰ 'যোগসূত্ৰ' গ্ৰন্থখনত শেষৰ অর্থটো গ্ৰহণ কৰা দেখা যায়। চিত্তৰ বৃত্তি (মানসিক কার্য্য) নিৰোধ কৰাৰ ফলত ক্ৰমান্বয়ে চিত্তই বাহ্যিক আৰু আভ্যন্তৰীণ বিষয়সমূহৰ পৰা আঁতৰি যায়। যাৰ ফলত অবিদ্যা দূৰ হয়। অর্থাৎ পুৰুষে প্ৰকৃতিৰ পৰা নিজৰ পার্থক্য উপলব্ধি কৰিব পাৰে। যোগ দৰ্শনৰ মতে পুৰুষ আৰু প্ৰকৃতিৰ পার্থক্য জ্ঞানেই হ'ল কৈৱল্য। অন্যান্য দার্শনিক সম্প্ৰদায়ৰ দৰে কৈৱল্যই হ'ল যোগদৰ্শনৰ চৰম লক্ষ্য।

১৪.৪ যোগদর্শনৰ মূল তত্ত্বসমূহৰ চমু আভাস

এই অংশত আপুনি যোগদৰ্শনৰ বিভিন্ন বিষয়বস্তু অর্থাৎ যোগ মনস্তত্ব অথবা যোগ মনোবিজ্ঞান, অষ্টাঙ্গযোগ, ঈশ্বৰ তত্ত্বৰ বিষয়ে জানিব পাৰিব। আপুনি আগতেই পাই আহিছে যে সাংখ্য আৰু যোগদৰ্শনক সমানতান্ত্ৰিক দৰ্শন বুলি কোৱা হয়। যোগদৰ্শনে সাংখ্যৰ সৃষ্টিতত্ব আৰু জ্ঞান তত্ব গ্ৰহণ কৰিছে। মাত্ৰ যোগদৰ্শনে ব্যৱহাৰিক দৃষ্টিৰ পৰা সৃষ্টিৰ বাবে ঈশ্বৰৰ অস্তিত্ব গ্ৰহণ কৰিছে। গতিকে এই অংশত সৃষ্টিতত্ব আৰু জ্ঞানতত্ত্বৰ বিষয়ে আলোচনা কৰা নহয়।

১৪.৪.১ যোগ মনস্তত্ব

যোগ মনস্তত্ব ভাৰতীয় দৰ্শনৰ মনস্তাত্বিক বিচাৰৰ পূৰ্ণ প্ৰকাশ। যোগ মনস্তত্বৰ বিষয়বস্তু দুটা— (ক) চিত্তবৃত্তি আৰু (খ) চিত্তভূমি অথবা যোগৰ যথার্থ স্বৰূপ।

ক) চিত্তবৃত্তি ঃ আপুনি ইতিমধ্যে জানি আহিছে যে পুৰুষৰ সান্নিধ্যত প্ৰকৃতিৰ প্ৰথম অভিব্যক্তি হ'ল বুদ্ধি। প্ৰকৃতিৰ প্ৰথম অভিব্যক্তি আৰু পুৰুষৰ সান্নিধ্যত থকা বাবে বুদ্ধি সত্ত্ব প্ৰধান, গতিকে স্বচ্ছ। যোগদৰ্শনৰ মতে পুৰুষৰ বন্ধনৰ কাৰণ হ'ল এই বুদ্ধি। পুৰুষ প্ৰকৃততে নিত্য, নির্গুণ, নিৰাকাৰ, শুদ্ধ চৈতন্য সত্তা। আনহাতে, বুদ্ধি প্ৰকৃতিজাত, গতিকে অচেতন বা জড়। কিন্তু ই স্বচ্ছ হোৱা বাবে পুৰুষে বুদ্ধিত প্ৰতিফলিত নিজৰ প্ৰতিবিম্বক ভুলকৈ আত্মস্বৰূপ বুলি ভাবে। বুদ্ধিৰদ্বাৰা প্ৰভাৱিত পুৰুষে তাৰ আকাৰ লয়। পুৰুষৰ এই বুদ্ধিৰ আকাৰপ্ৰাপ্ত ৰূপ কিন্তু অহঙ্কাৰাশ্ৰিত ৰূপ। এই ৰূপৰ ফলতে পুৰুষে নিজকে কর্তা, ভোক্তা, জ্ঞাতা বুলি ভাবে আৰু ফল ভোগ কৰে। এয়াই হ'ল পুৰুষৰ ভ্ৰম বা অবিদ্যা। অর্থাৎ পুৰুষক বুদ্ধি বুলি ভবা আৰু বুদ্ধিক পুৰুষ বুলি ভবাটোৱেই হৈছে ভ্ৰম। গতিকে যোগদৰ্শনৰ মতে বুদ্ধিক বিনাশ কৰিব পাৰিলে অথবা বিকাৰশূন্য কৰিলে পুৰুষ বন্ধনমুক্ত হয় আৰু এয়াই হ'ল আত্মোপলব্ধি অথবা কৈৱল্য।

যোগদর্শনত প্রকৃতিৰ তিনিটা অভিব্যক্তি বুদ্ধি, অহঙ্কাৰ আৰু মনক একেলগে চিত্ত বোলে। সাংখ্যদর্শনত এই তিনিটাক অন্তঃকৰণ বোলা হৈছে। অর্থাৎ চিত্ত আৰু অন্তঃকৰণ একে। সাংখ্য দার্শনিক বাচস্পতি মিশ্রৰ মতেও বুদ্ধি বা অন্তঃকৰণ অর্থতে 'চিত্ত' শব্দটো ব্যৱহাৰ হৈছে। পতঞ্জলিয়েও 'চিত্ত' শব্দটো বুদ্ধিৰ সমার্থক হিচাবে ব্যৱহাৰ কৰিছে। গতিকে যোগদর্শনে স্বীকাৰ কৰে যে অন্তঃকৰণেই হৈছে চিত্ত বা বুদ্ধি বা মহৎ, যিয়ে অহঙ্কাৰ আৰু মনক অন্তর্ভুক্ত কৰি লয়।

কোনো এটা বিষয়বস্তু ইন্দ্রিয় আৰু মনৰ মাধ্যমত চিত্তৰ ওপৰত প্রতিবিম্বিত হয় আৰু চিত্তই সেই বিষয়ৰ আকাৰ ধা�ৰণ কৰে। চিত্তৰ এই পৰিৱর্তনকে তাৰ বৃত্তি বোলা হয়। চিত্তৰ বৃত্তিয়েই হৈছে বিষয়ৰ জ্ঞান। চিত্তৰ এই সমগ্র অৱস্থাটোক পাঁচোটা বৃত্তিত ভাগ কৰা হৈছে— (১) প্রমাণ, (২) বিপর্যয়, (৩) বিকল্প, (৪) নিদ্রা আৰু (৫) স্মৃতি।

১) যি প্রক্রিয়াৰদ্বাৰা বস্তুৰ স্বৰূপ জানিব পাৰি তাকে প্রমাণ বোলে। প্রমাণ তিনি প্রকাৰৰ— প্রত্যক্ষ, অনুমান আৰু আগম।

২) মিথ্যা জ্ঞান বা ভুল জ্ঞানক বিপর্যয় বোলে। বিপর্যয়ত বস্তুৰ স্বৰূপ সম্বন্ধে যথার্থ জ্ঞান নহয়।

৩) বিকল্প হ'ল কল্পনা। বিকল্পৰ আচল অর্থ হ'ল শব্দ জনিত বৃত্তি। এই জ্ঞানত বস্তু-স্থিতিৰ লগত কোনো সম্বন্ধ নাই। যেনে— শহাপহুৰ শিং, আকাশ কুসুম আদি কথাবোৰ এই শ্রেণীৰ।

৪) চিত্তত যেতিয়া তমো গুণৰ প্রভাৱ বেছি হয় তেতিয়া ইয়াত নিদ্রাই দেখা দিয়ে। এই অৱস্থাত জাগ্রত আৰু স্বপ্ন অৱস্থাৰ বিলুপ্তি সাধন হয়। এই নিদ্রাক সুষুপ্তি নামেও জনা যায়। সুষুপ্তি অৱস্থাতো সাক্ষাৎ জ্ঞান হয়। সেয়েহে টোপনিৰ পৰা উঠি এজন ব্যক্তিয়ে 'ভাল টোপনি হৈছিল'। 'মই একো নাজানো' বুলি কয়। এই কথাখিনি আচলতে চিত্তবৃত্তি।

৫) অতীতৰ অভিজ্ঞতাক পুনৰুত্থান কৰাই হৈছে স্মৃতি। স্মৃতিৰ অভিজ্ঞতা অতীতৰ লগত একে থাকে। গতিকে স্মৃতিক এটা চিত্তবৃত্তি বোলা হয়।

বস্তু আৰু ঘটনা অনুসৰি ওপৰত উল্লেখ কৰা চিত্তৰ বৃত্তিসমূহ সদায় পৰিৱর্তিত হৈ থাকে। পুৰুষ বা আত্মা প্রকৃততে নিত্য, শুদ্ধ, মুক্ত। কিন্তু চিত্তত আত্মা প্রতিবিম্বিত হোৱাৰ ফলত আত্মাই চিত্তৰ বৃত্তি সমূহকে নিজৰ বুলি ভাবে আৰু নিজকে সীমিত, কর্তা, ভোক্তা, জ্ঞাতা বুলি ভাবে। চিত্তবৃত্তিৰ পৰা উদ্ভৱ পাঁচ প্রকাৰৰ ক্লেশ আত্মাই নিজৰ বুলি ভাবে। এই পাঁচ প্রকাৰৰ ক্লেশ হ'ল— (১) অবিদ্যা, (২) অস্মিতা, (৩) ৰাগ, (৪) দ্বেষ আৰু (৫) অভিনিবেশ।

(১) অজ্ঞানতাই অবিদ্যা; (২) অহং ভাবেই হ'ল অস্মিতা; (৩) সুখ ভোগ কৰাৰ ইচ্ছাকে ৰাগ বোলে; (৪) দুখ প্রতিৰোধ কৰাৰ ইচ্ছাই হ'ল দ্বেষ আৰু (৫) মৃত্যু ভয়েই হৈছে অভিনিবেশ।

প্রকৃততে চিত্তৰ বৃত্তিসমূহৰ বাবেই পুৰুষ বা আত্মাৰ বন্ধন হয়। চিত্তৰ বৃত্তি সমূহক ৰোধ কৰিব পাৰিলেই চিত্তই নিজৰ স্বৰূপ বুজি পাব আৰু আত্মায়ো নিজৰ স্বৰূপ উপলব্ধি কৰিব পাৰিব। চিত্ত কার্য্যহীন হৈ পৰিলে তাৰ পৰিবর্তনো বন্ধ হৈ যাব আৰু এটা সময়ত চিত্ত স্থিৰ হৈ ৰব। চিত্ত স্থিৰ হ'লে আত্মাও স্থিৰ হৈ ৰ'ব। দেহ-মনক সুসংযত কৰি চিত্তবৃত্তি নিৰোধ কৰিব পাৰিলেই আত্মাই নিজৰ স্বৰূপ বুজি পাব। যোগৰ এয়াই উদ্দেশ্য।

খ) চিত্তভূমি ঃ যোগদর্শনৰ মতে আত্মাই চিত্ত বা বুদ্ধিৰ পৰা নিজৰ পার্থক্য উপলব্ধি কৰিব পৰা অৱস্থাই হ'ল মুক্তি। বুদ্ধি বা চিত্ত প্রকৃতিজাত হোৱা বাবে ইয়াক ধ্বংস কৰিব নোৱাৰি। গতিকে চিত্তবৃত্তি নিৰোধ কৰাটোৱেই হৈছে যোগৰ মুখ্য উদ্দেশ্য। চিত্তৰ পাঁচোটা অৱস্থা বা ভূমি— ক্ষিপ্ত, মূঢ়, বিক্ষিপ্ত, একাগ্র আৰু নিৰুদ্ধ।

চিত্তৰ অস্থিৰ অৱস্থাকে ক্ষিপ্ত বোলে। এই অৱস্থাত চিত্তৰ ওপৰত ৰজঃ গুণৰ প্রাধান্য বেছি হয়, ফলত মন, ইন্দ্রিয়াদি নিয়ন্ত্রণৰ বাহিৰত থাকে। চিত্তৰ ওপৰত তমঃ গুণৰ প্রভাৱ বেছি হোৱা অৱস্থাটোকে মূঢ় বোলে। এই

অৱস্থাত চিত্তই কর্তব্য, অকর্তব্য অগ্রাহ্য কৰি নিদ্রালু বা এলেহুৱা হৈ পৰে। বিক্ষিপ্ত অৱস্থাত চিত্তৰ ওপৰত সত্ত্বগুণে প্রাধান্য পায় যদিও ৰজঃ গুণেও মাজে-মাজে প্রভাৱ বিস্তাৰ কৰাৰ ফলত চিত্ত কেতিয়াবা বিষয়বস্তুৰ প্রতি স্থিৰ কেতিয়াবা অস্থিৰ হৈ পৰে। গতিকে এই অৱস্থাতো যোগৰ উদ্দেশ্য সাধিত নহয়। চতুর্থ অৱস্থা হ'ল একাগ্র। এই অৱস্থাত চিত্ত সম্পূর্ণ সত্ত্ব প্রধান হয়। ফলত বিষয় বস্তুৰ প্রতি চিত্তই স্থিৰভাৱে সংযোগ স্থাপন কৰিব পাৰে। এই অৱস্থাত চিত্ত-বৃত্তি নিৰোধৰ পথ মুকলি হয় যদিও চিত্তৰ সন্মুখত এটা বিষয় বস্তু থাকে বাবে চিত্ত সম্পূর্ণ বৃত্তিশূণ্য নহয়। চিত্ত যেতিয়া সম্পূর্ণৰূপে বিষয় ৰহিত হৈ পৰে তেতিয়া তাক নিৰুদ্ধ অৱস্থা বুলি কোৱা হয়। এই অৱস্থাত চিত্ত কেৱল শুদ্ধ, শান্ত, সাত্ত্বিক ৰূপত থাকে। এই নিৰুদ্ধ অৱস্থাৰ নামেই হৈছে সমাধি।

প্রকৃততে ওপৰোক্ত চিত্তৰ পাঁচোটা অৱস্থাৰ ভিতৰত একাগ্র আৰু নিৰুদ্ধ অৱস্থাৰ মাজেদিহে যোগ সম্পূর্ণ কৰিব পাৰি। অর্থাৎ চিত্তক সম্পূর্ণৰূপে বৃত্তিমুক্ত কৰি তাৰ স্বৰূপ শুদ্ধ, স্বচ্ছ, সাত্ত্বিক অৱস্থালৈ আনিব পাৰি। চিত্তৰ এই অবিকৃত শুদ্ধ অৱস্থাই হৈছে যোগৰ মুখ্য উদ্দেশ্য।

অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ 'যোগ' শব্দটো কি ধাতুৰ পৰা আহিছে।

.....

প্রশ্ন ২ ঃচিত্তৰ পাঁচোটা বৃত্তিৰ নাম লিখক।

.....

প্রশ্ন ৩ ঃচিত্তৰ ক্লেশ কেই প্রকাৰৰ আৰু কি কি?

.....

প্রশ্ন ৪ ঃচিত্তৰ 'পাঁচোটা' অৱস্থাৰ নাম লিখক।

.....

প্রশ্ন ৫ ঃ যোগৰ মুখ্য উদ্দেশ্য কি?

.....

.....

১৪.৪.২ যোগৰ অষ্টমার্গ বা অষ্টাঙ্গযোগ

যোগদর্শনৰ মতে তত্ত্বজ্ঞান লাভ কৰিলেহে চৰম আধ্যাত্মিক সত্য লাভ কৰিব পাৰি। এই চৰমসত্য লাভ কৰিবলৈ হ'লে দেহ, মন, ইন্দ্রিয়ক নিয়ন্ত্রণ কৰি সংস্কাৰমুক্ত কৰিব লাগিব। চিত্তৰ অতীতৰ সংস্কাৰ আৰু কর্ম-নাশ কৰিব পাৰিলেহে চিত্ত বিকাৰশূণ্য হৈ একাগ্রতাৰে উদ্দেশ্য সাধনত ব্রতী হ'ব পাৰে। একাগ্র চিত্ত নহ'লে সমাধি পূর্ণ নহয়। সমাধি লাভ কৰিবৰ বাবে যোগদর্শনে আঠোটি অনুশাসন অভ্যাস কৰিবলৈ নির্দ্দেশ দিছে। এই আঠোটি অনুশাসনক অষ্টাঙ্গ যোগ বোলা হয়। সেই সমূহ হৈছে— (১) যম, (২) নিয়ম, (৩) আসন, (৪) প্রাণায়াম, (৫) প্রত্যাহাৰ, (৬) ধাৰণা, (৭) ধ্যান আৰু (৮) সমাধি।

১) **যম ঃ** নৈতিক শৃঙ্খলাই হৈছে যম। অহিংসা, সত্য, অস্তেয়, ব্রহ্মচর্য্য আৰু অপৰিগ্রহ —এই কেইটা হৈছে যম অথবা নিষেধাত্মক বিধি। কায়মনো বাক্যে হিংসাবৃত্তিৰ পৰা নিৰস্ত হৈ শুদ্ধ চিত্তে কর্ম বাক্যে হিংসাবৃত্তিৰ পৰা নিৰস্ত হৈ শুদ্ধ চিত্তে কর্ম কৰি যাব পৰাটোৱেই অহিংসাৰ পথ। মিছা কথা নোকোৱাটো হ'ল সত্য। আনৰ বস্তুৰ প্রতি স্পৃহা নথকা বা আনৰ বস্তু চুৰ নকৰাই হ'ল অস্তেয়। ইন্দ্রিয় সুখ-ভোগৰ পৰা নিবৃত্ত

হোৱাৰ সাধনাই হৈছে ব্ৰহ্মচৰ্য্য।প্ৰয়োজনতকৈ বেছি গ্ৰহণ নকৰাই হৈছে অপৰিগ্ৰহ ইয়াৰ ফলত ত্যাগ আৰু বৈৰাগ্যৰ উদয় হয়। হিংসুক, মিথ্যাবাদী, ইন্দ্ৰিয়াসক্ত আৰু লোভীমানুহে আধ্যাত্মিক জ্ঞান লাভ কৰিব নোৱাৰে।

২) **নিয়ম ঃ** যিবোৰ নিত্য-নৈমিত্তিক আচাৰ পালন কৰিলে দেহ, মন, ইন্দ্ৰিয়াদি শুদ্ধ হয় তাকে নিয়ম বোলে। এই নিয়মসমূহ হ'ল— (ক) শৌচ, (খ) সন্তোষ, (গ) তপঃ, (ঘ) স্বাধ্যায় আৰু (ঙ) ঈশ্বৰ প্ৰণিধান।

ক) বাহ্যিক (স্নান, শুদ্ধ আহাৰ আদি) আৰু আভ্যন্তৰ অথবা অন্তৰ (দয়া, মায়া, আনন্দ আদি) শুদ্ধিৰ বাবে কৰা আচাৰ সমূহকে শৌচ বোলে।

খ) যিখিনি প্ৰাপ্য, তাতকৈ বেছি নিবিচাৰি প্ৰাপ্য খিনিকে লৈ সন্তুষ্ট থকাই হৈছে সন্তোষ।

গ) উদ্দেশ্য সাধনৰ বাবে দৃঢ় প্ৰতিজ্ঞ হোৱা সকলো প্ৰকাৰৰ দৈহিক বা মানসিক কষ্ট স্বীকাৰ কৰাই হৈছে তপঃ।

ঘ) নিয়মিতভাৱে শাস্ত্ৰ আদি পাঠ কৰাকে স্বাধ্যায় বোলে।

ঙ) নিতৌ নিয়মিতভাৱে ঈশ্বৰক ভক্তি কৰি তেওঁৰ ওচৰত আত্মসমৰ্পণ কৰাকে ঈশ্বৰ প্ৰণিধান বোলে।

৩) **আসন ঃ** শৰীৰটো সুস্থ ৰাখিবলৈ কিছুমান ব্যায়ামৰ প্ৰয়োজন। এই ব্যায়ামকে আসন বোলে। শৰীৰ আৰু চিত্ত এটা অন্যৰ পৰিপূৰক।নিৰোগী শৰীৰতহে চিত্ত সুস্থ আৰু একাগ্ৰ হয়।

৪) **প্ৰাণায়াম ঃ** উশাহ-নিশাহ নিয়ন্ত্ৰণ কৰাকে প্ৰাণায়াম বোলে। বায়ু আমাৰ প্ৰাণ। গতিকে বায়ুক নিয়ন্ত্ৰণ কৰিব পাৰিলে প্ৰাণক জানিব পাৰি। প্ৰাণায়ামৰ প্ৰক্ৰিয়া তিনিটা— উশাহ লোৱা বা পূৰক, উশাহ বন্ধ কৰি ৰখা বা কুম্ভক, আৰু উশাহ এৰি দিয়া বা ৰেচক। প্ৰাণায়ামে চিত্ত স্থিৰ কৰি ৰখাত সহায় কৰে আৰু মানসিক দৃঢ়তা আৰু একাগ্ৰতা বঢ়োৱাত সহায় কৰে। কিন্তু প্ৰাণায়াম প্ৰক্ৰিয়া অতি জটিল হোৱা বাবে সদায়ে বিশেষজ্ঞৰ সহায়ত এই প্ৰক্ৰিয়া অনুশীলন কৰিব লাগে। নহ'লে শৰীৰত বিৰূপ প্ৰতিক্ৰিয়াহে হ'ব পাৰে।

৫) **প্ৰত্যাহাৰ ঃ** ইন্দ্ৰিয়সমূহে বাহ্যিক বস্তুৰ লগত সম্পৰ্ক ত্যাগ কৰিব পৰা অৱস্থাকেই প্ৰত্যাহাৰ বোলে। প্ৰত্যাহাৰৰ দ্বাৰা ইন্দ্ৰিয়বোৰক অন্তৰ্মুখী কৰি মনৰ নিয়ন্ত্ৰনাধীন কৰিব পাৰিলে লোভ-মোহৰ পৰা মুক্ত হ'ব পাৰি।ইয়াৰ ফলত চিত্তৰ স্থিৰতা আহে।

৬) **ধাৰণা ঃ** কোনো বিষয় বা বস্তুৰ ওপৰত চিত্ত নিবদ্ধ কৰা কাৰ্য্যকে ধাৰণা বোলে। চিত্তৰ চঞ্চলতা আঁতৰ কৰি এটা মাত্ৰ বিষয়ৰ ওপৰত চিত্ত নিবদ্ধ কৰিব পাৰিব লাগিব। মনোযোগ স্থাপন কৰা বিষয়বস্তু বিভিন্ন হ'ব পাৰে। যেনে— দেৱ-দেৱীৰ ৰূপ, নাক বা কপালৰ মধ্যবিন্দু আদি। ক্ৰমাগত অনুশীলনৰ দ্বাৰা ধাৰণ ক্ষমতা বুদ্ধি কৰিব পৰিলে চিত্তৰ একাগ্ৰতা বাঢ়ে আৰু ক্ৰমান্বয়ে যোগৰ চৰম অৱস্থালৈ অগ্ৰসৰ হোৱা যায়।

৭) **ধ্যান ঃ** বিষয়বস্তুৰ সৈতে মনৰ সংযোগ যদি দীৰ্ঘস্থায়ী কৰিব পাৰি তেন্তে বিষয়বস্তুৰ প্ৰকৃত স্বৰূপ আংশিকভাৱে প্ৰকাশ হ'বলৈ ধৰে। ধাৰণাৰ পিছৰ অৱস্থাই হ'ল ধ্যান। ধ্যানৰ ফলত ধাৰণা দৃঢ় হয়। গতিকে ধ্যানে যোগীক ধ্যেয় (ধ্যানৰ বিষয়) বস্তুৰ যথার্থ জ্ঞান দিয়ে।

৮) **সমাধি ঃ** ধ্যান কৰোঁতে কৰোঁতে যেতিয়া চিত্ত ধ্যেয়ৰ আকাৰত পৰিণত হৈ যায়, তেতিয়া চিত্তৰ স্ব-স্বৰূপ নোহোৱা হৈ যায়, সেই অৱস্থাকে সমাধি বোলা হয়। 'মই ধ্যান কৰিছোঁ' এই ধাৰণাও এই অৱস্থাত লুপ্ত হৈ যায়। এই অৱস্থাত ধ্যানৰূপ প্ৰক্ৰিয়া আৰু ধ্যানৰ বিষয়— এই উভয়ৰ মাজত ভেদজ্ঞান লুপ্ত হয়। ধ্যানক্ৰিয়া, ধ্যানৰ বিষয় আৰু ধ্যানকৰ্তা এই তিনিওটা মিলি একাকাৰ হৈ যায়। এইদৰে চিত্ত ধ্যায়াকাৰ হৈ যোৱা অৱস্থাকে সমাধি বোলা হয়।

সমাধি দুই প্ৰকাৰৰ— (ক) সম্প্ৰজ্ঞাত সমাধি আৰু (খ) অসম্প্ৰজ্ঞাত সমাধি।

ক) সম্প্রজ্ঞাত সমাধি ঃ সমাধিৰ এই স্তৰত দৈহিক ক্রিয়া সম্পূর্ণ লোপ পায় যদিও দেহ সংজ্ঞাহীন নহয়। কেৱলমাত্র বাহ্য-চেতনা লোপ পায়। চিত্ত সত্ত্ব প্রধান হৈ পৰে। এই স্তৰত এটা মাত্র বিষয়-বস্তুৰ বৃত্তি থাকে বাবে জাগতিক ক্লেশ আৰু কর্মৰ বন্ধন নাইকীয়া হয়।

ধ্যানৰ বিষয় বস্তু অনুসৰি সম্প্রজ্ঞাত সমাধি চাৰি প্রকাৰ— সবিতর্ক, সবিচাৰ, সানন্দ আৰু সাস্মিত।

সবিতর্ক ঃ সমাধিত চিত্ত যেতিয়া কোনো এটা স্থূল ধ্যেয় বস্তুৰ ওপৰত নিবিষ্ট হয়। তেতিয়া সমাধিৰ সেই অৱস্থাক কোৱা হয় সবিতর্ক সমাধি।

সবিচাৰ ঃ সমাধিৰ এই স্তৰত চিত্ত সূক্ষ্ম তন্মাত্রৰ নিচিনা (ৰূপ, ৰস আদি) বিষয়ৰ ওপৰত নিবিষ্ট হয় আৰু এই অৱস্থাক কোৱা হয় সবিচাৰ সমাধি।

সানন্দ ঃ এইটো স্তৰত চিত্ত সূক্ষাতিসূক্ষ্ম ইন্দ্রিয়ৰ ওপৰত নিবদ্ধ হয়, য'ৰ পৰা চিত্তত আনন্দ অনুভূত হয়।

সাস্মিত ঃ এই স্তৰত চিত্তৰ ধ্যানৰ বিষয় সূক্ষ্মৰ পৰা সূক্ষাতিসূক্ষ্ম হয় আৰু এই অৱস্থাত চিত্ত অহঙ্কাৰলৈ যায় অর্থাৎ অহঙ্কাৰত নিজকে নিবিষ্ট কৰে।

খ) অসম্প্রজ্ঞাত সমাধি ঃ যিটো স্তৰত চিত্তৰ বৃত্তি সম্পূর্ণ লোপ হৈ কেৱল নির্গুণ, শুদ্ধ চৈতন্য বিৰাজ কৰে সেইটো স্তৰেই হৈছে অসম্প্রজ্ঞাত সমাধি। ধ্যান গভীৰ হৈ অহাৰ লগে লগে চিত্ত তাৰ ধ্যানবিন্দুত মিলি যায়। চিত্তবৃত্তি শূন্য হোৱাৰ লগে লগে যোগীৰ বুদ্ধি স্বচ্ছ (নির্মল) হৈ যায় অর্থাৎ সত্ত্ব গুণৰ উৎকর্ষ হোৱাৰ লগে লগে ৰজো আৰু তমো গুণৰ কলুষ দূৰ হৈ যায়। যোগীয়ে যথার্থ সত্যক উপলদ্ধি কৰিব পৰা হয়। তাত কোনো প্রকাৰৰ ভ্রম বা সংশয়ৰ লেশ নাথাকে। এই অৱস্থাই হৈছে জ্ঞাতা জ্ঞেয়ৰ সম্বন্ধৰহিত চিত্তৰ নিৰুদ্ধ অৱস্থা। ইয়াত চিত্তৰ কোনো অৱলম্বন নাথাকে। অসম্প্রজ্ঞাত সমাধি প্রাপ্তিৰ পিছত যোগীৰ কাষত জগত বা পার্থিৱ বস্তুৰ কোনো অস্তিত্ব নাথাকে।

১৪.৪.৩ যোগ-দর্শনৰ ঈশ্বৰ তত্ত্ব

এইটো অধ্যায়ৰ আৰম্ভণিতে আপুনি পাই আহিছে যে সাংখ্য আৰু যোগদর্শন সমানতান্ত্রিক দর্শন। কিন্তু যোগদর্শন হ'ল ঈশ্বৰবাদী দর্শন, আনহাতে, সাংখ্যদর্শন নিৰীশ্বৰবাদী।

যোগদর্শনৰ মতে ঈশ্বৰ পুৰুষবিশেষ। ঈশ্বৰ শুদ্ধ, অনন্ত, অসীম, পূর্ণ, একক চৈতন্য সত্তা। প্রকৃতি হৈছে সৃষ্টিৰ উপাদান কাৰণ আৰু পুৰুষ হৈছে নিমিত্ত কাৰণ। প্রকৃতিৰ সান্নিধ্যত থাকিও মুক্ত। সর্বব্যাপী, সর্বজ্ঞ, সর্বশক্তিমান নিজৰ কর্মফল অনুসৰি ফলপ্রদান কৰে। তেওঁ ঋষিসকলৰ গুৰু, বেদশাস্ত্রৰো গুৰু। 'ওম্' তেওঁৰ প্রতীক। তেওঁক ভক্তি কৰিলেই সমাধিৰ পথ প্রশস্ত হয়। ঈশ্বৰৰ অস্তিত্ব সম্পর্কত যোগদর্শনে নিম্নোক্ত যুক্তিবোৰ আগবঢ়াইছে—

ক) বেদত ঈশ্বৰৰ কথা পোৱা যায়।

খ) ধাৰাবাহিকতাৰ নিয়ম অনুসৰি মানুহৰ জ্ঞান সীমিত, কিন্তু অসীম জ্ঞানৰ অধিকাৰী যিজন তেওঁ ঈশ্বৰ।

গ) দুটা সম্পূর্ণ বিপৰীত সত্তা প্রকৃতি আৰু পুৰুষৰ সংযোগ আৰু বিচ্ছেদ একমাত্র অসীম শক্তিসম্পন্ন ঈশ্বৰৰ দ্বাৰাহে সম্ভৱ।

ঘ) সমাধি প্রাপ্তিৰ বাবে ঈশ্বৰৰ ভক্তিয়েই একমাত্র উপায়, যাৰ জৰিয়তে মুক্তি লাভ কৰিবলৈ সহজ হয়।

যোগদর্শনৰ মতে কিন্তু ঈশ্বৰ সৃষ্টি স্থিতি লয়ৰ কাৰণ নহয়। তেওঁ প্রত্যক্ষভাৱে জীৱৰ মুক্তিত সহায় নকৰে। তেওঁ মুক্তিৰ পথত থকা বাধা-বিঘিনি (ক্লেশ) আতৰাই মুক্তিৰ পথ প্রশস্ত কৰি তোলে। যোগদর্শনৰ মতে জীৱৰ মুখ্য উদ্দেশ্য ঈশ্বৰ প্রাপ্তি নহয়, পুৰুষ আৰু প্রকৃতিৰ মাজত থকা পার্থক্য উপলব্ধি কৰাহে।

জানি থোৱা ভাল

যোগ দর্শনৰ কিছুমান উল্লেখযোগ্য গ্ৰন্থ—

গ্ৰন্থৰ নাম	—	লিখকৰ নাম
১) যোগ সূত্ৰ অথবা পাতঞ্জল-সূত্ৰ	—	পতঞ্জলি
২) যোগ ভাষ্য বা ব্যাস-ভাষ্য	—	ব্যাস
৩) তত্ত্ব বৈশাৰদী	—	বাচস্পতি মিশ্ৰ
৪) যোগবার্তিক	—	বিজ্ঞানভিক্ষু
৫) যোগ সাৰসংগ্ৰহ	—	বিজ্ঞানভিক্ষু
৬) ভোজবৃত্তি বা ৰাজমার্তণ্ড	—	ভোজদেৱ
৭) যোগসূত্ৰ দীপিকা	—	ভাৱগণেশ
৮) যোগ সিদ্ধান্ত চন্দ্ৰিকা	—	নাৰায়ণতীর্থ
৯) ভাস্বতী	—	হৰিহৰানন্দ আৰণ্যক
১০) মণিপ্ৰভা	—	ৰামানন্দ যতি

সাংখ্য আৰু যোগৰ সম্বন্ধ ঃ সাংখ্য আৰু যোগদর্শনক সমানতান্ত্ৰিক দর্শন বোলা হয়। সৃষ্টি তত্ত্ব আৰু জ্ঞান তত্ত্বৰ ক্ষেত্ৰত দুয়োটা দর্শনৰে মত একে। কিন্তু কিছু কিছু ক্ষেত্ৰত উভয় দর্শনৰ সামান্য পার্থক্যও দেখা যায়। কিন্তু পার্থক্য যিয়েই নাথাকক উভয় দর্শনেই দ্বৈতবাদী দর্শন। অর্থাৎ পুৰুষ আৰু প্ৰকৃতি হ'ল দুটা প্ৰধান মৌলিক তত্ত্ব।

পাতঞ্জল যোগসূত্ৰৰ চাৰিটা বিভাগ বা পাদ আছে ঃ সমাধি পাদ, সাধন পাদ, বিভূতি পাদ আৰু কৈৱল্য পাদ। প্ৰথম পাদত চিত্ত আৰু তাৰ বৃত্তিসমূহৰ বিশ্লেষণাত্মক আলোচনা আছে। দ্বিতীয় পাদত কৈৱল্য লাভৰ সাধন আদি উপায়সমূহৰ কথা বিশেষভাৱে আলোচনা কৰা হৈছে। তৃতীয় পাদত যোগ সাধনাৰ দ্বাৰা লাভ কৰা যোগবিভূতি বা যোগৈশ্বর্য্যৰ কথা আলোচনা আছে আৰু চতুর্থ পাদত যোগৰ মুখ্য উদ্দেশ্যত উপনীত হ'লে কি হয় তাৰ আলোচনা আছে। লগতে আত্মাৰ প্ৰকৃত স্বৰূপ, কৈৱল্য লাভ কৰিলে আত্মাৰ কি হয় তাৰ বিষয়েও আলোচনা কৰা হৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৬ ঃ অষ্টাঙ্গযোগৰ নাম কেইটা লিখক।

.....

.....

প্ৰশ্ন ৭ ঃ সমাধি কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ৮ ঃ সম্প্ৰজ্ঞাত সমাধি কেইপ্ৰকাৰৰ আৰু কি কি?

.....

প্ৰশ্ন ৯ ঃ 'যোগবার্তিক' গ্ৰন্থৰ গ্ৰন্থকাৰৰ নাম লিখক।

.....

প্রশ্ন ১০ ঃ 'পাতঞ্জল-সূত্র' নামৰ গ্রন্থখন কেইটা পাদত ভাগ কৰা হৈছে আৰু কি কি?

.....

.....

১৪.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- যোগ শব্দৰ অর্থ জানিব পাৰিলোঁ।
- যোগমনস্তত্ত্বৰ মূল বিষয়বস্তু দুটা অর্থাৎ চিত্তবৃত্তি আৰু চিত্তভূমিৰ বিষয়ে জানিব পাৰিলোঁ।
- তত্ত্বজ্ঞান লাভৰ ক্ষেত্রত অষ্টাঙ্গযোগৰ ভূমিকা সম্পর্কে জ্ঞান লাভ কৰিলোঁ।
- যোগদর্শনত ঈশ্বৰৰ অস্তিত্বৰ বিষয়ে অৱগত হ'ব পাৰিলোঁ।
- যোগদর্শনৰ বিভিন্ন গ্রন্থ তথা গ্রন্থকাৰৰ নাম জানিব পাৰিলোঁ।

১৪.৬ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

১) চেতিয়া, ড° বিপিন , শর্মা, ড° নীলিমা (১৯৭৪); *ভাৰতীয় দর্শন* (১ম খণ্ড); গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি।

২) দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।

বাংলা গ্রন্থ ঃ

১) বন্দোপাধ্যায়, সুৰেশ চন্দ্র,ভট্টাচার্য্য,নাৰায়ণ চন্দ্র; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্রাইভেট লিমিটেড।

ইংৰাজী গ্রন্থ ঃ

1) Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.

১৪.৭ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰ ঃ 'যোগ' শব্দটো 'যুজ্' ধাতুৰ পৰা আহিছে।

২নং প্রশ্নৰ উত্তৰ ঃ চিত্তৰ পাঁচোটা বৃত্তি হ'ল— প্রমাণ, বিপর্য্যয় বিকল্প, নিদ্রা আৰু স্মৃতি।

৩নং প্রশ্নৰ উত্তৰ ঃ চিত্তৰ ক্লেশ পাঁচ প্রকাৰৰ— অবিদ্যা, অস্মিতা, ৰাগ, দ্বেষ আৰু অভিনিবেশ।

৪নং প্রশ্নৰ উত্তৰ ঃ চিত্তৰ পাঁচোটা অৱস্থা হ'ল— ক্ষিপ্ত, মূঢ়, বিক্ষিপ্ত, একাগ্র আৰু নিৰুদ্ধ।

৫নং প্রশ্নৰ উত্তৰ ঃ যোগৰ মুখ্য উদ্দেশ্য হ'ল— চিত্তক সম্পূর্ণৰূপে বৃত্তিমুক্ত কৰি তাৰ যথার্থ স্বৰূপ অৱস্থা অর্থাৎ শুদ্ধ, স্বচ্ছ, সাত্বিক অৱস্থালৈ অনা।

৬নং প্রশ্নৰ উত্তৰ ঃ অষ্টাঙ্গ যোগ হ'ল— যম, নিয়ম, আসন, প্রাণায়াম, প্রত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি।

৭নং প্রশ্নৰ উত্তৰ ঃ সমাধি দুই প্রকাৰৰ— সম্প্রজ্ঞাত সমাধি আৰু অসম্প্রজ্ঞাত সমাধি।

৮নং প্রশ্নৰ উত্তৰ ঃ সম্প্রজ্ঞাত সমাধি চাৰি প্রকাৰৰ— সবিতর্ক, সবিচাৰ, সানন্দ আৰু সাস্মিত।

৯নং প্রশ্নৰ উত্তৰ ঃ 'যোগবার্তিক' গ্রন্থৰ গ্রন্থকাৰ বিজ্ঞানভিক্ষু।

১০নং প্রশ্নৰ উত্তৰ ঃ 'পাতঞ্জল-সূত্র' নামৰ গ্রন্থখন চাৰিটা পাদত ভাগ কৰা হৈছে— সমাধিপদ, সাধন পাদ, বিভূতিপাদ আৰু কৈৱল্য পাদ।

? ১৪.৮ আৰ্হি প্ৰশ্ন

ক) বস্তুধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ যোগ শব্দৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ যম শব্দটোৰ ওপৰত এটি টোকা লিখক।

খ) চমু প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ১৫০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ সমাধিৰ ভাগ দুটাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰক।

গ) ৰচনাধৰ্মী প্ৰশ্ন ঃ (প্ৰতিটো প্ৰশ্নৰ উত্তৰ ৩০০-৫০০টা শব্দৰ ভিতৰত লিখক)

প্ৰশ্ন ১ ঃ যোগমনস্তত্ত্বৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ ঃ অষ্টাঙ্গযোগৰ বৰ্ণনা কৰক।

*** ***** ***

প্রসংগ পুথি

- Dora, (Dr.) Ghanashyam, (2011), *Ayurvediya Hitopadesha,* Puri, Ethical Publications.
- Vyas, K.P. Kothari Y. K., (1998), *An Introduction to Ayurveda,* Delhi, Chaukhamba Sanskrit Pratishthan.
- Javalgekar (Dr.) Ravi R., (2000), *An Introduction to Ayurveda,* Varanasi Chaukhambha Sanskrit Bhawan.
- শাস্ত্রী, (পণ্ডিত) ৰাজেশ্বৰ দত্ত (সম্পাদিত), (২০০৫), *চৰকসংহিতা,* ৰাৰানসী, চৌখম্ভা, ভাৰতী অকাডেমী।
- বাৰ্ষ্ণেয়, চন্দ্রগুপ্ত, (২০০২), *চৰকসংহিতা,* জয়পুৰ, ৰাজস্থান পত্রিকা প্রকাশন।
- Goswami, (D.) Dilip Kumar, *Essentials of Ayurveda,* Jorhat, Eastern Readers Publication.
- A. K. Bag: *Mathematics in Ancient and Medieval India* (1979), Chaukhambha Orientalia, Varanasi, Delhi.
- Kim Plofker : *Mathematics in India* (2012), Hindustan Book Agency.
- ড° দিলীপ শর্মা ঃ *লীলাৱতী* (অনূদিত) ২০০৫), অসম প্রকাশন পৰিষদ।
- শর্মা, থানেশ্বৰ, *'সংস্কৃত সাহিত্যৰ ইতিবৃত্ত'*, গুৱাহাটী ঃ চন্দ্রপ্রকাশ।
- গোস্বামী, হৰমোহনদেৱ, *'সংস্কৃত সাহিত্যৰ বুৰঞ্জী'*, গুৱাহাটী ঃ বুকলেণ্ড।
- Krishnamachariar. M. *'History of Classical Sanskrit Literature'*, New Delhi : MLBD.
- বন্দোপাধ্যায়, ধীৰেন্দ্রনাথ, দ্বিতীয় সংস্কৰণ (২০১৪); *'সংস্কৃত সাহিত্যৰ ইতিহাস'*, পশ্চিমবংগৰাজ্য পুস্তক পর্ষৎ ঃ কলকাতা।
- শ্রীমদ্বাল্মীকীয় ৰামায়ণ (প্রথম আৰু দ্বিতীয় খণ্ড) গীতা প্রেস গোৰখপুৰ
- মহাভাৰত (তৃতীয়, পঞ্চম আৰু ষষ্ঠ খণ্ড) গীতা প্রেস, গোৰখপুৰ।
- মৎসপুৰাণম্ নৰভাৰত পাবলিশার্স, কলকতা।
- ৰাহপুৰাণম্ নৰভাৰত পাবলিশার্স, কলকতা।
- কালিকাপুৰাণম্ নৰভাৰত পাবলিশার্স, কলকতা।
- শর্মা, ড° থানেশ্বৰ, ঋগ্বেদ, (প্রথম-ষষ্ঠদশ খণ্ড, ৰেখা প্রকাশন, গুৱাহাটী)।
- কালে, এম, আৰ ঋতুসংহাৰ, মতিলাল বনাৰসী দাস, দিল্লী।
- ত্রিপাঠী, ড° শ্রীকৃষ্ণমণি, ৰঘুবংশম্, চৌখম্বা সুৰভাৰতী প্রকাশন, বাৰাণসী।
- শাস্ত্রী, শ্রীবৈদ্যনাথ ঝা, মেঘদূতম্, চৌখম্ব কৃষ্ণদাস অকাদেমি, বাৰাণসী।
- কালে, এম আৰ অভিজ্ঞানশকুন্তলম, মতিলাল, বানাৰসী দাস, দিল্লী।
- শর্মা ড. থানেশ্বৰ, মহাকবি কালিদাসৰ অভিজ্ঞান শকুন্তলম এক সমীক্ষা, শান্তিদেৱী প্রকাশ, গুৱাহাটী-২৪।
- মালবীয় ড. সুধাকৰ, কুমাৰসম্ভৱম্, চৌখিম্বা কৃষ্ণদাস অকাদমী, বাৰাণসী।
- দেৱশর্মা ৰজনীকান্ত, কৌটিলীয় অর্থশাস্ত্র, অসম প্রকাশন পৰিষদ, গুৱাহাটী -২১।
- শর্মা, শ্রীকিৰণ, মনুসংহিতা, চন্দ্রপ্রকাশ, গুৱাহাটী-১
- বসু, ড. যোগীৰাজ, বেদৰ পৰিচয়, অসম প্রকাশন পৰিষদ, গুৱাহাটী।
- ভট্টাচার্য ৰঞ্জিত নাথ আৰু ৰাজখোৱা ৰাতুল চন্দ্র (২০১৩); জীৱবিজ্ঞান; গুৱাহাটী অসম বুক ডিপো।

- দাস কৰুণাকান্ত আৰু চক্ৰৱৰ্ত্তী অনুপ কুমাৰ (২০০৬); প্ৰাথমিক জীৱবিদ্যা; গুৱাহাটীঃ বীণা লাইব্ৰেৰী।
- ভৰালী যশোদানন্দ, ভট্টাচার্য্য ৰঞ্জিত নাথ আৰু ৰাজখোৱা ৰাতুল চন্দ্ৰ (২০০৭); জীৱিবজ্ঞান, গুৱাহাটীঃ অসম বুক ডিপো।
- Banerji Suresh Chandra (1989), A companion to Sanskrit Literature, Delhi, MLBD
- Ray Priyadaranjan and Sen S.N. (Ed.), The Cultural Heritage of India, Vol. VI, Calcutta, the Ramakrishna Mission Institute of Culture.
- Pride of India, Sanskrit Bharati, New Delhi.
- Science in Sanskrit Bharati, New Delhi.
- Cultural Heritage of India VOL. VI, The Ramkrisna Mission, Institute of Culture, Calcutta.
- দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়;* বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।
- পূজাৰী, ডº বন্দনা (২০১৫); *ভাৰতীয় দর্শনত এভুমুকি;* গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।
- বন্দোপাধ্যায়, সুৰেশ চন্দ্ৰ,ভট্টাচার্য্য,নাৰায়ণ চন্দ্ৰ; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্ৰাইভেট লিমিটেড।
- Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.
- Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD.
- Sharma, C.D. (2003), A Critical Survey of Indian Philosophy, Motilal Banarasidass Publishers Pvt. Ltd., Delhi.
- Chatterjee, S. & Dutta, D.M. (1984), An Introduction to Indian Philosophy, Calcutta University Press, Kolkata.
- Sinha, P.T. (1992), The Philosophical Tradition of India, Motilal Banarasidass Publishers. Pvt. Ltd. Delhi.
- Sinha. J.N. (1998), Outlines of Indian Philosophy, New Central Book Agency (D) Ltd., Kolkata.
- Radhakrishnan, S. (1993), Indian Philosophy, Vol. I & II, Oxford University Press. New Delhi.
- Hiriyanna, M. (2005), Qutlines of Indian Philosophy. Motilal Banarasidass Publishers. Pvt. Ltd. Delhi.

- দাস, পৰিমল ভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়;* বিশ্ববিদ্যালয় প্ৰকাশন বিভাগ।
- পূজাৰী, ডº বন্দনা (২০১৫); *ভাৰতীয় দর্শনত এভুমুকি;* গুৱাহাটী ঃ ষ্টুডেণ্টছ্ ষ্টোৰ্ছ।
- Sinha, Jadunath (1999); *Indian Philosophy* (Vol. II); Delhi: MLBD.
- Dasgupta, Surendranath (1999); *A History of Indian Philosophy* (Vol. IV); Delhi: MLBD. .

- নেওগ, মহেশ্বৰ (১৯৯১); *পবিত্র অসম*; গুৱাহাটী লয়ার্ছ বুক ষ্টল।
- ভট্টাচার্য, হিতেন্দ্র নাথ আৰু ভটাচার্য, সুৰেশ চন্দ্র, সম্পাদিত (২০০৯); *অসমৰ প্রাচীন দ'ল-দেৱালয়;*

গুৱাহাটী ঃ সদৌ অসম দেৱালয় সংঘ শ্রীশ্রী জনার্দন দেৱালয়, শুক্রেশ্বৰ।

- শর্মা দলৈ, হৰিনাথ, অসমত শক্তি সাধনা আৰু শাক্ত সাহিত্য, ব্রহ্মপুত্র অফচেট, গুৱাহাটী ১৯৯৮।
- দ্বিবেদী শ্যামাকান্ত, শ্রীবিদ্যা-সাধনা, চৌখম্বা সু�ৰভাৰতী প্রকাশন, বাৰাণসী ২০০৫।
- Radhakrishnan, S. (1930) : Indian Philosophy, Vo.1.2 (end edn.), New Delhi, Oxford University Press.
- Narang, Sudesh. (1984) : The Vaisnava Philosophy, Delhi, Nag Publishers.
- Jaiswal, Suvira. (1967) : The Origin and Development of Vaisnavisam, Delhi, Munshiram Maroharlal Oriental Publishers and Booksellers.
- Chatterji, Suniti Kumar (editor). (2005) : The Cultural Heritage of India, Vol. V, Calcutta, The Ramkrishna Mission Institute of Culture.
- Bhattacharyya, Heritage (edition). (2005) : The Cultural Heritage of India. Vol. IV, Calcutta, The Ramkrishna Mission Institute of Culture.
- চেতিয়া, ড° বিপিন , শর্মা, ড° নীলিমা (১৯৭৪); *ভাৰতীয় দর্শন* (১ম খণ্ড); গুৱাহাটী বিশ্ববিদ্যালয় পাঠ্যপুথি প্রস্তুতি সমন্বয় সমিতি।
- দাস, পৰিমলভূষণ (১৯৯৪); *ভাৰতীয় দর্শন পৰিচয়*; বিশ্ববিদ্যালয় প্রকাশন বিভাগ।
- বন্দোপাধ্যায়, সুৰেশ চন্দ্র, ভট্টাচার্য্য, নাৰায়ণ চন্দ্র; *সংস্কৃত সাহিত্যের ভূমিকা* (১ম ভাগ আৰু ২য় ভাগ); কলিকতা ঃ মুখার্জী অ্যাণ্ড কোম্পানী প্রাইভেট লিমিটেড।
- Sharma Dr. C. D. (1987); *A Critical Survey of Indian Philosophy*; Delhi: MLBD.

*** ***** ***